# অন্ত্যলীলা খণ্ড।

# শ্ৰীকৃষ্ণ।

( ভগবান শ্ৰীকৃষ্ণৰ জীৱন-লীলা )


সাহিত্যিক পেঞ্চনাৰ,

ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি-বৰুৱা, এম, আৰ, এ, এচ,

প্ৰণীত।


## অন্ত্যলীলা খণ্ড।

"শ্যামাবদাতং বিৰজং প্ৰশান্তাৰুণলোচনং।
দোৰ্ভিশ্চতুৰ্ভিৰ্ব্বিদিতং পীতকৌশাম্বৰেণ চ॥"

—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ অধ্যা, ৭ম শ্লোক।


প্ৰথম তাঙৰণ।

তেজপুৰ, অসম।

১৮৬১ শক।



মূল্য {
আদ্যলীলা খণ্ড, বন্ধে ... ... ৩৲ টকা।
মধ্যলীলা খণ্ড, বন্ধে ... ... ৪॥০ টকা।
অন্ত্যলীলা খণ্ড, বন্ধে ... ... ৩৲ টকা।
তিনিখণ্ড, একেলগে, বন্ধে ... ১০৲ টকা।

লীলা-এজেন্সিরপরা
গ্রন্থকারের দ্বারাই প্রকাশিত।

কলিকতা,
৮৫নং অপার চারকুলার রোড, "ভারতমিহির যন্ত্রে"
শ্রীমূলচরণ দাসের দ্বারাই মুদ্রিত।

# উচ্ছৰ্গা।

যাৰ শিৰত
ভগৱন্ত শ্ৰীকৃষ্ণৰ
আদ্যলীলা আৰু মধ্যলীলা
আশীষ্ নিৰ্ম্মালি অৰ্পিত হৈছে,

সেই
মোৰ অষ্টম সন্তান,—একেটি পুত্ৰ—
শ্ৰীমান্ হৰকৃষ্ণনাথ গোহাঞি বৰুৱা
'দেউতাকণৰ'

শিৰত
ভগৱন্তৰ অন্ত্যলীলা আখ্যান
পিতৃৰ আশীষ্ নিৰ্ম্মালিস্বৰূপে
অৰ্পিত হল।

গ্ৰন্থকাৰ।

# "শ্ৰীকৃষ্ণ"

## অন্ত্যলীলা খণ্ডৰ পাতনি।

"শ্ৰীকৃষ্ণ" পুথিৰ আদ্যলীলা আৰু মধ্যলীলা এই দুই খণ্ড প্ৰচাৰিত হৈ গৈছে ; এতিয়া অন্ত্যলীলা খণ্ড প্ৰচাৰ কৰিবলৈ হাতত লোৱা হৈছে। অন্ত্যলীলাৰ লগতে ভগৱন্ত শ্ৰীকৃষ্ণৰ মানৱ চৰিত্ৰ সম্বন্ধে আমাৰ বক্তব্য আৰু মন্তব্যবো অন্ত পৰিব। গতিকে, এই হেগতে, "শ্ৰীকৃষ্ণ" গ্ৰন্থৰ নতুনত্ব আৰু বিশেষত্বৰ বিষয়ে দু-আষাৰ কোৱা যায়।

"শ্ৰীকৃষ্ণ" গ্ৰন্থৰ নূতনত্ব এই যে, ভগৱন্ত শ্ৰীকৃষ্ণৰ লীলা বা অৱতাৰী আখ্যান একেকঠিকৈ একেখন গ্ৰন্থতে সন্নিবিষ্ট কৰা এয়ে প্ৰথম ;—এতেকে, এয়ে এই পুথিৰ নতুনত্ব। আধুনিক ভাৰতীয় আন কোনো ভাষাতে এই দৰে ধাৰাবাহিককৈ একেখন গ্ৰন্থতে শ্ৰীকৃষ্ণচৰিত অদ্যাপি প্ৰচাৰিত হোৱা নাই,—অ'ত-ত'ত সিচৰিতকৈ খণ্ডাছিগা হৈ হৈ আছে, সিও শৃঙ্খলাবদ্ধকৈ নহয় ; যেনে,—শ্ৰীকৃষ্ণাৱতাৰৰ আদ্য বা বাল্য লীলাৰ বিবৃতি ভাগৱত-পুৰাণৰ দশম স্কন্ধত হে বিস্তাৰিতকৈ বিবৃত হৈছে, অথচ অন্ত্যলীলাৰ অন্তৰ্গত স্বৰ্গাৰোহণ পৰ্ব্ব বা কৃষ্ণলীলাৰ সামৰণ ভাগ সেই মহাপুৰাণৰ তৃতীয় স্কন্ধতে বৰ্ণিত হৈ গৈছে। ইত্যাদি অগা-পিচা, ওলট-পালট আৰু খণ্ডাছিগা ভগৱন্ত-কীৰ্ত্তনৰ খেলিমেলি হেমেজালি গুচোৱা বিষয়তো "শ্ৰীকৃষ্ণ" পুথিৰ বিশেষ নতুনত্ব হৈছে।

"শ্ৰীকৃষ্ণ" আখ্যানৰ বিশেষত্বলৈ আঙুলিয়াবলৈ ভয় হে লাগে। কল্পনাৰ ডাঁৱেৰে নিলগৰপৰা দেখুৱাবলগীয়া চৰিত্ৰ-সমল ইয়াত হাতেৰে চুই চালি-জাৰি দেখুৱা গৈছে। অৰ্থাৎ, ভগৱন্ত শ্ৰীকৃষ্ণৰ লীলা-কাহিনীত বিৰিঙি ওলোৱা কোনো কোনো অলৌকিক ঘটনাৰ উৰণীয়া পাখি কাঢ়ি, "শ্ৰীকৃষ্ণ" আখ্যানৰ ঠায়ে ঠায়ে সেই ঘটনাবোৰত লৌকিক সাজ-পাৰ পিন্ধাবলৈ মৰসাহ দি প্ৰয়াস পোৱা গৈছে। "শ্ৰীকৃষ্ণ" আদ্যলীলা খণ্ডত সেই অলৌকিকতাৰ পৰিমাণ অত্যধিক; গতিকে তাত লৌকিকতাৰ ভাজনীও প্ৰচুৰ। সেইবাবে, গ্ৰন্থকাৰ হিচাপে, আমি হে দোষাদোষৰ সৰ্ব্বতোভাৱে ভাগী; গ্ৰন্থৰ প্ৰকাশক বা শ্ৰীকৃষ্ণাখ্যানৰ আঁতিগুৰি পুৰাণ, হৰিবংশ, মহাভাৰত প্ৰভৃতি মূলগ্ৰন্থাদিত তাৰ অকণো চেকা নাই। বিশেষতঃ, যথা-যথাঠাইত লাগতিয়াল টীকা-ব্যাখ্যা দি, সেই দোষ-গুণৰ ভাগ আমি প্ৰকাশ্যে গা-পাতি লৈছোঁ, যাতো প্ৰকাশক বা মূলগ্ৰন্থাদিৰ গালৈ বাগৰি নাযায়। সেই দহমোনীয়া অলৌকিকতাৰ শিলবোৰ আমাৰ বুটী কাপেৰে ঘঁহি-পিহি নিমজকৈ লৌকিকতালৈ অনাৰ প্ৰয়াস পোৱাবো যাই কাৰণ হৈছে এই যে, পানীয়ে যিৰূপে যি পাত্ৰতে স্থিতি কৰে সেই পাত্ৰৰে গঢ় লয়, সেইৰূপেই ভগৱন্তয়ো যেতিয়া যতে থিত লয়, তেতিয়া ত'ৰে আকৃতি-চিত্ৰ ধাৰণ কৰে,—মানৱ অৱতাৰত মানৱী চৰিত্ৰত বিকসিত হয়; তাৰ অন্যথা ঘটিলে অস্বাভাৱিকতাৰ অৱতাৰণা হয়। অস্বাভাৱিক কল্পনাৰ পাখি পিন্ধাই স্বাভাৱিক বা প্ৰকৃতক অপ্ৰকৃত কৰিলে সৃষ্টি-ৰীতিৰ বিপৰ্য্যয় ঘটে,—সি মানৱ ধাৰণাৰ অতীত হৈ পৰে, তাত মানৱ আস্থা নোহোৱা হয়। ভগৱন্ত শ্ৰীকৃষ্ণ সেইৰূপ অস্বাভাৱিকতাৰ ঘোৰ বিৰোধী আছিল। সেই হেতুকে, বাসুদেৱে স্বয়ং একাধিক প্ৰসঙ্গত দঢ়াই দঢ়াই কোৱা আছে, তেওঁত

যেন ভুলতো কেৰে প্ৰত্যক্ষ ঈশ্বৰত্ব আৰোপ নকৰে; তাকে কৰাৰ বাবে হে বিবিধ প্ৰসঙ্গত নন্দনন্দন যশোদাতনয় দৈৱকীসুত বাসুদেৱে আক্ষেপ প্ৰকাশ কৰিছিল।

"শ্ৰীকৃষ্ণ" চৰিত্ৰৰ অন্ত্যলীলা খণ্ডত কিন্তু ভগৱন্তৰ অলৌকিকতা ঢাকিবলৈ আমাৰ লৌকিকতাৰ আৰকাপোৰৰ নাটনি পৰিছে। কিয়নো, কোনো-কোনো প্ৰসঙ্গত মানৱী সমস্যা সাঁতৰি পাৰ হব নোৱাৰি, শ্ৰীকৃষ্ণদেৱ স্বয়ং ধৰা পৰিছে। কুৰুক্ষেত্ৰ-মহাৰণৰ আৰম্ভণত মহাৰথ অৰ্জ্জুনৰ বৈৰাগ্যতাই সাৰথি-কৃষ্ণক বিষম সমস্যাত পেলাইছিল; বাসুদেৱে সেই সমস্যা সাঁতৰি পাৰ হব নোৱাৰি, কৃষ্ণ-পৰায়ণ সৰ্ব্বশ্ৰেষ্ঠ ভক্ত সখি-শিষ্য অৰ্জ্জুনৰ আগত তেওঁৰ ঈশ্বৰত্ব স্বীকাৰ কৰি, স্বীয় বিৰাট মূৰ্ত্তি ধাৰণ কৰিবলৈ বাধ্য হৈছিল। —তাৰে ফল হৈছে জগতত সৰ্ব্বশ্ৰেষ্ঠ ধৰ্ম্মশাস্ত্ৰ শ্ৰীমদ্ভগৱদগীতা। এইখিনিতে আমিও উপায়ন্তৰ হৈ, অপৰিহাৰ্য্য অলৌকিকতাত অৱাৰিত পোহৰ পৰাকৈ আৰকাপোৰ সম্পূৰ্ণে উদিয়াই দিছোঁ, যিহেতু তাৰ প্ৰতিবিধানৰ অৰ্থে আমাৰ হাতৰ বিপদতাৰণ অস্ত্ৰ-ৰূপে ভগৱন্তৰ মুখ-নিঃসৃতবানিস্থত শ্ৰীমদ্ভগৱদগীতা বিদ্যমান। ভগৱন্ত শ্ৰীকৃষ্ণৰ বিৰাটমূৰ্ত্তি, বাসুদেৱ ৰাম-কৃষ্ণৰ সৌ-শৰীৰে স্বৰ্গযাত্ৰা বা মহাপ্ৰয়াণ আদি সেই অলৌকিকতাৰ অকাট্য প্ৰমাণ। আমাৰ বিশ্বাস, আদ্য আৰু মধ্যলীলাত কল্পনাৰ পাখি কাটি অলৌকিকতাৰ ঠাইত পাৰ্য্যমানে লৌকিকতাৰ আৱেশ অৱতাৰণা কৰাৰ বাবে যিসকল ভক্তপ্ৰাণ অলপ ব্যথিত হৈছিল, অন্ত্যলীলাৰ অলৌকিকতাৰ অৱতাৰণাই সিসকলৰ সেই ব্যথা নিশ্চয় পাটল কৰিব।

"শ্ৰীকৃষ্ণ" অন্ত্যলীলাৰ গৰ্ভত, ইতিপূৰ্ব্বতে সুকীয়াকৈ প্ৰচাৰিত হোৱা যি "গীতাসাৰ" সন্নিবিষ্ট হৈছে, তাৰ মূলৰপৰা ভাঙোতে আমি

৺কৃষ্ণানন্দ স্বামীৰ শ্ৰীমদ্ভগৱদ্‌গীতা আৰু ৺শ্ৰীধৰ কন্দলিৰ গভীৰ গবেষণাপূৰ্ণ টীকাব্যাখ্যাবপৰা বিস্তৰ সাহায্য গ্ৰহণ কৰিছোঁ; সেই বাবে সেই স্বৰ্গীয় পৱিত্ৰাত্মাদ্বয়ৰ ওচৰত আমি সভক্তি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইতি

"পদ্মকুটীৰ", তেজপুৰ, অসম।
৺শ্ৰীপঞ্চমীতিথি, ১৮৬১ শক।

শ্ৰীকৃষ্ণপাদ,
শ্ৰীপদ্মনাথ গোহাঞিঁ বৰুৱা।

# "শ্ৰীকৃষ্ণ" অন্ত্যলীলা খণ্ডৰ

## সূচী।


| বিষয়। | | | | পৃষ্ঠা। |
|---|---|---|---|---|
| | | ১। আধ্যা। | | |
| কুমাৰ হৰণ | ... | ... | ... | ৫৫৩ |
| | | ২। আধ্যা। | | |
| উষা-হৰণ | ... | ... | ... | ৫৬৭ |
| | | ৩। আধ্যা। | | |
| শ্ৰীকৃষ্ণৰ কন্যাপুৰ যাত্ৰা | | ... | ... | ৫৭৬ |
| | | ৪। আধ্যা। | | |
| অগ্নিগড় লঙ্ঘন | ... | ... | ... | ৫৮৫ |
| | | ৫। আধ্যা। | | |
| হৰি-হৰ যুদ্ধ | ... | ... | ... | ৫৯৪ |
| | | ৬। আধ্যা। | | |
| দ্বাৰকাত উষাদেৱী | | ... | ... | ৬০২ |
| | | ৭। আধ্যা। | | |
| কুৰুক্ষেত্ৰলৈ শ্ৰীকৃষ্ণৰ পুনৰাগমন | | ... | ... | ৬০৭ |
| | | ৮। আধ্যা। | | |
| কুৰুক্ষেত্ৰ-যুদ্ধ-যাত্ৰা | | ... | ... | ৬০৯ |
| | | ৯। আধ্যা। | | |
| কুৰুক্ষেত্ৰ-ৰণাৰম্ভণ ঘোষণা | | ... | ... | ৬১৪ |
| | | ১০। আধ্যা। | | |
| গীতা-সৃষ্টি | ... | ... | ... | ৬১৭ |

| বিষয়। | | | পৃষ্ঠা। |
|---|---|---|---|
| | ১১। আধ্যা। | | |
| আত্মাতত্ত্ব আৰু কৰ্ত্তব্যজ্ঞান | ... | ... | ৬২৩ |
| | ১২। আধ্যা। | | |
| নিস্কাম কৰ্ম্মযোগ ... | ... | ... | ৬৩১ |
| | ১৩। আধ্যা। | | |
| জ্ঞানযোগ আৰু কৰ্ম্মযোগ | ... | ... | ৬৪১ |
| | ১৪। আধ্যা। | | |
| আত্মাতত্ত্ব প্ৰকাশ,—কৰ্ত্তব্যাকৰ্ত্তব্য | | ... | ৬৪৯ |
| | ১৫। আধ্যা। | | |
| কৰ্ত্তব্যাকৰ্ত্তব্য জ্ঞান | ... | ... | ৬৫৩ |
| | ১৬। আধ্যা। | | |
| কৰ্ম্মযোগ আৰু সন্ন্যাস যোগ | ... | ... | ৬৫৭ |
| | ১৭। আধ্যা। | | |
| যোগী আৰু সন্ন্যাসী | ... | ... | ৬৬৩ |
| | ১৮। আধ্যা। | | |
| ভক্তিযোগ,—পৰমাত্মা তত্ত্বজ্ঞান | ... | | ৬৭১ |
| | ১৯। আধ্যা। | | |
| ভক্তিযোগ,—পৰব্ৰহ্মতত্ত্বজ্ঞান | ... | ... | ৬৭৬ |
| | ১৯(ক)। আধ্যা। | | |
| বিজ্ঞানপূৰ্ণ জ্ঞানতত্ত্ব | ... | ... | ৬৮৩ |
| | ২০। আধ্যা। | | |
| ধ্যানযোগ—ভগৱান বিভূতি,—স্বপ্ৰকাশ | | ... | ৬৮৯ |

| বিষয়। | পৃষ্ঠা। |
|---|---|
| ২১। আধ্যা। | |
| দিব্যদর্শন,—বিশ্ববিকাশ ... ... | ৬৯৭ |
| ২২। আধ্যা। | |
| সাকাৰ আৰু নিৰাকাৰ উপাসনা ... ... | ৭০৬ |
| ২৩। আধ্যা। | |
| অভেদাত্মা তত্বজ্ঞান ... ... | ৭১০ |
| ২৪। আধ্যা। | |
| গুণসংযোগ তত্বজ্ঞান ... ... | ৭১৭ |
| ২৫। আধ্যা। | |
| সংসাৰ-বৃক্ষ তত্বজ্ঞান ... ... | ৭২২ |
| ২৬। আধ্যা। | |
| বাসনা তত্বজ্ঞান ... ... ... | ৭২৬ |
| ২৭। আধ্যা। | |
| সাম্প্রদায়িক কৰ্ম্মানুষ্ঠান তত্বজ্ঞান ... ... | ৭৩১ |
| ২৮। আধ্যা। | |
| ত্যাগ তত্বজ্ঞান ... ... ... | ৭৩৬ |
| ২৯। আধ্যা। | |
| গুহ্যাতিগুহ্য গীতাতত্ব,—সঞ্জয়-মন্তব্য ... | ৭৪২ |
| ৩০। আধ্যা। | |
| কুৰুক্ষেত্ৰ-মহাৰণৰ আৰম্ভণ ... ... | ৭৪৬ |
| ৩১। আধ্যা। | |
| ভীষ্মৰ শৰশয্যা ... ... ... | ৭৫৭ |

বিষয়।　　　　　　　　　　　　　　　　　　　　　　　　　　　　　　　　　　　পৃষ্ঠা।

৩২। আধ্যা।

অভিমন্যু-বধ ... ... ... ৭৬৫

৩৩। আধ্যা।

জয়দ্ৰথ-বধ ... ... ... ৭৭২

৩৪। আধ্যা।

ঘটোৎকচ-বধ ... ... ... ৭৭৭

৩৫। আধ্যা।

দ্ৰুপদ আৰু ভগদত্তৰ পতন ... ... ৭৮২

৩৬। আধ্যা।

দ্ৰোণ-বধ ... ... ... ৭৮৪

৩৭। আধ্যা।

কৰ্ণ-বধ ... ... ... ৭৯৩

৩৮। আধ্যা।

শল্য, শাম্ব, শকুনি, চিত্ৰসেন আদিৰ পতন ... ৮০৬

৩৯। আধ্যা।

দুৰ্য্যোধন-বধ ... ... ... ৮০৯

৪০। আধ্যা।

শ্ৰীকৃষ্ণৰ ধৰ্ম্মৰাজ্য স্থাপন ... ... ৮১৮

৪১। আধ্যা।

যদুবংশ ধ্বংস ... ... ... ৮২৬

৪২। আধ্যা।

ৰাম-কৃষ্ণৰ মহাপ্ৰয়াণ—শ্ৰীকৃষ্ণলীলাৰ সামৰণ ... ৮৩৫



শ্রীকৃষ্ণ

# শ্ৰীকৃষ্ণ।

## অন্ত্যলীলা খণ্ড।

(৯১ বছৰীয়াৰপৰা ১২৬ বছৰীয়ালৈকে)

## ১। অধ্যায়।

### কুমাৰ-হৰণ। (১)

ভাৰতবৰ্ষৰ অতিপূব প্ৰান্তত শোণিতপুৰ (২) আৰু অতিপছিম প্ৰান্তত দ্বাৰকা (৩) অৱস্থিত। সুপ্ৰখ্যাত বলি নামে দানৱৰাজৰ পুত্ৰ বাণ-ৰজা শোণিতপুৰৰ অধিপতি; নৰশ্ৰেষ্ঠ আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণ স্বয়ং দ্বাৰকেশ্বৰ। বাণ ৰজাৰ বহুপুত্ৰ; কন্যা মাথোন একেটি। কন্যাটিৰ নাম উষা। উষাদেৱীক শোণিতপুৰৰ দক্ষিণ-পূব প্ৰান্তত, ব্ৰহ্মপুত্ৰৰ

---

(১) অসমৰ লোকৰঞ্জক "কুমাৰহৰণ" নাটৰ এয়ে আঁতি-গুৰি।

(২) দ্বাপৰ যুগৰ দানৱ ৰাজবংশৰ বলিনন্দন বাণ-ৰজাৰ কন্যাপুৰৰ নাম শোণিতপুৰ।

(৩) শ্ৰীকৃষ্ণ-প্ৰতিষ্ঠিত পছিম সাগৰকুলস্থিত যাদৱ ৰাজ্যৰ নাম দ্বাৰকা।

উত্তৰ পাৰত, অগ্নিগড়েৰে সুৰক্ষিত কন্যাপুৰ বা উষা-নগৰীত (১) যথাযোগ্য ৰাজকীয় মৰ্য্যাদাৰে সৈতে বাস কৰোৱা হৈছিল। উষা-নগৰী বাণ-নগৰৰপৰা (২) কুৰি ক্ৰোশৰ অন্তৰত অৱস্থিত। অগ্নিগড়ৰ (৩) জলন্ত চিন্ অদ্যাপি বিদ্যমান।

যাদৱকেশৰী দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ আৰু তেওঁৰ প্ৰথমা ভাৰ্য্যা ৰুক্মিণী দেবীৰ ৰৰপুত্ৰ মহাৰথ প্ৰদ্যুম্ন কোৱঁৰৰ পুত্ৰ অনিৰুদ্ধ কুমাৰ। ৰূপত শ্ৰীকৃষ্ণই কন্দৰ্পক জিনে, পুত্ৰ প্ৰদ্যুম্নই তেনে হেন পিতৃ কৃষ্ণক জিনে, কৃষ্ণ-নাতি অনিৰুদ্ধই পিতৃ প্ৰদ্যুম্নক জিনে! এনেহেন জগন্মোহন ৰূপ অনিৰুদ্ধ কুমাৰৰ! কুমাৰৰ ৰূপ-লাৱণ্যৰ জেউতিয়ে দ্বাৰাৱতী নগৰ ভকুভকীয়াকৈ জিলিকাই থৈছিল। বাস্তৱতে, দ্বাৰকাৰ আবাল-বৃদ্ধ-বনিতা কুমাৰৰ অনুপম ৰূপ-গুণত বিমোহিত; দ্বাৰকাৰ নৰ-নাৰীৰ মানত কুমাৰ অনিৰুদ্ধ আলাসৰ-লাৰু।

অতীজত যি মহাথানত মহাসেন অগ্নিজাত ৰুধিৰত উত্থিত হৈছিল, সেই পুৰোত্তম পৱিত্ৰ থানেই শোণিতপুৰ (৪)। শোণিতপুৰত দেৱদেৱ মহাদেৱ হৰ-মহেশ্বৰ বৃষধ্বজ ৰুদ্ৰ-শঙ্কৰ মহাভৈৰৱৰ পূজা-অৰ্চ্চনাৰ

---

(১) বৰ্ত্তমান তেজপুৰ কাছাৰিঘৰৰ ভেঁটিয়েই উষা-অন্তঃপুৰৰ ভেঁটি।

(২) তেজপুৰৰপৰা ২০ ক্ৰোশৰ উত্তৰে ভালুকপুং নামে ঠাইত বাণ-নগৰৰ ভগা চিন্ অদ্যাপি বিদ্যমান।

(৩) ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে তেজপুৰৰ "ধেনুখনা" টিলাৰপৰা "ভোমোৰাগুৰি"-লৈকে এই পৰ্ব্বতীয়া টিলালানীয়েই আগৰ দিনৰ 'অগ্নিগড়'। উষা-নগৰীৰ উত্তৰ-পশ্চিম প্ৰান্তত তেজযেন ৰঙা পানীৰে চপ্‌চপীয়া "তেজপুৰ বিল" নামে সৰু বিল এখন এতিয়া পিটনিত পৰিণত হৈ আছে। আৰু, নগৰৰ আশে-পাশে উষাদেৱীৰ ভাণ্ড-শালৰ টোলোঠা-দোৰ্পতিৰ ভগাচিন্ শিলা হৈ পৰি ৰৈছে।

(৪) হৰিবংশ, ১৭৩ আধ্যা।

অৰ্থে মহাবীৰ্য্যৱন্ত মহাসুৰ বলিনন্দন শৈবচূড়ামণি (১) বাণ নৰপতিৰ দ্বাৰাই প্ৰতিষ্ঠিত মহাভৈৰৱ মন্দিৰ (২) অদ্যাপি দণ্ডায়মান। সেই মন্দিৰত সভাৰ্য্যা দৈত্যকুল-গুৰুৱে চিৰস্থায়ীকৈ ভৈৰৱ-ভৈৰৱীৰূপে অৱস্থান কৰে। মন্দিৰৰ সুপ্ৰশস্ত টোলৰ ভিতৰত ভালেমান ভকত-ভকতনীয়ে ভৈৰৱ-ভৈৰৱী ভাবত বিভোল হৈ কিন্নৰ-কিন্নৰী ৰূপে সততে নৃত্য-কেলি কৰে। কোনো কোনো বিশেষ শিৱপূজা উপলক্ষে সেই হৰ-গৌৰী স্বৰূপ ভৈৰৱ-ভৈৰৱীৰ ক্ৰীড়া-কেলি বিশেষ আড়ম্বৰেৰে হৈ থাকে। পৰম ৰমনীয় পৰম লাৱণ্য ৰতিকান্তি-বিশিষ্ট পূৰ্ণযুৱতী নিৰূপমা বাণ-নন্দিনী উষাদেৱীয়ে অপ্সৰী সদৃশ সখীসৱ সমন্বিতে সততে সেই ঐশ্বৰিক ক্ৰীড়া-কেলি সভক্তিৰে দৰ্শন কৰি পৰম তৃপ্তি লাভ কৰে। উষাদেৱীয়ে এদিন তেনেকুৱা এটা বিশিষ্ট উপলক্ষত সমস্ত দিনব্যাপী ভৈৰৱ-ভৈৰৱী ক্ৰীড়া-কেলি সন্দৰ্শনসুখ উপভোগ কৰি আহি, ৰাতি আপোনাৰ অন্তঃপুৰৰ শয়ন-মন্দিৰত সখী-সকলেৰে পৰিবৃতা আৰু সুৰক্ষিতা হৈ সোণোৱালী পালেঙত টোপনিত লালকাল দি পৰি আছে, এনেতে সপোনত তেওঁ কন্দৰ্পতনু এজন মদনমোহন পুৰুষৰত্নক স্বামী-উপভোগ কৰে। সপোনৰ আবেগত সেই ৰতিচোৰে কুমাৰীৰ কঠোৰ ব্ৰহ্মচৰ্য্য ব্ৰত চূৰ্ণ কৰি তেওঁৰ জীৱনসৰ্ব্বস্ব

(১) মহাসুৰ বাণ নৰপতিৰ শিৱভক্তি এনে প্ৰগাঢ় আছিল যে, সেই ভক্তিত তন্ময় হৈ তেঁও নিজক এজন শৰসন্তান বুলি জ্ঞান কৰিছিল। তেওঁ নিজক কুমাৰ কাৰ্ত্তিকেয়ৰ কনিষ্ঠ যেন জ্ঞান কৰিছিল।

(২) বাণ নৰপতিৰ দ্বাৰাই প্ৰতিষ্ঠিত সেই মহাভৈৰৱ দেৱালয় অদ্যাপি তেজপুৰ চহৰত দণ্ডায়মান। এই মন্দিৰৰপৰা এক ক্ৰোশৰ অন্তৰত মহাপীঠ আৰু ভৈৰৱী দেৱালয়ো আজিকোপতি পূৰ্ব্ব গৌৰৱেৰে জিলিকি আছে।

সঙ্গীস্বকল অপহৰণ (১) কৰে। সেই স্বপ্ন-সম্ভোগত উত্তেজিতা হৈ উষাদেৱী আচম্বিতে চাট্‌কৰে সাৰ পাই উঠিল। উঠি, সেই সপোন সুমৰি তেওঁ ৰোমাঞ্চিত হৈ কঁপিবলৈ ধৰিলে। কঁপি কঁপি তেওঁ আতুৰকণ্ঠে চিঞঁৰি উঠিল। সেই আৰ্ত্তৰাৱে সখীসকলকো টোপনিৰপৰা বিচুৰ্ত্তি খুৱাই তুলিলে। সিবিলাক সকলোটি কাষ চাপি কুমাৰীৰ আকস্মিক মানসিক বিকাৰ আৰু অশান্তিৰ তত্ত্ব অনুসন্ধানত তৎপৰ হল।

উষা-সখীসৱৰ (২) মাজত চিত্ৰলেখা আৰু কুম্ভাণ্ড-জীয়াৰী (৩) এই দুগৰাকী ঘাই সখী। উষাদেৱীক অত্যন্ত উতলা আৰু শোকাকুলা দেখি প্ৰথমা সখী চিত্ৰলেখাই বিবিধ বিধানেৰে প্ৰবোধ দি তেওঁৰপৰা ঘটনাৰ

---

(১) সেই উৎসৱ উপলক্ষত নানাৰূপী মহাতেজস্বী ভৱপাৰিষদবৰ্গে ভৈৰব-ভৈৰৱী ৰূপে নানাতৰহৰ ক্ৰীড়াত প্ৰবৃত্ত হয়। সেই বহুস্তবিৎ পাৰিষদবৰ্গে মহাদেৱৰ চিহ্নাঙ্কিত ৰূপ ধাৰণ কৰি ক্ৰীড়াত নিৰত হোৱা দেখি, ভৱানীপাৰিষদ অপ্সৰাসম তাপসীবৰ্গেও ভৈৰৱীৰূপ ধাৰণ কৰি স্ব-স্বামীসকলৰে সৈতে বিবিধ ক্ৰীড়া আৰম্ভ কৰে। এদিন বাণ-ৰাজকন্যা উষা দেৱী আহি সেই ক্ৰীড়াস্থলত উপস্থিত হৈ, সেই নৃত্য দৰ্শনত তন্ময় হয়হি। সেই সময়ত দেৱদেৱ ত্ৰিলোচন হৰ-মহেশ্বৰক দেৱী পাৰ্ব্বতীৰ লগত নানা ৰূপ ধাৰণ কৰি কেলি কৰা দেখি যুৱতী কুমাৰী উষাদেৱীৰ অন্তৰতো সেই কেলিকামনাই টোৱাবলৈ ধৰে। অন্তৰ্যামিনী দেৱী ভগৱতীয়ে মানবী উষাৰ অন্তৰৰ ভাৱ বুজিব পাৰি, হাঁহি হাঁহি এই বুলি অযাচিতে বৰ দান দিয়ে, "হে উষা! আগন্তুক বৈশাখ মাহত শুক্লা দ্বাদশী ৰাতি, তুমি তোমাৰ শয়ন-মন্দিৰত সখী সকলেৰে পৰিবৃতা হৈ হৰ্ম্ম্যোপৰি শয়ন কৰি থাকোঁতে সপোনত যি তোমাৰে সৈতে সহবাস কৰি তোমাৰ ব্ৰহ্মচৰ্য্য ব্ৰত ভঙ্গ কৰিব, তেওঁৱেই তোমাৰ ভৰ্ত্তা হব।" সেই দেৱী-প্ৰদত্ত বৰ অনুসৰি উষাদেৱীৰ এই স্বপ্নকাণ্ড সংঘটিত হয়।—হৰিবংশ, ১৭৪ অধ্যা।

(২) অনেক যক্ষকন্যা, নাগনন্দিনী, দৈত্যদুহিতা, কিন্নৰী আৰু অপেস্বৰা কন্যাসকল উষাদেৱীৰ সখী আছিল।—হৰিবংশ, ১৭৪ অধ্যা।

(৩) বাণ-ৰজাৰ ঘাই-মন্ত্ৰী কুম্ভাণ্ডৰ এই কন্যাৰ নাম প্ৰজ্ঞাদেৱী।—হৰিবংশ।

তম্ব উলিয়াবলৈ যত্ন কৰিলে। বিস্তৰ বুজনিৰ পাচত, চিত্ৰলেখাৰ আশ্বাসত বিশ্বাস মানি কন্দনামুৱী কুমাৰীয়ে উচুপি উচুপি সখীসকলৰ আগত সপোনৰ কথা বিৱৰি কৈ উঠি হতাশৰ খুন্দাত এই বুলি আকৌ কৰ্কাল খাই পৰিল, "হায়, মই কুলক্ষিণী, কুলকলঙ্কিনী! মোৰ কঠোৰ ব্ৰহ্মচৰ্য্য ব্ৰত অথলে গল! নাৰীৰ প্ৰধান ৰক্ষক-কৱচ কান্দোন আৰু কাকুতি। কিন্তু, এই অভাগিনীয়ে বিস্তৰ কান্দিলোঁ, নথৈ কাকুতি কৰিলোঁ, তথাপি সেই ৰতিচোৰৰ সুদৃঢ় আলিঙ্গনৰপৰা মই এৰাব নোৱাৰিলোঁ, অৱলাৰ ব্ৰহ্মচৰ্য্য ধৰ্ম্ম ৰক্ষা নপৰিল! মই এতিয়া কোন্ সতে জন-সমাজত মুখ দেখুৱাম! মোৰ অবিন্দম পিতৃক কিমতে মোৰ এই দুৰ্দ্দশা জ্ঞাপন কৰিম! তাৰ আগেয়েই মই মৰি যোৱাই ভাল (১)।" সখীসৱে বহু প্ৰবন্ধেৰে বিস্তৰ শুশ্ৰূষাৰে অলপ সুস্থ কৰি, আতুৰা উষাক দাঙ্গি ধৰাত, এইবাৰ মন্ত্ৰীকন্যা কুম্ভাণ্ডদুহিতা প্ৰজ্ঞাই সখীয়েক উষাদেবীক এই ভাৱে বুজনি দিবলৈ ধৰিলে,—"হে সখি! তুমি আজন্ম সতী। তোমাৰ সতীত্ব হৰণ কৰোঁতা ত্ৰিভুৱনত আছে কোন্? অসৎ অভিপ্ৰায়ে যদি কিবা অপকৰ্ম্ম কৰা হয়, তেন্তে তাৰ দ্বাৰাই মন কলুষিত হব পাৰে; কিন্তু যদি স্বপ্নযোগত সংযোগৰ বলাৎকাৰত ভুক্তা হোৱা যায়, তেন্তে তাত ব্ৰত লোপ নহয়। বিশেষ, মৰ্ত্ত্যলোকত স্বপ্নকৃত দোষ নাই; গতিকে এই নিচিনা ব্যভিচাৰত তোমাৰ ব্ৰহ্মচৰ্য্যব্ৰতৰ কোনো ব্যতিক্ৰম ঘটা নাই। হে দেবি! ধৰ্ম্মজ্ঞ বিপ্ৰবিলাকে কয় যে, যি নাৰীয়ে মন, বাক্য আৰু কৰ্ম্ম এই তিনিৰ দ্বাৰাই দুষ্টা হয়, সেই নাৰী হে পাপাচাৰিণী বুলি অভিহিতা হব পাৰে। তুমি সততে ব্ৰহ্মচাৰিণী, আমি তোমাৰ মন কাচিতো বিচলিত হোৱা দেখা নাই; এতেকে তুমি দোষদুষ্টা কিয় হবা? তুমি

(১) হৰিবংশৰপৰা উষা-সপোনৰ সাধাৰণ টুকি আৰু তাৎপৰ্য্যবোধক ভাৱনী ব্যাখ্যান দিয়া হৈছে। এই সপোনেই "কুমাৰহৰণৰ খুঁটি-খাটি।

সতী, সাধ্বী, শুদ্ধস্বভাৱা আৰু মনস্বিনী হৈ নিদ্ৰাদেবীৰ কোলাত আপোন-পাহৰা হৈ থাকোঁতে তোমাক কোনোবা দেৱতাপ্ৰেৰিত ভৰ্ত্তাই সম্ভোগ কৰিলেহি; গতিকে তোমাৰ ধৰ্ম্মলোপ হোৱা নাই। যাৰ পূৰ্ব্বদুষ্ট মনে প্ৰত্যক্ষ সেই দোষ কাৰ্য্যত ফলিউৱায়, তেনে নাৰীক হে অসতী বোলা যায় (১)। তদুপৰি, আমাৰ এটা কথালৈ স্মৰণ হৈছে যে, ইয়াৰ আগতে এদিন ভৱপূজা উপলক্ষীয় মহোৎসৱত মহাভৈৰৱত ভৈৰৱ-ভৈৰৱীৰ ক্ৰীড়া-কেলি তুমি চাই থাকোঁতে তোমাৰ আন্তৰিক বাসনা বুজিব পাৰি, ভগৱতী গৌৰী স্বৰূপা মহাভৈৰৱীয়ে তোমাক এই বুলি অযাচিতে এটি বৰ দান কৰিছিল, 'বহাগ মাহৰ শুক্ল পক্ষীয়া দ্বাদশীৰ ৰাতি তুমি তোমাৰ শয়নকক্ষত সখীসৱপৰিবৃতা হৈ হৰ্ম্ম্যোপৰি শুই থাকোঁতে তোমাক ৰুদতী অৱস্থাত যিজনে স্ত্ৰীভাৱে উপনতা কৰিব, সেইজন শত্ৰুনিবহন শূৰেই তোমাৰ ভৰ্ত্তা হব।' এতেকে, গমি চোৱাঁ, হে দেবি! ঠিক সেই দিন, সেই ক্ষণ, সেই স্থান, সেই অৱস্থা এতিয়া হয় নে নহয়" (২)

কুম্ভাণ্ড জীয়াৰী প্ৰজ্ঞাদেবীয়ে স্মৰণ কৰাই দিয়াত, বাণৰাজনন্দিনী উষাদেবীয়ে মহাভৈৰবী দেবীৰ বৰদানলৈ সুমৰি চাই বিস্ময় মানিলে। তাৰ পাচত, ভুত-ভবিষ্যত গুণি, হৰ্ষবিহ্বলা হৈ, আনন্দৰ চকু-লো টুকি, কুমাৰীয়ে সখীয়াক সাবটি ধৰি, তেওঁৰ সুবলিত কৰ্ণমূলৰ তলত নিজৰ লাজত অৱনত শিৰক আশ্ৰয় দি, আবেগৰ ঘনউশাহ

---

(১) উষাদেবীৰ এই গৰাকী সখী বাণ-ৰজাৰ মহাজ্ঞানী থাই-মন্ত্ৰী কুম্ভাণ্ডৰ কন্যা; নাম প্ৰজ্ঞাদেবী। পিতাক ৰাজমন্ত্ৰীয়ে ৰজাক যেনেকৈ সততে সাৰগৰ্ভ উপদেশ দিছিল, এই মন্ত্ৰীকন্যা সখীও ৰাজকুমাৰীক তেনেকৈ সদায় জ্ঞানগৰ্ভ উপদেশ দানত নিযুক্তা আছিল।

(২) এই দেৱীবাণীৰ বিষয়ে অলপ আগতে এটি টিপনী দি অহা গৈছে।

টানিবলৈ ধৰিলে। উষাদেবীৰ সেই অপ্ৰস্তুত অৱস্থালৈ মন কৰি, অৰ্থতত্ত্ববিশাৰদা কুম্ভাণ্ডদুহিতাই আকৌ আনভাৱে ভ্ৰু-আঘাৰ এই বুলি কবলৈ ধৰিলে, "সখি! আতিকৈ উতলা নহবাঁ এখোন। কিয়নো, তুমি সপোনত যিজন অশ্ৰুত আৰু অদৃষ্ট পুৰুষক ভৰ্ত্তা পাইছিলাঁ, তেওঁৰ কুলকীৰ্ত্তি বা পৌৰুষৰ বিষয়ে তো আমি কেৱেঁ একো নাজানোঁ, তুমি তেওঁৰ স্বৰূপৰ আভাস আৰু বৰ্ণনা নিদিলে আনে সেই নেদেখা-জনক কেনেকৈ চিনিব?" সখীৰ সেই কথা শুনি কুমাৰী হতাশত বিৱশ হৈ ততালিকে মাটিত ঠাচ্‌কৰে পৰি মূৰ্চ্ছা গল! তেতিয়া আকৌ সদৌ সখীয়ে ধৰি-মেলি শুশ্ৰূষা কৰাত অলপ সংজ্ঞা পাই উষা-দেবীয়ে হতাশত দীঘল মুনিয়াহ কাঢ়ি অতি কাতৰস্বৰেৰে এই বুলি মনস্তাপ ব্যক্ত কৰিলে, "হে সখি! সেই মোৰ হৃদয়হাৰী পুৰুষোত্তমৰ আঁতিগুৰিৰ বিষয়ে মই নো কেনেকৈ কওঁ? সেই অনুপম পুৰুষৰত্নৰ উপমাকে বা পাওঁ ক'ত? তেওঁ মোৰ হিয়াৰাজ্য অধিকাৰ কৰি মোৰ অন্তদৃষ্টিত ফট্‌ফটীয়াকৈ জিলিকি আছে; কিন্তু আনৰ দৃষ্টিত জিলিকাবলৈ মোৰ উপায় নাই!" এনেতে, প্ৰিয়তমা সখী চিত্ৰলেখাই এই বুলি মাত লগালে, "হে সখি! তাৰ উপায় অৱশ্যে হব, তুমি মাথোন প্ৰকৃতিস্থা হোৱাঁ।" সখী চিত্ৰলেখাৰ আশ্বাসত প্ৰাণদান পোৱাদি পাই অতি আথে-বেথে উষাদেবীয়ে এই বুলি কৈ স্থিৰ হৈ ৰহিল, "সখি! মই স্থিৰ হৈছোঁ; দিয়াঁ, মোক সেই জীৱন ধাৰণৰ উপায় দিয়াঁ।" তেতিয়া, শান্তিময়ী চিত্ৰলেখাই সেই উপায়-বুদ্ধি সখীমণ্ডলীৰ আগত এই বুলি ব্যক্ত কৰিলে, "যি বিদ্যাৰ বাবে মোৰ নাম চিত্ৰলেখা, সেই বিদ্যাৰ প্ৰভাৱেৰেই মই জগতৰ সুপুৰুষসকলৰ চিত্ৰ আঁকিম;—দেৱ, দানৱ, যক্ষ, উৰগ আৰু ৰাক্ষসৰ মাজত যি সকল অতি প্ৰতাপী আৰু প্ৰতাপী, নৰলোকতো যি সকল ৰূপে-গুণে-প্ৰভা-কলাত বিশিষ্ট আৰু প্ৰখ্যাত,

সেই সকলোৰে চিত্ৰ আঁকি আনি আজিৰপৰা সাতদিনৰ মূৰত এখন চিত্ৰপট সকলোৰে আগত মই দাঙ্গি ধৰিমহি; তেতিয়া তাৰ মাজত বিচাৰি পোৱাঁ যদি, তোমাৰ প্ৰাণপ্ৰতিম সপোনত পোৱা স্বামীগুৰুক বাছি লবাঁ।” ইয়াকে কৈ চিত্ৰলেখাই বিদায় লগে। সেই উক্তিত সখীসকলে তুষ্টি বোধ কৰিলে। মদন-মোহিতা উষাদেবীয়ে উত্ৰাৱল চিত্তেৰে গণিবলৈ ধৰিলে, সেই সুদীৰ্ঘ সাতদিনৰ কাহানিকৈ মূৰ পৰে।

সাতদিনৰ মূৰত সেই শয়নকক্ষত আকৌ সখীসব একেঠাই হলহি। সখীমণ্ডলীৰ মাজত উদ্বিগ্নচিত্তেৰে হা-হুমুনিয়াহ কাঢ়ি চাটিফুটিকৈ থকা বিৰহবিহ্বলা উষা দেৱীৰ আগত এখন বিচিত্ৰ চিত্ৰপট দাঙ্গি ধৰি চিত্ৰলেখাই অতি শুদ্ধচিত্তেৰে এই বুলি কবলৈ ধৰিলে, “হে সখিসকল! মোৰ প্ৰতিশ্ৰুতি অনুসৰি মই এইখন চিত্ৰপট উষাদেৱীৰ আগত দাঙ্গি ধৰিছোঁ; ইয়াত মই দেৱ, দানৱ, কিন্নৰ, উৰগ, যক্ষ, ৰাক্ষস, গন্ধৰ্ব্ব, অসুৰ, দৈত্য আৰু অপৰ ভোগিবংশজাতগণৰ মাজত যি সকল প্ৰধান, আৰু নৰ-বস্তুৰ মাজত যি সকল বিশিষ্ট, সেই সকলোৰে হু-বহু অনুকৃতি আঁকিছোঁ। ইয়াৰ মাজৰপৰা এতিয়া ৰাজকুমাৰীয়ে সপোনত পোৱা স্বামীধনক চিনি লওক”। তাৰ পাচত, সেই কথাত সকলোটিয়ে হয় দিয়াত, উষাদেৱীয়ে চিত্ৰপটৰ এফালৰপৰা নিবিষ্টচিত্তেৰে চিত্ৰবোৰ এটা-এটাকৈ পৰীক্ষা কৰি চাবলৈ ধৰিলে। চাই চাই অৰ্দ্ধেকৰ অধিক চিত্ৰ পৰীক্ষা কৰি চালে, কিন্তু তাৰ মাজত তেওঁৰ দৃষ্টিয়ে তেওঁৰ ৰতিচোৰক ধৰা পেলাব নোৱাৰিলে; হতাশত উষাদেৱীৰ মুখৰ কান্তি ক্ৰমাৎ ম্লান পৰি আহিল। তাৰ পাচতো চায় হে চায়, কুমাৰীয়ে তেওঁৰ প্ৰাণপ্ৰতিম সপোনত পোৱা পতিধনৰ প্ৰতিকৃতি দেখা নাপায়। তথাপিতো, চাই চাই চাই দৃষ্টি চলাই নি আছে; এনেতে পুৰুষোত্তম যদুসিংহ শ্ৰীকৃষ্ণৰ চিত্ৰত চকু পৰি উষাদেৱী চমক্ খাই উঠিল। কিন্তু, পিচমুহূৰ্ত্ততে ইষ্টগুৰুৰ

উপবিষ্টজনৰ প্ৰতি যি ভক্তিভাব উদ্ৰেক হব লাগে, সেই ভক্তিভাবত গদগদ হৈ তেওঁ ক্ষন্তেক তলমূৰকৈ নিটাল মাৰি ৰল। তাৰ পাচত, আকৌ চাই চাই নি যেতিয়া কন্দৰ্পতনু প্ৰদ্যুম্ন কোৱঁৰৰ চিত্ৰত তেওঁৰ দৃষ্টি পৰিল, তেতিয়া তেওঁৰ বাঞ্ছিত চিত্ৰৰ ওচৰ-সাদৃশ্যৰ আগন্তুক আশাই কুমাৰীক প্ৰকাশ্যে টলাবলৈ ধৰিলে; তেওঁ সেই চিত্ৰৰ চৰণযুগলত একান্ত ভক্তিদৃষ্টি ৰাখি ক্ষন্তেক তৰধ লাগিল। তাৰ পাচত, ক্ৰমাৎ আশান্বিত হৈ মূৰ তুলি চাই নিওঁতে নিওঁতে যেতিয়া সদৌশেহত অনিৰুদ্ধ কুমাৰৰ চিত্ৰত কুমাৰীৰ চকু পৰিল, তেতিয়া তেওঁ আনন্দবিহ্বলা হৈ উত্ৰাৱল চিতেৰে এই বুলি চিঞৰ মাৰি উঠিলে, "সখি, সখি! এইয়া, এওঁৰেই,— এওঁৰেই মোৰ সেই ব্ৰহ্মচৰ্য্যব্ৰতনাশী সতীত্বৰক্ষক প্ৰাণনাথ।"

চিত্ৰলেখাৰ লেখনিত যেতিয়া চোৰ ধৰা পৰিল, তেতিয়া সখীমণ্ডলীৰ অনুৰোধত তেওঁ সেই পুৰুষ জনৰ নাম, গুণ, শীল, অভিজাত্য আৰু আঁতি-গুৰিৰ বিষয়ে এই বুলি চমুকৈ চিনাকি দি থলে, "হে সখিসকল! এই মদনমোহন পুৰুষ-ৰতন আন কোনো নহয়, ৰুক্মিণীনাথ যাদৱকেশৰী ভগবান শ্ৰীকৃষ্ণৰ নাতি, আৰু বৃষ্ণিকুলতিলক ৰুক্মিণীনন্দন প্ৰদ্যুম্ন কোৱঁৰৰ পুত্ৰ,—কুমাৰ অনিৰুদ্ধ। কুমাৰ এতিয়া শ্ৰীকৃষ্ণৰক্ষিত মৰ্ত্যৰ অমৰাৱতী দ্বাৰাৱতীত (১) সুৰক্ষিত। মহাসুৰ বাণৰাজৰক্ষিত শোণিত-পুৰলৈ যি ৰূপে ভীমবিক্ৰম আদিত্য, বসু, ৰুদ্ৰগণ কিম্বা মহাতেজঃসম্পন্ন অশ্বিনীকুমাৰ যুগলৰো প্ৰৱেশ দুসাধ্য, তদ্ৰূপ যাদৱকেশৰী শ্ৰীকৃষ্ণৰ দ্বাৰাই ৰক্ষিত দ্বাৰাৱতীলৈ প্ৰৱেশো দুসাধ্য।" (২)

চিত্ৰলেখাৰ লেখনিয়ে উষাপ্ৰাণত যি দৰে সঞ্জীৱনী শক্তি সঞ্চাৰ

(১) দ্বাৰকা ৰাজ্যৰ ৰাজধানীৰ নাম দ্বাৰাৱতী।

(২) ইয়াৰ আগেয়ে মধ্যলীলা খণ্ডত শ্ৰীকৃষ্ণৰ দ্বাৰকানগৰী সংস্থাপন বিষয়ক বৰ্ণনা বিস্তাৰিত ভাৱে দিয়া গৈছে।

কৰিছিল, দ্বাৰাৱতীলৈ দুৰ্গম বিষয়ক তেওঁৰ মৌখিক বৰ্ণনাই সেই দৰে আনপাকে সেই প্ৰাণ আকৌ আকুল কৰি তুলিলে! উষাদেবীয়ে অতি আতুৰভাৱে সখীসকলক এই বুলি কাকুতি-মিনতি কৰিবলৈ ধৰিলে, “হে মোৰ দেহৰক্ষিণী মৰমৰ সখিসকল! মোক ধৈৰ্য্যতাই এৰা দিছে! উপস্থিত সমস্যাৰ পাৰ পাবলৈ মোৰ যুগুত ভেলা নাই, আছোঁ মাথোঁ বিপদবন্ধু তোমালোক। যাতে এই গতিহীনাৰ সদ্গতি হয় তাৰ উপায়-যুগুতি কৰাঁহঁক; নহলে এই শৰীৰ-সজাত মোৰ প্ৰাণপখীক আৰু সৰহপৰলৈ বন্দী কৰি ৰাখিব নোৱাৰিবাহঁক।” কুমাৰীৰ সেই মৰ্ম্মস্পৰ্শী উক্তি শুনি সখী কুষ্মাণ্ডদুহিতা প্ৰজ্ঞাসুন্দৰীয়ে এইবুলি বুজনি দিবলৈ ধৰিলে, “হে সখি! উপায়-যুগুতি অসম্ভৱ নহয়; আমাৰ সুযোগ্যা সখী চিত্ৰলেখাই যত্ন কৰিলে সি যে সহজে সম্ভৱপৰ হব, তাত ধনিষ্ঠামানো সন্দেহ নাই। কিয়নো, আমাৰ প্ৰিয়তমা সখী চিত্ৰলেখা নৰদেৱতাদিৰ স্বৰূপ চিত্ৰ অঙ্কনত যেনে সিদ্ধহস্তা, দেশ, নগৰ, পুৰ, দুৰ্গ, দুৱাৰ আদিৰ থিতি-বিধি বিষয়ক তত্বজ্ঞানতো এগৰাকী তেনে পণ্ডিতা ৰমনী। এতেক, তেওঁৰ আপোন দিহা অনুযায়ী ব্যৱস্থাৰেই এতিয়া তেওঁ দ্বাৰাৱতীলৈ উপস্থিত উদ্দেশে দূতী স্বৰূপে যাত্ৰা কৰোক, তেওঁত আমাৰ এই অনুৰোধ।” কুষ্মাণ্ডদুহিতা প্ৰজ্ঞাসুন্দৰীৰ সেই সাৰগৰ্ভ কথাত সকলোটি সখীয়ে এককণ্ঠে ‘হয়’ দিয়াত, চিত্ৰলেখাই অগত্যা সেই অনুৰোধ শিৰোধাৰ্য্য কৰি, দ্বাৰকা-যাত্ৰালৈ আনন্দমনেৰে আগ বাঢ়িলে।

যথাসময়ত অদ্ভুত কৌশল আৰু আচৰিত ব্যৱস্থাৰে সৈতে (১) গৈ চিত্ৰলেখা দ্বাৰকাত উপনীতা হলগৈ। তেওঁ উপস্থিত হৈয়েই পোনেই

(১) চিত্ৰলেখা পাখিলগা পৰী সদৃশ আছিল। অৰ্থাৎ, আধুনিক বিজ্ঞানৰ বলত মানুহে পাখি লগাই উৰিবলৈ শিকিছে; তেতিয়া পৌৰাণিক অত্যুন্নত বিজ্ঞানৰ বলত এভাগ মানুহে উৰি ফুৰিব পাৰিছিল। সেই উৰণ-বিদ্যা তেতিয়া যাইকৈ নাৰীৰ

বাসুদেৱৰ ভৱনান্তিকত থিত্ ললেগৈ (১)। তাত জিৰণি লোৱাৰ ছেগতে তেওঁ নিশ্চিতবুদ্ধি হৈ চিন্তালোচনা কৰিবলৈ ধৰিলে, কি উপায়েৰে নো কুমাৰ অনিৰুদ্ধক অকলে লগ পাব পৰা যায়। তাৰ পাচত, তেওঁ দ্বাৰাৱতীৰ কেন্দ্ৰস্থলত যাদৱশ্ৰেষ্ঠ বৃষ্ণি কৈদৱ কোৱঁৰসকলৰ চিত্ৰ-বিচিত্ৰ অন্তঃপুৰ আৰু বিলাসভৱনবোৰত অতি সাৱধানে ভুমুকিয়াই চাই চাই কুমাৰ অনিৰুদ্ধক অন্বেষণ কৰিবলৈ ধৰিলে। তেওঁ দ্বাৰাৱতীৰ অন্তৰ্স্থিত চৌপাশৰ চমৎকাৰ ৰাজভৱনবোৰত পাত্‌পাত্‌কৈ বিচাৰি চালে, কিন্তু কুমাৰক কতো দেখা নাপালে। সদৌশেহত, হতাশ হৈ ঘূৰি-পাকি ফুৰি ফুৰি চিত্ৰলেখা সেই প্ৰাসাদমালাৰ কেন্দ্ৰস্থলস্থিত এটি সুবৃহৎ বিলাসভৱনৰ সমুখত উপস্থিত হলগৈ। তাত ৰমনী-মণ্ডলীৰ মাজত তেওঁ অনিৰুদ্ধ কোৱঁৰক ছঁয়ামম্নাকৈ দেখা পালে। তেওঁ দেখিলে, পৰম ৰমনীয় যদুকুলনাৰীনক্ষত্ৰ মণ্ডলীৰ মধ্যত প্ৰদ্যুম্ন কোৱঁৰ কৃষ্ণ-ৰুক্মিণীনাতি কুমাৰ অনিৰুদ্ধ পূৰ্ণিমাৰ জোনযেনকৈ জিলিকিব লাগিছে! অপেস্বৰাযেন শত-শত যাদবী সুন্দৰী তেওঁৰ সেৱাত অনুৰক্তা আছে। সেই বিলাসমন্দিৰত সমতাল বাদ্য আৰু মধুৰ সঙ্গীতৰ সুৰত যেন স্বৰ্গ-মৰ্ত্য একেঠাই হৈ ৰৈছে! সেই তালত হিয়া নচুৱাই, সেই সঙ্গীতৰ সুৰত মন উটুৱাই, সেই নিৰুপমা নাৰীবৰ্গে কৃষ্ণনাতি অনিৰুদ্ধ কুমাৰক আবৰি ধৰি আপোন-পাহৰা হৈ নৃত্যগীতি

---

মাজত হে প্ৰচলিত আছিল। এতেকে, অদ্ভুত বিদ্যাৱতী বিচিত্ৰ চিত্ৰলেখা এগৰাকী পাখিলগোৱা নাৰী হোৱাটো আচৰিত নহয়। তেওঁ পাখিৰে সৈতে আকাশেদি উৰি গৈ একে ৰাতিৰ ভিতৰতে দ্বাৰকা নগৰীত সোমোৱাটোও একো আচৰিত কথা নহয়।

(১) শ্ৰীকৃষ্ণৰ শয়নমন্দিৰ দ্বাৰাৱতীৰ কেন্দ্ৰস্থলত প্ৰতিষ্ঠিত। সেই মন্দিৰৰ আশে-পাশে আৰু তালেমান আলহীৰ জিৰণি-মন্দিৰ আছিল।

কৰি আছে। কুমাৰ কিন্তু নিজে সেই সুখ-শান্তি অনুভৱত নাই, তেওঁ আন কিবা এটা ভাবত বিমনা হৈ বৈছে; কিবা উদ্দেশে তেওঁৰ মন-প্ৰাণ চঞ্চল, উদাস আৰু উৰৌ-উৰৌ! তেওঁৰ মনোভাব আৰু বাহ্যিক গতি-গোত্ৰলৈ নিবিষ্টমনেৰে লক্ষ্য কৰি থাকি, অৰ্থতত্ত্ববিশাৰদা চিত্ৰলেখাই অনুমানত ধৰি উঠিল যে, তেওঁৰ সখী উষাদেবীৰ দৰেই কামদেৱ-নন্দন (১) অনিৰুদ্ধ কুমাৰক সপোন ৰাজ্যৰ কিবা এটি ৰাগিয়ে বিষমকৈ টলাইছে। চিত্ৰলেখাৰ এই ধাৰণা মনত দকৈ বহিল যে, আত্মাই আত্মাক অন্বেষণ কৰে; সপোনৰাজ্যত তেনেকুৱা আত্মাৰ অদ্ভুত মিলনো হয়। এতেকে, উষাদেবীক যাৰ মোহন মুৰ্ত্তিয়ে বিচলিত কৰিছে, জানোবা তেওঁকো সেই দৰেই উষাদেবীৰ অনুপমা মুৰ্ত্তিয়ে টলাব লাগিছে? ইত্যাদি গুণা গঁথা কৰি অতি বুদ্ধিমতী আৰু সুকৌশলা চিত্ৰলেখাই উষাদেবীৰ চিত্ৰপট এখনি সমুখকৈ বাওঁহাতে নিজৰ বুকুত লগাই ধৰি, সোঁহাতেৰে অনিৰুদ্ধ কুমাৰৰ অনুকৃতি চিত্ৰ এখনি দাঙ্গি ধৰি, নিলগত কুমাৰৰ দৃষ্টি সাপেক্ষত একেঠৰে বুকু পাতি থিয় হৈ আছে; এনেতে হঠাৎ সেই চিত্ৰাৰ্পিত বক্ষলৈ কুমাৰ অনিৰুদ্ধৰ চকু পৰিল। দেখামাত্ৰে উষাচিত্ৰিত চিত্ৰপটে তেওঁক অকস্মাৎ বিচলিত কৰি তুলিলে। পিচ-মুহূৰ্ত্তত, সাক্ষাৎ যুগলমুৰ্ত্তি স্বৰূপে, তেওঁৰ নিজৰ চিত্ৰাকৃতিও একেলগে চিত্ৰলেখাৰ বুকুত সংলগ্ন দেখি অত্যধিক বিস্ময় মানি মনে মনে কিবা কথা সুমৰি চাই কুমাৰ তৱধ লাগিল! তাৰ পাচত, তেওঁ সেই নাৰীমণ্ডলীক তন্ময় ভাবত তাতে এৰি থৈ, চাট্‌কৰে বাহিৰলৈ ওলাই আহি চিত্ৰলেখাৰ আগত থিয় দিলেহি। অনিৰুদ্ধ কুমাৰে উষাচিত্ৰটিলৈ একান্ত মনেৰে চাই চাই এটি দীঘল হুমুনিয়াহ পেলাই, চিত্ৰলেখাৰ পৰিচয় লবলৈ ধৰিলে। সেই ছেগতে, আনে

(১) প্ৰদ্যুম্ন কোঁৱৰৰ অপৰ নাম কামদেৱ।

নেদেখাকৈ কুমাৰক সঙ্কেতেৰে আঁৰলৈ মাতি নি, চিত্ৰলেখাই তেওঁৰ দ্বাৰকা-আগমনৰ গুপুত উদ্দেশ্যৰ বিষয়ে বিবৰি কলেগৈ। সেই বিৱৰণৰ কথাপ্ৰসঙ্গত, উষাদেবীয়ে অনিৰুদ্ধ কুমাৰক সপোনত পতিভজনা কৰা বৰ্ণনা শুনি, অতিকৈ বিস্ময় মানি কুমাৰে নিজ দশা গুণিবলৈ ধৰিলে। তেওঁ অতিশয় বিস্মিত ভাৱে চিত্ৰলেখাক তেওঁৰ মনোভাব ভাঙি কলে যে, তেওঁৰো সেই একে দশা!—তেওঁৰো ঠিক সেই ৰাতি, সেই ক্ষণতে, সেই অনুপমা ৰূপহী উষাদেবীক সপোনত পত্নীৰূপে সম্ভোগ কৰিছিল! আৰু, সেই ক্ষণ ধৰি তেওঁৰ প্ৰতি তেওঁৰ একান্ত ধাউতি হৈছে। তাৰ পাচত, অনিৰুদ্ধ কুমাৰে উষা-মিলনৰ উদ্দেশে শোণিতপুৰলৈ যাত্ৰা কৰাৰ অভিপ্ৰায় চিত্ৰলেখাত উপযাচি জ্ঞাপন কৰিলে। সেই কথাত সিদ্ধ-সংকল্প বিবেচিত হৈ চিত্ৰলেখাই অতি হৃষ্টচিত্তেৰে কুমাৰৰে সৈতে গুপুতে আলচ পাতি এই স্থিৰ কৰিলে যে, চিত্ৰলেখাৰ ওলটা যাত্ৰাতে কুমাৰেও শোণিতপুৰলৈ যাত্ৰা কৰিব; কিয়নো, প্ৰকাশ্যে সেই কাৰ্য্য হৈ উঠা অসম্ভৱ। বিশেষতঃ, যদুসিংহ ভগবান শ্ৰীকৃষ্ণৰ অনুপস্থিতিত যাদৱসকলে সেই গুৰুতৰ বিষয়ত তেওঁক সন্মতি দিয়াৰ সম্ভাৱনা নাই। গতিকে, কুমাৰৰ শোণিতপুৰ-যাত্ৰা গোপনে হোৱাটোৱেই স্থিৰ হল।

চিত্ৰলেখাৰ উদ্দেশ্য সিদ্ধি হল। কিন্তু, সেই বাবে তেওঁ আনন্দ-বিহ্বলা হোৱা নাছিল। তেওঁ সুদূৰ আৰু অতিসূক্ষ্ম দৃষ্টিৰে আগধৰি দেখিছিল যে, শোণিতপুৰত গৈ কুমাৰ নিৰাপদ নহবগৈ; তাত তেওঁ নিশ্চয় বাণ-ৰজাৰ হাতত বন্দী হবগৈ লাগিব। আৰু, তাৰপৰা তেওঁক মুক্ত কৰিবলৈ এক শ্ৰীহৰি শ্ৰীকৃষ্ণত বাজে আনৰ ক্ষমতাই নাটিব (১)। সেই কাৰণে, বুদ্ধিমতী সুকৌশলা চিত্ৰলেখাই আকাৰত সাকাৰ দেখুৱাই

(১) এয়ে শোণিতপুৰত "হৰি-হৰ যুদ্ধ"ৰ সূচনা।

আৰু বিশেষণেৰে সবিশেষ বুজাই এটা সাঙ্কেতিক চিত্ৰ বাসুদেৱৰ শয়ন মন্দিৰৰ দেৱালত ফটফটীয়াকৈ আঁকি থৈ, অতি গোপনে অনিৰুদ্ধ কুমাৰক হৰণ কৰি লৈ শোণিতপুৰলৈ ওলটা-যাত্ৰা কৰিলে।

# ২। অধ্যায়।

## উষা-হৰণ।

যি কৌশল আৰু যি বাহনেৰে (১) গৈ চিত্ৰলেখাই দ্বাৰাৱতীত প্ৰৱেশ কৰিছিলগৈ, তদ্ৰূপ কৌশলেৰেই আৰু তদ্ৰূপ বাহনেৰেই (২) কুমাৰ অনিৰুদ্ধক লৈ তেওঁ উলটি বাণৰাজ্যৰ কন্যাৰপুৰৰ উষা-নগৰত প্ৰৱেশ কৰিলেহি। নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত অসাধ্য সাধন কৰি আহি

---

(১) সম্ভৱতঃ কোনো পক্ষীবাহনত, বা পাখিবিশিষ্ট আকাশীযানত চিত্ৰলেখাই সেই যাত্ৰাত যাতায়াত কৰিছিল। পুৰণি অসমত পোন্-প্ৰথমে বৈজ্ঞানিক কৌশলেৰে আকাশীযান বা আজিকালিৰ 'এৰোপ্লেন' সৃষ্টি হোৱাৰ ইয়ো এটা বিশিষ্ট প্ৰমাণ। ইয়াৰ পাচত, যথাঠাইত কুৰুক্ষেত্ৰ মহাৰণত পুৰণি অসমৰ হিড়িম্বা নগৰীৰ কোঁৱৰ হিড়িম্বাতনয় ভীমনন্দন ঘটোৎকচৰ আকাশী ৰণে সেই প্ৰমাণ পুনৰপি সপ্ৰমাণিত কৰিছে। বাস্তৱতে, পুৰণি কামৰূপ বা আগৰ অসম যে বৈজ্ঞানিক চৰ্চ্চাতো পৃথিবীৰ ওপৰত এখন অগ্ৰগণ্য দেশ আছিল, সেই সংজ্ঞা চিত্ৰলেখাৰ 'কুমাৰহৰণ' আৰু ঘটোৎকচৰ আকাশী ৰণে ভাঠি সমৰ্থন কৰে। নাইবা, আজিকালিও চিত্ৰিত হোৱা পৰীৰ পাখিলগা ছবিবোৰৰ সঙ্কেতত ধৰিব পাৰি যে, অতি পুৰণি কালত অসাধাৰণ কৌশলী নাৰীয়ে গুটীয়াকৈ পাখি পিন্ধি উৰি ফুৰিছিল; অদ্ভুত কৌশলী চিত্ৰলেখা সেই বিধৰে এগৰাকী পাখি লগাই উৰিফুৰা বুদ্ধিমতী নাৰী থকাটোও বিচিত্ৰ নহয়।

(২) সম্ভৱতঃ, অনিৰুদ্ধ কুমাৰ সেইকালৰ গৰুড়-বাহনেৰে আহিছিল। পাখিলগা চিত্ৰলেখাই বাট লগাই দি অনাটোৱেই খুব সম্ভৱ। সেইকালত দ্বাৰকাত যে গৰুড়-বাহন ব্যৱহৃত হৈছিল, শ্ৰীকৃষ্ণ-বাহন গৰুড়েই তাৰ বিশিষ্ট প্ৰমাণ; যথাঠাইত এই সম্পৰ্কে আৰু অলপ বহলাই মন্তব্য দিয়া হব।

চিত্ৰলেখা যথাস্থানত উপস্থিত হলহি। তাৰ পাচত, তেওঁ অতি গোপনে আৰু অতি সাৱধান উষা-অন্তঃপুৰলৈ কুমাৰক আৰকৈ লৈ গৈ অতি পুলকিত চিত্তেৰে সখীয়া উষাদেবীৰ আগত উপনীত কৰালেগৈ। পোন্-প্ৰথম দৃষ্টিত চাৰি-চকুৰ সম্মিলন হোৱা মাত্ৰকে কুমাৰ আৰু কুমাৰীয়ে দুইৰো বাঞ্ছিত সপোন-সম্পদ দিঠকত লাভ কৰি দুয়ো অতি বিস্ময় মানি তলমুৰ কৰিলে! ক্ষন্তেকৰ পাচত মূৰ তুলি দুয়ো দুইলৈ ঠৰ্‌লাগি চাই ৰৈ, সপোন আৰু দিঠকৰ স্বৰূপ ৰূপ অন্তৰে অন্তৰে বিজাই চাবলৈ ধৰিলে। চাই চাই চাই দুয়ো আনন্দ-উলাহৰ হেন্দোলনিত পুলকিত হৈ, হৰিষৰ ঘন-হুমুনিয়াহ পেলাবলৈ ধৰিলে। সেই হুমুনিয়াহৰ পিহনত পানীকৃত হৈ চাৰিগালে চাৰিধাৰি মুকুতাৰ পানী যেন চকু-লোৰেদি প্ৰেমৰস বৈ বৈ ববলৈ ধৰিলে! এনেতে, ছেগ বুজি চাঁট্‌কৰে চতুৰা চিত্ৰলেখা নেদেখা হল!—প্ৰেমিক-প্ৰেমিকা নিজানে-নীৰলে চকু-চোৰাচুই হৈয়ে ৰল! ভালেখিনি পৰলৈকে ভেলেঙ্গা-ভেলেঙ্গী শৰৰ দৰে দুয়ো আপোনপাহৰা হৈ নিটাল মাৰি ৰল। তাৰ পাচত, কুমাৰীয়ে আগধৰি সংজ্ঞা লাভ কৰি প্ৰেমগদগদভাৱে কওঁ-নকওঁকৈএই বুলি কুমাৰক সম্ভাষা কৰিলে, "হে হৃদ্‌পতি! অপুনি মোৰ অচিনাকী নহয়। যি জনে সপোনৰ ছেগ ধৰি চোৰৰ বৃত্তিৰে মোৰ হৃদয়ৰ অমূল্য ৰত্ন সতীত্ব সম্পত্তি হৰণ কৰি নি মাজতে মোক অনাথিনী কৰি বং চাইছিল, সেই জনেই এই আপুনি। মোৰ প্ৰাণ লৈ দেহা এৰি নিকৰুণ ভাৱে গৈছিল কিয়?—এতিয়া এই ভেলাধাৰিণী অনাথিনীক শ্ৰীচৰণত থান্ দিয়ক নাথ!" এই বুলি প্ৰেমোন্মাদিনী উষাদেবী অনিৰুদ্ধ কুমাৰৰ দুখানি চৰণত উভালি পৰিল! কুমাৰৰো সেই একে দশা! তেওঁৰো সেই অদ্ভুত মিলনত আপোন-পাহৰা হৈ ঠৰ্ লাগিল! তথাপি, তত্তালিকে ক্ষন্তেকলৈ হেৰোৱা সংজ্ঞা পুনঃলাভ কৰি, তেওঁ উদ্ভ্ৰান্তা প্ৰেমিকা

প্ৰাণপ্ৰতিম হিয়াৰাণী উষাদেবীক আথে-বেথে দাঙ্গি ধৰি, আবেগেৰ নিশ্বাসেৰে শিৰ স্থুঙ্গি, এই বুলি প্ৰেম-প্ৰতিদান দিলে, "হে দেবি! হে মিতভাষিণি! হে মোৰ হৃদ্‌ৰাজ্যৰ পটেশ্বৰি! মই সৰল অন্তৰেৰে সৈ লৈছোঁ, মই সঁচাকৈয়ে চোৰ। মই চৌৰবৃত্তি ধৰি সেই ৰাতি— সেই অদ্বিতীয়া ৰাতি—তোমাৰ সদনত নথৈ অপৰাধ কৰিলোঁ! সেই বাবে মই সৰ্ব্বতোভাৱে দণ্ডনীয়। এতিয়া তোমাৰ পাটলিত পৰিছোঁহি, তুমি যেই কৰাঁ সেই। কিন্তু, হে মদনমোহিনী ৰতিসতী দেবি! সেই জনৰ দশাও দয়া কৰি গমি চাবাঁচোন, যিজনৰ অন্তৰৰ সৰ্ব্বস্ব ঠিক সেই ৰাতিয়েই সেই ক্ষণতে তুমিও সেই চৌৰবৃত্তিৰেই হৰি আনি তেওঁক কেনেকৈ ভেলাভাৱী কৰি এৰি থৈ আহিছিলাঁ! পৰম মিত্ৰা চিত্ৰলেখা সখীয়াই অযাচিতে অনুগ্ৰহ কৰাৰ ফলত যেনিবা আজি এই দেহাধাৰীয়ে তোমাৰ সদনত পুনঃ প্ৰাণ ভিক্ষা কৰিবলৈ এই অদ্ভুত ছেগ পাইছে। হে দেবি! তেওঁৰ সৰল কামনা যেন পূৰ্ণ হয়। হে সুন্দৰি! মই ইতিপূৰ্ব্বে এই সুমহৎ কন্যাপুৰ কাচিতো দেখা নাছিলোঁ, মাথোন সেই অদ্বিতীয়া ৰাতি, আৰু সেই অদ্বিতীয়া অদ্ভুত সপোনৰ মায়াৰ আৱেশে তুমি হৰি আনি ইয়াত,—এই ঠিক সেই অন্তঃপুৰ-সোণৰসজাত মোৰ প্ৰাণপখীক বন্দী কৰাৰ আগেয়ে মই এই সুৰম্য পুৰি সপোনতো দেখা নাছিলোঁ। প্ৰাণেশ্বৰি! এতিয়া তোমাৰ শৰণাগত হৈছোঁহি, তুমি প্ৰসন্না হোৱাঁ।" এই বুলি অনিৰুদ্ধ কুমাৰে প্ৰগাঢ় আলিঙ্গন দি উষাদেবীক সাৱটি ধৰি প্ৰেমগদগদ হৈ ঘনউশাহ সলাবলৈ ধৰিলে!

উষাদেবী বিমোৰ! তেওঁৰ মহা সমস্যা উপস্থিত। উপস্থিত আবেগৰ সম্মিলনত তেওঁ কি কৰে এতিয়া? লোকৰঞ্জককৈ বাহ্যিক স্বামীত্ব লাভ হোৱাৰ আগেয়ে তেওঁ কুমাৰৰ হাতত দিঠকত সতীত্ব অৰ্পণ এতিয়া কৰে কি মতে? যি সতীত্ব ৰক্ষাৰ্থে তেওঁৰ কঠোৰ ব্ৰহ্মচৰ্য্য, সেই

সতীত্ব বিধিবন্ধকৈ সুৰক্ষিত নোহোৱাকৈকে তেওঁ প্ৰাণপতিম কুমাৰৰ আৰু নিজৰ অন্তৰৰ আবেগ এতিয়া কি উপায়েৰে পৰিতৃপ্ত কৰে? এই অপাৰ সমস্যাৰ পাৰ নেদেখি উষাদেবী অস্থিৰ হৈ পৰিল, তেওঁ ঠকৃঠকৃকৈ তীব্ৰকঁপে কঁপিবলৈ ধৰিলে! এনেক্ষণত, আৰৰপৰা ৰং-চাওঁতী ৰংমতী সুচতুৰা সখী চিত্ৰলেখাই বিপদবন্ধু ৰূপে পুনঃ দেখা দিলেহি। তেওঁ কিংকৰ্ত্তব্য বিমোৰা আবেগবিহ্বলা সখীৰ অৱস্থা বুজি অনতিপলমে যুগুত ব্যৱস্থা কৰিলেহি। চিত্ৰলেখা আৰু কুম্ভাণ্ড-দুহিতা প্ৰজ্ঞাসুন্দৰী প্ৰমুখ্যে সখীসকলৰ সাক্ষ্যত ৰুক্মিণীনন্দন প্ৰদ্যুম্নতনয় কৃষ্ণনাতি অনিৰুদ্ধ কুমাৰ আৰু মহাসুৰ বিৰোচননন্দননন্দিনী (১) কুমাৰী উষাদেবীৰ দাম্পত্য সম্বন্ধ গান্ধৰ্ব্ব বিবাহবন্ধনেৰে সম্পাদিত কৰা হল। তাৰ পাচত, ছেগ বুজি সখীসকল চাতুকৈ অন্তৰ্হিত হোৱাত, উষা-অনিৰুদ্ধৰ মধুমিলন সম্ভোগৰ সুযোগ পুনঃ উন্মিলিত হল।

গান্ধৰ্ব্ব বিবাহৰ পাচত, দিনচেৰেক নিৰ্ব্বিবাদে আৰু নিৰাপদে উষা-অনিৰুদ্ধৰ সুখৰ দিন পাৰ হল। তাৰ পাচত, সেই আবুৰৰ মিলনৰ কথা ক্ৰমাৎ বাজ হবলৈ ধৰিলে। উষা-অন্তপুৰ ৰখীয়া বাণ-অনুচৰবৰ্গে সম্ভেদ্ পাই সেই বিষয়ক যথাযথ বৃত্তান্ত বাণ-ৰজাত গোচৰ দিলেগৈ। অমিত্ৰঘাতী বীৰ বলিনন্দন মহাসুৰ বাণ-নৰপতিয়ে সেই উষা-হৰণ (২) বিষম সংবাদ পাই ভীম আক্ৰোশেৰে গৰ্জ্জি উঠি, অজ্ঞাত কুমাৰ অনিৰুদ্ধৰ নিগ্ৰহাৰ্থে কিঙ্কৰসৈন্যবৰ্গক তেওঁ এই বুলি আদেশ দিলে, "যি দুৰ্বিতাত্মাই আহি চৌৰবৃত্তিৰে আমাৰ কুলচৰিত্ৰ কলুষিত কৰিছেহি, সেই দুৰ্ম্মতিক তহঁতে তুৰন্তে বিনাশ কৰগৈ। অহঃ, উষা ধৰ্ষিতা হোৱাত আমাৰ এই মহৎ কুলো ধৰ্ষিত হৈছে। যি মূঢ়ই, যি অহঙ্কাৰীয়ে

(১) বাণনন্দিনী উষা। বাণ-ৰজাৰ পিতৃৰ অন্যতম নাম বিৰোচন।

(২) অসমত প্ৰখ্যাতী "উষা-হৰণ" নাটকাৰ এয়ে আঁতি-গুৰি।

মোৰ দেৱদুৰ্গম কন্যাপুৰলৈ নিৰ্ভয়ে প্ৰৱেশ কৰি, বিনাসম্প্ৰদানে মোৰ কুলকন্যাৰ সতীত্ব হৰণ কৰিলেহি, সেই নিৰ্ব্বোধ দুৰাকাঙ্ক্ষীৰ কি বীৰ্য্য ! কি ধৈৰ্য্য !! কি ধৃষ্টতা !!! (১)।" মহাসুৰ বলিনন্দন বাণ নৰপতিৰ তৰ্জ্জনগৰ্জ্জনপূৰ্ণ আদেশ ততালিকে শিৰোধাৰ্য্য কৰি, তেওঁৰ মহতী বাহিনীয়ে গগণভেদী হুঙ্কাৰ ছাৰি কৃষ্ণনাতি অনিৰুদ্ধ কুমাৰক বধিবৰ অৰ্থে কন্যাপুৰমুখে ধাবিত হল।

উষা-অনিৰুদ্ধৰ সুখমিলন সংঘটনৰ পৰিণামত যি বিষম প্ৰমাদ ঘটিবৰ আশঙ্কা আছিল, সেই বিষয়ক চিন্তাচিত্ৰ চিত্ৰলেখাই কৃষ্ণভৱনত আগধৰি আঁকি থৈ আহিছিল। এতিয়া, ইফালে বাণ-ৰজাৰ মহতী বাহিনী অনিৰুদ্ধ বধাৰ্থে বাহিৰ হোৱা দেখি, সিফালে আগধৰি পাঙ্গি অহা মতে, এই বিপদসংবাদ যথাসময়ত যদুসিংহ শ্ৰীকৃষ্ণৰ কৰ্ণগোচৰ কৰাৰ উদ্দেশে চিত্ৰলেখাই আকৌ অনতিপলমে অৱস্থা চাই ব্যৱস্থা উদ্ভাৱন কৰিলে। সেই উদ্দেশে পোন্-প্ৰথমে তেওঁ এটি পত্ৰবাহক পখী (২) দ্বাৰকাৰ অভিমুখে প্ৰেৰণ কৰিলে। তাৰপাচত, সৰ্ব্বত্ৰব্যাপী (৩) দেৱৰ্ষি নাৰদ মুনিৰ সাক্ষাৎ লাভ কৰি, সেই দ্ৰুতগামী চমুপন্থা-বিশাৰদ মুনিৰাজক কৃষ্ণসদনলৈ যাত্ৰা কৰালে। সিফাললৈ সেই উপায় বিধান কৰি উঠি, ইফালে চিত্ৰলেখাই বুদ্ধিমতী সখীয়া প্ৰজ্ঞাসুন্দৰীৰে সৈতে সুপৰামৰ্শ কৰি, কৃষ্ণনাতি অনিৰুদ্ধ কুমাৰৰ সাহায্যাৰ্থে উষা-

(১) হৰিবংশ, ১৭৫ আধ্যা।

(২) পাৰ-পখীয়ে দুৰ-বিদেশলৈ পত্ৰ বহন কৰা কৌশল কোনো কোনো দেশত এই যুগতো প্ৰচলিত থকাৰ পটন্তৰ অদ্যাপি বিদ্যমান।

(৩) পৰিব্ৰাজক মহাঋষি নাৰদ মুনিয়ে সঘনে সৰ্ব্বত্ৰে ভ্ৰমি ফুৰে। নানা ঠাইত তেওঁৰ ভ্ৰমণ এনে সঘন যে, তেওঁক প্ৰায়ে যতে-ততে যেতিয়াই-তেতিয়াই সাক্ষাৎ পোৱা যায়। সেই আপাহতে তেওঁক সৰ্ব্বব্যাপী বোলা যায়।

অন্তঃপুৰ ৰখীয়া দানৱ সৈন্তবৰ্গক শুপুতে লাজু বান্ধিবলৈ যুগুত দিহা লগাই থলে।

চাওঁতে চাওঁতে আহি বাণ-বাহিনীয়ে উষা-অন্তঃপুৰ অৱৰোধ কৰিলেহি। চাৰিওফালে ধৰ-ধৰ মাৰ-মাৰ শব্দৰ কোঢ়াল লাগি উঠিল। সেই কোঢ়াল শুনি উষানন্দ প্ৰদ্যুম্ননন্দন পোনেই চক্‌খাই উঠিছিল; পিচে আসন্ন বিপদ উপস্থিত জানি মহাবাহু অনিৰুদ্ধ কুমাৰ তুৰন্তে শত্ৰুৰ সম্মুখ হবলৈ সন্তম হল। কিন্তু, বাণ-বাহিনীয়ে অনিৰুদ্ধবধসূচক হুঙ্কাৰ ৰতেকে ঘনাই উচ্চাৰিবলৈ ধৰিলে, বাণনন্দিনী উষাদেবীৰ নাৰীসুলভ কোমল প্ৰাণ ততেকে আতঙ্কত অস্থিৰ হৈ পৰিল। সাধ্বী-সতী দৈত্যকুলকুমাৰীয়ে লাজ-জ্ঞান মান-অপমান সমস্তলৈকে আওকাণ কৰি প্ৰকাশ্যে পতিধন যদুনন্দন অনিৰুদ্ধ কুমাৰৰ কল্যাণাৰ্থে মুক্তকণ্ঠে আকুল অন্তৰে আৰু একান্ত চিত্তেৰে ঈশ্বৰস্তুতি কৰিবলৈ ধৰিলে। পতিপ্ৰাণা প্ৰিয়তমাক অতিকৈ আকুল হোৱা দেখি, কৃষ্ণনাতি প্ৰদ্যুম্ননন্দনে পিতামহী ৰুক্মিণীদেবীৰ তদ্ৰূপ আপদকালৰ উদ্ধাৰ কাহিনীৰ বৰ্ণনা শুনাই উষাদেবীক এই বুলি অভয় দান দিবলৈ ধৰিলে, "হে প্ৰিয়া! অধৈৰ্য্যা নহবা। মোৰ কাৰণে তুমি লেশমানো আশঙ্কা নকৰিবা। মই মোৰ মহাৰথ পিতৃদেৱ প্ৰদ্যুম্ন কোৱঁৰৰ বল-বীৰ্য্যেৰে বীৰ্য্যবান হৈ, মোৰ পিতামহ যাদৱ কেশৰী শ্ৰীকৃষ্ণৰ ভুবনবিজয়ী কীৰ্ত্তিৰ স্মৃতি-উৎসাহেৰে প্ৰণোদিত হৈ, মুহূৰ্ত্তৰ মধ্যত এই দানৱবাহিনীক মথিমুৰ কৰোঁ, চাই থাকা।" এই বুলি একেজাঁপে উষা-কক্ষৰপৰা নামি, বিবিধ ৰণবিদ্যা-বিশাৰদ মহাতেজী মহাবাহু বৃষ্ণিকুমাৰ অনিৰুদ্ধ বীৰে অন্তঃপুৰদ্বাৰগত অতুল পৰিঘ গ্ৰহণ কৰি উদ্যত হৈ শত্ৰুসেনাৰ মাজত প্ৰৱেশ কৰিলেগৈ। বাণ-বাহিনী সৈন্যগণেও গদা, অসি, মুষল, শক্তিশূল, তীক্ষ্ণবাণ আদি ৰণাস্ত্ৰেৰে কুমাৰৰ অঙ্গ ক্ষত-বিক্ষত কৰি তুমুল সংগ্ৰাম

চলাবলৈ ধৰিলে। ভালেমান পৰলৈকে সংগ্ৰাম চলিব লাগিছে, কিন্তু অমিততেজা যাদৱ কুমাৰ অলপো কাতৰ হোৱা নাই, বৰঞ্চ চতুৰ্গুণ বল-বিক্ৰমেৰে উত্তেজিত হৈ আক্ৰমণ কৰি তেওঁ শক্ৰসৈন্যক হতবুদ্ধি আৰু অস্থিৰ কৰি তুলিছে। দেখি-শুনি আৰু যুঁজি-ভাগৰি অতিকৈ বিস্ময় মানি মহাসুৰ বাণ-ৰজাৰ মহতী বাহিনীয়ে ৰণভঙ্গ দি ৰাজধানীৰ অভিমুখে আতুৰ ভাৱে পলাবলৈ ধৰিলে। (১)

মহতী বাহিনীয়ে ৰণভঙ্গ দিয়া দেখি সহস্ৰভুজ দানৱোত্তম মহাসুৰ বাণ-ৰজাৰ মন অলপো বিচলিত নহল; তেওঁ নিশ্চিন্তভাৱে পুনৰপি নানাপ্ৰহৰণধাৰী সুমহৎ 'ৰৌদ্ৰ' (২) সৈন্যদলক অনিৰুদ্ধ নিগ্ৰহাৰ্থে প্ৰেৰণ কৰিলে। এই নতুন বাহিনীয়ে উষা-অন্তঃপুৰত গৈ পুনৰপি প্ৰাণপণে তুমুল সংগ্ৰাম পাতিলেগৈ। অমিত্ৰঘাতী বলিনন্দন বাণ-ৰজাৰ উত্তেজনাত উত্তেজিত হৈ, ৰৌদ্ৰ-বাহিনীয়ে বিষম আক্ৰোশেৰে আক্ৰমণ কৰিলেগৈ; কিন্তু অদ্ভুত বীৰ অনিৰুদ্ধ কুমাৰৰ ৰণ-কৌশলৰ আগত সৰহপৰ ঠাৰিব নোৱাৰি সেই বাহিনীয়েও ৰণত পিঠি দেখুৱাই পলাই ফাট্ মাৰিলে। সেই প্ৰচণ্ড বলশালী ৰৌদ্ৰ-সৈন্যদল পৰাস্ত হোৱাটো বাস্তৱতে এটা অদ্ভুত ঘটনা হোৱাদি হল। সেই বাহিনীৰ অনেকৰ মনত এনে ধাৰণা হল যে, উষা-অন্তঃপুৰস্থ সেই অদ্ভুত কুমাৰক পিচৰপৰা কোনোবা মায়াপী ক্ষমতাই অলৌকিকভাৱে সহায় কৰিছিল (৩)। সেই ধাৰণাই ৰাজকীয় সৈন্যদলক হতাশ কৰি ৰণভঙ্গ দিয়ালে। সেই কথাত

---

(১) আৰু (২) হৰিবংশ, ১৭৫ আধ্যা।

(৩) আগেয়ে যথাস্থানত সঙ্কেত্ দি অহামতে, চিত্ৰলেখা আৰু প্ৰজ্ঞাসুন্দৰীৰ গুপ্ত মোহাকৰ্ষণ অনুসৰি উষা-অন্তঃপুৰ ৰখীয়া সৈন্যদলে গুপ্তভাৱে কুমাৰৰ হৈ ৰৌদ্ৰ বাহিনীৰ বিৰুদ্ধে ৰণ দিছিল।

সহস্ৰবাহু (১) অমিত্ৰনাশী মহাসুৰ বাণ-ৰজাই বাৰিষাৰ মেঘৰ্ত গৰ্জ্জি উঠি স্বয়ং অনিৰুদ্ধ কুমাৰক বধিবলৈ আগ বাঢ়িলে। মন্ত্ৰী কুম্ভাণ্ডক লগত লৈ, ৰোষান্ধ বাণ নৰপতিয়ে উত্ৰাৱল ভাৱে উষা-অন্তঃপুৰত প্ৰৱেশ কৰিলেগৈ। পিতৃৰাজক উগ্ৰভাৱে ৰণোন্মত্ত হৈ অহা দেখি, প্ৰাণকান্ত অনিৰুদ্ধদেৱৰ প্ৰাণনাশৰ আশঙ্কাত অতিকৈ আতুৰা হৈ উষাদেবীয়ে বিনাবলৈ ধৰিলে। কুমাৰে লৰালৰিকৈ দুটা-চাইটা প্ৰবোধ বাক্যেৰে কুমাৰীক অভয় দান দি থৈ, সম্মুখ-সংগ্ৰামলৈ সিংহসদৃশে আগ বাঢ়িলে। বনৰ মাজত সিংহই যেনেকৈ মত্ত মাতঙ্গক ঠমকাখুৱাই ৰাখে, যদুসিংহ অনিৰুদ্ধ কুমাৰেও তেনেকৈ দানৱ মাতঙ্গ মহাসুৰ বাণৰাজক ঠমক্ খুৱাই ৰাখিলেগৈ (২)। কিন্তু, বেগৱতী নৈয়ে পৰ্ব্বত-ভেটা পাই পাৰ ভাঙ্গি ঢৌৱাই যোৱাৰ দৰে, মহা বেগীমনৰ বাণ-ৰজাই আত্ম-বল-বিক্ৰম দুয়োপাশে বিস্তাৰি নিৰস্ত্ৰ কুমাৰক অদ্ভুত ৰণ-জালেৰে (৩) মেৰাই ধৰিলে। তাৰ পাচত, আকৌ এথন তয়ময়া ৰণ লাগি উঠিল। বহু-পৰলৈকে হাৰ-জিত নাই, কেৱে কাকো হটাব পৰা নাই। শেহান্তৰত, সহস্ৰ অস্ত্ৰবিশাৰদ ৰণ-পণ্ডিত বাণ-ৰজাই তেওঁৰ বছা-বছা বাণ-অস্ত্ৰাদি সহস্ৰ কৌশলেৰে নিক্ষেপ কৰি অপৰাজিত কৃষ্ণনাতি প্ৰদ্যুম্ননন্দনক নাগপাশেৰে (৪) বান্ধি পেলালে। কিন্তু, সিমানতো অনিৰুদ্ধ কুমাৰ

---

(১) বাণ-ৰজা সহস্ৰ অস্ত্ৰবিশাৰদ পণ্ডিত যোদ্ধা আছিল। তেওঁ সহস্ৰবিধ অস্ত্ৰেৰে ৰণত প্ৰবৃত্ত হৈছিল। সেই আপাহতে তেওঁক সহস্ৰবাহু বোলা যায়।

(২) হৰিবংশ, ১৭৫ আধ্যা।

(৩) তামসীবিদ্যা বা ভেলেকীবাণ। ময়াপী দানৱ এই বিদ্যাত পাকৈত আছিল বুলি অনেকে কল্পনা কৰে।

(৪) নাগ বা সৰ্পসদৃশ্ বাণ। এই লেজুৱা বাণে লক্ষিত শক্ৰক সৰ্পৰ দৰে মেৰাই ধৰি বান্ধি পেলায়।

অকণো বিচলিত নহল, তেওঁ ঘনে ঘনে বাণ ৰজাক স্বহস্তে আক্ৰমণ কৰাৰ উদ্দেশ্যে আস্ফালন কৰিবলৈ ধৰিলে। কুমাৰৰ আস্ফালন সহিব নোৱাৰি, সমিদ্ধহুতাশনপ্ৰায় প্ৰজ্বলিত হৈ মহা অভিমানী মহাভৈৰৱভক্ত বাণাসুৰে হাতত ত্ৰিশূল ধাৰণ কৰি, যদুকুলকমল পুৰুষোত্তম কন্দৰ্পতনু ৰুক্মিণীনাতি প্ৰদ্যুম্ননন্দনক বধ কৰিবলৈ ভীষণ মূৰ্ত্তি ধৰি চোচা ললে। এনেতে, মহাজ্ঞানী ধৰ্ম্মপ্ৰাণ কুম্ভাণ্ড মন্ত্ৰীয়ে এই বুলি বুজনি দি ৰজাক ক্ষন্তেকলৈ ক্ষান্ত কৰিলে, "হে মহাৰাজ! ক্ষন্তেক ধৈৰ্য্য ধৰি মোৰ উক্তিলৈ কৰ্ণপাত কৰোক। ইন্দ্ৰসম পৰাক্ৰমসম্পন্ন এই মহাবীৰ কাৰ পুত্ৰ? তেওঁ কোন্ ৰাজ্যৰপৰা আহিছে? তেওঁক কোনে ইয়ালৈ আনিছে? এইবোৰ কথাৰ আগধৰি সন্তেদ্ লোৱা বাঞ্ছনীয়। হে ৰাজন্! এই সুকোমল বীৰ এজন সৰ্ব্বশাস্ত্ৰবিশাৰদ বিচক্ষণীয়া ৰণ-পণ্ডিত। নৰোত্তম পুৰুষৰ কুল, শীল, বয়স, বীৰ্য্য আদি যি যি থাকিব লাগে, এওঁৰ গাত সকলো বিদ্যমান দেখা গৈছে। হে দৈত্যসত্তম! এনেজন বলৱন্ত সত্বসম্পন্ন সুপুৰুষ কাচিতো বধৰ যোগ্য নহয়। তদুপৰি, আপোনাৰ কন্যাই যি স্থলত গান্ধৰ্ব্ব বিবাহ প্ৰথাৰে এওঁক পতিগ্ৰহণ কৰিছে, সেই স্থলত আপুনি এওঁৰপৰা সেই কন্যাক বিধিমতে নিগ্ৰহ কৰিব নোৱাৰে; আৰু সেই কন্যা অপৰক সম্প্ৰদান কৰিবলৈকো শাস্ত্ৰৰ বিধান নাই। এতেকে, এওঁক বধ কৰাৰ বিষয়ে দকৈ গমি চোৱা উচিত। আগেয়ে যথাযথ তথ্য উপলব্ধি কৰোক; তাৰ পাচত বধ্য হলে বধিব, অথবা পূজ্য হলে পূজিব। হে বীৰবাহো! শৌৰ্য্য, বীৰ্য্য, সৌন্দৰ্য্য, কুল আৰু সত্ত সমন্বিত এই পুৰুষোত্তমক এবাৰ সূক্ষ্মভাৱে নিৰীক্ষণ কৰোক।" ধৰ্ম্মাত্মা কুম্ভাণ্ড মন্ত্ৰীৰ জ্ঞানগৰ্ভ শান্তিবাণী শুনি উন্মত্ত বাণ-ৰজা ভৰধ লাগিল। তেওঁ অগত্যা অনিৰুদ্ধ কুমাৰক উষা-অন্তঃপুৰতে বন্দী কৰি থৈ নিজ নগৰলৈ প্ৰত্যাগমন কৰিলে।

# ৩। অধ্যায়।

## শ্রীকৃষ্ণৰ কন্যাপুৰ-যাত্ৰা।

কুমাৰ-হৰণৰ দিনধৰি দ্বাৰাৱতী জঁয় পৰিল। কাৰো প্ৰাণত শান্তি নাই, কাৰো মনত উৎসাহ নাই, কাৰো মুখত আনন্দৰ চিন্ নাই; সমৌ দ্বাৰকাবাসী বিষাদত ম্লান পৰিল। জলত, থলত, পৰ্ব্বতত, কন্দৰত কুমাৰ অনিৰুদ্ধৰ অন্বেষণত যাদৱ বীৰসকলে পিয়াঁপি দি ফুৰিছে, কিন্তু কোনেও কতো একো সন্ধান পোৱা নাই। গোটেই দ্বাৰকাত চলাত কৰি বিচাৰি কতো নিৰুদ্দেশ কুমাৰৰ উদ্দেশ নাপাই, নানা দিগ্বিদিগলৈ চৰীয়া, চোৰাংচোৱা আদি পঠিওৱা হৈছে, কিন্তু কোনো দিশৰপৰা কুমাৰৰ সন্ধান অহা নাই। কৃষ্ণাগ্ৰজ মহাবীৰ বলৰাম আৰু কৃষ্ণনন্দন মহাৰথ প্ৰদ্যুম্ন মহা চিন্তাত পৰিল যে, সিবিলাকে এনেহেন অৱস্থাত শ্ৰীকৃষ্ণৰ পুনৰাগমনত তেওঁৰ আগত মুখ দেখুৱাব কেনেকৈ! সিবিলাক দুজনতে দ্বাৰকাৰ ৰক্ষণভাৰ অৰ্পণ কৰি থৈ যদুনাথ বাসুদেৱ আগন্তুক কুৰুক্ষেত্ৰ মহাৰণ ৰচনাত অতি ব্যস্ত হৈ আঁতৰি আছেগৈ। সেই ভাৰতীয় মহাচিন্তাৰ ওপৰত এতিয়া এই যাদবীয় কাৰ্য্যচিন্তাৰ বিষয় তেওঁক কোন্ সতে জ্ঞাপন কৰা যায়! বিশেষ, কুমাৰ অনিৰুদ্ধ যে শ্ৰীকৃষ্ণৰ অতি আদৰৰ নাতি,—যাক চাই চাই তেওঁৰ তৃপ্তি নপলায়, যাক চকুৰ আঁৰ কৰিবলৈকো তেওঁ অতি অসহ্য বোধ কৰে। এনেহেন

প্ৰাণপ্ৰতিম চেনেহৰ নাতি প্ৰদ্যুম্ননন্দন অনিৰুদ্ধৰ নিৰুদ্দেশ বাৰ্ত্তা পাণ্ডৱ শিবিৰলৈ কোন্ সাহেৰে পঠিওৱা যায় এতিয়া! বলৰাম আৰু প্ৰদ্যুম্ন কোৱঁৰে এই দৰে যাদৱপ্ৰধান সকলৰে সৈতে অনাগুণা কৰি আছে, এনেতে এটি বাহিকা পখীয়ে (১) ওপৰৰপৰা সিবিলাকৰ মাজত এখনি পত্ৰ ক্ষেপন কৰি ভুৰুংকৰে নেদেখা হল।

পত্ৰত শ্ৰীমধুসূদন ৰুক্মিণীনাথ দ্বাৰকেশ্বৰক সম্বোধন কৰা হৈছিল; পত্ৰ প্ৰেৰিত কামৰূপৰ কন্যাপুৰৰপৰা। পত্ৰত প্ৰেৰকৰ বা প্ৰেৰিকাৰ নাম নাই, কিন্তু বিশেষণেৰে সবিশেষ বুজাই কোৱা আছিল। সেই সবিশেষৰ বিশেষ নিৰ্দ্দেশ পাবলৈ বাসুদেৱৰ শয়ন-মন্দিৰৰ পকী দেৱালত চিত্ৰিত এটি চিত্ৰাদৰ্শলৈ সঙ্কেত দিয়া হৈছিল। পত্ৰত দিয়া সেই সঙ্কেত অনুসৰি প্ৰদ্যুম্ন কোৱঁৰে তেওঁৰ মাতৃ ৰুক্মিণীদেৱীৰে সৈতে পিতৃদেৱ শ্ৰীকৃষ্ণৰ শয়নমন্দিৰত প্ৰৱেশ কৰি সেই চিত্ৰাঙ্কন পৰীক্ষা কৰি চালেগৈ। সেই চিত্ৰাঙ্কনেই অনিৰুদ্ধ কুমাৰ নিৰুদ্দেশ হোৱাৰ আদ্যোপান্তৰ বিশদ ব্যাখ্যা দিব লাগিছে; কিন্তু কৃষ্ণবিনে সেই ব্যাখ্যানুযায়ী কাৰ্য্যানুসৰণ কৰিবলৈ দ্বাৰকাত তেতিয়া দ্বিতীয় জন নাই। বিশেষতঃ, কামৰূপ সম্বন্ধীয় অভিজ্ঞতা শ্ৰীকৃষ্ণৰ সমানে আন কাৰো নাই। তদুপৰি, পত্ৰত বিশদকৈ সঙ্কেত দিয়া আছে যে, সেই সমস্যাত যাদৱ কেশৰী স্বয়ং কেশৱৰ উপস্থিতি কন্যাপুৰত একান্ত বাঞ্ছনীয়। পত্ৰৰ মৰ্ম্মমতে যাদৱসকলৰ মাজত গভীৰ আলোচনা চলিল, আৰু তাৰ সিদ্ধান্ত এই হলগৈ যে, আগন্তুক মহাৰণৰ আয়োজন আলোচনাৰ্থে সেই সময়ত পাণ্ডৱ-বান্ধৱ শ্ৰীকৃষ্ণৰ উপস্থিতি কুৰুক্ষেত্ৰত যদিচ নিতান্ত অপৰিহাৰ্য্য,

---

(১) সেই কালত কোনো কোনো বিধৰ বাহিকা পখীৰ যোগে দুৰ-বিদেশলৈ চিঠি-পত্ৰ চলোৱাৰ প্ৰথা প্ৰচলিত আছিল; সেই পখীৰ ভিতৰত পাৰ-পখী প্ৰধান। কোনো কোনো দেশত অদ্যাপিও সেই ৰীতিৰ প্ৰচলন আছে।

তথাপি ধৰকৰা অভাৱনীয় আপদ ভঞ্জনৰ সমস্যাত তেওঁৰ পক্ষে দ্বাৰকা-প্ৰত্যাগমন ততোধিক অপৰিহাৰ্য্য। গতিকে, অগ্ৰজ বলৰামৰ আদেশ অনুসৰি, অনুজ বাসুদেৱৰ সমীপলৈ দূত প্ৰেৰিত হোৱাটোৱেই স্থিৰ হল।

শ্ৰীকৃষ্ণৰ বিৰতি নাই। যতে কৃষ্ণ, ততে কৰ্ম্ম ; যতে কৰ্ম্ম, ততে ধৰ্ম্ম ; যতে ধৰ্ম্ম, ততে জয়ঃ। কৃষ্ণ সৰ্ব্বব্যাপী। কৰ্ম্মত যি কৃষ্ণ, চিন্তাতো সেই কৃষ্ণ। অচ্যুত কৃষ্ণ অক্লিষ্টকৰ্ম্মা। কৃষ্ণ চিন্তাপৰায়ণ। কৃষ্ণ অদ্ভুতকৰ্ম্মা। অপায় অপনয়নতো কৃষ্ণ, সম্পদসম্ভোগতো কৃষ্ণ। ভিতৰত কৃষ্ণবিনে স্থিতি নাই, বাহিৰত কৃষ্ণবিনে গতি নাই। এনেহেন অবিশ্ৰান্ত শ্ৰীকৃষ্ণ কুৰুক্ষেত্ৰত অপৰিহাৰ্য্যৰূপে চিন্তাপৰায়ণ আৰু কাৰ্য্যতৎপৰ হৈ ৰণ-ৰচনাত নিমগ্ন থাকোতে, ইফালে দ্বাৰকাতো তেওঁক অপৰিহাৰ্য্যকৈ লগা হল। সেই অৰ্থে, দ্বাৰকাৰ ৰামদূত গৈ কুৰুক্ষেত্ৰত উপস্থিত! দূত কেৱল বাৰ্ত্তাবহী নহয়, অগ্ৰজৰ আদেশবাহিনীও। যি ৰামৰ আদেশ সততে কৃষ্ণৰ শিৰোধাৰ্য্য, সেই পূজনীয় প্ৰাণপ্ৰতিম অগজ হলধৰৰ আদেশ-বাণী দূতীয়ে যথাসৎকাৰেৰে শ্ৰীকৃষ্ণত জ্ঞাপন কৰিবগৈ। সেই দূতী হল কৃষ্ণসোহাগিনী কৃষ্ণসহধৰ্ম্মিণী স্বয়ং ৰুক্মিণী দেবী! যি ক্ষণত মুহূৰ্ত্তলৈকো কৃষ্ণৰ অনুপস্থিতি পাণ্ডৱৰ পক্ষে অপৰিহাৰ্য্য আৰু নিতান্ত অসহনীয়, সেই ক্ষণত অনিশ্চিত সময়লৈ কৃষ্ণৰ উপস্থিতি দ্বাৰকাৰ যাদৱৰ পক্ষেও অপৰিহাৰ্য্য আৰু একান্ত বাঞ্ছনীয়। এইহেন অপাৰ সমস্যাৰ পাৰ এতিয়া কি উপায়েৰে পোৱা যায়! এহাতে, কুৰুক্ষেত্ৰত কৌৰৱ-পাণ্ডৱৰ মাজত আগন্তুক মহাৰণ লাগোঁ-লাগোঁ, আৰম্ভণ-ঘোষণা মাথোন বাকী ; আৰু শ্ৰীকৃষ্ণৰ অবিহনে কৃষ্ণ-বিৰচিত পাণ্ডৱ-দুৰ্গ ঠৰেঠৰে তল যায়! আনহাতে, চকুমণি অনিৰুদ্ধ কুমাৰক হেৰুৱাই দ্বাৰকাত যাদৱবৰ্গ আন্ধাৰত আতুৰ ; সেই অৱস্থাত, কৃষ্ণবিনে যাদৱৰ উপায় নাই! বাস্তৱতে ই বিষম সমস্যা! কিন্তু, অদ্ভুতকৰ্ম্মা

শ্ৰীকৃষ্ণৰ প্ৰত্যুৎপন্নমতিত্বৰ প্ৰভাৱত সেই সমস্যা ততালিকে শামকাটি পৰিল; সুদূৰদৰ্শী পাণ্ডৱ-সাৰথি বাসুদেৱৰ ৰাজনৈতিক কৌশলক ফেৰত ৰণ-আৰম্ভণ ঘোষণাৰ বাব ইতিপূৰ্ব্বেই, নিৰ্দ্ধাৰিত ৰণ-নীতি অনুসৰি, পাণ্ডৱৰ এক্তিয়াৰত হুস্ত বৈছিল; সেই ছেগতে বাগি দি, আচল ৰণ-নেতা শ্ৰীকৃষ্ণই ৰণ-ঘোষণা অনিৰ্দ্ধাৰিতকৈ স্থগিত ৰথাই পাকতে ঘূৰি আহিবলৈ বুলি, ৰুক্মিণী সাৰথিৰে সৈতে গৰুড়-ৰথত চৰি দ্বাৰকালৈ অনতিপলমে প্ৰত্যাগমন কৰিলে।

দ্বাৰকাত হাহাকাৰ। দ্বাৰাৱতীত প্ৰিয়নাথ কন্দৰ্পকুমাৰ অনিৰুদ্ধ-মণি হেৰুৱাই বিৰহিনী যাদৱীবৃন্দে বিননিত গছৰ পাত থিলি-থিলিকৈ কঁপাইছে। অনিৰুদ্ধজননী প্ৰদ্যুম্নপত্নী প্ৰমুখ্যে দ্বাৰাৱতীৰ পুৰনাৰীবৃন্দৰ শোক-তাপৰ বাষ্পেৰে ভৰা চল্‌চলীয়া চকুমণি ৰাশিক ওপৰে-ওপৰে বিৰিঙ্গি উঠা শোকাশ্ৰুৰে সুনীল সৰোবৰৰ সলিলত আপ্লুত হোৱা পদ্মকলিৰ থুপি যেন কৰিছে। বাহিৰত যাদৱবৰ্গৰ হা-হুমুনিয়াহ মলয়াত কঁপি-কঁপি উঠিছে। কাৰো মুখত পানী নাই! সকলোটি সমভাৱে সন্তপ্ত। বিচাৰি বিচাৰি যদুমণি প্ৰদ্যুম্ননন্দনক যতেকে নোপোৱাৰ নিদৰ্শন পোৱা গৈছে, দ্বাৰকাবাসীৰ,—বিশেষকৈ যাদৱবৃন্দৰ—শোক-সন্তাপ ততেকে চৰিছে। পত্ৰবাহিকা পথীৰ জৰীয়তে কুমাৰ-হৰণৰ যি সন্ধান পোৱা গৈছে, তাকো বিশদকৈ উপলব্ধি কৰা কৃষ্ণহিনে অন্য শক্তিৰ সাধ্যাতীত হেতুকে সকলোটি চিন্তাত বিভোৰ! দ্বাৰাৱতীৰ এনেকুৱা নিস্তেজ আৰু নিস্পন্দ অৱস্থাত যাদৱজীৱন দৈৱকীনন্দন বাসুদেৱে বাহিৰবপৰা ভিতৰৰ গম্‌-গতি লৈ ধীৰে-শাঁতে অন্তঃপুৰলৈ প্ৰশান্তভাৱে প্ৰৱেশ কৰিলে। শ্ৰীকৃষ্ণৰ প্ৰত্যাগমনৰ বাৰ্ত্তা ঘোষণা কৰা মাত্ৰে কৃষ্ণসভাত সম্নাহভেৰী বাজি উঠিল। যাদৱগণ ততালিকে মন্ত্ৰণা-মন্দিৰত সমবেত হলগৈ। বিস্ময়বত্তি শ্ৰীকৃষ্ণদৰ্শন হোৱা মাত্ৰকে সকলোৰে প্ৰাণত

আশাৰ সঞ্চাৰ হল, সকলোৱেই পুনৰপি সজ্ঞা লাভ কৰিলে। অনিৰুদ্ধ উদ্ধাৰৰ উপায় উদ্ভাৱন বিষয়ক আলোচনাত বৃদ্ধৰাজ আহুক প্ৰমুখ্যে যাদৱপ্ৰধানসকল আগ্ৰহেৰে সমবেত হলহি। সিবিলাকে উদ্বিগ্ন চিত্তেৰে চিন্তাজীবী অদ্ভুতকৰ্ম্মা বাসুদেৱৰ প্ৰতি স্থিৰদৃষ্টিৰে চাই চাই, যাৰ যি বক্তব্য তাক এজন-এজনকৈ ব্যক্ত কৰিবলৈ ধৰিলে। সভাস্থ যাদৱ মণ্ডলীৰ মুখে কুমাৰ-হৰণ-কাহিনী আৰু কুমাৰৰ উদ্ধাৰৰ উপায় উদ্ভাৱন বিষয়ক মন্ত্ৰণাদি ৰুক্মিণীনাথে একাগ্ৰতাৰে মনোযোগেৰে শুনিবলৈ ধৰিলে,—শুনি শুনি শুনি সেইপোনেই তেওঁ নিটাল মাৰিলে। শ্ৰীকৃষ্ণ নিস্তব্ধ হোৱা দেখি বিজ্ঞ মন্ত্ৰী বিপৃথুৱে এই বুলি মাত লগালে, "হে মাধৱ! আপুনি চিন্তাৰ পাৰ দিওঁতা হৈ এইদৰে চিন্তাযুত হৈছে কিয়? আমাক উপদেশ দিয়কছাৰি আপুনি আমাৰ উপদেশ সাপেক্ষে নিটাল মাৰিছেচোন?" এই কথা শুনি বৃহস্পতিহেন বাক্যবিচক্ষণ বাসুদেৱে দীঘলকৈ এটি হুমুনিয়াহ পেলাই এই বুলি সমিচাৰ দিলে, "হে বিপৃথো! মই চিন্তাবিষ্ট হৈ আপোনাসকলৰ আলোচ্য বিষয়ক কাৰ্য্যকে চিন্তা কৰিছোঁ। তাৰ লগে লগে সমবেত সমজুৱাৰ মন্তব্যাদি বিজাই-মিলাই গৈ আছোঁ। আৰু কাৰ কি বক্তব্য আছে শুনি লওঁ; সদৌশেহত মই মোৰ মন্তব্য দিমগৈ।" তাৰ পাচত, নানা জনে নানা মতে কুমাৰ-হৰণৰ সম্ভৱপৰ হেতু দৰ্শাই অনুতাপ প্ৰকাশ কৰিবলৈ ধৰিলে। সেইসকলৰ ভিতৰত মহাৰথ সাত্যকি, সেনাপতি অনাধৃষ্টি, বাক্যাৰ্থবিশাৰদ অক্ৰুৰ, মহাবীৰ হলধৰ, ৰণপণ্ডিত ৰুক্মিণীনন্দন প্ৰদ্যুম্ন কোৱঁৰ এইসকলেই প্ৰধান।

এজন-এজনকৈ সকলোৰে মন্তব্য শুনি সাৰোগত কৰি লৈ, সামৰণিত চিন্তাপৰায়ণ অক্লিষ্টকৰ্ম্মা অচ্যুত শ্ৰীকৃষ্ণই এই বুলি স্বীয় মন্তব্য প্ৰকাশ কৰিলে, "হে জ্ঞাতিবন্ধুবৰ্গ! আপোনাসকলৰ যুক্তিযুক্ত সাৰুৱা মন্তব্যাদি মই

নিবিষ্টমনেৰে শুনিলোঁ। আমাৰ বৃদ্ধৰাজ আহুকক শাম্ব দৈত্যই হৰণ কৰা, শিশুকালত ৰুক্মিণীনন্দন প্ৰদ্যুম্ন কোঁৱৰক শম্বৰাসুৰে হৰণ কৰা ইত্যাদি বিগত ঘটনাৱলীৰ বিষয় আমি অদ্যাপি পাহৰা নাই। মোৰ কৃত দেৱদ্ৰোহী কৰ্ম্মৰ আপাহত যাদৱৰ প্ৰতি দৈববিতুষ্ট হোৱা বিষ্টাদিৰ কথাও আমাৰ মনত আছে। কিন্তু, হে সুধীসকল! মোৰ প্ৰাণপ্ৰতিম নাতি-কোঁৱৰ অনিৰুদ্ধ-হৰণ বিষয়ক আপোনাসকলৰ মন্তব্যৰে সৈতে মোৰ মন্তব্য অমিল হৈছে। মোৰ মতে দেৱতাগণ ক্ষুদ্ৰকৰ্ম্মা, অকৃতজ্ঞ, অৱলিপ্ত, ক্লীব, কিম্বা মূঢ় নহয়; দেৱতাই অপকাৰীক উপকাৰৰ দ্বাৰাই হে প্ৰতিশোধ দিয়ে। গতিকে, মোৰ কৃত কোনো অপ্ৰিয় কৰ্ম্মৰ প্ৰতিশোধ হেতু কুমাৰ-হৰণ কাৰ্য্য সম্পাদিত হোৱা নাই। মোৰ বোধেৰে, ঈশ্বৰৰ অভিপ্ৰেত কোনো শুভ আৰু মহৎ কাৰ্য্যৰ উদ্দেশে হে কোনোবা যশস্বিনী নাৰীৰ (১) দ্বাৰাই এই কাৰ্য্য সম্পাদিত হৈছে। সেই নাৰী দেৱীয়েই হওক, বা দানৱীয়েই হওক, কিম্বা মানবীয়েই হওক, —যেয়ে হওক, তেওঁৰ উদ্দেশ্য যে অতি মহান্ তাত মোৰ অনিষ্টামানো সন্দেহ হোৱা নাই। বিশেষতঃ, পক্ষীবাহিত পত্ৰৰ মৰ্ম্ম আৰু বিশেষণে যি সবিশেষকৈ বুজাইছে, আৰু মোৰ শয়নকক্ষৰ দেৱালত অঙ্কিত জীৱন্ত চিত্ৰই (২) যি আভাস দিছে, তাৰপৰা মোৰ বিশ্বাস হৈছে যে, সেই কুমাৰহাৰিণী এগৰাকী কামৰূপিনী যশস্বিনী; তেওঁৰ বসতিস্থান মধ্যকামৰূপ বাণ-ৰাজ্যৰ কন্যাপুৰ। হব পাৰে তেওঁৰ মহৎ উদ্দেশ্য কুমাৰ অনিৰুদ্ধৰ দ্বাৰাই সেই অসুৰ ৰাজ্যৰ অধীশ্বৰ মহাসুৰ বাণ-নৰপতিৰ ৰূপে-গুণে অনুপমা কন্যাৰ (৩) পাণিগ্ৰহণ কৰাবলৈ। সেই মায়াপুৰ মোৰ

(১) সুপ্ৰখ্যাতী চিত্ৰসিদ্ধহস্তা উষা-সখী চিত্ৰলেখা।

(২) এই বিষয়ে যথা-ঠাইত উন্মুকিয়াই অহা হৈছে।

(৩) বাণনন্দিনী উষাদেবী।

অবিদিত নহয়। নৰক-সংহাৰ (১) আৰু ৰুক্মিণী-হৰণ (২) ঘটনাৱলীৰ সংসৰ্গত সেই মহাপুৰুষ মহা পৰাক্ৰমী দৈত্যৰাজসকলৰ বল-বীৰ্য্যৰ পৰিমাণ মই পাই থৈছোঁ। ঘটনাচক্ৰত পৰি, এতিয়া আমি সেই ৰাজ্যৰ বৰ্ত্তমান অধিপতি বলিনন্দন মহাসুৰ বাণ-নৰপতিৰ সম্মুখীন হৈ সম্ভৱতঃ এখন মহাৰণ পাতিবৰগৈ লাগিব। ই ইচ্ছাময়ৰ ইচ্ছা। ইয়াৰ অন্যথা অসম্ভৱ। এতেকে, এতিয়া কুমাৰৰ উদ্ধাৰাৰ্থে সেই মায়াময় কন্যা-পুৰলৈ যথাযোগ্য আয়োজনেৰে আমি যুদ্ধযাত্ৰা কৰিব লাগিব। বৰৰ সময় নাই।" তাৰ পাচত, বাসুদেৱৰ বাছনি অনুযায়ী তেওঁৰ অগ্ৰজ হলধৰ, বৰপুত্ৰ প্ৰদ্যুম্ন কোৱঁৰ, সেনাপতি সাত্যকি প্ৰমুখ্যে লাগতিয়াল সংখ্যক বছা-বছা যাদৱ যোদ্ধাই ৰণ-যাত্ৰা কৰাটো স্থিৰ হল।

পিচদিনা প্ৰত্যুষে নাৰায়ণী সেনাদলে ৰণৰঙ্গে তূৰ্য্য আৰু শঙ্খধ্বনিৰে সৈতে কেশৱক জাগৰিত কৰাৰ পাচত, কৃষ্ণমণ্ডপত যাদৱ যাত্ৰীবৰ্গ সুসজ্জিত হৈ সমবেত হলহি। যাত্ৰাৰ্থে শুভক্ষণ সাপেক্ষে সকলো সষ্টম। ইত্যৱসৰত হৰিগুণগান গাই বীণাধাৰী নাৰদ মুনি হাঁহি হাঁহি মণ্ডপত উপস্থিত হলহি। মুনিৰ মুখত হাঁহি, কিন্তু আন সকলোটি বিষাদত জঁয়-পৰা! পৰমানন্দ মাধৱ নিজে বিমনা আৰু যাত্ৰাৰ্থে ব্যস্ত যদিও, তেওঁ স্বয়ং আথে-বেথে আগবাঢ়ি গৈ আদৰি আনি, বগা ঠঙ্গাৰ আসন পৰাই দিয়াই নাৰদ মুনিক মধুপৰ্ক আৰু গো-নিবেদন কৰিলে। তাৰ পাচত,

---

(১) প্ৰাগ্‌জ্যোতিষ্‌পুৰৰ অধিপতি নৰকাসুৰক বধ কৰাৰ উদ্দেশে শ্ৰীকৃষ্ণৰ কামৰূপ আগমনৰ বিষয়ে আদ্যলীলা খণ্ডৰ যথাস্থানত কৈ অহা হৈছে।

(২) কামৰূপৰ অতি-পূৰ্ব্বাঞ্চল বিদৰ্ভ বা কুণ্ডিল (এতিয়া শদিয়া) ৰাজ্যৰ অধীশ্বৰ ভীষ্মক ৰজাৰ জীয়াৰী ৰুক্মিণীদেৱীক শ্ৰীকৃষ্ণদেৱে হৰণ কৰাৰ বিষয়ে আদ্যলীলা খণ্ডৰ যথাস্থানত বিস্তাৰিতকৈ কোৱা হৈছে। সেই সংসৰ্গতে শ্ৰীকৃষ্ণ আৰু ৰুক্মবীৰৰ মাজত এখন ভীষণ ৰণ লাগিছিল।

বৃদ্ধৰাজ উগ্ৰসেন আৰু আহুক প্ৰমুখ্যে যাদৱবৰ্গৰ উপস্থিত বিষাদৰ কাৰণ সুধি লৈ, মুনিয়ে এই বুলি শ্ৰীকৃষ্ণত নিজ আগমনৰ উদ্দেশ্য ব্যক্ত কৰিলে, "হে মধুসূদন! অৱধান কৰোক। কুমাৰ অনিৰুদ্ধৰ উদ্ধাৰৰ যুক্তি লৈয়েই মই অনতিপলমে আপোনাৰ সমীপলৈ আহিছোঁ। মহাসুৰ বলিনন্দন দৈত্যৰাজ বাণ-নৰপতি আৰু মহাবাহু প্ৰদ্যুম্ননন্দন অনিৰুদ্ধ কুমাৰৰ মাজত দেবাসুৰসমৰসদৃশ, যি সুদাৰুণ মহাযুদ্ধ হৈ গৈছে, তাক মই স্বচকুৰে দেখি আহিছোঁ। মধ্যকামৰূপৰ অধিপতি বাণাসুৰে ৰণত পৰাঙ্মুখ আৰু উপায়ন্তৰ হৈ, শেহান্তৰত মায়াযুদ্ধ কৰি কুমাৰক নাগপাশেৰে বান্ধি থৈছে। কুমাৰ এতিয়া কন্যাপুৰত বাণৰজাৰ ৰখুৱাৰ হাতত বন্দী। কুমাৰক বধ কৰিবলৈ বাণ ৰজা উদ্যত হৈছিল, পিচে তেঁওৰ পৰম ধাৰ্ম্মিক মন্ত্ৰী কুম্ভাণ্ডৰ উপদেশ মানি সেই অপকৰ্ম্মৰপৰা তেওঁ সম্প্ৰতিকলৈ ক্ষান্ত হৈছে। কুমাৰ অদ্যাপি জীৱিত। কিন্তু, তেওঁক অনতিপলমে বন্ধনমুক্ত কৰা বাঞ্ছনীয়। সেই সুকঠিন কাৰ্য্য আপোনাৰ বিহনে সিদ্ধ হোৱাৰ সম্ভৱনা নাই। এতেকে, হে গৰুড়ধ্বজ! আপুনি স্বীয় গৰুড়বাহিনী (১) লৈ এই দণ্ডতে ৰণযাত্ৰা কৰোক। নতু, পলমে বিঘ্ন ঘটিবৰ আশঙ্কা। হে কেশৱ! বহু যাত্ৰীৰ প্ৰয়োজন নাই; কন্যাপুৰত গোবিন্দৰ পক্ষীয় ৰখুৱাৰ অভাৱ নহব। আপুনি অগোণে আৰু সদলে কন্যাপুৰলৈ শুভযাত্ৰা কৰক।" দেৱৰ্ষি নাৰদৰ সময়োপযোগী উপদেশ অনুসৰি, যাদৱ বাহিনীৰ বছা-বছা যাত্ৰীৰ

---

(১) সুদূৰ-দূৰৈলৈ যাব লগীয়া হলে, শ্ৰীকৃষ্ণই গৰুড় পক্ষীৰ পিঠিত চৰি আকাশী পথেদি যাত্ৰা কৰে। আৰু, তাতকৈ কোনো আসন্ন আপদত দূৰ-বিদেশলৈ ৰণযাত্ৰা কৰিব লগীয়া হলেও, গৰুড়ে বৈ নিয়া ৰথত চৰি, নাইবা সমূহ গৰুড় বাহনত নিজৰ বাছকবনীয়া ৰণুৱাদল তুলি লৈ তেওঁ ৰণযাত্ৰা কৰিছিল। সেই আপাহতে শ্ৰীকৃষ্ণক গৰুড়ধ্বজ বোলা হয়।

মাজৰপৰা বাছকবনীয়া এদল ৰণৰল মনোনীত কৰি লৈ যথাসময়ত হলায়ুধ, সাত্যকি, সুপর্ণ, প্রদ্যুম্ন প্রমুখ্যে যাদৱ যোদ্ধা লগত লৈ, আৰু নাৰদ মুনিকো লগতে লৈ, অগ্ৰজ বামে সৈতে গৰুড় বাহনত চৰি, মহাবীৰ্য্য শ্ৰীহৰি যদুসিংহ শ্ৰীকৃষ্ণদেৱে দক্ষিণ কৰত অসি-চক্র-গদা-বাণ আৰু বাম কৰত চৰ্ম্ম-শাৰ্ঙ্গ-বজ্র-শঙ্খ ধাৰণ কৰি (১), আকাশমাৰ্গেদি বায়ুবেগে কন্যাপুৰ উদ্দেশে যাত্রা কৰিলে।

---

(১) "হৰিবংশ," ১৭৮ অধ্যা। এই আপাহতে ভগবান শ্ৰীকৃষ্ণ অষ্টবাহু নামেও অভিহিত। অৰ্থাৎ, বাহুৰেৰ উল্লিখিত অষ্ট-অস্ত্ৰধাৰী।

# ৪। অধ্যায়।

## অগ্নিগড় লঙ্ঘন।

গৰুড়বাহিনী যাদৱ যাত্ৰীদলক পিচত লৈ, সুপৰ্ণক আগ কৰি, বাওঁৱে প্ৰদ্যুম্ন কোঁৱৰ আৰু সোঁৱে অগ্ৰজ হলধৰেৰে শাৰী পাতি যাদৱনেতা গৰুড়ধ্বজ কন্যাপুৰৰ অভিমুখে ক্ৰমাৎ অগ্ৰসৰ হব লাগিছে, এনেতে হলধৰে সম্মুখত দৃশ্য-পৰিবৰ্ত্তন দেখি, তত্বজ্ঞ অনুজ শ্ৰীকৃষ্ণক এই বুলি আচৰিত হৈ সুধিবলৈ ধৰিলে, "হে কৃষ্ণ! ই কি আচৰিত! আমি সকলোটি অকস্মাৎ প্ৰভাহীন হৈ পৰিছোঁ কিয়? আৰু, আমি আটাই-বিলাকে সোণালী বৰণ ধৰিছোহঁক কিয়? আন কি, তোমাৰ নীলিমা কৃষ্ণকান্তিয়েও হেঙ্গুলীয়া আকাশী বৰণ ধৰিছে! আমি সুমেৰুৰ কাষ চাপিছোঁহি নে কি?" ভগৱান শ্ৰীকৃষ্ণই এটি মিচিকিয়া হাঁহি মাৰি এই বুলি সমিচাৰ দিলে, "হে মহাবাহো! তেনেহলে জানিব, আমি কন্যাপুৰৰ নিচেই কাষ চাপিছোঁহিহঁক। মাজকামৰূপৰ অধিপতি বাণ ৰজাৰ ৰাজ্যৰ কন্যাপুৰত উষা-নগৰ পৰিৰক্ষণাৰ্থে তাৰ দক্ষিণ সীমাত যি অদ্ভুত অগ্নিগড় (১) প্ৰজ্বলিত হৈ আছে, সম্ভৱতঃ সেই গড়ৰ ওপৰৰ অগ্নিশিখাৰ জ্যোতিয়ে আমাক পাইছেহি। সেই হেতুকে আমাৰ

(১) অন্ত্যলীলা খণ্ডৰ প্ৰথম আধ্যাৰ প্ৰথম পৃষ্ঠাত দিয়া "অগ্নিগড়" বিষয়ক টীকাত এই বিষয় বিস্তাৰিতকৈ বিবৃত হৈছে।

এই বৰ্ণবিভ্ৰাট ঘটিছে (১)।” এই কথাত বিস্ময় মানি পোনপটি বলৰামে অনুজ শ্ৰীকৃষ্ণক পুনৰপি সশঙ্কিত চিত্তেৰে প্ৰশ্ন কৰিলে, “হে কৃষ্ণ! আমি অগ্নিগড়ৰ কাষ চাপোঁতেই যদি এই দৰে ক্ৰমাৎ নিষ্প্ৰভ হৈ পৰিছোঁ, তেন্তে সেইহেন অগ্নিগড় কি সাধ্যে লঙ্ঘন কৰিমহঁক?” তদুত্তৰত ভয়হাৰী শ্ৰীকৃষ্ণদেৱে এটি অভয়সূচক মৃদু হাঁহি মাৰি অগ্ৰজক এই বুলি প্ৰবোধ দিলে, “হে ভোলানাথ! তাৰ উপায় অৱশ্যে হব, আপুনি নিৰুদ্বেগে চাই থাওক।” এইবুলি যাদৱনেতা বাসুদেৱে শঙ্খবাদনেৰে সাঙ্কেতিক আদেশ জ্ঞাপন কৰা মাত্ৰে গৰুড়বাহিনী অগ্নিগড়ৰ দক্ষিণে যোজনান্তৰত ব্ৰহ্মপুত্ৰৰ পাৰত নামিলগৈ; তাতে প্ৰত্যেক বাহনত (২) পাৰ্য্যমানে পানী তুলি লোৱা হল। তাৰ পাচত, শঙ্খধাৰী শ্ৰীকৃষ্ণদেৱৰ দ্বিতীয় সাঙ্কেতিক দিহামতে, গৰুড়বাহিনীয়ে অগ্নিতাপ চেৰাই বহুউৰ্দ্ধলৈ উধাই গৈ, ধাৰাষাৰে সেই সঞ্চিত পানী জ্বলন্ত অগ্নিগড়ৰ ওপৰত বৰষিবলৈ ধৰাত, সেই অগ্নিশিখা ক্ৰমাৎ টুটিবলৈ ধৰিলে, আৰু সেই ছেগতে যাদৱবাহিনীৰে সৈতে শ্ৰীকৃষ্ণদেৱে অগ্নিগড় লঙ্ঘন কৰি উষা-নগৰত প্ৰৱেশ কৰিলেগৈ। তেতিয়া আঙ্গুলি-নিৰ্দ্দেশেৰে নাৰদ মুনিয়ে শ্ৰীকৃষ্ণত এই বুলি নিবেদন কৰিলে (৩) “হে গোবিন্দ! সৌৱা কন্যাপুৰ। হে হৰি! তাতে কুমাৰ অনিৰুদ্ধ আৱদ্ধ হৈ আছে (৪)। হে মহাভুজ

---

(১) “হৰিবংশ” ১৭৯ আধ্যা।

(২) একৈক গৰুড় একৈক বাহন। কোৱা বাহুল্য মাথোন যে, আধুনিক ধাৰণানুযায়ী গৰুড় পখী কেৱল এটিয়েই নহয়, সেই জাতীয় অনেক বলবান পখী একাত সেই কালত বিদ্যমান আছিল।

(৩) “হৰিবংশ”, ১৭৯ আধ্যা।

(৪) মহাত্মা কুম্ভাণ্ড মন্ত্ৰীৰ উপদেশ আৰু অনুৰোধ অনুসৰি বাণ-ৰজাই অনিৰুদ্ধ কুমাৰক প্ৰাণে নবধি উষা-নগৰতে সুদৃঢ় বৰ্ত্তীয়া এদল দি বন্দী কৰি ৰাখিছিল।

মাধৱ! আপোনাৰ মঙ্গলাৰ্থে আৰু শিৱভক্ত মহাসুৰ বাণ নৰপতিৰ ৰক্ষাৰ্থে মহাবল কাৰ্ত্তিকেয় সমন্বিতে হৰ-গৌৰীৰ প্ৰতিনিধি স্বৰূপে এক অজেয় মহাভৈৰৱ আৰু মহাভৈৰৱী দলে সৌ প্ৰকাণ্ড মন্দিৰত (১) অৱস্থিতি কৰিছে।"

কন্যাপুৰত যাদৱবাহিনীয়ে খোপনিপিটি লোৱা মাত্ৰকে জলধৰ যেন কেশৰে শশধৰ সদৃশ, শঙ্খবাদনেৰে ৰণ ঘোষণা কৰি দিলে। সেই ঘোষণাৰ সঙ্কেত শুনা মাত্ৰে সুসজ্জিত হৈ অদ্ভুতকৰ্ম্মা বাণ-ৰজাৰ অসংখ্য অপ্ৰমেয় অক্ষয় কিঙ্কৰ সৈন্যগণে ভীষণ হুঙ্কাৰ ছাৰি যাদৱবাহিনীক চৌপাশৰপৰা বেৰি ধৰিলেহি। সেই অগণন অসুৰ সৈন্যগণে শূল, মুষল, অসি, গদা, পৰিঘ ইত্যাদি অস্ত্ৰেৰে সশস্ত্ৰ হৈ যাদৱবাহিনীৰ ওপৰত ভীষণ আক্ৰমণ বহুৱালেহি। মহাবাহু সঙ্কৰ্ষণে (২) সেই ৰাত্ৰমুখীয়া অসুৰবলৰ আক্ৰমণ ওফৰাবলৈ অগ্ৰসৰ হৈ অনুজ কৃষ্ণৰ সম্মতি আহ্বান কৰিলে। অগ্ৰজ ৰামৰ প্ৰস্তাৱ অনুমোদন কৰি, ৰণপণ্ডিত ধীমান্ মাধৱে এই বুলি সু-দিহা দিলে, "হে অগ্ৰজ! হে হলধৰ! আমাৰো সেয়ে

---

(১) তেজপুৰৰ বৰ্ত্তমান "মহাভৈৰৱ মন্দিৰ" লক্ষিত হৈছে। এই মন্দিৰ বাণ-ৰজাৰ দ্বাৰাই প্ৰতিষ্ঠিত হৈ অদ্যাপি বিদ্যমান। এই মন্দিৰত সেই কালত শৈৱশক্তিসম্পন্ন এজন মহাযোগী পুৰুষে অৱস্থান কৰিছিল। তেওঁ তপস্যাৰ বলত সাক্ষাৎ স্বয়ং মহাভৈৰৱ হৰসদৃশ। এই মন্দিৰৰপৰা এক ক্ৰোশ পূবত তেজপুৰৰ বৰ্ত্তমান "মহাভৈৰৱী দেৱালয়"; ইয়ো উষাদেবীৰ পূজা-অৰ্চ্চনাৰ অৰ্থে তেওঁৰ পিতৃ বাণ-ৰজাৰ দ্বাৰাই প্ৰতিষ্ঠিত। এই মন্দিৰত মহাভৈৰৱৰ সহধৰ্ম্মিনী ৰুদ্ৰাণীসদৃশ এগৰাকী মহাভৈৰৱী নামক যোগিনী আৰু ভালেমান সহচৰী ভৈৰৱীয়ে বাস কৰিছিল। সময়ে-সময়ে ভৈৰৱীসৱ সমন্বিতে সৈ মহাভৈৰৱীয়ে নৃত্য-ক্ৰীড়া আদিত মহাভৈৰৱৰ লগত যোগ দিয়াৰ ৰীতি প্ৰচলিত আছিল।

(২) ৰোহিণীনন্দন বলৰাম।

অভিলাষ। কিন্তু, অসুৰ সৈন্যৰ সংখ্যা চাই, আমি গুটীয়াকৈ ৰণ দিয়াটো কদাপি বাঞ্ছনীয় নহয়। আমাৰ তাকৰীয়া সৈন্যকে প্ৰত্যেকজন লেতাই ভগাই লৈ সুকীয়া-সুকীয়াকৈ ৰণ দিবলৈ গলে, অসুৰবল ক্ষয় হোৱাৰ আগেয়ে আমাৰ ৰণবল অন্ত পৰাৰ হে আশঙ্কা। এতেকে, আমি সবাৰে একেবাৰে একে চোচাতে শত্ৰুক বিনাশ কৰিবলৈ আগ বঢ়াটোহে বাঞ্ছনীয়। সেই উদ্দেশ্যে মই প্ৰাঙ্মুখ হৈ যুদ্ধ দিওঁ। সুপৰ্ণ মোৰ আগে আগে আগবঢ়ুৱা হওক। আপুনি মোৰ সোঁপাশে আৰু প্ৰদ্যুম্ন কোঁৱৰ বাওঁপাশে হৈ আমি চাৰিও সমবায়ীকৈ ৰণত অগ্ৰসৰ হওঁহঁক।" সেই সুদিহা অনুসৰি, অসুৰৰ অসংখ্য সৈন্যৰ লগত যাদৱবাহিনীৰ ৰণ আৰম্ভ হল। যুদ্ধমাৰ্গবিশাৰদ মহাবাহু বলদেৱে নাঙ্গলৰ আগেৰে আঁকুহি আনি শত্ৰুসেনাক মুষলেৰে দগৰিবলৈ ধৰিলে। বাৰবেন বীৰ্য্যৱন্ত বীৰ মহাবল প্ৰদ্যুম্ন কোঁৱৰে শৰজালেৰে যুধ্যমান দানৱগণক আগুৱাব নোৱাৰাকৈ আগভেটা দি ধৰিলে; সৰ্ব্বাস্ত্ৰবিশাৰদ স্থিৰ যোদ্ধা শঙ্খ-চক্ৰ-গদা-পদ্মধৰ শ্ৰীকৃষ্ণদেৱে বিবিধ অদ্ভুত কৌশলেৰে বিচক্ষণীয়া ৰণ দিবলৈ ধৰিলে। ফলত, দানৱ সৈন্যসমূহে সৰহ পৰ ঠাৱৰিব নোৱাৰি ৰণভঙ্গ দি ছিটিকি পলাবলৈ ধৰিলে। (১)

অৱ সেনাপতিৰ অভাবনীয় আচৰণত বাণ নৰপতি স্তম্ভিত হল। তেওঁ ক্ষন্তেক কৰ্ত্তব্যবিমোৰ হৈ ৰৈ, পিচ-মুহূৰ্ত্তত ভীমগৰ্জ্জনেৰে গৰ্জ্জি উঠি ঘনে ঘনে হুঙ্কাৰ ছাৰি আৰু ভীষণ আস্ফালনেৰে ৰণভূমি কম্পমান কৰিলে। বীৰমদত উন্মত্ত হৈ মহাসুৰ বাণ নৰপতিয়ে স্বীয় মন্ত্ৰী-সেনাপতি মহাজ্ঞানী মহাত্মা কুম্ভাণ্ডৰ আগত এই বুলি বাৰম্বাৰ অভিমান

(১) এয়ে "হৰি-হৰ যুদ্ধ" আখ্যানৰ আঁতি-গুৰি। ইয়াৰ পৰিণামেই "কুমাৰ-উদ্ধাৰ"।—"হৰিবংশ", ১৮০ আধ্যা।

কৰিবলৈ ধৰিলে,—"আহিছে যদি, আহোক শ্ৰীহৰি পৃথিবীলৈ নামি, নডৰাওঁ মই। দৈৱকীনন্দন বসুদেৱসুত গোপালকৃষ্ণ যদি আজি হৰি হব পাৰে, তেন্তে পাৰ্ব্বতীনন্দন ভৈৰৱতনয় বলিসুত বাণ স্বয়ং হৰ হৈ তেওঁৰে সৈতে ৰণ কৰাটো নিচেই স্বাভাবিক বুলি জানিবা। (১)।"

বাণ নৰপতিক অতিশয় ৰোষান্ধচিত্ত হোৱা দেখি মহা ধৈৰ্য্যশীল মহাজ্ঞানী কুম্ভাণ্ড মন্ত্ৰীয়ে তেওঁক এই বুলি শান্ত কৰিবলৈ প্ৰয়াস পালে, —"হে মহাবাহো! হে মহাসুৰ দৈত্যৰাজ! আপোনাৰ অপৰাজিত দৈৱশক্তিৰ বিষয়ে মই অনভিজ্ঞ নহওঁ। মই জানোঁ, আপোনাৰ ঘোৰ তপস্যাত তুষ্ট হৈ আশুতোষ মহাভৈৰৱে আপোনাক মহাভৈৰৱী পাৰ্ব্বতী দেৱীৰ পুত্ৰত্ব বৰ দান কৰি থৈছে। মই ইয়াকো জানোঁ যে, সেই বৰৰ প্ৰভাৱত আপুনি আংশিক হৰশক্তি লাভ কৰিছে। মই আৰু জানোঁ যে, সেই হৰশক্তি ৰক্ষাৰ্থে আপুনি সহস্ৰ অস্ত্ৰবিশাৰদ হৈ সহস্ৰভূজ নাম পাইছে। সেই হেতুকেই আপোনাক জিনোতা নাই, যেয়ে-সেয়ে আপোনাৰে সৈতে ফেৰ পাতিবলৈ সাহ নকৰে। তেনেস্থলতো যে সুদূৰ দূৰদেশ দ্বাৰকাৰপৰা 'কানাই-বলাই' ৰাম-কৃষ্ণই বলাই-কানাই ৰূপে আহি অলঙ্ঘনীয় অগ্নিগড় লঙ্ঘন কৰি বলেৰে আপোনাৰ নগৰত প্ৰৱেশ কৰি আপোনাৰে সৈতে ফেৰ পাতিছেহি, তাৰপৰাই বুজিব লাগে যে, আপোনাৰ উপস্থিত বৈৰী সামান্য নৰ নহয়। মোৰ মনতো এনে ধাৰণা হে হৈছে, যেন কাৰ্ত্তিকেয় সমন্বিতে হৰ-পাৰ্ব্বতীয়ে অৱস্থান কৰা এই মহাভৈৰৱ থানত ৰুদ্ৰৰ সংহাৰৰপৰা উষা-অন্তঃপুৰ ৰক্ষাৰ্থে সৃষ্টিপাল ভগৱন্ত শ্ৰীহৰি স্বয়ং অৱতীৰ্ণ হৈছেহি! অৱশ্যে, আমাৰ এনে ধাৰণা প্ৰকৃত নহবও পাৰে; তথাপি এই মহাৰণৰ এটা নিগূঢ়

(১) "হৰিবংশ", ১৮১ অধ্যা।

কাৰণ নিশ্চয় আছে। গতিকে, মোৰ সামান্য বিবেচনাৰে কওঁ যে, এই ৰণত ইমানতে ক্ষান্ত হোৱা হে যুগুত; অনৰ্থক নৰ-শোণিতেৰে এই পবিত্ৰ ক্ষেত্ৰ প্লাবিত কৰাৰ সকাম নাই। ইমানতো যদি আপুনি ক্ষান্ত নহয়, তেন্তে এই ৰণ "হৰি-হৰ যুদ্ধ" যেন হে হৰগৈ। ইয়াৰ শেষফল সংপ্ৰীতি সন্ধি সংস্থাপনত বাজে আন একো হব নোৱাৰে। এতেকে, ইমানতে বিনাৰক্তপাতে সেই শেষফল লাভ কৰাটো হে শ্ৰেয়ঃ।"

মহাত্মা কুম্ভাণ্ড মন্ত্ৰীৰ জ্ঞানগৰ্ভ উপদেশে ৰোষান্ধ বাণ মহাসুৰৰ প্ৰজ্বলিত ৰোষাগ্নি চতুৰ্গুণে উদ্দীপ্ত কৰিলে। তেওঁ ৰোষপৰবশ হৈ মহাজ্ঞানী সুদূৰদৰ্শী মন্ত্ৰীবৰক এই বুলি ককৰ্থনা কৰিবলৈ ধৰিলে, "মন্ত্ৰি! তুমি প্ৰাণৰ মমতাত এনেকৈ ভয়াতুৰৰ মন্তব্য প্ৰকাশ কৰিছাঁ কিয়? ধিক্ তোমাৰ মন্ত্ৰিত্ব! ধিক্ তোমাৰ মনুষ্যত্ব! তুমি তোমাৰ প্ৰাণ লৈ কাপুৰুষৰ জীৱন যাপন কৰাঁগৈ, তাত মোৰ খেদ নাই; কিন্তু মোক তোমাৰ দৰে ভয়াতুৰ যেন নাভাবিবাঁ, মোক উপস্থিত ৰণত ক্ষান্ত হবলৈ পৰামৰ্শ নিদিবাঁ। মই স্বীয় পিতৃ (১) সৃষ্টিহাৰী হৰ-ৰূপ ধাৰণ কৰি, স্বয়ং ৰণক্ষেত্ৰত অৱতীৰ্ণ হৈ, সামান্য কৃষ্ণকায় হৰিৰূপী শত্ৰুক বিনাশ কৰিমগৈ।" অযাচিতে এনে গ্লানি মহাত্মা কুম্ভাণ্ডৰ পক্ষে অতি অসহনীয় হল; তেওঁ ততালিকে স্বীয় অধীনস্থ সৈন্যবল সংগ্ৰহ কৰি লৈ ৰণক্ষেত্ৰত স্ব-ইচ্ছাৰ বিৰুদ্ধে হৰি-কৃষ্ণৰ প্ৰতিদ্বন্দী হৈ ফেৰ পাতিলেগৈ। কিন্তু, নিচেই অলপ পৰ মাথোন ৰণ দিওঁতেই কৃষ্ণচক্ৰাগ্নিৰ কোবত ঠাৱৰিব নোৱাৰি ভয়বিহ্বল হৈ তেওঁৰ প্ৰমথ

(১) বাণ নৰপতিয়ে তপস্যাৰ বলত হৰ-পাৰ্ব্বতীৰ পুত্ৰত্ব লাভ কৰাৰ বিষয়ে ওপৰত উল্লেখিয়াই অহা হৈছে।

সৈন্যগণ (১) ছিটিকি পলাবলৈ ধৰিলে। ধৰ্ম্মপ্ৰাণ কুম্ভাণ্ড মন্ত্ৰী ভক্তিবিহ্বল হৈ নিৰস্ত্ৰ অৱস্থাত অগত্যা শৰণাপন্ন হবলৈ অগ্ৰসৰ হৈছে, এনেতে ধৰ্ম্মযোদ্ধা ভকতবৎসল শ্ৰীকৃষ্ণদেৱে তেওঁক ক্ষমা কৰি মুক্তি দিলে। তাৰ পাচত, মহাবীৰ্য্যৱন্ত হৰৰূপী বাণাসুৰ ক্ৰোধত অধীৰ হৈ, স্বয়ং হৰিকৃষ্ণৰ লগত ৰণ দিবলৈ উন্মত্তচিত্তেৰে আগ বাঢ়িল। ভৈৰৱীতনয় (২) বলিনন্দন বাণাসুৰে প্ৰলয় কালৰ ৰুদ্ৰৰূপ ধাৰণ কৰি মহাবেগে গৈ কৃষ্ণহৰিক বিষম বিক্ৰমেৰে আক্ৰমণ কৰিলে-গৈ। হৰৰূপী বাণাসুৰৰ ভীষণ ৰণসাজ আৰু সৃষ্টিহাৰীৰ অস্ত্ৰ-শস্ত্ৰ দেখি হৰিৰূপী শ্ৰীকৃষ্ণ পৰম পুলকিত হল। মুহূৰ্ত্তৰ মধ্যতে দুয়ো পক্ষৰ মাজত তয়ময়া ৰণ লাগি উঠিল। সাক্ষাৎ যেন প্ৰলয় কালত সৃষ্টিসংৰক্ষণ আৰু সৃষ্টিসংহৰণৰ অৰিয়া-অৰিত দুই বিৰোধী ঐশশক্তিয়ে "হৰি-হৰ"ৰূপে ৰণত অৱতীৰ্ণ হলহি, এনে ধাৰণা চৌদিশে বিয়াপি পৰিল (৩)।

অগ্নিগড় ৰক্ষক অসুৰ সৈন্যগণ ৰণত পৰাস্ত হোৱা সংবাদ পাই মহাভৈৰব আৰু মহাভৈৰবী মহাপীঠ (৪) ৰক্ষক দানৱ সৈন্যদলৰ অধ্যক্ষ 'জ্বৰ' নামে দানৱ সেনাপতি খঙত গৰ্জ্জি উঠিল। তেওঁ অনতিপলমে নিজৰ নিৰ্দ্ধাৰিত ৰণসাজ পৰিধান কৰি ত্ৰিপাদ ত্ৰিশিৰা

(১) "হৰিবংশ", ১৮১ আধ্যা।

(২) পাৰ্ব্বতীৰ পুত্ৰত্ব লাভ কৰাৰ হেতুকে শিৱভক্ত বাণ নৰপতিক ভৈৰৱীতনয় বোলা হৈছে।

(৩) "হৰিবংশ", ১৮০ আধ্যা।

(৪) তেজপুৰত বিদ্যমান মহাভৈৰব মন্দিৰ আৰু মহাভৈৰবী দেৱালয়েই সেই মহাপীঠ।

ষড়্ভুজ নবলোচন কালান্তক যমমূৰ্ত্তিমান হৈ 'ভস্ম' নামক মহাস্ত্ৰ ধাৰণ কৰি, অধীনস্থ সৈন্যবল লগত লৈ নবাগত অপৰিচিত আক্ৰমণ-কাৰী যাদৱ শত্ৰুৰ বিৰুদ্ধে অগ্ৰসৰ হল। ৰোহিনীনন্দন হলধৰে তেওঁক আদবাটতে আগভেটি ধৰিলেগৈ; দুই বীৰৰ মাজত এখন তন্নামন্না ৰণ লাগিল। বহুপৰ যুদ্ধ চলিব লাগিছে, কিন্তু কেৱে কাকো হটাব পৰা নাই। শেহান্তৰত, দানৱ বীৰ জ্বৰে তেওঁৰ 'ভস্ম' মহাস্ত্ৰ নিক্ষেপ কৰিলে। সেই অব্যৰ্থ কালান্তক অস্ত্ৰ গৈ হলধৰৰ বক্ষত নিক্ষিপ্ত হল। ভস্মাস্ত্ৰৰ দ্বাৰাই আহত হৈ তাৰ বেদনাত মহাসহিষ্ণু মহাবীৰ বলৰামৰ শৰীৰ জৰ্জ্জৰিত হৈ পৰিল। তেওঁ স্থিৰেৰে ৰব নোৱাৰি উভলি পৰা দামকলৰ পুলিৰ দৰে লুটিথাই পৰিল (১)। হলধৰৰ সেই পতনত ৰণস্থল কঁপিবলৈ ধৰিলে। ভস্মাস্ত্ৰ কৃষ্ণাগ্ৰজৰ বক্ষঃস্থলত প্ৰৱিষ্ট হোৱাত তেওঁৰ সমস্ত শৰীৰ অন্তৰে-অভ্যন্তৰে প্ৰজ্বলিত হল। তাৰ জ্বালত ওষ্ঠাগতপ্ৰাণ হৈ তেওঁ ঘনউশাহ সলাবলৈ ধৰিলে। এনে আসন্ন সময়ত সৰ্ব্বতাপনাশক কৃষ্ণদেৱে কাষ চাপি গৈ উত্তপ্ত অগ্ৰজক এটি স্নিগ্ধ আলিঙ্গন দি, অদ্ভুত বলেৰে তেওঁৰ বক্ষৰপৰা সেই ভস্মাস্ত্ৰ বাজ কৰি, নিক্ষেপকাৰী দৈত্যবীৰ জ্বৰৰ গালৈ ওলটাই মাৰি পঠিয়ালে। আত্ম-অস্ত্ৰৰ আঘাতত দৈত্যবীৰ জৰ্জ্জৰিত হৈ পৰিল। তাৰ পাচত, ভগবান শ্ৰীকৃষ্ণই অতি ধীৰ আৰু স্থিৰ ভাৱে হাঁহি হাঁহি এই বুলি দৈত্যসেনাপতি জ্বৰক যুঁজলৈ আহ্বান কৰিলে, "আহাঁ, দৈত্যবীৰ, চাপি আহাঁ, তোমাৰ গুণ-গৰিমা মই নিজ হাতে জুখি চাওঁ।" সেই আহ্বানৰ আৱক্তণ শেষ হওঁতে-নহওঁতেই চকুৰ পচাৰতে উগ্ৰাৱল হৈ আগ বাঢ়ি গৈ দানৱবীৰ জ্বৰে যাদৱ মহাবাহু বাসুদেৱক গৰাহ মাৰি

(১) "হৰিবংশ", ১৮০ অধ্যা।

ধৰিলেগৈ। কিন্তু, অমিততেজস্বী অদ্ভুতবল দৈৱকীনন্দন শ্ৰীকৃষ্ণদেৱে, গাত পৰা পোক-পৰুৱা এটা মোহাৰি পেলোৱাৰ দৰে, জ্বৰ বীৰক আছাৰি দলিয়াই পেলোৱাৰ পাচত, দুইৰো মাজত আকৌ এখন তুমুল সংগ্ৰাম লাগি উঠিল। বহুপৰ এই ভয়ামন্না ৰণ চলিবলৈ ধৰিলে। অৱশেষত জ্বৰ অৱসন্ন হৈ পৰিল। সদোশেহত ভীমপৰাক্ৰমী দানৱ সেনাপতি জ্বৰ ঠাৰৰিবগৈ নোৱাৰি ৰণত পিঠি দেখুৱাই বিশ্বাশঙ্কে বাণপুৰৰ অভিমুখে সবেগে প্ৰস্থান কৰিলে। পীঠৰক্ষক দানৱ সেনাদলে অপৰিচিত যাদৱ সেনাপতিৰ অদ্ভুত বল-বিক্ৰমৰ পৰিচয় পাই বিস্ময় মানি ছত্ৰভঙ্গ হৈ আতুৰভাৱে কিৰিলিয়াই দিহাদিহি পলাবলৈ ধৰিলে। পুৰুষসিংহ মহাতেজস্বী যদুনাথ শ্ৰীকৃষ্ণৰ অদ্ভুত ৰণকৌশল দেখি স্তম্ভিত হৈ, তেওঁক শৰীৰধাৰী সৃষ্টিপালক স্বয়ং শ্ৰীহৰি বুলি মানি অৱশিষ্ট দানৱ সৈন্যবৰ্গ কেশৱৰ শৰণাগত হলহি (১)।

---

(১) "হৰিবংশ" ১৮০ আধ্যা।

# ৫। আধ্যা।

—॰॰॰—

## হৰি-হৰ যুদ্ধ।

অৰ সেনাপতিয়ে সসৈন্যে ৰণভঙ্গ দি পলাবৰ উপক্ৰম কৰা দেখি, মহাসুৰ বাণ নৰপতিয়ে সবেগে আগ বাঢ়ি আহি সিবিলাকক আগভেটি ধৰিলেহি। সেনাপতিৰ মুখে শ্ৰীকৃষ্ণৰ অদ্ভুত বল-বীৰ্য্য আৰু ৰণ-কৌশলৰ বৰ্ণনা শুনি দানৱৰাজ বাণ স্তম্ভিত হল। সেই বৰ্ণনাৰ সামৰণিত অৰ সেনাপতিয়ে উদ্বেলিত ভাৱে এই বুলি বাসুদেৱ সম্পৰ্কে মন্তব্য ব্যক্ত কৰিলে,—"হে ভৈৰৱতনয় (১)! হে বলিনন্দন! হে সহস্ৰভুজ (২)! যাৰ লগত ৰণ দি পৰাস্ত হৈ পলায়ন কৰিছোঁ, তেওঁ মানুহ বুলি মোৰ মনে নধৰে, তেওঁ ঈশ্বৰাৱতাৰ বুলিহে মোৰ জ্ঞান হৈছে। সৃষ্টি ৰক্ষাৰ অৰ্থে ৰুদ্ৰৰ সংহাৰ কাৰ্য্য নিবাৰিবলৈ ৰণক্ষেত্ৰত স্বয়ং শ্ৰীবিষ্ণু অৱতীৰ্ণ হোৱা যেন হে মোৰ ধাৰণা হৈছে। এই ৰণত সমুখ হবলৈ আন কাৰো সাধ্য নাই; দেৱাদিদেৱ মহাদেৱ স্বয়ং হৰ

---

(১) তপস্যাৰ বলত বাণাসুৰে দেবী পাৰ্ব্বতী মহাভৈৰৱীৰ পুত্ৰত্ব লাভ কৰিছিল বুলি আখ্যা ইতঃপূৰ্ব্বতে লিপিবদ্ধ হৈ আছে। মহাভৈৰৱ আশুতোষ হৰ সদাশিৱেই বাণৰজাক কাৰ্ত্তিকেয়ৰ অনুজ তৃতীয় পুত্ৰ ৰূপে গ্ৰহণ কৰে।—"হৰিবংশ" ১৭৩ আধ্যা।

(২) "হৰিবংশ" আৰু পুৰাণাদিত বাণৰজা স্বৰূপতে সহস্ৰভুজ আছিল বুলিয়েই বৰ্ণিত হৈছে। কিন্তু, প্ৰকৃততে মহাবীৰ্য্যবান বাণ নৰপতিয়ে ৰণ-বিগ্ৰহাদিত সহস্ৰ বিধ ৰণাস্ত্ৰ ব্যৱহাৰ কৰাৰ আপাহত হে ৰূপান্তৰত তেওঁক সহস্ৰভুজ বোলা হয়।

মহেশ্বৰেও উপস্থিত ৰণত অপৰ পক্ষ সাক্ষাৎ শ্ৰীহৰি জগদীশ্বৰৰ আগত কিমান পৰলৈ ঠাৰৰিব পাৰিব কব নোৱাৰিছোঁ!" এই বুলি সিমানবেপৰা আকৌ পিঠি-দিয়া ৰণস্থললৈ উন্মাদৰ দৰে উৰাৱত হৈ উলটি আহি জ্বৰ সেনাপতিয়ে শ্ৰীকৃষ্ণচৰণত সকাতৰে শৰণ মাগিলেহি। ভকতবৎসল ভগৱান বাসুদেৱে সেই শৰণাগতক আশ্ৰয়-পদছাঁয়া দি গাঢ় আলিঙ্গনেৰে সাবটি ধৰিলে।

"হৰিহৰ-যুদ্ধত" পৃথিবী টল্‌বলাবলৈ ধৰা যেন হল। সৃষ্টি ৰসাতললৈ যায়-যায় যেন লাগিল (১)। এনে আসন্ন কালত উপায়ন্তৰ হৈ বসুমতীয়ে সৃষ্টি ৰক্ষাৰ্থে সৃষ্টিকৰ্ত্তাৰ ওচৰত স্তুতি কৰা যেন বোধ হল (২)। তাৰ ফলস্বৰূপ, সৃষ্টি ৰক্ষাৰ্থে সৃষ্টিপালক কৃষ্ণৰূপী বিষ্ণু আৰু সৃষ্টিসংহাৰক বাণৰূপী হৰ বা ৰুদ্ৰৰ মাজত সৃষ্টিকৰ্ত্তাসুত (৩) দেৱৰ্ষি নাৰদ মুনিয়ে নৰবেশী হৰি-হৰৰ (৪) আগত এই বুলি ঐশশক্তিৰ বিৰোধবাদী কন্দল মাৰ নিয়াই সন্ধি সংস্থাপনৰ প্ৰয়াস পালে,—"হে নৰদেহী দেৱপ্ৰতিদ্বন্দ্বীদ্বয়! আপোনাসকল প্ৰকৃতিস্থ হওক। মোৰ জৰীয়তে প্ৰেৰিত দৈববাণী শ্ৰৱণ কৰোক্। আজি এই ৰণক্ষেত্ৰ কন্যাপুৰত হৰ আৰু হৰি প্ৰতিদ্বন্দ্বী হৈ ৰণোন্মত্ত হোৱাত সৃষ্টিৰ একাংশত প্ৰলয় উপস্থিতৰ আগন্তুক দেখা গৈছে। বিষ্ণুৰ অৱতাৰ শ্ৰীকৃষ্ণ আৰু ৰুদ্ৰৰ তনয় বাণাসুৰ এনেহেন নৰোত্তমৰ মাজত 'হৰি-হৰ-ৰণ' সদৃশ ভীষণ ৰণ উপস্থিত। তাৰ ফলত আজি মহাভৈৰৱৰ এই পৰম

(১) "হৰিবংশ", ১৮০—৮১ আধ্যা।

(২) এই অনুভবেই 'বাণ-কৃষ্ণ' ৰণক 'হৰিহৰ-যুদ্ধ"ৰ আখ্যা দিছে।

(৩) নাৰদ মুনি সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ নাতি ৰূপে অভিহিত। সেই আপাহতে তেওঁক দেৱৰ্ষি বোলা যায়।

(৪) বাণ-কৃষ্ণক লক্ষ্য কৰা হৈছে।

ৰমণীয় ক্ৰীড়াক্ষেত্ৰ শোণিতপুৰ হৈ ৰসাতললৈ যায়-যায় যেন হৈছে। বিশেষকৈ, সৃষ্টিপালকৰ হাতত সৃষ্টিনাশৰ উপক্ৰম ঘটিছে! গতিকে, পিতামহ ব্ৰহ্মাৰ অনুজ্ঞানুসৰি মই এই মহাৰণৰ নিবৃত্তিৰ অৰ্থে অযাচিতে মধ্যস্থ উপস্থিত হৈছোঁহি। এতেকে, মোৰ এই সভক্তি অনুৰোধ, আপোনাসকলে যেন স্বচেষ্টাৰে প্ৰকৃতিস্থ হৈ, আপোনাসকলৰ মাজত প্ৰতিদ্বন্দিতা পৰিহাৰ কৰি, সংপ্ৰীতি সন্ধি সংস্থাপন কৰে। আজি মই, নৰলোকৰ হৈ, হৰিক হৰ, আৰু হৰক হৰি ৰূপে দৰ্শন পাবলৈ বাঞ্ছা কৰোঁ। কিয়নো, যেয়ে হৰি সেয়ে হৰ, আৰু যেয়ে হৰ সেয়ে হৰি। হৰিহৰ অভেদাত্মা। যি আদি-মধ্য-অন্ত্যবিহীন সেই হৰিহৰাত্মক ৰূপ আপোনাসকলে ধাৰণ কৰিছে। এতেকে, আপোনাতে আপুনি ৰণ-বিগ্ৰহ ঘটাই আপোনাকে আপুনি বিনাশ কৰিবলৈ আপোনাসকল উদ্যত হোৱাৰ নিচিনা হৈছে; কিয়নো, যেয়ে বিষ্ণু সেয়ে ৰুদ্ৰ, যেয়ে ৰুদ্ৰ সেয়ে ব্ৰহ্মা। এতিয়া, বিষ্ণু আৰু ৰুদ্ৰৰ উগ্ৰভাব লক্ষ্য কৰি, পিতামহ ব্ৰহ্মা (১) সৃষ্টিকৰ্ত্তাৰ প্ৰতিনিধি স্বৰূপে উপস্থিত হৈ মই মিনতি জনাইছোঁ, আপোনাসকল ক্ষান্ত হওক। বৈৰী ভাব পৰিহাৰ কৰি আপোনাসকলে মৈত্ৰী ভাব ধাৰণ কৰোক।" এই বুলি বীণাধাৰীয়ে (২) অতি মৰ্ম্মস্পৰ্শী সুৰেৰে সৃষ্টি-মহিমা কীৰ্ত্তনৰ স্তৱ কৰিবলৈ ধৰিলে। শুনি শুনি শ্ৰীকৃষ্ণ তন্ময় হল, বাণাসুৰ বিমোহিত হৈ ঠৰ লাগিল! দুইবো হাতৰ অস্ত্ৰাদি

---

(১) সৃষ্টিকৰ্ত্তা স্বৰূপে ব্ৰহ্মা সকলোৰে পিতামহ। অৰ্থাৎ, সৃষ্টিৰ পিতৃ-মাতৃ পুৰুষ-প্ৰকৃতিৰো স্ৰষ্টা ব্ৰহ্মা; এতেকে সেই পুৰুষ-প্ৰকৃতিৰ সন্ততি মাত্ৰৰে ব্ৰহ্মা পিতামহ। নাৰদ মুনি সেই সন্ততিৰ মাজত সৰ্ব্বপ্ৰধান বুলি তেওঁ ব্ৰহ্মাৰ পোনহতীয়া নাতিৰূপে অভিহিত।

(২) বীণা-বাদনত নাৰদ মুনি বীণাপাণিৰ বৰপুত্ৰ স্বৰূপ।

সৰি সৰি পৰিল। সেই সু-ছেগতে সম্মিলন-সুৰেৰে নাৰদ মুনিয়ে এই হৃদয়গ্ৰাহী সৃষ্টিৰক্ষক স্তৱ গাবলৈ ধৰিলে :—"মিলিতদেহ ৰুদ্ৰ আৰু কৃষ্ণক নমস্কাৰ, ত্ৰিনেত্ৰক নমস্কাৰ, দ্বিনেত্ৰক নমস্কাৰ। পিঙ্গলনেত্ৰ কুমাৰগুৰুক নমস্কাৰ, পদ্মনেত্ৰ প্ৰদ্যুম্নগুৰুক নমস্কাৰ। ধৰণীধৰক নমস্কাৰ, গঙ্গাধৰক নমস্কাৰ, ময়ূৰপিচ্ছধৰক নমস্কাৰ, কেয়ূৰধাৰীক নমস্কাৰ। কপালমালীক নমস্কাৰ, বনমালীক নমস্কাৰ; ত্ৰিশূলহস্তক নমস্কাৰ, চক্ৰহস্তক নমস্কাৰ। কণকদণ্ডীক নমস্কাৰ, ব্ৰতদণ্ডীক নমস্কাৰ; চৰ্ম্মবাসক নমস্কাৰ, পীতবাসক নমস্কাৰ। লক্ষ্মীপতিক নমস্কাৰ, উমাপতিক নমস্কাৰ; খট্বাঙ্গধাৰীক নমস্কাৰ, মুষলধাৰীক নমস্কাৰ। ভস্মাঙ্গধাৰীক নমস্কাৰ, কৃষ্ণাঙ্গধাৰীক নমস্কাৰ; শ্মশানবাসীক নমস্কাৰ, আশ্ৰমবাসীক নমস্কাৰ; বৃষভবাহনক নমস্কাৰ, গৰুড়বাহনক নমস্কাৰ। প্ৰলয়কৰ্ত্তাক নমস্কাৰ, সাগৰশায়ীক নমস্কাৰ। বহুৰূপক নমস্কাৰ, ভৈৰৱৰূপক নমস্কাৰ। দক্ষযজ্ঞবিনাশন, বলিনিসূদন, দেৱবিৰূপাক্ষ, সৌম্যেক্ষণক নমস্কাৰ; পৰ্ব্বতবাসীক নমস্কাৰ, সাগৰবাসীক নমস্কাৰ; অসুৰনাশনক নমস্কাৰ, ত্ৰিপুৰনাশনক নমস্কাৰ। নৰকহন্তাক নমস্কাৰ, কামাঙ্গনাশনক নমস্কাৰ; অন্ধকঘাতীক নমস্কাৰ, কৈটভহন্তাক নমস্কাৰ। সহস্ৰহস্তক নমস্কাৰ, অসংখ্যেয়বাহুক নমস্কাৰ; সহস্ৰশীৰ্ষক নমস্কাৰ, বহুশীৰ্ষক নমস্কাৰ। দেব-দামোদৰ আৰু মুঞ্জমেখলীক নমস্কাৰ। হে ভগবান বিষ্ণো! আপোনাক নমস্কাৰ, হে ভগবান শিৱ! আপোনাক নমস্কাৰ। হে দেৱ ভগবান! আপোনাক নমস্কাৰ, হে দেৱপূজিত! আপোনাক নমস্কাৰ। হে সামসমূহ গীত! আপেনোক নমস্কাৰ, হে যজুৰ্গীত! আপোনাক নমস্কাৰ। সুৰশত্ৰুহন্তাক সুৰপূজিতক নমস্কাৰ। দ্বিজন কৰ্ম্মিগণৰ কৰ্ম্ম আৰু অমিতপৰাক্ৰম সিজনক নমস্কাৰ। হে হৃষীকেশ! আপোনাক নমস্কাৰ। হে স্বৰ্ণকেশ আপোনাক নমস্কাৰ

(১)।" এই দেহৰক্ষক, জীৱনৰক্ষক, সংসাৰৰক্ষক, সৃষ্টিৰক্ষক স্তৱ নিবিষ্টমনেৰে শ্ৰৱণ কৰি, প্ৰেমালিঙ্গনেৰে বান্ধ খাই, দুই শুচি বাণ-কৃষ্ণ এক হল,—চৌদিশে 'হৰিহৰ-মিলন' (২) ৰূপৰ জেউতি বিয়াপি পৰিল। এই মিলন-মহত্ত্বতে সেই অমিলমূলক 'হৰিহৰ-যুদ্ধ' মাৰ গল।

ইতিছেগতে বাণকিঙ্কৰ (৩) আৰু ৰুদ্ৰপাৰিষদ (৪) বৰ্গে মায়াযুদ্ধ (৫) অৱলম্বন কৰি প্ৰদ্যুম্ন কোৱঁৰক অকলশৰীয়াকৈ পাই আক্ৰমণ কৰিলেগৈ। মহাবল ৰুক্মিণীনন্দন আৰু প্ৰমথগণ প্ৰমুখ্যে সম্মিলীত দানৱ সৈন্যদলৰ মাজত বহু পৰলৈকে তয়াময়া ৰণ চলিবলৈ ধৰিলে, আৰু শেহাস্তৰত অকলশৰীয়া কৃষ্ণকুমাৰ অৱশ হৈ পৰিল। ইতিক্ষণতে সিফালে হৰিহৰ-ৰণৰ সামৰণি পৰে। সেই অৱকাসত শ্ৰীকৃষ্ণদেৱে প্ৰাণপ্ৰতিম পুত্ৰ প্ৰদ্যুম্ন কোৱঁৰৰ পতন সংবাদ পাই, অনতিপলমে গৈ সম্মিলীত দানৱদলৰ মায়াযুদ্ধৰ মাজত সোমালেগৈ। অমিততেজস্বী যদুসিংহ কেশৱৰ আগত সৰহপৰ ঠাৱৰিব নোৱাৰি দানৱদলে ছিটিকি পলাবলৈ ধৰিলে; ৰুক্মিণী-নন্দনে পিতৃশুশ্ৰূষাত সংজ্ঞা লাভ কৰি ৰুক্মিণীনাথৰ অপত্যস্নেহপূৰ্ণ আলিঙ্গনত জিৰণি লাভ কৰিলে। ইয়াৰ অলপ পাচতে, শ্ৰীকৃষ্ণৰ অনুগামী হৈ বাণ নৰপতিয়েও কাষ চাপি আহি কোৱঁৰৰ শুশ্ৰূষাত যোগ দিলেহি। তাৰ পাচত, ৰুদ্ৰমূৰ্ত্তি হলধৰে উত্ৰাৱল হৈ আহি অতি চেনেহৰ ভতিজা-

(১) "হৰিবংশ"—১৮১ আধ্যা।

(২) কৃষ্ণৰূপী হৰি আৰু বাণৰূপী হৰ।

(৩) বাণ-ৰজাৰ গা-চোৱা আৰু নগৰৰক্ষক ৰণুৱাবৰ্গক বাণকিঙ্কৰ বোলা হৈছিল।

(৪) মহাভৈৰৱ দেৱালয়ৰক্ষক ৰাজকীয় সেনাবৰ্গক ৰুদ্ৰপাৰিষদ বোলা হৈছিল।

(৫) বাণ-ৰজা অসুৰ। তেওঁ ভালেমান ভেলেকী-বাণ সদৃশ্ অদ্ভুত ৰণ-কৌশলেৰে যুদ্ধ কৰিছিল; তাকে মায়াযুদ্ধ বোলা হয়।

পুত্র প্রদ্যুম্ন কোৱঁৰক শুশ্রূষা কৰিবলৈ ধৰিলে। তিনিওৰো সম্মিলীত শুশ্রূষাৰ ফলত কৃষ্ণকুমাৰ অনতিপলমে প্রকৃতিস্থ হল।

হৰিহৰ-ৰণ সামৰণৰ পাচত, সংপ্রীতিসন্ধিসংস্থাপনৰ অর্থে আলোচনা আৰম্ভ কৰা হল। সেই আলোচনাৰ মূলত ধর্ম্মাত্মা কুম্ভাণ্ড মন্ত্রী আৰু মধ্যত দেৱৰ্ষি নাৰদ মুনিয়ে থিত্‌ দিলেহি। বিজ্ঞ মন্ত্রীয়ে বহুল বুজনিৰে সৈতে বাণ নৰপতিৰ প্রতি এই বুলি নিবেদন কৰিলে,—"হে ভৈৰৱতনয়! হে বলিনন্দন! যি হৰিয়ে বামন ৰূপ ধৰি আপোনাৰ মহাবীর্য্যৱন্ত পিতৃ বলিৰাজক ছলিছিলহি, সেই হৰিৰে এক কলা এই শ্রীকৃষ্ণ। এহাতে, ভক্তি-তপস্যাৰ ফলত আপুনি মহাভৈৰৱ হৰৰ পুত্রত্ব লাভ কৰিছে; আন হাতে, হৰিহৰ অভেদাত্মা বুলি প্রত্যক্ষে প্রমাণিত হৈছে। যেই হৰি সেই হৰ, যেই হৰ সেই হৰি। এতেকে, এতিয়া ভগৱান শ্রীকৃষ্ণ ৰূপী হৰি আৰু হৰতনয় বাণ-নৰপতিৰ মাজত সংপ্রীতি সন্ধি সংঘটন হলে সি সাক্ষাৎ হৰিহৰ-সম্মিলন সদৃশ্‌ হব। বিশেষতঃ, আপোনাৰ সাধ্বী-সতী কন্যা উষাদেবী যি স্থলত গান্ধর্ব্ব বিবাহ-সূত্রেৰে কৃষ্ণনাতি প্রদ্যুম্ননন্দন অনিৰুদ্ধ কুমাৰৰে সৈতে সঙ্গতা হৈছে, সেই স্থলত আপুনি আপোনাৰ কন্যাক কুমাৰৰপৰা প্রতিগ্রহ কৰিবলৈ, কিম্বা অপৰ পাত্রত সম্প্রদান কৰিবলৈ বিধি নাই। তদুপৰি, শৌর্য্য, বীর্য্য, সৌন্দর্য্য, কুল আৰু সত্বসমন্বিত কুমাৰ অনিৰুদ্ধ হেন পুৰুষোত্তমক জামাতৃ লাভ কৰাটো আপোনাৰ পক্ষে অতি গৌৰৱ আৰু সৌভাগ্যৰ বিষয়। এই দৈৱিক ঘটনা কুমাৰ-হৰণ আৰু উষা-হৰণেই হৰিহৰ-ৰণৰ মূল কাৰণ, এই অভাৱনীয় ৰণেই নিমিত্তকাৰণ হৈ ভগৱান শ্রীকৃষ্ণৰ পদার্পণে আজি পুণ্যভূমি শোণিতপুৰ সুপৱিত্র কৰিলে। এতেকে, হে ৰাজন! মোৰ বোধেৰে, আপুনি হৃষ্টচিত্তেৰে কুমাৰী উষাদেবীক কুমাৰ অনিৰুদ্ধদেৱলৈ সম্প্রদান দি, বৈষ্ণৱৰাজ

যাদবেশ্বৰ আৰু শৈৱৰাজ দানবেশ্বৰ আপোনাৰ মাজত সংপ্ৰীতি সন্ধি সংস্থাপন কৰাটো সৰ্ব্বতোভাৱে বিধেয়। শৈব-বৈষ্ণৱ-সম্মিলন আপোনাৰ দিনতে পোন্-প্ৰথম সংঘটন নহব, আপোনাৰ কীৰ্ত্তিমন্ত পিতৃ বলিৰাজৰ দিনতে ই সংঘটিত হৈ আছে।” মহাত্মা কুম্ভাণ্ডৰ বক্তব্যৰ অন্তত, দেবৰ্ষি নাৰদ মুনিয়ে তেওঁৰ প্ৰতি কথাকে সযুক্তি সমৰ্থন কৰি, তেওঁৰ প্ৰস্তাবিত সন্ধি-সংস্থাপন আহ্বান কৰিবলৈ বাণৰাজক উপদেশ দি, সেই সম্প্ৰীতি সন্ধি-সংস্থাপনৰ প্ৰস্তাবত মান্তি হবলৈ ভগৱান শ্ৰীকৃষ্ণত সভক্তি প্ৰাৰ্থনা জনালে। এই দুগৰাকী মহাজ্ঞানী পুৰুষৰ প্ৰস্তাব আৰু সমৰ্থন অনুসৰি উভয় পক্ষে বাণ-কৃষ্ণসন্ধিবন্ধন সাদৰে গ্ৰহণ কৰিলে।

“বাণ-কৃষ্ণ সন্ধি” সংস্থাপনৰ পাচত, বাণৰাজৰ অনুৰোধ মতে, ভগৱান শ্ৰীকৃষ্ণদেৱে ৰাম, প্ৰদ্যুম্ন, নাৰদ আৰু সুপৰ্ণ সমন্বিতে উষা-অন্তপুৰলৈ প্ৰৱেশ কৰি মহোল্লাসেৰে অনিৰুদ্ধ কুমাৰক বন্দীশালৰপৰা যথাবিধি মুক্ত কৰিলেগৈ। তাৰ পাচত, নাৰদমুনিৰ বিধান অনুসৰি, সৰ্ব্বসম্মতিক্ৰমে উষা-অনিৰুদ্ধৰ বীৰ্য্যাক্ষ বিবাহকাৰ্য্য সম্পাদন কৰা হয়, আৰু ধৰ্ম্মাত্মা কুম্ভাণ্ড মন্ত্ৰীয়ে অতুল ঐশ্বৰ্য্যপূৰ্ণ যৌতক যথাবিধি ৰজাৰ হৈ অৰ্পণ কৰিলেহি। সেই ছেগতে বিচক্ষণীয়া ৰাজনীতিজ্ঞ মহামন্ত্ৰী ধৰ্ম্মাত্মা কুম্ভাণ্ড মন্ত্ৰীৰে সৈতে সদালাপ কৰি, সৰ্ব্বশাস্ত্ৰবিশাৰদ অলৌকিক ৰাজনৈতিকপুৰুষ ভগৱান শ্ৰীকৃষ্ণই পৰম তৃপ্তি লাভ কৰিলে (১) এই অনুক্ৰমে শুভকাৰ্য্যাদি সম্পাদন কৰি উঠি, সুমলীয়া

---

(১) মহাজ্ঞানী কুম্ভাণ্ড মন্ত্ৰীৰ সাংসাৰিক, সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ পৰিচয়ত পৰিতৃপ্ত হৈ, ভগৱান শ্ৰীকৃষ্ণই বাণ নৰপতিৰ সম্মতিক্ৰমে মহাত্মা কুম্ভাণ্ডৰ শোণিতপুৰৰ একাংশৰ অধিপতি পাতি তেওঁক যথাযোগ্য মান ধৰে।—“হৰিবংশ” ১৮৩ আধ্যা।

মিত্র বাণ ৰজাৰ ওচৰত সম্প্ৰীতি বিদায় গ্ৰহণ কৰি, নাতি-বোৱাৰী উষাদেৱী আৰু নাতি-কোৱঁৰ অনিৰুদ্ধদেৱক আদৰি লৈ, যাদৱবাহিনীৰে সৈতে, হৰিষ্ চিত্তেৰে শ্ৰীহৰি শ্ৰীকৃষ্ণ দ্বাৰকা প্ৰত্যাগমনৰ অৰ্থে সচেষ্ট হল। ন-বোৱাৰী বাণ ৰজাৰ জীয়াৰী উষাদেৱীৰ লগৰী হৈ, চিত্ৰলেখা আৰু কুম্ভাণ্ডজীয়াৰী প্ৰজ্ঞাসুন্দৰী প্ৰমুখ্যে উষাদেৱীৰ কেইগৰাকীমান সখীয়াও বাণ-পাৰিষদ জনচেৰেকৰে সৈতে কন্যাধৰীয়াৰূপে সহযাত্ৰী হল।

# ৬। আখ্যা।

## দ্বাৰকাত উষাদেৱী।

শ্ৰীকৃষ্ণৰ অনুজ্ঞা আৰু বাণ নৰপতিৰ অনুমতি অনুসৰি, ধৰ্ম্মাত্মা কুষ্মাণ্ড মন্ত্ৰীয়ে (১) সখীমণ্ডলীৰে সৈতে পৰিবৃতা কৰি, যাদৱ যাত্ৰীৰ মাজত নিৰূপিত গৰুড়-বাহনত উপবিষ্টা কৰি, উষাদেৱীক, যথাসমাদৰে বিদায় দিলেগৈ। ইতিমধ্যত যথাৰীতি বলদেৱৰ ৰামশিঙা বাজি উঠিল, —যাদৱবাহিনীয়ে ভাগে ভাগে যথাযোগ্য গৰুড়-যানত আৰোহণ কৰিলেগৈ। তাৰ পাচত, ৰাম-কৃষ্ণ, প্ৰদ্যুম্ন-অনিৰুদ্ধ, নাৰদ-সুপৰ্ণ আৰু বাণ-পাৰিষদ যাত্ৰীসকলে যোৱা-যোৱাকৈ গৰুড়-বাহনত চৰি, যাদৱবাহিনীৰ আগ, গুৰি আৰু মাজ ভাগ গুৱনি কৰি দ্বাৰকাৰ অভিমুখে মহা সমাৰোহেৰে যাত্ৰা কৰিলে।

---

(১) মহাজ্ঞানী কুষ্মাণ্ড মন্ত্ৰীৰ সাংসাৰিক, সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ পৰিচয়ত পৰিতুষ্ট হৈ, ভগবান শ্ৰীকৃষ্ণই, বাণ নৰপতিৰ সম্মতিক্ৰমে, তেওঁক শোণিতপুৰৰ একাংশত অধিপতি পাতি যথাযোগ্য মান ধৰে।

—"হৰিবংশ", ১৮৩ আখ্যা।

ওলটা-যাত্ৰাত যাদৱবাহিনীয়ে সুদীৰ্ঘ আকাশী পথ ( ১ ) অতিক্ৰম কৰাৰ পাচত, যেতিয়া কৈলাস-শিখৰ সদৃশ নীলগ্ৰীৱ শুভ্ৰ প্ৰাসাদ সমষ্টিৰে সৈতে সুশোভিতা দ্বাৰমালিনী দ্বাৰাৱতী দৃষ্টিগোচৰ হল, তেতিয়া নিলগৰপৰা গদাচক্ৰধৰ দ্বাৰকেশ্বৰ কেশৱ প্ৰত্যাগমনৰ নিদৰ্শন সংজ্ঞা পাঞ্চজন্য ( ২ ) বাদনেৰে জ্ঞাপন কৰা হল। সেই পাঞ্চজন্য সংজ্ঞাধ্বনি শুনামাত্ৰকে পুৰবাসীগণে বহু-বিস্তৰ মাঙ্গলিক নিদৰ্শনৰে সৈতে দ্বাৰাৱতী-দুৱাৰত কৃষ্ণ-প্ৰত্যাগমন প্ৰতীক্ষা কৰিলেগৈ। যথাসময়ত দ্বাৰকাদ্বাৰত উপনীত হৈ ব্ৰাহ্মণ আৰু কুলবৃদ্ধগণৰ দ্বাৰাই অৰ্পিত অৰ্ঘ্য গ্ৰহণ কৰাৰ পাচত, শ্ৰীকৃষ্ণদেৱে দুৰ্জ্জয় মহাসুৰ বাণ নৰপতিৰে সৈতে কৰা মহাৰণ, তাৰ পৰিণামত হোৱা সংপ্ৰীতি সন্ধি-সংস্থাপন আৰু উষা-অনিৰুদ্ধৰ গান্ধৰ্ব্ব আৰু বীৰ্য্যাক্ষ বিবাহৰ বিষয়ে চমুকৈ বৰ্ণনা কৰি যথাবিধি বৰ-কন্যা আদৰণীৰ অনুজ্ঞা জ্ঞাপন কৰিলে; আৰু সেই অনুসৰি সেই সম্বন্ধীয় মাঙ্গলিক কাৰ্য্যাদি অনতিপলমে সম্পাদিত হৈ উঠিল। তাৰ পাচত, আহুক, বসুদেৱ, শাম্ব, সাত্যকি, পিশঠ, উল্মুখ, বিপৃথু, অক্ৰূৰ প্ৰমুখ্যে যাদৱপ্ৰধানসকলে আগবাঢ়ি গৈ বৰ-কন্যা সমন্বিতে কন্যাযাত্ৰীবৰ্গক যথাবিধি অভ্যৰ্থনা কৰিলে গৈ। সেই অভ্যৰ্থনা গ্ৰহণৰ সংজ্ঞা স্বৰূপ

---

( ১ ) যাদৱবাহিনীয়ে গৰুড়-বাহনেৰে দ্বাৰকাৰপৰা শোণিতপুৰলৈ যাত্ৰা কৰিছিল। গতিকে, ওলটা-যাত্ৰাতো সেই বাহনতে চৰি সিবিলাকে আকাশী পথ অতিক্ৰম কৰিছিল। ইতিপূৰ্ব্বৰ টীকাত উনুকিয়াই অহা হৈছে যে, গৰুড় পখী যে কেৱল কৃষ্ণবাহনৰ অৰ্থে এটি হে আছিল এনে নহয়, সেই জাতীয় পখী সেই কালত সেই অঞ্চলত অলেখ আছিল। সৃষ্টিৰ ক্ৰমোবিনাশৰ গতিত ক্ৰমাৎ সঁচ মৰি আহি এতিয়া তাৰ অস্তিত্ব লোপ পাইছে।

( ২ ) শঙ্খ-ঘণ্টা-ডবা-বীণা-বংশী এই পঞ্চবাদনৰ পঞ্চসুৰ মিলিত এবিধ অদ্বিতীয় বাদ্য ; ই কেৱল কৃষ্ণ-আগমন-প্ৰত্যাগমনৰ সংজ্ঞা স্বৰূপে ব্যৱহৃত হৈছিল।

কন্যাযাত্ৰী সমন্বিতে বাসুদেৱ, বলদেৱ, প্ৰদ্যুম্ন, সুপৰ্ণ এই সকলে গৰুড়-বাহনৰপৰা অৱৰোহণ কৰি সিবিলাকক সংপ্ৰীতি আলিঙ্গন প্ৰতিদান দিলেহি। ইতিমধ্যত, দৈৱকী, ৰেৱতী, ৰুক্মিণী, মায়াৱতী প্ৰমুখ্যে পুৰনাৰীবৰ্গে শান্তিসঞ্চাৰক মিলিত মাঙ্গলিক উৰুলিধ্বনিৰে গগণ নিনাদিত কৰি যথাবিধি বৰ-কন্যাক অন্তঃপুৰলৈ আদৰি নিলেহি। জয়ে-জয়ে মাতৃশাহু প্ৰদ্যুম্নপত্নী মায়াৱতীয়ে চেনেহৰ পো-বোৱাৰী উষাদেৱীক আপোন কক্ষলৈ আদৰি নি মহাৰ্হ ৰত্নৰাশি আৰু বিচক্ষণীয়া সাজ-সমলেৰে যথাৰীতি সৎকাৰ কৰিলেগৈ। তাৰ পাচত, পিতামহী-শাহু ৰুক্মিণীদেৱী, প্ৰপিতামহী-শাহু দৈৱকীদেৱী প্ৰমুখ্যে যাদৱী পুৰনাৰীবৰ্গৰ যাই-যাই সকলে ভাগে-ভাগে আৰু মানে-মানে আদৰুৱা ন-বোৱাৰী অনুপমা সুন্দৰী উষাদেৱীক দেশাচাৰ আৰু ধৰ্ম্মাচাৰ অনুসাৰে সৎকৃতা কৰি পৰম প্ৰীতি অনুভৱ কৰিলে। সদৌশেহত সখীসকল আৰু পুৰনাৰীগণে আচাৰানুগত মঙ্গল-বিধানেৰে আদৰৰ ন-বোৱাৰী শোভনা উষাদেৱীক যথাসৎকাৰ কৰি সুগহীন গমনেৰে অগ্ৰসৰ কৰাই নি, সকলোটিয়ে আনন্দত উৰুলীকৃত হৈ কুমাৰ অনিৰুদ্ধৰ ভৱনত প্ৰৱেশ কৰালেগৈ। (১)

উষা-আদৰণীৰ পিচদিনা যাদৱ ৰাজচৰাত যথাৰীতি মহা সমাৰোহেৰে জ্ঞাতি-মেল বহিল। মেলত কৃষ্ণাগ্ৰজ বলৰাম, কৃষ্ণনন্দন প্ৰদ্যুম্ন আৰু দেৱৰ্ষি নাৰদৰ মুখে সহস্ৰ অস্ত্ৰধাৰী মহাসুৰ ভৈৰৱভক্ত ভৈৰৱীনন্দন (২) হৰসদৃশ, বীৰ্য্যৱন্ত বলিতনয় দুৰ্জ্জয় মহাবীৰ বাণ-নৰপতিৰে সৈতে

---

(১) "হৰিবংশ", ১৮০ আধ্যা।

(২) ইতিপূৰ্ব্বতে উনুকিয়াই অহা হৈছে যে, শিৱভক্ত মহাযোগী বাণ বজাই অদ্ভুত যোগ-তপস্যাৰ বলেৰে শিৱানী ভৈৰৱী দেৱী পাৰ্ব্বতীৰ পুত্ৰত্বৰ আখ্যা লাভ কৰিছিল।

অদ্ভুত আৰু অসাধাৰণ ৰণ-কৌশলী মহাবল ভূতাত্মা শ্ৰীহৰি যদুমণি শ্ৰীকৃষ্ণদেৱে 'হৰিহৰ-ৰণ'ৰ সামৰণত কিৰূপে সাম্যমূৰ্ত্তি ধাৰণ কৰিছিল, তাৰ স্বৰূপ বৰ্ণনা শ্ৰৱণ কৰি সভাস্থ সমস্ত সামাজিক লোক স্তম্ভিত আৰু পুলকিত হল। তাৰ পাচত, যাদৱৰাজ মহাবাহু আহুকে আনন্দ-উলাহত উৰুলীকৃত প্ৰাণেৰে সদৌ যাদৱবৰ্গ আৰু দ্বাৰকাবাসীৰ হৈ অশেষ ধন্যবাদ প্ৰদান কৰি মহাদ্যুতি শ্ৰীকৃষ্ণদেৱক এই বুলি সম্বোধন কৰিলে,—"হে যদুসিংহ! তুমি সুদুৰৈ মায়াপুৰ কামৰূপৰ অন্তৰ্গত শোণিতপুৰলৈ যৎসামান্য ৰণবলেৰে যাত্ৰা কৰি, অক্ষয় ৰণবলসম্পন্ন দুৰ্জ্জয় বাণ ৰজাক জয় কৰি, কুমাৰ অনিৰুদ্ধক উদ্ধাৰ কৰি নিৰ্ব্বিঘ্নে প্ৰত্যাগত হোৱা দেখি আমি সকলোটিয়ে স্বৰ্গসুখ অনুভৱ কৰিছোঁ, আৰু তোমাৰ গৌৰৱত গৌৰৱান্বিত হৈছোঁহঁক। এতিয়া শুভদিনত, শুভক্ষণত, শুভলগ্নত তোমাৰ নাতি-কোৱঁৰ প্ৰদ্যুম্ননন্দন অনিৰুদ্ধ কুমাৰৰে সৈতে অনুপমা সুন্দৰী বাণনন্দিনী উষাদেৱীৰ উদ্বাহ উপলক্ষে মহোৎসৱৰ আয়োজন কৰাঁ। অৱশ্যে, ইতিপূৰ্ব্বতে গান্ধৰ্ব্ব আৰু বীৰ্য্যাক্ষ বিবাহৰ দ্বাৰাই কুমাৰ-কুমাৰীক দাম্পত্য সূত্ৰেৰে বিধিবদ্ধ কৰা হৈ গৈছে; তথাপি লোকৰঞ্জনাৰ্থে দেশাচাৰ অনুসৰি উদ্বাহক্ৰিয়া সম্পাদন কৰি সদৌ দ্বাৰকাবাসীক অনুপম আনন্দ উপভোগ কৰিবলৈ এটি সোণাময় ছেগ দিয়াটো একান্ত বাঞ্ছনীয় বোধ কৰোঁ। লগতে ইয়াকো প্ৰস্তাৱ কৰোঁ যে, উষাসঙ্গিনী মহাভাগ কুম্ভাণ্ডৰ জীয়াৰী প্ৰজ্ঞা সুন্দৰীক শাম্ব কোৱঁৰলৈ বিবাহ দি, বাকী উষাসহচৰী শোণিতপুৰীয়া কুমাৰীসকলক যথাযোগ্যানুসাৰে যাদৱ কোৱঁৰ সকলৰে সৈতে বিধিমতে বিবাহিতা কৰা হওক। তোমাৰ কুললক্ষ্মী নাতি-বোৱাৰী উষাদেৱী সখী পৰিবৃতাকৈ শোণিতপুৰৰ মহাভৈৰৱী শিৱানী দেৱীৰ দ্বাৰাই প্ৰেৰিত হৈছে; গতিকে প্ৰস্তাৱিত উদ্বাহ সম্পাদনেৰে "হৰিহৰ-ৰণ"ৰ পৰিণাম স্বৰূপ শৈৱ-বৈষ্ণৱ সম্মিলন সংঘটিত হওক; আৰু তদ্দ্বাৰাই এই

ভাৰতবৰ্ষৰ অতিপূবৰপৰা অতিপছিমলৈ শৈৱ-বৈষ্ণৱৰ প্ৰতিপত্তি বিস্তাৰিত হওক।”

যাদৱৰাজ আহুকৰ উপদেশ শিৰোধাৰ্য্য কৰি, ভগৱান শ্ৰীকৃষ্ণদেৱে অনতিপলমে উষা-উদ্বাহ আৰু তাৰ আনুষঙ্গিক প্ৰস্তাবিত বিবাহক্ৰিয়া সম্পাদন কৰি সদৌ দ্বাৰকাবাসীৰ মনোৰঞ্জন কৰিলে। ইত্যৱকাশত অদ্ভুত কৰ্ম্মবীৰ আদৰ্শ পুৰুষ শ্ৰীকৃষ্ণদেৱে কৰ্ম্মময় জীৱনৰ একাধ্যা সামৰি উশাহ সলাবলৈ এটি ছেগ গ্ৰহণ কৰিলে। সদৌশেহত, সকলো শুভকাৰ্য্য সম্পাদনৰ অন্তত, উষাদেৱীৰ প্ৰাণসখী বুদ্ধিমতী বিচিত্ৰা চিত্ৰলেখাই এটি বিচিত্ৰ বিচ্ছেদৰ ছেদ আঁকি থৈ, দ্বাৰকাৰপৰা স্বস্থান শোণিতপুৰলৈ প্ৰত্যাগমন কৰিলে। স্নিগ্ধ উষা-জেউতিৰ প্ৰভাৱত দ্বাৰাৱতী শান্তিধাম যেন শাঁত হল। (১)

(১) “হৰিবংশ”, ১৮৪ আধ্যা।

# ৭। আখ্যা।

## কুৰুক্ষেত্ৰলৈ শ্ৰীকৃষ্ণৰ পুনৰাগমন।

কৰ্ম্মাৱতাৰ শ্ৰীকৃষ্ণদেৱে কৰ্ম্মছেদত উশাহ এৰে, কিন্তু আকৌ উশাহ সলাবলৈ আজৰি নাপায়। এটা চিন্তাৰ পাৰ পাওঁতে-নাপাওঁতেই তেওঁক আন এটা চিন্তাই পায়হি। এটা কাৰ্য্যৰ সামৰণি পৰোঁতে-নপৰোঁতেই তেওঁ আন এটা কাৰ্য্যত হাত দিব লগাত পৰে। এটা সমস্যা পাৰ হওঁতে-নহওঁতেই তেওঁৰ আগত আন এটা সমস্যা উপস্থিত হয়হি। সুদূৰৈ শোণিতপুৰত হৰিহৰ-ৰণত দুৰ্জ্জয় বাণ ৰজাক জয় কৰি আহি দ্বাৰকাত উষা-উদ্বাহ ক্ৰিয়া সম্পাদন কৰি উঠোতে-নোঠোতেই পাণ্ডৱ-শিবিৰৰপৰা আহি কুৰুক্ষেত্ৰলৈ তেওঁত পুনঃ আহ্বান পৰিলহি। শ্ৰীকৃষ্ণৰ দিহা-পৰামৰ্শ মতেই তেতিয়ালৈকে কুৰুক্ষেত্ৰ-মহাৰণৰ আৰম্ভণ হোৱা নাই, শ্ৰীকৃষ্ণৰ অবিহনে ধৰ্ম্ম-যুধিষ্ঠিৰে ৰণ-আৰম্ভণৰ আজ্ঞা নিদিয়ে। কিন্তু, আনহাতে শত্ৰুপক্ষৰ আস্ফালন অসহনীয় হৈ উঠিছে, কৌৰৱে অবাচ্য বচনেৰে পাণ্ডৱৰ ক্লীৱতা বৰ্ণাই সিবিলাকক গৰিহণা দিব লাগিছে। আন কি, বিনাযুদ্ধে জয়লাভ ঘোষণা কৰিবলৈ কৌৰৱ পক্ষ উত্ৰাৱল হৈ উঠিছে। এনে অৱস্থাত, উপায়ন্তৰ হৈ, শ্ৰীকৃষ্ণৰ সমীপলৈ কটকী পাচিব লগা হোৱাত, ধৰ্ম্মৰাজ যুধিষ্ঠিৰে অগত্যা কনিষ্ঠ পাণ্ডৱ এজনক দ্বাৰকালৈ পঠিয়ালে। কুৰুক্ষেত্ৰ-ৰণৰ সমস্যা তেওঁৰ মনত সততে জাগৰিত হৈ আছিলেই; পাণ্ডৱ কটকীৰ মুখে সেই উপস্থিত সমস্যাৰ বিষয়ে অৱগত হৈ শ্ৰীকৃষ্ণদেৱে অনতিপলমে কুৰুক্ষেত্ৰলৈ যাত্ৰা কৰিলে।

যথাসময়ত শ্ৰীকৃষ্ণ পাণ্ডৱ শিবিৰত প্ৰত্যাগত হ'লহি। শ্ৰীকৃষ্ণৰ উপস্থিতিত পাণ্ডৱ পক্ষীয় প্ৰত্যেক যোদ্ধাৰ প্ৰাণ নতুন সাহ নতুন বল নতুন আশাত উদ্দীপ্ত হল। ডবা, ঘণ্টা, শঙ্খ, বীণা, বংশী পাঞ্চজন্য বাদনৰ ধ্বনিৰে কৃষ্ণ-প্ৰত্যাগমন সংবাদ নিনাদিত হল। তাৰ পাচত, পাণ্ডৱ চতুষ্টয় আৰু দ্ৰুপদ, বিৰাট, সাত্যকি প্ৰমুখ্যে পাণ্ডৱ পক্ষীয় প্ৰধান সেনাপতি সকলৰে সৈতে সকৃষ্ণ পৰামৰ্শ কৰি যুদ্ধকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰে কুৰুক্ষেত্ৰৰ মহাৰণ যথাবিধি ঘোষণা কৰিলে। সেই অনুসৰি, পাণ্ডৱ সাৰথি শ্ৰীকৃষ্ণদেৱৰ দিহামতে ৰণ-আহ্বানাৰ্থে কৌৰৱ শিবিৰলৈ দূত প্ৰেৰিত হল। তাৰ লগে লগে ইফালে কুৰুক্ষেত্ৰ-যুদ্ধ-যাত্ৰালৈ পাণ্ডৱবাহিনীয়ে সষ্টম হবলৈ ধৰিলে।

ৰণপণ্ডিত শ্ৰীকৃষ্ণদেৱৰ দিহামতে পাণ্ডৱবাহিনী (১) এই সাত জন সেনাপতিৰ অধীনত বিভক্ত হল; যেনে,—দ্ৰুপদ, বিৰাট, সাত্যকি, ধৃষ্টদ্যুম্ন, চিকিতন, শিখণ্ডী আৰু ভীম। ইবিলাকৰ ভিতৰত দুৰ্জ্জয় যোদ্ধা ধৃষ্টদ্যুম্নক সৰ্বাতোধাই সেনাপতি আৰু মহাবাহু ভীমসেনক দুৱলীয়া ধাই সেনাপতিৰ বাব দিয়া হয়। উল্লিখিত সাতজনৰ নামনাচত অজেয় যোদ্ধা অমিত তেজস্বী সুভদ্ৰানন্দন কৃষ্ণভাগিন অৰ্জ্জুনতনয় অভিমন্যু; পঞ্চপিতৃ পঞ্চপাণ্ডৱৰ সমতুল্য বীৰ দ্ৰৌপদীৰ পঞ্চনন্দন প্ৰতিবিন্ধ্য, শুতসোম, শ্ৰুতকৰ্ম্ম, শতানিক, শ্ৰুতসেন; আৰু মহাবল পিতৃ ভীমসেন সদৃশ্ অদ্ভুত বীৰ হিড়িম্বানন্দন ঘটোৎকচ্ এই সাতজন পালি সেনাপতি ওপৰত আঁচি অহা সাত ভাগ পাণ্ডৱবাহিনীত ভাগে ভাগে যথাযোগ্যৰূপে নিয়োজিত হয়। স্বয়ং শ্ৰীকৃষ্ণ-সাৰথিযুত মহাৰথ অৰ্জ্জুন দ্বৈৰথ যুদ্ধৰ অৰ্থে আচুতীয়া হৈ ৰয়।

---

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, কুৰুপাণ্ডৱৰ যুদ্ধ-সজ্জা আধ্যা।

# ৮। অধ্যায়।

## কুৰুক্ষেত্ৰ-যুদ্ধ-যাত্ৰা।

শ্ৰীকৃষ্ণদেৱৰ দিহা অনুসৰি, পাণ্ডৱ পক্ষৰপৰা ৰণ-আহ্বান হোৱাৰ পাচত, ৰণকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰে যুদ্ধ-যাত্ৰাৰ অৰ্থে সষ্টম হবলৈ পাণ্ডৱ-বাহিনীৰ মাজত ৰণনীতি অনুযায়ী আদেশ ঘোষণা কৰিলে। সেইমতে, পাণ্ডৱসেনাপতিসকল সষ্টম হৈ নিজ নিজ বিভাগীয় ৰণবলৰ প্ৰতি সষ্টম হবলৈ আদেশ প্ৰচাৰ কৰাত তৎপৰ হল। "সাজু হোৱাঁ" "সষ্টম হোৱাঁ" শবদেৰে পাণ্ডৱশিবিৰ জন্‌জনাই উঠিল। চাওঁতে চাওঁতে, ৪০,০০০ দুকুৰি হাজাৰ বীৰ ৰাজকোৱঁৰ বিচক্ষণীয়া ৰণ-সাজেৰে সুসজ্জিত হৈ ওলাল ; ৫,০০,০০,০০০ পাঁচ কোটি ৰথী, ৩০,০০,০০,০০০ ত্ৰিশ কোটি হস্তী-আৰোহী, ৬০,০০,০০,০০০ ষাঠী কোটি অশ্বাৰোহী আৰু অসংখ্যাত পদাতিৰে সৈতে সাত অক্ষৌহিনী পাণ্ডৱ সেনা-সমষ্টি যুদ্ধযাত্ৰাৰ উদ্দেশে ৰণৰ বিবিধ আহিলা-পাতি অস্ত্ৰ-শস্ত্ৰ লৈ সাজু হল। হাতীৰ গৰ্জ্জন ঘোঁৰাৰ তৰ্জ্জন, ৰথৰ ঘৰ্ঘৰণত মেদিনী কঁপি উঠিল ; হিয়াভেদী শঙ্খ-ধ্বনি, গগণস্পৰ্শী ভেৰীবোল, পৱন-কঁপোৱা ঢাক-ঢোলৰ বাদনে প্ৰতি প্ৰাণ ৰণমদত উন্মত্ত কৰি তুলিলে ; বীৰবাহু বৃকোদৰৰ ভীমগৰ্জ্জন, ৰণোন্মত্ত নকুলৰ বুকু কঁপোৱা গিৰিপনি, ৰণপিপাসু সহদেৱৰ চকু-চম-কোৱা আস্ফালনে পাণ্ডৱ-শিবিৰ তোলপাৰ কৰি তুলিলে ; অজেয় ধনঞ্জয়ৰ

দেৱদত্ত ৰণোদ্দীপক গাণ্ডিৱ-টঙ্কাৰ আৰু স্বয়ং নাৰায়ণৰ অৱতাৰ শাৰঙ্গপাণি শ্ৰীকৃষ্ণৰ পাঞ্চজন্য বাদনে পাণ্ডৱবাহিনীক একাগ্ৰচিত্ত কৰি ৰণোন্মুখীকৈ আগুৱাবলৈ ধৰিলে।

"মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন" এই মহামন্ত্ৰেৰে দীক্ষিত হৈ, সাত অক্ষৌহিনী সেনাৰ প্ৰত্যেকেই "শত্ৰুক জিনিম কিম্বা ৰণত পৰিম" এই প্ৰতিজ্ঞাৰে দৃঢ়প্ৰতিজ্ঞ হৈ চেৰে চেৰে পাৰ পেলাই পৰম উলাহেৰে ৰণ-ক্ষেত্ৰলৈ যাত্ৰা কৰিলে। আটাইৰে আগত মহাৰথী কৃষ্ণ-সাৰথিয়ে চলোৱা অৰ্জ্জুনৰ ৰথ; আৰোহীৰে সৈতে গুৰিত ৪০,০০০ ৰথ, ২০০,০০০ অশ্বাৰোহী, ২০,০০,০০০ পদাতি আৰু ৬০,০০০ হস্তী-আৰোহী যোদ্ধাৰে সৈতে মহাবল বিৰাট; অৰ্জ্জুনৰ ৰথৰ অনুবৰ্ত্তী হৈ সসৈন্যে দুজন যাই আৰু দুজন পালি সেনাপতি; বিৰাট গুৰিধৰা সেনাপতিৰ আগত সসৈন্যে দুজন যাই আৰু দুজন পালি সেনাপতি; আৰু সম্মাজত দুপাশে দুজন যাই সেনাপতি আৰু সিবিলাকৰ সোঁৱে-বাঁৱে দুজন পালি সেনাপতি সসৈন্যে গা-চোৱা; এই দিহাৰে সৈতে ৰণৰ পুঁজি, আহিলা-পাতি (১) অস্ত্ৰ-শস্ত্ৰ, আহাৰ-পাতি, গাৰী-ঘোঁৰা, বেজ-বৈদ্য, অস্ত্ৰ-চিকিৎসক আদি লগত লৈ, যুদ্ধকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰে স্বয়ং মহাসমাৰোহেৰে কুৰুক্ষেত্ৰলৈ যুদ্ধযাত্ৰা কৰিলে। তাৰ পাচত, যথা সময়ত কুৰুক্ষেত্ৰত উপনীত হৈ, তাৰ মুকলি সুচল

---

(১) লাগ্ বুলিলেই পোৱাকৈ ৰণৰ লাগতিয়াল সঁজুলি যুগুতকৈ নিয়া হৈছিল। তাৰ ভিতৰত এইবোৰেই যাই; যেনে,—ৰথৰ যিলা, ৰৰছামাৰি, যাঠীৰ দীঘল নাল, শেলৰ কালি-আগ, তীৰ-শৰ, ধেনু-কাঁৰ, ধেনু-জোঁৰ, বচা-জৰি, আঁকুহী-ৰৰশী, ঢাল, তৰোৱাল, দা, কটাৰী, মিট্, পৰশুকুঠাৰ, তাপ্‌পানী মৰা পিচ্‌কাৰী, খাওত তৰোৱা গোন্, যাঁহী, ফেঁটী ইত্যাদি বিষাল সাপ, জীৰ্ণসংস্কাৰৰ সঁজুলি, ৰথ-ঢকা বাঘৰ ছাল, পতাকা ইত্যাদি।

সমথল এভাগত পূবমূৱাকৈ হিৰণ্যাৱতী নামে সৰোবৰৰ পাৰত ধৃষ্টদ্যুম্ন আৰু সাত্যকিৰ দিহামতে পাণ্ডৱ শিবিৰ প্ৰতিষ্ঠিত হল।

সিফালে ৰণ-আহ্বান পাই হস্তিনাপুৰত ৰণকৰ্ত্তা দুৰ্য্যোধনেও কুৰু-ক্ষেত্ৰ যাত্ৰালৈ নিজৰ ৰণবল সাজু কৰাত তৎপৰ হল। তেওঁৰ দিহা মতে, কৌৰৱবাহিনী (২) উত্তম, মধ্যম আৰু নৰমকৈ তিনি ভাগে বিভক্ত হল। তিনি সেনাবিভাগ যোগ্যতা অনুসাৰে তিনি বিধ কাৰ্য্য-বিভাগত নিয়োজিত হল। প্ৰতি সেনাবিভাগতে ৰথী, অশ্বাৰোহী, হস্তী-আৰোহী, পদাতিক আৰু দ্বৈৰথ যোদ্ধা সমাবেশ আৰু একো-একো বিভা-গত সৈন্যৰ সংখ্যানুযায়ী ঘাই আৰু পালি সেনাপতি নিযুক্ত হল। সি-বিলাকৰ ভিতৰত ভীষ্ম, কৰ্ণ, দ্ৰোণ, কৃপাচাৰ্য্য, অশ্বত্থমা, জয়দ্ৰথ, ভূৰি-শ্ৰবা, সোমদত্ত, বাহ্লীক, শকুনি, কৃতবৰ্ম্মা, ভগদত্ত, শল্য, মদ্ৰ, বিন্দ, অনুবিন্দ, আৰু দুৰ্য্যোধন-দুঃশাসন প্ৰমুখ্যে ধৃতৰাষ্ট্ৰৰ এশ পুত্ৰ, এই সকলেই প্ৰধান। এইসকলৰ তলে ৬০০০০ মিত্ৰ আৰু কৰতলীয়া ৰজাই পালি সেনাপতিৰ বাব গ্ৰহণ কৰে। একো-একোজন ৰজাৰ লগত এহেজাৰকৈ হাতী, একো-একো হাতীৰ লগত এশকৈ ঘোঁৰা, একো-একো ঘোঁৰাৰ লগত এশকৈ ধানুকী, একো-একো ধানুকীৰ লগত আশে-পাশে দহ জনকৈ ঢালী, আৰু অসংখ্যাত পদাতিৰে সৈতে ১১ এঘাৰ অক্ষৌহিনী সৈন্যসমষ্টিৰে সৈতে কৌৰৱবাহিনী যুদ্ধযাত্ৰাৰ অৰ্থে প্ৰস্তুত হল। শঙ্খ, ভেৰী, ঢাক-ঢোলৰ বাদন, হয়-হস্তীৰ চিৎকাৰ, অস্ত্ৰ-শস্ত্ৰৰ জঞ্জননি শবদে হস্তিনাপুৰত তোলপাৰ লগাই তুলিলে।

ইতিমধ্যত দুৰ্য্যোধনে পিতামহ ভীষ্মদেৱক সবাতোঘাই সেনাপতিৰ বাব গ্ৰহণ কৰিবলৈ অনুৰোধ কৰেগৈ। ভীষ্মদেৱে সেই অনুৰোধ ৰক্ষা কৰি, দুৰ্য্যোধনক এই বুলি আশ্বাসৰ সমিধান দিলে, "বাৰু, সেই বাব

(২) কৌৰৱবাহিনী ১১ অক্ষৌহিনী সংগৃহীত সৈন্যৰ সমষ্টি।

লবলৈ মই প্ৰস্তুত আছোঁ। কাৰণ, তোমাৰ সপক্ষে যুদ্ধ কৰি তোমাক আৰু তোমাৰ ফৈদক ৰক্ষা কৰিবলৈ মই তোমাৰ প্ৰপিতামহীৰ ওচৰত প্ৰতিশ্ৰুত (১)। মোৰ প্ৰতিজ্ঞা অটল।" ভীষ্মদেৱৰ আশ্বাসত উলাহিত হৈ দুৰ্য্যোধনে দ্ৰোণাচাৰ্য্য প্ৰমুখ্যে কৌৰৱ সেনাপতি সকলৰ প্ৰত্যেকৰ ওচৰ চাপি যথাৰীতি যোগ্যতানুসাৰে সিবিলাকক নেতাৰ বাব অৰ্পণ কৰিলেগৈ। কৰ্ণৰ কাষ আটাইতকৈ শেহত চপা হয়। কাৰণ, কৰ্ণ বৰ অভিমানী বীৰ, আত্মবলৰ ওপৰত তেওঁৰ অটল বিশ্বাস। বল-বীৰ্য্যত তেওঁতকৈ চৰা কোনোবা আছে বুলি তেওঁ নামানে। গতিকে, সবাতোঘাই সেনাপতিৰ বাব লবলৈ নাপালে জানোচা তেওঁ আন কোনোবিধৰ ঘাই সেনাপতিৰ বাব লবলৈ অমান্তি হয়, আৰু সেয়ে হলে জানোবা দ্ৰোণাচাৰ্য্যয়ো সেনাপতিৰ বাব প্ৰত্যাহাৰ কৰে, সেই আশঙ্কাত কৰ্ণ বীৰৰ কাষলৈ সকলোৰে শেহত যোৱা হয়। কিন্তু, দুৰ্য্যোধনে যি আশঙ্কা কৰিছিল, সি সঁচাকৈয়ে কাৰ্য্যত ফলিয়ালে। কৰ্ণই সদৰ্পে এই বুলি সমিধান দিলে, "পাণ্ডৱ-পাঞ্চালৰ

---

(১) দুৰ্য্যোধনৰ এই গৰাকী প্ৰপিতামহী হৈছে শান্তনুৰ অন্যতম ভাৰ্য্যা সত্যৱতী। বয়োশ্ৰেষ্ঠ ভীষ্মৰ জীৱনকালত কোনো কনিষ্ঠ সন্তান ৰজা হোৱাৰ আশা নথকা হেতুকে পিতাকে সত্যৱতীক ভীষ্মৰ পিতৃ শান্তনুলৈ বিয়া দিবলৈ অস্বীকাৰ কৰে। গতিকে, সেই আপাহতে ভীষ্মদেৱে এই প্ৰতিজ্ঞা কৰে যে, তেওঁ কেতিয়াও ৰাজপাটত নুঠে; আৰু তেওঁৰ সতি-সন্তানেও যাতে সেই ৰাজপাটৰ প্ৰাৰ্থী হবলৈ নাপায়, সেই অৰ্থে তেওঁ আজীৱন অবিবাহিত হৈ থাকিব। তদুপৰি, তেওঁ সেই আলমতে এনে ভাবে প্ৰতিশ্ৰুত হয় যে, সত্যৱতীৰ ভাবী পুত্ৰ-পৌত্ৰাদিৰ ৰক্ষাৰ্থে তেওঁ সততে সিবিলাকৰ পক্ষ অৱলম্বন কৰিব। সেই হেতুকে হে ভীষ্মদেৱে ইচ্ছাৰ বিৰুদ্ধেও প্ৰাণপ্ৰতিম পাণ্ডৱৰ প্ৰাণ লবলৈ কুৰুক্ষেত্ৰ-যুদ্ধত অগত্যা অস্ত্ৰধাৰণ কৰে।

ধ্বংস কৰ্ণই আনৰ নামে সাধিবলৈ নাযায়, ছেগ পালে নিজ নামে হে সাধিব। এতেকে, ভীষ্ম জীৱিত থাকেমানে মই কুৰুক্ষেত্ৰত অস্ত্ৰ নধৰোঁ, ই মোৰ অটল প্ৰতিজ্ঞা।" দুৰ্য্যোধন হতাশ হল। তথাপি, তেওঁ এই বুলি কৰ্ণক কথাৰ বান্ধ দি আহিল, "ভাল, আপোনাৰ কথাই কথা; কিন্তু আপুনি কৌৰৱ পক্ষীয় হৈ থাকিল।" কৰ্ণ-প্ৰতিজ্ঞাই পাণ্ডৱৰ হকে ভীষ্ম-প্ৰতিজ্ঞাৰ অমঙ্গল ভালেখিনি পাতলালে; কিয়নো একে সময়তে ভীষ্ম আৰু কৰ্ণই যুদ্ধ কৰিবলৈ ওলোৱা হলে, অৰ্জ্জুনৰ পক্ষে ঠাৱৰিবলৈ টান পৰিলহেঁতেন। অকল সেয়ে নহয়, কৌৰৱ-বাহিনীয়ে যাত্ৰা কৰোঁতেই ভালেমান অমঙ্গলীয়া ঘটনা (১) ঘটিবলৈ ধৰিলে, স্বভাৱতে কৌৰৱৰ ভাগ্য অপ্ৰসন্ন হোৱা যেন বোধ হল। যি হওক, ভবিষ্যত ভাবিবৰ সময় নাই; মহা আড়ম্বৰেৰে এঘাৰ অক্ষৌহিনী সৈন্যৰ সমষ্টিৰে সংগঠিত কৌৰৱবাহিনী কুৰুক্ষেত্ৰত নামিলগৈ। ৰণ-নীতি অনুসৰি, শত্ৰুপক্ষৰ শিবিৰৰ পোনে-পোনে মুখামুখিকৈ পছিমমুৱাকৈ কৌৰৱ শিবিৰ প্ৰতিষ্ঠিত হল।—দুয়ো পক্ষ ৰণক্ষণ (২) সাপেক্ষে লাগোঁ-লাগোঁ অৱস্থাত সষ্টম হৈ ৰল।

---

(১) কৌৰৱবাহিনীয়ে যুদ্ধযাত্ৰা কৰোঁতেই আচম্বিতে প্ৰবল ধুমুহাৰ গৰ্জ্জন, মেঘবপৰা তেজ-বৰষুণ, বনামেঘে বজ্ৰপাত, এনাবতাহত দৌল-দেৱাল আদিৰ পতন, গাধীৰ প্ৰসৱত গৰী, কুকুৰীৰ প্ৰসৱত শিয়াল, এন্দুৰীৰ প্ৰসৱত মেকুৰী, ম'বাৰ কণীত কাউৰী জগা এনেবোৰ অমঙ্গলীয়া ঘটনা ঘটিছিল।—মহাভাৰত. ভীষ্মপৰ্ব্ব।

(২) মাৰ্গশীৰ্ষ মাহৰ কৃষ্ণ-পঞ্চমীত কৌৰৱ-পাণ্ডৱ ৰণ-মুখামুখি হয়। ৰণ-আৰম্ভণৰ শুভ দিন-ক্ষণ পূৰ্ণিমা-তিথিলৈ দুয়োপক্ষে উত্ৰাৱল চিত্তেৰে অপেক্ষা কৰে।

# ৯। অধ্যায়।

## কুরুক্ষেত্র-ৰণাৰম্ভণ ঘোষণা।

এপক্ষে ৭ সাত অক্ষৌহিনী আৰু ইপক্ষে ১১ এঘাৰ অক্ষৌহিনী সৈন্যৰ সমষ্টিৰে সৈতে মুঠ ওঠৰ অক্ষৌহিনী সৈন্য-সামন্ত সমুখ-সংগ্ৰামলৈ সষ্টম। দুয়োপক্ষে ৰণাৰম্ভণৰ শুভক্ষণ পূৰ্ণিমা-তিথিলৈ উত্ৰাৱল চিত্তেৰে ক্ষণ গণিব লাগিছে। পছিমপ্ৰান্তৰ সাত অক্ষৌহিনী পাণ্ডৱ সৈন্যক পূৱপ্ৰান্তৰ এঘাৰ অক্ষৌহিনী কৌৰৱসৈন্যে গৰাহ মাৰি ধৰিবলৈ তৰ্জ্জন-গৰ্জ্জন আৰু আস্ফালনেৰে ৰণভূমি কঁপাব লাগিছে। পূব প্ৰান্তৰ এঘাৰ অক্ষৌহিনী কৌৰৱসেনাক মোহাৰি পেলাবলৈ পছিমপ্ৰান্তৰ সাত অক্ষৌহিনী পাণ্ডৱ সেনা উত্ৰাৱল হব লাগিছে। ভীমসেনত বাজে কিন্তু আন চাৰি পাণ্ডৱ বীৰ স্থিৰ আৰু চিন্তাযুত। বিশেষকৈ, ধৰ্ম্মৰাজ যুধিষ্ঠিৰ আৰু মহাৰথ অৰ্জ্জুন উদাস আৰু চিন্তিত।

ৰণাৰম্ভণলৈ ক্ষণ যিমানেই কাষ চাপি আহিল, ধৰ্ম্মপ্ৰাণ ৰজা যুধিষ্ঠিৰৰ কোমল অন্তৰ সিমানেই ব্যথিত হবলৈ ধৰিলে। শেহান্তৰত, ঠিক মুখামুখি সময়ত, তেওঁ এই বুলি আক্ষেপ কৰিবলৈ ধৰিলে, "হাঁয়! যি অপায় এবাৰৰ অভিপ্ৰায়ে মই প্ৰাণপ্ৰতিম ভাই-ভাৰ্য্যা সমন্বিতে ১২ বাৰ বছৰ বনবাস খাতি অশেষ দুখ-কষ্ট ভোগ কৰিলোঁ, আৰু যি অমঙ্গল খণ্ডাবৰ অৰ্থে এবছৰ সুকঠিন অজ্ঞাতবাস খপি অসহনীয়

মনস্তাপ সহিলোঁ, সেই অপায়-অমঙ্গলেই আকৌ আমাক মেৰাই ধৰিছে! অহ, আপোন বংশ-কুটুম্বৰ লগত এতিয়া ৰণ কৰোঁ কোন্ সতে? নিজৰ পিতৃব্য-পিতামহ, ভ্ৰাতৃ-বংশধৰ আদিক বধি জয়লাভ কৰি কি লাভ! কিন্তু, কি কৰিম, আগন্তুক ৰণ অনিবাৰ্য্য! যথাক্ষণলৈ ক্ষন্তেক মাথোন বাকী, ক্ষন্তেকৰ পাচতে এই মুখেই ৰণাৰম্ভণ ঘোষণা কৰিব লগাত পৰিম! যি হওক, এই বিষম ক্ষণৰ আগতে মোৰ সেই আত্মীয়-কুটুম্ব, পিতৃব্য-পিতামহ, ভ্ৰাতৃ-বংশধৰসকলৰ লগত শেষবাৰৰ নিমিত্তে সম্প্ৰীতি সাক্ষাৎ কৰি আহোঁগৈ।" এই বুলি পদব্ৰজে বিনাৰক্ষকে ফট্‌ফটীয়া পূৰ্ণিমাৰ জোনাকী সন্ধিয়া ধৰ্ম্মবল যুধিষ্ঠিৰে নিঃশঙ্ক মনেৰে শত্ৰু-শিবিৰত প্ৰৱেশ কৰিলেগৈ। ইফালে চাৰি পাণ্ডৱ মহা চিন্তাত পৰিল,—কোমল অন্তৰৰ অগ্ৰজে জানোবা আৰু কি অপায় মিলায়গৈ বুলি। তেওঁৰ কোমল দয়াৰ্দ্ৰচিত্তৰ কাৰ্য্যফল অনুসৰিয়েই নিজৰ ৰাজ্যধন হেৰুৱাই অশেষ লাঞ্ছনা আৰু দুৰ্গতি সহি এই বিপদত উপস্থিত হব লগীয়া হৈছে; এতিয়া তেওঁৰ সেই কোমলতাই মহাসমৰত কি জানো কি সৰ্ব্বনাশ ঘটায়, এই চিন্তাত চাৰি ভাই বিমোৰ হল। সিবিলাকে অগত্যা চিন্তাহাৰী ভগৱান পৰম মিত্ৰ শ্ৰীকৃষ্ণক মনৰ আশঙ্কা জনালেগৈ। ধৰ্ম্মসৰ্ব্বজ্ঞান হৰি বাসুদেৱে হাঁহি মাৰি এই বুলি সিবিলাকক অভয় দান দি থলে, "কোনো সংশয় নাই, আপদত সৰকিবলৈ ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ বাহ্যিক বলৰ প্ৰয়োজন নাই; তেওঁ আত্মধৰ্ম্মবলেৰেই নিৰাপদে উলটি আহিবগৈ।" শ্ৰীকৃষ্ণৰ আশ্বাসত বিশ্বাস কৰি চাৰি ভাই শান্ত হল। সিফালে কৌৰৱ শিবিৰত গৈ, ধৰ্ম্মৰাজ যুধিষ্ঠিৰে পিতৃব্য ৰজা ধৃতৰাষ্ট্ৰ, পিতামহ ভীষ্ম, অস্ত্ৰগুৰু দ্ৰোণ, ভ্ৰাতৃ দুৰ্য্যোধনাদি সকলোকে যথাযোগ্য সম্ভাষণ কৰি লৈ, ভীষ্মদেৱত উপস্থিত মহাৰণৰ চৰমফল বিষয়ক গোটাদিয়েক

তত্ত্ব-পন্থা উপদেশ প্ৰাৰ্থনা কৰিলে। ভীষ্মদেৱে এই কেইটা কথাৰে সৈতে ধৰ্ম্মপ্ৰাণ যুধিষ্ঠিৰক চমুকৈ তত্ত্বজ্ঞান প্ৰদান কৰি বিদায় দিলে,- "যতে ধৰ্ম্ম, ততে কৃষ্ণ ; যতে কৃষ্ণ, ততে জয়ঃ"।

কৌৰৱ শিবিৰৰপৰা উলটি আহি ধৰ্ম্মৰাজ যুধিষ্ঠিৰে যথাক্ষণত যথাবিধি ৰণাৰম্ভণ ঘোষণা কৰি দিলেহি। ততালিকে পাঞ্চজন্য বাজি উঠিল ; ঢাক-ঢোল, শঙ্খ-ডবা আদি ৰণ-বাদ্যৰ গা-তোলা চেৱে-চেৱে উৎফুল্লীকৃত হৈ পাণ্ডৱবাহিনী ৰণ-অভিমুখে ক্ৰমাৎ আগুৱাবলৈ ধৰিলে। সিফালেও গগণভেদী জয়ধ্বনিৰে শত্ৰুৰ প্ৰাণত আতঙ্ক লগাই কৌৰৱ-বাহিনী আগুৱাই আহি নিৰ্দ্ধাৰিত সীমাত যুদ্ধাৰ্থে সষ্টম হলহি।



কৃষ্ণার্জ্জুন।

# ১০। আপ্ত্যা।

## গীতা-সৃষ্টি।

যুদ্ধকৰ্ত্তা ধৰ্ম্ম-যুধিষ্ঠিৰে ধৰ্ম্মক চিয়াই কুৰুক্ষেত্ৰ-মহাৰণৰ আৰম্ভণ যথাবিধি ঘোষণা কৰি দিলে। সেই অনুসৰি, ৰণক্ষেত্ৰত পোন্-প্ৰথমে গা-দেখা দিবলৈ পাণ্ডৱৰ ঘাই ৰণনেতা অৰ্জ্জুন পাণ্ডৱবাহিনী আৰু কৌৰৱবাহিনীৰ মুখামুখি মধ্যস্থলত অৱতীৰ্ণ হলহি। এনেতে, অৰ্জ্জুনে এই বুলি তেওঁৰ সাৰথি শ্ৰীকৃষ্ণত বিনীত ভাৱে অনুজ্ঞা জ্ঞাপন কৰিলে, "সখি! ক্ষন্তেকমান মোৰ ৰথ উভয় বাহিনীৰ দোমোজাত ৰখোৱাঁচোন, চাই লওঁ মই কাৰ কাৰ লগত ৰণ কৰিব লাগিব; আৰু দুয়োপক্ষৰ সেনাপতিসকলৰ ভিতৰত কোনে কাৰে সৈতে দ্বৈৰথ ৰণ দিবলৈ সক্ষম হৈছে তাকো চাই লওঁ।" সেই অনুজ্ঞা পালন কৰি, সাৰথি বাসুদেৱে অৰ্জ্জুনৰ ৰথ চলাই নি দুয়ো বাহিনীৰ ঠিক সম্-মাজত ৰখালেগৈ। মহাৰথ পাৰ্থবীৰে ধীৰ-স্থিৰভাৱে ৰ-লাগি একান্ত মনেৰে কৌৰৱ আৰু পাণ্ডৱবাহিনীৰ সৈন্য-সামন্ত, সেনানায়কসকল আৰু আত্মীয়-কুটুম্বৰ প্ৰতি পৰম কাৰুণিক দৃষ্টিৰে চাবলৈ ধৰিলে। কুন্তীনন্দন ধনঞ্জয়ে কৌৰৱবাহিনীৰ নেতাসকলৰ মাজত দেখিলে, তেওঁৰ পৰম উপকাৰী পিতামহ ভীষ্মদেৱ, পৰম পূজনীয় শিক্ষাগুৰুদেৱ দ্ৰোণাচাৰ্য্য,

সোদৰপ্ৰতিম মহাবীৰ কৰ্ণ, অগ্ৰজসম যুদ্ধকৰ্ত্তা দুৰ্য্যোধনাদি আত্মীয়-কুটুম্ব-সকল! আনপক্ষত পাণ্ডৱবাহিনীত পৰম পূজনীয় অগ্ৰজদ্বয় আৰু অতি চেনেহৰ অনুজযুগল, পৰম শ্ৰদ্ধেয় বৃদ্ধ শহুৰ দ্ৰুপদ ৰজা, আপদৰ বন্ধু বিৰাটৰাজ, অতি আদৰৰ বৈনাই মহাৰথ ধৃষ্টদ্যুম্ন, পৰম প্ৰিয়পত্নী দ্ৰৌপদীৰ পঞ্চনন্দন, প্ৰাণপ্ৰতিম ভতিজা হিড়িম্বানন্দন ঘটোৎকচ, প্ৰাণাধিক প্ৰিয়তম পুত্ৰ সুভদ্ৰানন্দন অভিমন্যু! এনে স্বতেজী, স্ববংশী, স্বধৰ্ম্মী, অভেদাত্মাস্বৰূপ আত্মীয়-কুটুম্বৰ মাজত প্ৰতিদ্বন্দ্বিতা! ইবিলাকৰ ভিতৰত মৰামৰি-কটাকটি! তেওঁ নিজ হাতে সেই পালক পিতামহক বধিবলৈ অস্ত্ৰ ধৰিব! সেই হাতেৰেই তেওঁৰ ধনুৰ্গুৰু দ্ৰোণাচাৰ্য্যৰ বিৰুদ্ধে ধনু ধৰিব! সেই হাতেই তেওঁৰ অগ্ৰজ সোদৰ অদ্বিতীয় বীৰ কৰ্ণৰ বধক্ৰিয়া সম্পাদন কৰিব! যাৰ সিৰত তেওঁৰে সৈতে একে তেজ প্ৰবাহিত, সেই বংশ-ভাই-বন্ধুবৰ্গৰ প্ৰতি শত্ৰুতাচৰণ কৰি তেওঁ নিজ হাতে সিবিলাকক বধ কৰিব! এনে ভাব অৰ্জ্জুনৰ মনত উতলি উঠিল। তেওঁ সকলো সংকল্প, সকলো কৰ্ত্তব্য ততালিকে পাহৰি পেলালে; এনে ৰণত প্ৰবৃত্ত নহবলৈ বুলি তেওঁ হতাশ হৈ বহিল।

ধৰ্ম্মক্ষেত্ৰ (১) কুৰুক্ষেত্ৰত অৱতীৰ্ণ হৈ বীৰেন্দ্ৰ কেশৰী অৰ্জ্জুন বৈৰাগ্য ভাবত বিহ্বল হৈ নিতান্ত নিৰ্ব্বলীৰ দৰে ৰণবিমুখ হৈ বহি পৰা

---

(১) য'ত ধৰ্ম্মবুদ্ধিহীন লোকৰো অন্তৰত ধৰ্ম্মভাবৰ উদয় হয়, য'ত মানৱ অন্তৰত অস্ফুট ধৰ্ম্ম-প্ৰবৃত্তি প্ৰস্ফুটিত হয়, যি ঠাইৰ স্থানীয় পৱিত্ৰ প্ৰকৃতিৰ প্ৰভাৱত তমগুণী পুৰুষৰ অন্তৰত সত্ত্বগুণৰ বিকাশ হয়, সেই "ধৰ্ম্মক্ষেত্ৰ" কুৰুক্ষেত্ৰ তাৰ ভিতৰত সবাতকৈ বিশিষ্ট। এনে হেন কুৰুক্ষেত্ৰত মহা তমোগুণী বীৰেন্দ্ৰ কেশৰী অৰ্জ্জুন উপস্থিত সময়ত বিচলিত হৈ বৈৰাগ্য ভাবত সত্ত্বগুণবিশিষ্ট হোৱাটো নিচেই স্বাভাৱিক।—শ্ৰীমদ্ভাগবদ্গীতা, প্ৰথম অধ্যায়, ১ম শ্লোক,—গীতাৰ্থ সন্দীপনী।

দেখি কৰ্ত্তব্যপৰায়ণ ভগৱান শ্ৰীকৃষ্ণ বিষম সমস্যাত পৰিল। গতিকে, চক্ৰীচূড়ামণি ভগৱান মাধৱে আত্মজ্ঞান উপদেশৰ অৱতাৰণা কৰিলে। মানৱাত্মাত আত্মজ্ঞানৰ উদয় হলে, সত্ত্ব-ৰজ-তম এই তিনিগুণেই মাৰ যায়। সেই কাৰণে, সৰ্ব্বশাস্ত্ৰবিশাৰদ অদ্বিতীয় ধাৰ্ম্মিক পণ্ডিত শ্ৰীকৃষ্ণদেৱে ত্ৰিগুণাতীত হৈ কৰ্ম্মাশ্ৰমিক বাহ্য ধৰ্ম্মৰ অনুষ্ঠান আৰম্ভ কৰিলে, আৰু আত্মজ্ঞানৰ দ্বাৰাই দেহাত্মবুদ্ধি বিনাশ কৰি অৰ্জ্জুনত ত্ৰিগুণ মায়াবন্ধন কাটিবলৈ প্ৰয়াস পালে। সেই উদ্দেশে শান্তিপ্ৰিয় মাধৱে কৰ্ত্তব্যৰ অনুৰোধত প্ৰাণসখি অৰ্জ্জুনক এই বুলি সম্বোধন কৰিলে,—"হে অৰ্জ্জুন! উপস্থিত মহা সমস্যাত তোমাৰ অন্তৰত এই মায়া-মোহ কৰপৰা আহিল? এনে মোহ, এনে সমস্যা কাচিতো ক্ষত্ৰিয়োচিত নহয়। এনে মায়াত অধৰ্ম্ম আৰু অখ্যাতি হে আছে। এতেকে, হে অৰ্জ্জুন! দুৰ্ব্বল নহবাঁ; এনে দুৰ্ব্বলতা তোমাত সমূলি শোভা নাপায়। উঠাঁ, উঠাঁ, কৰ্ত্তব্যনাশক নীচ দুৰ্ব্বলতা নিলগ কৰি ৰণত প্ৰবৃত্ত হোৱাঁ।"

অৰ্জ্জুনে সকাতৰে এই বুলি উত্তৰ দিলে, "হে কৃষ্ণ! আত্মীয়-স্বজন, বংশ-পৰিয়াল আৰু গুৰুজনক ৰণক্ষেত্ৰত সমবেত হোৱা দেখি মোৰ সৰ্ব্বাঙ্গ অৱসন্ন হৈ পৰিছে, শোক-অনুমাণত মুখ শুকাই আহিছে, গোটেই শৰীৰ কঁপিবলৈ ধৰিছে, প্ৰাণ ৰোমাঞ্চিত হৈছে; হাতৰপৰা গাণ্ডীৱ ধনু সৰি পৰিছে, আৰু গাৰ ছাল ৰম্‌ৰমাব লাগিছে (১)। হে কেশৱ! মোৰ স্থিৰেৰে ৰবৰ শক্তি লোপ পাইছে, মোৰ মূৰ ঘূৰিব লাগিছে, মই সৰ্ব্বত্ৰতে অপায়-অমঙ্গলৰ প্ৰত্যক্ষ নিদৰ্শন দেখা পাইছোঁ (২)। উপস্থিত ৰণত আত্মীয়-কুটুম্বসকলক বধ কৰিলেও তাৰপৰা কোনো শুভফল লাভ হব বুলি মোৰ মনে নধৰে। হে কৃষ্ণ! মই বিজয় কামনা নকৰোঁ, আৰু

(১) শ্ৰীমদ্ভাগৱদগীতা, প্ৰথম অধ্যা, ২৯ শ্লোক।

(২) গীতা, প্ৰথম অধ্যা, ৩০ শ্লোক।

· ৰাজ্যভোগ সুখলৈকো মোৰ আকাংক্ষা নাই (১)। হে গোবিন্দ! আমাৰ ৰাজ্যৰেইবা কি প্ৰয়োজন? আৰু, জীৱনধৰাৰেই বা আমাৰ ফল কি? যিহেতু, যাৰ নিমিত্তে ৰাজ্যভোগ আৰু সুখ কামনা কৰা যায়, সিবিলাকেইচোন ৰণত উপস্থিত (২)। সৌৱা মোৰ গুৰুজন, পিতৃব্যসকল, পুত্ৰগণ; সেয়া পিতামহ, শহুৰ, মোমাই, নাতি-পুতি আৰু জেঠেৰি-বৈনাই-খুলশালি প্ৰভৃতি; তদুপৰি, সমস্ত আত্মীয়-কুটুম্বাদি সকলোৰেই ধনৰ মমতা আৰু প্ৰাণৰ মায়া ত্যাগ কৰি ৰণত অৱস্থিত হৈছেহি। এতেকে, হে মধুসূদন! মোক বধ কৰিলেও সিবিলাকক বধিবলৈ মোৰ মত নাযায় (৩)! পৃথিবীৰ ৰাজত্ব হে নালাগে, ত্ৰৈলোক্য ৰাজ্যলাভাৰ্থেও ইবিলাকক মই বধ কৰিব নোৱাৰোঁ। হে জনাৰ্দ্দন! দুৰ্য্যোধনাদিক হত্যা কৰি নো আমাৰ কি সুখ হব (৪)? হে মাধৱ! দুৰ্য্যোধনাদিয়ে লোভত পাপ কৰিবলৈ উদ্যত হৈছে যদিও, আমি কুলক্ষয়-জনিত পাপ (৫) আচৰোঁ কিয়? কুলক্ষয় হলে সনাতন কুলধৰ্ম্ম সমূহ বিনষ্ট হয় (৬); আৰু কুলধৰ্ম্ম নষ্ট হলে অৱশিষ্ট সমস্ত কুল

---

(১) শ্ৰীমদ্ভাগৱদ্গীতা প্ৰথম আধ্যা, ৩১ শ্লোক।

(২) গীতা, প্ৰথম আধ্যা, ৩২ শ্লোক।

(৩) গীতা, প্ৰথম আধ্যা, ৩৩ আৰু ৩৪ শ্লোক।

(৪) গীতা, প্ৰথম আধ্যা, ৩৫ শ্লোক।

(৫) প্ৰকৃততে, আত্মীয়-কুটুম্বাদিক ৰণক্ষেত্ৰত সমবেত দেখি অৰ্জ্জুন শোক-মোহাচ্ছন্ন হোৱা নাই; সত্বগুণৰ প্ৰভাৱত বৈৰবুদ্ধি নাশ হোৱা হেতুকেহে তেওঁৰ হিংসাপূৰ্ণ ৰণপ্ৰবৃত্তি স্বভাৱতে শামকাটি আহিল। আৰু, সত্বগুণৰ প্ৰভাৱত শত্ৰুৰ প্ৰতি মিত্ৰভাৱে চালেই ৰণলীপ্সা আপোনা-আপুনি মাৰ যায়।

—কৃষ্ণানন্দস্বামিকৃত গীতাৰ্থ সন্দীপনী।

(৬) গীতা, প্ৰথম আধ্যা, ৩৬—৩৯ শ্লোক।

অধৰ্ম্মত অভিভূত হয়। এতেকে, হে জনাৰ্দ্দন! কুলক্ষয়জনিত পাপ দেখিও আমি তাৰপৰা নিলগ নহম কিয়? হে বৃষ্ণিকুলতিলক! শুনিছোঁ, কুলধৰ্ম্ম অধৰ্ম্মত পতিত হলে কুলনাৰীগণ ভ্ৰষ্টাচাৰিণী হয়; সেয়ে হলে, কুলত কলঙ্কস্বৰূপ বৰ্ণসঙ্কৰৰ উদ্ভৱ হয় (১)। তাৰ ফলত পিতৃ-পিতামহসকলৰ সদ্গতি নহৈ, সিবিলাকৰ স্বৰ্গীয় আত্মা ক্ৰমাৎ নৰকগামী হয় (২)। আৰু, তাৰ ফলত কুলনাশকগণৰ জাতিধৰ্ম্ম, সনাতন কুলধৰ্ম্ম আৰু আশ্ৰমধৰ্ম্ম একেবাৰে উচ্ছিন্ন হয় (৩)। তদুপৰি, হে জনাৰ্দ্দন! শুনিছোঁ, বোলে যাৰ কুলধৰ্ম্ম আৰু জাতিধৰ্ম্ম বিনষ্ট হয়, সেইবিলাক মানৱাত্মা সৰ্ব্বতিকাল নৰকত পৰি থাকে (৪)। হাঁয়, কি কষ্ট! আমি কি যে মহাপাপ আচৰিবলৈ উদ্যত হৈছোঁ! যিহেতু আমি ৰাজ্যসুখ-লোভত পৰি আত্মীয়বৰ্গক বধিবলৈ আগ বাঢ়িছোঁ (৫)। মোৰ মনেৰে, মোক যদি নিৰস্ত্ৰ অৱস্থাত সশস্ত্ৰ দুৰ্য্যোধনাদি ধৃতৰাষ্ট্ৰৰ পুত্ৰগণে বধ কৰে, তেন্তে সি মোৰ কল্যাণৰ অৰ্থে হে (৬)।" ইয়াকে কৈ অৰ্জ্জুনে ৰণক্ষেত্ৰত শৰ-ধনু পৰিত্যাগ কৰি শোকাকুল চিত্তেৰে ৰথৰ ওপৰত বহি পৰিলগৈ (৭)। দেখি-শুনি সকলো বিচূৰ্ত্তি হল। সকলোৰেই সেই বিষম সমস্যাৰ পাৰ ক'ত তাক সূক্ষ্ম দৃষ্টিৰে মনি চাবলৈ ধৰিলে। সকলোৰেই ভাবি পালে যে, সেই অপাৰ সমস্যাৰ পাৰ কেৱল

---

(১) শ্ৰীমদ্ভাগৱদ্গীতা, প্ৰথম অধ্যা, ৪০ শ্লোক।

(২) গীতা, প্ৰথম অধ্যা, ৪১ শ্লোক।

(৩) গীতা, প্ৰথম অধ্যা, ৪২ শ্লোক।

(৪) গীতা, প্ৰথম অধ্যা, ৪৩ শ্লোক।

(৫) গীতা, প্ৰথম অধ্যা, ৪৪ শ্লোক।

(৬) গীতা, প্ৰথম অধ্যা, ৪৫ শ্লোক।

(৭) গীতা, প্ৰথম অধ্যা, ৪৬ শ্লোক।

ভগৱান শ্ৰীকৃষ্ণৰ অদ্ভুত প্ৰতিভাত বাজে আন কাৰো চিন্তাশক্তিয়ে ধুকি পোৱাটো সম্ভৱপৰ নহয়। গতিকে, সকলোৱেই অতি ব্যাকুল আৰু সন্দিহান চিত্তেৰে ভগৱান কেশৱৰ চেষ্টাচৰিতৰ প্ৰতি লক্ষ্য কৰিবলৈ ধৰিলে। (১)

(১) কিন্তু, কৃষ্ণানন্দস্বামীকৃত গীতাৰ্থসন্দীপনী মতে, অৰ্জ্জুনৰ ৰথ দুয়ো সেনাদলৰ মাজত অৱস্থিত কৰাৰ হেতুকে পাণ্ডৱ পক্ষীয় কেৱে ভগৱান শ্ৰীকৃষ্ণক দেখা নাপাইছিল ; কৌৰৱ পক্ষে ভগৱান শ্ৰীকৃষ্ণক সমুখতে পাইছিল সঁচা, কিন্তু অৰ্জ্জুনৰ দৰে প্ৰাণসখি ভাৱে নেদেখি শত্ৰুভাৱে দেখিছিল। গতিকে, সত্বগুণৰ অভাৱত কৃষ্ণকৃত গীতা ব্যাখ্যানৰ মৰ্ম্ম সিবিলাকে উপলব্ধি কৰিব নোৱাৰিছিল, আৰু অৰ্জ্জুনে ৰণ নকৰে বুলি ৰহা দেখি সিবিলাক আনন্দিত হৈছিল ; মাথোন, সঞ্জয়ে সৰ্ব্বজ্ঞান জ্ঞানেৰে উপলব্ধি কৰি ইয়াৰ তথ্য অন্ধৰজা ধৃতৰাষ্ট্ৰক জনাই আছিল।

# ১১। আধ্যা।

## আত্মাতত্ত্ব আৰু কৰ্ত্তব্যজ্ঞান।

ভগৱান শ্ৰীকৃষ্ণ মহাচিন্তাত পৰিল। যুৰকত যুদ্ধ নকৰোঁ বোলা অৰ্জ্জুনৰ থাতাং সমিচাৰে চিন্তাহাৰী ভগৱান মধুসূদনকো চিন্তাকুল কৰিলে। এনে অপাৰ সমস্যাৰ পাৰ উলিয়াবলৈ তেওঁ অভাবনীয় ভাবনা ভাবিব লগাত পৰিল। সেই উদ্দেশে তেওঁৰ মনে ত্ৰিভুবন ভ্ৰমণ কৰিবলৈ ধৰিলে। কিন্তু, ভিতৰি গভীৰ ভাবনাত মগ্ন যদিও, বাহিৰে সদানন্দ দৈৱকীনন্দন আনন্দময়। তেওঁ উলাহ-লগা মৌ-মাতেৰে প্ৰাণসখি অৰ্জ্জুনক পুনৰপি এই বুলি উদগাবলৈ ধৰিলে, "হে পাৰ্থ! তুমি কাতৰ নহবা। কাতৰ ভাৱ তোমাত শোভা নাপায়। হে শত্ৰুসন্তাপক বীৰ্য্যৱন্ত বীৰ! ক্ষুদ্ৰহৃদয়ৰ দুৰ্ব্বলতা পৰিত্যাগ কৰি ৰণলৈ গাত্ৰোত্থান কৰা (১)।" এইভাৱে বিবিধ ভাউতিৰে বাসুদেৱে বাৰম্বাৰ উদগনি দিয়াৰ ফলত, কিংকৰ্ত্তব্যবিমূঢ় অৰ্জ্জুনে অগত্যা শ্ৰীকৃষ্ণৰ ওচৰত সখিত্ব এৰি শিষ্যত্ব গ্ৰহণ কৰি "শ্ৰেয়ঃ" (২) উপদেশ প্ৰাৰ্থনা কৰিবলৈ উদ্যত হল; কিয়নো,

---

(১) শ্ৰীমদ্ভাগৱত-গীতা, ২য় আধ্যা, ৩য় শ্লোক।

(২) শ্ৰেয়ঃ উপদেশ দুবিধ; এবিধ ঐকান্তিক আৰু ইবিধ আত্যন্তিক। যাৰ শুভলাভত অনিশ্চয়ত্ব আৰু লাভ হলেও তাত অস্থায়িত্ব থাকে, সেয়ে ঐকান্তিক; আৰু যি নিশ্চয় শুভদায়ক, আৰু যি শুভ কাচিতো বিকৃত নহয়, সেয়ে আত্যন্তিক।— কৃষ্ণানন্দস্বামিকৃত গীতা-সন্দীপনী; গীতা, ২য় আধ্যা, ৭ম শ্লোক।

শিষ্য হৈ জিজ্ঞাসু নহলে শ্ৰুতিসিদ্ধ নিয়মমতে উপদেষ্টাই ব্ৰহ্মবিদ্যাৰ শিক্ষা দান নকৰে। গতিকে, অগত্যা পাৰ্থবীৰে নিতান্ত নিৰ্জ্জুভাৱে ভগৱান শ্ৰীকৃষ্ণত এই বুলি নিবেদন কৰিলে, "হে মাধৱ! মই অজ্ঞান-জনিত নীচতাদোষত কলুষিতচিত্ত আৰু ধৰ্ম্মবুদ্ধিবিমূঢ় হৈ তোমাত প্ৰাৰ্থনা জনাইছোঁ, যি আমাৰ মঙ্গলকৰ হব, তাকে কৰিবলৈ মোক শ্ৰেয়ঃ উপদেশ দান কৰাঁ। মই শিষ্যত্ব গ্ৰহণ কৰি তোমাৰ শৰণাগত হৈছোঁ; তুমি মোক শ্ৰেয়ঃ সাধনৰ যথাৰ্থ উপদেশ প্ৰদান কৰাঁ (১)।"

অৰ্জ্জুনৰ অনুৰোধ ৰক্ষাৰ্থে হৃষীকেশে (২) উপহাসৰ ছলেৰে হাঁহি হাঁহি দুয়ো সৈন্যদলৰ মধ্যস্থিত বিষাদগ্ৰস্ত অৰ্জ্জুনক বাঞ্ছিত শ্ৰেয়ঃ উপদেশ দিবলৈ এই বুলি আৰম্ভ কৰিলে (৩), "হে অৰ্জ্জুন! তুমি অনুশোচনাৰ অযোগ্য গণৰ কাৰণে অনুশোচনা কৰিছাঁ; আৰু পণ্ডিতৰ দৰে কথা কৈছাঁ, কিন্তু কাৰ্য্যত অনাত্মজ্ঞৰ চিনাকি দিছাঁ। কিয়নো, পণ্ডিতে মৃত বা জীবিত বন্ধুৰ কাৰণে শোক প্ৰকাশ নকৰে (৪)।" "নৰকে নিত্যং বাসঃ" এনে ভাব প্ৰকাশেৰে অৰ্জ্জুনে এহাতে দেহৰপৰা আত্মাক স্বতন্ত্ৰ বুলি স্বীকাৰ কৰি পাণ্ডিত্য দেখুৱাইছে, আনহাতে স্থূলদেহাৰ লগতে যে সূক্ষ্মদেহা আৰু আত্মাৰ বিনাশ নহয় সেইটো বুজিও নুবুজি শোকাকুল হৈছে। সেইবাবে তেওঁ নিজক অজ্ঞান যেন বুজাইছে। ইয়াৰ পাচত, ভগৱান শ্ৰীকৃষ্ণই এটাৰ পাচত আন এটাকৈ আত্মতত্ত্ব আৰু

---

(১) গীতা, ২য় আধ্যা. ৭ম শ্লোক।

(২) ইন্দ্ৰিয়নিয়ন্তা শ্ৰীকৃষ্ণ।—গীতা, কৃষ্ণানন্দস্বামিকৃত অন্বয়বোধিনী, ১০ম, শ্লোক।

(৩) এয়ে গীতা-সৃষ্টিৰ আঁতি-গুৰি। এইখিনিৰপৰাই প্ৰথমে ভগৱান শ্ৰীকৃষ্ণই আত্মতত্ত্ব আৰু কৰ্ত্তব্যজ্ঞান ব্যাখ্যান আৰম্ভ কৰে।

(৪) গীতা, ২য় আধ্যা, ১১শ, শ্লোক।

কৰ্ত্তব্যজ্ঞান এইদৰে ব্যাখ্যা কৰি যাবলৈ ধৰিলে, "হে অৰ্জ্জুন! ইতিপূৰ্ব্বত যে মই কেতিয়াও নাছিলোঁ এনে নহয়, তুমিও যে নাছিলা সিও নহয়, এই সমবেত ভূপতিগণ যে নাছিল সেইটোও নহয়; ইয়াৰ পাচতো যে মই, তুমি আৰু এই ৰাজন্যবৰ্গ নাথাকিমহঁক তেনেও নহয়। প্ৰকৃততে আমি আগেয়েও আছিলোঁ, এতিয়াও আছোঁ আৰু আগলৈকো অটুটভাৱে বিদ্যমান থাকিম। দেহীৰ একেটা দেহাতে যেনেকৈ কৌমাৰ, যৌৱন আৰু জৰা লক্ষিত হোৱাটো আচৰিত নহয়, এটা দেহা এৰাৰ পাচত আত্মাই অন্য এটা দেহাধাৰণ কৰাও তেনেকৈয়ে নোহোৱা-কথা নহয়; গতিকে জ্ঞানী লোকে এনে দেহা-সলনিত বিমুগ্ধ বা বিচলিত নহয় (১)। কাৰণ, একে আত্মাই বিভুৰূপে সকলো দেহাতে বিৰাজমান। লৰাকালত যি আত্মা, ডেকাকালতো সেই আত্মা, বুঢ়া কালতো সেই আত্মাই। আত্মাৰ অন্যথা নহয় (২)। যিজনক সংসাৰত ইন্দ্ৰিয়বৃত্তি বা বিষয়ৰ স্পৰ্শে বিচলিত কৰিব নোৱাৰে, আৰু যি ধীৰলোকৰ মানত সুখ আৰু দুখ সমান, তেওঁৱেই হে ধৰ্ম্মজ্ঞানৰ বলত মোক্ষলাভৰ উপযোগী হয় (৩)। অনেকে অন্তঃকৰণৰ ক্ৰিয়াকে (৪) আত্মাৰ ক্ৰিয়া বুলি ভাবে; কিন্তু সেইটো সিবিলাকৰ ভ্ৰম। যি অসৎ তাৰ অস্তিত্ব নাই, আৰু যি সৎ তাৰ অভাব নাই; তত্ত্বদৰ্শী পুৰুষ-সকলে সত্যাসত্য নিৰ্ণয় এইদৰেই কৰিছে। যি আত্মা এই দৃশ্যমান জগতত পৰিব্যাপ্ত, তেওঁৰ বিনাশ নাই; এই অব্যয়ৰূপ কেৱে বিনাশ কৰিব

(১) গীতা, ২য় আধ্যা, ১২শ, আৰু ১৩শ, শ্লোক।

(২) কৃষ্ণানন্দস্বামিকৃত গীতাৰ্থ সন্দীপনী গীতা, ২য় আধ্যা, ১৩শ শ্লোকৰ টিপনী ব্যাখ্যা।

(৩) গীতা, ২য় আধ্যা, ১৫শ, শ্লোক।

(৪) অন্তঃকৰণ :—মন, বুদ্ধি, চিত্ত আৰু অহঙ্কাৰ।

নোৱাৰে। যি সৎ সি নিত্য, অব্যয় আৰু অনন্ত। দেহী আত্মা অবিকাৰী, অবিনাশী আৰু অপৰিচ্ছন্ন। এই নশ্বৰ দেহাসমূহ আত্মাৰ বাসস্থান মাথোন। এতেকে, হে ভাৰত! তুমি যুদ্ধ কৰাঁ। যি আত্মাক হন্তা বুলি ভাবে, আৰু যি আত্মাক বিনষ্ট বুলি বিশ্বাস কৰে, সিবিলাক দুয়ো মতাৱলম্বীয়েই আত্মানভিজ্ঞ; কিয়নো আত্মাই কাকো আহত নকৰে, আৰু কাৰো দ্বাৰাই আত্মা নিহত নহয়। দেহাত্মাভিমানীগণে মাথোন আত্মাৰ বিনাশ আশঙ্কা কৰে; কিন্তু আত্মা অচ্ছেদ্য, অভেদ্য আৰু সৰ্ব্বত্ৰ স্বতন্ত্ৰ। আত্মাৰ আচলতে জনমো নাই, মৰণো নাই, নাইবা বাৰংবাৰ উৎপন্ন হৈ বিনাশপ্ৰাপ্তও নহয়। এতেকে, আত্মা জন্মৰহিত, সততে একৰূপী, বিকাৰশূন্য, অপৰিণামী; গতিকে, দেহাৰ লগতে আত্মাৰো বিনাশ নহয়। হে অৰ্জ্জুন! আত্মা যি স্থলত কোনো আকাৰ-বিকাৰৰেই (১) তল নহয়, সেই স্থলত অস্ত্ৰৰ দ্বাৰাই দেহা বিনষ্ট হলেও আত্মা বিনষ্ট নহয়। এতেকে, উঠাঁ, তুমি ৰণবিমুখ নহবাঁ। যি জনে আত্মাক অবিনাশী, নিত্য আৰু জন্ম-ক্ষয়ৰহিত বুলি জানে, হে পাৰ্থ! সেইজনে কিয় বা কেনেকৈ বা কাক বধ কৰিব? আৰু স্বয়ং উদ্যত হৈ কিয় বা কাক বধ কৰাব (২)? অৰ্থাৎ, যি জ্ঞানীলোকে সৰ্ব্বব্যাপী পৰমাত্মা নিজতো আৰু অপৰতো সমভাৱে বিদ্যমান বুলি জানে, তেওঁ নিজে নিজকে মাথোন কোনো সজ উদ্দেশ্যে দেহান্তৰ কৰে। তাৰপৰা পাপ নহৈ বৰঞ্চ পুণ্য হে লাভ হয়।"

"হে অৰ্জ্জুন! মানুহে যেনেকৈ জীৰ্ণ বস্ত্ৰাদি পৰিত্যাগ কৰি নতুন বস্ত্ৰাদি পৰিধান কৰে, সেইদৰেই দেহধাৰী আত্মায়ো জীৰ্ণ দেহ পৰিত্যাগ কৰি নতুন দেহ ধাৰণ কৰে। এতেকে, অনেক তপস্যা আৰু সৎকাৰ্য্যৰ

(১) বিকাৰ :—জন্ম, অস্তিত্ব, বৃদ্ধি, বিপৰিনাম, অপক্ষয় আৰু বিনাশ।

(২) গীতা, ২য় আধ্যা, ১৬—২১ শ্লোক।

অনুষ্ঠানৰ বলত ভীষ্মাদিয়ে যি পুণ্যতনু ধাৰণ কৰিছে, সেই তনু বৃদ্ধ বয়সত জীৰ্ণ হবলৈ ধৰিছে ; গতিকে সেই পুণ্যৰ ফল স্বৰূপেই সিবিলাকে নতুন তনু লাভ কৰিবৰ সময় চাপিছে। এতেকে, এই সময়ত সিবিলাকক বধ কৰি নতুন নতুন তনু লাভলৈ কাল চপাই দিব পাৰিলে তুমি সিবিলাকৰ উপকাৰ কৰাহে হব। যদি সেয়ে হয়, এই যুদ্ধত তোমাৰ হাতত সিবিলাকৰ দেহা হে পতন হব, আত্মাৰ লেশমাত্ৰও ক্ষয় নহয় ; কিয়নো এই আত্মাক অস্ত্ৰেও কাটিব নোৱাৰে, পানীয়েও তিয়াব নোৱাৰে, জুয়েও পুৰিব নোৱাৰে, বায়ুৱেও শুকুৱাব নোৱাৰে। আত্মা কাটিব পৰা বস্তু নহয়, তিয়াব পৰা বস্তু নহয়, পুৰিব পৰা বস্তু নহয়, ই শুকুৱাব পৰা বস্তুও নহয় ; ই অবিনাশী, সৰ্ব্বব্যাপী, স্থিৰ, অপৰিবৰ্ত্তনশীল আৰু অনাদি। স্বৰূপত আত্মা অব্যক্ত, অচিন্ত্য আৰু অবিকাৰ্য্য। ই মনৰ অগোচৰ, জ্ঞানেন্দ্ৰিয়ৰ অগোচৰ, আৰু কৰ্ম্মেন্দ্ৰিয়ৰো অগোচৰ। এতেকে, হে পাৰ্থ ! এনে আত্মা বিনাশৰ মিছা আশঙ্কাত তুমি ব্যাকুল নহবা।" (১)

"ইমানতো যদি আত্মাক জনমশীল আৰু মৰণশীল বুলি মানিব খোজা, তেনেহলেও, হে মহাবাহো ! তুমি সেইবাবে শোক কৰা কৰ্ত্তব্য নহয়। কিয়নো জন্মিলেই মৰিব লাগে, সেইটো ধ্ৰুৱ যেতিয়া, তেনে অপৰিহাৰ্য্য বিষয়ত লাগি অনৰ্থক শোক কৰা কোনোমতেই উচিত নহয়। আৰু, যদি বাসনা পূৰ্ণ নৌ হওঁতেই কাৰো মৃত্যু হয়, তেন্তে তাৰ পুনৰ্জন্ম অৱশ্যম্ভাবী। এতেকে, সেইদৰে হলেও, উপস্থিত ৰণত তোমাৰ প্ৰিয়জনৰ মৰণ মিলিলেও শোকৰ কাৰণ নাথাকে (২)।"

---

(১) গীতা, ২য় আধ্যা, ২২—২৫ শ্লোক।

(২) গীতা, ২য় আধ্যা, ২৬—২৮ শ্লোক।

"হে ভাৰত ( অৰ্জ্জুন )! ভূতসকল ( জীৱগণ ) আদিম ( জন্মৰ পূৰ্ব্বে ) আৰু অন্তিম ( মৰণৰ পাচত ) অৱস্থাত অব্যক্ত ভাবাপন্ন থাকে; মধ্যাৱস্থাত ( জীৱদ্দশাত ) ব্যক্ত থাকে। ভীষ্মাদি দেহী মাত্ৰৰে সেই দশা। এতেকে, মৰণ ভাবনাত শোক কৰাৰ প্ৰয়োজন কি? কোনোৱে আত্মাক আশ্চৰ্য্যৱত দেখে; কোনোৱে আত্মাক আশ্চৰ্য্যৰূপে বৰ্ণনা কৰে, কোনোৱে বা এই আত্মতত্ত্ব আশ্চৰ্য্যভাৱে শ্ৰৱন কৰে, আৰু কোনোৱে বা সেই তত্ত্ব শ্ৰৱন কৰিও আত্মাৰ স্বৰূপতাৰ বিষয় জ্ঞাত হবগৈ নোৱাৰে। এই অদ্ভুত পৰমাত্মা সকলো জীৱাত্মাত নিত্য আৰু অবধ্যভাৱে বিদ্যমান থাকে; এতেকে, হে ভাৰত! যেই-সেই প্ৰাণীৰে প্ৰাণনাশ হোৱা দেখি বা তাৰ আশঙ্কা মানি তুমি কাতৰ হোৱা কৰ্ত্তব্য নহয়।" (১)

তাৰ পাচত, সৃষ্টি-স্থিতি-প্ৰলয়ৰ তত্ত্বভেদী সৰ্ব্বশাস্ত্ৰবিশাৰদ ভগৱান শ্ৰীকৃষ্ণই ধৰ্ম্মৰাজ্য স্থাপনৰ অৰ্থে পাণ্ডৱ পক্ষীয় একমাত্ৰ বীৰ, যি অজেয় ভীষ্ম আৰু কৰ্ণক জয় কৰিব পাৰে, সেই অৰ্জ্জুনক পুনৰপি এই বুলি কৰ্ত্তব্যজ্ঞানৰ উপদেশ দিবলৈ ধৰিলে, "হে অৰ্জ্জুন! স্বধৰ্ম্মৰ ফালে চালেও তোমাৰ হৃৎকম্প হোৱাৰ কাৰণ নাই; কিয়নো ধৰ্ম্মযুদ্ধতকৈ শ্ৰেয়ঃ কৰ্ত্তব্য ক্ষত্ৰিয়ৰ পক্ষে আন একো হব নোৱাৰে। এটা প্ৰাণী ৰক্ষা অৰ্থত আন এটা প্ৰাণী হত্যা কৰা বুজায়; সেইদৰেই ধৰ্ম্ম সাধনৰ অৰ্থে ধৰ্ম্ম যুদ্ধত প্ৰবৃত্ত হোৱাটো ক্ষত্ৰিয়ৰ পক্ষে অপৰিহাৰ্য্য কৰ্ত্তব্য। হে পাৰ্থ! এনে অযাচিতে লাভ হোৱা জপনাহীন স্বৰ্গদ্বাৰৰ হেন ধৰ্ম্মযুদ্ধ ভাগ্যৱান ক্ষত্ৰিয়সকলৰ পক্ষে হে সম্ভৱ। বিশেষতঃ অৱশ্যম্ভাবী উপস্থিত যুদ্ধ তোমাৰ স্বকৃত নহয়, কৌৰৱগণৰ দুষ্টবুদ্ধি আৰু উদ্যমৰ ফলত হে ই সংঘটিত হৈছে। গতিকে, এই ৰণত বিমুখ

(১) গীতা, ২য় আধ্যা, ২৯—৩০ শ্লোক।

হলে তুমি কৰ্ত্তব্যৰপৰা পিছলি পৰাটো হে হব। আৰু, ভাবি চোৱাঁ, এই যুদ্ধত জয় হলে মান, গৌৰৱ, যশস্যা আৰু ৰাজ্য লাভ; আৰু পতন হলেও ধ্ৰুৰূপ স্বৰ্গলাভ। এতেকে, এই ধৰ্ম্মযুদ্ধত (১) পৰাঙ্মুখ হলে তোমাক কৰ্ত্তব্যহানিৰ পাপে ছুব; কিয়নো স্বধৰ্ম্ম আৰু কীৰ্ত্তি স্বইচ্ছাৰে পৰিত্যাগ কৰিলে পাপভাগী হব লগীয়া হয়। তদুপৰি, এই ধৰ্ম্মযুদ্ধ তুমি আপোন ইচ্ছাৰে পৰিত্যাগ কৰিলে তোমাৰ কীৰ্ত্তিনাশ হব। তেতিয়া সকলোৱেই তোমাৰ অপযশ ৰটিব। হে অৰ্জ্জুন! তোমাৰ তুল্য শৌৰ্য্য, বীৰ্য্য, ধৰ্ম্মনিষ্ঠা আদি বিবিধ গুণেৰে বিভূষিত শ্ৰেষ্ঠ পুৰুষৰ পক্ষে কীৰ্ত্তিনাশতকৈ মৰণেই শ্ৰেয়ঃ। ৰণক্ষেত্ৰত অৱতীৰ্ণ হৈ এতিয়া তুমি ৰণ নিদিয়াকৈ আঁতৰি গলে, যি সকল তোমাৰ সমনীয়া মহাৰথে তোমাক মান কৰিছিল, সেই সকলেও তোমাক ভয়াতুৰ বুলি নিন্দা হে কৰিব। তাৰ দ্বাৰাই তোমাৰ বিষম লঘুতা প্ৰকাশিত হব। আৰু, দুৰ্য্যোধনাদি তোমাৰ শত্ৰুপক্ষীয়গণেও তোমাৰ সামৰ্থ্য হেয়জ্ঞান কৰি তোমাক উপহাস কৰিবলৈ বাকী নথয়। ইয়াতকৈ অধিক মনস্তাপ আৰু অপমান তোমাৰ পক্ষে আৰু কি হব পাৰে? ভীষ্মাদি আত্মীয় বধৰ কষ্টতকৈও ই কষ্টকৰ হব।" (২)

শ্ৰীকৃষ্ণৰ যুক্তি অকাট্য বুলি মানিবলৈ অৰ্জ্জুন বাধ্য হল। কিন্তু, সিমানতো তেওঁ নিজৰ অন্তৰক বুজাব পৰা নাই। এহাতে গুৰুজন আৰু আত্মীয়-কুটুম্বাদিক বধ কৰা অসহনীয় ভাব, আনহাতে চক্ৰীচূড়ামণি

(১) ধৰ্ম্মযুদ্ধৰ যাই লক্ষণ:—ৰথবিহীন যোদ্ধাক ৰথীয়ে আহত নকৰে; নজঠা, নপুংসক, ৰোগী, শৰণাগত, অস্ত্ৰবিহীন, যুদ্ধদৰ্শনাৰ্থী, যুদ্ধপৰীক্ষক, ভয়াতুৰ আৰু পলৰীয়াৰ প্ৰতি ৰথীয়ে অস্ত্ৰ প্ৰহাৰ নকৰে।

(২) গীতা, ২য় আধ্যা, ৩১—৩৬ শ্লোক।

শ্ৰীকৃষ্ণৰ অকাট্য যুক্তি! অৰ্জ্জুন কিংকৰ্ত্তব্যবিমূঢ়! এনে সমস্যাৰপৰা উদ্ধাৰ কৰাৰ উদ্দেশ্যে ভগৱান বাসুদেৱে পুনৰপি অৰ্জ্জুনক এই বুলি উদগনিৰ বুজনি দিলে, "হে কুন্তীনন্দন! তুমি বিমোৰ নহবাঁ। মই ইয়াৰ আগেয়েই কৈ আহিছোঁ যে, উপস্থিত ধৰ্ম্মযুদ্ধত তোমাৰ মৰণ মিলে যদি তোমাৰ স্বৰ্গলাভ নিশ্চয়; আৰু জয়ী হব পাৰাঁ যদি তোমাৰ নিষ্কণ্টক ৰাজ্যলাভ। দুয়োহাতে তোমাৰ মঙ্গল। এতেকে, শোক, চিন্তা আৰু সংশয় পৰিত্যাগ কৰি, তুমি স্থিৰনিশ্চয় হৈ ৰণৰ উদ্দেশে গাত্ৰোত্থান কৰাঁ (১)।" কিন্তু, সিমানতো অৰ্জ্জুনক চিন্তিত দেখি, ভগৱান দৈৱকীনন্দনে আপোনাৰ শিষ্য-সখি কুন্তীনন্দনক অনতিপলমে চৰম কৰ্ত্তব্যজ্ঞান জ্ঞাপন কৰিলে, 'সুখদুঃখে সমে কৃত্বা লাভালাভৌ জয়াজয়ৌ। ততো যুদ্ধায় যুজ্যস্ব নৈবং পাপমবাপ্স্যসি॥' অৰ্থাৎ, সুখ আৰু দুখ, লাভ আৰু অলাভ, জয় আৰু পৰাজয় সবাৱকে সমভাৱে চাই লৈ, তাৰ পাচত তুমি যুদ্ধত প্ৰবৃত্ত হোৱাঁ, তাৰ বাবে তুমি পাপভাগী হব নালাগিব। মুঠতে, তুমি সুখৰো কামনা নকৰিবাঁ, দুখৰ আশঙ্কাতো সঙ্কুচিত নহবাঁ; যুদ্ধত যে তোমাৰ লাভ হব সেইটোও নাভাবিবাঁ, অলাভ যে হব তাকো মনলৈ নানিবাঁ; আৰু উপস্থিত মহাৰণত যে তোমাৰ জয় তাকো আশা নকৰিবাঁ, পৰাজয় যে হব তাকো মনত ঠাই নিদিবাঁ। সেয়ে হলেই গুৰুজন আৰু জ্ঞাতিবধৰ পাপে তোমাক নাপায়।" (২)

---

(১) গীতা, ২য় আধ্যা, ৩৭ শ্লোক।

(২) গীতা, ২য় আধ্যা, ৩৮ শ্লোক।

# ১২। আধ্যা।

## নিষ্কাম কৰ্ম্মযোগ।

আত্মজ্ঞান ব্যাখ্যান শুনি অৰ্জ্জুনৰ সম্যক্ চেতনা হোৱা নাই যেন জানি, ভগৱান শ্ৰীকৃষ্ণই তেওঁক পৰমাত্মাতত্ত্বজ্ঞান আয়ত্ত কৰাবৰ অৰ্থে নিষ্কাম কৰ্ম্মযোগৰ ব্যাখ্যা শুনাবলৈ পুনৰপি এই বুলি আৰম্ভ কৰিলে, "হে পাৰ্থ! তোমাক আত্ম-তত্ত্ব আৰু কৰ্ত্তব্য-জ্ঞানৰ উপদেশ যি হয় শুনালোঁ, এতিয়া কৰ্ম্মযোগ ব্যাখ্যা কৰোঁ, শুনিবাঁ। ইয়াক আয়ত্ত কৰিব পাৰিলে, কৰ্ম্মবন্ধৰপৰা তুমি মুক্ত হবাঁ। এই ব্যাখ্যাত নিষ্কাম কৰ্ম্মযোগৰ ব্যাখ্যা কৰা হব। এই নিষ্কাম কৰ্ম্মযোগৰ ফল কেতিয়াও নেহেৰায়। ইয়াত পাপৰ সঞ্চাৰ নাই, এই মহাধৰ্ম্মৰ যৎকিঞ্চিৎ লাভ হলেও মহাভয়ৰপৰা ৰক্ষা পোৱা যায়। হে কুৰুনন্দন অৰ্জ্জুন! এই কৰ্ম্মযোগত কেৱল আত্মতত্ত্বনিশ্চয়াত্মিকা বুদ্ধি থাকে, সকাম কৰ্ম্মযোগি-গণৰ বুদ্ধি বহুশাখাবিশিষ্ট হয়, আৰু সি অনন্তৰূপ ধাৰণ কৰে। সকাম আৰু নিষ্কাম কৰ্ম্মৰ বিভিন্নতা এই যে, সকাম কৰ্ম্মৰ অনুষ্ঠানত ফললাভৰ অশঙ্কা বলৱৎ থকা হেতুকে বুদ্ধি চঞ্চল আৰু বিবিধ ভাৱনাত বিয়াকুল হয়; কিন্তু নিষ্কাম কৰ্ম্মানুষ্ঠানত ভগৱান্নিষ্ঠা হেতুকে বুদ্ধিৰ নিৰ্ম্মলতা আৰু একাগ্ৰতা বৃদ্ধি পায়, আৰু সেই নিৰ্ম্মলা বুদ্ধি তত্ত্বজ্ঞানৰ অনুগামিনী হয়।" (১)

---

(১) গীতা, ২য়, আধ্যা, ৩৯—৪১ শ্লোক।

বেদবাক্যৰ সূক্ষ্মতত্ত্ব উপলব্ধি নোহোৱাৰ কাৰণে সকাম পুৰুষৰ অন্তৰত ভগৱানৰ প্ৰতি একনিষ্ঠা বুদ্ধিৰ সম্যক্ উদয় নহয়। বেদোক্ত অগ্নিহোত্ৰাদি ক্ৰিয়াকলাপ চিত্তশুদ্ধিৰ অৰ্থে হোৱা হে কৰ্ত্তব্য, স্বৰ্গাদি ভোগাৰ্থে হোৱা অনুচিত। নিষ্কাম পুৰুষে সেই ক্ৰিয়া-কলাপেৰে চিত্তশুদ্ধিৰ দ্বাৰাই আত্মতত্ত্বজ্ঞান লাভ কৰে (১)। এই জটিল বিষয়ৰ বিশদ ব্যাখ্যা শুনোৱাৰ অভিপ্ৰায়ে ভগৱান শ্ৰীকৃষ্ণই ঘুৰিবাৰ অৰ্জ্জুনক এই বুলি সম্বোধন কৰিলে, "হে পাৰ্থ! সুবিচাৰ আৰু সদ্বিবেচনাশূন্য লোকে বেদোক্ত কৰ্ম্মকাণ্ডৰ কথা যি ভাৱে গ্ৰহণ কৰে, সি ৰঙা মদাৰ ফুলৰ ৰূপগ্ৰহণৰ তুল্য হে। যিবিলাক বৈদিক ফলশ্ৰুতিৰ অনুগামী, বেদোক্ত ক্ৰিয়া-কলাপত ফললাভৰ আশা যাৰ প্ৰৱল, যি স্বৰ্গলাভ সুখৰ বাহিৰে বেদবাণীত আন উদ্দেশ্য নাৰাখে সিবিলাক কামনাযুত সকামপুৰুষ। ভোগ আৰু ঐশ্বৰ্য্যত অনুৰক্ত এই সকামপুৰুষৰ অন্তৰত একাগ্ৰনিষ্ঠাৰূপ সমাধি, অৰ্থাৎ নিশ্চয়াত্মিকা বুদ্ধিৰ সম্যক্ উদয় নহয় (২)।

---

(১) কৃষ্ণানন্দস্বামি ব্যাখ্যাত গীতাৰ্থ সন্দীপনী; গীতা, ২য় আধ্যা, ৪২-৪৪ শ্লোক।

(২) গীতা, ২য় আধ্যা, ৪২-৪৪ শ্লোক।

"যামিমাং পুষ্পিতাং বাচং প্ৰবদন্ত্যবিপশ্চিতঃ।
বেদবাদৰতাঃ পাৰ্থ নান্যদস্তীতিবাদিনঃ॥" ৪২
কামাত্মনঃ স্বৰ্গপৰা জন্মকৰ্ম্মফলপ্ৰদাম।
ক্ৰিয়াবিশেষবহুলাং ভোগৈশ্বৰ্য্যগতিং প্ৰতি॥ ৪৩
ভোগৈশ্বৰ্য্য প্ৰসক্তানাং তয়াহৃপহৃতচেতসাম্।
ব্যৱসায়াত্মিকা বুদ্ধিঃ সমাধৌ ন বিধীয়তে॥ ৪৪

"হে অৰ্জ্জুন! কৰ্ম্মকাণ্ডৰূপ বেদসমূহ ত্ৰিগুণান্বিত (১); কিন্তু মোৰ উপদেশ, তুমি নিষ্কাম (নিস্ত্ৰৈগুণ্যঃ) হোৱাঁ; তুমি সুখ-দুখাদি দ্বন্দ্বৰহিত, নিত্য সত্বভাবত অৱস্থিত (২) যোগ আৰু ক্ষেমবিবহিত (৩) হৈ আত্মাবান্ (৪) হোৱাঁ। অৰ্থাৎ, সুখ-দুখ, মান-অপমান, শত্ৰু-মিত্ৰাদি দ্বন্দ্বভাব পৰিত্যাগ কৰি বিশুদ্ধ সত্বৰূপ অচল ধৈৰ্য্য ধাৰণ কৰাঁ। যিহেতু নাদ, পুখুৰী আদি ক্ষুদ্ৰ জলাশয়ৰ পানীৰে যি পৰিমাণে প্ৰয়োজন সিদ্ধ হয়, মহা জলাশয়তো কৰ্ম্মকাণ্ডৰ প্ৰয়োজন (স্বৰ্গলাভাদি কামনা) ব্ৰহ্মবেত্তা বা আত্মাবান্ পুৰুষৰ লাভ হয়। অৰ্থাৎ, নাদৰ পানী সাগৰৰ পানীৰ কিয়দংশ মাথোন। বেদোক্ত কাম্য কৰ্ম্মসমূহে সকাম পুৰুষৰ যি প্ৰয়োজন সিদ্ধ কৰে, ব্ৰহ্মজ্ঞ বা আত্মবান্ নিষ্কাম পুৰুষৰো সেই পৰিমাণেই সেই প্ৰয়োজন সিদ্ধ হয়।" (৫) নিষ্কাম কৰ্ম্ম কৰিলে কাম্য কৰ্ম্মজনিত স্বৰ্গলাভাদি সুখৰপৰা বঞ্চিত হেৱাৰ আশঙ্কা; কিয়নো কামনাই তাৰ মূল। কামনা নহলে ফলপ্ৰাপ্তিৰ অস্তিত্ব নাথাকে। সেই কাৰণে, অৰ্জ্জুনৰ মনৰ আশঙ্কা গুচাবৰ অৰ্থে ভগৱান শ্ৰীকৃষ্ণই নিষ্কাম পুৰুষৰ ফললাভ বিষয়ক এই বিশদ ব্যাখ্যা দিয়ে।

---

(১) সত্ব, ৰজঃ, তমঃ এই তিনিগুণ। সংসাৰ এই তিনিগুণৰ বিকাশস্বৰূপ। কামনাই সংসাৰৰ মূল। বাস্তৱতে কামনাৰ ফলেই সংসাৰ। সেই ফলপ্ৰাপ্তিৰ উপায় হৈছে বেদপ্ৰতিপাদিত কৰ্ম্মকাণ্ড। এই কৰ্ম্মকাণ্ডতে সকাম পুৰুষৰ স্থিতি।—৺কৃষ্ণানন্দস্বামিব্যাখ্যাত গীতাৰ্থ সন্দীপনী, ৪৫ শ্লোক।

(২) যোগ।—অপ্ৰাপ্ত বস্তুৰ প্ৰাপ্তিক যোগ বোলে।

(৩) ক্ষেম।—প্ৰাপ্ত বস্তুৰ ৰক্ষাই ক্ষেম।

(৪) আত্মাবান্।—সৰ্ব্বত্ৰ নিত্য বিদ্যমান বিশ্বনিয়ন্তা পৰমেশ্বৰ নিজতো বিদ্যমান বুলি যাৰ স্থিৰবিশ্বাস, তেওঁৱেই আত্মাবান্।

(৫) গীতা, ২য় অধ্যা, ৪৫—৪৬ শ্লোক।

নিষ্কাম ধৰ্ম্মৰ আভাস মাত্ৰ দি, আৰু তাৰ দৃঢ় ভেঁটীত থিয় কৰাই লৈ অৰ্জ্জুনক ভগৱান শ্ৰীকৃষ্ণই বিশদ ভাৱে এই বুলি কাৰ্য্যকৰী উপদেশ দিয়ে,—"হে অৰ্জ্জুন! কৰ্ম্মত মাথোন তোমাৰ অধিকাৰ আছে; কিন্তু কৰ্ম্মফলত কেতিয়াও তোমাৰ অধিকাৰ নাই। এতেকে, ফল কামনাৰে সৈতে কৰ্ম্মত প্ৰবৃত্ত হবলৈ যেন তোমাৰ প্ৰবৃত্তি নজন্মে, আৰু কৰ্ম্ম পৰিত্যাগ কৰিবলৈকো যেন তোমাৰ ধাউতি নহয়। কিয়নো, নিষ্কাম কৰ্ম্মৰ দ্বাৰাই চিত্তশুদ্ধি লাভ হয়, আৰু চিত্তশুদ্ধিৰ দ্বাৰাই আত্মজ্ঞানৰ উদয় হয়; এই আত্মজ্ঞান নজন্মিলে ব্ৰহ্মজ্ঞান বা পৰমাত্মা লাভ নহয়। এতেকে, হে ধনঞ্জয়! তুমি যোগস্থ হৈ ফল কামনা বৰ্জ্জন কৰি সিদ্ধি আৰু অসিদ্ধিৰ প্ৰতি সমদৃষ্টি ৰাখি (অৰ্থাৎ, তাৰ প্ৰতি আওকাণ কৰি) কৰ্ত্তব্য কৰ্ম্মৰ অনুষ্ঠান কৰাঁ। এনে সাম্যভাৱকে যোগ বোলে। অৰ্থাৎ, হৰ্ষ-বিষাদৰ সমতাই যোগ; তুমি এই যোগত অৱস্থিত হৈ কৰ্ম্মানুষ্ঠানত ধৰাঁ। আৰু, ইয়াকো জানিবাঁ যে, কাম্যকৰ্ম্ম নিষ্কাম কৰ্ম্মতকৈ বহুগুণে নিকৃষ্ট; তদুপৰি ফলাকাঙ্ক্ষী কৰ্ম্মীগণে সততে কৃপণালিৰ চিনাকি দিয়ে। সিবিলাকে ফললাভৰ সামান্য কামনা বৰ্জ্জন কৰিব পাৰিলেই পৰমাত্মা লাভৰূপ মোক্ষপ্ৰাপ্ত হব পাৰে। এতেকে, তুমি পৰমাত্ম বুদ্ধিৰ আশ্ৰয় লৈ নিষ্কাম কৰ্ম্ম সাধনলৈ অগ্ৰসৰ হোৱাঁ। আৰু জানিবাঁ যে, পৰমাত্মজ্ঞ পুৰুষৰ মানত ইহলোকৰ পাপ আৰু পৰলোকৰ পুণ্য দুয়ো সমান; অৰ্থাৎ দুইৰো প্ৰতি তেওঁ আওকণীয়া। এতেকে, তুমি সাম্যভাৱযুক্ত যোগৰ অৰ্থে নিষ্ঠাবান্ হোৱাঁ; কিয়নো কৰ্ম্মৰ ভিতৰত বুদ্ধিযুত কৰ্ম্ম-কৌশলেই আচল যোগ।" (১)

(১) গীতা, ২য়, আধ্যা, ৪৭—৫০ শ্লোক।

বুদ্ধিযোগপৰায়ণ পুৰুষসকলে কৰ্ম্মজনিত ফল ত্যাগ কৰি আত্মজ্ঞান লাভৰ ফলত জন্মৰূপ বন্ধনৰপৰা মুক্ত হৈ পৰমপদ লাভ কৰে। অৰ্থাৎ, নিষ্কাম ধৰ্ম্মী লোকৰ চিত্তশুদ্ধি হলেই আত্মজ্ঞান লাভ হয়; সেয়ে হলেই সেই মানৱাত্মাই পৰমাত্মাত লয় গৈ মুক্তি বা নিৰ্ব্বাণ লাভ কৰে। এই মুক্তিপদকে বিষ্ণুৰ পৰমপদ বুলি শাস্ত্ৰয়ো কয়। আৰু, যেতিয়াই মানুহৰ জ্ঞান-বুদ্ধিয়ে অবিবেকৰূপ কলুষ বৰ্জ্জন কৰি উঠে, তেতিয়াই কৰ্ম্মফলৰ তৃষ্ণা বা কামনাৰ প্ৰতি তেওঁৰ বিৰাগ জন্মে। যেতিয়াই বিবিধ বিষয়ক (১) ফললাভৰ শঙ্কাযুত ভাব আঁতৰ হৈ অন্তঃকৰণ পৰমাত্মাত নিমজ্জকৈ মজে, তেতিয়াই মানুহৰ তত্ত্বজ্ঞান লাভ হয়, অৰ্থাৎ তেতিয়া মানৱাত্মা পৰমাত্মাত লয় গৈ ব্ৰহ্মনিৰ্ব্বাণ (২) প্ৰাপ্ত হয়।" (৩)

ভগৱান শ্ৰীকৃষ্ণৰপৰা আত্মজ্ঞান, নিষ্কাম কৰ্ম্ম, যোগ, সমাধি আৰু পৰমপদ বিষয়ক পৰমাৰ্থতত্ত্বৰ আভাস মাথোন পাই, তাৰ বিশদ ব্যাখ্যা লাভাৰ্থে অৰ্জ্জুনে সভক্তিৰে শ্ৰীকৃষ্ণত এই বুলি সুধিলে,—"হে কেশৱ!

---

(১) শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ এই পাঁচোটা বিষয়। এই পাঁচোটা বিষয়ত চিত্তবৃত্তি নিৰুদ্ধ হলেই স্মৃতি, শ্ৰুতি, স্বপ্ন আৰু জাগ্ৰত অৱস্থা এৰাই ওপৰলৈ উঠ' যায়। এয়ে প্ৰকৃত যোগ বা সমাধি।

(২) বৌদ্ধধৰ্ম্মৰো চৰম লক্ষ্য হৈছে নিৰ্ব্বাণেই। পাৰ্থক্য এই মথোন যে, বুদ্ধৰ মতে নিৰ্ব্বাণত মানুহৰ মন আৰু আত্মা পৰমাত্মাত লয় পায়। কৃষ্ণৰ মতে ব্ৰহ্মনিৰ্ব্বাণত মানৱাত্মা মাথোন পৰমাত্মাত লয় পায়। আগৰটোৰ মতে মানুহৰ মন আৰু আত্মা দুইৰো অস্তিত্ব বিলোপ হৈ পৰমাত্মাত মিলি যায়; পাচৰটোৰ মতে মানুহৰ মনৰ অস্তিত্ব লোপ পালেও আত্মাৰ অস্তিত্ব হেৰাব নোৱাৰে। সি সেই ভাগেই পৰমাত্মাত মিলি যায়। কিন্তু, সাধনা আৰু সিদ্ধি দুয়োমতত্তে একে।

(৩) গীতা, ২য় অধ্যা, ৫১—৫৩ শ্লোক।

সমাধিস্থ স্থিতপ্রজ্ঞ ব্রহ্মজ্ঞানী যোগী পুৰুষৰ লক্ষণ কি?—তেওঁ কেনেকৈ কথা কয়? তেওঁ কিৰূপে অৱস্থান কৰে? আৰু, তেওঁ কি ভাৱে চলন-ফুৰণ কৰে?" (১)

অৰ্জ্জুনৰ প্ৰশ্নত উলাহিত হৈ, শ্ৰীকৃষ্ণদেৱে পুনৰপি এই বুলি ব্যক্ত-বিষয়ক বিশদ ব্যাখ্যা আৰম্ভ কৰিলে,—"হে অৰ্জ্জুন! হে পাৰ্থ! আপোনাতে আপুনি তুষ্ট হৈ সমাধিস্থ পুৰুষে যেতিয়া নিজৰ চিত্তস্থিত কামনাবোৰ পৰিত্যাগ কৰে, তেতিয়াই তেওঁক স্থিতপ্ৰজ্ঞ বা যোগী পুৰুষ বোলা হয়। অৰ্থাৎ, যোগীপুৰুষে মানৱাত্মাক পৰমাত্মাত বিলীন কৰি পৰমানন্দ চৈতন্যৰূপ লাভ কৰে; তেওঁক মনোবৃত্তিয়ে টলাব নোৱাৰে। তেওঁ মনৰ ধৰ্ম্মৰ বাজ (২); আত্মাৰ ধৰ্ম্মবো (৩) সমতাযুত (৪) গুণৰ হে তেওঁ গৰাকী। যাৰ চিত্ত দুখকষ্টত অবিচলিত বা উদ্বেগশূন্য; বিষয়-সুখলৈকো যাৰ আকাঙ্ক্ষা নাই; খং, ৰাগ, ভয় ইত্যাদিয়েও যাক টলাব নোৱাৰে, সেই সিদ্ধ পুৰুষকে যোগী বা স্থিতপ্ৰজ্ঞ বোলা যায়। কামনা, সংকল্প, আসক্তি, মায়া, মোহ ইত্যাদি মনৰ ধৰ্ম্ম; সমাধিস্থ পুৰুষ মনোধৰ্ম্মৰপৰা সদায় ওপৰত। হে অৰ্জ্জুন! তুমি সম্প্ৰতি সমাধিস্থ, তোমাৰ উদ্দেশ্য আত্মজ্ঞান লাভ কৰা, সেই লাভে হে তোমাক পৰমানন্দ

---

(১) যি নিজতে ব্ৰহ্ম দেখা পায়, তেওঁৱেই স্থিতপ্ৰজ্ঞ। স্থিতপ্ৰজ্ঞ পুৰুষ অৱস্থাভেদে দুই শ্ৰেণীৰ; এটা শ্ৰেণী সমাধিস্থ, আৰু আনটো সমাধিৰপৰা উঠি মুকলি মনেৰে পৰমাত্মাত স্থিতি লওঁতা। অৰ্জ্জুনে প্ৰথমে সমাধিস্থ স্থিতপ্ৰজ্ঞ পুৰুষৰ, তাৰ পাচত সমাধিৰপৰা উঠা হৰ্ষবিষাদাদি সমতাবিষ্ট পুৰুষৰ লক্ষণৰ বিষয়ে প্ৰশ্ন কৰিছে।

(২) কামনা, সংকল্প আদি মনৰ ধৰ্ম্ম।

(৩) বুদ্ধি, দুখ, সুখ, ইচ্ছা, দ্বেষ, প্ৰযত্ন, ধৰ্ম্ম আৰু অধৰ্ম্ম এই আঠোটা আত্মাৰ ধৰ্ম্ম।

(৪) হৰ্ষবিষাদিৰ প্ৰতি সমজ্ঞান,—যোগ।

কৰিব। এতেকে, তুমি নশ্বৰ মনৰ দুখ-কষ্ট, মায়া-মোহ, বাঞ্ছা-কামনা আদি পৰিহাৰ কৰি নিষ্কাম কৰ্ম্ম সাধনৰ অৰ্থে আগ বঢ়া উচিত। মানুহৰ মন-প্ৰাণ অচেতন, আত্মাৰ দৰে অমৰ নহয়; গতিকে মনোধৰ্ম্ম পালনত আত্মতত্ত্ব বা ব্ৰহ্মজ্ঞান লাভ নহয়, কাৰণ দেহৰ ধৰ্ম্মাদি আত্মাত নাই। আকাশত বিজুলীৰ চমকনি যেনে, মানৱ অন্তৰত আত্মাও তেনেই। দেহাদি পদাৰ্থত যাৰ আসক্তি নাই, প্ৰিয় বা অপ্ৰিয় বস্তু পালেও বা নাপালেও যাৰ হৰ্ষ বা বিষাদ নাই, তেনেজনেই ব্ৰহ্মজ্ঞানী, তেৱেঁই যোগী, তেওঁৱেই বা তেওঁৰ অৱস্থাই মানৱাত্মাৰ চৰম লক্ষ্য। ব্ৰহ্মজ্ঞানী যোগী পুৰুষৰ মানত ভাই-বন্ধু, আত্মীয়-কুটুম্ব, পুত্ৰ-পৰিয়াল মৃগতৃষ্ণাৱত মাথোন, সকলো অসাৰ; সিবিলাকত সাৰ পদাৰ্থ মাথোন আত্মা; সেই আত্মাৰ পৰমাত্মা লাভেই মোক্ষপদপ্ৰাপ্তি বা পৰমপদলাভ। এতেকে, হে অৰ্জ্জুন, উপস্থিত অসাৰ সমস্যাত তুমি অবিচলিত থকা হে তোমা-হেন পুৰুষৰ শোভনীয় নিষ্কাম কৰ্ম্ম। কাছই যি দৰে, নিজৰ শিৰ আৰু অঙ্গ কোঁচাই নি অভ্যন্তৰস্থ কৰে, সেই দৰে সমাধিস্থজনে নিজৰ ইন্দ্ৰিয়-গণক মনৰপৰা সঙ্কোচাই নি আত্মাস্থিত কৰিলেই তেঁওৰ প্ৰজ্ঞা বা ব্ৰহ্মত্ব বা আত্মজ্ঞান প্ৰতিষ্ঠিত হয়। নিৰাহাৰজনিত দুৰ্ব্বল মানুহৰ শব্দাদি পদাৰ্থ, অৰ্থাৎ শ্ৰৱনশক্তি নাশ হয়, মাথোন বাসনা বিলয় নহয়; কিন্তু যোগী পুৰুষৰ বাসনা পৰ্য্যন্ত পৰমাত্মাত লয় পায়। হে কুন্তীনন্দন! ইও সত্য যে, বলবান্ ইন্দ্ৰিয়বিলাকে অতি বীৰ্য্যবান্ বিবেকী পুৰুষৰ মনো বলেৰে বিকাৰগ্ৰস্ত কৰে; এতেকে, উপস্থিত সমস্যাত তোমাৰ মন বিহ্বল হোৱাটো একো অচাৰিত নহয়।" (১)

এইখিনিতে অৰ্জ্জুনক চিন্তাযুত দেখি, শ্ৰীকৃষ্ণদেৱে এই বুলি সেই ব্যাখ্যাৰ ব্যাখ্যা ক্ৰমাৎ বিশদতৰ কৰিবলৈ ধৰিলে,—"কিন্তু, হে অৰ্জ্জুন!

(১) গীতা, ২য় আধ্যা, ৫৪—৬০ শ্লোক।

মোৰ অনন্য ভক্তই সেই ইন্দ্ৰিয়গণক সংযত কৰি সমাধিত ৰহে ; কিয়নো যাৰ ইন্দ্ৰিয়গণ বশীভূত, তেওঁৰেই হে প্ৰজ্ঞা প্ৰতিষ্ঠিত বা ব্ৰহ্মত্বলাভ হৈছে বুলি ধৰ্ত্তব্য। অৰ্থাৎ, ইন্দ্ৰিয়গণ যদিও অতি বলবান্, তথাপি ভগবদ্-ভক্তজন হৃদয়ৰ সামৰ্থ্য আৰু বিবেকৰ তীক্ষ্ণতা গুণেৰে সেই ইন্দ্ৰিয়গণক বশীভূত কৰিবলৈ সমৰ্থবান্। কিন্তু, যিবিলাকে অকল বিবেক-বিচাৰ আৰু বিজ্ঞান-বলেৰে ইন্দ্ৰিয় জয় কৰিবলৈ বিচাৰে, সিবিলাক সততে অকৃত-কাৰ্য্য হয়।" (১)

ভগৱান শ্ৰীকৃষ্ণই সেই ব্যাখ্যাৰ ব্যাখ্যা এই বুলি আৰু বিশদ আৰু বহুল কৰিবলৈ ধৰিলে, "ইও অনিবাৰ্য্য যে, যদি বাহ্যিক ইন্দ্ৰিয়াদি ৰুদ্ধ কৰি একান্ত মনেৰে কোনো বিষয়ে চিন্তা কৰা যায়, তেনেহলে সেই বিষয়ৰ প্ৰতি আসক্তি জন্মে ; আসক্তি হলেই তাক লাভ কৰিবলৈ বাসনা বলৱতী হয় ; বাসনাৰপৰা ক্ৰোধৰ উৎপত্তি হয়, অৰ্থাৎ বাঞ্ছিত ফল লাভত কোনোৱে বিঘ্ন উপস্থিত কৰিলে তাৰ প্ৰতি ক্ৰোধ জন্মে ; ক্ৰোধৰপৰা অবিবেক বা হিতাহিত জ্ঞানহীনতা ঘটে ; বিবেক-হীনতা ঘটিলেই স্মৰণ শক্তিৰ ব্যতিক্ৰম ঘটে ; স্মৃতিভ্ৰম হলেই বুদ্ধি নাশ হয় ; বুদ্ধি নাশৰপৰা শেহান্তৰত প্ৰাণ বিনাশ হয়।" (২)

আন হাতে, ৰাগ-দ্বেষবৰ্জ্জিত আত্মাবশীভূত ইন্দ্ৰিয়গণৰ দ্বাৰাই বিষয়-চিন্তা গ্ৰহণ কৰি সংযতচিত্ত পুৰুষে আত্মপ্ৰসাদ লাভ কৰে। অৰ্থাৎ, ইন্দ্ৰিয়ৰাজ মনে বশ মানিলেই ইন্দ্ৰিয়াদি বশীভূত হয় ; সেয়ে হলেই চিত্তশুদ্ধিৰ প্ৰভাৱেৰে বিষয়-চিন্তাত আত্মপ্ৰসাদ বা

(১) গীতা, ২য় আধ্যা, ৬১ শ্লোক।

(২) "ধ্যায়তো বিষয়ান্ পুংসঃ সঙ্গস্তেষূপজায়তে।
সঙ্গাৎ সংজায়তে কামঃ কামাৎ ক্ৰোধোঽভিজায়তে॥ ৬২
ক্ৰোধাদ্ভৱতি সংমোহঃ সংমোহাৎ স্মৃতিবিভ্ৰমঃ।
স্মৃতিভ্ৰংশাদ্ বুদ্ধিনাশো বুদ্ধি নাশাৎ প্ৰণশ্যতি॥ ৬৩

আত্মজ্ঞান লাভ হয়। এই আত্মপ্ৰসাদ লাভ হলেই, সমস্ত দুখৰ বিনাশ হয়, প্ৰাণত শান্তি জন্মে; কিয়নো বিশুদ্ধচিত্ত লোকৰ বুদ্ধি অতি সহজে আৰু সোনকালে আত্মাত প্ৰতিষ্ঠিত হয়। কিন্তু, যি আপোনাৰ মনক জয় কৰিব নোৱাৰে, সেই অজিতেন্দ্ৰিয় পুৰুষৰ বুদ্ধিও নাই, জ্ঞানো নাই; আত্মচিন্তাশক্তিশূন্য লোকৰ শান্তি নাই; অশান্তচিত্ত লোকৰ কতো কেতিয়াও সুখ নহয়। এতেকে, মুখ্য উদ্দেশ্য সাধন কৰিবলৈ হলে প্ৰথমে মনক আত্মবশলৈ আনিব লাগিব।" (১)

মন অতি দুৰ্দ্দম। এনে দুৰ্দ্দম মনে যদি এটামানো অসংযত ইন্দ্ৰিয়ক অৱলম্বন কৰে, তেনেহলে, প্ৰতিকূল বতাহে পাই নাৱৰ গতিভ্ৰষ্ট কৰাৰ দৰে, সি সমাধিস্থ পুৰুষৰ বিবেকবুদ্ধি হৰণ কৰি তেওঁক গম্য পথৰপৰা বিচলিত কৰে। এটা অসংযত ইন্দ্ৰিয়ৰেই যদি ইমান প্ৰভাৱ, তেন্তে যাক একাধিক অসংযত ইন্দ্ৰিয়ই পায়, তাৰ জানো কি যে সৰ্ব্বনাশ ঘটে! গতিকে, হে মহাবাহো! যাৰ সমস্ত ইন্দ্ৰিয়গণ নিজৰ বশীভূত হয়, তেওঁৰ পক্ষে হে প্ৰজ্ঞা আত্মজ্ঞান লাভ সম্ভৱ। জীৱ আৰু ব্ৰহ্ম বা জীৱাত্মা আৰু পৰমাত্মাৰ অভেদাত্মা বোধকে প্ৰজ্ঞা বোলা যায়। এই প্ৰজ্ঞা অজ্ঞান জনৰ চকুত অদৃশ্য। ৰাতি বুলিলে সাধাৰণতে আন্ধাৰ বুজায়। তদ্ৰূপ প্ৰজ্ঞাৰ বিপৰীত হৈছে অবিদ্যা। সেই কাৰণে, সাধাৰণ লোকে যেতিয়া অবিদ্যাৰূপ আন্ধাৰত খেপিয়াই ফুৰে, আত্মাসাক্ষাৎকাৰীগণ তেতিয়া স্থিৰপ্ৰজ্ঞ; আৰু অবিদ্যা-মগ্ন সাধাৰণ লোক যেতিয়া বিহ্বল, বিমোৰ আৰু অচেতন, ব্ৰহ্ম-জ্ঞানী তেতিয়া সবল, সজাগ আৰু কৰ্ত্তব্যপৰায়ণ। (২)" এই বুজনিৰে সৈতে ভগৱান শ্ৰীকৃষ্ণই মহাবাহু অৰ্জ্জুনক ইন্দ্ৰিয়জনিত মায়া-মোহ ত্যাগ কৰি উপস্থিত ৰণত আগুৱাবলৈ উদগনি দিয়ে।

(১) গীতা, ২য় আধ্যা, ৬৪—৬৬ শ্লোক।
(২) গীতা, ২য় আধ্যা, ৬৭—৬৯ শ্লোক।

অৰ্জ্জুনৰ মতি স্থিৰ কৰিবৰ অৰ্থে, বাসুদেৱে আকৌ আন পাকে এইবুলি বুজনি আৰম্ভ কৰিলে, "যেনেকৈ নদ-নদীৰ পানীয়ে ভৰপূৰকৈ চপ্‌চপীয়া কৰা অতল সাগৰত বৰষুণৰ পানী পৰি তাৰ আধাৰ শক্তিৰ বিঘ্ন ঘটাব নোৱাৰে, তেনেকৈ স্থিতপ্ৰজ্ঞ নিষ্কামকামী পুৰুষত বিষয়-বাসনাদি প্ৰবিষ্ট হলে, সেইবোৰে তেওঁত অশান্তি জন্মাব নোৱাৰে; বৰঞ্চ শান্তি হে বিস্তাৰ কৰে; বিষয়কামী পুৰুষৰ পক্ষে ই অসম্ভৱ।" (১)

অৰ্জ্জুনৰ মন শান্ত আৰু আশান্বিত কৰাৰ উদ্দেশে ভগৱান শ্ৰীকৃষ্ণই অনতিপলমে আকৌ এই ব্যাখ্যা আৰম্ভ কৰিলে, "যি পুৰুষে সকলো কামনা ত্যাগ কৰি নিৰ্ম্মম, নিৰহঙ্কাৰ আৰু নিস্পৃহ হৈ সংসাৰত চলে, সেই আত্মাবান্ যোগী পুৰুষে হে আচল শান্তি লাভ কৰে।" (২)

সদৌশেহত, ভগৱান শ্ৰীকৃষ্ণই এই মন্তব্যেৰে ওপৰত ব্যাখ্যা দি অহা নিষ্কাম ধৰ্ম্মোপদেশৰ সামৰণি মাৰে,—"হে পাৰ্থ! ইয়াকে ব্ৰাহ্মীস্থিতি বা ব্ৰহ্মনিষ্ঠ অৱস্থা বোলা যায়। ইয়াক লাভ কৰিলে সংসাৰ-মায়াত বিমুগ্ধ হোৱা নাযায়। অৰ্থাৎ, যি পুৰুষে ব্ৰহ্মনিষ্ঠৰূপ এই স্থিতি লাভ কৰে, তেওঁত অজ্ঞানতাৰ পুনঃ অভ্যুদয়ৰ আশঙ্কা নাথাকে। আন কি, অন্তিম মুহূৰ্ত্তত ক্ষন্তেকমানো এই অৱস্থাত স্থিতি কৰিব পাৰিলে ব্ৰহ্মনিৰ্ব্বাণ লাভ কৰা যায়।" (৩)

—:o:—

(১) "আপূৰ্য্যমাণমচলপ্ৰতিষ্ঠং সমুদ্ৰমাপঃ প্ৰবিশন্তি যদ্বৎ।
তদ্বৎ কামা যং প্ৰবিশন্তি সৰ্ব্বে সশান্তিমাপ্নোতি ন কামকামী।"
—গীতা, ২য় অধ্যা, ৭০ শ্লোক।

(২) গীতা, ২য় অধ্যা, ৭১ শ্লোক।

(৩) "এষা ব্ৰাহ্মী স্থিতিঃ পাৰ্থ নৈনাং প্ৰাপ্য বিমুহ্যতি।
স্থিত্বাঽস্যামন্তকালেঽপি ব্ৰহ্মনিৰ্ব্বাণমৃচ্ছতি।"—গীতা, ২য় অধ্যা, ৭২ শ্লোক

# ১৩। অধ্যায়।

## জ্ঞানযোগ আৰু কৰ্ম্মযোগ।

ইমানলৈকে শ্ৰীকৃষ্ণদেৱৰ ধৰ্ম্ম আৰু কৰ্ম্ম ব্যাখ্যা একান্তমনেৰে শুনি শুনি অৰ্জ্জুন বৰঞ্চ বিমোৰ হে হল; তেওঁ কৰ্ত্তব্যবিমোৰ হৈ অগত্যা শিষ্যৰ প্ৰগাঢ় ভক্তিৰে ভগৱান বাসুদেৱক পুনৰপি এই বুলি প্ৰশ্ন কৰিলে, "হে জনাৰ্দ্দন! (১) যদি তোমাৰ মতে নিষ্কাম ধৰ্ম্মতকৈ আত্মজ্ঞান শ্ৰেষ্ঠতৰ হয়, তেন্তে, হে কেশৱ! এই ঘোৰ হিংসাজনক কাৰ্য্যলৈ (উপস্থিত ৰণলৈ) মোক কিয় উদগনি দিছাঁ? মই তোমাৰ শৰণাগত শিষ্য। এতেকে, হে ভকতবৎসল! যাতে মই সহজে আৰু ঠাৰৰকৈ মঙ্গল বা মুক্তিলাভ কৰিব পাৰোঁ তাকে নিশ্চয়কৈ মোক উপদেশ দিয়াঁ। কেতিয়াবা কামৰ, কেতিয়াবা জ্ঞানৰ শ্ৰেষ্ঠতা দেখুৱাই সানমিহলিকৈ জ্ঞানোপদেশ দি তুমি মোক মোহভ্ৰান্ত কৰিছাঁ মাথোন। তোমাৰ ব্যাখ্যাত এহাতে বৈদিক নিষ্ঠাৰ লাঘৱতা প্ৰকাশ পাইছে, আনহাতে বেদনিষ্ঠা তৎপৰতা ধৰা পৰিছে; এহাতে নিবৃত্তি মাৰ্গৰ উপদেশ দিছাঁ, আনহাতে প্ৰবৃত্তিমাৰ্গ মোকলাই দিছাঁ। মই ইয়াৰ একো তৎ ধৰিব পৰা নাই। একে সময়তে একেজন মানুহে বিৰুদ্ধ ধৰ্ম্মৰ কৰ্ম্ম আৰু জ্ঞানৰ কেনেকৈ অধিকাৰী হব পাৰে মুবুজিলোঁ। হে কেশৱ! এই সমস্যা ভাঙ্গি মোক উজুকৈ বুজাই দিয়াঁ।" (২)

---

(১) বাঞ্ছিত বস্তুপ্ৰাপ্তিৰ অৰ্থে যাৰ ওচৰত যাচ্ঞা কৰা যায়, তেওঁকে জনাৰ্দ্দন বোলে। জ্ঞানতত্ব আৰু মুক্তি যাচ্ঞাকাৰী অৰ্জ্জুনৰ মানত শ্ৰীকৃষ্ণ সেই জনাৰ্দ্দন।

(২) গীতা, ৩য় অধ্যা, ১—২ শ্লোক।

ভগৱান শ্ৰীকৃষ্ণই অতি হৃষ্টচিত্তেৰে এইবুলি অৰ্জ্জুনৰ প্ৰশ্নৰ সমিধান দিলে,—"হে অনঘ! (১) মই ইতিপূৰ্ব্বতে কৈ আহিছোঁ যে, ইহলোকত ব্ৰহ্মনিষ্ঠা দুই প্ৰকাৰ,—জ্ঞানাধিকাৰীসকলৰ কাৰণে জ্ঞানযোগ আৰু কৰ্ম্মীগণৰ নিমিত্তে কৰ্ম্মযোগ। অৰ্থাৎ, যাৰ অন্তৰত আত্মা আৰু পৰমাত্মাৰ অভিন্নবোধ জন্মিছে, তেওঁৰ নিমিত্তে জ্ঞানযোগ—নিবৃত্তিমাৰ্গ; আৰু যাৰ অন্তঃকৰণত শুদ্ধিলাভ হোৱা নাই, তাৰ কাৰণে কৰ্ম্মযোগ—প্ৰবৃত্তিমাৰ্গ। জ্ঞান আৰু কৰ্ম্ম বিৰুদ্ধভাবী হলেও, একে-জনতে পৰম্পৰা সম্বন্ধ সম্ভৱপৰ।" (২)

ওপৰৰ শ্লোকটি সূত্ৰ মাথোন কৰি ভগৱান শ্ৰীকৃষ্ণই এটি-এটিকৈ তেৰটা শ্লোকেৰে জ্ঞানযোগ আৰু কৰ্ম্মযোগৰ ব্যাখ্যা এইদৰে দিছে,—"হে অৰ্জ্জুন! নিষ্কাম কৰ্ম্মৰ অনুষ্ঠান নকৰিলে নিষ্ক্ৰীয় ভাবৰ উৎপত্তি নহয়, আৰু অকল সন্ন্যাসব্ৰত ধৰিলেও সিদ্ধিলাভ বা জ্ঞানোদয় হোৱাৰ সম্ভাৱনা নাই। অৰ্থাৎ, যজ্ঞ, দান, তপস্যা, বেদাধ্যয়ন আদি নিত্য-নৈমিত্তিক ক্ৰিয়া নিষ্কাম হৈ নকৰিলে চিত্তশুদ্ধি লাভ নহয়; চিত্তশুদ্ধি লাভ নহলে আত্মজ্ঞানৰ উদয় অসম্ভৱ। (৩)

"সত্ত্ব, ৰজঃ, তমঃ এই তিনি প্ৰাকৃতিক গুণৰ প্ৰভাৱত মানুহ আপোনা-আপুনি কৰ্ম্মত প্ৰবৃত্ত হয়; কোনোলোকেই মুহূৰ্ত্তমানো নিষ্কৰ্ম্মা হৈ ৰব নোৱাৰে।" (৪)

"যি আত্মজ্ঞানহীন লোকৰ বাহিৰত ক্ৰিয়াত্যাগ বা সন্ন্যাসভাৱ,

---

(১) "অনঘ" সম্বোধনেৰে অৰ্জ্জুনৰ ব্ৰহ্মবিদ্যাত অধিকাৰ বুজাইছে।

(২) গীতা, ৩য় আধ্যা, ৪ৰ্থ শ্লোক।

(৩) গীতা ৩য় আধ্যা ৪ৰ্থ শ্লোক।

(৪) গীতা, ৩য় আধ্যা, ৫ম শ্লোক।

অথচ অন্তৰত নানা বাসনাজনিত ক্ৰিয়াৰ প্ৰবাহ, সেইজন কপটীয়া ভণ্ড সন্ন্যাসী মাথোন। কিন্তু, হে অৰ্জ্জুন! যাৰ বাহিৰত ক্ৰিয়াৰ প্ৰবাহ, অথচ অন্তৰত তাৰ ফললাভৰ স্পৃহা নাই, সেই জন হে বিশিষ্ট পুৰুষ, তেওঁৰ হে পৰমপদ লাভ হয়।" (১)

"তুমি নিত্য-নৈমিত্তিক ক্ৰিয়াৰ অনুষ্ঠান কৰাঁ; কিয়নো কৰ্ম্ম নকৰাতকৈ কৰ্ম্ম কৰা হে শ্ৰেষ্ঠ। বিশেষতঃ, কৰ্ম্ম নকৰিলে তোমাৰ শৰীৰ ধাৰণ ব্যাপাৰেই নচলিব। অৰ্থাৎ, তুমি যদি ক্ষত্ৰিয়োচিত যুদ্ধ নকৰাঁ, অথচ সন্ন্যাসীৰ ভিক্ষাবৃত্তিতো যি স্থলত তোমাৰ অধিকাৰ নাই, তেন্তে ক্ষত্ৰিয়োচিত ৰণ-বিগ্ৰহত লিপ্ত নহলে তোমাৰ জীৱনধাৰণেই অসম্ভৱ হব (২)। অৰ্থাৎ, সন্ন্যাস (৩) ধৰ্ম্মত তোমাৰ অধিকাৰ নাই। গতিকে, ক্ষত্ৰিয়োচিত ৰণ-বিগ্ৰহত লিপ্ত নহলে তোমাৰ নিজ অধিকাৰৰ (৪) বৰ্ণাশ্ৰমোচিত ধৰ্ম্মও নষ্ট হব। এতেকে, হে অৰ্জ্জুন, তুমি ৰণত প্ৰবৃত্ত হোৱাঁ।"

"ভগৱদাৰাধনাৰ্থে কৰ্ম্মানুষ্ঠান নকৰি অন্য কৰ্ম্মানুষ্ঠানত ধৰিলে মানুহ সংসাৰবন্ধনদশাগ্ৰস্ত হয়; এতেকে হে কুন্তীনন্দন! তুমি ফল কামনা নৰখাকৈ, অৰ্থাৎ নিষ্কাম ভাৱে ভগৱানৰ উদ্দেশে শ্ৰদ্ধা-ভক্তিৰে সৈতে আশ্ৰমোচিত কৰ্ম্মাদিৰ অনুষ্ঠান কৰাঁ।" (৫)

---

(১) গীতা, ৩য় আধ্যা, ৬—৭ শ্লোক।

(২) গীতা, ৩য় আধ্যা, ৮ম শ্লোক।

(৩) ধৰ্ম্ম, সত্য, দম, দান, প্ৰজনন, আহিতাগ্নিতা, অগ্নিহোত্ৰ, যজ্ঞ, মানস প্ৰভৃতি সাধন সন্ন্যাসৰ অধিকাৰমূলক।—শ্ৰীধৰস্বামিকৃত টীকা; আৰু গীতাৰ্থসন্দীপনী।

(৪) ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ, সন্ন্যাস এই চতুৰাশ্ৰমত ব্ৰাহ্মণৰ অধিকাৰ; ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ এই তিনি আশ্ৰমত ক্ষত্ৰিয়ৰ অধিকাৰ; আৰু ব্ৰহ্মচৰ্য্য আৰু গাৰ্হস্থ্য এই দুই আশ্ৰমত বৈশ্যৰ অধিকাৰ।—কৃষ্ণানন্দস্বামীৰ গীতাৰ্থসন্দীপনী।

(৫) গীতা. ৩য় আধ্যা, ৯ম শ্লোক।

"সৃষ্টিপাতনিতে সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই যজ্ঞৰে সৈতে জীৱগণক সৃষ্টি কৰি কৈছিল যে, এই যজ্ঞ সিবিলাকৰ অভীষ্ট ভোগপ্ৰদ হব। অৰ্থাৎ, নিত্যনৈমিত্তিক ক্ৰিয়া নিয়মিতৰূপে কৰি থাকিলে কৰ্ম্মৰ স্বভাৱগুণতেই বাঞ্ছিত ফল অযাচিতে পোৱা যায়, আৰু ইষ্ট-দেৱতাদিও তুষ্ট হয়। ইয়াৰ বিপৰীতে যি স্বাৰ্থান্ধ হৈ কাম্য কৰ্ম্মত প্ৰবৃত্ত হয়, সি পাপসঞ্চয় কৰে মাথোন। যজ্ঞাৱশেষভোজী সৎপুৰুষসকল সততে পাপৰপৰা মুক্ত হয়; কিন্তু যি পাপাত্মাই নিজৰ নিমিত্তে হে পাক কৰে, সি স্বোপাৰ্জ্জিত পাপ মাথোন ভোজন কৰে। ইয়াকে সাৰোগত কৰি, হে অৰ্জ্জুন! তুমি উপস্থিত ৰণত লিপ্ত হোৱাঁ।। (১)

"অন্নৰপৰা শৰীৰ উৎপন্ন হয়; মেঘে বৰষুণ দিলে সেই অন্ন জন্মে; যজ্ঞৰ ফলত মেঘ; আৰু কৰ্ম্মৰপৰা যজ্ঞ। এতেকে, কৰ্ম্মেই শৰীৰ; কৰ্ম্মেই জীৱন। সেই কৰ্ম্ম বেদৰপৰা উৎপন্ন, আৰু বেদ ব্ৰহ্মৰপৰা উৎপন্ন। গতিকে, ব্ৰহ্ম বা পৰমাত্মাই কৰ্ম্মৰ জনক। এতেকে, হে অৰ্জ্জুন! যি মানুহে এনে মনুষ্য শৰীৰ ধাৰণ কৰি এই প্ৰৱৰ্ত্তিত কৰ্ম্মচক্ৰত আৱৰ্ত্তন নকৰে, সেই ইন্দ্ৰিয়াসক্ত পাপযুক্ত পুৰুষৰ জীৱনেই বৃথা।" (২)

"কিন্তু, যি পুৰুষৰ আত্মাতেই ৰতি, আত্মাতেই তৃপ্তি, আত্মাতেই সন্তোষ, সেই পুৰুষৰ কৰ্ম্মানুষ্ঠান অনাৱশ্যক। কৰ্ম্মৰ অনুষ্ঠান কৰিলে বা নকৰিলে আত্মজ্ঞানী পুৰুষৰ পুণ্য বা প্ৰত্যবায় একো নহয়। এতেকে, হে পাৰ্থ, তুমি ফল কামনা বৰ্জ্জিত হৈ কৰ্ম্মানুষ্ঠান কৰাঁ। কিয়নো, ফল কামনা বৰ্জ্জিত নিষ্কাম কৰ্ম্মী পুৰুষে পৰমপদ লাভ কৰে।

---

(১) গীতা, ৩য় আধ্যা, ১০—১৩শ, শ্লোক।

(২) গীতা, ৩য় আধ্যা, ১৪—১৬ শ্লোক।

জনকাদি মহাত্মাগণে কৰ্ম্মানুষ্ঠানৰ দ্বাৰাই আত্মজ্ঞান লাভ কৰিছিল; তুমিও লোকসংগ্ৰাহাৰ্থে (১) ক্ষত্ৰিয়োচিত কৰ্ম্মৰ অনুষ্ঠান কৰা উচিত।"(২)

"শ্ৰেষ্ঠজনে যি যি অনুষ্ঠান কৰে, ইতৰ লোকে সেই সমস্তকে অনুকৰণ কৰে; আৰু শ্ৰেষ্ঠ লোকে যিহকে প্ৰামাণিক বুলি মানে, সৰ্ব্বসাধাৰণে তাৰে অনুসৰণ কৰে (৩)। গতিকে, হে অৰ্জ্জুন! তুমি শ্ৰেষ্ঠজন হৈ যদি এই কৰ্ম্ম (উপস্থিত ৰণ) ত্যাগ কৰাঁ, তেন্তে ইতৰলোকে তোমাৰে পটন্তৰ আগত লৈ কৰ্ত্তব্যকৰ্ম্ম ত্যাগ কৰিব; তেতিয়া হলে তুমি লোকৰ আদৰ্শস্থানীয় নহলাঁ। সেই কাৰণেই, হে পাৰ্থ! যদিও ত্ৰিভূবনত মোৰ কিঞ্চিৎমানো কৰিব লগীয়া কৰ্ম্ম নাই, অপ্ৰাপ্ত প্ৰাপ্তব্য নাই, তথাপি মই কৰ্ম্মানুষ্ঠানত ব্যাপৃত আছোঁ; নাথাকিলে লোকসমূহ উৎসন্ন যাব, মই বৰ্ণসঙ্কৰ উৎপন্নৰ কাৰণ হৈ পৰিম। এতেকে, হে পাৰ্থ, আত্মজ্ঞানহীনজনে যেনেকৈ ফল কামনাৰ আসক্তিৰে কৰ্ম্মানুষ্ঠান কৰে, সেইদৰে তুমি-মই ফলকামনাবৰ্জ্জিত হৈ অনাসক্তচিত্তেৰে কৰ্ম্মানুষ্ঠান কৰা কৰ্ত্তব্য। কিয়নো, তত্ত্ববিৎ পুৰুষে আত্মজ্ঞানহীন জন-সাধাৰণৰ মাজত মতভেদ নঘটাই একপন্থীয়াকৈ কৰ্ম্মমাৰ্গত নিযুক্ত ৰাখিবলৈ হে চায়; আৰু অহঙ্কাৰত বিমূঢ়াত্মালোকে ভাবে যে, তেওঁ হে কৰ্ম্মৰ অনুষ্ঠান কৰিছে; কিন্তু প্ৰকৃততে সি নহয়, সত্ত্ব, ৰজঃ, তমঃ আদি প্ৰকৃতিৰ গুণৰাশিৰ দ্বাৰাই হে কৰ্ম্ম অনুষ্ঠিত হয়। যথাৰ্থ তত্ত্বজ্ঞলোকে কাচিতো নিজত কৰ্ত্তৃত্ব আৰোপ নকৰে। আত্ম-

(১) লোকসকল, অৰ্থাৎ প্ৰজাবৰ্গক নিজ নিজ ধৰ্ম্মত প্ৰবৰ্ত্তিত কৰা আৰু সিবিলাকক অধৰ্ম্মৰপৰা ৰক্ষা কৰাৰ নাম "লোকসংগ্ৰহ"।

(২) গীতা, ৩য় আধ্যা, ১৭—২০ শ্লোক।

(৩) "যদ্‌যদাচৰতি শ্ৰেষ্ঠস্তত্তদেবেতৰো জনঃ।
স যৎ প্ৰমাণংকুৰুতে লোকস্তদনুবৰ্ত্ততে।" ২১।

জ্ঞানহীন জীৱ প্ৰকৃতিৰ গুণত মুগ্ধ হৈ ইন্দ্ৰিয়ভোগ্য বিষয়ত আসক্ত হয়; কিন্তু যেতিয়ালৈকে সিবিলাকত আত্মজ্ঞানৰ সঞ্চাৰ নহয়, তেতিয়ালৈকে আত্মজ্ঞানীজনে সিবিলাকক কৰ্ম্মত্যাগলৈ বাট দেখুৱাব নাপায়। এতেকে, হে অৰ্জ্জুন, তুমি কৰ্ম্মৰাশি অধ্যাত্মচিত্তেৰে মোৰ ওপৰত সমৰ্পণ কৰি, কামনা-মমতা-শোকৰহিত হৈ যুদ্ধত প্ৰবৃত্ত হোৱাঁ। এই ঐশ্বৰিক মত অনুসৰণ কৰিলে আত্মজ্ঞানশূন্য জনেও কৰ্ম্মজালৰপৰা মুক্তিলাভ কৰে, আৰু যি দুৰ্ব্বুদ্ধি হেতুকে ইয়াৰ বিপৰীত আচৰণ কৰে, তাৰ পুৰুষত্ব আৰু পুৰুষাৰ্থ ভ্ৰষ্ট হয়। বিশেষতঃ, পূৰ্ব্বজন্মকৃত ধৰ্ম্মাধৰ্ম্মৰ প্ৰতিফলৰ হাত মহাবলৱন্তেও এৰাব নোৱাৰে।" (১)

"সকলো ইন্দ্ৰিয়ৰেই (২) বিষয়ভেদে (৩) অনুৰাগ আৰু বিৰাগ নিৰ্দ্দিষ্ট আছে; কিন্তু দুয়ো জীৱৰ পৰম শত্ৰু। এতেকে, কাচিতো তাৰ বশীভূত হোৱা উচিত নহয়। কিয়নো, যেতিয়ালৈকে এই স্বাভাবিক ৰাগ-বিৰাগ বিদ্যমান থাকে, তেতিয়ালৈকে সাধকৰ সাধু উদ্দেশ্য সিদ্ধি নহয়।" (৪)

"স্বধৰ্ম্ম অঙ্গহীন হলেও সম্পূৰ্ণাঙ্গ বা উত্তমৰূপে অনুষ্ঠিত পৰধৰ্ম্মতকৈ শ্ৰেষ্ঠ। পৰধৰ্ম্ম নিজ প্ৰকৃতিবিৰুদ্ধ হেতুকে সি ভয়াবহ হয় বা শুভফলদায়ক নহয়; কিন্তু নিজ প্ৰকৃতিগত স্বধৰ্ম্ম সাধনেৰে স্বপ্ৰকৃতি বিশুদ্ধ কৰোঁতে কৰোঁতে মৃত্যু হলেও মঙ্গল লাভ হয়। হে অৰ্জ্জুন!

---

(১) গীতা, ৩য় অধ্যা, ২১—৩৩ শ্লোক।

(২) শ্ৰোত্ৰ, ত্বক্, নেত্ৰ, ৰসনা, ঘ্ৰাণ, আৰু বাক্, পাণি, পাদ, উপাস্থ, পায়ু এই দশেন্দ্ৰিয় জীৱত বিদ্যমান।

(৩) শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ, বচন, আদান, গমন, আনন্দ, মলত্যাগ এই দহোটা ইন্দ্ৰিয়ৰ স্বাভাবিক প্ৰকৃতি বা বিষয়।

(৪) গীতা, ৩য় আধ্যা, ৩৪ শ্লোক।

ক্ষত্ৰিয় ধৰ্ম্মই তোমাৰ স্বধৰ্ম্ম; সেই স্বধৰ্ম্ম পালনাৰ্থে তুমি যুদ্ধত প্ৰবৃত্ত হৈ তোমাৰ কল্যাণ সাধন কৰা।" (১)

এনেতে, অৰ্জ্জুনে এই বুলি পুনৰপি প্ৰশ্ন তুলিলে, "হে বৃষ্ণিবংশধৰ! পুৰুষৰ প্ৰবৃত্তি নাথাকিলেও কিহে নো তেন্তে পাপ কাৰ্য্যলৈ উদগনি দিয়ে? তোমাৰ জ্ঞানগৰ্ভ উপদেশ লবলৈ মোৰ একান্ত বাঞ্ছা হেতুকে যদিও ৰণ কৰা মোৰ কৰ্ত্তব্য বুলি মই বুজিছোঁ, তথাপি সেই ৰণলৈ মোৰ প্ৰবৃত্তি জন্মা নাই কিয়?" (২)

তদুত্তৰত, ভগৱান শ্ৰীকৃষ্ণই এই বুলি সমিচাৰ দিলে,—"কামনা ৰজগুণৰপৰা উৎপন্ন; এই কামনা কাৰ্য্যস্থলত ক্ৰোধৰূপে পৰিণত হয়; হে পাৰ্থ! ইহজন্মৰ মোক্ষমাৰ্গত এই কামনা পৰম শত্ৰু বুলি বুজিবা। ই দুৰ-দুৰণীয়; ই অতিশয় উগ্ৰ। ইয়াকে জানি তুমি কামনা পৰিত্যাগ কৰিবা (৩)। আৰু, আঙ্গঠাক যেনেকৈ ফুট্‌ছায়ে ঢাকি থয়, আৰ্চীক যেনেকৈ চেকাই ঢাকি ধৰে, জৰায়ুৱে যেনেকৈ গৰ্ভক ঢাকি ৰাখে, তেনেকৈয়ে কাম বা কামনায়ো আত্মা বা জ্ঞানক আঁৰ কৰি থয় (৪)। হে কুন্তীনন্দন! এই কামনায়ে জ্ঞানীৰো বিবেকশক্তিক অকামিলা কৰে (৫)।"

---

(১) "শ্ৰেয়ান্ স্বধৰ্ম্মো বিগুণঃ পৰধৰ্ম্মাৎ স্বনুষ্ঠিতাৎ।
স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰোধৰ্ম্মো ভয়াবহঃ॥"
—গীতা, ৩য় আধ্যা, ৩৫ শ্লোক।

(২) গীতা, ৩য় আধ্যা, ৩৬ শ্লোক।

(৩) গীতা, ৩য় আধ্যা, ৩৭ শ্লোক।

(৪) "ধূমেনাব্ৰিয়তে বহ্নিৰ্যথাদৰ্শো মলেন চ।
যথোল্বেনাবৃতো গৰ্ভস্তথা তেনেদমাবৃতম্॥"—গীতা, ৩ আধ্যা, ৩৮ শ্লোক।

(৫) গীতা, ৩য় আধ্যা, ৩৯ শ্লোক।

"ইন্দ্ৰিয়, মন আৰু বুদ্ধি এই তিনি ভেঁটীত থোপনি লৈয়ে কামনাই জ্ঞানক তল পেলাই দেহাভিমানী জীৱক মোহত মগ্ন কৰে। এতেকে, হে ভৰতৰ্ষভ! তুমি প্ৰথমতে ইন্দ্ৰিয়গণক বশ কৰি, জ্ঞান-বিজ্ঞান বিনাশকাৰী আৰু সৰ্ব্বপাপৰ আশ্ৰয় এই কামনাক বিনষ্ট কৰাঁ।" (১)

"দেহতকৈ ইন্দ্ৰিয় শ্ৰেষ্ঠ; ইন্দ্ৰিয়তকৈ মন শ্ৰেষ্ঠ; মনতকৈ বুদ্ধি শ্ৰেষ্ঠ; বুদ্ধিৰ উপৰি আটাইতকৈ আত্মা শ্ৰেষ্ঠ। এতেকে, হে মহাবাহো! তুমি আত্মাক এইৰূপে জানি লৈ, তেওঁৰ অধীনৰ বুদ্ধিৰে সৈতে মন স্থিৰ কৰি, এই কামৰূপ দুৰ্জ্জয় শত্ৰুক নাশ কৰি আত্মজ্ঞান লাভৰ উদ্দেশ্য সম্পূৰ্ণ কৰাঁ। (২)

---

(১) গীতা, ৩য় অধ্যা, ৪০—৪১ শ্লোক।

(২) "ইন্দ্ৰিয়াণিপৰাণ্যাহুৰিন্দ্ৰিয়েভ্যঃ পৰং মনঃ।
মনসস্তু পৰা বুদ্ধিৰ্বুদ্ধেৰ্যঃ পৰতস্তু সঃ ॥৪২॥
এবং বুদ্ধেঃ পৰং বুদ্ধা সংস্তভ্যাত্মানমাত্মনা।
জহি শত্ৰুং মহাবাহো কামৰূপং দুৰাসদম্ ॥৪৩॥"

# ১৪। আধ্যা।

## আত্মতত্ত্ব প্ৰকাশ—কৰ্ত্তব্যকৰ্ত্তা।

জ্ঞানযোগ আৰু কৰ্ম্মযোগৰ নিগূঢ় তত্ত্ব ব্যাখ্যা কৰি, ভগৱান (১) শ্ৰীকৃষ্ণই সাময়িক সমস্যা বুজি, এই বুলি প্ৰিয়শিষ্য আৰু প্ৰিয়সখি অৰ্জ্জুনৰ প্ৰতি আত্মতত্ত্ব ব্যাখ্যানত ধৰিলে, "এই অব্যয় জ্ঞানযোগৰ ব্যাখ্যা মই (২) আদিতে সূৰ্য্যক (৩) দিছিলোঁ; সূৰ্য্যৰপৰা মনুৱে আৰু মনুৰপৰা ইক্ষ্বাকুৱে লাভ কৰে। তাৰ পাচত, ধৰ্ম্মভাবৰ দুৰ্ব্বলতা, অজিতেন্দ্ৰিয়তা, কাম-ক্ৰোধাদিৰ বশবৰ্ত্তিতা ইত্যাদি দোষত বহুকাল ব্যাপি জীৱগণে সেই আত্মজ্ঞান হেৰুৱাইছিল। হে অৰ্জ্জুন! তুমি মোৰ ভক্তশিষ্য আৰু প্ৰিয়সখি; গতিকে তোমাত আজি সেই নিগূঢ় তত্ত্ব পুনৰপি ব্যক্ত কৰিলোঁ।" (৪)

---

(১) আত্মজ্ঞানৰ গৰাকী, অৰ্থাৎ ব্ৰহ্মজ্ঞানী হেতুকে শ্ৰীকৃষ্ণদেৱক ভগৱান বোলা যায়।

(২) "মই" বোলোঁতেই দ্বাপৰৰ শ্ৰীকৃষ্ণই অনাদি, সত্য আৰু ত্ৰেতাৰ মানৱক এই তত্ত্বজ্ঞান দিয়াটো অসম্ভব ভাবি উচাপ্ খাব লগীয়া হয়। কিন্তু, সৰ্ব্বশাস্ত্ৰবিশাৰদ নিগূঢ়তত্ত্বভেদী যোগী পুৰুষ শ্ৰীকৃষ্ণদেৱৰ পূৰ্ব্বজন্মৰ তথ্য ধাৰণা কৰি এই কথা কোৱাত আচৰিত মানিবলৈ অকাট্য কাৰণ নাথাকে।

(৩) সূৰ্য্য ক্ষত্ৰিয়কুলৰ বীজস্বৰূপ বুলি মহাভাৰত, হৰিবংশ আৰু পুৰাণাদিত সাব্যস্ত কৰা হৈছে।

(৪) গীতা, ৪ৰ্থ, আধ্যা, ১—৩ শ্লোক।

শ্ৰীকৃষ্ণদেৱৰ উক্তিত আচৰিত হৈ অৰ্জ্জুনে ততালিকে এই বুলি প্ৰশ্ন তুলিলে, "হে ভগৱান! তোমাৰ জন্ম পাচত, বৈৱস্বত বা সূৰ্য্যৰ জন্ম বহু পূৰ্ব্বে হৈছিল; এনেস্থলত জ্ঞানযোগৰ তত্ত্ব তুমি সূৰ্য্যৰ আগত ব্যাখ্যা কৰিছিলা বুলি কেনেকৈ ধাৰণা কৰোঁ?" (১)

অৰ্জ্জুনৰ এই জটিল প্ৰশ্নৰ উত্তৰ ভগৱান শ্ৰীকৃষ্ণই এই বুলি দিলে, "প্ৰকৃততে ইতঃপূৰ্ব্বত মোৰ আৰু তোমাৰ বহুবাৰ জন্ম হৈ গৈছে মোৰ আত্মদৃষ্টিৰ জ্ঞান অবিচলিত থকাৰ হেতুকে মই তোমাৰ-মোৰ বহুবাৰৰ জন্মকথা জানোঁ; কিন্তু, তুমি দেহাত্মবুদ্ধিৰ বশ হেতুকে সেই বিষয়ে তোমাৰ স্মৰণ নাই। যি অনাদি তেওঁৰ জন্ম নাই; যি অবিনাশী তেওঁৰ মৰণ নাই। মই এনে জন্ম-মৰণৰহিত যদিও, নিজৰ প্ৰকৃতিক বশীভূত কৰি নিজ মায়াৰ দ্বাৰাই মই জন্মগ্ৰহণ কৰোঁ। হে ভাৰত! (২) যেতিয়াই ধৰ্ম্মৰ হানি আৰু অধৰ্ম্মৰ প্ৰাদুৰ্ভাৱ প্ৰবল হয়, তেতিয়াই মই আপোনাকে আপুনি সৃষ্টি কৰোঁ। সাধুৰ ৰক্ষা, দুষ্টৰ দমন আৰু ধৰ্ম্ম স্থাপনৰ অৰ্থে মই যুগে যুগে অৱতীৰ্ণ হওঁ। হে অৰ্জ্জুন! যি পুৰুষে মোৰ এই দিব্য জন্ম-কৰ্ম্মৰ তত্ত্ব হৃদয়ঙ্গম কৰিব পাৰে, তেওঁৰ দেহান্তৰৰ পাচত আৰু পুনৰ্জ্জন্ম নহয়। তেওঁ মোৰ আত্মাতে বিলীন হৈ নিৰ্ব্বাণপ্ৰাপ্ত হয়।" (৩)

---

(১) এই বিষয়ত অৰ্জ্জুনৰ সন্দেহ গভীৰ হোৱাৰ আৰু এটা কাৰণ এই যে, ইতিপূৰ্ব্বতে শ্ৰীকৃষ্ণদেৱে ব্যাখ্যা কৰি আছিছে আত্মা অমৰ আৰু পৰমাত্মা লাভৰ পাচত তেওঁ ব্ৰহ্মনিৰ্ব্বাণ প্ৰাপ্ত হয় বুলি; এতেকে পুনৰ্জ্জন্ম অসম্ভৱ।—গীতা, ৪ৰ্থ আধ্যা, ৪ৰ্থ শ্লোক।

(২) ভা=জ্ঞান; ৰত=ৰতিযুক্ত। ভাৰত সম্বোধনেৰে এই খিনিত অৰ্জ্জুনক জ্ঞানপিপাসু বুজোৱা হৈছে।

(৩) গীতা, ৪ৰ্থ অ্যধ্যা, ৫—৯ শ্লোক।

"অন্তঃকৰণক কামক্ৰোধভয়বৰ্জ্জিত কৰি যি সাধকে ব্ৰহ্ম আৰু জীৱক অভিন্নভাৱে দেখে, আৰু এক ভগৱানত মাথোন মন সমৰ্পণ কৰে, আৰু আত্মজ্ঞানৰূপ তপস্যাৰ দ্বাৰাই চিত্তশুদ্ধি লাভ কৰে, তেওঁৰেই পৰমাত্মা পৰমপদ লাভ কৰে। হে পাৰ্থ! যি যেনে ভাৱে ভজনা কৰে, ভগৱানে তেওঁক সেই ভাৱেই কৃপা কৰে। কামী মনুষ্যগণে নানা পন্থাৰে পূজা কৰিলেও, সিবিলাকে একমাত্ৰ ভগৱান পন্থাকেই অনুসৰণ কৰে।" (১)

"ইহলোকত ফল কামনাৰে সৈতে যজ্ঞাদিৰ অনুষ্ঠান কৰিলে আশু ফল লাভ হয়; আৰু গুণকৰ্ম্ম বিভাগ অনুসাৰে ভগৱানে চাৰিবৰ্ণৰ (২) সৃষ্টি কৰিছে। কিন্তু, তথাপি তেওঁ অকৰ্ত্তা আৰু অব্যয় বুলি জানিবাঁ। কিয়নো, কৰ্ম্মই তেওঁক স্পৰ্শ নকৰে, বাস্তৱতে কৰ্ম্মফলৰ কামনাও তেওঁত নাই। এই ভাৱে যি সকলে ভগৱানক ভজে, কৰ্ম্মজালে সেই সকলক মেৰাই ধৰিব নোৱাৰে। আত্মাক এইভাৱে অকৰ্ত্তা, অভোক্তা,

---

(১) গীতাৰ শ্লোকত "ভগৱান" উদ্দেশে "মন্ময়াঃ", "মাম্" "মদ্ভাৱম্". "মাংস" "অহং" "মম" ইত্যাদি শব্দ প্ৰয়োগ কৰা হৈছে। তাৰ দ্বাৰাই আত্মজ্ঞানী শ্ৰীকৃষ্ণই নিজকে ভগৱান বা ঈশ্বৰৰ আৰ্হিহে দেখুৱাইছে; এই বাবেই অনেকানেক টীকাকাৰে আৰু জনসাধাৰণে এই বুজে যে, শ্ৰীকৃষ্ণই নিজে নিজক এই প্ৰসঙ্গত ভগৱান বা ঈশ্বৰ স্বৰূপে চিনাকি দিছে। কিন্তু, গীতা ব্যাখ্যাৰ পূৰ্ব্বে কেতিয়াও শ্ৰীকৃষ্ণই নিজত ঈশ্বৰত্ব আৰোপ কৰা পোৱা নাযায়।—গীতা, ৪ৰ্থ আধ্যা, ১০—১১ শ্লোক।

(২) ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ এই চাৰি বৰ্ণ। কৰ্ম্মগুণ অনুসাৰে ইয়াৰ সাল-সলনিও ঘটিব পাৰে; ব্ৰাহ্মণ মলিন বৃত্তি হলে ক্ৰমাৎ ক্ষত্ৰিয় ব্ৰাহ্মণ, বৈশ্য ব্ৰাহ্মণ, শূদ্ৰ ব্ৰাহ্মণ, চাণ্ডাল ব্ৰাহ্মণ, আদিত পৰিণত হয়। অন্যান্য বৰ্ণতো এই ক্ৰমোন্নতি আছে। কৰ্ম্মগুণৰ তাৰতম্যত ব্ৰাহ্মণে শূদ্ৰত্ব আৰু শূদ্ৰই ব্ৰাহ্মণত্ব প্ৰাপ্ত হয়।

—কৃষ্ণানন্দ স্বামিকৃত গীতাৰ্থ সন্দীপনী, ৪ আধ্যা, ১৩ শ্লোক।

আর অব্যয় ভাবি পূর্ব্বে যোগী পুরুষসকলে (১) কর্ম্মানুষ্ঠান করিছিল।
এতেকে, হে অর্জ্জুন, তুমিও সেই পথ অনুসরণ কৰাঁ।" (২)

—:*:—

(১) জনক, যযাতি, যদু প্রভৃতি রাজর্ষিসকলক উদ্দেশ করা হৈছে।

(২) গীতা, ৪ অধ্যা, ১২—১৫ শ্লোক।

# ১৫। আখ্যা।

## কৰ্ত্তব্যাকৰ্ত্তব্য জ্ঞান।

ভগৱান শ্ৰীকৃষ্ণই সখি-শিষ্য অৰ্জ্জুনক কৰ্ত্তব্যাকৰ্ত্তব্য-জ্ঞান দিয়াৰ উদ্দেশ্যে পুনৰপি এই বুলি উপদেশ দিলে,—"হে অৰ্জ্জুন! কৰ্ত্তব্য কৰ্ম্ম কি, আৰু অকৰ্ত্তব্য কৰ্ম্ম কি, এই বিষয় নিৰূপণ কৰিবলৈ গৈ বুদ্ধিমান্ পুৰুষো মোহপ্ৰাপ্ত হয়। গতিকে, তোমাক মই কৰ্ত্তব্যাকৰ্ত্তব্যৰ বিশদ ব্যাখ্যা দিওঁ; তাৰ মৰ্ম্ম বুজি সেই মতে চলিলে তুমি সংসাৰমুক্ত হবাঁ। বিহিত কৰ্ম্ম, নিষিদ্ধ কৰ্ম্ম, অকৰ্ম্ম এই তিনিওবিধ কৰ্ম্মৰ তত্ত্ব জ্ঞাত হোৱা আৱশ্যক। যি কৰ্ম্মৰ মাজতো অকৰ্ম্ম, আৰু অকৰ্ম্মৰ মাজতো কৰ্ম্ম দেখে, মানুহৰ মাজত তেওঁৱেই হে বুদ্ধিমান্। যাৰ সমস্ত কৰ্ম্মই কামসংকল্পবৰ্জ্জিত, জ্ঞানীগণে তেওঁকে পণ্ডিত বোলে। যি কৰ্ম্ম আৰু ফলৰ আসক্তি এৰাই সততে সদানন্দ আৰু নিৰ্লিপ্ত থাকে, তেওঁক তেওঁৰ কৃতকৰ্ম্মে স্পৰ্শ কৰিব নোৱাৰে।" (১)

"যি নিষ্কাম, সংযতচিত্ত, সৰ্ব্বপ্ৰকাৰ পৰিগ্ৰহত্যাগী, তেওঁ কেৱল শাৰীৰিক কৰ্ম্মানুষ্ঠানৰ বাবে পাপভাগী নহয়। যি যথালাভত সন্তুষ্ট, দ্বন্দ্বসহিষ্ণু, মাৎসৰ্য্যবৰ্জ্জিত, লাভ আৰু অলাভত সমভাবাপন্ন তেওঁ কৰ্ম্মানুষ্ঠান কৰিলেও বন্ধনপ্ৰাপ্ত নহয়। যাৰ ফলভোগৰ বাসনা নাই, যি ৰাগবৰ্জ্জিত, ব্ৰহ্মজ্ঞানত যি অবিচলিতচিত্ত, তেনে লোকে যজ্ঞাদিৰ অৰ্থে কৰ্ম্মানুষ্ঠান কৰিলে সেই লোকৰ কৰ্ম্মফল

---

(১) গীতা, ৪ আখ্যা, ১৬—২০ শ্লোক।

বিনষ্ট হয়। যজ্ঞৰ আহুতি ঘৃত, হোতা, যজ্ঞফল এই সকলোতে যাৰ ব্ৰহ্মবুদ্ধি, তেওঁ ব্ৰহ্মকেই লাভ কৰে। কোনো কোনো যোগীয়ে দৈব যজ্ঞৰ (১) অনুষ্ঠান কৰে, আৰু কোনো কোনোৱে জ্ঞান-যজ্ঞত (২) জীৱাত্মাক আহুতি দিয়ে। অন্যান্য লোকে শ্ৰোত্ৰাদি ইন্দ্ৰিয়গণক সংযমৰূপ অগ্নিত আহুতি দিয়ে; অপৰাপৰে ইন্দ্ৰিয়ৰূপ অগ্নিত শব্দাদি বিষয় সমূহক আহুতি দিয়ে। আৰু, কোনো কোনো যোগীয়ে সমস্ত ইন্দ্ৰিয়গণৰ কৰ্ম্ম আৰু প্ৰাণাদিৰ কৰ্ম্মৰাশিক জ্ঞানেৰে জ্বলোৱা আত্মসংযমৰূপ অগ্নিত হোম কৰে। কোনোৱে, দ্ৰব্যযজ্ঞ (৩), কোনোৱে তপোযজ্ঞ (৪), কোনোৱে যোগযজ্ঞৰ (৫) কৰ্ম্ম অনুষ্ঠান কৰে; কোনো কোনো যত্নশীল লোক আকৌ বেদাভ্যাসৰত আৰু জ্ঞানযজ্ঞ-পৰায়ণ। এইদৰে ভিন্ ভিন্ যোগীয়ে ভিন্ ভিন্ যজ্ঞৰ অনুষ্ঠান কৰে।" (৬)

"কোনো কোনো যোগীয়ে অপান বায়ুত প্ৰাণক আৰু প্ৰাণবায়ুত অপান বায়ুক আহুতি প্ৰদান কৰে; অৰ্থাৎ বাহ্যবায়ু বা প্ৰশ্বাসক দেহৰ ভিতৰলৈ টানি নৈ প্ৰাণবায়ু বা নিশ্বাসৰ আহুতি দিয়ে। আৰু, কোনো কোনো সংযতশীল যোগীয়ে প্ৰাণ আৰু অপান দুয়োকে

---

(১) যিবোৰ যজ্ঞত ইন্দ্ৰ, অগ্নি, বায়ু, বৰুণ আদি দেৱতাৰ তৃপ্তি সাধন কৰা হয়, তাৰ নাম দৈৱযজ্ঞ।

(২) যি যজ্ঞত জীৱাত্মাক আহুতি প্ৰদান কৰা হয়, তাৰ নাম জ্ঞানযজ্ঞ।

(৩) নাদ, পুখুৰী আদি খনোৱা, দেৱমন্দিৰ আদি নিৰ্ম্মাণ কৰা, দুখী-দৰিদ্ৰক অন্ন-বস্ত্ৰদান ইত্যাদিৰ নাম দ্ৰব্যযজ্ঞ।

(৪) ক্ষুধা, তৃষ্ণা, শীত, উষ্ণ সহিষ্ণুতাৰ নাম তপোযজ্ঞ।

(৫) চিত্তবৃত্তি নিৰোধৰূপ অষ্টাঙ্গ যোগ সাধনৰ নাম যোগযজ্ঞ।

(৬) গীতা, ৪ অধ্যা, ২১—২৮ শ্লোক।

বন্ধ কৰি প্ৰাণায়ামপৰায়ণ হৈ থাকে (১)। এই যোগীগণে যজ্ঞ সম্পাদনৰ পাচত চিত্তশুদ্ধি লাভ কৰি পৰমপদলাভ কৰে; কিন্তু যিবিলাকে যজ্ঞব্ৰত নকৰে, সিবিলাকে মুক্তি বা পৰমপদ লাভ কৰা নিলগতে থাওক, সামান্য সুখসাধ্য মনুষ্যলোক লাভ কৰাও সিবিলাকৰ ভাগ্যত নঘটে। এনে আৰু বহুবিধ যজ্ঞৰ বিষয় বেদত লিপিবদ্ধ হৈছে, সেই সকলো যজ্ঞ কৰ্ম্মজনিত বুলি জানি তুমি তদ্ৰূপ আচৰণৰ দ্বাৰাই মুক্তিপন্থা অৱলম্বন কৰাঁ।" (২)

"হে পাৰ্থ! দ্ৰব্যযজ্ঞতকৈ জ্ঞানযজ্ঞ সৰ্ব্বতোভাৱে শ্ৰেষ্ঠ; কিয়নো, নিষ্কাম কৰ্ম্ম, তপস্যা, উপাসনা, শাস্ত্ৰাধ্যয়ন, যোগাভ্যাস আদি সমস্তই জ্ঞানলাভৰ অৰ্থে অনুষ্ঠিত। এতেকে, তুমি শ্ৰদ্ধাসহকাৰে তত্ত্বদৰ্শী গুৰুৰপৰা জ্ঞান উপদেশ গ্ৰহণ কৰাঁ। হে পাণ্ডৱ! যি জ্ঞান লাভ কৰিলে তুমি আৰু মোহমুগ্ধ হব নালাগিব, আৰু যি জ্ঞানৰ প্ৰভাৱত সমস্ত প্ৰাণীতে পৰমাত্মাক দেখা পাবাঁ, সেই জ্ঞান লাভ কৰাঁ। সেই আত্মজ্ঞান লাভ কৰিব পাৰিলে, তুমি যদি পাপীৰো পাপী হোৱাঁ, তথাপি সেই পাপ-সাগৰ জ্ঞান-তৰীৰে হৈতে অনায়াসে পাৰ হব পাৰিবাঁ; আৰু ইয়াকো জানিবাঁ যে, নিষ্পাপ নহলে আত্মজ্ঞান লাভ নহয়।" (৩)

"হে অৰ্জ্জুন! জ্বলা-জুয়ে যেনেকৈ কাঠখৰি আদি পুৰি ছাই কৰে, জ্ঞান-জুয়ে তেনেকৈ কৰ্ম্মৰাশিক ছাই কৰে। ইহলোকত আত্মজ্ঞানৰ সমান আন একোৱেই পৱিত্ৰতাকাৰক নহয়; আন

(১) প্ৰাণ=নিশ্বাস; অপান=প্ৰশ্বাস। নিশ্বাস আৰু প্ৰশ্বাস দুয়োকো বন্ধ কৰি চিত্তস্থিৰ কৰাৰ নাম প্ৰাণায়াম।

(২) গীতা, ৪ৰ্থ আধ্যা, ২৯—৩২ শ্লোক।

(৩) গীতা, ৪ৰ্থ আধ্যা, ৩৩—৩৬ শ্লোক।

হাতে কৰ্ম্মযোগৰ দ্বাৰাই মানুহে কালত আপোনা-আপুনি আত্মজ্ঞান লাভ কৰেগৈ। এতেকে, তোমাৰ তুল্য আত্মজ্ঞান-পিপাসু পুৰুষে নিষ্কাম কৰ্ম্মযোগ বা ভক্তিযোগ সাধনা কৰা একান্ত বাঞ্ছনীয়।" (১)

"শ্ৰদ্ধাবান্, গুৰুভক্ত আৰু জিতেন্দ্ৰিয় পুৰুষসকল আত্মজ্ঞান লাভৰ ফলত সহজে মোক্ষপ্ৰাপ্ত হয়। কিন্তু, অজ্ঞানী, শ্ৰদ্ধাহীন আৰু সংশয়যুক্ত লোক অচিৰে বিনষ্ট হয়। হে ধনঞ্জয়! যি যোগৰ দ্বাৰাই সমস্ত কৰ্ম্ম ভগৱানত অৰ্পণ কৰা হৈছে, আত্মজ্ঞানৰ প্ৰভাৱত যাৰ সমস্ত সংশয় ছেদ্ হৈছে, কৰ্ম্মৰাশিয়ে সেই আত্মজ্ঞ লোকক আৱদ্ধ কৰিব নোৱাৰে। এতেকে, হে ভাৰত! তুমি জ্ঞানৰূপ অস্ত্ৰেৰে অন্তৰৰ অজ্ঞানজনিত সংশয়সমূহক কাটি পেলোৱাঁ, আৰু কৰ্ম্মযোগৰ আশ্ৰয় লৈ ৰণলৈ আগ বাঢ়া। অৰ্থাৎ, তুমি হৃদয়ত বৃথা সংশয় পোষণ নকৰিবাঁ; নিষ্কাম চিত্তেৰে যুদ্ধৰূপ ধৰ্ম্মানুষ্ঠানত প্ৰবৃত্ত হোৱাঁ। উঠাঁ, উঠাঁ, অনতিপলমে সাজু হোৱাঁ। তুমি ভৰত বংশৰ তিলক স্বৰূপ হৈ অবিবেকীৰ দৰে ধৰ্ম্মভ্ৰষ্ট নহবাঁ।" (২)

(১) গীতা, ৪ৰ্থ আধ্যা, ৩৭—৩৮ শ্লোক।

(২) গীতা, ৪ৰ্থ আধ্যা, ৩৯—৪২ শ্লোক।

# ১৬। অাধ্যা।

## কৰ্ম্মযোগ আৰু সন্ন্যাসযোগ।

অৰ্জ্জুনে ভাবি চালে যে, আত্মজ্ঞান লাভৰ অৰ্থে ভগৱান শ্ৰীকৃষ্ণই কৰ্ম্ম আৰু ত্যাগ উভয়ৰে ব্যৱস্থা দিছে; অথচ কৰ্ম্ম আৰু ত্যাগ পোহৰ আৰু আন্ধাৰৰ নিচিনাকৈ পৃথকায়ো দেখুৱাইছে। পিচে, কোনটো তেওঁলৈ মঙ্গলজনক হব সেই বিষয়ক উপদেশ পাবলৈ অৰ্জ্জুনে এই বুলি সম্বোধন কৰিলে, "হে কৃষ্ণ! হে ভকতবৎসল হৰি! কৰ্ম্মযোগ আৰু কৰ্ম্মসন্ন্যাস দুয়োৰো তুমি ব্যাখ্যা দিছাঁ; পিচে মোৰ পক্ষে কোন্‌টো মঙ্গলজনক হব, সেই বিষয়ে মোক নিশ্চয় কৰি কোৱাঁ; কিয়নো কৰ্ম্মযোগ আৰু কৰ্ম্মসন্ন্যাস, বা কৰ্ম্ম আৰু ত্যাগ উভয়কে একে সময়তে একেজন লোকে সাধন কৰা সম্ভৱপৰ যেন নেদেখোঁ।" (১)

ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক এই বুলি সমিচাৰ দিলে, "সন্ন্যাস আৰু কৰ্ম্মযোগ দুয়ো মুক্তিৰ হেতু; তাৰ ভিতৰত সন্ন্যাস বা কৰ্ম্মত্যাগতকৈ কৰ্ম্মযোগ বিশিষ্ট (২)। কিয়নো, চিত্তশুদ্ধি নহলে অকল সন্ন্যাসত একো ফল নধৰে; অথচ কৰ্ম্মযোগেৰে চিত্তশুদ্ধি লাভ কৰা যায়। এতেকে, হে পাৰ্থ! কৰ্ম্মযোগেই হে সম্প্ৰতি তোমাৰ পক্ষে কল্যাণকৰ।

---

(১) গীতা, ৫ম আধ্যা, ১ শ্লোক।

(২) "সংন্যাসঃ কৰ্ম্মযোগশ্চ নিঃশ্ৰেয়সকৰাবুভৌ।
তয়োস্তু কৰ্ম্মসংন্যাসাৎ কৰ্ম্মযোগো বিশিষ্যতে।"
—গীতা, ৫ আধ্যা, ২য় শ্লোক।

যাৰ দ্বেষ নাই, আকাঙ্ক্ষা নাই, যি নিৰ্দ্বন্দ্ব আৰু কামনাবৰ্জ্জিত, তেওঁৰেই নিত্যসন্ন্যাসী; আৰু তেনে জনেই মুক্তিলাভ কৰে। অজ্ঞানী জনে সন্ন্যাস আৰু কৰ্ম্মযোগৰ ফল ভিন্ বুলি ভাবে; কিন্তু পণ্ডিতসকলে সেইটো নকয়, সিবিলাকৰ মতে কৰ্ম্মযোগ আৰু সন্ন্যাস দুইবো ভিতৰৰ এবিধৰ অনুষ্ঠান কৰিলেই উভয়ৰে ফল পোৱা যায়। কিয়নো, নিষ্কাম কৰ্ম্মযোগ কৰ্ম্মসন্ন্যাসৰ প্ৰকাৰান্তৰ মাথোন। ফলত, সন্ন্যাসীয়ে যি স্থান লাভ কৰে, কৰ্ম্মযোগীয়েও সেই স্থানকে লাভ কৰে; যি সন্ন্যাস আৰু কৰ্ম্মযোগ দুইকো একৰূপে দেখে, তেওঁৰেই যথাৰ্থ তত্ত্বদৰ্শী। হে মহাবাহো! কৰ্ম্মযোগলৈ আওকাণ কৰি সন্ন্যাসব্ৰত ধৰিলে বৰ দুখ পাবলগীয়া হয়। কিয়নো, কৰ্ম্মযোগ সাধন নহলে চিত্তশুদ্ধি নহয়; চিত্তশুদ্ধি নহলে আত্মজ্ঞান লাভ হব নোৱাৰে। কিন্তু, কৰ্ম্মযোগৰ দ্বাৰাই চিত্তশুদ্ধি লাভ কৰি যি সন্ন্যাসী হয়, তেওঁ সত্বৰে পৰমপদ বা মোক্ষলাভ কৰে। যি কৰ্ম্মযোগী, জিতেন্দ্ৰিয়, বিজিতদেহ, যাৰ সৰ্ব্বভূতাত্মাত নিজাত্মভাব, তেওঁ কৰ্ম্ম কৰিও কৰ্ম্মত নিৰ্লিপ্ত"। (১)

"যি নিৰুদ্ধচিত্ত কৰ্ম্মযোগী, যি তত্ত্ববেত্তা, যি পৰমাৰ্থদৰ্শী, যি নিষ্কাম কৰ্ম্মৰ ফলত শুদ্ধচিত্ত, সেইসকলে দৰ্শন, শ্ৰবন, স্পৰ্শন, ঘ্ৰাণ, ভোজন, গমন, শয়ন, নিঃশ্বাসগ্ৰহণ, কথনত্যাগ, গ্ৰহণ, উন্মেষ আৰু নিমেষ কৰিও ভাবে যে, সিবিলাকে একোকে কৰা নাই, সেই সমস্তই ইন্দ্ৰিয়বৰ্গৰ কাৰ্য্য, সিবিলাকে আত্মাক অসঙ্গ নিষ্ক্ৰিয় বুলি জ্ঞান কৰে। আৰু, যি ঈশ্বৰত ফল অৰ্পণ কৰি কৰ্ম্মফলৰ কামনাবৰ্জ্জিত হৈ কৰ্ম্মানুষ্ঠান কৰে, পানীয়ে পদ্মপত্ৰক ভেজিব নোৱাৰাৰ দৰে, পাপে সিবিলাকক ভেদিব নোৱাৰে। অৰ্থাৎ, পানীয়ে সকলো বস্তুকে ভেজিব পাৰে, কিন্তু

(১) গীতা, ৫ম অধ্যা, ৩—৯ শ্লোক।

পদ্মপত্ৰত পানীৰ সেই শক্তি নাথাটে (১); সেইদৰেই কৰ্ম্মই কৰ্ম্মানুষ্ঠানকাৰী মাত্ৰকেই কামপাশত আৱদ্ধ কৰে, কিন্তু যি ফল-কামনা-বৰ্জ্জিত কৰ্ম্মানুষ্ঠানকাৰী, সিবিলাকক কমপাশে বান্ধিব নোৱাৰে। কৰ্ম্মযোগীগণে ফল কামনা পৰিত্যাগ কৰি চিত্তশুদ্ধিৰ উদ্দেশে কেৱল শৰীৰ, মন, বুদ্ধি আৰু ইন্দ্ৰিয়াদিৰ দ্বাৰাই হে কাম কৰে। নিষ্কাম কৰ্ম্মযোগীয়ে মোক্ষৰূপ শান্তি লাভ কৰে; কিন্তু কামী অযোগীয়ে ভোগ-বাসনা হেতুকে ঘূৰি ঘূৰি কামপাশত বান্ধ খায়।" (২)

"জিতেন্দ্ৰিয় আত্মদৰ্শী পুৰুষে মনৰপৰা কৰ্ম্মসমূহক বাজ কৰি দি, নবদ্বাৰবিশিষ্ট (৩) হৈ দেহাৰ মাজত স্থিতি কৰে; তেওঁ নিজে কোনো কাৰ্য্য নকৰে, আৰু আনকো প্ৰৱৰ্ত্তিত নকৰে, কাৰণ তেওঁ সততে নিজ স্বাতন্ত্ৰ্য ৰক্ষা কৰে। ঈশ্বৰ বা আত্মা স্বয়ং কৰ্ম্মউৎপাদক নহয়; তেওঁ ফলদাতাও নহয়; ফলভাগীও নহয়। অজ্ঞানৰূপ মায়া বা অনাদি অবিদ্যা বা অনন্ত প্ৰকৃতি হে কাৰ্য্যক্ষেত্ৰ বিয়াপি থাকে। আত্মা জীৱৰ পাপ-পুণ্যৰ গৰাকী নহয়।" (৪)

"আত্মবিচাৰৰ ফলত যাৰ অজ্ঞানতা গুচিছে, তেওঁৰ অন্তৰত সূৰ্য্যৱৎ ব্ৰহ্মজ্যোতি প্ৰৱেশ কৰে। যি ব্ৰহ্মনিষ্ঠ আৰু পৰমাত্মাতে যাৰ আত্ম-

---

(১) "ব্ৰহ্মণ্যাধায় কৰ্ম্মাণি সঙ্গংত্যক্ত্বা কৰোতি যঃ।
লিপ্যতে ন স পাপেন পদ্মপত্ৰমিবাম্ভসা॥"
—গীতা, ৫ অধ্যা, ১০ শ্লোক।

(২) গীতা, ৫ম অধ্যা, ১১—১২ শ্লোক।

(৩) দুই চকু, দুই কাণ, দুই নাকৰ বিন্ধা, আৰু এখন মুখ এই সাতখন উৰ্দ্ধ-দ্বাৰ; মলদ্বাৰ আৰু মূত্ৰদ্বাৰ এই দুখন অধোদ্বাৰ; এয়ে-সেয়ে ৯ খন দ্বাৰ লগা দেহা-ঘৰৰ মাজত জীৱাত্মা অৱস্থিত।

(৪) গীতা, ৫ম অধ্যা, ১৩—১৫ শ্লোক।

ভাৱ, আৰু জ্ঞানৰ প্ৰভাৱত যাৰ পাপ-পুণ্য নিবৃত্ত হৈছে, সেই যোগী সন্ন্যাসীয়ে মুক্তিপদ লাভ কৰে; জন্ম-মৃত্যুৰ বাব আৰু তেওঁৰ নাথাকে। (১)

"তত্বজ্ঞ পণ্ডিতৰ চকুৱে ব্ৰাহ্মণ, গো, হস্তী, কুকুৰ আৰু চাণ্ডাল সকলো প্ৰকাৰ প্ৰাণীতে একেভাৱে ব্ৰহ্মদৰ্শন কৰে, তেওঁৰ মানত কুকুৰ বা যোগীৰ আত্মাৰ কোনো তাৰতম্য নাই। ব্ৰহ্মনিৰ্দোষ আৰু সমস্বৰূপ সমদৰ্শী পুৰুষে ব্ৰহ্মত স্থিতি কৰে। গতিকে, ইহলোকত তেওঁ সংসাৰ-জয়ী হব পাৰে। ব্ৰহ্মজ্ঞ পুৰুষ সৰ্ব্বত্ৰতে সমদৰ্শী; গতিকে তেওঁৰ মানত প্ৰিয় বা অপ্ৰিয় ভাব নাই, ভাল বা বেয়া বিচাৰ নাই, সৰু বৰৰ জ্ঞান নাই, তেওঁৰ মানত সকলো সমান। বাহ্যবিৰহিত আশক্তিশূন্য হলে অন্তৰত সুখ-শান্তিৰ অনুভৱ হয়; তাৰ পাচত আত্মজ্ঞান লাভ কৰিলে সেই সুখ-শান্তি অক্ষয়-অব্যয় হয়। হে কুন্তীনন্দন! যিবোৰ সুখভোগ ইন্দ্ৰিয়বিষয়ৰপৰা উৎপন্ন, সেইবোৰ নিশ্চয় দুখৰ কাৰণ, জ্ঞানীজনে তাত প্ৰীতি লাভ নকৰে।" (২)

"দেহ ত্যাগ কৰাৰ আগেয়েই, (৩) মনোবেগ ইন্দ্ৰিয়শক্তি সঞ্চাৰিত নৌ হওঁতেই, যি সেই বেগ চম্ভালি ৰাখিব পাৰে, তেওঁৱেই যোগী, তেওঁৱেই সুখী; দুখৰ আশ্ৰয়স্থান ভোগবাসনাৰপৰা যি যিমান আঁতৰত থাকে, তেওঁ তিমানেই সুখী। আত্মাতেই যাৰ প্ৰকাশ, তেওঁৱেই ব্ৰহ্মনিষ্ঠ

---

(১) গীতা, ৫ম আধ্যা, ১৬—১৭ শ্লোক।

(২) গীতা, ৫ম আধ্যা, ১৮—২২ শ্লোক।

(৩) পঞ্চম আধ্যাৰ ২৩ শ্লোকৰ "প্ৰাক্ শৰীৰ বিমোক্ষণাৎ" মানে কোনো কোনো টীকাকাৰে "শৰীৰ ত্যাগৰ আগেয়ে" বুলি ব্যাখ্যা দিছে; কিন্তু কৃষ্ণানন্দস্বামিকৃত গীতাৰ্থ সন্দীপনী মতে দেহ অহং ভাৱশূন্য হৈ সন্ন্যাসাশ্ৰমত অৱস্থিত হোৱাৰ পূৰ্ব্বতে, অৰ্থাৎ গৃহাশ্ৰমত থাকোঁতেই।

যোগী, তেওঁৰেই ব্ৰহ্মনিৰ্ব্বাণপ্ৰাপ্ত হয়। আৰু, যি নিষ্পাপ সন্ন্যাসী, সংশয়বৰ্জ্জিত একাগ্ৰচিত্তীয়া, সৰ্ব্বভূতহিতৈষী, তেওঁৰেই প্ৰকৃত আত্ম-জ্ঞানী, তেওঁৰেই ব্ৰহ্মনিৰ্ব্বাণ প্ৰাপ্ত হয়।" (১)

"যাৰ হৃদয়ৰপৰা কাম-ক্ৰোধৰ বীজ বিনষ্ট হৈছে, আৰু তাৰ নিমিত্তে যাৰ চিত্ত সংযত হৈছে, যাৰ প্ৰাণত আত্মা আৰু পৰমাত্মাৰ একত্ব জ্ঞান জন্মিছে, তেওঁৰ জীৱনে-মৰণে সকলো অৱস্থাতেই নিৰ্ব্বাণপদ লাভ হয়। মনৰপৰা সকলো বাহ্য বিষয় বাজ কৰি, দুই চকুক ভ্ৰূযুগলৰ মাজত স্থিতি কৰাই (২) প্ৰাণ আৰু অপান (৩) বায়ুক নাকৰ বিন্ধাৰ মাজত ৰুদ্ধ ৰাখি, যি ইন্দ্ৰিয় আৰু মনক জয় কৰিছে, আৰু ইচ্ছা, ভয়, ক্ৰোধ ইত্যাদিক বশ কৰি যি বিষয়বিৰাগী হব পাৰিছে, সেই যোগী পুৰুষ সততে নিৰ্ব্বাণপ্ৰাপ্ত হয়।" (৪)

"ভগৱন্তক যজ্ঞ আৰু তপস্যাদিৰ ভোক্তা, সৰ্ব্বলোকৰ মহেশ্বৰ আৰু সৰ্ব্বভূতৰ এক মাথোন সুহৃৎ (৫) বুলি তত্ত্বজ্ঞ হৈ সাধকসকলে পৰমপদ

---

(১) গীতা, ৫ম আধ্যা, ২৩—২৫ শ্লোক।

(২) চকুৰ দৃষ্টি ভ্ৰূযুগলৰ সন্ধিস্থলত স্থিৰ ৰাখিব পাৰিলে চিত্তৰ একাগ্ৰতা বৃদ্ধি লাভ হয়।

(৩) নিশ্বাস আৰু প্ৰশ্বাস।

(৪) গীতা, ৫ম আধ্যা, ২৬—২৮ শ্লোক।

(৫) ভগৱানক স্থূলভাৱে দৰ্শন কৰিলে জীৱে মুক্তি লাভ কৰিবলৈ নোৱাৰে, তেওঁক সূক্ষ্মভাৱে জানিব আৰু সাক্ষাৎ স্বৰূপে দেখাদি দেখিব লাগে; সেই অৰ্থে তত্ত্বদৰ্শী আত্মজ্ঞানী ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ পৰমভক্ত শিষ্য অৰ্জ্জুনৰ আগত নিজক সাক্ষাৎ ভগৱান স্বৰূপে দেখা দি, "মাং ভোক্তাৰং যজ্ঞতপসাং সৰ্ব্বলোকমহেশ্বৰম্ সৰ্ব্বভূতানাং সুহৃদং" বুলি আত্মতত্ত্বজ্ঞান প্ৰকাশ কৰিছে।

রা মুক্তি লাভ করে; আর ইহলোকেতো তেনে সাধুগণ সংসারপাশের পরা বিমুক্ত হয়।" (৬)

(৬) গীতা, ৫ম অধ্যা, ২৯ শ্লোক।

# ১৭। অধ্যায়।

—⁂—

## যোগী আৰু সন্ন্যাসী।

যোগী কোন্, সন্ন্যাসী কোন্ আৰু সিবিলাকৰ ভিতৰত কাৰ কি ধৰ্ম্ম, কাৰ কি কৰ্ম্ম, কাৰ কি লক্ষ্য ইত্যাদি বিষয়ত অৰ্জ্জুন সন্দিহান হোৱাত, ভগৱান শ্ৰীকৃষ্ণই সেই সেই বিষয়ে এই বুলি বিশদ বুজনি দিবলৈ আৰম্ভ কৰিলে, "যি কৰ্ম্মফলৈ আশা নাৰাখি নিত্য-নৈমিত্তিক কাৰ্য্যৰ অনুষ্ঠান কৰে, নিষ্ক্ৰিয় আৰু নিৰগ্নি (১) নহলেও, তেওঁৱেই যোগী, তেওঁৱেই সন্ন্যাসী। নিষ্কাম কৰ্ম্মযোগৰ দ্বাৰাই আত্মজ্ঞান লাভ আৰু কৈবল্যমুক্তি বা মোক্ষপ্ৰাপ্তিয়েই দুইৰো একেটা লক্ষ্য (২)। হে পাণ্ডৱ! শ্ৰুতিত যাক সন্ন্যাস বোলে, সেয়ে যোগ (৩) বুলি জানিবা; কিয়নো সন্ন্যাসৰ বলেৰে সংকল্পত্যাগী নহলে যোগী হোৱা অসম্ভৱ। যি মুনিয়ে যোগাৰূঢ় হবলৈ ইচ্ছা কৰে, কৰ্ম্মই তেওঁৰ প্ৰথম সোপান; কিয়নো, কৰ্ম্মানুষ্ঠান নহলে চিত্তশুদ্ধি নহয়; চিত্তশুদ্ধি নহলে যোগৰ উপযোগী নহয়। আৰু, যোগাৰূঢ় হলেও, তেওঁত কৰ্ম্মসন্ন্যাস ঘটে, কিয়নো কামনাত্যাগী সন্ন্যাসবৃত্তি নজন্মিলে যোগাৰম্ভণ নহয়। সাধক

---

(১) বহিৰনুষ্ঠান যোগ্য সমস্ত কাৰ্য্যৰ প্ৰতি বৈৰাগ্য।

(২) "অনাশ্ৰিতঃ কৰ্ম্মফলং কাৰ্য্যং কৰ্ম্ম কৰোতি যঃ।
স সংন্যাসী চ যোগী চ ন নিৰগ্নিৰ্ন চাক্ৰিয়ঃ॥"
—গীতা, ৬ অধ্যা, ১ শ্লোক।

(৩) মহৰ্ষি পতঞ্জলিৰ যোগসূত্ৰৰ আৰম্ভণত কোৱা হৈছে,—
"যোগশ্চিত্তবৃত্তিনিৰোধঃ"; অৰ্থাৎ, মনৰ সমস্ত বৃত্তি নিৰোধৰ নাম যোগ।

মুনি যেতিয়া সৰ্ব্বসংকল্পত্যাগী (১) শব্দাদি বিষয়ত অনাসক্ত হয় (২), তেতিয়াই তেওঁ সমাধিস্থ বা যোগাৰূঢ়ৰ অৰ্থে যোগ্য হয়।" (৩)

"বিবেকবুদ্ধিৰ দ্বাৰাই জীৱাত্মাক সংসাৰৰপৰা উদ্ধাৰ কৰিব লাগে, আত্মাক অৱসন্ন কৰিব নালাগে; কিয়নো আত্মাই আত্মাৰ বন্ধু, আত্মাই আত্মাৰ শত্ৰু (৪)। অৰ্থাৎ, আপোনাতপৰ আপোনাৰ বন্ধু আন কোনো হব নোৱাৰে; আপোনাৰ হিত আপুনি নিচিন্তিলে অন্যৰ চিন্তাই সিমান গুণ দিব নোৱাৰে। আপুনি আপোনাক সাৱধানে নচলালে, আপুনি আপোনাক শত্ৰুতা কৰা হয়। এতেকে, যি আত্মাই আত্মাক (৫) বশীভূত কৰিছে, সেই আত্মাই আত্মাৰ পৰমবন্ধু; আৰু যি আত্মা আত্মাক বশীভূত কৰিবলৈ অসমৰ্থ, সেই আত্মা আত্মাৰ বিষম শত্ৰু। কিয়নো, অদম্য জীবাত্মাই ইন্দ্ৰিয়াদিৰ প্ৰভাৱত আত্মাক বিচলিত কৰি পৰমাত্মালাভৰ পথৰপৰা পিছলাই নি শত্ৰুতাৰ আচৰণ

---

(১) সংকল্পৰপৰাই কামনাৰ উৎপত্তি। এতেকে, সংকল্প ত্যাগ কৰিলেই কামনাৰ বীজ নাশ হয়।

(২) নিত্য, নৈমিত্তিক, কাম্য, নিষিদ্ধ কোনো বিধৰ কৰ্ম্মতে চিত্তবৃত্তি প্ৰবৃত্ত নোহোৱাকে অনাসক্ত বোলা যায়।

(৩) গীতা, ৬ অধ্যা ২—৪ শ্লোক।

(৪) "উদ্ধৰেদাত্মনাত্মানং নাত্মানমৱসাদয়েৎ।
আত্মৈৱ হ্যাত্মনো বন্ধুৰাত্মৈৱ ৰিপুৰাত্মনঃ॥
বন্ধুৰাত্মাত্মনস্তস্য যেনাত্মৈৱাত্মনা জিতঃ।
অনাত্মনস্তু শত্ৰুত্বে বৰ্ত্তেতাত্মৈৱ শত্ৰুৱৎ॥"
—গীতা, ৬ অধ্যা, ৫—৬ শ্লোক।

(৫) "জিতাত্মনঃ প্ৰশান্তস্য পৰমাত্মা সমাহিতঃ।
শীতোষ্ণ সুখদুঃখেষু তথা মানাৱমানয়োঃ॥"—গীতা, ৬ অধ্যা, ৭ম শ্লোক।

কৰে। যি জীৱাত্মা শীত, উষ্ণ, সুখ, দুখ, মান, অপমান, ৰাগ, ক্রোধ ইত্যাদি বৰ্জ্জিত, সেই আত্মাতে পৰমাত্মা অবিচলিত ভাৱে বিদ্যমান থাকে; আৰু যি জ্ঞান-বিজ্ঞানবিশিষ্ট, যি বিকাৰশূন্য আৰু জিতেন্দ্রিয়, যি শিল, সোন, সোণ, মাটি সকলো বস্তুকে সমান দেখে, তেওঁকে যোগাৰূঢ় বুলিব পাৰি।" (১)

"সুহৃদ, মিত্র, অৰি, উদাসীন, মধ্যস্থ, দ্বেষ্য, বন্ধু, সাধু, অসাধু (২) আৰু অন্যান্য সকলো জীৱকে যি সমান জ্ঞান কৰে, তেওঁৱেই বিশিষ্ট পুৰুষ; এই বিশিষ্টতাই যোগাৰূঢ় পুৰুষৰ পূৰ্ব্বলক্ষণ। যোগাৰূঢ় পুৰুষে সততে নিজানত বাস কৰি, ইন্দ্রিয়াদি সংযত কৰি, আশা আৰু পৰিগ্ৰহ ত্যাগ কৰি, চিত্তক সমাহিত কৰিব লাগে। বৰ ওখও নহয়, নিচেই চাপৰো নহয়, এনে পৱিত্ৰ ঠাইত (৩), তলত কুশাসন, তাৰ ওপৰত হৰিণা বা বাঘৰ ছাল, আৰু তাৰ ওপৰত কোমল বস্ত্ৰ (৪) পাৰি যোগীয় উপবেশন কৰাৰ বিধি। এনে পৱিত্ৰ আসনত উপবিষ্ট হৈ চিত্ত, ইন্দ্রিয় আৰু ক্রিয়া সংযত কৰি একাগ্রচিত্তেৰে চিত্তশুদ্ধিৰ যোগাকাঙ্ক্ষী পুৰুষে সমাধি অভ্যাস কৰাৰ প্ৰয়োজন। যোগাভ্যাসী পুৰুষে শিৰ, শৰীৰ আৰু কণ্ঠ পোনকৈ নীৰলাভাৱে ৰাখি,

---

(১) গীতা, ৬ অধ্যা, ৮ম, শ্লোক।

(২) যি উপকাৰৰ আশা নৰখাকৈ উপকাৰ কৰে, যি উপকাৰৰ আশাত উপকাৰ কৰে; যি নিজৰ অপকাৰ নোহোৱাতো আনৰ অপকাৰ চিন্তে, যি পৰৰ হিত বা অহিত একোতে প্ৰবৃত্ত নহয়; যি বিবাদ ভাঙি শান্তি স্থাপন কৰে, যি স্বাৰ্থ ৰাখি আনক উপকাৰ কৰে; এনে সকলোকে যি সমান চকুৰে চাব পাৰে তেওঁৱেই সমাধিস্থ বা যোগাৰূঢ় হবৰ উপযুক্ত।—কৃষ্ণানন্দস্বামিকৃত গীতাৰ্থ সন্দীপনী।

(৩) মাটি বা শিলৰ ওপৰত আসন পতাই বিশিষ্ট বিধি।

(৪) বনাত বা কম্বল যোগাসনত পাৰিবলৈ বিশিষ্ট বস্ত্ৰ।

নিজৰ নাকৰ আগটি মাথোন চাই, আন কোনোকালে নাচাই, সমাধিস্থ হোৱাৰ বিধি। তাৰ পাচত, প্ৰশান্তচেতা, নিৰ্ভয়, ব্ৰহ্মচৰ্য্যশীল সংযতচিত্ত, মদ্গতচিত্ত, মৎপৰায়ণ হৈ যোগাভ্যাসী লোক সমাধিস্থ হোৱাৰ নিয়ম। এই নিয়মে সংযতচিত্ত সমাধিস্থ সাধকে মন নিৰোধ কৰি ঈশ্বৰৰ স্বৰূপভূত নিৰ্ব্বাণৰূপ পৰমশান্তি (১) লাভ কৰে। হে অৰ্জ্জুন! অতি-ভোজীৰো সমাধি নহয়; অনাহাৰীৰো নহয়; অতি নিদ্ৰায়ো যোগ দুৰ্ব্বল কৰে, অনিদ্ৰায়ো কৰে (২)। যি সমাধিস্থ লোকে নিয়মিত আহাৰ-বিহাৰ কৰে, নিয়মিত নিদ্ৰা-জাগৰণ কৰে, তেওঁৰ যোগ সহজে সিদ্ধি হয়। ইত্যাদি আচৰণৰ দ্বাৰাই যেতিয়া চিত্তসংযত হৈ আন্তৰিক বৃত্তিৰ ক্ৰিয়া, চেষ্টা, স্পৃহা সকলোতে বৈৰাগ্য লাভ হয়, আত্মা পৰমাত্মাত সমাহিত হয়, আৰু পৰমাত্মাত তন্ময় হোৱা যায়, তেতিয়াই যোগীৰ যোগ সিদ্ধ হয়।" (৩)

যোগসূত্ৰৰ সমাধি আৰু সাধনা বহুলকৈ বৰ্ণাবৰ অৰ্থে ভগৱান শ্ৰীকৃষ্ণই এই বুলি ক্ৰমাৎ তাৰ ব্যাখ্যা বথানিবলৈ ধৰিলে, "হে অৰ্জ্জুন! য'ত বায়ুৰ গতি নাই, তাত বন্তি অচঞ্চলভাৱে জ্বলে; সেই অনুৰূপে বাহ্য বিষয়েৰে সংসৰ্গ নথকা হেতুকে যোগীৰ অন্তৰৰ বৃত্তিবিলাক কিঞ্চিৎ-

---

(১) যি অনিৰ্ব্বচনীয় অৱস্থা প্ৰাপ্ত হ'লে জীৱৰ বাসনা বিকাশৰ বীজ বিদগ্ধ হয়, তাৰ নাম পৰমনিৰ্ব্বাণ।—কৃষ্ণানন্দস্বামিকৃত গীতাৰ্থসন্দীপনী।

(২) যোগীয়ে পাকস্থলীৰ দুভাগ অন্নেৰে আৰু এভাগ পানীৰে পূৰণ কৰিব; বাকী চতুৰ্থভাগ বায়ুৰ গতি-বিধিৰ কাৰণে উদংকৈ ৰাখিব। ৰাত্তিৰ প্ৰথম আৰু চতুৰ্থ প্ৰহৰ ভগবদাৰাধনা, দ্বিতীয় আৰু তৃতীয় প্ৰহৰ নিদ্ৰাত নিয়োজিত কৰিব লাগে।

(৩) গীতা, ৬ অধ্যা. ৯—১৮ শ্লোক।

মানো বিচলিত নহয় (১)। যি অৱস্থাত চিত্ত যোগভ্যাসৰ দ্বাৰাই নিৰুদ্ধ হৈ উপশমপ্ৰাপ্ত হয়, যি অৱস্থাত ইন্দ্ৰিয়ৰ অতীত আৰু কেৱল শুদ্ধবুদ্ধি গ্ৰাহ্য নিৰতিশয় সুখ অনুভৱ কৰা যায়, যি অৱস্থাত স্থিত হলে আত্মস্বৰূপ ভাবৰপৰা পিছ্‌লিবৰ ভয় নাই, যি অৱস্থা লাভ হলে আন সমস্তকে সামান্য যেন বোধ হয়, যি অৱস্থাত থিতাপি হলে অতি অসহনীয় দুখেও টলাব নোৱাৰে, হে পাৰ্থ, সেই অৱস্থাৰ নামেই যোগ; সেই যোগত লেশমাত্ৰও দুখ নাই; এই যোগ মুকলি প্ৰাণেৰে অভ্যাস কৰা যুগুত।" (২)

"সংকল্পজাত কামনাবোৰ পৰিত্যাগ কৰি আৰু মনৰ বলেৰে ইন্দ্ৰিয় বিলাকক বিষয়-ব্যাপাৰৰপৰা নিবৃত্ত কৰি, ধৈৰ্য্যশীল বুদ্ধিৰ বলেৰে ক্ৰমাৎ ধীৰে ধীৰে চিত্ত নিৰুদ্ধ কৰি, আৰু মনক আত্মাত নিহিত কৰি, কিঞ্চিৎমানো আন চিন্তা নকৰি যোগীয়ে যোগ সাধন কৰিব লাগে। যি যি বিষয়লৈ চঞ্চল চিত্তৰ ধাউতি প্ৰবল, যত্নৰে সেতে সেই সেই বিষয়ৰ পৰা চিত্তক ঘুৰাই আনি আত্মাৰ অনুগত কৰিব লাগে। প্ৰশান্তচিত্তীয়া যোগীয়ে যেতিয়া ৰজ আৰু তমোগুণ বৰ্জ্জিত হৈ উঠে, তেতিয়া তেওঁ নিস্পাপ হৈ অনায়াসে ব্ৰহ্মত্ব লাভ কৰি অনুপম সুখ-শান্তি অনুভৱ কৰে। হে অৰ্জ্জুন! সৰ্ব্বত্ৰ সমদৰ্শী যোগী পুৰুষে সকলো জীৱতে আত্মাক আৰু আত্মাত সকলো জীৱকে দেখা পায়।" (৩)

---

(১) "যথা দীপো নিবাতস্থো নেঙ্গতে সোপমা স্মৃতা।
যোগিনো যতচিত্তস্য যুঞ্জতো যোগমাত্মনঃ॥"
—গীতা, ৬ আধ্যা, ১৯ শ্লোক।

(২) গীতা, ৬ আধ্যা, ২০—২৩ শ্লোক।

(৩) গীতা, ৬ আধ্যা, ২৪—২৯ শ্লোক।

"যি যোগীয়ে জগতৰ সকলো বস্তুতে আত্মৰূপ ভগৱানক দেখা পায়, আৰু আত্মাত সকলোকে দেখে, সেই যোগৰ ওচৰত পৰমাত্মা পৰোক্ষ নহয়; পৰমাত্মাৰ ওচৰতো সেই যোগী পৰোক্ষ নহয়। যি যোগীয়ে সৰ্ব্ব-ভূতস্থিত বা সকলো জীৱতে ব্যাপ্ত পৰমাত্মাক আপোনাত অভিন্নভাৱে ধাৰণা কৰি অপৰোক্ষ জ্ঞান কৰে, সেই যোগী যি অৱস্থাতে নাথাকক, তেওঁ অভেদৰূপে পৰমাত্মাত স্থিতি কৰে। হে অৰ্জ্জুন! যি মানুহে নিজৰ নিচিনাকৈ আনবো সুখ-দুখৰ প্ৰতি সমানে দৃষ্টি ৰাখে, তেওঁৱেই সৰ্ব্বাতকৈ শ্ৰেষ্ঠ,—তেওঁ যোগীৰো যোগী; কিয়নো মনৰ সম্পূৰ্ণ বিনাশ আৰু কামনাৰ সম্পূৰ্ণ ক্ষয় সাধিব নোৱাৰালৈকে কোনো যোগীয়ে সেই অৱস্থা লাভ কৰিব নোৱাৰে।" (১)

অৰ্জ্জুনে নিবেদন কৰিলে, "হে মধুসূদন! তুমি আত্মাৰ যি সমতাৰূপ যোগতত্ত্ব ব্যাখ্যা কৰিলাঁ, মনৰ থিতি তাত যে সৰহ পৰ ঠাৱৰিব, মোৰ এনে বোধ হোৱা নাই; কাৰণ, হে কৃষ্ণ, মন অতি চঞ্চল, অতি ইন্দ্ৰিয়পৰায়ণ, অতি বশৱন্ত, অতি দৃঢ়।" (২)

ভগৱান শ্ৰীকৃষ্ণই এই বুলি তাৰ সমিধান দিলে, "হে মহাবাহো! মন যে চঞ্চল আৰু সহজে নিগৃহীত নহয় তাত মোৰ কিঞ্চিৎমানো সন্দেহ নাই; কিন্তু হে কুন্তীনন্দন! অভ্যাস আৰু বৈৰাগ্যৰ বলত সেই অসাধ্যও সাধ্য হৈ পৰে। অসংযতচিত্ত মানুহৰ পক্ষে এনে যোগ অৱশ্যে সহজ সাধ্য নহয়; কিন্তু যি লোক যত্নশীল আৰু যাৰ চিত্ত সংযত হৈছে, তেনে যোগীয়ে সদুপায়ৰ দ্বাৰাই সেই কাৰ্য্য নিশ্চয় সাধিব

(১) গীতা, ৬ অধ্যা, ৩০—৩২ শ্লোক।
(২) গীতা, ৬ অধ্যা, ৩৩—৩৪ শ্লোক।

পাৰে (১)। কিয়নো, অভ্যাসৰ বলত (২) সকলো সিদ্ধ হয়। অৱশ্যে, তাৰ নিমিত্তে পুৰুষে পুৰুষাৰ্থ কৰিব লাগে।"

অৰ্জ্জুনে সুধিলে, "হে কৃষ্ণ! যি ভগৱানভক্ত হৈও নিজ চিত্ত-চাঞ্চল্য দোষত যোগভ্ৰষ্ট হয়, যোগসিদ্ধি নহলে তেওঁৰ কি গতি হব? হে মহাবাহো! (৩) সেই তত্ত্বজ্ঞানবিমূঢ় আৰু কৰ্ম্মউপাসনাভ্ৰষ্ট লোক বতাহত পাহ পাহ হোৱা মেঘৰ নিচিনাকৈ নষ্ট নাযাবনে? হে কৃষ্ণ! মোৰ এই সংশয় তুমি সৰ্ব্বতোভাৱে নাশ কৰি দিয়াঁ। তোমাত বাজে আন কোনেও মোৰ এই সংশয় ভঞ্জন কৰিব নোৱাৰে।" (৪)

ভগৱান শ্ৰীকৃষ্ণই এই বুলি বুজনি-সমিচাৰ দিলে, "হে পাৰ্থ! যোগভ্ৰষ্ট পুৰুষৰ ইহলোক বা পৰলোক কাচিতো নষ্ট নহয়। হে বাপি! (৫)

---

(১) গীতা, ৬ অধ্যা, ৩৫—৩৬ শ্লোক।

(২) "অভ্যাসৰ নব, কৰ্ণপথে কৰে শব" এই নীতিবচনফকিৰ পদ্য থেৰি নিলেও এই আঁতিগুৰিতে ওলায়গৈ। অভ্যাস আৰু পুৰুষাৰ্থৰ বলেৰে "অদৃষ্টৰ লিখন" খণ্ডোৱাও অসম্ভৱ নহয়।

(৩) ভগৱান শ্ৰীকৃষ্ণই ভক্তবৃন্দৰ আপদ-বিপদ বিঘ্ন-অমঙ্গলাদি নিজ তত্ত্বজ্ঞান আৰু মঙ্গলময় বাহুবলেৰে বিনাশ কৰে হেতুকে এইখিনিত অৰ্জ্জুনে শ্ৰীকৃষ্ণক মহাবাহো বুলি সম্বোধন কৰিছে। বিশেষ, যশোদাৰঞ্জন নন্দনন্দন গোবৰ্দ্ধনধাৰী কংসচাণূৰমৰ্দ্দন শিশুপাল-জৰাসন্ধাৰি কেশৱ মধুসূদন মানৱশ্ৰেষ্ঠ দৈৱকীতনয় বাসুদেৱৰ ভুজবলৰ নিদৰ্শন ইতিপূৰ্ব্বে বুৰি বুৰিকৈ পোৱা গৈছে।

(৪) গীতা, ৬ আধ্যা, ৩৭—৩৯ শ্লোক।

(৫) পৰমভক্ত অৰ্জ্জুনে ভগৱান শ্ৰীকৃষ্ণক পৰমগুৰু জ্ঞান কৰি তত্ত্ব প্ৰশ্ন কৰাৰ হেতুকে শ্ৰীকৃষ্ণই অৰ্জ্জুনক সমনীয়া "সখি" সম্বোধন নকৰি, তেওঁক শিষ্য জ্ঞান কৰি 'বাপি' সম্বোধনেৰে তেওঁৰ প্ৰতি বাৎসল্য ভাৱ দেখুৱাইছে।

শাস্ত্রবিহিত অনুষ্ঠানকাৰী (১) লোকৰ কোনো দুৰ্গতি নহয়। যোগভ্ৰষ্ট লোকে পৰলোকত পুণ্যাত্মাৰ স্থান লাভ কৰি, তাতে বহুকাল স্থিতি কৰি, পুনঃ পৃথিবীত পৱিত্ৰ শ্ৰীমন্তৰ ঘৰত জন্মগ্ৰহণ কৰে। বিষয়-বাসনাৰ বশৱৰ্ত্তী হৈ মনোবৈকল্যত যোগভ্ৰষ্ট হোৱাৰ ইমানেই পৰিণাম। নাইবা, যোগভ্ৰষ্ট লোকে পৃথিবীত যোগনিষ্ঠ জ্ঞানী লোকৰ ঘৰত জন্মগ্ৰহণ কৰিব লগীয়া হয়; এনে জন্ম অতি দুৰ্লভ। অল্পায়ু বা অকালমৃত্যু হেতুকে যাৰ যোগসিদ্ধি নোহোৱাকৈ ৰয়, তেনে যোগ ভ্ৰষ্টৰ পৰিণাম এই। আৰু, হে কুৰুনন্দন! যোগভ্ৰষ্ট লোকে পৃথিবীত পুনৰপি জন্মগ্ৰহণ কৰিলে তেওঁৰ পূৰ্ব্বকৃত জ্ঞানসাধিনী বুদ্ধি পুনঃ লাভ হয়, আৰু সিমানৰেপৰা পুনৰপি মুক্তিৰ অৰ্থে যত্ন কৰে; তেওঁ আকৌ উলটি গুৰিৰপৰা জ্ঞানসাধনা কৰিব লগীয়া নহয়। যোগভ্ৰষ্ট লোকৰ পূৰ্ব্বাভ্যাসৰ গুণত স্বভাৱতে প্ৰবৃত্তি জন্মে। জন্মজন্মান্তৰীয় পুণ্যফলৰ বলত ক্ৰমাৎ সাধনা পকি উঠিলে যোগভ্ৰষ্ট পুণ্যাত্মাই শেহান্তৰত নিজাপিকৈ মুক্তিলাভ কৰে।” (২)

শেহান্তৰত, ভগৱান শ্ৰীকৃষ্ণই এই বুলি ভক্তিযোগৰ অবাৰিত বুজনি দিলে, “মোৰ মনেৰে তত্ত্বজ্ঞানী যোগী তপস্বীতকৈও শ্ৰেষ্ঠ, পৰোক্ষ-জ্ঞানীতকৈও শ্ৰেষ্ঠ, কৰ্ম্মীতকৈও শ্ৰেষ্ঠ। এতেকে, হে অৰ্জ্জুন! তুমি তত্ত্বসাধক যোগী হোৱাঁ; আৰু ইয়াকো মনত ৰাখিবাঁ যে, যি যোগীয়ে ভগৱদ্ভক্তিপৰায়ণ হৈ তন্ময় চিত্তেৰে ভগৱন্তক আৰাধনা কৰে, সেই যোগী সবাতোকৈ শ্ৰেষ্ঠ। এতেকে, হে পাণ্ডৱ! তুমি ভক্তিযোগৰ নিৰ্ম্মল পথৰ পথিক হোৱাঁ।” (৩)

---

(১) শ্ৰদ্ধা, সত্য, ব্ৰহ্মবিচাৰ আৰু সন্ন্যাস এই চাৰিটা শাস্ত্ৰবিহিত অনুষ্ঠান।

(২) গীতা, ৬ষ্ঠ আধ্যা, ৪০—৪৫ শ্লোক।

(৩) গীতা, ৬ষ্ঠ আধ্যা, ৪৬—৪৭ শ্লোক।

# ১৮। আধ্যা।

## ভক্তিযোগ।

### পৰমাত্মা-তত্ত্বজ্ঞান।

পূৰ্ব্ববৰ্ত্তী আধ্যাত ভগৱদ্ভক্তি পন্থাৰ যি সূচনা কৰা হৈছে, সেই ভক্তিমাৰ্গেদি ক্ৰমাৎ আগ বাঢ়ি পৰমাত্মা-তত্ত্বজ্ঞান কি উপায়েৰে লাভ কৰিব পাৰি তাৰ বিশদ ব্যাখ্যা দিয়াৰ উদ্দেশ্যে ভগৱান শ্ৰীকৃষ্ণই এই বুলি অৰ্জ্জুনক সম্বোধন কৰিলে, "হে পাৰ্থ! তুমি পৰমেশ্বৰত একান্ত আসক্তচিত্ত, আৰু তুমি মোৰ নিতান্ত শৰণাগত; এতেকে পূৰ্ব্বোক্ত যোগাভ্যাস কৰি তুমি নিঃসংশয়কৈ সৰ্ব্ববিভূতিসম্পন্ন পৰমাত্মাক কি প্ৰকাৰে জানিবাঁ, তাক ভাঙ্গ কওঁ শুনাঁ (১); অৰ্থাৎ পূৰ্ব্বোক্ত যোগাভ্যাসত কোনো প্ৰকাৰৰ বিসঙ্গতি ঘটিলে তুমি পৰমাত্মাক নাজানিবগৈও পাৰাঁ, সেই কাৰণে সেই পৰমাত্মা-তত্ত্বজ্ঞানৰ বিশদ ব্যাখ্যা দিওঁ, শুদ্ধচিত্তেৰে গ্ৰহণ কৰাঁ (২)।

ভগৱান শ্ৰীকৃষ্ণই ক্ৰমাৎ ব্যাখ্যা দীঘলাবলৈ ধৰিলে, "মই এতিয়া তোমাক যি সাধন ফলাদিৰ ব্যাখ্যাৰে সৈতে জ্ঞান-বিজ্ঞানৰ (৩) তত্ত্ব ব্যাখ্যা

---

(১) ভগৱানৰ কেনেকুৱা স্বৰূপ আৰাধনা কৰিব লাগে, আৰু কি নিয়মে ভগৱন্তত মন নিবিষ্ট কৰাৰ বিধি, সেই বিষয়ে তত্ত্বজ্ঞানী ভগৱান শ্ৰীকৃষ্ণই মনেজানি প্ৰিয়শিষ্য অৰ্জ্জুনক জ্ঞান দিবলৈ আগ বাঢ়ে।

(২) গীতা, ৭ম আধ্যা, ১ম শ্লোক।

(৩) পৰমেশ্বৰক অদ্বিতীয় পূৰ্ণব্ৰহ্ম স্বৰূপে উপলব্ধি কৰাৰ নাম "জ্ঞান"; আৰু শ্ৰৱণ, মনন, বিচাৰাদিৰ দ্বাৰাই আত্মাত পৰমাত্মাক অনুভৱ কৰাৰ নাম "বিজ্ঞান"।

কৰিম, সেই তত্ত্ব উপলব্ধি কৰিব পাৰিলে তোমাৰ জানিবলৈ আৰু একো বাকী নাথাকিব (১)। সহস্ৰ সহস্ৰ মানুহৰ মাজত হয়তো এজনে জ্ঞান লাভৰ অৰ্থে যত্ন কৰে, আৰু তেনে সহস্ৰ সহস্ৰ যত্নপৰৰ মাজত হয়তো কেতিয়াবা কোনোবাই পৰমাত্মাৰ স্বৰূপ তত্ত্বজ্ঞান লাভ কৰিব পাৰে। মাটি, পানী, জুই, বায়ু, আকাশ, মন, বুদ্ধি আৰু অহঙ্কাৰ এই আঁঠ (২) বিধ মোৰ (৩) অৰ্থাৎ পৰমাত্মাৰ পৃথক্ প্ৰকৃতি। কিন্তু, এই আঁঠবিধ মোৰ (পৰমত্মাৰ) জড় প্ৰকৃতি, ইয়াৰ উপৰিও পৰমাত্মাৰ (পৰমেশ্বৰৰ) চেতন প্ৰকৃতি আছে; সেই চেতন প্ৰকৃতিয়েই অচেতন প্ৰকৃতিৰ জগতক ধাৰণ কৰি থৈছে। এই প্ৰকৃতিযুগলৰ সমিশ্ৰণত জীৱসমূহৰ সৃষ্টি; আৰুময়ে (পৰমেশ্বৰেই) জগতৰ উৎপত্তি আৰু প্ৰলয়ৰ কাৰণ। হে ধনঞ্জয়! জগতৰ কোনো বস্তুৱেই মোতকৈ (ঈশ্বৰতকৈ) শ্ৰেষ্ঠ, বা মোৰপৰা (পৰমাত্মাৰপৰা) স্বতন্ত্ৰ নহয়; সূতাত যেনেকৈ মণিধাৰ গাঁথা থাকে, জগতখন মোত তেনেকৈ জৰিত হৈ আছে। হে কুন্তীনন্দন! মই (পৰমাত্ম) পানীত ৰস, চন্দ্ৰ-সূৰ্যাত প্ৰভা, সৰ্ব্ববেদত ওঙ্কাৰ (ওঁ),

---

(১) জ্ঞানৰ বলত ব্ৰহ্মবস্তু বুজিব পাৰিলে, আৰু বিজ্ঞানৰ দ্বাৰাই পৰমাত্মাক অনুভৱ কৰিব পাৰিলে, জীৱৰ জানিবলৈ আৰু একো বাকী নাথাকে।

(২) সাংখ্যমতে ঁষোল বিধ বস্তু; যেনে:—ক্ষিতি, অপ্, তেজ, মৰুৎ, ব্যোম; পঞ্চ জ্ঞানেন্দ্ৰিয় পঞ্চ কৰ্ম্মেন্দ্ৰিয়, আৰু মন।

(৩) ভগৱান শ্ৰীকৃষ্ণই নিজাত্মাত পৰমাত্মাক প্ৰতিবিম্বিত কৰি "অহং" "মে," "মাম্" ইত্যাদি শব্দ ব্যৱহাৰ কৰাৰ তত্ত্ব ওপৰত ব্যাখ্যা কৰা হৈছে। ভগবান বাসুদেৱে নিজে নিজত ঈশ্বৰত্ব কাচিতো আৰোপ কৰা নাই যদিও, ভক্ত শিষ্য অৰ্জ্জুনে সৰ্ব্বশাস্ত্ৰজ্ঞ সৰ্ব্বতত্ত্বজ্ঞ, পূৰ্ণব্ৰহ্মজ্ঞ, জ্ঞান-বিজ্ঞানৰ আধাৰ শ্ৰীকৃষ্ণক সাক্ষাৎ ঈশ্বৰ স্বৰূপ দেখে; পণ্ডিতে পৰমাত্মাতত্ত্ব ব্যাখ্যাত ভগবান শ্ৰীকৃষ্ণই পৰমাত্মাৰ ঠাইত আত্মস্থিতি দেখুৱাই "মই" "মোৰ" "মোত" শব্দেৰে উদাহৰণ দিছে।

আকাশত শব্দ, পুৰুষত পৌৰুষৰূপে বিদ্যমান। সকলোতে ভগৱৎ-সত্ত বিদ্যমান জানিবাঁ। ময়েই (পৰমাত্মাই) পৃথিবীত পুণ্য-পবিত্র গন্ধ, অগ্নিত ময়ে (পৰমেশ্বৰেই) তেজোৰূপে জ্বলোঁ, তপস্বীৰ তপস্যাতো মোৰেই (পূর্ণব্রহ্মৰেই) অৱস্থিতি। হে পার্থ! মোকেই (পৰমাত্মাকেই) সর্ব্বভূতৰ মূল, বুদ্ধিমানৰ বুদ্ধি, আৰু তেজস্বীৰ বীজ বুলি জানিবাঁ; ময়েই (পৰম আত্মাই) তেজ বুলি বুজিবাঁ।" (১)

"হে অর্জ্জুন! ইতিপূর্ব্বতে আভাস দি (২) অহা হৈছে যে, ময়েই বলবন্তৰ কামৰাগৰহিত বল, আৰু সমস্ত প্রাণীৰ ধর্ম্মৰ অবিৰোধী কামো ময়েই (৩)। সাত্ত্বিক, ৰাজসিক আৰু তামসিক জগতৰ সকলো পদার্থই মোৰপৰা উৎপন্ন; সেইবোৰ মোতে অৱস্থিত যদিও, মোৰ স্থিতি সেইবোৰত নাই। কিন্তু, মায়ামুগ্ধ জীৱই মোক সেইবোৰৰপৰা আঁতৰ বুলি নাভাবে। সত্ত্ব, ৰজ, তম এই ত্রিগুণময় মোৰ অলৌকিক (৪) মায়া উপলব্ধি কৰা সহজ নহয়; কেৱল যিবিলাকে মোকেই একান্ত ভজনা কৰে, সিবিলাকে সেই মায়া অতিক্রম কৰিব পাৰে। পাপী, মূঢ়, নৰাধমে মাথোন আসুৰভাবজনিত মায়ামুগ্ধ হৈ মোক ভজনা

---

(১) গীতা, ৭ম অধ্যা, ২—১০ শ্লোক।

(২) "পুণ্যো গন্ধঃ পৃথিব্যাং চ তেজশ্চাস্মি বিভাবসৌ।
জীবনং সর্ব্বভূতেষু তপশ্চাস্মি তপস্বিষু" ॥
—গীতা, ৭ আধ্যা, ৯ শ্লোক।

(৩) বলং বলবতাং চাহং কামৰাগবিবর্জ্জিতম্।
ধর্ম্মাবিৰুদ্ধো ভূতেষু কামোঽস্মি ভৰতর্ষভ ॥—গীতা, ৭ আধ্যা, ১১ শ্লোক।

(৪) শ্রীকৃষ্ণত অলৌকিকতা অন্যে আৰোপ কৰিলেও কেও সহিব নোৱাৰে। কিন্তু, ভক্তবৎসল বাসুদেৱে উপস্থিত সময়ত অর্জ্জুনৰ মনোৰঞ্জনার্থে ঐশ্বৰিক মায়া ব্যাখ্যা কৰোঁতে স্বয়ং ঈশ্বৰ স্বৰূপে অলৌকিকতা নিজে নিজত আৰোপ ক . ৰ

নকৰাকৈ থাকে। কিন্তু, হে অৰ্জ্জুন! আৰ্ত্ত, জিজ্ঞাসু, অৰ্থাৰ্থী আৰু জ্ঞানী (১) এই চতুৰ্ব্বিধ লোকে মোক সততে ভজনা কৰে। ইবিলাকৰ ভিতৰত সদায় সমাহিত একনিষ্ঠ জ্ঞানীভক্ত পৰম উৎকৃষ্ট। কিয়নো, ময়ো জ্ঞানীৰ অতিশয় প্ৰিয়, জ্ঞানীয়ো মোৰ অতিশয় প্ৰিয়; কাৰণ জ্ঞানীভক্ত আত্মাৰ স্বৰূপ, জ্ঞানীভক্তই সমস্ত জগতকে পৰমাত্মাস্বৰূপ দেখা পায়; তেনে মহাত্মা অতি বিৰল। অৰ্থাৎ, জন্মে-জন্মে পুণ্য সঞ্চয় কৰি, পৰিশেষত জ্ঞানীভক্তই ভগৱৎ প্ৰেমত বিহ্বল হৈ গোটেই জগতকে ভগবন্ময় দৰ্শন কৰে। কামনাৰ প্ৰভাৱত যাৰ তত্ত্বজ্ঞান বিনষ্ট হয়, সি সেই কামনানুযায়ী নিয়ম পালন কৰি উপদেৱতাদিৰ উপাসনাত ধৰে। কিন্তু, যিবিলাক সকাম ভক্তই স্ব-কামনা অনুযায়ী কৰ্ম্মানুষ্ঠান কৰে, তাত সিবিলাকৰ আসক্তি মই গাঢ় কৰিহে দিওঁ। অৰ্থাৎ, যেয়ে যি ভাৱে যি দেৱতা বা ঈশ্বৰৰ স্বৰূপক অৰ্চ্চনা কৰে, অন্তৰ্য্যামী ভগৱানে সেই ভাৱেই সেই দেৱতাৰ জৰীয়তেই সেই অৰ্চ্চনা গ্ৰহণ কৰি সেই কামনা পূৰ্ণ কৰে।" (২)

"কামনানুযায়ী অৰ্চ্চনাৰে উপদেৱতাদি অৰ্চ্চনা কৰাটো চুটিবুদ্ধিৰ কাম; তাৰ ফলত সেই আৰাধ্য দেৱতাক মাথোন লাভ কৰা যায়; কিন্তু পৰমাত্মা লাভ হবলৈ বাকী থাকে। অবিবেকী লোকে পৰমাত্মাক অব্যয় ভাৱে নাভাবি সব্যয় ভাৱে ভাবে। সকলোৱেই মোৰ স্বৰূপ দেখা পায়; কিন্তু মায়াৰ ঢাকনি ছেদ কৰি সেই স্বৰূপ দেখা কপটী ভক্তৰ ভাগ্যত নঘটে। জীৱই স্থূলদেহ ধাৰণ কৰিলেই সিবিলাকৰ অনুকূল বিষয় লাভলৈ ইচ্ছা

(১) আপদবপৰা তৰিবৰ অৰ্থে যি ভগবানক আৰাধনা কৰে, তেওঁ আৰ্ত্তভক্ত; আত্মজ্ঞানলাভৰ অৰ্থে যি আৰাধনা কৰে, তেওঁ জিজ্ঞাসু; অৰ্থলাভৰ অৰ্থে আৰাধনা কৰোঁতা জনক অৰ্থাৰ্থী, আৰু ত্যাগী নিষ্কাম উপাসকক জ্ঞানী ভক্ত বোলে।

(৩) গীতা, ৭ অধ্যা, ১১—২২ শ্লোক।

হয় আৰু প্ৰতিকূল পদাৰ্থত দ্বেষ জন্মে। ইয়াকে যোগমায়া বোলা যায়। প্ৰাণীমাত্ৰকেই মায়াত মুগ্ধ; কিন্তু জন্ম-জন্মান্তৰৰ সঞ্চিত পুণ্যৰাশিৰ গুণত যিবিলাক পাপৰপৰা মুক্ত হৈছে, সিবিলাকৰ সেই মায়া-মোহ ক্ৰমাৎ অপনীত হলে সিবিলাকে পৰমাত্মাক আৰাধনা কৰে। যি সকলে কামনাসিদ্ধিৰূপ ফলৰ প্ৰতি দৃষ্টি নাৰাখি কেৱল মুক্তিৰ অৰ্থেই সাধনা বা উপাসনাদি কৰে, সিবিলাকে সগুণব্ৰহ্মৰ আশ্ৰয় নললে সাধনা সিদ্ধ নহয়; অথচ ত্ৰিগুণব্ৰহ্ম সিবিলাকৰ উপাসনাৰ অতীত। যিবিলাকে অধিভূত, অধিদৈব আৰু অধিযজ্ঞৰে সৈতে মোক চিন্তা কৰে, সিবিলাকে মৰণকালতো মোৰ কৃপা লাভ কৰে। কাৰণ, ভগবদ্ভক্ত অজ্ঞান, অচেতন, মূৰ্চ্ছিত অৱস্থাতো ভগবদ্ভাবভ্ৰষ্ট নহয়। অৰ্থাৎ, অন্তিম কালত ইন্দ্ৰিয়বিলাক অৱশ হৈ আহে, কাৰ্য্যকৰী শক্তিহীন হৈ পৰে; তাৰ লগে লগে মন নিস্তেজ হৈ অভিভূত হবলৈ ধৰে। সেই সময়ত ভগৱৎ কথা শুনিবলৈ আৰু ভগবদানুৰাগী হবলৈকো শক্তিৰ নাটনি পৰে। তেনে আসন্ন অৱস্থাত ভকতবৎসল ভগৱানে আপোনা-আপুনি মৃত্যুমুখী ভক্তৰ হৃদয়ত থিত্ দিয়ে।" (১)

---

(১) গীতা, ৭ম আধ্যা, ২৩—৩০ শ্লোক।

# ১৯। আধ্যা।

## ভক্তিযোগ।

### পৰব্ৰহ্ম-তত্ত্বজ্ঞান।

ইতঃপূৰ্ব্বতে, গীতাৰ সপ্তম আধ্যাত, ভগৱান শ্ৰীকৃষ্ণই যিবোৰ গুহ্য ৰহস্যৰ বিষয়ে উন্মুকিয়াইছিল, তাৰ সূক্ষ্মতত্ত্ব নিখুতকৈ উপলব্ধি কৰিবৰ অৰ্থে অৰ্জ্জুনে আগ্ৰহেৰে সুধিলে, "হে পুৰুষোত্তম মধুসূদন! ব্ৰহ্ম কি? অধ্যাত্ম নো বোলে কাক? ধৰ্ম্ম নো কি? অধিভূত (১), অধিদৈব (২), অধিযজ্ঞ (৩) নো কি, আৰু কেনেকৈ চিন্তিব লাগে? অধিযজ্ঞ দেহৰ ভিতৰত নে বাহিৰত অৱস্থিত? আৰু, মৰণকালত সমাহিতচিত্ত পুৰুষৰ হৃদয়ত তুমি কিৰূপে উদয় হোৱাঁ? অধিযজ্ঞ যদি দেহৰ ভিতৰত থাকে, তেন্তে তেওঁ বুদ্ধি আদি ৰূপে বিৰাজিত হয় নে স্বতন্ত্ৰীয়াকৈ হয়?" (৪)

---

(১) পাৰ্থিব ক্ৰিয়া-কৰ্ম্মাদিয়েই অধিভূত নামে নিৰ্দ্দিষ্ট। যজ্ঞাদি কৰ্ম্মানুষ্ঠান ইয়াৰ অন্তভূ্ত।—গীতাসন্দীপনী, কৃষ্ণানন্দ স্বামী।

(২) দেৱতাদিৰ ধ্যান, অথবা আদিত্যমণ্ডলৰ মাজৰ জীৱচৈতন্যৰ নাম অধিদৈব।—গীতাসন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৩) যজ্ঞৰ আশ্ৰয়ত যাৰ অৱস্থিতি তেনে কোনো দেৱতা বিশেষ, কিম্বা পৰব্ৰহ্মকেই অধিযজ্ঞ বোলা হয়।—গীতাসন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৪) গীতা, ৮ম আধ্যা, ১—২ শ্লোক।

অর্জ্জুনৰ অনুসন্ধানমূলক প্ৰশ্নৰ সমিচাৰ ভগৱান শ্ৰীকৃষ্ণই এই বুলি দান কৰিলে, "যিজন পৰম অক্ষৰ (১) তেওঁৱেই ব্ৰহ্ম; স্বভাবেই অধ্যাত্ম (২), প্ৰাণিগণৰ উৎপত্তি আৰু বৃদ্ধিবিধায়ক যজ্ঞাদিয়েই কৰ্ম্ম (৩)। হে প্ৰাণিশ্ৰেষ্ঠ অৰ্জ্জুন! নশ্বৰ পদাৰ্থ ই অধিভূত, হিৰণ্যগৰ্ভই অধিদৈৱ, বিষ্ণুস্বৰূপময়েই অধিযজ্ঞ। এই অধিযজ্ঞ পুৰুষ দেহাৰ মধ্যত থাকে বুলিও, তেওঁ বুদ্ধিমত্তাদিৰপৰা স্বতন্ত্ৰ। যি মানুহে মৰণৰ বেলিকাও ভগৱানক চিন্তি দেহা এৰে, সেই মানুহে যে ভগৱানৰ স্বৰূপতা লাভ কৰে, তাত সংশয় নাই (৪)। হে কুন্তীনন্দন! চিৰজীৱন অনুৰাগৰে সৈতে চিন্তা কৰাৰ ফলত, যেয়ে যি ভাবনা কৰি দেহত্যাগ কৰে, সেয়ে সেই ভাবপ্ৰাপ্ত হয় (৫)। মৰণ-মুহূৰ্ত্তৰ চিন্তানুসাৰেই

---

(১) যি অবিনশ্বৰ, যি অন্তৰ্বাহ্যব্যাপী, যি ওতপ্ৰোত ভাৱে সৰ্ব্বত্ৰ বিদ্যমান, যি উৎপত্তি-বিনাশবৰ্জ্জিত, যি সকলোৰে দ্ৰষ্টা, যি সকলোৰে মূল, যি সকলোৰে শেষগতি, যি কাৰ্য্যৰ আৱৰণ, যি কাৰ্য্যৰ সাম্বৰণ, তেওঁৱেই অক্ষৰ, তেওঁৱেই পৰব্ৰহ্ম।

—গীতাসন্দীপনী, কৃষ্ণানন্দ স্বামী।

(২) অক্ষৰ ব্ৰহ্মৰ প্ৰত্যক্ষ চৈতন্য দেহৰূপ কল্পিত আত্মাকে অধ্যাত্ম বোলা যায়।—গীতাসন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৩) ইন্দ্ৰিয়াদিৰ উদ্দেশে যাগ, যজ্ঞ, হোম, দান আদি যি অনুষ্ঠিত হয়, তাকে কৰ্ম্ম বোলা যায়।

(৪) "অন্তকালে চ মামেব স্মৰন্ মুক্ত্বা কলেৱৰম্।
যঃ প্ৰয়াতি স মদ্ভাবং যাতি নাস্ত্যত্ৰ সংশয়ঃ॥"

—গীতা, ৮ম, অধ্যা, ৫ম, শ্লোক।

(৫) "যং যং বাপি স্মৰন্ ভাবং ত্যজত্যন্তে কলেৱৰম্।
তং তমেবৈতি কৌন্তেয় সদা তদ্ভাবভাবিতঃ॥"

—গীতা, ৮ম, অধ্যা, ৬ষ্ঠ শ্লোক।

জীৱৰ পুনৰ্জ্জন্ম, নাইবা ব্ৰহ্মনিৰ্ব্বাণ লাভ হয়। অৰ্থাৎ, মৰণমুহূৰ্ত্তত যি মানুহে সংসাৰৰ ভোগ্য বিষয় চিন্তা কৰে, সি পুনঃ পাৰ্থিব দেহা ধাৰণ কৰে; যি পুৰুষে শিব, বিষ্ণু আদি চিন্তা কৰে, তেওঁ তদ্ৰূপ ৰূপ ধাৰণ কৰে; যি ভক্তই ঐকান্তিক প্ৰেমৰ আৱেশে আত্ম-সমাধান কৰি দেহ ত্যাগ কৰে, তেওঁ ব্ৰহ্মনিৰ্ব্বাণ লাভ কৰে। এতেকে, হে অৰ্জ্জুন! সৰ্ব্বদায় মোক (পৰমাত্মাক) স্মৰণ কৰিবাঁ; উপস্থিত যুদ্ধত প্ৰবৃত্ত হোৱাঁ; আৰু মনোবুদ্ধি সমুদায় মোত্ (পৰমাত্মাত) অৰ্পণ কৰাঁ; তেনেহলেই মোক লাভ কৰিবাঁ যে তাত অনুমাত্ৰও সংশয় নাই (১)।" ৰণলৈ পিঠি নিদিয়াটো এটা ক্ষত্ৰিয়োচিত বিশিষ্ট ধৰ্ম্ম। এতেকে, যুদ্ধ কৰিবলৈ ওলাই আহি, অপৰপক্ষ যুদ্ধত প্ৰবৃত্ত থকাৰ স্থলত, তালৈ পিঠি দিলে অৰ্জ্জুনৰ স্বধৰ্ম্ম বিনষ্ট হব, আৰু তাৰ ফলস্বৰূপ চিত্তশুদ্ধি আৰু নিষ্কামতা লাভ কৰিব নোৱাৰি তেওঁ মুক্তিপদৰপৰা বঞ্চিত হব; সেই কাৰণে, ভকতবৎসল ভগৱান শ্ৰীকৃষ্ণই ভক্তশিষ্য অৰ্জ্জুনক যুদ্ধত প্ৰবৃত্ত হবলৈ পুনঃ পুনঃ উদগনি দিছে।

"হে পাৰ্থ! সৰ্ব্বদায় একান্তচিত্তেৰে পৰমাত্মচিন্তনৰ অভ্যাস যোগসাধনৰ দ্বাৰাই পৰব্ৰহ্মপ্ৰাপ্ত হোৱা যায়। সৰ্ব্বজ্ঞ (২), সৰ্ব্বনিয়ন্তা, সূক্ষ্মতকৈও সূক্ষ্মতৰ, সকলোৰে বিধাতা, অনাদি অচিন্ত্যৰূপ দিব্য পুৰুষক যি কায়মনোবাক্যে চিন্তা কৰে, তেওঁ মৰণ-মুহূৰ্ত্তত একাগ্ৰচিত্ত, ভক্তি আৰু অভ্যস্ত যোগবলৰ দ্বাৰাই প্ৰাণবায়ুক ভ্ৰূযুগলৰ মাজত স্থাপন কৰি সেই পৰব্ৰহ্মক লাভ কৰে।" (৩)

---

(১) গীতা, ৮ম, অধ্যা, ৭ম, শ্লোক।

(২) ভূত, ভবিষ্যত আৰু বৰ্ত্তমান বিষয়ৰ দ্ৰষ্টা হেতুকে পৰমাত্মাক কৰি বা সৰ্ব্বজ্ঞ বোলা যায়।

(৩) গীতা, ৮ম, অধ্যা, ৮—১০ শ্লোকৰ মূঠ্ বা সংযোগ ব্যাখ্যা।

"হে অৰ্জ্জুন! বেদবেত্তা পুৰুষগণে যি অক্ষৰ ব্ৰহ্মৰ ব্যাখ্যা কৰে, নিস্পৃহ সন্ন্যাসীগণে যাক তপস্যাৰ ফলত লাভ কৰে, যাক পাবৰ অৰ্থে ধৰ্ম্মাত্মাসকলে ব্ৰহ্মচৰ্য্য ব্ৰত অৱলম্বন কৰে, সেই পৰব্ৰহ্মৰ স্বৰূপ মই সংক্ষেপে ব্যাখ্যা কৰোঁ, সাৱধানে অৱধান কৰিবাঁ।" (১)

"যি সাধু পুৰুষে সমস্ত ইন্দ্ৰিয়দ্বাৰ অৱৰুদ্ধ কৰি, মনক হৃদয়ত নিৰোধ কৰি, প্ৰাণক মূৰত স্থাপন কৰি, আত্ম-সমাধিত অৱস্থিত হৈ, 'ওঁ' এই ব্ৰহ্মৰূপ একাক্ষৰ উচ্চাৰণ কৰোঁতে কৰোঁতে মোক (পৰমাত্মাক) চিন্তি তনু ত্যাগ কৰি প্ৰয়াণ কৰে, তেওঁৱেই পৰমগতি লাভ কৰে (২)। হে পাৰ্থ! যি সকল সাধু পুৰুষে অনন্যচিত্ত হৈ মোকেই (পৰমেশ্বৰকে) চিৰদিন চিন্তা কৰে, সিবিলাকলৈ মই (মুক্তিপদ) অতি সুলভ; আৰু সিবিলাকে মোক (পৰব্ৰহ্মক) পোৱাৰ পাচত, সৰ্ব্বদুখৰ আলয় স্বৰূপ পুনৰ্জ্জন্ম গ্ৰহণ কৰিব লগাত নপৰে। কিয়নো, হে অৰ্জ্জুন, ব্ৰহ্মালোকলৈকে সকলো জীৱৰ পুনৰ্জ্জন্মৰ বিধান আছে; কিন্তু মোক (পৰব্ৰহ্মক) লাভ কৰাৰ পাচত আৰু পুনৰ্জ্জন্মৰ বিধান নাই।" (৩)

"যি যোগীয়ে ব্ৰহ্মাৰ চতুৰ্যুগসহস্ৰ পৰিমিত দিন আৰু চতুৰ্যুগসহস্ৰ পৰিমিত ৰাতি (৪) বিষয়ক জ্ঞান লাভ কৰিছে, তেওঁৱেই হে আচল

---

(১) গীতা, ৮ম, আধ্যা, ১১শ শ্লোক।

(২) "সৰ্ব্বদ্বাৰাণি সংযম্য মনো হৃদি নিৰুধ্য।
মূৰ্দ্ধ্যাধায়াত্মনঃ প্ৰাণমাস্থিতো যোগধাৰণাম্॥
ওঁমিত্যেকাক্ষৰং ব্ৰহ্ম ব্যাহৰণ্ মামনুস্মৰণ।
যঃ প্ৰয়াতি ত্যজন্ দেহং স যাতি পৰমাংগতিম্॥
—গীতা, অষ্টম আধ্যা ১২—১৩ শ্লোক।

(৩) গীতা, অষ্টম আধ্যা, ১৪—১৬ শ্লোকৰ সংযোগ ব্যাখ্যা।

(৪) চতুৰ্যুগ :—সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি। সত্যযুগৰ পৰিমাণ

দিন-ৰাতি পৰিমাণৰ বিষয়ে ধাৰণা কৰিব পাৰে। ব্ৰহ্মাৰ জাগ্ৰত অৱস্থাই ব্যক্ত, আৰু নিদ্ৰিত অৱস্থাই অব্যক্ত; ব্ৰহ্মাৰ দিনত ব্যক্ত চৰাচৰ পদাৰ্থৰ কাম্য কৰ্ম্মৰ অনুষ্ঠান হেতু পুনঃ পুনঃ উৎপত্তি আৰু স্থিতি, ৰাতিত ব্যক্ত চৰাচৰ পদাৰ্থ অব্যক্তৰূপে লয়প্ৰাপ্ত হয়। কিন্তু, চৰাচৰ জগত লয় পালেও, সেই অব্যক্তৰো অতীত, ইন্দ্ৰিয়ৰ অগোচৰ, স্বতন্ত্ৰসত্তা সনাতন পৰব্ৰহ্ম লয় নাপায়। সেই অক্ষৰ অব্যক্ত সত্তাস্বৰূপেই জীৱৰ পৰমগতি; সেই সত্তাভাপ্ৰাপ্ত হলেই জীৱৰ ঘূৰি জন্ম নহয়; সেয়ে মোৰ পৰমধাম, অৰ্থাৎ সেয়ে বিষ্ণুৰ পৰমপদ, সেয়ে বিষ্ণুৰ স্বৰূপ অৱস্থা। হে পাৰ্থ! এই চৰাচৰ জগত সেই পৰব্ৰহ্মতেই অৱস্থিত, আৰু তেওঁৰেই এই চৰাচৰ জগতত পৰিব্যাপ্ত; তেওঁ সহজবোধগম্য নহয়, ঐকান্তিক ভক্তি সহকাৰে মাথোন সেই পৰমপদ লাভ কৰা যায়।" (১)

"হে ভৰতকুলতিলক অৰ্জ্জুন! দেহৰপৰা প্ৰাণ ওলাই যাবৰ সময়ত কোন্ কালত বা কোন্ মাৰ্গেদি গতি হলে যোগীৰ পুনৰ্জ্জন্ম হয়, আৰু কোন্ কালত বা কোন্ মাৰ্গেদি গতি হলে সেই পুনৰাবৃত্তি নহয়, সেই কাল আৰু মাৰ্গৰ সৰল ব্যাখ্যা দিওঁ, শুনিবাঁ।—যি মাৰ্গত জ্যোতিঃ-স্বৰূপ অগ্নি, দিন, শুক্লপক্ষ, উত্তৰায়ণ ছমাহৰ স্থিতি, সেই দেৱযান বা

---

১৭২৮০০০ বছৰ; ত্ৰেতাযুগৰ পৰিমাণ ১২৯৬০০০ বছৰ; দ্বাপৰযুগৰ পৰিমাণ ৮৬৪০০০ বছৰ। এই চতুৰ্যুগ সহস্ৰবাৰ পাৰ হলে ব্ৰহ্মাৰ এদিন, আৰু সেই দৰে আকৌ চতুৰ্যুগ সহস্ৰবাৰ পাৰ হলে ব্ৰহ্মাৰ এৰাতি হয়। এই হিচাপে ধৰি ব্ৰহ্মাৰ অহোৰাত্ৰত (এদিন আৰু এৰাতিত) কিমান বছৰ সোমায়, তাক ধাৰণা কৰিবলৈ গলে লেখ নোপোৱা হয়গৈ!—অৰ্থাৎ, পৰব্ৰহ্ম, বা পৰমাত্মা বা সৃষ্টিকৰ্ত্তা ভগৱন্ত যেনে অনাদি আৰু অনন্ত, তেওঁৰ কালৰ পৰিমাণো সেই দৰেই অনাদি আৰু অনন্ত।

(১) গীতা, অষ্টম অধ্যায়, ১৭—২৩ শ্লোকৰ সংযোগ ব্যাখ্যা।

ব্ৰহ্মমাৰ্গেদি গমন কৰি সগুণব্ৰহ্ম উপাসনা কৰা কৰ্ম্মযোগীয়ে ব্ৰহ্মলোকলৈ গতি কৰি পৰব্ৰহ্ম বা পৰমাত্মাত ব্ৰহ্মনিৰ্ব্বাণপ্ৰাপ্ত হয় (১)। যি মাৰ্গত ধূম, ৰাত্ৰি, কৃষ্ণপক্ষ, দক্ষিণায়ন ছমাহৰ স্থিতি (২), সেই মাৰ্গেদি গতি হলে কৰ্ম্মীপুৰুষ চন্দ্ৰলোক (৩) প্ৰাপ্ত হৈ স্বৰ্গসুখ ভোগৰ অন্তত, অতৃপ্ত বাসনা হেতুকে সংসাৰত পুনৰাবৃত্ত হয়। শুক্ল আৰু কৃষ্ণ এই দুই পথ জগতত নিত্যসিদ্ধ। শুক্লমাৰ্গৰ উপাসক নিৰ্ব্বাণপ্ৰাপ্ত আৰু কৃষ্ণমাৰ্গৰ কৰ্ম্মী পুনৰাবৃত্তিপ্ৰাপ্ত হয়। ইয়াকে জানি, সগুণব্ৰহ্ম উপাসক যোগী সংসাৰৰ মায়াত বিমুগ্ধ নহয়। এতেকে, হে অৰ্জ্জুন, তুমিও সংসাৰৰ মায়াত বিমুগ্ধ নহৈ শুক্লমাৰ্গগামী হোৱাৰ উদ্দেশে সমাধিস্থ হোৱাঁ। হে অৰ্জ্জুন! বেদ অধ্যয়নৰ ফলত, তপস্যাৰ বলত, দানকৰ্ম্মৰ গুণত, পুণ্যকৰ্ম্মৰ পৰিণামত যি ফল লাভ হয়, ধ্যাননিষ্ঠ যোগীগণে সেই ফলভোগ তুচ্ছ কৰি সৰ্ব্বকাৰণৰ কাৰণ-

---

(১) "অগ্নিৰ্জ্যোতিৰহঃ শুক্লঃ ষণ্মাসা উত্তৰায়ণম্।
তত্ৰ প্ৰয়াতা গচ্ছন্তি ব্ৰহ্ম ব্ৰহ্মবিদো জনাঃ ॥"
—গীতা, অষ্টম আধ্যা, ২৪ শ্লোক।

(২) "ধূমো ৰাত্ৰিস্তথা কৃষ্ণঃ ষণ্মাসা দক্ষিণায়ম্।
তত্ৰ চান্দ্ৰমসং জ্যোতিৰ্যোগী প্ৰাপ্য নিবৰ্ত্ততে।"—৮ম আধ্যা, ২৫ শ্লোক।

(৩) চন্দ্ৰলোক পুণ্যভোগৰ স্থান। যি সকলে সৎকৰ্ম্মাদি কৰি দেহ ত্যাগ কৰে, সেই সকলে চন্দ্ৰলোক লাভ কৰি অনুপম স্বৰ্গসুখ ভোগ কৰিবলৈ পায়; কিন্তু বাসনাসূত্ৰ যোগত সংসাৰলৈ পুনৰাবৃত্ত হয়। এই পুনৰাবৃত্তি মাৰ্গৰ নাম পিতৃযান।—গীতাৰ্থ সন্দীপনী, কৃষ্ণানন্দ স্বামী।

স্বৰূপ পৰব্ৰহ্মক লাভ কৰে (১)। এতেকে, তুমিও তেনেকৈ যোগনিষ্ঠ হৈ, আপোন-পৰ ভাব পৰিত্যাগ কৰি, উপস্থিত যুদ্ধত প্ৰবৃত্ত হৈ স্বধৰ্ম্ম পালন কৰি, সেই অনাদি অনন্ত সনাতন পৰব্ৰহ্মক লাভ কৰিবলৈ সক্ষম হোৱাঁ।" (২)

---

(১) "বেদেষু যজ্ঞেষু তপঃসু চৈব দানেষু যৎপুণ্যফলং প্ৰদিষ্টম্।
অত্যেতি তৎ সৰ্ব্বমিদং বিদিত্বা যোগীপৰং স্থানমুপৈতি চাদ্যম্॥"
—গীতা, অষ্টম আধ্যা, ২৮ শ্লোক।

(২) গীতা, অষ্টম আধ্যা, ২৩—২৮ শ্লোকৰ সংযোগব্যাখ্যা।

# ১৯। আধ্যা।

## বিজ্ঞানপূৰ্ণ জ্ঞানতত্ত্ব।

মুক্তিমাৰ্গ ব্যাখ্যাৰ পাচত, জ্ঞাননিষ্ঠ পুৰুষৰ গতি-মুক্তি আৰু ভগৱানৰ প্ৰকৃত স্বৰূপ বিষয়ক জ্ঞান উপদেশ ব্যাখ্যা কৰিবলৈ জগতগুৰু শ্ৰীকৃষ্ণই এই বুলি আৰম্ভ কৰিলে, "হে অৰ্জ্জুন! তুমি আৰ্জ্জৱ আৰু সংযমাদি গুণযুক্ত মোৰ উপযুক্ত শিষ্য; এতেকে তোমাক বিজ্ঞানপূৰ্ণ জ্ঞানতত্ত্বৰ গুহ্য ৰহস্যৰ বিষয়ে কওঁ, মনপাৰি শুনিবাঁ; শুনি সেই তত্ত্ব হৃদয়ঙ্গম কৰিব পাৰিলে তুমি সংসাৰ-বন্ধনৰপৰা মুক্তিলাভ কৰিব পাৰিবাঁ। এই তত্ত্বজ্ঞান সকলো জ্ঞানতকৈ গুহ্যতম, সকলো বিদ্যাতকৈ শ্ৰেষ্ঠবিদ্যা, অতি উত্তম, অতি পৱিত্ৰ, প্ৰত্যক্ষ ফলপ্ৰদ, ধৰ্ম্মসঙ্গত, সুখসাধ্য আৰু অক্ষয় ফলদায়ক। কিন্তু, হে পাৰ্থ, শ্ৰদ্ধাহীন মানুহে মোক (পৰমাত্মাক) কেতিয়াও নাপায়; গতিকে সিহঁতে সৰ্ব্বতিকাল সংসাৰপথত ঘুৰি ফুৰে। অব্যক্তৰূপে মই (পৰমাত্মাই) গোটেই জগত ব্যাপি আছোঁ, সকলো বস্তুৱেই মোত (পৰমাত্মাত) স্থিতি কৰিছে; কিন্তু মই ক'তো অৱস্থিত নাই (১)। তাৰ যুক্তি এই যে, বস্তুৰ উৎপত্তি আৰু বিনাশ আছে; কিন্তু ভগৱান নিত্য। ভগৱান

(১) "ময়া ততমিদং সৰ্ব্বং জগদব্যক্তমূৰ্ত্তিনা।
মৎস্থানি সৰ্ব্বভূতানি ন চাহং তেষ্বৱস্থিতঃ॥"
—গীতা, নৱম আধ্যা, ৪ৰ্থ শ্লোক।

স্বপ্রকাশশীল। তুমি মোৰ এই অলৌকিক ৰূপলৈ (১) চোৱাঁ, দেখিবাঁ জগতৰ বস্তুবোৰে ( ভূতগণে ) মোত্ স্থিতি কৰা নাই; মই মাথোন ইতিপূৰ্ব্বতে কৈ অহা মায়াজনিত ভূতধাৰক আৰু ভূতপালকৰূপে বিদ্যমান আছোঁ। অৰ্থাৎ, পৰমাত্মা স্বমহিমাত প্ৰতিষ্ঠিত, আৰু ভগৱান একোৰে আধাৰ নহয়, কোনো বস্তুতে তেওঁ অধিষ্ঠান নকৰে, তেওঁ নিৰ্লিপ্ত। পদ্মপত্ৰ আৰু পানীৰ যি সম্বন্ধ, ভূতধাৰক ভূতপালক ভগৱন্ত আৰু ভূতৰ মাজত সেই সম্বন্ধ। (২)

"আকাশতে বেগৱান বায়ুৰ স্থিতি; কিন্তু আকাশৰ নিৰ্লিপ্ততা গুণ হেতুকে বায়ুৰ লগত আকাশ লবি নুফুৰে। সেই অনুৰূপে, ভূত সমষ্টিয়ে পৰমাত্মাত অৱস্থিতি কৰিছে যদিও, পৰমাত্মা সৰ্ব্বতিকাল নিৰ্লিপ্ত আৰু স্বতন্ত্ৰবীয়া ভাৱে আছে।" (৩)

ইমানলৈকে সৃষ্টিস্থিতি বিষয়ক পৰমাৰ্থতত্ত্বজ্ঞান দান কৰাৰ পাচত, ভগৱান শ্ৰীকৃষ্ণই প্ৰলয়তত্ত্বজ্ঞান দিয়াৰ উদ্দেশে তন্ময়চিত্ত অৰ্জ্জুনক এই বুলি সম্বোধন কৰিলে, "হে কুন্তীনন্দন! ইয়াৰ আগেয়ে কৈ অহা হৈছে যে, মোৰ ( পৰব্ৰহ্মৰ ) মায়াৰপৰাই জগৎ প্ৰকাশিত হৈছে; জগৎ বিনষ্ট হলে, অৰ্থাৎ প্ৰলয় কালত, জগতৰ সকলো বস্তু মোৰ

(১) অৰ্জ্জুন কৃষ্ণভাবত ক্ৰমাৎ তন্ময় হৈ অহা দেখি জগন্মোহনৰূপী তত্ত্বজ্ঞানী ভগৱান বাসুদেৱে পৰমাত্মাৰ স্বপ্ৰকাশ আত্মদেহত নিৰ্দ্দেশ কৰিছে। কৃষ্ণপ্ৰাণ অৰ্জ্জুনে কৃষ্ণতে পৰমাত্মাৰূপ দৰ্শন কৰা দেখি, ভগৱান শ্ৰীকৃষ্ণই অতঃপৰ পৰমাত্মা নামে বখানিব লগীয়া সৰ্ব্ববিষয়তে 'মাং' 'ময়া', 'মে', 'মমাত্মা' ইত্যাদি শব্দেৰে আত্মনিৰ্দ্দেশ কৰিছে।

(২) গীতা, নৱম আধ্যা, ১—৫ শ্লোকৰ সংযোগব্যাখ্যা।

(৩) গীতা, নৱম আধ্যা, ৬ষ্ঠ শ্লোক।

( পৰমাত্মাৰ ) ত্ৰিগুণময়ী (১) প্ৰকৃতিত লিপ্ত হয়। চৈতন্যৰূপ পৰমাত্মা তেতিয়াও স্বতন্ত্ৰ থাকে। পুনৰপি সৃষ্টিকালত সেই প্ৰকৃতিস্থ বীজৰূপৰা তত্ত্ব সংগ্ৰহ কৰি সৃষ্টি ৰচনা কৰা হয়। আৰু, প্ৰকৃতিকে আশ্ৰয় কৰি তাৰ প্ৰভাৱত বাৰংবাৰ জীৱবস্তু প্ৰণয়ন কৰা হয়। কিন্তু, হে ধনঞ্জয়! উদাসীন পুৰুষৰূপ পৰব্ৰহ্ম সৃষ্টিক্ৰিয়াদিত আসক্ত নথকাৰ হেতুকে, তাত মই ( পৰমাত্মা ) বান্ধ নাখাওঁ; অথচ মোৰ অধিষ্ঠান হেতুকেই প্ৰকৃতিয়ে (২) বাৰংবাৰ নানাৰূপে স্থাৱৰজঙ্গমাত্মক জগৎ প্ৰসৱ কৰে। হে অৰ্জ্জুন! অবিবেকী লোকে মাথোন মোৰ সৰ্ব্বভূতা-পৰমেশ্বৰৰূপ পৰমাৰ্থতত্ত্ব উপলব্ধি কৰিব নোৱাৰি মোৰ মানৱমূৰ্ত্তিৰ প্ৰতি অৱজ্ঞা কৰে (৩)। নিস্ফলকাম, নিস্ফলকৰ্ম্মা, বিফলজ্ঞান, বিচাৰবিহীন পুৰুষ সততে ৰাক্ষসী, আসুৰী আৰু মোহিনী প্ৰকৃতিপ্ৰাপ্ত হয়। কিন্তু, হে পাৰ্থ, যি সকলে দৈৱপ্ৰকৃতিক আশ্ৰয় কৰি ঈশ্বৰৰ প্ৰতি একান্তমতি হয়, সেই সকল পুণ্যাত্মাই মোক সৰ্ব্বভূতৰ অবিনাশী কাৰণ বুলি জানি ভজনা কৰে।" (৪)

"মহাত্মাগণে নিত্য সমাহিত হৈ ব্ৰহ্মজ্ঞান লাভাৰ্থে সততে ভগৱানৰ নাম-কীৰ্ত্তন কৰে। কোনো কোনো মহাত্মাই জ্ঞানৰূপ যজ্ঞানুষ্ঠানেৰে ভগৱানৰ পূজা কৰে; কোনোৱে আকৌ ভগৱানক

---

(১) ত্ৰিগুণ :—সত্ত্ব, ৰজ, তমঃ।

(২) প্ৰকৃতি মায়াৰেই নামান্তৰ মাথোন; গতিকে ব্ৰহ্মৰপৰা প্ৰকৃতিৰ স্বতন্ত্ৰ অস্তিত্ব নাই। এতেকে. পৰব্ৰহ্মৰ মহিমাৰূপ মায়াতেই জীৱ আৰু জগৎ প্ৰকাশিত।—শ্ৰীধৰ স্বামীকৃত টীকা।

(৩) এই খিনিতে মানৱী শ্ৰীকৃষ্ণই স্বয়ং ভগৱান শ্ৰীকৃষ্ণ বুলি প্ৰকাশ্যে স্বীকাৰ কৰিছে।

(৪) গীতা, নৱম অধ্যা, ৭—১৩ শ্লোকৰ সংযোগব্যাখ্যা।

স্বতন্ত্র ভাবে। ইত্যাদিকৈ ভিন্ ভিন্ পন্থাত ভগৱানক আৰাধনা কৰা যায়। কিন্তু, হে অৰ্জ্জুন, ময়ে বেদ, ময়ে যজ্ঞ, ময়ে শ্ৰাদ্ধ (পিতৃযজ্ঞ), ময়ে ঔষধ, ময়ে মন্ত্ৰ, ময়ে হোমৰ ঘিঁউ, ময়ে অগ্নি, ময়ে হোম (১), ময়ে এই জগতৰ পিতৃ, ময়ে মাতৃ, ময়ে ধাতা, ময়ে পিতামহ, ময়ে জ্ঞেয়, ময়ে পাৱন, ময়ে ওঁকাৰ (প্ৰণৱ), ময়ে ঋগ্বেদ, ময়ে সামবেদ, ময়ে যজুৰ্ব্বেদ (২), ময়ে গতি, ময়ে ভৰ্ত্তা, ময়ে প্ৰভু, ময়ে সাক্ষী, ময়ে নিবাস, ময়ে ৰক্ষক, ময়ে সুহৃৎ, ময়ে প্ৰভৱ, ময়ে স্থান, ময়ে নিধান, ময়ে প্ৰলয়, ময়ে অবিনাশী বীজ (৩)। হে পাৰ্থ! ময়ে উত্তাপ দান কৰোঁ, ময়ে পানী আকৰ্ষণ কৰোঁ, ময়ে ঘুৰি বৰষুণ দিওঁ; ময়ে অমৰ আৰু মৰণ স্বৰূপ, ময়ে সৎ আৰু অসৎ স্বৰূপ (৪)। যি সকল বেদবিদ্ পুণ্যাত্মাই কাম্য

---

(১) যেয়ে যি ভাবেই বা যি পন্থাৰেই পূজা কৰক লাগে, সেই পূজা স্বয়ং ভগবানেই গ্ৰহণ কৰে, মাথোন বিশুদ্ধ আৰু সৰল হব লাগে।

(২) ভগৱানেই জগৎ সৃষ্টি কৰিছে, গতিকে তেওঁ জগতৰ পিতৃ-মাতৃ; ভগৱানেই জগতৰ ৰক্ষাকৰ্ত্তা আৰু পাপ-পুণ্যৰ ফলদাতা, সেই হেতুকে তেওঁ বিধাতা; ভগৱান ব্যক্ত আৰু অব্যক্তৰ অতীত, সেই কাৰণে তেওঁ পিতামহ; ভগৱানক চিত্তশুদ্ধিৰে জানিব পাৰিলেই জীৱই শুদ্ধিলাভ কৰে, সেই বাবে তেওঁ পবিত্ৰ।

(৩) ভগৱান জগতৰ ব্যৱস্থাপক, গতিকে তেওঁ ভৰ্ত্তা; ভগৱানৰপৰা আৰকৈ কোনো কৰ্ম্ম কৰা নাযায়, তদৰ্থে তেওঁ সাক্ষী; তেওঁ প্ৰভৱ, কাৰণ তেওঁ উৎপত্তিৰ মূল; তেওঁ স্থান, কাৰণ জগত তেওঁতে অৱস্থিত; তেওঁ প্ৰলয়, কিয়নো তেওঁ জগত বিনাশৰ হেতু। মুঠতে, ভগৱানেই সৃষ্টি-স্থিতি-প্ৰলয়কৰ্ত্তা।—গীতাৰ্থ সন্দীপনী, কৃষ্ণানন্দ স্বামী।

(৪) ভগৱান পৰমাত্মা, নিত্যবৰ্ত্তমান, সেই কাৰণেই তেওঁ সৎ; অনিত্য ব্যক্তৰূপ জগতো তেওঁৱেই, সেই হেতুকে তেওঁ অসৎ।—শ্ৰীধৰ স্বামীকৃত টীকা।

যজ্ঞাদিৰ অনুষ্ঠানেৰে মোক পূজা কৰি সোমৰস পান কৰি নিষ্পাপ হৈ স্বৰ্গ কামনা কৰে, সেই সকাম পুৰুষসকলে স্বৰ্গ লাভ কৰি দিব্য সুখ ভোগ কৰে (১)। তাৰ পাচত, পুণ্যক্ষয় হলে, সিবিলাকে পুনৰায় মৰ্ত্ত্যত জন্ম ধৰেহি; স্বৰ্গকামনাৰে বেদবিহিত কৰ্ম্মানুষ্ঠান কৰিলে এই দৰে বাৰংবাৰ সংসাৰলৈ ঘুৰিব লগা হয়। কিন্তু, যি সকলে একান্ত চিত্তেৰে মোৰ সাক্ষাৎ বাঞ্ছা কৰে, সেই সকলে অনায়াসে ভগৱৎকৃপা লাভ কৰে। হে কুন্তীনন্দন! অজ্ঞান হেতুকে যি বিলাকে উপদেৱতাদিৰ পূজা-অৰ্চ্চনা কৰে, সিবিলাকে অজ্ঞাতভাৱে মোকেই হে পূজা কৰে; তাকে নজনাৰ বাবেই সিবিলাক পুনৰাবৃত্তিপ্ৰাপ্ত হয়।" (২)

"শুদ্ধচিত্ত হৈ যি যাক ভক্তিভাৱে পূজা কৰে, সি তাকে পায়। ফুল, ফল, পাত, এচলু পানী ইত্যাদি যি যিহকে ভক্তিৰে সৈতে মোলৈ আগ বঢ়ায়, মই তাকে পৰম প্ৰীতিৰে সৈতে গ্ৰহণ কৰোঁ। হে কুন্তীনন্দন! তুমি যি অনুষ্ঠান, দান, ভোজন, হোম আৰু তপশ্চৰণ কৰাঁ, সেইবোৰ মোক স্মৰণ কৰি কৰিবাঁ (১)। তুমি এইৰূপে সন্ন্যাস ভাবাপন্ন হৈ মোক লাভ কৰিবাঁ। মোৰ প্ৰিয়-অপ্ৰিয় নাই, মই সৰ্ব্বজীৱৰ পক্ষে একৰূপ; যেয়ে শুদ্ধচিত্ত হৈ মোক একান্ত ভক্তি কৰে, সেয়ে মোত অৱস্থিতি কৰে, আৰুময়ো সিবিলাকৰ মাজত থাকোঁ। পাপী-দুৰাচাৰেও

---

(১) ভগৱানৰ নানা পন্থীয়া উপাসকৰ ভিতৰত সকাম সাধকৰ কিৰূপ গতি হয়, তাৰে ব্যাখ্যা।

(২) গীতা, নৱম আধ্যা, ১৪—২৪ শ্লোকৰ সংযোগব্যাখ্যা।

(৩) ভগৱানক কিৰূপে আৰাধনা কৰিলে ভগৱৎপদ লাভ কৰা যায়, ই তাৰে সঙ্কেত মাথোন। ইয়াৰপৰাই "কৃষ্ণায় অৰ্পণমস্তু" বচনৰ গূঢ়াৰ্থ বুজিব লাগে। দোহাৰোবাৰ প্ৰয়োজন নাই যে, 'মই', 'মোৰ', 'মোক' ইত্যাদিয়ে কৃষ্ণৰূপ পৰব্ৰহ্মক বুজাইছে।

যদি একান্ত চিত্তেৰে মোক আৰাধনা কৰে, তাৰো বাঞ্ছা সিদ্ধি হয়; কিয়নো ভক্তি অথলে নাযায়। তেনেকুৱা জীৱ ততালিকে ধৰ্ম্ম-পন্থা-প্ৰাপ্ত হয়; কাৰণ মোৰ ভক্ত বিনাশপ্ৰাপ্ত কাচিতো হব নোৱাৰে (১)। স্ত্ৰী, বৈশ্য, শূদ্ৰ আদি বেদশাস্ত্ৰজ্ঞানত হীন জাতিৰ (২) মানুহেও মোৰ আশ্ৰয়ত পৰমগতি লাভ কৰে,—ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ৰ তো কথাই নাই। এতেকে, হে অৰ্জ্জুন! ক্ষত্ৰিয়তনয় তুমি (৩) নশ্বৰ দেহাৰ মায়া পৰিহাৰ কৰি ভক্তিপৰায়ণ হোৱাঁ। তুমি মদগতচিত্ত, মদ্ভক্ত আৰু মোৰ পূজা-পৰায়ণ হৈ মোক নমস্কাৰ কৰাঁ। এইৰূপে মোৰ শৰণাগত হৈ, তোমাৰ আত্মা মোক সমৰ্পণ কৰি, তুমি মোক লাভ কৰাঁ।" (৪)

---

(১) অজ্ঞান বা মোহজনিত ভগৱদ্ভক্তৰ কদাপি পতন নাই।

(২) জাতি, বৰ্ণ, বয়স, গুণ, অৱস্থাদি নিৰ্ব্বিশেষে ভক্তিৰ অধিকাৰী;—"যথা ভক্তি তথা মুক্তি"।

(৩) ক্ষত্ৰিয়তনয় বুলি বুদ্ধিস্বৰ্গ শ্ৰীকৃষ্ণই অৰ্জ্জুনক স্বধৰ্ম্ম পালনলৈ, অৰ্থাৎ যুদ্ধত প্ৰবৃত্ত হবলৈ প্ৰকাৰন্তৰে উদগনি দিছে।

(৪) গীতা, নৱম আধ্যা, ২৫—৩৪ শ্লোকৰ সংযোগ ব্যাখ্যা।

# ২০। আধ্যা।

## ধ্যানযোগ।

### ভগৱান-বিভুতি,—স্বপ্রকাশ।

ইয়াৰ আগৰ তিনটা ছেদত (১) ভগৱান শ্রীকৃষ্ণই পৰমাত্মাৰ স্বৰূপ আৰু বিভুতিৰাশিৰ (২) চমু ব্যাখ্যা বা তাৰ আভাস মাথোন দিছিল; এই ছেদত ভগৱানে ধ্যান সুগমাৰ্থে তাৰ বিশদ ব্যাখ্যা দিবলৈ প্রিয়-শিষ্য অর্জ্জুনক এই বুলি সম্বোধন কৰিলে, "হে মহাবাহো! তুমি মোৰ ব্যাখ্যা সুন্দৰকৈ হৃদয়ঙ্গম কৰি আছিঁা, গতিকে তোমাৰ পূর্ণ হিতাৰ্থে তোমাক আৰু এখাপি সদুপদেশ দিওঁ, মন পাবি শুনিবাঁ।" (৩)

"দেৱতাসকল আৰু মহর্ষিগণে আয়ত্ত কৰিবে মোৰ প্রভাৱ নোৱাৰে; কিয়নো মই সিবিলাকৰো আদিকাৰণ, অর্থাৎ ময়ে সিবিলাকৰ উৎপাদক আৰু বুদ্ধিৰ প্রৱৰ্ত্তক। যি অনাদি-অনন্ত পৰব্রহ্মৰ স্বৰূপ জ্ঞান লাভ কৰে, তেওঁ জীৱৰ কায়-মন-বাক্যকৃত ত্রিবিধ পাপ, ভূত-ভবিষ্যত-বর্ত্তমানৰ পাপৰাশি, আৰু পাপবুদ্ধিৰ বীজ অবিদ্যা আৰু মহামোহৰপৰা নিষ্কৃতি লাভ কৰে। বুদ্ধি, জ্ঞান, অহংমোহ, ক্ষমা, সত্য, দম, শম, সুখ, দুখ, ভৱ, অভাব, ভয়, অভয়, অহিংসা, সমতা, তুষ্টি, তপ, দান,যশ

---

(১) গীতাৰ ৭ম, ৮ম, আৰু ৯ম, আধ্যা।

(২) ভগৱানৰ স্বপ্রকাশৰ আহিলা-পাতি, অর্থাৎ প্রকৃতিস্থ পদার্থ সমূহ।

(৩) গীতা, দশম আধ্যা, ১ম শ্লোক।

আৰু অপযশ প্ৰাণীবৰ্গৰ এই সমুদায় ভিন্-ভিন্ ভাব (১) মোৰ পৰাই উৎপন্ন; এই সমস্ত বৃত্তিৰ উৎপাদনৰ এক মূলাধাৰ মাথোন মই ( পৰব্ৰহ্ম )। (২)

"হে অৰ্জ্জুন! কেৱল সাধাৰণ জীৱগণেই যে মোৰ ( ভগৱানৰ ) বিভূতিৰপৰা উৎপন্ন হৈছে, এনে নহয়; প্ৰজাস্ৰষ্টা চতুৰ্দ্দশ মনু (৩), বেদপ্ৰচাৰক সপ্তৰ্ষি (৪), আৰু তৎপূৰ্ব্ববৰ্ত্তী চাৰি মহৰ্ষি (৫) এই সকলো মোৰপৰাই ( ভগৱৎসত্তাৰপৰা ) উৎপন্ন হৈছে। যি মোৰ বিভূতি আৰু যোগ বিষয়ক তত্ত্বজ্ঞান লাভ কৰিছে, তেওঁৱেই যথাৰ্থতে সমাহিত, তেওঁৰ অবিদিত একো নাই। মমেই এই জগৎ উৎপত্তিৰ কাৰণ, মোৰপৰাই জ্ঞান-বুদ্ধিৰ উৎপত্তি, এই কথাত যাৰ স্থিৰ বিশ্বাস, তেওঁৱেই

---

(১) সূক্ষ্মাৰ্থবোধক শক্তিৰ নাম বুদ্ধি; আত্ম-অনাত্ম পদাৰ্থৰ বিচাৰশক্তিৰ নাম জ্ঞান ;জ্ঞাতব্য আৰু কৰ্ত্তব্যৰ অৰ্থে অব্যাকুলতাৰ নাম অসংমোহ; দণ্ড বিধায়ক প্ৰবৃত্তিক নিবৃত্ত কৰা শক্তিৰ নাম ক্ষমা; স্বৰূপ নিৰূপন প্ৰবৃত্তিৰ নাম সত্য; ইন্দ্ৰিয়গণক নিবৃত্ত কৰা শক্তিৰ নাম দম; যি বৃত্তিৰ প্ৰভাৱত শব্দাদি বিষয়ে অন্তঃকৰণত ঠাই নাপায়, তাৰ নাম শম; যি অৱস্থাত চিত্ত প্ৰসন্ন হয়, তাৰ নাম সুখ; যি জীৱৰ পৰিতাপৰ কাৰণ, সিয়ে দুখ; উৎপত্তিৰ নাম ভৱ; অসত্তাৰ নাম অভাৱ; আশঙ্কাত ভয়; নিঃশঙ্কাত অভয়; জীৱক দুখ নিদিবৰ প্ৰবৃত্তিয়েই অহিংসা; ইষ্টানিষ্ট ৰাগদ্বেষাদিশূন্য অৱস্থাই সমতা; তৃপ্তিলাভৰ নাম তুষ্টি; ব্ৰত-সাধনৰ নাম তপঃ; অযাচিতে বিলোৱাৰ নাম দান; প্ৰশংসাৰ নাম যশ; লোকাপবাদৰ নাম অপযশ।—গীতাৰ্থ সন্দীপনী, কৃষ্ণানন্দস্বামী।

(২) গীতা, দশম আধ্যা, ২—৫ শ্লোকৰ সংযোগব্যাখ্যা।

(৩) চতুৰ্দ্দশ মনু,—স্বায়ম্ভুব, স্বাৰোচিষ, উত্তম, তামস, ৰৈবত, চাক্ষুষ, বৈবস্বত, সাবৰ্ণি, দক্ষসাবৰ্ণি, ব্ৰহ্মসাবৰ্ণি, ধৰ্ম্মসাবৰ্ণি, ৰুদ্ৰসাবৰ্ণি, দেৱসাৱৰ্ণি,ইন্দ্ৰসাবৰ্ণি।

(৪) সপ্তৰ্ষি,—ভৃগু, মৰীচি, অত্ৰি, পুলস্ত্য, পুলহ, বশিষ্ঠ, ক্ৰতু।

(৫) চাৰি মহৰ্ষি,—সনৎকুমাৰ, সনক, সনন্দ, সনাতন।

যথাৰ্থতে ভগৱৎ আৰাধনা কৰে। যাৰ মন-প্ৰাণ ভগৱানময় হয়, সেই ভগৱদ্ভক্তই পৰস্পৰে ভগৱৎ কীৰ্ত্তনত পৰম শান্তি লাভ কৰে। যি একাগ্ৰচিত্তেৰে মোক ভজনা কৰে, তেওঁক মই বুদ্ধিযোগ প্ৰদান কৰোঁ, যাতে তেওঁ অনায়াসে মোক লাভ কৰিব পাৰে। সেই ভক্তৰ অন্তৰত থিত্ লৈ মই তেওঁৰ মনৰপৰা অজ্ঞান-আন্ধাৰ জ্ঞানবুদ্ধিৰ পোহৰেৰে নাশ কৰোঁ।" (১)

ভগৱান শ্ৰীকৃষ্ণৰ জ্ঞানগৰ্ভ শাস্ত্ৰমূলক ভগৱদ্ব্যাখ্যা একাগ্ৰচিত্তেৰে শ্ৰৱন কৰি তন্ময় হৈ ভক্তশিষ্য মহাবাহু অৰ্জ্জুনে ব্যাকুল অন্তৰেৰে পৰমগুৰু শ্ৰীকৃষ্ণত এই বুলি সভক্তি নিবেদন জ্ঞাপন কৰিলে, "হে ভগৱান! তুমিয়েই পৰব্ৰহ্ম, পৰম আশ্ৰয়, তুমি পৰম পৱিত্ৰ। দেৱৰ্ষি নাৰদ আৰু অসিত, দেবল আৰু ব্যাস আদি মুনিগণে তোমাক নিত্য, স্বপ্ৰকাশ, আদিদেৱ, জন্মৰহিত আৰু সৰ্ব্বব্যাপী পৰমাত্মা পুৰুষ বুলি ব্যাখ্যা কৰিছে; এতিয়া স্বয়ং তোমাৰপৰাও মই ঠিক সেই একে ব্যাখ্যাকে লাভ কৰি চৰিতাৰ্থ হৈছোঁ। হে কেশৱ! মই সকলো তথ্যজ্ঞান সত্য বুলি গ্ৰহণ কৰিছোঁ। প্ৰভো! তোমাৰ মহিমা দেৱ-দানৱেও বুজিব নোৱাৰে। হে পুৰুষোত্তম! হে ভূতভাৱন! হে ভূতেশ! হে দেৱদেৱ! হে জগতপতে! তুমি নিজেই হে নিজক বুজিব পাৰিছাঁ, অন্যে তোমাৰ স্বৰূপ কি বুজিব!" (২)

"হে ভগৱান! তুমি যি বিভূতিৰ যোগত সৰ্ব্বলোক বিয়াপি আছাঁ, সেই বিভূতিৰাশিৰ সম্যক্ ব্যাখ্যা তোমাৰ স্ববচনেৰে শুনিবলৈ বাঞ্ছা কৰোঁ; কিয়নো অন্যৰপৰা সেই সম্যক্ ব্যাখ্যা সম্ভৱপৰ নহয়। হে যোগিবৰ! তোমাৰ বিভূতি অনন্ত; এতেকে কোন্ বিভূতিৰে সৈতে

(১) গীতা, দশম অধ্যায়, ৮—১১ শ্লোকৰ সংযোগব্যাখ্যা।

(২) গীতা, দশম অধ্যায়, ১২—১৫ শ্লোকৰ সংযোগব্যাখ্যা।

কি ভাৱে চিন্তিলে তোমাক জানিব পাৰিম, কৃপা কৰি কৈ দিয়াঁ। হে জনাৰ্দ্দন! (১) তোমাৰ যোগ আৰু বিভূতিৰ তত্বব্যাখ্যা মোক পুনৰপি বিস্তৃতভাৱে দান কৰাঁ, কিয়নো তোমাৰ বচনামৃত শ্ৰৱন কৰি মোৰ তৃপ্তি পলোৱা নাই। (২)

পৰম ভক্ত শিষ্য অৰ্জ্জুনৰ একান্ত প্ৰাৰ্থনা পূৰ্ণ কৰাৰ মানসে ভকতবৎসল ভগৱান শ্ৰীকৃষ্ণই গদ্‌গদ চিত্তেৰে এইবুলি সমিচাৰ দিলে, "হে কুৰুশ্ৰেষ্ঠ! মোৰ দিব্য বিভূতি অনন্ত, তাক কৈ অন্ত কৰিব নোৱাৰি; তথাপি তোমাৰ অনুৰোধ এৰাব নোৱাৰি তাৰ ঘাই ঘাই গোটাচেৰেকৰ বৰ্ণনা দিওঁ, শুনিবাঁ। হে গুড়াকেশ! (৩) ময়ে সৰ্ব্বভূতৰ হৃদয়স্থিত আত্মা; ময়ে জগতৰ সৃষ্টি-স্থিতি-প্ৰলয়ৰ হেতুস্বৰূপ। মই আদিত্যগণৰ মাজত বিষ্ণু, প্ৰকাশকগণৰ মাজত তেজস্বী সূৰ্য্য, বায়ুগণৰ মাজত মৰীচি, নক্ষত্ৰগণৰ মাজত চন্দ্ৰ; মই বেদৰ মাজত সামবেদ (৪); দেৱতাৰ মাজত ইন্দ্ৰ; ইন্দ্ৰিয়গণৰ মাজত মন (৫); ভৌতিক বাজ্যত চেতনাস্বৰূপ; মই ৰুদ্ৰগণৰ (৬) মাজত শঙ্কৰ;

---

(১) জীৱগণৰ স্বৰ্গসুখাদি দাতা আৰু মুক্তিবিধান কৰ্ত্তাৰ নাম জনাৰ্দ্দন।

(২) গীতা, দশম আধ্যা, ১৬—১৮ শ্লোকৰ সংযোগব্যাখ্যা।

(৩) যি নিদ্ৰাক জয় কৰিছে, তেওঁৰ নাম গুড়াকেশ।

(৪) স্বৰমাধুৰীৰ প্ৰাধান্য হেতুকে চাৰিবেদৰ ভিতৰত সামবেদ ভগৱানৰ প্ৰয়তম বিভূতি।

(৫) একাদশ ইন্দ্ৰিয়ৰ মাজত মনেই বজা।

(৬) একাদশ ৰুদ্ৰ:—অজ, একপাদ, অহিব্ৰধ্ন, পিনাকী, অপৰাজিত, ত্ৰ্যম্বক, মহেশ্বৰ, শম্ভু, বৃষাকপি, হৰ আৰু ঈশ্বৰ।

যক্ষ-ৰাক্ষসগণৰ মাজত কুবেৰ, অষ্টবসুৰ (১) মাজত অগ্নি, পৰ্ব্বতগণৰ মাজত সুমেৰু (২)।" (৩)

"হে পাৰ্থ! মোক পুৰোহিতগণৰ মাজত বৃহস্পতি, সেনাপতিসকলৰ মাজত কাৰ্ত্তিকেয়, জলাশয় সমূহৰ মাজত সাগৰ বুলি জানিবা; মই মহৰ্ষিগণৰ মাজত ভৃগু, বাক্য সমূহৰ মাজত একাক্ষৰ ওঁঙ্কাৰ, যজ্ঞসমূহৰ মাজত জপজপ যজ্ঞ, স্থাৱৰজঙ্গমৰ ভিতৰত হিমালয়; বৃক্ষ সমূহৰ মাজত অশ্বত্থ, দেৱৰ্ষিৰ ভিতৰত নাৰদ, গন্ধৰ্ব্বৰ মাজত চিত্ৰৰথ (৪), সিদ্ধসকলৰ মাজত কপিলমুনি (৫); ইসৱ মোৰ বিভূতি। মোক অশ্বগণৰ মাজত অমৃতমন্থনৰ কালত উৎপন্ন হোৱা উচ্চৈঃশ্ৰৱা, হস্তীৰ মাজত ঐৰাৱত (৬), মানুহৰ মাজত ৰজা বুলি জানিবা; মই অস্ত্ৰসমূহৰ মাজত বজ্ৰ (৭), ধেনুগণৰ মাজত কামধেনু (৮), পুত্ৰ উৎপাদনৰ অৰ্থে কন্দৰ্প, সৰ্পজাতিৰ ভিতৰত বাসুকি (৯); নাগগণৰ মাজত অনন্ত

---

(১) অষ্টবসু :—ভৱ, ধ্ৰুব, সোম, বিষ্ণু, অনল, অনিল, প্ৰত্যূষ আৰু প্ৰভৱ।

(২) পৰ্ব্বতৰ ভিতৰত সুমেৰু স্বৰ্ণৰত্নাদি বিভূতিৰ প্ৰধান আকৰ।

(৩) গীতা, দশম অধ্যা, ১৯—২৩ শ্লোকৰ সংযোগব্যাখ্যা।

(৪) ৰূপত অতুলন আৰু সঙ্গীত বিদ্যাত অগ্ৰগণ্য বাবে চিত্ৰৰথ ভগৱানৰ প্ৰিয় বিভূতি।

(৫) ধৰ্ম্ম, জ্ঞান, বৈৰাগ্য, ঐশ্বৰ্য্যাদিৰ বলত কপিল মুনি সকলো সিদ্ধতকৈ শ্ৰেষ্ঠ।

(৬) ঐৰাৱত দেৱৰাজ ইন্দ্ৰৰ বাহন হেতুকে শ্ৰেষ্ঠ।

(৭) বজ্ৰাস্ত্ৰ দধীচিমুনিৰ অস্থিজাত বজ্ৰত তপঃযুক্ত তীক্ষ্ণতা বৰ্ত্তমান।

(৮) যেয়ে যেতিয়াই বিহকে প্ৰাৰ্থনা কৰে, কামধেনুৰ ওচৰত সিয়ে তেতিয়াই তাকে লাভ কৰে।

(৯) বাসুকি সৰ্পৰাজ; গতিকে আটাইতকৈ বিৰাল।

(১), জলচৰৰ ভিতৰত বৰুণ, পিতৃগণৰ (২) মাজত অৰ্য্যমা, নিয়ম বিহোঁতাৰ মাজত যম; ইসৰো মোৰ বিভূতি বুলি জানিবাঁ। মোৰ বিভূতি দৈত্যৰ মাজত প্ৰহ্লাদ, সংখ্যাগণকৰ মাজত কাল, পশুৰ মাজত মৃগেন্দ্ৰ (সিংহ), পক্ষীৰ মাজত গৰুড়; বেগীৰ মাজত মই পৱন; ধনুৰ্দ্ধৰৰ ভিতৰত মই ৰাম; মাছৰ মাজত মই মকৰ (৩); নৈৰ ভিতৰত মই গঙ্গা।" (৪)

"হে অৰ্জ্জুন! সৃষ্ট বস্তুবোৰৰ (৫) উৎপত্তি, স্থিতি আৰু প্ৰলয়ৰ কাৰণ ময়েই; বিদ্যাৰ ভিতৰত অধ্যাত্ম বিদ্যা (৬) ময়েই; তাৰ্কিকৰ মাজত বাদ (৭) নামক তৰ্ক ময়েই; অক্ষৰ সমূহৰ মাজত মই অকাৰ; সমাসৰ মাজত মই দ্বন্দ্ব-সমাস; ময়েই অক্ষয় কাল, ময়েই কৰ্ম্মফলদাতাসকলৰ মাজত কৰ্ম্মফল-বিধাতা ঈশ্বৰ; মই সংহাৰীৰ ভিতৰত মৃত্যু, ভাবি কল্যাণৰ মাজত অভ্যুদয়, নাৰীগণৰ মাজত মই কীৰ্ত্তি, শ্ৰী, বাক্, স্মৃতি, মেধা, ধৃতি আৰু ক্ষমা; গীতিৰূপ সামসমূহৰ ভিতৰত মই বৃহৎসাম (ইন্দ্ৰৰ স্তুতি-গীতি); ছন্দ সমূহৰ মাজত মই

---

(১) নাগ সৰ্পৰপৰা সুকীয়া; সৰ্প বিষধৰ, নাগ বিষহীন। নাগৰাজ অনন্ত বিষ্ণুৰ বাহন।

(২) পিতৃগণ:—অগ্নিষাত্ত, সৌম্য, উষ্মপ, সুকালী, হবিষ্মান্, বৰ্হিষৎ আৰু আজ্যপ।

(৩) মকৰ গঙ্গাদেবীৰ বাহন।

(৪) গীতা, দশম আধ্যা, ২৪—৩১ শ্লোক।

(৫) অচেতন জগত। চেতন জগতৰ কথা কৈ অহা হৈছে।

(৬) এই বিদ্যাৰ দ্বাৰাই জীৱৰ ব্ৰহ্মত্ব বুদ্ধিৰ উদয় হয়।

(৭) গুৰু-শিষ্য আৰু সজ্জনৰ মাজত সত্যতথ্য নিৰূপণাৰ্থে যি প্ৰশ্নোত্তৰাদি হয়, তাৰ নাম বাদ।

গায়ত্ৰী ; মাহ সমূহৰ মাজত মই আঘন মাহ ; ঋতুসমূহৰ মাজত মই বসন্ত ঋতু ; মই প্ৰৱঞ্চকৰ মাজত পাশতী ( দ্যুতক্ৰীড়া ) ; মই তেজস্বী পুৰুষগণৰ তেজ, বিজয়ী পুৰুষগণৰ জয়, উদ্যোগী পুৰুষগণৰ অধ্যৱসায়, সাত্বিকগণৰ সত্বগুণ ; মই বৃষ্ণিবংশী যাদৱগণৰ মাজত বাসুদেৱ ; মই পাণ্ডৱগণৰ মাজত ধনঞ্জয় ; মই মুনিগণৰ মাজত বেদব্যাস ; মই কবি-সকলৰ মাজত শুক্ৰ ; মই দমনকাৰীগণৰ দণ্ড, জয়েচ্ছুগণৰ ন্যায়ৰূপ নীতি, গোপ্য বিষয় সমূহৰ মাজত মৌনাৱলম্বন, জ্ঞানীগণৰ জ্ঞানস্বৰূপ।" (১)

"হে অৰ্জ্জুন ! ভুতসমূহৰ যি মূল কাৰণ, সিও ময়েই ; সেই মূল কাৰণ নোহোৱাকৈ উৎপন্ন হব পাৰে এনে বস্তু চৰাচৰ জগতত নাই। হে পৰন্তপ ! মোৰ বিভুতিৰ সীমা নাই ; ইমানলৈকে যি কোৱা গল, সি মোৰ দিব্য বিভুতিৰ সংক্ষেপ লেখ মাথোন। বাস্তৱতে সমস্ত বিভুতিৰ বৰ্ণনা দিয়াটো সম্ভৱপৰ নহয়। মুঠতে যি যি পদাৰ্থ ঐশ্বৰ্য্য-শালী, লক্ষ্মী বা শোভাসম্পন্ন, প্ৰভাৱসম্পন্ন, সেই সেই পদাৰ্থই মোৰ প্ৰভাৱৰ অংশৰপৰা উৎপন্ন বুলি জানিবাঁ ; অৰ্থাৎ যি উৎকৃষ্ট, যি শ্ৰেষ্ঠ, য'ত অসাধাৰণ লক্ষণ দেখিবাঁ, তাতেই ভগৱানৰ শক্তিৰ বিকাশ বুলি বুজি লবাঁ। নাইবা, হে অৰ্জ্জুন ! তোমাৰ আৰু অধিক জানিবৰ প্ৰয়োজন কি ? মুঠতে ইয়াকে জানি লবাঁ যে, মোৰ একাংশত মাথোন এই সমস্ত জগতক ধাৰণ কৰি মই অৱস্থিতি কৰিছোঁ ; অৰ্থাৎ পৰমে-শ্বৰৰ একাংশত (২) মাথোন জগৎ অৱস্থিত। এনে ভাৱে পৰমেশ্বৰক সৰ্ব্বব্যাপী বিৰাট পুৰুষৰূপে ধ্যান কৰিবাঁ।" (৩)

---

(১) গীতা, দশম অধ্যা, ৩২—৩৮ শ্লোক।

(২) দৃশ্যমান জগৎ পৰমাত্মাৰ একাংশ, অৰ্থাৎ এক পাদ মাথোন ; আন তিনি পাদ পৰব্ৰহ্মৰ নিগু'ণ স্বৰূপত অৱস্থিত।

(৩) গীতা, দশম অধ্যা, ৩৯—৪২ শ্লোক।

এই ধ্যানযোগ আয়ত্ত কৰি উঠা সকলোৰে পক্ষে সম্ভৱপৰ বা সহজ-সাধ্য নহয়, গতিকে ই পৰম গুহ্য; অৰ্জ্জুনক মহাসংযমী, মহাশক্তিশালী বুলি নিঃসংশয়কৈ জানি হে আত্মজ্ঞানী তত্ত্বদৰ্শী ভগৱান শ্ৰীকৃষ্ণই এই নিগূঢ় তত্ত্বৰ উত্তমাংশ তেওঁত ব্যাখ্যা কৰিলে।

# ২১। অধ্যায়।

## দিব্যদৰ্শন,—বিশ্ববিকাশ।

ভগৱানৰ বিভূতি ব্যাখ্যাত সম্মোহিত হৈ পৰমাৰ্থ প্ৰাৰ্থী ভক্তশিষ্য কৃষ্ণপ্ৰাণ অৰ্জ্জুনে পৰম ভক্তিৰে সৈতে মহাগুৰু বাসুদেৱত এই বুলি গদ্‌গদ চিত্তেৰে হৃদয়ৰ কৃতজ্ঞতা জ্ঞাপন কৰিলে, "হে প্ৰভো! তুমি কৃপা কৰি মোক যি অধ্যাত্ম তত্বৰ পৰম গুহ্য কথা বৰ্ণনা কৰিলা, তাৰ দ্বাৰাই মোৰ মোহ অপনোদিত হল। এই চৰাচৰ জগতৰ উৎপত্তি, স্থিতি আৰু প্ৰলয় বিষয়ক গুহ্যতত্বও মই হৃদয়ঙ্গম কৰিলোঁ। কিন্তু, হে পৰমেশ্বৰ! তোমাৰ ঐশিকৰূপৰ বিষয়ে যি বৰ্ণনা দিলা, তাৰ দ্বাৰাই তোমাৰ ঐশিকৰূপ সাক্ষাৎ স্বৰূপে দেখা পাবলৈ মোৰ প্ৰাণৰ ধাউতি হৈছে। এতেকে, হে অন্তৰ্য্যামী প্ৰভো! সেই অবিনাশী পৰমাত্মা ৰূপ দেখা পাবলৈ যদি মই যোগ্য হওঁ, তেন্তে, হে যোগেশ্বৰ, সাক্ষাৎ স্বৰূপ দৰ্শন দি মোক ধন্য কৰা।" (১)

ভকতবৎসল ভগৱান শ্ৰীকৃষ্ণই ভক্তশিষ্য অৰ্জ্জুনৰ অন্তৰৰ উদ্বেগ বুজিব পাৰি, আৰু তেওঁক তেওঁৰ প্ৰতি তন্ময় ভাবত উন্মত্ত হোৱা দেখি, সেই ছেগতে নিজ বিমোহন (২) শক্তিৰে অৰ্জ্জুনক অতিশয় সম্মোহিত

---

(১) গীতা, একাদশ আধ্যা, ১—৪ শ্লোক।

(২) শ্ৰীকৃষ্ণ বাহ্যিক ৰূপেৰেই জগন্মোহন; তদুপৰি আধ্যাত্মিক ৰূপৰ সম্মোহনী শক্তিৰ প্ৰভাব। বিশেষকৈ, ভগৱান বাসুদেৱে সাময়িক আসন্ন ছেগত

ঋৰি পৰম হৰ্ষ চিত্তেৰে এই বুলি সমিধান দিলে, "হে পাৰ্থ ! তোমাৰ হাবিয়াষ পূৰ্ণ হওক, বিবিধ বৰণীয়া বিবিধ আকৃতিৰ শত-শত সহস্ৰ-সহস্ৰ অলৌকিক ৰূপ মোৰ এই এক ৰূপত দৰ্শন কৰাঁ।" (১)

"হে ভাৰত ! চোৱাঁ, মোৰ এই এক দেহতে দ্বাদশ আদিত্য মণ্ডল, অষ্টবসু, একাদশ ৰুদ্ৰ, অশ্বিনীকুমাৰদ্বয়, উনপঞ্চাশ বায়ু আৰু আগেয়ে নেদেখা অনেকানেক অদ্ভুত ৰূপ চাই লোৱাঁ। হে গুড়াকেশ ! মোৰ দেহৰ একাঙ্গতে স্থাবৰজঙ্গম সমন্বিতে সমস্ত জগৎ চাই লোৱাঁ ; তোমাৰ চাবলগীয়া (২) আৰু যি যি চাব লাগে, চাই লোৱাঁ।" (৩)

মহাগুৰু শ্ৰীকৃষ্ণৰ উপদেশ শিৰোধাৰ্য্য কৰি, মহা ভক্তশিষ্য অৰ্জ্জুনে আন্ধাৰত খপিৱাৰ দৰে আগে পিচে সোঁৱে-বাৱেঁ ঘূৰি-পকি চাই একো নেদেখি টলকা মাৰি ৰোৱা দেখি তত্ত্বদৰ্শী ভগৱান বাসুদেৱে অৰ্জ্জুনৰ মনোভাব বুজিব পাৰি হৰিষ চিত্তেৰে আত্মজ্ঞান আৰু ঐশিক বিভূতি ধ্যানলৈ সঙ্কেত দি, এই বুলি পুনৰপি উপদেশ দিলে, "হে অৰ্জ্জুন !

---

যি বাৎসল্য ভাৱেৰে তন্ময়চিত্তীয়া ভক্তশিষ্য অৰ্জ্জুনক গুহ্যতম্ বিভূতি-ব্যাখ্যা দিছিল, সেই হেগত শ্ৰোতা বিমোহিত আৰু আপোন-পাহৰা হোৱাটো একো আচৰিত নহয়। আৰু, মানুহে তন্ময় ভাৱত যি ক্ষণত যি ভাৱে, তাকে সাক্ষাৎ স্বৰূপ দেখাটো অস্বাভাৱিক নহয়।

(১) গীতা, একাদশ আধ্যা, ৫ম শ্লোক :—

"পশ্য মে পাৰ্থ ৰূপাণি শতশোঽথ সহস্ৰশঃ।
নানাবিধানি দিব্যানি নানাবৰ্ণাকৃতীনি চ ॥"

(২) এই খিনিতে অৰ্জ্জুনক সঙ্কেত দিয়া হৈছে যে, তেওঁ মন কৰিলে উপস্থিত মহাযুদ্ধখনৰো ভূত-ভবিষ্যত-বৰ্ত্তমানৰ সাক্ষাৎ দৃষ্টি এই হেগতে লাভ কৰিব পাৰে।

(৩) গীতা, একাদশ আধ্যা, ৬—৭ শ্লোক।

তুমি তোমাৰ চৰ্ম্মচকুৰে (১) মোৰ দিব্যৰূপ (২) সাক্ষাৎ স্বৰূপে দেখা নোপোৱাঁ; গতিকে তোমাক মই দিব্যচকু (৩) দান কৰিছোঁ। তাৰে সৈতে তুমি মোৰ ঐশ্বৰিক যোগ শক্তি দৰ্শন কৰাঁ।" (৪)

উপযুক্ত গুৰুৰ উপযুক্ত শিষ্য। তত্ত্বজ্ঞানী ভগৱান শ্ৰীকৃষ্ণৰ উপদেশ অনুসৰি তীক্ষ্ণবুদ্ধি, স্থিৰমতি অৰ্জ্জুনে চকু মুদি ধ্যানত পৰম আনন্দেৰে পৰমানন্দ কৃষ্ণমূৰ্ত্তিত বিশ্বৰূপ দৰ্শন কৰিবলৈ ধৰিলে। অৰ্জ্জুনে কৃষ্ণৰূপী ভগৱানত বহুমুখ আৰু বহুনেত্ৰ বিশিষ্ট অসংখ্যাত অদ্ভুত আকৃতিৰ গদা, চক্ৰ আদি দিব্য আয়ুধযুক্ত পৰম ৰমণীয় ৰূপ দেখিবলৈ ধৰিলে। দিব্য মালা, দিব্য বস্ত্ৰ, দিব্য সুগন্ধি বস্তুৰে সৈতে অনুলিপ্ত শ্ৰীকৃষ্ণৰ এনে মনোময় ৰূপ চাই চাই অৰ্জ্জুনৰ তৃপ্তি নপলায়। সেই বিশ্বৰূপত অৰ্জ্জুনে সমস্ত জগৎ নানা ভাগত বিভক্ত দেখিলে। শেহান্তৰত ধনঞ্জয়ে বিস্ময় মানি মূৰ দোঁৱাই প্ৰণাম কৰি কৰযুৰি ব্যাকুলভাৱে ভগৱান শ্ৰীকৃষ্ণত এই বুলি নিবেদিবলৈ ধৰিলে (১):—

"হে দেৱ! তোমাৰ এই বিশ্বৰূপ দেৱদেহত মই সকলো দেৱতাকে দেখা পাইছোঁ; স্থাৱৰজঙ্গম ভূতসমূহক দেখা পাইছোঁ;

(১) চৰ্ম্মচকু মানে বাহ্যিক দৃষ্টি; অৰ্থাৎ মানুহৰ সাধাৰণ চকুৰে চোৱা চিন্তাহীন আৰু তত্ত্বহীন ওপৰুৱা দৃষ্টি।

(২) দিব্যৰূপ অৰ্থাত বিভূতি সমন্বিতে ভগৱানৰ বিশ্ববিকাশ।

(৩) দিব্যচকু অৰ্থাত ধ্যান বা অন্তঃকৰণাশ্ৰিত জ্ঞান-শক্তিৰ প্ৰভাৱ। ইয়াৰ দ্বাৰাই সূক্ষ্মদৰ্শী ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক চিত্তস্থিৰ হৈ আত্মজ্ঞান লভি পূৰ্ব্বব্যাখ্যাত বিভূতিৰ পুনৰাবৃত্তিৰে সৈতে ভগৱানৰ বিশ্ববিকাশ ধ্যান কৰিবলৈ সঙ্কেত দিলে; আৰু প্ৰত্যুৎপন্নমতি বুদ্ধিমান পাৰ্থ বীৰে অনতিপলমে সেই উপদেশ অনুসৰণ কৰিলে।

(৪) গীতা, একাদশ অধ্যা, ৮ম শ্লোক।

(১) গীতা ১১শ অধ্যা, ৯—১৪ শ্লোক।

সৰ্পসমূহক দেখিছোঁ; ঋষিগণক দেখিছোঁ; সৰ্ব্বনিয়ন্তা পদ্মাসনস্থিত ব্ৰহ্মাকো দেখা পাইছোঁ। হে বিশ্বেশ্বৰ! হে বিশ্বৰূপ! হে বহুবাহো! বহুউদৰ, বহুমুখ, বহুনেত্ৰবিশিষ্ট অনন্তৰূপধাৰী ভগৱান! তোমাক সৰ্ব্বত্ৰতে সৰ্ব্বব্যাপীৰূপে দেখা পাইছোঁ; তোমাৰ অন্ত-মধ্য-আদি পৰ্য্যন্ত দেখি পৰম পুলকিত হৈছোঁ। হে প্ৰভো! কিৰীটিযুত গদাচক্ৰধাৰী মহা দীপ্তিমান তোমাৰ অপ্ৰমেয় ৰূপ সৰ্ব্বত্ৰতে বিৰাজমান দেখিছোঁ। হে ঈশ্বৰ! তুমিয়েই পৰম অক্ষৰ, তুমিয়েই পৰম জ্ঞাতব্য, তুমিয়েই জগতৰ আশ্ৰয়, তুমিয়েই সনাতন ধৰ্ম্মপাল; তুমিয়েই যে সনাতন পৰমাত্মা পুৰুষ তাত আৰু মোৰ ধনিষ্ঠামানো সন্দেহ নাই। হে ভগৱান্! মই দেখিছোঁ, তুমি উৎপত্তি-স্থিতি-ধ্বংসৰহিত, তুমি অনন্ত-প্ৰভাৱশালী, তুমি অনন্তবাহু, তুমি নিজৰ তেজেৰে সমস্ত জগতক তেজিয়ান কৰি ৰাখিছাঁ। হে পৰমাত্মা! তুমি অকলশৰে স্বৰ্গ, মৰ্ত্ত্য, আৰু সৰ্ব্বদিগব্যাপী হৈ আছাঁ; তোমাৰ এই চমৎকাৰ ৰূপ দেখি, আৰু সেই ৰূপৰ উগ্ৰ তেজৰ প্ৰভাৱত ত্ৰিভুবন ভয়ত বিহ্বল হৈ পৰিছে। হে মহাপ্ৰভো! দেখিছোঁ, দেৱতাসকলে ত্ৰস্তমান হৈ তোমাত শৰণ লৈছে, মহৰ্ষি আৰু সিদ্ধগণে স্বস্তি বচনেৰে তোমাৰ স্তৱ কৰিছে! হে ভগৱন্ত! মই আৰু দেখিছোঁ, ৰুদ্ৰ, আদিত্য, বসু, সাধ্য, বিশ্বদেৱ, অশ্বিনীকুমাৰ দ্বয়, মৰুৎগণ, উষ্মপগণ (১), গন্ধৰ্ব্ব, যক্ষ, অসুৰ, সিদ্ধ সকলোৱেই তোমাক দৰ্শন কৰি বিস্ময় মানিছে। হে মহাবাহো! তোমাৰ এই বিস্ময়জনক বিশ্বৰূপ দৰ্শন কৰি সমস্ত জীৱই ভয়ত ত্ৰাহি

---

(১) উষ্মপগণ মানে পিতৃগণ। বংশধৰগণে শ্ৰদ্ধাৰে সৈতে শ্ৰাদ্ধ-পিণ্ডাদি দান কৰিলে তাৰ "উষ্মভাগ", অৰ্থাৎ তাত নিহিত পৱিত্ৰ তেজঃশক্তি পান কৰি পুষ্টিলাভ কৰা অৰ্থত "উষ্মপ" বোলা হয়।

ত্ৰাহি কৰিছে, মোৰো আতঙ্ক উপস্থিত হৈছে; এতেকে কৃপা কৰাঁ প্ৰভো!" (১)

ভগৱান শ্ৰীকৃষ্ণত বিশ্বৰূপ দৰ্শন কৰি ধ্যানমগ্ন অৰ্জ্জুনৰ হৃৎকম্প উপস্থিত হল! সমস্ত অঙ্গ-প্ৰত্যঙ্গ কঁপিবলৈ ধৰিলে, আৰু তেওঁ উৰ্দ্ধাউল দি এই বুলি চিঞৰিবলৈ ধৰিলে, "হে বিষ্ণো! তোমাৰ ভয়ঙ্কৰ মূৰ্ত্তি দেখি মোৰ অকল যে আতঙ্কই হৈছে এনে নহয়, তোমাৰ উজ্জ্বল দীপ্তি মোৰ চকুৱে সহিব পৰা নাই; তোমাৰ সৰ্ব্বদিক্‌ব্যাপী ৰূপ মোৰ মনেৰে ধাৰণা কৰিব নোৱাৰা হৈছোঁ; তোমাৰ প্ৰলয়-দৃষ্টিযুক্ত বিশাল নেত্ৰৰ আয়তন দেখি মোৰ চিত্তবৈকল্য ঘটিছে; আন কি, মই স্থিৰেৰে ৰব নোৱাৰাত পৰিছোঁ। এতেকে, প্ৰভো! তোমাৰ এই ৰূপ সলাই পুনঃ শান্তিৰূপ ধাৰণ কৰাঁ। হে জগন্নিবাস! তুমি প্ৰসন্ন হোৱাঁ।" (২)

"হে ভগৱান! আৰু দেখিছোঁ, বিপক্ষীয় ৰাজন্যবৰ্গৰে সৈতে ধৃতৰাষ্ট্ৰৰ পুত্ৰগণ ভীষ্ম, দ্ৰোণ, কৰ্ণ এই তিনি বীৰে সৈতে, আৰু আমাৰ পক্ষীয় যোদ্ধাগণ তোমাৰ মুখ-গহ্বৰত প্ৰবল বেগেৰে প্ৰৱেশ কৰিব লাগিছে! দুষ্ট দুৰ্য্যোধনাদি তোমাৰ দাঁত-নিকটন মুখৰ ফালে ধাবিত হৈছে; প্ৰৱেশ কালত কাৰো বা মূৰ চূৰ্ণীকৃত হৈছে, কাৰো বা লাওখোলা তোমাৰ দাঁত-কৰালত লাগি হৈছে! যি দৰে নানা ফালৰপৰা নৈবিলাক বৈ আহি নানা মুখীয়া হৈ সাগৰত আপোনা-আপুনি সোমায় গৈ, সেই দৰে এই বীৰগণে আপোনা-আপুনি গৈ তোমাৰ উন্মুক্ত মুখত

(১) গীতা, একাদশ আধ্যা, ১৫—২৩ শ্লোক।

(২) গীতা, একাদশ আধ্যা, ২৪—২৫ শ্লোক।

সোমাইছে গৈ! হে বিষ্ণো! তুমিও যেন (১) সেই সকলোকে গ্ৰাহ মাৰিবৰ উদ্দেশে মুখ মেলি আছাঁ, আৰু তোমাৰ জিভাই লক্‌লকাব লাগিছে! আৰু, তোমাৰ কান্তিৰ উগ্ৰদীপ্তিয়ে যেন জগতক সন্তপ্ত কৰিছে! হে ভগৱান! এই উগ্ৰমূৰ্ত্তিধাৰী তুমি কোন্? (২) মোক কৃপা কৰি কৈ দিয়াঁ। হে দেৱবৰ! তুমি মোৰ প্ৰতি প্ৰসন্ন হোৱাঁ। তোমাৰ এই বিকট বিশ্বৰূপৰ নিগূঢ় তত্ত্ব ব্যাখ্যা কৰি মোৰ মনোৰথ পূৰ্ণ কৰাঁ।" (৩)

অৰ্জ্জুনৰ সন্দিহান অনুসন্ধানত ভগৱান শ্ৰীকৃষ্ণই এই বুলি তত্ত্ব সমিচাৰ দিলে, "হে অৰ্জ্জুন! তুমি বুজিবলৈ বাকী নাই যে, সমস্ত প্ৰাণীকে ময়ে (পৰব্ৰহ্মই) সৃষ্টি কৰোঁ, আৰু প্ৰয়োজন মতে ময়ে সংহাৰ কৰোঁ। এতিয়া সেই প্ৰয়োজন উপস্থিত। কিয়নো, পৃথিবীত অধৰ্ম্ম বঢ়োৱাৰ বাবে দুৰ্য্যোধনাদি কু-প্ৰবৃত্তিৰ লোকগণ মোৰ সংহাৰিণী মায়াৰ শাসনাধীন হৈছে; লগে লগে সিবিলাকৰ পক্ষীয় ভীষ্ম দ্ৰোণাদিয়েও এই যাত্ৰাত তনু ত্যাগ কৰিব লাগিব, তুমি মাৰাঁই বা নামাৰাঁ (৩), সিবিলাকৰ মৰণ অনিবাৰ্য্য। এতেকে, উঠাঁ, তুমি যুদ্ধৰ

---

(১) ভগৱান সৃষ্টি-স্থিতি-প্ৰলয়ৰ মূলশক্তি। শ্ৰীকৃষ্ণৰ শান্তিৰূপত ভক্ত অৰ্জ্জুনে সততে সৃষ্টিপালনৰ ক্ৰিয়া দেখি আহিছে; গতিকে এই ভয়ঙ্কৰ বিশ্বৰূপ মূৰ্ত্তি ধ্যানত দেখি তেওঁৰ মনত সন্দেহ উপস্থিত হৈছে, পালনকৰ্ত্তা মহাবিষ্ণুৱে হঠাৎ প্ৰলয়কাৰী মহাৰুদ্ৰৰূপ ধাৰণ কৰিলে কিয়? বাস্তৱতে প্ৰলয় উপস্থিত নে কি?

(২) গীতা, একাদশ আধ্যা, ২৬—৩১ শ্লোক।

বোলে।

(৩) অৰ্জ্জুনক সঙ্কেত দিয়া হৈছে যে, তেওঁ উপস্থিত যুদ্ধত প্ৰবৃত্ত নহলেও,

নিমিত্তে সহায় হোৱাঁ। লোকদৃষ্টিত মাথোঁ বধকাৰী হবাঁ, কিন্তু দেখিছাঁ, সিবিলাক ইতিপূৰ্ব্বেই মৃত্যুমুখত পৰি ৰৈছে; গতিকে, সিবিলাকক বধ কৰাৰ বাবে যদি তোমাৰ পাপ হব বুলি ভাবিছাঁ, সেই পাপেও তোমাক নাপায়। এতেকে, হে সব্যসাচিন! (১) উঠাঁ, যুদ্ধত প্ৰবৃত্ত হৈ অযাচিতে যশোৰাশি লাভ কৰাঁ। ভীষ্ম, দ্ৰোণ, কৰ্ণ, জয়দ্ৰথ আদি অজেয় বীৰগণক মই বধিয়েই থৈছোঁ, তুমি বাহ্যিক দৃষ্টিত বধিবা মাথোন। অন্যান্য শত্ৰুগণক তুমি অনায়াসে বধ কৰিব পাৰিবাঁ। এতেকে, চিন্তা নাই, তুমি যুদ্ধত জয়ী হবাঁ, উঠাঁ।" (২)

স্বয়ং কেশৱৰ মুখে আশ্বাস বাণী শুনি ভাববিহ্বল কিৰীটীয়ে (৩) হৰ্ষ-কম্পনেৰে গদগদ ভাৱে কৃতাঞ্জলি হৈ শ্ৰীকৃষ্ণ প্ৰভুক প্ৰণাম কৰি এই বুলি কবলৈ ধৰিলে, "হে হৃষীকেশ! হে পৰমাত্মা! হে অনন্ত! হে দেৱেশ! হে জগন্নিবাস! তুমি সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰো গুৰু; তুমিয়েই ব্যক্ত, তুমিয়েই অব্যক্ত, তুমিয়েই অক্ষৰ ব্ৰহ্ম। গতিকে, সকলো দেৱতাই তোমাক নমস্কাৰ কৰে। হে অনন্তৰূপ! তুমিয়েই আদিদেৱ, তুমিয়েই পুৰাণপুৰুষ, তুমিয়েই বিশ্বৰ নিধান, তুমিয়েই সৰ্ব্বজ্ঞ, তুমিয়েই জ্ঞেয়; তুমি পৰমধাম; জগতত ওতপ্ৰোতভাৱে তোমাৰে সত্তা বিদ্যমান।" (৪)

---

তেওঁক এৰি, আৰু ধৰ্ম্ম যুধিষ্ঠিৰত বাজে আন কাৰো নিষ্কৃতি নাই; কুৰুক্ষেত্ৰ ৰণৰূপ প্ৰলয়ত অধাৰ্ম্মিক লোকসমূহ নিশ্চয় ধ্বংস হব। ইয়াৰ নিদৰ্শন অৰ্জ্জুনে ধ্যানত নিজেই দেখা পাইছে।

(১) অৰ্জ্জুনে বাওঁহাতে শৰসন্ধান কৰিব পাৰে হেতুকে, তেওঁক "সব্যসাচিন বোলে।

(২) গীতা, একাদশ আধ্যা, ৩২—৩৪ শ্লোক।

(৩) ইন্দ্ৰদত্ত কিৰীটধাৰী অৰ্থত অৰ্জ্জুনক "কিৰীটী" বোলা হয়।

(৪) গীতা, একাদশ আধ্যা, ৩৫—৩৮ শ্লোক।

"হে ভগৱান! তুমিয়েই বায়ু, যম, অগ্নি, বৰুণ, চন্দ্ৰ, ব্ৰহ্মা আৰু ব্ৰহ্মাৰো পিতৃ; তোমাতপৰ আৰু কেওঁ নাই। এতেকে, হে পৰমাত্মা! তোমাক সহস্ৰ সহস্ৰ বাৰ নমস্কাৰ কৰোঁ, তোমাক পুনঃ পুনঃ নমস্কাৰ কৰোঁ। হে সৰ্ব্বস্বৰূপ! তোমাক বুকুৰ ফালে সেৱা কৰোঁ, পিঠিৰ ফালে সেৱা কৰোঁ, সোঁহাতে সেৱা কৰোঁ, বাওঁহাতে সেৱা কৰোঁ। তুমি জগতৰ সৰ্ব্বত্ৰ:ত বিদ্যমান। গতিকে, তুমি সৰ্ব্ব। হে প্ৰভো! তোমাৰ এই বিশ্বৰূপ অজ্ঞাত হেতুকে, তোমাক সময়ত কৃষ্ণ, যাদৱ, সখি ইত্যাদি বুলি সম্বোধন কৰিছোঁ; সেইবাবে মোৰ সৰ্ব্বদোষ ক্ষমা কৰিবাঁ। সমনীয়া ভাৱে কেতিয়াবা তোমাক ইতিকিং নকৰাকৈও থকা নাই, সেইবাবেও যেন, হে অচ্যুত, মোৰ অপৰাধ মাৰ্জ্জনা কৰিবাঁ। হে অপ্ৰতিম প্ৰভাব! তোমাৰ তুলনা তুমিয়েই (১), তোমাতপৰ আৰু কেওঁ নাই। এতেকে, হে দেৱ! পিতৃয়ে পুত্ৰৰ, সখিয়ে মিত্ৰৰ, পতিয়ে পত্নীৰ অপৰাধ যি ৰূপে মাৰ্জ্জনা কৰে, মোৰ সৰ্ব্ব অপৰাধ তুমি সেইৰূপে মাৰ্জ্জনা কৰাঁ। হে ভগৱান! মই তোমাৰ পূৰ্ব্বৰ মোহনমূৰ্ত্তি দেখিবলৈ অভিলাষী হৈ প্ৰাৰ্থনা কৰিছোঁ, তুমি এই ভয়ঙ্কৰ বিশ্বমূৰ্ত্তি এৰি আকৌ সেই সৌম্য মূৰ্ত্তি ধৰাঁ। কিৰীটাদিৰে অলঙ্কৃত গদাচক্ৰপাণি কৃষ্ণৰূপ ধাৰণ কৰাঁ।" (২)

অৰ্জ্জুনৰ কাতৰ স্তুতিত তুষ্ট হৈ ভগৱান শ্ৰীকৃষ্ণই এই বুলি তেওঁক অভয় দান দিলে, "হে অৰ্জ্জুন! তুমি একান্ত শৰণাগত ভক্ত হেতুকে, মোৰ ( পৰমাত্মাৰ ) বিভূতি ধ্যানত মোত ( মৎৰূপ পৰব্ৰহ্মত )

---

(১) অপ্ৰতিম প্ৰভাব মানে "একমেবদ্বিতীয়ম্"। এয়ে বৌদ্ধধৰ্ম্মৰো মূলমন্ত্ৰ।

(২) গীতা, একাদশ অধ্যা, ৩৯—৪৬ শ্লোক।

এই বিশ্বাত্মক অনাদি অনন্ত তেজোময়ৰূপ দেখা পালোঁ, অন্তৰ ভাগ্যত অদ্যাপি যি লাভ হোৱা নাই। গতিকে, বিশ্বৰূপ দেখি ভয় নাথাকোঁ। বাৰু, তোমাৰ বাঞ্ছা পূৰ্ণ হওক, তুমি চকু মেলি (১) আগৰ চকুৰে (২) মোৰ আগৰ ৰূপ দৰ্শন কৰাঁ।" সেই অনুযায়ী ভগৱান শ্ৰীকৃষ্ণৰ পূৰ্ব্বৰূপ দৰ্শন কৰি অৰ্জ্জুনে আশ্বস্ত হৈ নিবেদন কৰিলে, "হে জনাৰ্দ্দন! তোমাৰ শান্তৰূপ দেখি এতিয়া মোৰো প্ৰাণ শাঁত হৈছে।" (৩)

সদৌশেহত ভগৱান শ্ৰীকৃষ্ণই এই বুলি উদগনি দি থলে, "হে অৰ্জ্জুন! তুমি যি উজু উপায়েৰে (৪) বিশ্বৰূপ দৰ্শন কৰিলাঁ, দেৱতাসকলে তপস্যা কৰি আৰু ঋষি মুনিগণে বেদাধ্যায়ন কৰিও সেই দৰ্শন পাব পৰা নাই। হে পৰন্তপ অৰ্জ্জুন! হে পাণ্ডৱ! যি একান্ত মনেৰে তোমাৰ দৰে মোক (পৰব্ৰহ্মক) ভজনা কৰিব, যি তোমাৰ দৰেই একাগ্ৰচিত্তেৰে মোৰ (পৰমাত্মাৰ) বিভূতি ধ্যান কৰিব পাৰিব, তেৱেঁই মোক (পৰমাত্মাক) অভেদাত্মাৰূপে পাব পাৰিব। (৫)

---

(১) অৰ্থাৎ, ধ্যানভঙ্গ হৈ। চকু মুদি বিভূতি ধ্যানত অৰ্জ্জুনে বিশ্বৰূপ দেখি ছিল ; ধ্যান ক্ষান্ত দি চকু মেলা মাত্ৰকে আগতে আকৌ কৃষ্ণৰূপ দেখা পাই তেওঁৰ চিত্ত প্ৰসন্ন হল।

(২) অৰ্থাৎ, আগৰ চৰ্ম্মচকুৰে। ধ্যানত জ্ঞানচকু আৰু বাহ্যদৰ্শনত চৰ্ম্মচকু ব্যৱহৃত হয়।

(৩) গীতা, একাদশ আধ্যা, ৪৭ শ্লোক।

(৪) ভগৱানৰ বিভূতি ধ্যান।

(৫) গীতা. একাদশ আধ্যা, ৫২—৫৫ শ্লোক।

# ২২। অধ্যায়।

## সাকাৰ আৰু নিৰাকাৰ উপাসনা।

সগুণ আৰু নিগুৰ্ণ ব্ৰহ্মতত্ত্বৰ ব্যাখ্যা শুনি অৰ্জ্জুনৰ মনত প্ৰশ্ন উঠিল, ইয়াৰ মাজত কোন্ বিধৰ উপাসনা শ্ৰেষ্ঠতৰ। সেই কাৰণে, তেওঁ সভক্তিৰে ভগৱান শ্ৰীকৃষ্ণক অনতিপলমে সুধিলে, "হে কৃষ্ণ! সাকাৰ বা সগুণ ব্ৰহ্মৰ উপাসনা (১) আৰু নিৰাকাৰ বা নিগুৰ্ণ ব্ৰহ্মৰ ধ্যান (২) এই দুইৰ মাজত কোন্ বিধ যোগ উত্তম? এই বিষয়ে মোক বিশদকৈ জ্ঞান দিয়াঁ।" (৩)

ভগৱান শ্ৰীকৃষ্ণই সমিচাৰ দিলে, "হে অৰ্জ্জুন! মোৰ (৪) মনেৰে যি একাগ্ৰচিত্ত আৰু সাত্বিক শ্ৰদ্ধাযুক্ত হৈ মোৰ (৫) সগুণ স্বৰূপ বা সাকাৰ ব্ৰহ্মৰ উপাসনা কৰে, তেওঁৰেই যোগীগণৰ মাজত প্ৰধান।

---

(১) পৰব্ৰহ্মৰ সাকাৰ ( যেনে, শ্ৰীকৃষ্ণক অৱতাৰ স্বৰূপ উপাসনা) ।

(২) যেনে, বিভূতি ধ্যানত বিশ্বৰূপ দৰ্শন।

(৩) গীতা, দ্বাদশ অধ্যায়, ১ম শ্লোক।

(৪) এই স্থলত "মোৰ" অৰ্থত শ্ৰীকৃষ্ণ।

(৫) এই অৰ্থত "মোৰ" মানে পৰব্ৰহ্ম।

আৰু, যি ইন্দ্ৰিয়াদি নিৰোধ কৰি অনির্দ্দেশ্য (১), অব্যক্ত, সৰ্ব্বব্যাপী, অচিন্ত্য, কুটস্থ (২), অচল, ধ্রুব (৩), অক্ষৰ, নিগুৰ্ণ স্বৰূপ বা নিৰাকাৰ ব্ৰহ্মক ধ্যান কৰে, তেওঁ সেই নিগুৰ্ণ স্বৰূপকে লাভ কৰে।” (৪)

“এই দুই পন্থাৰ আৰু এটা ভেদ এই যে, নিগুৰ্ণব্ৰহ্ম উপাসনা অতি ক্লেশসাধ্য (৫)। কিন্তু, হে পাৰ্থ, যি মৎপৰায়ণ হৈ, সমস্ত কৰ্ম্ম মোতেই অৰ্পণ কৰি মোকেই (সগুণ ব্ৰহ্মক) উপাসনা কৰে, তেওঁ অচিৰে অজ্ঞান সংসাৰৰপৰা উদ্ধাৰ পায়। এতেকে, হে অৰ্জ্জুন! তোমাৰ মন অন্য সমস্ত বস্তুৰপৰা টানি আনি মোতে নিবিষ্ট কৰাঁ, বুদ্ধিবৃত্তিত সততে মোকে ধাৰণা কৰাঁ; তাৰ ফলত আপোনা-আপুনি তোমাৰ আত্মজ্ঞান উদয় হব, আৰু মৰণৰ পাচত তুমি মোতেই (শুদ্ধ ব্ৰহ্মত) যে স্থিতি কৰিবাঁ, তাত সংশয় নাই। আৰু, হে ধনঞ্জয়! সগুণ ব্ৰহ্মত যদি মতি স্থিৰ কৰিব নোৱাৰাঁগৈ, তেন্তে ভগৱৎ কৰ্ম্মপৰায়ণ হবাঁ (৬); কিয়নো ভগৱানৰ উদ্দেশে কৰ্ম্ম অনুষ্ঠান কৰিলেও মোক্ষ লাভ কৰা যায়। যদি এই কেইবিধ বিধি অনুসৰি

---

(১) লৌকিক ভাষাৰে যাক নির্দ্দেশ কৰা নাযায়।

(২) মিছা হৈয়ো যি সত্যৱত, সেয়ে কুট বা অজ্ঞান; সেই অজ্ঞানতো সম্বন্ধ ৰাখি যি অধিষ্ঠান কৰে তেওঁৱেই কুটস্থ।

(৩) ধ্রুব অৰ্থত যাৰ পৰিণাম নাই, অৰ্থাৎ নিত্য।

(৪) গীতা, দ্বাদশ আধ্যা, ২—৪ শ্লোক।

(৫) কিয়নো, নিগুৰ্ণ ব্ৰহ্মোপাসনাৰ অৰ্থে ব্ৰহ্মচৰ্য্য ধৰি ব্ৰহ্মনিষ্ঠ, বেদান্ত শ্ৰৱণ আদি কঠিন ব্ৰত পালন কৰিব লগীয়া হয়।

(৬) ঈশ্বৰৰ নামকীৰ্ত্তন শ্ৰৱণ, ভগৱানৰ গুণগান কীৰ্ত্তন, ভগৱৎ স্মৰণ, ভগৱৎ পূজন, ভগৱৎ বন্দন ইত্যাদি কৰ্ম্মানুষ্ঠানৰ দ্বাৰাই চিত্তশুদ্ধি আৰু আত্মজ্ঞান লাভ হলেই নিগুৰ্ণ ব্ৰহ্মজ্ঞান লাভ হয়।—গীতাৰ্থসন্দীপনী।

কাৰ্য্য কৰি উঠিবগৈ নোৱাৰাঁ, তেন্তে সমস্ত কৰ্ম্ম মোৰ গাতে ন্যস্ত কৰি, ইন্দ্ৰিয়াদি সংযত কৰি, নিত্য-নৈমিত্তিকাদি কৰ্ম্মৰ ফল কামনা পৰিত্যাগ কৰিবাঁ; কিয়নো নিষ্কাম কৰ্ম্ম সাধনেই ভগৱৎ উপদেশৰ মুখ্য অভিপ্ৰায়। হে অৰ্জ্জুন! অভ্যাসযোগতকৈ জ্ঞান শ্ৰেষ্ঠ; জ্ঞানতকৈ ধ্যান শ্ৰেষ্ঠ; ধ্যানতকৈও কৰ্ম্মফলত্যাগ বিশিষ্ট (১)। যি কাৰো অহিত নিচিন্তে, কাকো অহিতাচাৰী নাভাবে, কোনো বস্তুত স্পৃহা নাৰাখে, নিজত অহঙ্কাৰ নোপোহে, সুখে-দুখে সদায় অবিচলিত চিত্তেৰে ঈশ্বৰ ভজনা কৰে, তেওঁৱেই মোৰ প্ৰিয়। যি সদানন্দ, যোগনিষ্ঠ, সংযতচিত্ত, অটল বিশ্বাসী তেৱোঁ মোৰ প্ৰিয়ভক্ত। যাৰ দ্বাৰাই অন্যজন সন্তপ্ত নহয়; অন্যজনো যাৰ সন্তাপৰ কাৰণ হবলৈ নাপায়; যি হৰ্ষ, বিষাদ, ভয়, ব্যাকুলতা ইত্যাদিৰ অতীত, তেনে ভক্তও মোৰ অতি প্ৰিয়। যি নিস্পৃহ, শুচি, দক্ষ, উদাসীন, ব্যথাশূন্য, ত্যাগী, তেৱোঁ মোৰ প্ৰিয়পাত্ৰ। যাৰ মানত শত্ৰু-মিত্ৰ, মান-অপমান, শীত-উষ্ণ, সুখ-দুখ সকলো সমান, আৰু যাৰ কোনো বস্তুতেই আসক্তি নাই, তেৱোঁ মোৰ প্ৰিয়-ভক্ত বুলি জানিবাঁ (২)।

"হে অৰ্জ্জুন! যাৰ মানত নিন্দা আৰু স্তুতি দুয়ো সামান, যি মৌনব্ৰতী (৩), যি অলপতে সন্তুষ্ট, যি অন্যায়ৰহিত, যি স্থিৰমতি, যি

---

(১) কাৰণ, ত্যাগৰ দ্বাৰাই বাসনা ক্ষয় হয়, আৰু তাৰ দ্বাৰাই জন্ম-জন্মান্তৰৰ অদৃষ্ট বা ধৰ্ম্মাধৰ্ম্ম সঞ্চিত হোৱাত প্ৰতিবন্ধক পৰিলেই জীৱৰ মুক্তি বা শান্তি লাভ হয়।—শ্ৰীধৰ স্বামীকৃত টীকা।

(২) গীতা, দ্বাদশ অধ্যা, ৫—১৮ শ্লোক।

(৩) মৌনাব্ৰত চিন্তাশীল নিৰিষ্টমনা স্থিৰচিত্ত লোকৰ আচৰণ।

অটল ভক্তিমান্ তেওঁ মোৰ আদৰৰ পাত্ৰ। আৰু, যি এই দৰে ধৰ্ম্মবিষয়ক সুধা পান কৰি শ্ৰদ্ধাবান্ আৰু মৎপৰায়ণ হৈ কাৰ্য্য অনুষ্ঠান কৰে, সেই ভক্ত মোৰ অতিশয় প্ৰিয় বুলি ধ্ৰুৱপকৈ বুজিবা।" (১)

---

(১) গীতা, দ্বাদশ আধ্যা, ১৯—২৯ শ্লোক। ব্ৰহ্মৰ নিৰ্গুণ স্বৰূপ লাভেই যে সগুণ ব্ৰহ্মোপাসনাৰ গূঢ় লক্ষ্য, গীতাৰ দ্বাদশ আধ্যাত তাৰেই গুহ্যতম ব্যাখ্যা দিয়া হৈছে।

# ২৩। আধ্যা।

## অভেদাত্মা তত্ত্বজ্ঞান।

জীৱ আৰু ব্ৰহ্মৰ অভেদ ভাব কি? শৰীৰ কি? সুখ, দুখ আদিৰ ভোক্তা কোন্? ভিন্-ভিন্ শৰীৰত আত্মা ভিন্-ভিন্ নে এক? ইত্যাদি বিষয়ক নিগূঢ় তত্ত্ব জানিবৰ অৰ্থে, আত্মজ্ঞান লাভলৈ প্ৰবল ধাউতি থকা সিদ্ধাৰ্থী অৰ্জ্জুনে গুৰুভক্তিৰে সৈতে শ্ৰীকৃষ্ণত সুধিলে, "হে কেশৱ! প্ৰকৃতি আৰু পুৰুষ, ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞ, জ্ঞান আৰু জ্ঞেয় এই কেইটা বিষয়ৰ তত্ত্বজ্ঞান দান কৰি মোৰ হাবিয়াষ পূৰ্ণ কৰঁা"। (১)

ভগৱান্ শ্ৰীকৃষ্ণই অতি হৰিষ্ চিতেৰে এই বুলি সমিচাৰ দিলে, "হে কুন্তীনন্দন! দেহা জড় আৰু আত্মা চৈতন্যস্বৰূপ এই তত্ত্বজ্ঞান যি সকলে লাভ কৰিছে, সেই সকলে শৰীৰক ক্ষেত্ৰ (২) আৰু জীৱক

---

(১) "প্ৰকৃতিং পুৰুষং চৈব ক্ষেত্ৰং ক্ষেত্ৰজ্ঞমেৱ চ।
এতদ্বেদিতুমিচ্ছামি জ্ঞানং জ্ঞেয়ং চ কেশৱ॥"
—গীতা, ত্ৰয়োদশ আধ্যা', ১ম শ্লোক।

(২) য'ত আত্মাই থিত লৈ জন্ম-মৰণৰ আবৃত্তি ধৰে, সুখ-দুখ ভোগ কৰে, য'ৰপৰা আত্মাই মুক্তিলাভ কৰে, সেয়ে ক্ষেত্ৰ, অৰ্থাৎ শৰীৰ। যি শৰীৰত থাকি শুভাশুভ কৰ্ম্মানুষ্ঠানৰ ফলস্বৰূপ সুখ-দুখ আদি ভোগ কৰে তেওঁৱেই ক্ষেত্ৰজ্ঞ, অৰ্থাৎ সচ্চিদানন্দ-স্বৰূপ আত্মা।

ক্ষেত্ৰজ্ঞ (১) সংজ্ঞা দিয়ে। হে ভাৰত! তুমি মোক (অদ্বিতীয় ব্ৰহ্মক) সমস্ত ক্ষেত্ৰৰ ক্ষেত্ৰজ্ঞ বুলি জানিবাঁ। ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ পৃথক্ জ্ঞানেই প্ৰকৃত জ্ঞান (২)।"

"হে অৰ্জ্জুন! এই দেহৰূপ ক্ষেত্ৰ কেনে প্ৰকৃতিৰ, কেনে প্ৰবৃত্তিৰ, কেনে ইন্দ্ৰিয়াসক্তিৰ; কেনে ক্ষেত্ৰৰূপ কাৰণৰপৰা কেনে কাৰ্য্য উৎপন্ন হয়; আৰু ক্ষেত্ৰজ্ঞৰ স্বভাৱ, প্ৰভাৱ আৰু স্বৰূপ কেনে, এই সমস্তৰে তত্ত্ব ভাঙ্গি কওঁ শুনাঁ।—ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ সংজ্ঞাত নানা ঋষিৰ নানা মত। বশিষ্ঠাদি মুনিগণৰ যোগশাস্ত্ৰত ইয়াৰ সূক্ষ্মতত্ত্ব আছে; ঋগাদি বেদতো এই তত্ত্বৰ বিষয়ে বিস্তৰ কোৱা হৈছে; উপনিষদাদি ব্ৰহ্মসূত্ৰ-ৰাশিতো ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ স্বৰূপ বৰ্ণনা পোৱা যায়। সেই সমস্তৰে সাৰাংশৰ ব্যাখ্যা দিওঁ শুনাঁ।—চমুকৈ কবলৈ গলে, পঞ্চমহাভূত (৩), অহঙ্কাৰ, বুদ্ধি, অব্যক্ত (৪), দশইন্দ্ৰিয়, মন, পঞ্চেন্দ্ৰিয় (৫), ইচ্ছা, দ্বেষ, সুখ, দুখ, সংঘাত, চেতনা, ধৃতি, প্ৰভৃতি ক্ষিতিৰপৰা ধৃতিলৈকে সমস্তই বিকাৰ। এই বিকাৰবিশিষ্ট সামগ্ৰীয়েই ক্ষেত্ৰ।" (৬)

---

(১) "ইদং শৰীৰং কৌন্তেয় ক্ষেত্ৰমিত্যভিধীয়তে।
এতদ্ যো বেত্তি তং প্ৰাহুঃ ক্ষেত্ৰজ্ঞ ইতি তদ্বিদঃ॥"
—গীতা, ত্ৰয়োদশ আধ্যা, ২য় শ্লোক।

(২) ক্ষেত্ৰ মায়াৰচিত; কিন্তু ক্ষেত্ৰজ্ঞ মায়াৰ অতীত।—গীতা, ত্ৰয়োদশ আধ্যা ৩য় শ্লোক।

(৩) পঞ্চমহাভূত:—ক্ষিতি, অপ্, তেজঃ, মৰুৎ, ব্যোম।

(৪) অব্যক্ত:—সাংখ্যমতে প্ৰকৃতি; বেদান্তমতে মায়া।

(৫) পঞ্চেন্দ্ৰিয়:—শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ।

(৬) গীতা, ত্ৰয়োদশ আধ্যা, ৪—৭ শ্লোক।

"হে পার্থ! আত্মগুণৰ বাবে অভিমান নকৰা, দম্ভ নকৰা, হিংসা নকৰা, কাৰো অহিত নিচিন্তা, অন্যৰ অপৰাধ ক্ষমা কৰা, বাজে-ভিতৰে সৰল আৰু অকপটীয়া আচৰণ কৰা, গুৰুজনক ভক্তি-সেৱা কৰা, বাহিৰে-ভিতৰে পৱিত্ৰতা ৰক্ষা কৰা, মন চাঞ্চল্যৰ গতিৰোধ কৰা, আত্মাত পৰমাত্মাৰ থিতাপি কৰা, ইত্যাদিকে জ্ঞান বা জ্ঞানসাধন বোলা যায়। ইন্দ্ৰিয়ভোগ্য বিষয় সমূহত বিৰাগ বা অস্পৃহা, নিৰহঙ্কাৰিতা, জন্ম-মৃত্যু, জৰা-ব্যাধি আদি দুখৰূপ দোষাদোষৰ বিষয়ে সততে চিন্তালোচনা ইত্যাদি জ্ঞান সাধনাৰ কাৰ্য্য। পুত্ৰ-পৰিয়াল, ইষ্টানিষ্ট, সুখ-দুখত বৈৰাগ্য, ঈশ্বৰত ঐকান্তিক ভক্তি, নিজানবাসবাসনা (১) আত্মজ্ঞাননিষ্ঠা, তত্ত্বজ্ঞানচিন্তা ইত্যাদিয়েই জ্ঞান। ইয়াৰ অন্যথাই অজ্ঞানতা।" (২)

"হে অৰ্জ্জুন! যি জানিবৰ বিষয়, যাক জানিলে মোক্ষলাভ কৰা যায়, যি অনাদি পৰব্ৰহ্ম সতো নহয় (৩) অসতো নহয়, এতিয়া সেই বিষয়ে ভাঙি কওঁ। যি জীৱগণৰ হাত, পাৱ, চকু, মুৰ ইত্যাদিৰ প্ৰবৃত্তিস্বৰূপ, যাৰ অস্তিত্বত সমস্ত জগত অৱস্থিত, সেই চৈতন্যস্বৰূপ বিভুৱেই জ্ঞাতব্য পৰব্ৰহ্ম। তেওঁ নিষ্ক্ৰিয় হৈও সমস্ত ক্ৰিয়াৰ মূল; তেওঁ চকু নোহোৱাকৈও দেখে; কাণ নোহোৱাকৈও শুনে; কাৰো লগত তেওঁৰ সম্বন্ধ নাই, অথচ ত্ৰিজগত তেওঁতে বিদ্যমান; তেওঁ নিগুৰ্ণ হৈও গুণসমূহ উপলব্ধি কৰে; তেওঁ সকোলোৰে সাক্ষী, অদ্বিতীয়, নিগুৰ্ণ, আৰু চৈতন্যস্বৰূপ। তেওঁ দৃশ্যমান জগতৰ অন্তৰ

(১) বিষয়ী বা সংসাৰী লোকৰ লগত সমাগম বা ঘনিষ্ঠতা নৰখা।

(২) গীতা, ত্ৰয়োদশ আধ্যা, ৮—১২ শ্লোক।

(৩) সৎ আৰু অসতৰ সংখ্যা বিষয়ক ব্যাখ্যা ইয়াৰ আগেয়ে দি অহা হৈছে।

আৰু বাহিৰ; তেওঁ ধাৰণাতীত সূক্ষ্ম; তেওঁ অবিশ্বাসীৰ মানত ভুবৈতকৈও দুবৈত, কিন্তু ভক্তিমানৰ চকুত ওচৰতকৈও ওচৰত (১)। পৰমাত্মা অভিভাজ্য বা অভেদাত্মা; কিন্তু ভিন্ ভিন্ প্ৰাণীত, ভিন্ ভিন্ পদাৰ্থত তেওঁক ভিন্ ভিন্ যেন বুজা যায়, যদ্যপি এক ব্ৰহ্মই সদৌ পদাৰ্থতে ক্ষেত্ৰজ্ঞৰূপে বিৰাজ কৰিছে; আৰু যদিচ ভূতসমূহ বা সমস্ত জগত তেওঁতে স্থিতি, তেওঁতে লয় আৰু তেওঁৰপৰাই উৎপন্ন হয়। জ্বলন্ত পদাৰ্থৰ জ্যোতি তেওঁৰেই, অথচ তেওঁ অন্ধকাৰবো অতীত; তেওঁৰেই জ্ঞান, তেওঁৰেই জ্ঞেয়; তেওঁৰেই জ্ঞানগম্য, তেওঁৰেই সমস্ত জীৱতে আত্মাৰূপে অৱস্থিতি কৰিছে। জীৱাত্মা আৰু পৰমাত্মা অভেদাত্মা। যি আত্মজ্ঞানশালী লোকে ইয়াৰ গূঢ়তত্ত্ব উপলব্ধি কৰিব পাৰে, তেওঁ জগতময় পৰমাত্মাক বিৰাজমান দেখে। হে অৰ্জ্জুন! ক্ষেত্ৰ-ক্ষেত্ৰজ্ঞ, জ্ঞান-জ্ঞেয় এই সমূহ বিষয়ৰ যি সংক্ষেপ ব্যাখ্যা দিয়া হল, তাৰ তত্ত্বজ্ঞান লাভ কৰিলেই মোৰ ভক্তগণে মদ্ভাব (ব্ৰহ্মভাব) লাভ কৰিব পাৰে।" (২)

"হে অৰ্জ্জুন! এতিয়া প্ৰকৃতি-পুৰুষৰ তত্ত্ব ব্যাখ্যা কৰোঁ, শুনা।— এই প্ৰকৃতি আৰু পুৰুষ দুয়ো অনাদি। বিকাৰ সমূহ (৩) আৰু গুণ সমূহ (৪) প্ৰকৃতিৰপৰাই উৎপন্ন (৫)। প্ৰকৃতি ক্ৰিয়া আৰু

---

(১) "বহিৰন্তশ্চ ভূতানামচৰং চৰমেব চ।
সূক্ষ্মত্বাত্তদবিজ্ঞেয়ং দূৰস্থং চান্তিকে চ তৎ।।"
—গীতা, ত্ৰয়োদশ আধ্যা, ১৬ শ্লোক।

(২) গীতা, ত্ৰয়োদশ আধ্যা, ১৭—১৯ শ্লোক।

(৩) পঞ্চভূত, দশ-ইন্দ্ৰিয়, আৰু মন এই ষোলটা বিকাৰ।

(৪) সত্ত্ব, ৰজঃ, তমঃ এই তিনটা গুণ।

(৫) "প্ৰকৃতিং পুৰুষং চৈব বিদ্ধ্যনাদী উভাবপি। বিকাৰাংশ্চ গুণাংশ্চৈব বিদ্ধি প্ৰকৃতিসম্ভবান।।"—গীতা, ত্ৰয়োদশ আধ্যা, ২০ শ্লোক।

কাৰণৰ হেতু, অৰ্থাৎ ক্ৰিয়াশক্তিৰ মূল ; পুৰুষ সুখ-দুখাদি ভোগৰ হেতু বা কাৰণ। এই ক্ষেত্ৰজ্ঞ পুৰুষে মায়াৰূপ প্ৰকৃতিত অৱস্থিতি কৰি প্ৰকৃতিৰপৰা উৎপন্ন হোৱা সুখ-দুখাদি ভোগ কৰে। ত্ৰিগুণাত্মিকা প্ৰকৃতিৰ লগত এই সম্বন্ধ থকাৰ বাবেই সেই ত্ৰিগুণ অনুযায়ী (১) সৎ আৰু অসৎ যোনিসমূহত পুৰুষৰ জন্ম হয়। কিন্তু, এই দেহত বিদ্যমান থাকিও পুৰুষ ( আত্মা ) নিৰ্লিপ্ত, নিত্য, আৰু স্বতন্ত্ৰ ; অথচ তেওঁৱেই ভৰ্ত্তা, ভোক্তা, মহেশ্বৰ আৰু পৰমাত্মা। (২)

"হে অৰ্জ্জুন ! কোনোৱে জ্ঞানৰ বলত, কোনোৱে সংখ্যা যোগৰ বলত, কোনোৱে কৰ্ম্মযোগৰ বলত আত্মদৰ্শন লাভ কৰে ; ইত্যাদি পন্থাৰ দ্বাৰাই লাভ কৰা আত্মতত্ত্বজ্ঞানৰ আগত যি পুৰুষে, দেহাদি বিকাৰ মায়াময় জানি, প্ৰকৃতিক উপলব্ধি কৰে, সেই পুৰুষ সৰ্ব্বথা বিদ্যমান থাকিলেও তেওঁ পুনৰ্জ্জন্ম ধাৰণ কৰিব লগাত নপৰে। কোনোৱে হয় তো ধ্যান, বিচাৰ আৰু কৰ্ম্মৰ বলত এই তত্ত্ব উপলব্ধি কৰিবলৈ অসমৰ্থ হৈ ইষ্টগুৰুৰ উপদেশ অনুসৰি উপাসনা কৰে, সিবিলাকেও মৃত্যুময় সংসাৰ অতিক্ৰম কৰে। (৩)

"হে ভৰত বংশধৰ পাণ্ডৱ ! ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ সংযোগত (৪) যে স্থাৱৰ-জঙ্গম সমস্ত পদাৰ্থ উৎপন্ন হয়, এই কথা ধ্ৰুৱপ্‌ বুলি জানিবা।" (৫)

---

(১) সত্ত্ব গুণধাৰী পুৰুষে দেৱযোনিত, ৰজোগুণাধিকাৰীয়ে মানব যোনিত আৰু তমোগুণাধিকাৰীয়ে পাশৱ যোনিত জন্মগ্ৰহণ কৰে।

(২) গীতা, ত্ৰয়োদশ আধ্যা, ২০—২৩ শ্লোক।

(৩) গীতা, ত্ৰয়োদশ আধ্যা, ২৪—২৬ শ্লোক।

(৪) ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ, অথবা পুৰুষ আৰু প্ৰকৃতিৰ মায়াজনিত পৰস্পৰ মিথুনীকৰণকে সংযোগ বোলা যায়।—শ্ৰীধৰ স্বামীকৃত টীকা-ব্যাখ্যা।

(৫) গীতা, ত্ৰয়োদশ আধ্যা, ২৭ শ্লোক।

"হে পাৰ্থ! আত্মাৰ উন্নতি, বৃদ্ধি আৰু বিনাশ নাই, গতিকে তেওঁ অবিনাশী; আৰু আন সমস্তই বিনাশ-ধৰ্ম্মশীল। যাৰ এনে ভাব, তেওঁৱেই অভ্ৰান্ত। যি আত্মজ্ঞানী জনে আত্মাক সৰ্ব্বত্রে সমান, নিৰ্ব্বিকাৰ আৰু সকলো প্ৰাণীৰ প্ৰবৃত্তিৰ হেতু স্বৰূপ জানি, অভেদ জ্ঞানৰ বলেৰে 'মই ব্ৰহ্ম' এই সিদ্ধান্তত চলে, তেওঁ মায়াযুক্ত হৈ আত্মজ্ঞানহীনৰ দৰে আত্মাৰে সৈতে আত্মাক নঘপিয়ায়; সেই কাৰণে তেওঁ পৰমগতি লাভ কৰে। ক্ষেত্ৰজ্ঞ আত্মা সাক্ষীস্বৰূপ—অকৰ্ত্তা; সমস্ত কাৰ্য্য প্ৰকৃতিয়েই কৰে, বা মায়াৰ বলতেই হয়। যাৰ এনে দৃষ্টি, তেওঁৱেই সম্যক্‌দৰ্শী। সাধকে যেতিয়া ভূত সমূহক ভিন্-ভিন্ ভাৱে একে আত্মাতে অৱস্থিত দেখে, আৰু সেই ভূত সমূহক একে আত্মাৰপৰাই বিস্তাৰ হোৱা দৰ্শন কৰে, তেতিয়া তেওঁ প্ৰকৃততে ব্ৰহ্মস্বৰূপ হয় (১)। অৰ্থাৎ, ক্ষেত্ৰজ্ঞৰ দৰেই ক্ষেত্ৰৰো পৃথকত্ব নাই,—সকলো অভেদাত্মা।" (২)

"হে কুন্তীনন্দন! অনাদি আৰু নিৰ্গুণ কাৰণেই এই অবিকাৰী পৰমাত্মাই শৰীৰত থিত্ হৈয়ো একোকে নকৰে; আৰু দেহতে নিবাস যদিও, পদ্মপত্ৰত পানীৰ দৰে, কৰ্ম্মফলত নিৰ্লিপ্ত হৈ থাকে। আৰু, আকাশ যেনেকৈ সৰ্ব্বব্যাপী হৈয়ো কাৰো লগত লিপ্ত নহয়, তেনেকৈয়ে আত্মা দেহত থাকিও তাত নিৰ্লিপ্ত, অৰ্থাৎ দেহধৰ্ম্মৰ বাজ। হে ভাৰত! এক সূৰ্য্যাই যি ৰূপে সমস্ত জগতকে প্ৰকাশ কৰে, সেইৰূপে এক ক্ষেত্ৰজ্ঞ স্বৰূপ আত্মাই সমস্ত ক্ষেত্ৰক প্ৰকাশ

---

(১) কিয়নো, ব্ৰহ্মত বাজে সৃষ্টিত আন আৰু একো পদাৰ্থই নাই; দৃশ্যমান জগত কেৱল মায়াপ্ৰভাৱত ভিন্-ভিন্ যেন দেখা যায়।—কৃষ্ণানন্দ স্বামীৰ গীতাসন্দীপনী।

(২) গীতা, ত্ৰয়োদশ আধ্যা, ২৮—৩১ শ্লোক।

কৰে। হে অৰ্জ্জুন! যি এইৰূপে ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ ভেদাভেদ বা অভেদ ভাব (১) উপলব্ধি কৰিব পাৰে, আৰু প্ৰকৃতিৰপৰা ভূতসমূহৰ মোক্ষৰ উপায় জ্ঞান-চকুৰে সৈতে দেখা পায়, তেওঁ পৰমপদ প্ৰাপ্ত হয়।" (২)

(১) ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ কল্পিত ভেদ থাকিলেও, পৰমাৰ্থত ক্ষেত্ৰ ক্ষেত্ৰজ্ঞৰপৰা পৃথক্ নহয়; যেনেকৈ ক্ষেত্ৰজ্ঞ আত্মা পৰমাত্মাৰে সৈতে অভেদ, তেনেকৈ ক্ষেত্ৰৰো পৰব্ৰহ্মসত্তা বা পৰমাত্মাৰ লগত প্ৰভেদ নাই। মূঢ়ৰ ওপৰত, জ্ঞান আৰু জ্ঞেয়, ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞ, প্ৰকৃতি আৰু পুৰুষ সকলোৱেই অভেদাত্মা।—শ্ৰীধৰ স্বামীকৃত-টীকা-ব্যাখ্যা।

(২) গীতা, ত্ৰয়োদশ অধ্যা, ৩২—৩৫ শ্লোক।

# ২৪। আধ্যা।

## গুণসংযোগ তত্ত্বজ্ঞান।

অভেদাত্মা আৰু কল্পিত ভেদাভেদৰ তত্ত্বজ্ঞান দানৰ পাচত, ভগৱান্ শ্ৰীকৃষ্ণই প্ৰকৃতি-পুৰুষৰ সংযোগ তত্ত্বজ্ঞান দান কৰাৰ মানসেৰে যোগীবীৰ অৰ্জ্জুনক পুনৰপি এই বুলি সম্বোধন কৰিলে, "হে মহাবাহো! যি জ্ঞান সাধনৰ দ্বাৰাই ঋষি-মুনিসকলে দেহবন্ধনৰপৰা মুক্ত হৈ মোক্ষ বা পৰমসিদ্ধি লাভ কৰে, সেই সৰ্ব্বোত্তম পৰমজ্ঞান সাধনৰ বিষয়ে কওঁ, শুনাঁ।—যি এই জ্ঞান (১) সাধন কৰে, তেওঁ পৰব্ৰহ্মৰ নিগুৰ্ণ স্বৰূপত্ব লাভ কৰে; আৰু তেওঁ সৃষ্টিকালত জন্ম, আৰু প্ৰলয় কালত লয় পাব লগীয়া নহয়।" (২)

"হে ভাৰত! মহৎব্ৰহ্ম (প্ৰকৃতি) মোৰ (পৰব্ৰহ্ম পুৰুষৰ) যোনি (৩), অৰ্থাৎ গৰ্ভধানৰ (৪) স্থান; তাতে মই পুৰুষে জগতৰ বীজ

---

(১) অকল ত্ৰিগুণাত্মিকা (সত্ত্ব, ৰজ, তম এই তিনি গুণবিশিষ্ট) প্ৰকৃতিকে সৃষ্টিৰ মূলকাৰণ বুলি সাব্যস্ত কৰোঁতাৰ নিৰীশ্বৰ সাংখ্যমত খণ্ডনৰ অৰ্থে প্ৰকৃতি আৰু পুৰুষ বা ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ ঈশ্বৰাধীন সংযোগ কাৰ্য্যই হে যে সৃষ্টিৰ আচল কাৰণ, সেই বিষয়ক তত্ত্বজ্ঞান।—কৃষ্ণানন্দ স্বামীৰ গীতাৰ্থসন্দীপনী।

(২) গীতা, চতুৰ্দ্দশ আধ্যা, ১—২ শ্লোক।

(৩) মহৎব্ৰহ্ম বা অবিদ্যা—অজ্ঞান—প্ৰকৃতি—ত্ৰিগুণাত্মিকা অব্যাকৃত মায়াই যোনিস্বৰূপ।

(৪) মহৎব্ৰহ্ম স্বৰূপ যোনিত পৰব্ৰহ্ম পৰমপুৰুষৰ সৃষ্টি সংকল্পেই গৰ্ভধান স্বৰূপ।

প্ৰক্ষেপ কৰোঁ; তাৰেপৰা সমস্ত ভৌতিক জগতৰ উৎপত্তি হয়। হে কুন্তীনন্দন! দেৱ, পিতৃ, মনুষ্য, পশু আৰু বৃক্ষাদি যি কোনো যোনিতেই জীৱ উৎপন্ন নহওক, প্ৰকৃতি আৰু পুৰুষ, বা ঈশ্বৰ আৰু মায়াৰ সংযোগেই সেই সমুদায়ৰ মূলকাৰণ; পুৰুষৰ অবিহনে প্ৰকৃতিয়ে আৰু প্ৰকৃতিৰ অবিহনে পুৰুষে স্বতন্তৰীয়াকৈ একোকে উৎপন্ন কৰিব নোৱাৰে। হে মহাবাহো! প্ৰকৃতিজাত সত্ত্ব, ৰজ, তম এই তিনি গুণে অবিনাশী জীৱাত্মাক দেহৰ মধ্যত আৱদ্ধ কৰি ৰাখে। হে নিষ্পাপ অৰ্জ্জুন! অন্তঃকৰণৰ সত্ত্বগুণে জ্ঞানেন্দ্ৰিয়ৰ সাহায্যত ৰূপ, ৰস, গন্ধ, স্পৰ্শ বিষয়ক বিশেষ বিশেষ পৃথক্ জ্ঞান জন্মায়, আৰু সেই জ্ঞানতৃষ্ণ নিবৃত্তিৰ নিমিত্তেই দেহাৰ মাজত জীৱাত্মাক প্ৰবৃত্ত কৰে। হে কুন্তীনন্দন! ৰজোগুণ তৃষ্ণা (১) আৰু আসঙ্গ (২) উৎপাদক; সেই ৰজোগুণে জীৱক অনুৰাগৰ বশবৰ্ত্তী কৰি নানা কাৰ্য্যত প্ৰবৃত্ত কৰে; সেই সূত্ৰতে জীৱ বন্ধনগ্ৰস্ত হয়। হে ভাৰত! তমোগুণ আৱৰণ শক্তি-স্বৰূপ অজ্ঞানজাত; ই সতত, অসৎ ভ্ৰম জন্মায়; অবস্তুত বস্তুবুদ্ধি, যত্ন-চেষ্টাদিৰ সময়ত নিদ্ৰা-তন্দ্ৰাদি ঘটাই জীৱাত্মাক অজ্ঞান-আন্ধাৰত আৱদ্ধ কৰি ৰাখে। সত্ত্ব গুণে জীৱাত্মাক সুখত প্ৰৱৰ্ত্তায়, ৰজোগুণে কৰ্ম্মত মগ্ন কৰে, তমোগুণে আত্মজ্ঞানক ঢাকি ধৰি প্ৰমাদ (৩) ঘটায়। একেজন মানুহকে কেতিয়াবা সাধু, কেতিয়াবা অসাধু,

---

(১) অপ্ৰাপ্ত বস্তু পাবলৈ হোৱা হাবিয়াবক তৃষ্ণা বোলা যায়।

(২) প্ৰাপ্ত বস্তু বিনষ্ট হলেও তাক পাবলৈ আৰু ৰক্ষা কৰিবলৈ হোৱা থাউতিক আসঙ্গ বোলা যায়।

(৩) কৰ্ত্তব্যজ্ঞান বিদ্যমান থকাৰ হলতো আচল সময়ত তাক। পাহৰাকে প্ৰমাদ বোলা যায়।

কেতিয়াবা লোকাচাৰত আসক্ত দেখা যায়; কাৰণ, সাত্ত্বিক, তামসিক আৰু ৰাজসিক প্ৰবলতাৰ (১) প্ৰকৃতি অনুসাৰে জীৱাত্মাৰ ক্ৰমে সাধুতা, অসাধুতা আৰু লৌকিকতাৰ লক্ষণ ঘটে। হে অৰ্জ্জুন! যেতিয়া দেহৰ সকলো অঙ্গত ইন্দ্ৰিয়েদি জ্ঞানৰ লক্ষণ প্ৰকাশ পায়, তেতিয়া সত্ত্বগুণৰ প্ৰবলতা; যেতিয়া লোভ, প্ৰবৃত্তি, উদ্যম, অশান্তি, স্পৃহা ইত্যাদি লক্ষণে দেখা দিয়ে, তেতিয়া ৰজোগুণৰ প্ৰাবল্য; আৰু যেতিয়া আৱৰণ, আলস্য, প্ৰমাদ, মোহ ইত্যাদি লক্ষণ দেখা যায়, তেতিয়া তমোগুণ বৃদ্ধি হৈছে বুলি বুজিবা।" (২)

"হে অৰ্জ্জুন! তত্ত্বদৰ্শী মহৰ্ষিগণৰ মতে সত্ত্বগুণৰ প্ৰভাৱত জীৱই কেৱল নিৰ্ম্মল সুখকেই ভোগ কৰে; ৰজোগুণৰ প্ৰভাৱত অলপ সুখ আৰু অধিক দুখ; তমোগুণৰ প্ৰভাৱত জীৱই কেৱল দুখকেই হে ভোগ কৰে। ইয়াৰ কাৰণ ইতিপূৰ্ব্বতে কৈ অহা হৈছে; সত্ত্বগুণী লোকৰ উৰ্দ্ধলোকলৈ (স্বৰ্গ), ৰজোগুণী লোকৰ মৰ্ত্ত্যত (মনুষ্যলোক), তমোগুণৰ লোকৰ অধঃপাতলৈ (নৰক) গতি হয়। সত্ত্ব, ৰজ, তম এই তিনি গুণেই অন্তঃকৰণ, বহিঃকৰণ, শৰীৰ আৰু বিষয় আদিত পৰিণত হৈ কৰ্ত্তব্য কৰ্ম্ম কৰে; আৰু গুণ-কাৰ্য্যৰূপৰা কাৰ্য্য স্বতন্ত্ৰ বুলি যি বুজিব পাৰে; তেওঁ ব্ৰহ্মাত্মজ্ঞান লাভ কৰি ব্ৰহ্মস্বৰূপ হয়। হে অৰ্জ্জুন! এই তিনি গুণেই জনম আৰু মৰণৰ হেতু! যি এই

(১) যি গুণ যেতিয়া ওপৰ উঠে, সেই গুণৰ তেতিয়া প্ৰবলতা জন্মে; তেতিয়া ই দুটা গুণ তল পৰি নিস্তেজ হয়।

(২) গীতা, চতুৰ্দ্দশ আধ্যা, ৩—১৩ শ্লোক। এই পুথিৰ ২৩শ, আধ্যাত দিয়া গীতাৰ ত্ৰয়োদশ আধ্যাৰ ২০—২৩ শ্লোকৰ টীকা চোৱাঁ।

তিনি গুণ এবাব পাবে, তেওঁ জন্ম-মৃত্যুৰ বাজ হৈ উঠে; গতিকে তেওঁ পৰমানন্দ স্বৰূপ অমৃত লাভ কৰে।" (১)

অৰ্জ্জুনে ভক্তি আৰু আগ্ৰহেৰে সৈতে সুধিলে, "হে প্ৰভো! যি ভাগ্যৱন্তে এই গুণ তিনি অতিক্ৰম কৰে, তেওঁৰ কি চিন্? বা লক্ষণ কি? তেওঁৰ আচৰণ কেনে? আৰু, কি উপায়েৰে এই ত্ৰিগুণৰ ওপৰ উঠিব পাৰি?" (২)

ভগৱান শ্ৰীকৃষ্ণই হৰিষমনেৰে সমিচাৰ দিলে, "হে পাণ্ডৱ! সত্বগুণৰ প্ৰকাশ, ৰজোগুণৰ প্ৰবৃত্তি আৰু তমোগুণৰ মোহ উদয় হলেও যি বিচলিত নহয়, আৰু তাৰ নিবাকৰণলৈ যি উদাসীন ভাৱে আওকণীয়া, তেৱেঁই গুণাতীত পুৰুষ। সুখ আৰু দুখ যাৰ মানত সমান, যাৰ সদায় স্বৰূপাৱস্থাত স্থিতি; মাটি শিল, সোণ যাৰ চকুত সমান মূল্যৰ; প্ৰিয় আৰু অপ্ৰিয় দুইৰো প্ৰতি যাৰ একে আচৰণ; নিন্দা আৰু স্তুতি দুইৰো প্ৰতি যাৰ সমান ভাব, সেই ধীৰ পুৰুষেই গুণাতীত। যি সংসাৰৰ মায়া-মোহ-আসক্তিবিহীন, যি সৰ্ব্বপ্ৰকাৰ উদ্যমত্যাগী সেই সুধীৰ পুৰুষেই ত্ৰিগুণাতীত।" (৩)

"হে পাৰ্থ! স্বৰূপতে যি অন্তৰ্য্যামী ভগৱানক সৰল ভক্তিৰে সৈতে ভজনা কৰে, তেৱেঁই ত্ৰিগুণা প্ৰকৃতি বা মায়া অতিক্ৰম কৰি ব্ৰহ্মপদ লাভ কৰে। কিয়নো, সেই মই (ভগৱান্ বা পৰব্ৰহ্ম বা পৰমাত্মা বা

(১) গীতা, ১৪শ আধ্যা, ১৪—২০ শ্লোক।

(২) গীতা, ১৪শ আধ্যা, ২১ শ্লোক।

(৩) গীতা, ১৪শ আধ্যা ২২—২৫ শ্লোক।

পৰমেশ্বৰ ) (১) অবিনাশী, অভগন, নির্ম্মল, নির্ব্বিকাৰ আৰু সাক্ষাৎ ধৰ্ম্মস্বৰূপ। (২)

---

(১) ভগৱান বাসুদেৱ বেদৰ প্ৰতিষ্ঠাস্বৰূপ। সেই বাসুদেৱৰূপ অৱতীৰ্ণ শ্ৰীকৃষ্ণ সগুণ ব্ৰহ্মাৰ আশ্ৰয় বুলি বেদত ব্ৰহ্মায়ো এইবুলি স্তুতি কৰিছিল,—

"একস্ত্বমাত্মা পুৰুষঃ পুৰাণঃ সত্যঃ স্বয়ংজ্যোতিৰনন্ত আদ্যঃ।

নিত্যোঽক্ষৰোঽজস্ৰসুখো নিৰঞ্জনঃ পূৰ্ণোঽদ্বয়ো মুক্ত উপাধিতোঽমৃতঃ॥"

অৰ্থাৎ, হে ভগৱান! তুমি সকলো প্ৰাণীৰ আত্মাস্বৰূপ, সকলোৰে শৰীৰত বিদ্যমান, সৰ্ব্বত্ৰে একৰূপ; তুমি নিত্য, তুমি সত্য, তুমি স্বপ্ৰকাশ, তুমি আদ্য, তুমি অন্ত্য, তুমি অক্ষৰ, তুমি সৰ্ব্বব্যাপী, তুমি সম্পূৰ্ণ, তুমি অদ্বয়, তুমি উপাধিবিহীন, তুমি অমৃতস্বৰূপ, তুমিয়ে পৰব্ৰহ্মস্বৰূপ ভগৱান বাসুদেৱ।"

—কৃষ্ণানন্দ স্বামীৰ গীতাৰ্থ সন্দীপনী।

(২) গীতা, ১৪শ আধ্যা, ২৬—২৭ শ্লোক।

# ২৫। আধ্যা।

—:o:—

## সংসাৰ-বৃক্ষ তত্ত্বজ্ঞান।

সত্ত্ব, ৰজঃ, তমঃ প্ৰকৃতি বা অবিদ্যা বা মায়াৰ এই তিনিগুণ। সেই গুণৰ ক্ৰিয়া, আৰু সেই তিনি গুণবিশিষ্ট প্ৰকৃতি বা মায়া অতিক্ৰম কৰি জীৱাত্মাই কিৰূপে মুক্তিলাভ কৰিব পাৰে তাৰ তত্ত্ব ব্যাখ্যা কৰি উঠি, সেই প্ৰকৃতি বা মায়াৰ সংসাৰ-তত্ত্বজ্ঞানৰ অধিকাৰী হবলৈ নিষ্পাপ মহাবাহু অৰ্জ্জুনক উপযুক্ত বিবেচনা কৰি, তত্ত্বদৰ্শী ভগৱান শ্ৰীকৃষ্ণই সেই গুহ্যতম তত্ত্বব্যাখ্যা দিবলৈ এই বুলি আৰম্ভ কৰিলে, "হে অৰ্জ্জুন! মায়া-জনিত এই সংসাৰৰূপ অশ্বত্থ (১) বৃক্ষৰ মূল-শিপা ওপৰলৈ,অৰ্থাৎ আকাশ-মুখীয়া; ইয়াৰ ঠাল-ঠেঙ্গুলি তললৈ, অৰ্থাৎ মৰ্ত্ত্যমুখীয়া; কৰ্ম্মকাণ্ডৰূপ বেদ ইয়াৰ পাত-কোঁহ ইত্যাদি; আৰু ই অব্যয়। যি এই সংসাৰ ৰূপ বৃক্ষৰ তত্ত্ব ঢুকি পাইছে তেৱেঁই বেদবেত্তা। প্ৰকৃতিৰ আৱৰণ তিনি গুণৰ সাৰশক্তিৰেই এই সংসাৰ-বৃক্ষ পৰিবৰ্দ্ধিত; ইয়াৰ ঠাল-ঠেঙ্গুলি, পাত-কোঁহ আদি উৰ্দ্ধ আৰু অধো দুয়োদিশে বিস্তৃত; অৰ্থাৎ কুকৰ্ম্মী জীৱাত্মাৰ শাখা অধোমুখে, ধৰ্ম্মাত্মাৰ শাখা উৰ্দ্ধমুখে পাহ মেলি বাঢ়ে। সংসাৰ-বিষয়জাল ইয়াৰ পাত, আৰু বাসনা ইয়াৰ মূল।" (২)

---

(১) যি নশ্বৰ, যাৰ স্থিতি বিশ্বাস কৰা নাযায় সেয়ে অশ্বত্থ। গতিকে, এই অনিত্য সংসাৰক অস্থায়ী অশ্বত্থ বৃক্ষৰ লগত ৰিজনি দিয়া হৈছে।

(২) গীতা ১৫শ, আধ্যা, ১—২ শ্লোক।

"হে অৰ্জ্জুন ! এই সংসাৰবাসী প্ৰাণীগণে এই সংসাৰৰূপ বৃক্ষৰ ৰূপ কেনে, ইয়াৰ আদি ক'ত, অন্ত ক'ত, মাজ ক'ত, তাৰ একো তত্ত্ব নাপায়; অথাই-সাগৰৰ গৰ্ত্তত থকা মাছে যেনেকৈ সাগৰৰ সীমা দেখিবলৈ নাপায়, তেনেকৈয়ে ত্ৰিগুণময়ী মায়াত বিমোহিত জীৱই যেনিয়ে চায় তেনিয়ে সংসাৰত বাজে আন একো দেখা নাপায়। মাথোন, অতি চোকা বৈৰাগ্যৰূপ অস্ত্ৰেৰে সেই সংসাৰৰূপ অশ্বত্থ গছৰ গুৰি পেলাই তাক উছন্ নিয়াই পৰব্ৰহ্মক জানিব পৰা যায়। এতেকে, যি পৰমপদ লাভ কৰিলে জীৱৰ পুনৰ্জ্জন্ম নহয়, যাৰ দ্বাৰাই সংসাৰ-প্ৰবৃত্তিৰ বিস্তাৰ হৈছে, সেই আদিপুৰুষৰেই মই শৰণাগত হওঁ, এই বুলি সেই পদ চিন্তা কৰিব লাগে। যাৰ অভিমান ৰহিত হৈছে, যি বিবেকী, প্ৰিয় বা অপ্ৰিয় বস্তুৰ সমাগমত যাৰ আসক্তি বা বিৰক্তি নাই, যি মায়াতীত পৰব্ৰহ্মতত্ত্বপৰায়ণ, যাৰ বিষয়-ভোগত অভিলাষ নাই, সুখ দুখৰ হেতু ৰাগ-বিৰাগ যি মাৰ নিয়াব পাৰিছে, তেওঁৰেই সম্যক্ আত্মজ্ঞানৰ বলেৰে ব্ৰহ্মপদ লাভ কৰে। যি পদ প্ৰাপ্ত হলে তত্ত্ববান পুৰুষগণৰ পুনৰাবৃত্তি নহয়, যি পদ চন্দ্ৰ, সূৰ্য্য আৰু অগ্নিয়েও প্ৰকাশ কৰিব নোৱাৰে, অথচ যি পদ স্বপ্ৰকাশ, সেই পদেই মোৰ ( পৰব্ৰহ্মৰ ) পৰমোৎকৃষ্ট পদ (১)। এই সংসাৰত সনাতন জীৱ মোৰেই (পৰমাত্মাৰ) অংশ মাথোন; এই জীৱই মনে সৈতে ছয় ইন্দ্ৰিয়ক আকৰ্ষণ কৰে। বায়ু বোলোঁতে যেনেকৈ পুষ্পাদিৰ গন্ধলৈ গতি কৰে, জীৱাত্মায়ো তেনেকৈ দেহা এৰি যাওঁতে মন আৰু ইন্দ্ৰিয়গণক আকৰ্ষণ কৰি নিয়ে, আৰু অন্য দেহত আশ্ৰয় লবলৈ তাত প্ৰৱেশ কৰোঁতে সেই মন আৰু

(১) ন তদ্ভাসয়তে সূৰ্য্যো ন শশাঙ্কো ন পাবক।
যদ্গত্বা ন নিবৰ্ত্তন্তে তদ্ধাম পৰমং মম।—গীতা, ১৫শ, অধ্যা, ৬ শ্লোক।

ইন্দ্ৰিয়াদিকো প্ৰৱেশ কৰায় (১)। দেহত্যাগৰ ক্ষণত বা দেহত স্থিতিৰ কালত, নাইবা শোক-মোহ-সুখ-দুখ আদি বিষয় ভোগত প্ৰবৃত্ত অৱস্থাত, অথবা সত্ত্ব-ৰজঃ-তমঃ ত্ৰিগুণযুত দশাত জীৱাত্মাক বিষয় ভোগ বাসনাত উন্মুক্ত মূঢ়গণে দেখা নাপায়, মাথোন বিবেকী যোগিগণে চিত্ত-শুদ্ধিৰ বলেৰে ধ্যানত নিজ নিজ দেহস্থিত আত্মাক দেখা পায়। (২)

"হে অৰ্জ্জুন! চন্দ্ৰ, সূৰ্য্য, অগ্নিৰ যি তেজে জগতক প্ৰকাশ কৰিছে, সেই তেজ স্বৰূপত ময়েই (পৰমাত্মা) বুলি জানিবাঁ (৩)। ময়েই (পৰব্ৰহ্মই) পৃথিবীত অন্যান্য গ্ৰহৰ সৰ্ব্বতিকাল সমান্তৰ ৰাখি সমস্ত ভূতক ধাৰণ কৰি আছোঁ। আৰু, চন্দ্ৰৰূপ সোমৰস (৪) হৈ ঔষধিত ৰোগনিবাৰিণী শক্তি প্ৰয়োগ কৰিছোঁ। যি প্ৰাণ (নিশ্বাস) আৰু অপান (প্ৰশ্বাস) বায়ুৰ দ্বাৰাই জীৱগণৰ চাৰি প্ৰকাৰ অন্ন (৫) (আহাৰ) জীৰ্ণ কৰে, সেই জঠৰাগ্নি ময়েই (পৰমাত্মা) বুলি বুজিবাঁ। সকলো মায়াশ্ৰিত চৈতন্যৰ (৬) লগত মিলি পৰমাত্মাই স্মৃতি আৰু জ্ঞানৰূপে উদয়ো হয়, আৰু সেই স্মৃতি জ্ঞানৰ বিলয়ো ঘটায়; বেদ বুজাবৰ গৰাকী তেৱেঁই; বেদ বুজিবৰ গৰাকীও তেৱেঁই। অৰ্থাৎ, মায়াতীত ৰূপে তেওঁ ব্ৰহ্ম,

---

(১) শৰীৰং যদৱাপ্নোতি যচ্চাপ্যুৎক্ৰামতীশ্বৰঃ।
গৃহীত্বৈতানি সংযাতি বায়ুৰ্গন্ধানিবাশয়াৎ॥
—গীতা, ১৫শ, আধ্যা, ৮ শ্লোক।

(২) ১৫শ, আধ্যা, ২—১১ শ্লোক।

(৩) যিহেতু দৃশ্যমান জগতৰ সকলো বস্তুৱেই ভগৱদ্বিভূতি।

(৪) চন্দ্ৰত সঞ্জীৱনী সুধা আছে বুলিয়েই চন্দ্ৰৰ আন এটা নাম "সোম"।

(৫) চাৰি প্ৰকাৰ অন্ন—চৰ্ব্ব্য, চোষ্য, লেহ্য, পেয়।

(৬) মায়াশ্ৰিত চৈতন্যই জীৱাত্মা।

মায়াশ্রিত ৰূপে তেওঁ ব্ৰহ্মবেত্তা। ইহলোকত ক্ষৰ আৰু অক্ষৰ (১) এই দুবিধ বস্তুৰেই প্ৰসিদ্ধ; পৰমাত্মাই দেহত জীৱাত্মাৰূপে প্ৰবিষ্ট হৈ জগতক প্ৰকাশ কৰে। কিন্তু, সেই দুবিধ বস্তুৰপৰা পৰমাত্মা পৃথক্; তেওঁ একে ক্ষণতে ত্ৰিজগতত বিদ্যমান; তেওঁ অব্যয় আৰু তেওঁ ঈশ্বৰ। পৰমাত্মা কাৰ্য্যৰো অতীত আৰু কাৰণতকৈও উত্তম; সেই হেতুকেই ভগৱানক পুৰুষোত্তম বোলা যায়। যি যোগী পুৰুষে মায়া-মোহ ভেদ কৰি ভগৱানক এই পুৰুষোত্তম ৰূপে জানি ভজনা কৰে, তেৱেঁই প্ৰকৃত তত্ত্বদৰ্শী, তেওঁ সৰ্ব্বজ্ঞ আৰু তেওঁ ভক্তিযোগৰ দ্বাৰাই যথাৰ্থ পৰমপুৰুষক উপাসনা কৰে। (২)

এই ছেগতে সাৰৱণীত দিবলগীয়া (৩) গুহ্যতম তত্ত্বজ্ঞান দান কৰি, ভগৱান শ্ৰীকৃষ্ণই এই বুলি অৰ্জ্জুনক পুনৰপি সম্বোধন কৰিলে, "হে অনঘ (নিষ্পাপ)! হে ভাৰত! তোমাৰ আগত মই এই যে গুহ্যতম ৰহস্য-শাস্ত্ৰ কীৰ্ত্তন কৰিলোঁ, যি যোগী পুৰুষে তাক হৃদয়ঙ্গম কৰিব পাৰিছে, তেওঁ আত্মজ্ঞানযুত হৈ পৰমপদ লাভ কৰিছে। (৪)

---

(১) এই দুই পদৰ বহুল ব্যাখ্যা ইতিপূৰ্ব্বৰ টীকাত দি অহা হৈছে। এই স্থলত সি কাৰ্য্য আৰু কাৰণৰূপে গৃহীত হৈছে।

(২) গীতা, ১৫শ, আধ্যা, ১২—১৯ শ্লোক।

(৩) গীতাৰ সাৰৱণী-আধ্যাত যি বক্তব্য বৈছে, এই ১৫শ, আধ্যাতে তাৰ সাৰ-তত্ত্ব ব্যাখ্যা কৰা হল।

(৪) গীতা, ১৫শ আধ্যা, ২০ শ্লোক।

# ২৬। অধ্যায়।

## বাসনা তত্ত্বজ্ঞান।

ভোগ-বাসনা দুবিধ,—শুভ আৰু অশুভ (১)। অশুভ বাসনা পৰিত্যাগ কৰি শুভ বাসনা অৱলম্বন কৰাৰ আৱশ্যকতা ব্যাখ্যা কৰাৰ উদ্দেশ্যে ভগৱানে এই বুলি নতুন ছেদত ধৰিলে, "হে অৰ্জ্জুন! অভয়, তত্ত্বসংশুদ্ধি (২), জ্ঞান আৰু যোগত স্থিতি; দান, দম আৰু যজ্ঞ; স্বাধ্যায় (৩), তপ আৰু আৰ্জ্জব (৪) এই সমস্তই শুভ বাসনাৰ ফল দৈবী সম্পদ (৫); অহিংসা, সত্য, অক্রোধ, ত্যাগ, শান্তি, পৰনিন্দাবৰ্জ্জন, দয়া, লোভশূন্যতা, মৃদুতা, লজ্জা, চাঞ্চল্যশূন্যতা এইবোৰো দৈবী সম্পৎ বা শুভ বাসনাৰ লক্ষণ। হে ভাৰত! সাত্ত্বিকী বাসনাৰে যি সকলে সংসাৰত জন্মগ্ৰহণ কৰে, সেই সকলেই তেজ (সাহ), ক্ষমা, ধৃতি, শৌচ (চিত্তশুদ্ধি), অদ্রোহ (অভিৰোধ), অভিমানশূন্যতা এইবোৰ গুণৰ গৰাকী হয়।

---

(১) সাত্ত্বিকী বাসনা শুভ আৰু মুক্তিমাৰ্গৰ হেতু; ৰাজস আৰু তামস বাসনা অশুভ আৰু সংসাৰবন্ধনৰ হেতুস্বৰূপ।

(২) মিছা, প্ৰবঞ্চনা, মায়াদি ত্যাগৰ নামেই তত্ত্বসংশুদ্ধি। গীতাৰ ২য়, আধ্যাত স্থিতপ্ৰজ্ঞ পুৰুষৰ ব্যাখ্যাৰ লগত এই বিষয়ে বহলাই কোৱা হৈছে।

(৩) শাস্ত্ৰাদি অধ্যয়ন।

(৪) কাৰ্য্য, বাক্য আৰু ভাবৰ একতাৰূপ সাত্ত্বিক ব্যৱহাৰেই আৰ্জ্জব। গীতাৰ ১২শ, আধ্যাত ভগৱৎভক্তৰ ব্যাখ্যাৰ লগত এই বিষয়ে কোৱা হৈছে।

(৫) সাত্ত্বিকী বাসনাই দৈবী সম্পদ। গৃহস্থীৰ দৈবী সম্পদ বিভংকৈ ধৰিলে

হে পাৰ্থ! যি বিলাকে ৰাক্ষসী (ৰজোগুণজাত) আৰু আসুৰী (তমোগুণজাত) অশুভ বাসনা লৈ জন্ম ধৰে, সিবিলাক দম্ভ, দৰ্প, অভিমান, ক্ৰোধ, কৰ্কশতা, অজ্ঞানতা, এইবোৰ আসুৰী সম্পদৰ মাথোন গৰাকী হয়। দৈবী সম্পৎ মোক্ষৰ হেতু, আৰু আসুৰী সম্পৎ বন্ধনৰ হেতু বুলি কৈ আহিছোঁ। সেই দৈবী সম্পতৰ মূল সাত্ত্বিকী বাসনা লৈয়ে যে তুমি জন্মগ্ৰহণ কৰিছাঁ তাত সন্দেহ নাই; এতেকে, হে পাণ্ডৱ, তুমি হতাশ নহবাঁ। হে পাৰ্থ! এই জগ-তত দৈব আৰু আসুৰ এই দুবিধ প্ৰকৃতিৰ সৃষ্টি; দৈব প্ৰকৃতিৰ সাত্ত্বিকী শুভ বাসনাযুত জীৱাত্মাৰ বিষয়ে তোমাক বিস্তৰ ব্যাখ্যা দিয়া হৈছে; এতিয়া আসুৰ প্ৰকৃতিৰ ৰাক্ষসী আৰু তামসী অশুভ বাসনাযুত জীৱাত্মাৰ কথা কওঁ, শুনিবাঁ। (১)

"হে অৰ্জ্জুন! অসুৰ স্বভাবী মানুহে কিহত প্ৰবৃত্ত হব লাগে, কিহৰপৰা নিবৃত্ত হব লাগে, সেই বিষয়ে নাজানে; সিহঁতৰ ধৰ্ম্মাধৰ্ম্ম জ্ঞান নাই। (২) গতিকে, সিহঁতৰ শৌচ নাই, আচাৰ নাই, আৰু সত্যও নাই; নাইবা অহঙ্কাৰ, অভিমান, দম্ভ, দৰ্প ইত্যাদি কু-প্ৰবৃত্তিৰ উত্তেজনাত সিহঁতে শৌচাচাৰাদি মানিবলৈ অপাৰগ হয়। আসুৰ প্ৰকৃতিৰ মানুহে কয় যে, জগতৰ মূলত সত্যাসত্তাৰ অস্তিত্ব নাই; ধৰ্ম্মাধৰ্ম্মৰূপ প্ৰতিষ্ঠা যে জগৎ ব্যৱস্থাৰ হেতু, সেইটো সিহঁতে স্বীকাৰ নকৰে; ঈশ্বৰৰপৰা যে জগতৰ সৃষ্টি হৈছে, তাকো সিহঁতে নামানে।

---

এইবোৰেই যাই;—যেনে, দান (নিজৰ অধিকাৰৰ বস্তুৰ স্বত্বত্যাগ কৰি যোগ্য পাত্ৰত অৰ্পণ), সংযম কৰ্ম্মানুষ্ঠান (দেৱযজ্ঞ, পিতৃযজ্ঞ, ভূতযজ্ঞ ইত্যাদি), ব্ৰহ্মচৰ্য্য বা কায়িক, বাচিক আৰু মানসিক তপ, অকপটতা। গীতাৰ ১৩শ, আধ্যাত জ্ঞানৰ লক্ষণ বৰ্ণনাৰ লগত এই বিষয়ে আভাস দিয়া হৈছে।

(১) গীতা, ১৬শ আধ্যা, ১—৬ শ্লোক।

সিহঁতৰ মতে বিষয়ভোগ সুখৰ অভিলাষী স্ত্ৰী-পুৰুষৰ সংযোগেই জগৎ-সৃষ্টিৰ প্ৰাকৃতিক নিয়ম, আৰু কামেই জগতৰ উৎপত্তিৰ হেতু, ইয়াত বাজে অন্য কাৰণ নাই। এই আসুৰী প্ৰকৃতিৰ মানুহৰ আত্মা সততে কাম, ক্ৰোধ, লোভ, মোহাদি বাসনাৰ দ্বাৰাই আবৃত (১); গতিকে সিহঁত অল্প বুদ্ধিজীৱী (২)আৰু উগ্ৰকৰ্ম্মা (৩), সিহঁতে অন্যৰ অহিত সাধনৰ অৰ্থে জন্মগ্ৰহণ কৰে। সিহঁতে হৃদয়ৰ পূৰাব নোৱাৰা বাসনাজনিত দম্ভ, মান, মদত উন্মত্ত হৈ অশুচি আৰু শাস্ত্ৰবিৰুদ্ধ কাৰ্য্যত প্ৰবৃত্ত হয়। অশুভ বাসনাযুত আসুৰ স্বভাৱী মানুহে পাপ, পুণ্য, পৰলোক, স্বৰ্গলাভ, নৰক-গতি, মোক্ষপ্ৰাপ্তি এইবোৰ একোকে নামানে; তাহাঁতৰ বিশ্বাস যে, যিমান দিন দেহা, সিমান দিনলৈ মাথোন জীৱন; আত্মাৰ অস্তিত্ব সিহঁতে নামানে। গতিকে, এই জীয়াই থকা কালত বিষয়জনিত সুখভোগেই সিহঁতৰ পুৰুষাৰ্থ। আশে-পাশে অশেষ আশা ডোলেৰে বান্ধখাই সিহঁতে বিষয়-বাসনা পূৰাবৰ অৰ্থে অন্যায় বৃত্তি ধৰি অৰ্থ সঞ্চয় কৰে। অশুভ বাসনাযুত আসুৰ প্ৰকৃতিৰ মানুহ কেৱল ধনৰ আকাঙ্ক্ষাত মগ্ন। আসুৰী বাসনাৰ মানুহে নিজকে অতি ক্ষমতাশালী সৰ্ব্বেসৰ্ব্বা ঈশ্বৰ যেন

---

(১) বাসনাই যে সংসাৰ-বৃক্ষৰ অবাস্তৱ মূল, সেই বিষয়ক বহুল ব্যাখ্যা গীতাৰ ১৫শ, আধ্যাত বহলাই কোৱা হৈছে; ১৬শ, আধ্যাৰ প্ৰথম এই কেইটা শ্লোকত সেই বাসনাৰ তত্ত্বজ্ঞানৰ আভাস আৰম্ভ কৰা হৈছে। ১৪শ, আধ্যাত গুণাতীত পুৰুষৰ লক্ষণ কীৰ্ত্তনৰ লগত এই দৈৱ ভূতসৰ্গ বিষয়ৰ আভাস দিয়া হৈছে।

(২) অল্প:—মল, মাংস, ৰুধিৰ, মজ্জাদি নিন্দিত পদাৰ্থযুক্ত দেহা। যি দেহত অহংবুদ্ধি, সিয়ে অল্পবুদ্ধি।

(৩) যি দেহাক মাথোন পালিবৰ উদ্দেশে শাস্ত্ৰনিষিদ্ধ কাৰ্য্যত প্ৰবৃত্ত হয়, সিয়েই উগ্ৰকৰ্ম্মা।

ভাবে; অজ্ঞানমোহিত হৈ নিজক ধনে-ধানে কুলে-মানে সর্ব্বপ্ৰধান কৰাৰ অতৃপ্ত অশুভ বাসনাত সততে সিহঁত উন্মত্ত হয় (১)। হে অৰ্জ্জুন! নানাতৰহৰ দূষিত সংকল্পত বিভোল, মোহজালত মেৰখোৱা আৰু বিষয়-ভোগত অত্যন্ত আসক্ত অশুভ বাসনাৰ মানুহ নৰকত পতিত হয়; অৰ্থাৎ জীৱনত তাৰ ক্লেশ ভুগুচে (২)। আপোন-শলাগী, উধৎ স্বভাবী, ধনমানমদযুত আসুৰী বাসনাৰ মানুহে মাথোন লোকক দেখুৱাবলৈ গওপ. মাৰি নামনিমিত্তকৈ যজ্ঞানুষ্ঠান কৰে; তেনেকুৱা যজ্ঞৰ শুভফল নাই (৩)। সেই অশুভ বাসনাৰ ৰাক্ষসী স্বভাৱৰ মানুহে অহঙ্কাৰ, বল, দৰ্প, কাম আৰু ক্ৰোধৰ আশ্ৰয় লৈ নিজৰ আৰু অন্যৰ দেহস্থিত আত্মাৰূপ মোৰ (পৰমাত্মাৰ) প্ৰতি বিদ্বেষ ভাব প্ৰকাশ কৰি অশলাগী হয় মাথোন। সেই দ্বেষপৰৱশ ক্ৰুৰমতি অশুভ বাসনাৰ আসুৰী মানুহে ঘূৰি ঘূৰি আসুৰী যোনিত (৪) জনম লব লগাত পৰে। এই পূৰ্ব্বজন্মৰ ফলাফলৰপৰা কাৰো অব্যাহতি নাই। (৫)

"হে কুন্তীনন্দন! যি মানুহে নিজৰ আসুৰী বাসনাৰ ফলত এবাৰ আসুৰী যোনিত জনম লয়, তাৰ আৰু সহজে উদ্গতি নহয়;

---

(১) গীতা, ১৬শ, আধ্যা ৭—১৫ শ্লোক।

(২) অনেকচিত্তবিভ্ৰান্তা মোহজাল সমাবৃতাঃ। প্ৰসক্তাঃ কামভোগেষু পতন্তি নৰকেঽশুচৌ।—গীতা, ১৬শ, আধ্যা, ১৬ শ্লোক।

(৩) "আত্মসম্ভাবিতাঃ স্তব্ধা ধনমানমদান্বিতাঃ। যজন্তে নামযজ্ঞৈস্তে দম্ভেনাবিধিপূৰ্ব্বকম্।"—গীতা, ১৬শ, আধ্যা, ১৭ শ্লোক।

(৪) সাপ, বাঘ, কুম্ভীৰ, হাঙৰ, বিছা, জোক্ ইত্যাদি জীৱৰ যোনিক লক্ষ্য কৰি কোৱা হৈছে।

(৫) গীতা, ১৬শ আধ্যা, ১৮—১৯ শ্লোক।

তাৰ ক্ৰমাৎ আধোগতি হে হয়। কাম, ক্ৰোধ আৰু লোভ এই তিনি ৰিপু তিনিথন নৰকৰ দুৱাৰ স্বৰূপ (১); এই তিনিৰ প্ৰভাৱ এৰাব নোৱাৰিলে জীৱৰ উদ্গতি নাই। কিন্তু, যি এই তিনি ৰিপুক দমিব পাৰে, সি পৰমগতি লাভ কৰে। যি ৰাক্ষসী বাসনাৰে মানুহে শাস্ত্ৰবিধি অৱজ্ঞা কৰি স্বেচ্ছাচাৰ কৰে, তাৰ ইহলোকত সিদ্ধিলাভ ( চিত্তশুদ্ধি ) নোহোৱাৰ হেতুকে পৰলোকত পৰমগতি লাভ নহয়। হে অৰ্জ্জুন! কাৰ্য্য আৰু অকাৰ্য্য নিৰূপণৰ অৰ্থে শাস্ত্ৰই বিশিষ্ট প্ৰমাণ দিছে; এতেকে তুমি কোনো অশুভ বাসনাক প্ৰশ্ৰয় নিদি শাস্ত্ৰমতে স্বধৰ্ম্ম (২) অনুযায়ী কৰ্ত্তব্যপৰায়ণ হোৱাঁ। (৩)

---

(১) "ত্ৰিবিধং নৰকস্যেদং দ্বাৰং নাশনমাত্মনঃ।
কামঃ ক্ৰোধস্তথা লোভস্তস্মাদেতত্ৰয়ং ত্যজেৎ॥"

—গীতা, ১৬শ আধ্যা, ২১ শ্লোক।

(২) স্বধৰ্ম্মঃ—স্বপ্ৰকৃতি পূৰ্ব্বজন্মৰ কৰ্ম্মফল অনুযায়ী যি মানুহে যি প্ৰকৃতি লাভ কৰে, সেই অনুযায়ী বৃত্তিত সেই মানুহ প্ৰবৃত্ত হয়। অৰ্জ্জুনৰ পূৰ্ব্বজন্মৰ কৰ্ম্মফল অতি উত্তম; তাৰ ফলত তেওঁ ক্ষত্ৰিয়কুলৰ তিলক হৈ জন্মলাভ কৰিছে। তেওঁৰ স্বধৰ্ম্ম ক্ষত্ৰিয় ধৰ্ম্ম। এতেকে, স্বধৰ্ম্ম পালনৰ অৰ্থে এতিয়া তেওঁ ৰণলৈ উলাহেৰে আগ বঢ়া যুগুত।

(৩) গীতা, ১৬শ আধ্যা, ২০—২৪ শ্লোক।

# ২৭ । অধ্যায় ।

## সাম্প্রদায়িক কৰ্ম্মানুষ্ঠান তত্ত্বজ্ঞান ।

সংসাৰ আৰু সংসাৰৰ শিপা বাসনা-বিষয়ক তত্ত্বজ্ঞান ব্যাখ্যা শ্ৰৱন কৰি ভক্তিপৰায়ণ অৰ্জ্জুন বীৰে অতি আগ্ৰহৰে সৈতে ভগৱান শ্ৰীকৃষ্ণক সুধিলে, "হে কৃষ্ণ! যিবিলাকে শাস্ত্ৰবিধিলৈ আওকাণ কৰি আপোন মনেৰে শ্ৰদ্ধাযুক্ত হৈ পূজনাদি কৰে (১), সিবিলাকৰ নিষ্ঠা কি ৰূপ? সাত্ত্বিকী, নে ৰাজসী, নে তামসী?" (২)

তত্ত্বজ্ঞানী ভগৱান শ্ৰীকৃষ্ণই হৰিষ অন্তৰেৰে এই বুলি সমিচাৰ দিলে,—"হে ভাৰত! পূৰ্ব্বজন্মৰ কৰ্ম্মফল অনুযায়ী দেহী আত্মাৰ সাত্ত্বিকী, ৰাজসী আৰু তামসী প্ৰকৃতিভেদে স্বাভাৱিক শ্ৰদ্ধা তিনি প্ৰকাৰ।

---

(১) সাধাৰণতে কৰ্ম্মানুষ্ঠান তিনি শ্ৰেণীত বিভক্ত। প্ৰথমতে, যিবিলাকে শাস্ত্ৰবিধি অনুযায়ী ধৰ্ম্মকৰ্ম্মানুষ্ঠান কৰে, সিবিলাক দেৱ সম্প্ৰদায়; দ্বিতীয়তে, যিবিলাকে শাস্ত্ৰবিধি জানিও তাৰ প্ৰতি অৱজ্ঞা কৰি নিজ ইচ্ছানুৰূপ কৰ্ম্মানুষ্ঠান কৰে সেইবিলাক অসুৰ সম্প্ৰদায়; আৰু যিবিলাকে শাস্ত্ৰবিধি জানিও তালৈ আওহেলা, কৰি উদাসীন ভাৱে, অথচ শ্ৰদ্ধাযুক্ত হৈ নিজৰ মনোমত কৰ্ম্মানুষ্ঠান কৰে, সিবিলাক কোন্ সম্প্ৰদায় ভুক্ত? অৰ্জ্জুনে নিজক এই তৃতীয় বিধ সম্প্ৰদায়ভুক্ত জানি, এই সাম্প্ৰদায়িক পৰিণাম বিষয়ক সংশয় ভঞ্জনৰ অৰ্থে কৃষ্ণগুৰুত তত্ত্বপ্ৰশ্ন কৰিছে, এই বিধৰ নিষ্ঠা কি? সাত্ত্বিকী, নে ৰাজসী, নে তামসী?

(২) গীতা, ১৭শ অধ্যা, ১ম শ্লোক।

তাৰ বিশদ ব্যাখ্যা দিওঁ, শুনিবাঁ। যিসকলে দেৱতাদিৰ পূজা কৰে, সেইসকল সাত্বিক; যিবিলাকে যক্ষ-ৰাক্ষসাদিৰ পূজা কৰে, সিবিলাক ৰাজসিক; আৰু যিবিলাকে ভূত-প্ৰেতাদিৰ পূজা কৰে, সিবিলাক তামসিক। যিবিলাকে শাস্ত্ৰত নোহোৱা স্বকল্পিত বিধি অনুসৰি কঠোৰ তপস্যাত ধৰি উপবাস, অনাহাৰ, অনিদ্ৰা ব্ৰতৰ দ্বাৰাই দেহক কৃশ আৰু দুৰ্ব্বল কৰে, তাৰ লগে লগে দেহস্থিত আত্মাকো কৃশ কৰে, সেই বিবেকবিহীন লোক ইহলোকত সৰ্ব্বসুখৰপৰা বঞ্চিত আৰু পৰলোকত অধোগতি প্ৰাপ্ত হয়। সিবিলাক আসুৰ (১) শ্ৰেণীত ভুক্ত। (২)

"প্ৰকৃতিভেদে মানুহৰ আহাৰো তিনি প্ৰকাৰ (৩); আৰু তপ, যজ্ঞ, দান এই ধৰ্ম্মকৰ্ম্মানুষ্ঠানো প্ৰত্যেকেই তিনি বিধৰ (৪)। সেইবোৰৰ সুকীয়া সুকীয়াকৈ ব্যাখ্যা দিওঁ, শুনিবাঁ।

আহাৰ :—যি আহাৰে মানুহৰ পৰমায়ু বৃদ্ধি কৰে, যি আহাৰে দুৰ্ব্বল শৰীৰত বল দিয়ে, যি আহাৰে ৰোগ নিবাৰণ কৰে আৰু শুচায়, যি আহাৰে মন-প্ৰাণ পৰিতৃপ্ত কৰে, যি আহাৰ সোৱাদ, শীতল আৰু ৰুচিকৰ, যি আহাৰে মনত উৎসাহ বঢ়ায়, সেইবোৰ আহাৰেই সাত্বিক সম্প্ৰদায়ৰ আহাৰ; অতি কেহা, টেঙা, লুনীয়া, চোকা, উগ্ৰ (ৰাৰ-মচলা দিয়া শুকপাকী) আহাৰ, আৰু যি আহাৰ পাচত ৰোগ, শোক, দুখ, বিষাদিৰ কাৰণ হয়, সেই আহাৰ ৰাজসিক সম্প্ৰদায়ে ভোগ কৰে;

---

(১) নিকৃষ্ট সম্প্ৰদায়ৰ কৰ্ম্মানুষ্ঠানৰ ব্যাখ্যা দিওঁতেই উৎকৃষ্ট সম্প্ৰদায়ৰ কৰ্ম্মানুষ্ঠান অযাচিতে ব্যাখ্যা কৰা হয়। ইয়াকে নিষেধমুখী ব্যাখ্যা বোলা যায়।

(২) গীতা, ১৭শ অধ্যা, ২—৬ শ্লোক।

(৩) চৰ্ব্ব্য, চোষ্য আৰু লেহ্য এই ত্ৰিবিধ আহাৰ।

(৪) (ক) অগ্নিহোত্ৰাদি যজ্ঞ; (খ) চান্দ্ৰায়নাদিতপঃ; (গ) দানাদি বিশিষ্ট দান।

কৰ্কৰা, পঁইতা, আধাসিজা, অতিসিজা, পেলা, পচা, দুৰ্গন্ধী, এবা, অশুচি আহাৰ তামসিক সম্প্ৰদায়ে ভোজন কৰে।

যজ্ঞ :—ফল কামনা ত্যাগ কৰি কেৱল চিত্তশুদ্ধিৰ উদ্দেশে কৰ্ত্তব্য জ্ঞান কৰি যি যজ্ঞ অনুষ্ঠিত কৰা হয়, সেয়ে সাত্ত্বিক যজ্ঞ; ফল কামনাৰে আৰু নিজৰ মহত্তালি প্ৰকাশৰ উদ্দেশে যি যজ্ঞ কৰা হয়, সি ৰাজসিক; আৰু যি যজ্ঞ শাস্ত্ৰবিধিবৰ্জ্জিত আৰু য'ত শ্ৰদ্ধাৰ অভাৱ, সেই যজ্ঞ তামসিক।

তপ :—শাৰীৰিক তপস্যা, বাচিক তপস্যা আৰু মানস তপস্যা এই তিনি প্ৰকাৰ তপস্যাৰ লক্ষণ এই ;—যেনে, দেব, দ্বিজ, গুৰু আৰু প্ৰাজ্ঞজনৰ পূজা আৰু শৌচ; আৰ্জ্জৱ, ব্ৰহ্মচৰ্য্য, অহিংসা এইবোৰ শাৰীৰিক তপস্যাৰ নিষ্ঠা; সদালাপ, সত্যকথা, অৰ্থাৎ যি কথা শুনিলে শ্ৰোতাৰ মনোবেদনা নহয়, যি সত্যকথা শুনি শ্ৰোতাৰ কল্যাণ সাধিত হয়, এনেকুৱা বচন ব্যৱহাৰ আৰু যথাবিধি বেদাধ্যয়ন এই বোৰেই বাচিক তপস্যাৰ লক্ষণ; চিত্তপ্ৰসন্নতা, অক্ৰুৰতা, মৌন ভাব, আত্মসংযম, চিত্তশুদ্ধি এইবোৰ মানস তপস্যাৰ আচৰণ। কামনা ত্যাগ কৰি নিজ কৰ্ত্তব্য বোধ কৰা এই ত্ৰিবিধ তপস্যা সাত্ত্বিক; মান-সৎকাৰ, যশস্যা, গৌৰৱৰ উদ্দেশে যি তপস্যা অনুষ্ঠিত হয়, সি ৰাজসিক; দুৰাকাঙ্ক্ষা তৃপ্তি আৰু নিবৃত্তিৰ নিমিত্তে, অথবা আনৰ বিনাশ কামনাৰে যি তপস্যা কৰা যায়, সি তামসিক।

দান :—দেশ-কাল-পাত্ৰভেদে প্ৰত্যুপকাৰৰ আশা নৰখাকৈ, কেৱল কৰ্ত্তব্যৰ অনুৰোধত যি দান কৰা যায়, সি সাত্ত্বিক; প্ৰত্যুপকাৰৰ প্ৰত্যাশা বা স্বৰ্গাদি ফল কামনাৰে যি দান কৰা যায়, সি ৰাজসিক; যি দান অযোগ্য দেশত, অশুভ কালত, অপাত্ৰত আৰু অৱজ্ঞাৰে দৈতে প্ৰদত্ত হয়, সি তামসিক দান। (১)

---

(১) গীতা, ১৭শ অধ্যা, ৭—২২ শ্লোক।

"ওঁ তৎসৎ পৰব্ৰহ্মৰ এই তিনিপ্ৰকাৰ নাম শাস্ত্ৰে নিৰ্দ্দেশ কৰিছে। যি দৰে ওঁকাৰ ৰূপে পৰব্ৰহ্মৰ নাম অ+উ+ম এই ত্ৰিবৰ্ণাত্মক, সেইদৰে পূৰ্ব্বকালত মহৰ্ষিসকলে পৰব্ৰহ্মৰ ওঁ+তৎ+সৎ এই তিনি অবয়ব-যুক্ত নাম মন্ত্ৰৰ আদিতে স্মৰণ কৰিছিল। কাৰণ, তদ্বাৰাই ধৰ্ম্মানুষ্ঠানৰ কাৰ্য্যবৈগুণ্য দোষ খণ্ডন কৰা যায়। এই নামৰ প্ৰভাবেৰেই ব্ৰহ্মাই আদিতে ব্ৰাহ্মণ (১), বেদ আৰু যজ্ঞ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল (২)। এই হেতুকেই বেদবিদ্ পণ্ডিতসকলে 'ওঁ' নাম উচ্চাৰণ কৰি যজ্ঞ, দান, তপস্যাদি ক্ৰিয়াত প্ৰবৃত্ত হয়। এই কাৰণেই মোক্ষ আকাঙ্ক্ষীসকলে 'তৎ' এই শব্দ উচ্চাৰণ কৰি বিবিধ যজ্ঞ, দান, তপস্যাদি সম্পাদন কৰে। আৰু, এই নিমিত্তেই, হে পাৰ্থ, শিষ্টসকলে সদ্ভাব (৩) আৰু সাধুভাব জনিত (৪) মঙ্গলজনক কাৰ্য্যাৰম্ভনত 'সৎ' শব্দ উচ্চাৰণ

---

(১) এই প্ৰসঙ্গত ব্ৰাহ্মণ (ব্ৰাহ্মণাস্তেন) শব্দৰ দ্বাৰাই ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই ত্ৰিবিধ দ্বিজক উপলক্ষ্য কৰা হৈছে।

—কৃষ্ণানন্দস্বামীকৃত গীতাৰ্থ সন্দীপনী।

(২) ওঁ তৎসদিতি নিৰ্দ্দেশো ব্ৰহ্মণস্ত্ৰিবিধঃ স্মৃতঃ।
ব্ৰাহ্মণাস্তেন বেদাশ্চ যজ্ঞাশ্চ বিহিতাঃ পুৰা॥

—গীতা, ১৭শ অধ্যা, ২৩ শ্লোক।

(৩) সদ্ভাব অৰ্থত অস্তিত্ব ; অৰ্থাৎ কোনো বস্তু আছেনে নাই তাত সংশয় হলে ব্ৰহ্মাৰ 'সৎ' নাম উচ্চাৰণ কৰি সেই আশঙ্কা ভাঙৰ কৰা হয়।

—কৃষ্ণানন্দ স্বামীৰ গীতাৰ্থ সন্দীপনী।

(৪) সাধুভাব, অৰ্থাৎ সাধুত্ব বা পৱিত্ৰ, অৰ্থাৎ কোনো বস্তুৰ পৱিত্ৰতাত সংশয় হলে মহাত্মাসকলে ব্ৰহ্মৰ পৱিত্ৰ নামাঙ্ক 'সৎ' শব্দ উচ্চাৰণ কৰি তাৰ বৈগুণ্য দোষ খণ্ডন কৰে।

কৰে। কিন্তু, হে অৰ্জ্জুন! শ্ৰদ্ধাই সিদ্ধিৰ মূল; অশ্ৰদ্ধাৰে সৈতে অগ্নিত আহুতি দান, ব্ৰাহ্মণ সজ্জনক অন্ন-বস্ত্ৰাদি দান, আৰু কায়িক, বাচিক আদি তপস্যা আৰু আন যি কোনো কৰ্ম্মৰ অনুষ্ঠান কৰা যায়, সমস্ত অসৎ আৰু ব্যৰ্থ হয়; আৰু সেই শ্ৰদ্ধাহীন কাৰ্য্যৰ দ্বাৰাই ইহলোক আৰু পৰলোক কতো কোনো গুণ বা ফল লাভ কৰা নাযায়। (১)

---

(১) গীতা, ১৭শ অধ্যা, ২৩—২৮ শ্লোক।

# ২৮। আধ্যা।

## ত্যাগ তত্ত্বজ্ঞান।

অষ্টাদশ আধ্যাৰে সৈতে গীতা সম্পূৰ্ণ। এই যোখনী আধ্যাত আগৰ আধ্যাবোৰৰ ভালেমান জটিল তত্ত্বৰ সৰল ব্যাখ্যা দিয়া হৈছে মাথোন, নতুন মূলতত্ত্ব সন্নিবিষ্ট হোৱা নাই। বিশেষ, ১৪শ আৰু ১৫শ আধ্যাতে ১৮শ আধ্যাত কৰলগীয়া কথাৰ সাৰাংশ কথিত হৈছে। এতিয়া এই যোখনী আধ্যাৰ ব্যাখ্যাত ভালেমান তত্ত্বৰ বছা বছা লাগতিয়াল গোটাচেৰেক তত্ত্ব-ব্যাখ্যা মাথোন উদ্ধৃত কৰা যাব।

সৰ্ব্বশাস্ত্ৰবিশাৰদ সূক্ষ্মতত্ত্বদৰ্শী আত্মজ্ঞানী পৰমাত্মাস্বৰূপ নৰতনু বিশ্ববিকাশ বাহুবিঘ্নবিনাশক জীৱন্ত শক্তি মহাবাহু কেশিনিসূদন অন্তৰ বিপুসংযমী হৃষীকেশ গোবিন্দ শ্ৰীকৃষ্ণকথিত তত্ত্বজ্ঞান উপলব্ধি কৰি তন্ময় হৈ পাৰ্থবীৰে ভক্তিবিহ্বল শুদ্ধচিত্তেৰে এইবুলি পুনৰপি কৃপাভিক্ষা কৰিলে,—"হে মহাবাহো! হে হৃষীকেশ! হে কেশিনিসূদন! এতিয়া সন্ন্যাস আৰু ত্যাগৰ (১) প্ৰকৃত পাৰ্থক্য কি, জানিবলৈ মোৰ খাউতি বাঢ়িছে; কৃপা কৰি তাৰ বিশদ ব্যাখ্যা দি মোৰ তত্ত্বজ্ঞান সম্পূৰ্ণ কৰা।" (২)

---

(১) 'সন্ন্যাস' আৰু 'ত্যাগ' এই দুটি 'ঘট' আৰু 'পটৰ' নিচিনা বিভিন্ন জাতীয় নে, ঘট আৰু ঘটীৰ নিচিনা একেবিধ সঁজুলীৰ বিভিন্ন নাম, অৰ্জ্জুনে তাকে বিশেষকৈ ফিয়াবিছে।

(২) গীতা, ১৮শ আধ্যা, ১ম শ্লোক।

গীতাশাস্ত্রৰ ব্যাখ্যা শ্রৱনত অৰ্জ্জুনৰ আসক্তি উপলব্ধি কৰি ভগৱান শ্রীকৃষ্ণই হৰিষ্‌ অন্তৰেৰে এই বুলি পুনৰপি সূক্ষ্মতত্ত্বৰ ব্যাখ্যা আৰম্ভ কৰিলে ;—"হে অৰ্জ্জুন ! বেদশাস্ত্ৰবিদ্ পণ্ডিতসকলৰ মতে কাম্যকৰ্ম্ম আৰু তাৰ ফলবাসনা বৰ্জ্জন (১) কৰাৰ নাম 'সন্ন্যাস' ; তদুপৰি নিত্যকৰ্ম্ম সমূহ আৰু তাৰ ফলবাসনা বিসৰ্জ্জন দিয়াৰ নাম 'ত্যাগ'। ই ঘট আৰু পটৰ নিচিনা বিভিন্ন জাতীয় নহয়, ঘট আৰু ঘটীৰ নিচিনা একে জাতীয় পদাৰ্থ হে (২)।

"হে অৰ্জ্জুন ! ত্যাগ বিষয়ত পণ্ডিতসকলৰ ভিতৰত মতভেদ আছে। কাৰো মতে মুক্তিৰ বাধক কাম্যকাম আৰু নিত্যকাম মাত্ৰেই বৰ্জ্জনীয় ; কাৰো মতে যজ্ঞ, দান, তপস্যাদি কৰ্ম্ম কোনোমতে বৰ্জ্জনীয় নহয়। কিয়নো, এইবোৰ কৰ্ম্মানুষ্ঠান চিত্তশুদ্ধিৰ অৰ্থে প্ৰয়োজনীয়। হে ভৰতসত্তম ! সেই সমস্যা খণ্ডাবৰ হেতু মানৱৰ ত্যাগ বিষয়ে মোৰ সিদ্ধান্ত মত এই :—ত্যাগ তিনিপ্ৰকাৰ ; যেনে, ১ম, ফলকামনা নাৰাখি কৰ্ম্মৰ অনুষ্ঠান কৰা ; ২য়, ফলকামনাযুত কৰ্ম্মানুষ্ঠান মাথোন বৰ্জ্জন ; ৩য়, ফলকামনা আৰু তাৰ লগতে সমুদায় কৰ্ম্মানুষ্ঠান পৰিহাৰ কৰা। ইয়াৰভিতৰত প্ৰথম বিধেই শ্ৰেয়ঃ। নিত্যকৰ্ম্ম ত্যাগ কৰাও বিধেয় নহয়। কৰ্ত্তব্যবোধত কৰ্ম্মৰ অনুষ্ঠান কৰি, তাৰ ফল বাসনালৈ উদাসীন হোৱাই সাত্ত্বিক ত্যাগ ; এই ত্যাগেই গ্ৰহণীয়। (৩)

---

(১) কাম্যকৰ্ম্ম মাত্ৰেই মুক্তিৰ প্ৰতিবন্ধক, ইয়াৰ ফল কামনাই মুক্তিমাৰ্গ ৰোধ কৰে।

(২) গীতা, ১৮শ আধ্যা, ২ শ্লোক।

(৩) গীতা, ১৮শ আধ্যা, ৩—১১ শ্লোক।

"হে পাৰ্থ! অত্যাগী (১) মানুহৰ চিত্তশুদ্ধি হোৱাৰ আগেয়েই মৃত্যু হলে সেই মানুহে কৰ্ম্মানুষ্ঠানৰ প্ৰায়শ্চিত্ত স্বৰূপ পুনৰ্জ্জন্ম লব লগাত পৰে। কিন্তু, 'স্বয়ং কৰ্ত্তা' ৰূপ যাৰ অভিমান নাই, যাৰ বুদ্ধি কাৰ্য্যত লিপ্ত নহয়, তেওঁ সমস্ত লোক বধ কৰিলেও প্ৰকৃতপক্ষে তেওঁৰ একো কৰা নহয়, তেওঁ তাৰ বাবে প্ৰায়শ্চিত্তভাগীও নহয় (২)। হে অৰ্জ্জুন! আগেয়ে কৈ অহা ত্ৰিবিধ জ্ঞানৰ সূত্ৰ মনত ৰাখিলে কৰ্ম্মানুষ্ঠানত বিঘ্ন বা বেমেজালি নঘটে। সেই ত্ৰিবিধ জ্ঞান হৈছে, সাত্বিক জ্ঞান, ৰাজসিক জ্ঞান আৰু তামসিক জ্ঞান। (ক) যি জ্ঞানৰ দ্বাৰাই সৰ্ব্বব্যাপী এক অব্যয় সত্তাৰূপ ভাবৰ উপলব্ধি হয়, সেয়ে সাত্বিক জ্ঞান; (খ) যি জ্ঞানৰ-দ্বাৰাই ভিন্ ভিন্ দেহস্থিত ভিন্ ভিন্ পদাৰ্থৰ অনুভৱ হয়, সেয়ে ৰাজসিক জ্ঞান; (গ) যি জ্ঞানৰ দ্বাৰাই সৰ্ব্বব্যাপী আত্মাক কোনো এটা স্বকীয়া দেহত বা মূৰ্ত্তিত বা কৰ্ম্মানুষ্ঠানত আৱদ্ধ অনুভৱ কৰায়, সেয়ে তামসিক জ্ঞান। (৩)

"হে পাৰ্থ! যি বুদ্ধিৰ বলত প্ৰবৃত্তি আৰু নিবৃত্তি, কাৰ্য্য আৰু অকাৰ্য্য ভয় আৰু অভয়, বন্ধন আৰু মুক্তি বিষয়ে জ্ঞাত হোৱা যায়, সেয়ে সাত্বিক বুদ্ধি; যি বুদ্ধিৰ দ্বাৰাই ধৰ্ম্ম আৰু অধৰ্ম্ম, কাৰ্য্য আৰু অকাৰ্য্য ইত্যাদি বিষয়ত সংশয় ওপজে, সেয়ে ৰাজসিক বুদ্ধি; যি বুদ্ধিয়ে অজ্ঞান-অন্ধকাৰলৈ নি অকাৰ্য্যক কাৰ্য্য, অধৰ্ম্মক ধৰ্ম্ম আৰু অন্যান্য সকলো বিষয়তে বিপৰীত বোধ জন্মায়, সেয়ে তামসিক বুদ্ধি। সেই অনুক্ৰমে

---

(১) যিবিলাকে কৰ্ম্মৰ আংশিক অনুষ্ঠান আৰু আংশিক পৰিত্যাগ কৰে, সিবিলাকক অত্যাগী 'সন্ন্যাসী' বা 'গোপসন্ন্যাসী' বোলা যায়।

—শ্ৰীধৰ স্বামীকৃত গীতাৰ টীকা।

(২) এনেবিধ কৰ্ম্মীৰ কৰ্ম্মানুষ্ঠানক পৰমাৰ্থ সন্ন্যাস বোলা যায়।

(৩) গীতা, ১৮শ অধ্যা, ১২—২২ শ্লোক।

সেই সেই বুদ্ধিৰ অনুগামীসকলো সাত্ত্বিক, ৰাজসিক আৰু তামসিক কৰ্ত্তাৰূপে অভিহিত। তদনুযায়ী ধৃতিও সাত্ত্বিক, ৰাজসিক আৰু তামসিক ৰূপে ত্ৰিবিধ। (১)

"হে ভৰতশ্ৰেষ্ঠ! সত্ত্ব, ৰজ, তমঃ গুণানুসাৰে মানুহে অভ্যাসত অনুভৱ কৰা সুখ আৰু দুখো তিনি প্ৰকাৰ;—যি সুখৰ আৰম্ভণ বিহযেন (২) আৰু পৰিণাম অমৃতহেন (৩), আৰু যাৰপৰা আত্মবুদ্ধিৰ প্ৰসন্নতা জন্মে, সেয়ে সাত্ত্বিক সুখ; যি সুখৰ আৰম্ভণ অমৃতহেন আৰু সামৰণ বিহযেন, আৰু যি বিষয় আৰু ইন্দ্ৰিয়ৰ যোগত উদয় হয়, সেয়ে ৰাজসিক সুখ; আৰু যি সুখ কেৱল তন্দ্ৰা, এলাহ আৰু প্ৰমাদমূলক, সেয়ে তামসিক সুখ। এই তিনিগুণ প্ৰকৃতিজাত; গতিকে সি সকলোতে বৰ্ত্তমান। এই স্বাভাবিক গুণানুসাৰেই ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ কৰ্ম্মবিভাগ নিৰূপিত হৈছে (৪)। শম, দমঃ, তপঃ, শৌচঃ, ক্ষমা, সৰলতা, জ্ঞান,

(১) গীতা, ১৮শ আধ্যা, ২৩—৩৫ শ্লোক।

(২) সাত্ত্বিক সুখজ্ঞান বৈৰাগ্য, ধ্যান আৰু সমাধি আদিৰ দ্বাৰাই সাধন কৰা যায়; গতিকে সি কষ্টসাধ্য হেতুকে আদিতে বিহযেন লাগে।

(৩) সাত্ত্বিক সুখৰ সাধনা এবাৰ সিদ্ধি হৈ উঠিলে সি পৰম আনন্দদায়ক হয়; গতিকে তেতিয়া সি অমৃতযেন বোধ হয়।

(৪) ব্ৰাহ্মণক্ষত্ৰিয়বিশাং শূদ্ৰাণাং চ পৰন্তপ। কৰ্ম্মাণি প্ৰবিভক্তানি স্বভাব-প্ৰভবৈৰ্গুণৈঃ।—গীতা, ১৮শ আধ্যা, ৪১ শ্লোক।

ব্ৰাহ্মণক্ষত্ৰিয়বিশাং ব্ৰাহ্মণ+ক্ষত্ৰিয়+বিশ্ এই তিনি শব্দৰ সংযোগ সমাসে এই তিনি বৰ্ণৰ দ্বিজত্ব আৰু বেদাধ্যয়ন অগ্নিহোত্ৰাদি কৰ্ম্মত অধিকাৰ দেখুৱাইছে। স্বভাবপ্ৰভৈৰ্গুণৈঃ বাক্যে প্ৰমাণ কৰিছে যে, সত্ত্ব, ৰজঃ, তমঃ ত্ৰিগুণাত্মিক প্ৰকৃতি বা স্বধৰ্ম্ম অনুযায়ী এই বৰ্ণ চতুষ্টয়ৰ সৃষ্টি হৈছে। যেনে, সাত্ত্বিকগুণী ব্ৰাহ্মণৰ কৰ্ম্ম পূজন, যাজন, অধ্যয়ন; ৰাজসিকগুণী ক্ষত্ৰিয়ৰ ধৰ্ম্ম শাসন, পালন, অধ্যয়ন; মিশ্ৰগুণী বৈশ্যধৰ্ম্ম কৃষি, বাণিজ্য, অধ্যয়ন; তামসিকগুণী শূদ্ৰৰ কৰ্ম্ম সেৱা, শুশ্ৰূষা, শ্ৰৱন; অথবা সেই সেই গুণানুসাৰে সেই সেই বৰ্ণৰ উৎপত্তি।—কৃষ্ণানন্দস্বামীকৃত গীতাসন্দীপনী।

বিজ্ঞান আৰু আস্তিকতা এই ৯টা ব্ৰাহ্মণৰ স্বধৰ্ম্ম বা স্বভাৱজাত ধৰ্ম্ম; শৌৰ্য্য, তেজ, ধৃতি, দক্ষতা, যুদ্ধত অপৰাঙ্মুখতা, ঈশ্বৰভাব (প্ৰভুত্ব) আৰু দান এই কেইটা ক্ষত্ৰিয়ৰ স্বধৰ্ম্ম বা প্ৰকৃতিগত কৰ্ম্ম; কৃষি, গো-ৰক্ষা আৰু বাণিজ্য এই কেইটা বৈশ্যৰ স্বধৰ্ম্ম বা স্বাভাৱিক কৰ্ম্ম; আৰু উল্লিখিত দ্বিজাতিত্ৰয়ৰ সেৱা আৰু শুশ্ৰূষা শূদ্ৰৰ স্বধৰ্ম্ম বা স্বভাৱজ কৰ্ম্ম (১)। (২)

"হে অৰ্জ্জুন! যি ঈশ্বৰে আকাশাদি ভূতসমূহ সৃষ্টি কৰিছে, যি ঈশ্বৰ বিশ্বব্ৰহ্মাণ্ডৰ সৰ্ব্বত্ৰতে বিদ্যমান আছে, সেই ঈশ্বৰক মানুহে স্বধৰ্ম্ম (৩) অনুযায়ী কৰ্ম্মৰ দ্বাৰাই অৰ্চ্চনা কৰি সিদ্ধিলাভ কৰিব পাৰে। হে কুন্তীনন্দন! "স্বধৰ্ম্মো নিধনো শ্ৰেয়ঃ" এই পূৰ্ব্বোক্ত উপদেশ সততে পালন কৰিলেই পৰানিষ্ঠজ্ঞান (৪) লাভ কৰিব পাৰিবাঁ। বিশুদ্ধ বুদ্ধিৰ

---

(১) শমো দমস্তপ শৌচং ক্ষান্তিৰাৰ্জ্জৱমেৱ চ। জ্ঞানং বিজ্ঞানমাস্তিক্যং ব্ৰাহ্মং কৰ্ম্ম স্বভাৱজম্।—গীতা, ১৮শ আধ্যা, ৪২ শ্লোক।

শৌৰ্য্যং তেজো ধৃতিৰ্দাক্ষ্যং যুদ্ধে চাপ্যপলায়নম্॥
দানমীশ্বৰভাৱশ্চ ক্ষাত্ৰং কৰ্ম্ম স্বভাৱজম্।

—গীতা, ১৮শ, আধ্যা, ৪৩ শ্লোক।

"কৃষিগৌৰক্ষ্যবাণিজ্যং বৈশ্যং কৰ্ম্ম স্বভাৱজম্।
পৰিচৰ্য্যাত্মকং কৰ্ম্ম শূদ্ৰস্যাপি স্বভাৱজম্॥

—গীতা, ১৮শ আধ্যা, ৪৪ শ্লোক।

(২) গীতা, ১৮শ আধ্যা, ৩৬—৪৪ শ্লোক।

(৩) স্বধৰ্ম্ম অৰ্থাৎ স্বকুলজ ধৰ্ম্ম; পূৰ্ব্বজন্মৰ কৰ্ম্মফল অনুসাৰী যি জীৱাত্মাই যি কুলত জন্ম লয়, তাৰ সেয়ে কুলজ ধৰ্ম্ম।

(৪) পৰানিষ্ঠাৰ উপৰি আৰু সাধনা নাই। এতিয়া, গীতা ব্যাখ্যাৰ সাৰৱস্তু পৰমগুৰু শ্ৰীকৃষ্ণই পৰমভক্ত শিষ্য অৰ্জ্জুনক শেষ গুহ্যতম জ্ঞান উপদেশ দিবলৈ উদ্যত হৈছে।

বলেৰে ইন্দ্ৰিয়াদিক সংযত কৰি, অৰ্থাৎ ৰূপ-ৰস-গন্ধাদিৰপৰা চিত্তক নিবৃত্ত কৰি, বিষয়ানুৰাগত যি উদাসীন হব পাৰে, সেই মহাত্মা পুৰুষেই ব্ৰহ্মভাব লাভ কৰিব পাৰে। যি ব্ৰহ্মত অৱস্থিত, যি প্ৰসন্নমনা, যি শোকত উদ্বিগ্ন নহয়, যি কোনো প্ৰকাৰৰ আকাঙ্ক্ষা নকৰে আৰু যি সৰ্ব্বভূতৰ প্ৰতি সমদৰ্শী, সেই মহাত্মাই পৰম পৰমাত্মাভক্তি লাভ কৰে; আৰু পৰিণামত পৰমাত্মাতে প্ৰৱেশ কৰে। কিয়নো, নিষ্ঠাবান হৈ চিত্তশুদ্ধি লাভ কৰি ভগৱানৰ শৰণাগত হলেই মুক্তিপদ লাভ কৰা যায়। এতেকে, হে অৰ্জ্জুন, তুমি যোগবলেৰে সমস্ত কৰ্ম্ম ভগৱানত সমৰ্পণ কৰি চিত্তস্থিৰ ব্ৰহ্মপৰায়ণ হলেই সমস্ত দুখ-চিন্তাৰপৰা উত্তীৰ্ণ হবাঁ। নচেৎ, অহঙ্কাৰ কৰি ইয়াৰ অন্যথা কৰিলে তুমি বিনষ্ট হবাঁ (১)"।

"হে অৰ্জ্জুন! অহঙ্কাৰ কৰি যুদ্ধ নকৰোঁ বুলিও তুমি ৰব নোৱাৰিবাঁ। কিয়নো, তোমাৰ স্বধৰ্ম্মে (২) তোমাক যুদ্ধত প্ৰবৃত্ত হবলৈ বাধ্য কৰিব। তোমাৰ অভিমান নিশ্চয় নৰজিব, আৰু তোমাৰ এই মোহ আপুনি মাৰ যাবগৈ। হে কুন্তীনন্দন! এই কথা ধুৰুপ বুজিবা যে, ভগৱানে প্ৰাণীসমূহৰ হৃদয়ত বাস কৰি গোটেই জগতক পুতলাৰ দৰে নচুৱাব লাগিছে। এতেকে, তুমি যুদ্ধ নকৰোঁ বোলা অহঙ্কাৰ পৰিহাৰ কৰি ভগৱন্তৰ শৰণাগত হোৱাঁ; নহলে তোমাৰ নিস্তাৰ নাই। কিন্তু স্বধৰ্ম্ম পালন কৰোঁতে নিধন হলেও তুমি মোক্ষপ্ৰাপ্ত হবাঁ।" (৩)

(১) গীতা, ১৮শ আধ্যা, ৪৫—৫৮শ্লোক।

(২) অৰ্জ্জুনৰ স্বধৰ্ম্ম ৰাজসিক,—যুদ্ধত পৰাঙ্মুখ নোহোৱা।

(৩) গীতা, ১৮শ আধ্যা, ৫৯—৬২ শ্লোক।

# ২৯। অধ্যায়।

## গুহ্যাতিগুহ্য গীতাতত্ত্ব—সঞ্জয়-মন্তব্য।

সামৰণিত পৰম গুৰু শ্ৰীকৃষ্ণই পৰম প্ৰিয়-শিষ্য অৰ্জ্জুনক এই বুলি শেষ উপদেশ দিলে, "হে অৰ্জ্জুন! মই তোমাৰ আগত গুহ্যাতিগুহ্য আত্মজ্ঞান (১) ব্যাখ্যা কৰিলোঁ। এতিয়া সেই ব্যাখ্যাৰ আদিৰপৰা অন্তলৈকে অতি গভীৰ ভাৱে সুমৰি চাই তুমি যেনে যুগুত বিবেচনা কৰাঁ, তাকে কৰাঁ। হে অৰ্জ্জুন! তুমি সমুদায় ধৰ্ম্মৰ অনুষ্ঠান (২) সাৰ কৰি কেৱল ভগৱানৰ শৰণাগত হোৱাঁ, তেনেহলেই তুমি সৰ্ব্ব-পাপৰপৰা মুক্তি পাবাঁ যে তাত সংশয় নকৰিবাঁ (৩)। হে অৰ্জ্জুন! তোমাৰ হিতাৰ্থে যি গুহ্যাতিগুহ্য গীতা ব্যাখ্যা কৰিলোঁ, এই ব্যাখ্যা-

---

(১) মন্ত্ৰ-তন্ত্ৰ মণি-ৰসায়নাদি গুহ্যপদাৰ্থতকৈও আত্মজ্ঞান গুহ্যতম। কিয়নো, মণিমন্ত্ৰাদিয়ে অনিত্য সাংসাৰিক সুখ মাথোন লাভ কৰায়, কিন্তু আত্মজ্ঞানৰ প্ৰভাৱত জীৱই ব্ৰহ্মানন্দৰূপ নিত্যসুখ লাভ কৰে।

(২) 'সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য' বোলোঁতে 'সৰ্ব্বকৰ্ম্মসন্ন্যাস' বুলি বুজিব নালাগে। কিয়নো, ভগৱানৰ শৰণাগত হোৱাও এক কৰ্ম্ম। গতিকে, ইয়াকে হে বুজিব লাগে যে, সৰ্ব্বধৰ্ম্ম পৰিত্যাগ কৰিলেও যি পাপ হব পাৰে, ভগৱানৰ শৰণাগত হলে তেনে পাপৰো প্ৰায়শ্চিত্ত হয়।—শ্ৰীধৰস্বামীকৃত টীকা।

(৩) সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বা সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।
—গীতা, ১৮শ অধ্যা, ৬৬ শ্লোক।

উপদেশ তপস্যাবিহীন, ভক্তিবৰ্জ্জিত, শুশ্ৰুষাৰহিত আৰু ভগৱানৰ প্ৰতি অশ্ৰদ্ধাযুত লোকৰ আগত কোৱা কাচিতো উচিত নহয় (১)। এই গীতাতুল্য প্ৰিয়বস্তু মোৰ আন একো নাই; এই গীতা পাঠত যাৰ প্ৰৱল অনুৰাগ তাৰ সমান মোৰ প্ৰিয় আন কোনো নহয়; যি ভক্তিৰে সৈতে গীতাপাঠ শ্ৰৱন কৰে তাৰ প্ৰতিও মই সততে তুষ্ট।

সামৰণিত ভগৱান শ্ৰীকৃষ্ণই অতি আগ্ৰহৰে সৈতে অৰ্জ্জুনক পুনৰপি সুধিলে, "হে পাৰ্থ! এই গীতাশাস্ত্ৰ ব্যাখ্যা তুমি একাগ্ৰচিত্তেৰে শুনিলা নে? হে ধনঞ্জয়! তোমাৰ অজ্ঞানকৃত মোহজাল বিনষ্ট হল নে? (২)

অৰ্জ্জুনে গভীৰ কৃতজ্ঞতাৰে সৈতে অতি ভক্তিভাৱে তেওঁৰ শেষ-সিদ্ধান্তমত এই বুলি নিবেদিলে, "হে অচ্যুত! তোমাৰ কৃপাত মোৰ সমস্ত মোহ বিনষ্ট হল; তোমাৰ অনুগ্ৰহত মই স্থিৰচিত্ত হলোঁ; আৰু তোমাৰ অভয় চৰণত শৰণাগত হৈ মই সৰ্ব্বসংশয়ৰপৰা মুক্ত হলোঁ। এতিয়া, হে প্ৰভো! তোমাৰ উপদেশানুৰূপ কাৰ্য্য কৰিবলৈ মই সক্ষম হৈছোঁ (অৰ্থাৎ, মই যুদ্ধত প্ৰবৃত্ত হবলৈ প্ৰস্তুত হৈছোঁ)। (৩)

---

(১) কিয়নো, বিনা তপস্যাত গীতাৰ উপদেশ ধাৰণা কৰিবলৈ শক্তি নোপজে; ভক্তিবিনে গীতোপদেশ গ্ৰহণ বা শ্ৰৱনলৈ প্ৰবৃত্তি নজন্মে; গুৰুশুশ্ৰুষা নহলে গীতাৰ মৰ্ম্মাৰ্থ লাভৰ সম্ভাৱনা নাই। ঈশ্বৰত অসূয়া ত্যাগ নকৰিলে গীতাৰ সাৰতত্ত্ব ব্ৰহ্মানন্দ উপলব্ধি নহয়।

—কৃষ্ণানন্দস্বামীকৃত গীতাসন্দীপনী।

(২) গীতা, ১৮শ আধ্যা, ৬৩—৭১ শ্লোক।

(৩) গীতা, ১৮শ আধ্যা, ৭২—৭৩ শ্লোক।

ৰাজনৈতিক মহাপুৰুষ আৰু আধ্যাত্মিক মহাগুৰু শ্ৰীকৃষ্ণৰ গীতা-শাস্ত্ৰ ব্যাখ্যাৰ উদ্দেশ্য সিদ্ধি হোৱাত (১), পাণ্ডৱ কেশৰী ধনুৰ্দ্ধৰ ধনঞ্জয়ৰে সৈতে পৰম উলাহেৰে তেওঁ পাণ্ডৱ শিবিৰৰ মুখে পুনৰপি ৰথ চলাই দিলে। কৃষ্ণাৰ্জ্জুনৰ পুনৰপি শিবিৰ প্ৰৱেশত পাণ্ডৱবাহিনীৰ প্ৰাণত আনন্দ-উলাহে নধৰা হল।

সদৌ শেহত, সৰ্ব্বজ্ঞস্বৰূপ সঞ্জয় মন্ত্ৰীয়ে ধৃতৰাষ্ট্ৰ ৰজাৰ আগত কুৰুক্ষেত্ৰ মহাৰণৰ আয়োজনৰ বৰ্ণনা দিয়া প্ৰসঙ্গত এই অদ্ভূত কৃষ্ণাৰ্জ্জুন-সম্বাদ বৰ্ণনা কৰি, এই বুলি মন্তব্য প্ৰকাশ কৰিলে, "হে মহাৰাজ! ভগৱান্ বাসুদেৱ আৰু মহাবাহু অৰ্জ্জুনৰ মাজত হোৱা ৰোমাঞ্চক যোগতত্বৰ ব্যাখ্যা শুনি আচৰিত হলোঁ। যি শক্তিৰে মই আপোনাক কুৰুক্ষেত্ৰ মহাৰণৰ বিষয়ে দাঁড়ৰ বাতৰি দাঁড়ে দি আছিলোঁ, সেই শক্তিৰ প্ৰভাবেৰেই কৃষ্ণাৰ্জ্জুনৰ মাজত হোৱা গুহ্যতম যোগতত্ত্ব মই হু-বহু শুনি চৰিতাৰ্থ হলোঁ। হে মহাৰাজ! সেই অদ্ভুত কথোপকথন মই সুমৰি চাওঁমানে মোৰ অন্তৰ আনন্দত পুলকিত হয় (২)। হে ৰাজন্! শ্ৰীকৃষ্ণৰূপ হৰিৰ

---

(১) সাংসাৰিক মায়া-মোহ ভঙ্গ কৰি, নিবৃত্ত অৰ্জ্জুনক যুদ্ধত প্ৰবৃত্ত কৰাটোৱেই গীতাশাস্ত্ৰ ব্যাখ্যাৰ মুখ্য উদ্দেশ্য আছিল। অথবা, সেই উদ্দেশ্যেই কৃষ্ণধৰ্ম্মশাস্ত্ৰ গীতাৰ সৃষ্টি হয়। এতিয়া, অৰ্জ্জুন যুদ্ধত প্ৰবৃত্ত হবলৈ প্ৰতিশ্ৰুত হোৱাত, সেই উদ্দেশ্য সিদ্ধি বা সাফল্য হৈছে।

(২) গুহ্যাতিগুহ্য গীতাশাস্ত্ৰ ভগৱান শ্ৰীকৃষ্ণই পৰমভক্ত শিষ্য অৰ্জ্জুনৰ আগত মাজখান ব্যাখ্যা কৰিছিল; সেই পৰম ক্ষেত্ৰতে সঞ্জয়েও সৌভাগ্যক্ৰমে স্বয়ং যোগেশ্বৰৰ মুখে সেই যোগতত্ব ব্যাখ্যা শ্ৰবন কৰি পৰম পুলকিত বোধ কৰিছিল।

—কৃষ্ণানন্দস্বামীৰ গীতাসন্দীপনী।

সেই বিশ্বৰূপ ধাৰণৰ বিষয়ে মই যিমানেই সুমৰি চাইছোঁ, সিমানেই মোৰ প্ৰাণত বিস্ময় জন্মিছে, সিমানেই মই আনন্দত আপোন-পাহৰা হৈছোঁ (১)। হে মহাৰাজ! যি পক্ষত স্বয়ং যোগেশ্বৰ ভগৱান শ্ৰীকৃষ্ণ সৰ্ব্বসাৰথি, যি পক্ষত গাণ্ডীবধাৰী বীৰকেশৰী অৰ্জ্জুন বৰ্ত্তমান, সেই পক্ষৰেই যে ৰাজশ্ৰী, বিজয়, ভূতি আৰু নীতি আশ্ৰয় হব, আৰু সদৌশেহত সেই পক্ষেই যে কুৰুক্ষেত্ৰ মহাৰণত জয়লাভ কৰিবগৈ তাত সংশয় নাই। (২)

---

(১) গীতা, ১৮শ আধ্যা, ৭৪—৭৭ শ্লোক।

(২) যত্ৰ যোগেশ্বৰঃ কৃষ্ণো যত্ৰ পাৰ্থো ধনুৰ্দ্ধৰঃ।
তত্ৰ শ্ৰীৰ্বিজয়ো ভূতিৰ্ধ্ৰুবা নীতিৰ্মতিৰ্মম॥
—গীতা, ১৮শ আধ্যা, ৭৮ শ্লোক।

## ৩০। অধ্যায়।

### কুৰুক্ষেত্ৰ মহাৰণৰ আৰম্ভণ।

পাণ্ডৱ-সাৰথি শ্ৰীকৃষ্ণদেৱৰ উপদেশ অনুসৰি, ধৰ্ম্মৰাজ যুধিষ্ঠিৰে কুৰুক্ষেত্ৰ ৰণস্থলত অৱতীৰ্ণ হৈয়েই যথাবিধি ৰণ ঘোষণা কৰি দিলেগৈ। তাৰ লগে-লগেই সেই মহাৰণ আৰম্ভণৰ স্থিতি বিধি আৰু দিন-ক্ষণ নিৰ্দ্ধাৰণ পৰ্য্যন্ত ৰাষ্ট্ৰ কৰি দিয়া হল। সেই অনুক্ৰমেই কৌৰৱ আৰু পাণ্ডৱ দুয়োপক্ষ নিৰ্দ্ধাৰিত নিয়মে অৱস্থিত হলগৈ। পাণ্ডৱে পূবমুৱাকৈ আৰু কৌৰৱে পছিমমুৱাকৈ ৰণৰ থানিকা পাতি ললেগৈ। যুদ্ধাৰম্ভণৰ নিৰ্দ্ধাৰিত দিনা উপজি-পুৱাতে উঠি দুয়োপক্ষৰে ঘাই ঘাই সেনাপতিসকলে পোন্-প্ৰথমে নিজ নিজ থানিকাৰ খোপনি দৃঢ় কৰাৰ উদ্দেশ্যে যুগুত দিহাকৰণত মনোনিবেশ কৰিলে। তাৰ পাচত, দুৱলীয়া সেনাপতিবৰ্গে নিজ নিজ নিৰূপিত থানিকাত খোপনি পিটি লৈ নিজ নিজ অধীনস্থ সেনা-সেনানায়কসকলৰ গতি-বিধিৰ দিহা দিয়াত তৎপৰ হৈ বেগাবেগিকৈ ইফাল-সিফাল কৰিবলৈ ধৰিলে। চাওঁতে চাওঁতে দুয়োপক্ষৰ অগণন সেনাগণ নিজ নিজ ৰণসজ্জাৰে সুসজ্জিত হৈ ৰণ-অভিমুখে শাৰী-শাৰীকৈ সাজু হল। যথা যথা স্থানৰপৰা সঙ্কেত প্ৰচাৰ হোৱা মাত্ৰকে দুয়োপক্ষৰ স্বকীয়া স্বকীয়া শিবিৰত স্বকীয়া স্বকীয়াকৈ জয়ঢোল, দবা, ঘণ্টা, শঙ্খ আদি ৰণবাদ্য বাজি উঠিল;— লগে লগে ৰণক্ষেত্ৰৰ পূবপ্ৰান্তৰপৰা এঘাৰ অক্ষৌহিণী আৰু পছিম

প্ৰাৰম্ভৰপৰা সাত অক্ষৌহিণী সেনা সমবেত হোৱাত, ১৮ অক্ষৌহিণী ৰণুৱাই অৰিয়া-অৰিকৈ তোলা সম্মিলিত কণ্ঠৰ জয়ধ্বনিয়ে আকাশমণ্ডল প্ৰতিধ্বনিত কৰি মেদিনী কঁপাবলৈ ধৰিলে *। তাৰ পাচত, কৌৰৱ, পাণ্ডৱ আৰু পাঞ্চাল ৰাজক্ষমতাৰ ঘাই ঘাই প্ৰতিনিধিসকল সমুখা-সমুখীকৈ আহি ৰণক্ষেত্ৰৰ মধ্যস্থলত সমবেত হলহি। উদ্দেশ্য, ৰণ আৰম্ভ কৰাৰ আগতে, ৰণ কৰাৰ ৰীতি-নীতি, নিয়ম-কাৰণ, বিধি-ব্যৱস্থাৰ হেতু বান্ধি লোৱা; উদ্দেশ্য, যাতে যুদ্ধ নিৰ্দ্দোষভাৱে ধৰ্ম্মযুদ্ধ হয়; উদ্দেশ্য, যাতে যুদ্ধত জয়-পৰাজয় ধৰ্ম্মতঃ সাধিত হয়। অধৰ্ম্মৰ পৰাক্ৰমে যাতে পৰশিবলৈ নাপায়; তদৰ্থে কিছুমান লাগতিয়াল হেতুবন্ধনৰ জপনা দি লৈ, উভয় পক্ষৰ সন্মতিক্ৰমে তাক গ্ৰহণ কৰা হয় †। যেয়ে বা যি পক্ষই সেই জপনা ডেই যাব, সেয়ে বা সেই পক্ষই বিনাযুদ্ধে পৰাভূত বিবেচিত হব। সেই সেতুবন্ধনৰ ঘাই ঘাই কেইটামান এই :—(১) যুদ্ধ সমানে সমানে পাতিব লাগিব; (২) যি বাক্‌যুদ্ধেৰে আগ বাঢ়ে, তেওঁৰে সৈতে বাক্‌যুদ্ধহে পাতিব লাগিব; (৩) যি ৰণভঙ্গ দিয়ে, অৰ্থাৎ প্ৰাণৰ মমতাত পলাই যায়, তাক কাচিতো বধ কৰা নহব; (৪) ৰথীয়ে ৰথীৰ লগত হে ৰণ দিব; (৫) অশ্বাৰোহীয়ে অশ্বাৰোহীৰ লগত, পদাতিকে পদাতিকৰ লগত হে ৰণ পাতিব পাৰিব; (৬) যোগ্যতা, সাহ, ইচ্ছা, বল ইত্যাদি বুজি এজনে আনজনক যুঁজলৈ আহ্বান কৰি লৈ হে মল্লযুদ্ধত ধৰিব লাগিব; (৭) ৰণত যাৰ আতঙ্ক উপস্থিত হয়, তাক কদাপি ৰণাঘাত কৰিব নোৱাৰিব;

---

* মহাভাৰত ভীষ্মপৰ্ব্ব, ১ম, আধ্যা, ২০—২৫ শ্লোক।

† কোৱা বাহুল্য মাথোন যে, ইয়াৰ মূলত, ৰাজনৈতিক বিৰাটপুৰুষ অদ্ভুত কৌশলী অদ্বিতীয় ৰণপণ্ডিত ধৰ্ম্মৰাজ্য প্ৰতিষ্ঠাতা ভগৱান শ্ৰীকৃষ্ণ।

(৮) যি শৰণাগত, যি ৰণত পিঠি দেখুৱায়, যি অন্য কোনোবে সৈতে ৰণত লাগি থাকে, যি নিৰস্ত্ৰ, তেনে ৰণুৱাক কেতিয়াও অপঘাত কৰিব নোৱাৰিব ; (৯) সাৰথি, জন্তুবাহন, অস্ত্ৰবাহক, বাদ্যকাৰ, শঙ্খদাৰ * ইত্যাদিত অস্ত্ৰ প্ৰহাৰ কৰিব নোৱাৰিব । †

ৰণ আৰম্ভ কৰা হল। দুৰ্য্যোধনৰ ৰণবল পুবা-পছিমা সমুখা-সমুখীকৈ উভ্ৰাৱল বাঘৰ দৰে থাওঁ-থাওঁ মূৰ্ত্তিৰে ইপক্ষে সিপক্ষৰ ওপৰত, সিপক্ষে ইপক্ষৰ ওপৰত পৰোঁ-পৰোঁ। সেই উদ্বিগ্নতাৰ ক্ষণত জিলিকি উঠা ৰণৰ আৱেশ সঞ্জয় মন্ত্ৰীয়ে অন্ধৰাজ ধৃতৰাষ্ট্ৰক এই বুলি বৰ্ণনা কৰিছিল, "হে মহাৰাজ! এই কুৰুক্ষেত্ৰ মহাৰণৰ আৰম্ভণৰ ৰণ অতি ভয়াবহ, অতি ৰোমাঞ্চক, অতি উদ্দীপক। দুৰ্য্যোধনৰ ৰণুৱাবৰ্গক সমানে শুৱনি দেখা গৈছে; দুয়োদল যেন বসন্তৰ কুঁহিপাত ধৰা গছ-গছনিৰে সৈতে দুখন নৱপল্লবিত বন হে! দুয়োদল সমানে সাহসী, সমানে উত্তেজিত আৰু কেৱেঁ কাকো সহিব নোৱাৰিব যেন লাগিছে। দুয়োদলে যেন ত্ৰিভুবন বিজয়ী হোৱাৰ উদ্দেশে কঁকালত টঙালি বান্ধি সাজু হৈছে। ঠিক যেন সুৰাসুৰৰ ৰণ লাগোঁ লাগোঁ হৈছে। কৌৰৱ পক্ষ অসুৰ সেনাদল আৰু পাণ্ডৱ পক্ষ সুৰ সেনাদল যেন হৈ জিলিকিছে। পাণ্ডৱ পক্ষৰ পিচৰপৰা মৃদু সমীৰণ ব'ব লাগিছে; আৰু কুৰুপক্ষৰ পিচৰপৰা জন্তুৰ বেৰনি-টেঁটনিৰ বাৱ উঠিছে। হে মহাৰাজ! আপোনাৰ পুত্ৰসকলৰ পক্ষীয় ৰণ-হস্তীয়ে পাণ্ডৱপক্ষৰ প্ৰকাণ্ড আৰু তেজী ৰণ-হস্তীৰ তাপ উদগীৰণৰ প্ৰভাৱ সহিব নোৱাৰি অস্থিৰ হোৱা যেন দেখা

---

* আদেশ আৰু বাৰ্ত্তাপ্ৰচাৰ ভেতিয়া শঙ্খবাদ্যৰ দ্বাৰাই হৈছিল

† মহাভাৰত, ভীষ্মপৰ্ব্ব ১ম, অধ্যা, ২৬—৩২ শ্লোক।

গৈছে। এই অনুক্ৰমে কৌৰৱপক্ষ পছিমমুৱাকৈ আৰু পাণ্ডৱপক্ষ পুবমুৱাকৈ থাওঁ থাওঁকৈ সাজু হৈছে।" (১)

ইতিমধ্যত, ৰণ আৰম্ভণৰ আগদিনা, কৌৰৱ শিবিৰত ৰণসভা পাতি যথাবিধি ভীষ্মদেৱক সৰ্ব্বপ্ৰধানকৈ থাইসেনাপতিত্বত বৰণ কৰা হয়, আৰু ভীষ্মদেৱেও দহ দিনৰ কাৰণে (২) সৰ্ব্বনেতৃত্বৰ বাব গ্ৰহণ কৰি ৰাজভক্তিৰ বিশ্বাসেৰে কৰ্ত্তব্য পালন কৰিবলৈ অঙ্গীকাৰ কৰে। আৰু, অপৰপক্ষতো ভগৱান শ্ৰীকৃষ্ণৰ নিৰ্দ্দেশমতে ইতিপূৰ্ব্বতে নিৰ্দ্ধাৰিত হৈ থকা দিহা অনুসাৰে সৰ্ব্বপ্ৰধান থাই সেনাপতি পাঞ্চাল ৰাজকোৱঁৰ মহাৰথ ধৃষ্টদ্যুম্নক পাণ্ডৱ শিবিৰত ৰণৰীতি-নীতিমূলক উৎসৱৰে সৈতে বৰণ কৰা হয়। (৩)

ৰণ আৰম্ভণৰ নিৰ্দ্ধাৰিত দিনা সবাতকৈ আগেয়ে সবাতোপৰি বয়োজ্ঞানবৃদ্ধ পিতামহ ভীষ্মই নিজৰ নিৰূপিত সৈনিক সাজেৰে সুসজ্জিত হৈ কৌৰৱ শিবিৰত থাই আৰু পালি সেনাপতি সকলক নিজ নিজ অধীনৰ সৈন্য-সামন্তৰে সৈতে যথাযোগ্যৰূপে শাৰী-শাৰীকৈ আৰু অগা-পিচাকৈ সজোৱাত তৎপৰ হল। তেওঁৰ দিহামতে কৌৰৱপক্ষীয় সেনাপতি সকলো পৰম উলাহেৰে আক্ৰমণ সাপেক্ষে সাজু হল। (৪)

---

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ২০শ, আধ্যা, ১—৬ শ্লোক।

(২) দ্ৰোণ আৰু কৰ্ণ হেন দুজন অসাধাৰণ বীৰ বৰ্ত্তমান থকাত, মহাজ্ঞানী উদাৰচেতা মহাপুৰুষ ভীষ্মদেৱে সৰ্ব্বপ্ৰধান সেনাপতি-বাবৰ গৌৰৱ একনীয়াকৈ উপভোগ কৰিবলৈ অমান্তি হৈ, প্ৰথম দহ দিনৰ কাৰণে মাথোন সেই বাব গ্ৰহণ কৰে।

(৩) মহাভাৰত, ভীষ্মপৰ্ব্ব, ২০শ, আধ্যা, ৭—৯ শ্লোক।

(৪) মহাভাৰত, ভীষ্মপৰ্ব্ব, ২০শ, আধ্যা, ১০—১২ শ্লোক।

পাণ্ডৱ শিবিৰতো বিচক্ষণীয়া ৰণপণ্ডিত শ্ৰীকৃষ্ণৰ সাঙ্কেতিক দিহা অনুসৰি সৰ্ব্বথাই সেনাপতি মহাৰথ ধৃষ্টদ্যুম্ন আৰু দুৰলীয়া থাই সেনাপতি মহাবাহু ভীমসেনে সিবিলাকৰ অধীনস্থ সেনা-সেনাপতি আৰু বিবিধ ৰণবল নিয়াৰিকৈ নিয়োজন কৰিলে। সেই দিহাকৰণ অনুসাৰে প্ৰতিজন সেনাপতিক শত-শত ৰথাৰোহী ৰণুৱাই পিচৰপৰা যোগ দিবলৈ স্থিৰ হয়; সেই অনুক্ৰমেই প্ৰতি ৰথাৰোহীক হাজাৰ-হাজাৰ অশ্বাৰোহী আৰু হস্তী-আৰোহীয়ে সহায় কৰিবলৈ স্থিৰ হয়; আৰু সিবিলাকৰ আগে-পিচে সোঁৱে-বাঁৱে লাখ-লাখ পদাতিক ৰণোন্মত্ত হৈ সাজু হল। (১)।

ৰণৰ আৰম্ভণ ঘোষণা কৰা হৈ গল। সমুখা-সমুখী পক্ষাপক্ষৰ ইদল সিদলৰ ওপৰত, সিদল ইদলৰ ওপৰত পৰোঁ-পৰোঁ হল। কৌৰৱপক্ষৰ অগণন সেনা-সেনাপতি, হয়-হস্তী, ৰথ-ৰথীৰ সৰ্ব্বাগ্ৰত সৰ্ব্বাগ্ৰগণ্য প্ৰকাণ্ড বীৰ পুৰুষ মহামতি ভীষ্মদেৱে ভীষণ ৰণসাজেৰে সুসজ্জিত হৈ ক্ৰমাৎ অগ্ৰসৰ হবলৈ ধৰিলে। শিৰত শুভ্ৰ পাগুৰি, সোঁ-বাহুপীঠত শুভ্ৰ আৱৰণৰ তীক্ষ্ণ শৰকোষ বাহুপাশত শুভ্ৰ জ্যাযোজিত শুভ্ৰ ভীষণ ধনু, কঁকালত শুভ্ৰ কোষস্থিত তীক্ষ্ণ তৰোৱাল, ওপৰত সুপ্ৰকাণ্ড শুভ্ৰছত্ৰেৰে সুশোভিত হৈ, শুভ্ৰ অশ্বসংযোজিত শুভ্ৰ ৰথত চৰি এটি শুভ্ৰগিৰি সদৃশ্ প্ৰকাণ্ড পুৰুষ ভীষ্মদেৱ কৌৰৱ সেনানায়কৰূপে ক্ৰমাৎ অগ্ৰসৰ হল। ভীষ্মদেৱৰ পিচত মহা অভিমানী মহাবাহু দুৰ্য্যোধন মনোমত ৰণ সাজেৰে সজ্জিত হৈ বগা হাতীৰ পিঠিত বহল বগা ছাতিলগোৱা সোণালী হাওডাৰ ওপৰত বহি কৌৰৱসেনাৰ মাজভাগত জিলিকি আগ বাঢ়িল। তেওঁৰ পিচত অসংখ্যাত পৰ্ব্বতীয়া সৈন্য-সামন্তৰে সৈতে গান্ধাৰ-ৰাজ শকুনিয়ে গা-চোৱাৰূপে পিচ ধৰিলে। সেই অনুক্ৰমে

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ২০শ, অধ্যা, ১৩—১৪ শ্লোক।

আশে-পাশে ভাগে-ভাগে নিৰ্দ্ধাৰিত সৈন্য-সেনাপতিসকলে ৰণকেন্দ্ৰলৈ খোজ ললে। সৰ্ব্বমূলত ৰঙ্গা সাজ-সমলেৰে সজ্জিত হৈ, ৰঙ্গা ঘোঁৰা লগোৱা ৰঙ্গা ৰথত চৰি সৰ্ব্বৰাজৰ অস্ত্ৰগুৰু মহাতেজী দ্ৰোণাচাৰ্য্যই গুৰিধৰা হৈ গজেন্দ্ৰ গমনেৰে আগ বাঢ়িলে।

কৃষ্ণদত্ত যাদৱবাহিনীৰ বছা বছা বৃষ্ণি আৰু ভোজৰথীসকলৰ দ্বাৰাই সুৰক্ষিত অসংখ্যাত সৈন্য-সামন্তৰ নায়ক হৈ কৃতবৰ্ম্মা সেনাপতিয়ে কৌৰৱ পক্ষীয় সেনাদলৰ দক্ষিণে ৰক্ষক স্বৰূপে আগ বাঢ়িলে; আনহাতে, সংসপ্তক ৰথাৰোহীৰে পৰিবেষ্টিতৈ হৈ অৰ্জ্জুনৰ অনুবৰ্ত্তী ত্ৰিগৰ্ত্ত সেনাপতিয়ে "হয় ৰণজয়, নহয় আত্মক্ষয়" এই দৃঢ় সংকল্পেৰে কৰ্ত্তব্য পালনলৈ ধীৰ গতি কৰিলে। (১)

ইতি-অৱসৰত সঞ্জয় মন্ত্ৰীয়ে অন্ধৰাজ ধৃতৰাষ্ট্ৰক তেওঁৰ পক্ষীয় সৈন্যবল সজোৱাৰ বিষয়ে পুনৰপি এই বুলি বৰ্ণাবলৈ ধৰিলে, "হে মহাৰাজ! আপোনাৰ পক্ষীয় ৰণবল ঘাইসেনাপতি ভীষ্মদেৱে সম্প্ৰতি এইদৰে সাজু কৰিছে;—একলাখ ৰণহস্তী আগ কৰি, প্ৰতি হস্তীৰ ভাগত এশকৈ ৰথাৰোহী, প্ৰতি ৰথৰ সাহায্যত এশকৈ অশ্বাৰোহী, প্ৰতি অশ্বাৰোহীৰ লগত দহজনকৈ ধনুধাৰী, প্ৰতি ধনুধাৰীৰ লগত দহজনকৈ ঢালধাৰী। ভীষ্মদেৱে নিতে নতুন ধৰণেৰে ব্যূহ ৰচনা কৰিবলৈ আয়োজনত ধৰিছে; এদিন মানৱ ব্যূহ, এদিন দৈৱ ব্যূহ, এদিন গান্ধৰ্ব্ব ব্যূহ, এদিন অসুৰ ব্যূহ এই অনুক্ৰমে ব্যূহ ৰচনা কৌশলেৰে শত্ৰুপক্ষক বিমোৰ কৰিবলৈ যুক্তি কৰিছে। এতিয়ালৈকে আপোনাৰ পক্ষ ভয়াবহ যেন বোধ হৈছে; কিন্তু অৰ্জ্জুনৰ সাৰথি স্বৰূপে অদ্বিতীয় ৰণপণ্ডিত স্বয়ং ভগৱান শ্ৰীকৃষ্ণই প্ৰকৃততে নেতৃত্ব লোৱা হেতুকে

(১) মহাভাৰত, ২৫শ, আধ্যা, ১৫—১৮ শ্লোক।

পাণ্ডৱ ৰণবল অতি পৰাক্ৰমী আৰু অজেয় বিবেচিত হৈছে (১)। দেৱসেনাপতি কাৰ্ত্তিকেয়ৰ দৰে সবাতোকৈ আগশাৰীত মহাবাহু ভীমসেনৰ সাহায্যেৰে ঘাই সেনাপতি মহাৰথ ধৃষ্টদ্যুম্নই পাণ্ডৱ বাহিনীক ক্ৰমাৎ আগ বঢ়াইছে; দক্ষিণ পাশৰ পাণ্ডৱ শাখাবাহিনী অমিততেজী বীৰ সৈন্যদলৰ অধ্যক্ষ হৈ সুনিপুণ যোদ্ধা যুযুধানে ৰক্ষা কৰি গৈছে; উত্তৰ পাশে হস্তী-আৰোহীদলৰ মাজত ইন্দ্ৰৰ ঐৰাৱত সদৃশ্ মহাকায় সুসজ্জিত হস্তীৰ ওপৰত যুদ্ধকৰ্ত্তা স্বয়ং ধৰ্ম্মৰাজ যুধিষ্ঠিৰ জিলিকিব লাগিছে; সবাতো পিচৰ শাৰীত পাঞ্চাল আৰু বিবিধ অশ্বাৰোহী ৰণুৱাৰ অধ্যক্ষ হৈ মহাৰথ সাত্যকিয়ে গুৰি ধৰি আগুৱাইছে; কেন্দ্ৰস্থলত সসৈন্যে মহাৰথ শিখণ্ডীক (২) লৈ, ৰথী আৰু সাৰথিৰূপে মহাবীৰ্য্যৱন্ত কৃষ্ণাৰ্জ্জুন দীপ্তিমান হৈ চলিছে!" (৩)

"পাণ্ডৱ বাহিনীৰ মাজত অৰ্জ্জুনৰ ৰথ সূৰ্য্যৱত উজ্জ্বল হৈ প্ৰকাশ পাইছে। সুদৃঢ় বিতোপন চকৰি লগোৱা হনুমন্ত অঙ্কিত (৪) পতাকা উৰা এই বিচক্ষণীয়া সোণালী ৰথৰ স্বৰূপ গঠনাদি বৰ্ণনাতীত। স্বয়ং কেশৱ যি ৰথৰ সাৰথি, সেই ৰথৰ ৰথী হৈছে গাণ্ডীৱধাৰী মহাবাহু অৰ্জ্জুন, যাৰ সমান ধনুৰ্ব্বীৰ পৃথিবীত নাই আৰু

---

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ২৫শ আধ্যা ১৯—২০ শ্লোক।

(২) শিখণ্ডী পাঞ্চালৰ অধিপতি দ্ৰুপদ ৰজাৰ অন্যতম পুত্ৰ। কথিত আছে, এওঁ বোলে নপুংসক। ভীষ্মাৰ্জ্জুনৰ শেহযুদ্ধত এই শিখণ্ডীয়ে দেখা দিয়াত ভীষ্মদেৱে শৰত্যাগ কৰিলে বুলি কল্পিত আছে।...কিন্তু, সেই কল্পনাক দিঠকৰ সাজ পিন্ধাবলৈ গলে "ভীষ্মৰ শৰশয্যা" পাতিবলৈ স্থান নোহোৱা হৈ,পৰে।

(৩) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৪২শ, আধ্যা, ৩—৫ শ্লোক।

(৪) অৰ্জ্জুনৰ ৰথৰ চূড়াত হনুমন্ত অঙ্কিত পতাকা সততে ধ্বজা স্বৰূপে উৰে। এই পতাকা অৰ্জ্জুনৰ ৰথৰ নিদৰ্শন।

নহব, যাৰ ভীষণ মূৰ্ত্তি দেখিলে হৃৎকম্প উপস্থিত হয়, যি বিক্তহস্তেৰে মানুহ, ঘোঁৰা, হাতী আদি মোহাৰি মসীমূৰ কৰিব পাৰে, সেই মহাবাহু ভীমসেন সোঁৱে-বাঁৱে নকুল-সহদেৱক লৈ ৰথবাহিনীৰ ৰক্ষক হৈ বিদ্যমান,—যি অজেয় যম যেন ভয়ঙ্কৰ বৃকোদৰৰ আস্ফালনত আতঙ্কিত হৈ, হে মহাৰাজ, আপোনাৰ পুত্ৰপক্ষীয় সৈন্যবৰ্গ বোকাত পৰা হাতীৰ দৰে কঁপিব লাগিছে"।

"চাওঁতে চাওঁতে সিপক্ষে আহি ইপক্ষৰ ওপৰত, আৰু ইপক্ষে গৈ সিপক্ষৰ ওপৰত সিংহ-গৰ্জ্জনেৰে আক্ৰমণ বহুৱাইছে। উভয়তঃ তুমুল সংগ্ৰাম লাগি উঠিছে। কাকো কেৰেঁ চিনিব নোৱাৰা হৈছে। ৰণমদত উন্মত্ত হৈ আপোন-পৰ ভেদাভেদলৈ লক্ষ্য নাৰাখি কুৰু-পাণ্ডৱৰ আত্মীয়-কুটুম্বৰ মাজত কালান্তক যুদ্ধ লাগি উঠিছে। নিলগৰপৰা কৌৰৱ আৰু পাণ্ডৱ সেনানিৰ চিন্ ধৰিব নোৱাৰা হৈছে; মাথোন সবাৰো সাজত প্ৰকাণ্ড মূৰ্ত্তি এক ভীষ্মদেৱ এপক্ষত, আৰু সাৰথিৰ বাঘজৰী ধৰোঁতা শাৰ্ঙ্গধাৰী জগন্মোহন শ্ৰীকৃষ্ণ মূৰ্ত্তি সমন্বিতে গাণ্ডীৱধাৰী মহাৰথ অৰ্জ্জুন আনপক্ষত জিলিকিব লাগিছে"।

"সমূহ হেঁচাৰ হেন্দোলনিৰ মাজত, হে মহাৰাজ! আপোনাৰ পুত্ৰ সমূহে মহাবাহু ভীমসেনক কেইওফালৰপৰা আগুৰি ধৰি অসংখ্যাত কাঁড়েৰে বিন্ধি ঠকাসৰকা কৰিবলৈ চাইছে; কিন্তু দুৰ্জ্জয় বীৰ বৃকোদৰে তালৈ কটাহি নকৰি গদা-ঘূৰণেৰে অসংখ্য তীক্ষ্ণ শৰ ওফৰাই পঠিয়াই কৌৰৱ পক্ষীয় ৰণুৱাক গদাঘাতেৰে মসীমূৰ কৰিব লাগিছে। এনেতে, দ্ৰৌপদীনন্দনগণ আৰু সুভদ্ৰানন্দন অভিমন্যুৱে সৈতে নকুল, সহদেৱ, ধৃষ্টদ্যুম্ন প্ৰভৃতি কেইওফালৰপৰা আহি ভীমসেনৰ সাহায্যত উবুৰি খাই পৰি, আপোনাৰ পুত্ৰগণক পৰ্ব্বতৰ টিং ওফৰোৱাদি ওফৰাই

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৪২শ অধ্যা, ৭—১৩ শ্লোক।

পঠিয়াইছে। দুয়োপক্ষৰ ডবা, ঘণ্টা, শিঙা, শঙ্খ, জয়ঢোল আদি ৰণবাদ্যৰ সানমিহলি সুৰ, আৰু হাতী, ঘোঁৰা আদি ৰণবাহনৰ ভীষণ আৰাৱ সকলো একাকাৰ হৈ এটা অতি ৰোমাঞ্চক বিকট ৰাৱ ৰণক্ষেত্ৰৰপৰা উঠি গোটেই গগণ নিনাদিত কৰিছে; আৰু যোদ্ধাবৰ্গৰ আস্ফালন আৰু দপনিত মেদিনী কঁপিব লাগিছে। (১)

"সেই ছেগতে শান্তনুতনয় মহাকায় মহাবাহু ভীষ্মদেৱে বজ্ৰাস্ত্ৰ যেন ভীষণ অস্ত্ৰ যোজনা কৰি প্ৰবল বেগেৰে গৈ তেওঁৰ সমকক্ষ পাণ্ডৱ ধনুৰ্ব্বীৰ অৰ্জ্জুনক আক্ৰমণ কৰিছেগৈ। মহাতেজী অজেয় ধনঞ্জয় অৰ্জ্জুনেও সুতীক্ষ্ণ বৈষ্ণৱী অস্ত্ৰ যোজনা কৰি সুপ্ৰখ্যাত দুৰ্জ্জয় গাণ্ডীৱ ধনুৰে সৈতে উলটি ধৰিছে। হে মহাৰাজ! সৌৱা, এই দুজন অসামান্য বীৰৰ দ্বৈৰথ ৰণৰ আস্ফালন-দপনিত ধৰাতল ৰসাতললৈ যাওঁ যাওঁ হৈছে! মাথোন, সৃষ্টিৰক্ষক জগৎপাল স্বয়ং ভগৱন্ত স্বৰূপ সাৰথি শ্ৰীকৃষ্ণৰ পৰমানন্দ মুৰতিয়ে আসন্ন সময়ত আশ্বাস দান কৰিছে। এই দ্বৈৰথ ৰণত কেৱেঁ কাকো হটাব পৰা নাই।"

আন হাতে, শ্ৰীকৃষ্ণৰ সেনাপতি প্ৰখ্যাত ধনুৰ্ব্বীৰ সাত্যকিয়ে বিষম বিক্ৰমেৰে কৌৰৱৰ নায়ক অসামান্য ধনুৰ্দ্ধৰ কৃতবৰ্ম্মাক আক্ৰমণ কৰিছেগৈ। এই দুজন সমযোদ্ধাৰ তন্ময়া যুদ্ধত ৰণভূমি টলবলাব লাগিছে। কেৱেঁ কাকো পৰাস্ত কৰিব পৰা নাই, কিন্তু পৰস্পৰ শৰবিদ্ধ হৈ দুয়ো তেজেৰে ৰাঙলী দুজুপি বসন্তকালৰ প্ৰফুল্ল কিংশুক ফুলৰ নিচিনাকৈ শোভা পাইছে!"

"সমযোদ্ধা বাছি লৈ একে সময়তে আজন্ম অদ্ভুত বীৰ সুভদ্ৰানন্দন অভিমন্যুৱে কোশলাধিপতি বৃহদ্বল ৰাঘৰ ওপৰত সিংহৰ পোৱালি পৰাদি পৰিছেগৈ। হে মহাৰাজ! মহাবল কোশল ৰাজে অভিমন্যুৰ

(১) মহাভাৰত ভীষ্মপৰ্ব্ব, ৪৪ আধ্যা।

সাৰথিক ৰথচ্যুত কৰি তেওঁক মহাশঙ্কটত পেলাইছিল, কিন্তু অদ্ভুত ৰণকৌশলী অভিমন্যুৱে অকলশৰেই মহাবীৰ বৃহৎবলক ৰণত বিচেষ্টা কৰিব লাগিছে!"

"যুদ্ধকৰ্ত্তা ধৰ্ম্মৰাজ যুধিষ্ঠিৰে স্বয়ং তেওঁৰ সমনীয়া মদ্ৰৰাজৰে সৈতে তুমুল সংগ্ৰাম পাতিছে। দুয়ো ধীৰ আৰু স্থিৰ যোদ্ধা। মদ্ৰৰাজে এবাৰ ছেগ চাই তেওঁৰ প্ৰতিদ্বন্দীৰ হাতৰ ধনু কাটি খণ্ড খণ্ড কৰি পেলাইছিল; কিন্তু যুধিষ্ঠিৰে তত্তালিকে আন এখন কোবাল ধনুত শৰ যোজনা কৰি মদ্ৰৰাজৰ ওপৰত শৰ-বৃষ্টি বৰষি তেওঁক অস্থিৰ কৰি পেলাইছে।"

"একে সময়তে পাণ্ডৱ বাহিনীৰ ঘাইনেতা মহাবাহু ধৃষ্টদ্যুম্নই কৌৰৱ বাহিনীৰ গুৰি ধৰোঁতা ৰাজগুৰু দ্ৰোণাচাৰ্য্যক বিষম আক্ৰোশেৰে আক্ৰমণ কৰিছেগৈ। আচাৰ্য্যদেৱে তত্তালিকে অভিমানী পাঞ্চাল ৰাজ কোঁৱৰৰ হাতৰ ধনু তীক্ষ্ণ অস্ত্ৰেৰে কাটি খণ্ড খণ্ড কৰি এপাত কালান্তক শৰেৰে কোঁৱৰক শালি পেলাইছিল; কিন্তু মহাবীৰ্য্যৱন্ত দ্ৰুপদনন্দন ধৃষ্টদ্যুম্নই তালৈ কটাহি নকৰি, চৈধ্য জাতীয়া এপাত শৰেৰে দ্ৰোণাচাৰ্য্যকো বিদ্ধ কৰিলে। হে মহাৰাজ! দুয়ো সোঁৱা দুটা উন্মত্ত ষাঁৰৰ দৰে যুঁজিব লাগিছে!"

সঞ্জয় মন্ত্ৰীয়ে যথাস্থানৰপৰা দিব্যচকুৰে (১) চাই চাই অন্ধৰাজ ধৃতৰাষ্ট্ৰক উপস্থিত সংগ্ৰামৰ হু-বহু বৰ্ণনা দি, আকৌ এই বুলি কবলৈ ধৰিলে, "হে মহাৰাজ! ইমানলৈকে মই ঘাই ঘাই যোদ্ধাসকলৰ

---

(১) কুৰুক্ষেত্ৰ মহাৰণৰ এই আৰম্ভণী হোচাত ভগবান শ্ৰীকৃষ্ণই দেখাত সাৰথিৰ কৰ্ত্তব্য পালনত বাজে বিশেষ একো কৰা নাই; কিন্তু দৰাচলতে তেওঁৰ আদেশ-উপদেশ মতে হে পাণ্ডৱপক্ষ মতিস্থিৰ হৈ এই ৰণহেন্দোলনিত সোমাইছিল। কৌৰৱ আৰু পাণ্ডৱ এই প্ৰতিদ্বন্দী দুদলৰ মাজত শ্ৰীকৃষ্ণ সুবৰ্ণকণ্ঠৰ মাজৰ মণিটিৰ দৰে জিলিকিছিল।

মাজত লগা দ্বৈৰথ ৰণৰ বিষয়ে চমুকৈ বৰ্ণাই আহিছোঁ। তাত বাজেও দুয়োপক্ষৰ অলেখ বীৰমণ্ডলীৰ মাজত বিবিধ বিধিৰে সমানে সমানে সংগ্ৰাম চলিব লাগিছে। তদুপৰি, হেজাৰ-বিজাৰ ৰথাৰোহী, অশ্বাৰোহী হাতী-আৰোহী আৰু পদাতিকৰ মাজত নিৰ্দ্ধাৰিত নিয়মে নিয়াৰিকৈ ৰণ চলি আছিল, কিন্তু শেহান্তৰত দুয়োপক্ষই ৰণোন্মত্ত হৈ ৰণনীতি ভঙ্গ কৰি বেমেজালি ঘটাবলৈ ধৰিলে; এনেতে এই দৃশ্যত ৰণপণ্ডিত শ্ৰীকৃষ্ণৰ সূক্ষ্মদৃষ্টি পৰাত, আচম্বিতে ৰণকেন্দ্ৰত সামৰণীসূৰৰ শঙ্খধ্বনি বাজি উঠিল,—ততালিকে যোদ্ধাবৰ্গ ঠায়ে ঠায়ে ঠৰ লাগিল। আজিলৈ কুৰুক্ষেত্ৰ মহাৰণ আৰম্ভণৰ ইমানতে সামৰণ হল।"

---

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৪৫ অধ্যা।

# ৩১। অধ্যায়।

## ভীষ্মৰ শৰশয্যা।

আৰম্ভণ হৈ যোৱাৰ পাচত, নিতৌ নিৰ্দ্ধাৰিত নিয়মে যুদ্ধ চলিবলৈ ধৰিলে। কৰ্ত্তব্যপৰায়ণ ভীষ্মদেৱে পাণ্ডৱৰ প্ৰতি তেওঁৰ বাৎসল্য ভাবলৈ আওকাণ কৰি, সকলোৰে প্ৰতি সমদৃষ্টি ৰাখি, অকাতৰে ৰণ দিবলৈ ধৰিলে ; প্ৰতিদিনে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কৌৰৱ-পাণ্ডৱৰ মাজত তুমুল সংগ্ৰাম চলিবলৈ ধৰিলে, আৰু প্ৰতিদিনে দুয়োপক্ষৰ অসংখ্যাত বীৰ সেনা আৰু সেনাপতি ৰণত পৰিবলৈ ধৰিলে। দিনে দিনে ৰণৰ সৰ্ব্বগ্ৰাহী লক্ষণ এনেদৰে চৰি আহিল যে, ভীষ্মদেৱৰ দহদিনীয়া সেনাপতিত্বৰ মাজ ভাগতে পাণ্ডৱ পক্ষ সমূলি নাশ হোৱাৰ আগন্তক দেখা গল। তথাপি ৰণ চলিছে, তথাপি কোনো পক্ষ হতাশ হোৱা নাই।

দেখি দেখি সঞ্জয় মন্ত্ৰীয়ে কুৰুক্ষেত্ৰ মহাৰণৰ গতি আকৌ চমু-চমুকৈ অন্ধৰাজৰ আগত এইদৰে বৰ্ণাবলৈ ধৰিলে,—"হে মহাৰাজ! ৰণৰ গতি ক্ৰমাৎ ভীষণতৰ হবলৈ ধৰিছে, দুয়ো পক্ষই ৰণোন্মত্ত হৈ আপোন-পৰ নাবাছি প্ৰাণটাকি যুদ্ধ কৰিছে। কাৰ বল কিমান ক্ষয় হৈছে, তালৈ মন নকৰি প্ৰত্যেক পক্ষই, প্ৰত্যেক সেনানিয়ে শত্ৰুৰ প্ৰাণ লবলৈ বুলি নিজৰ প্ৰাণ উছৰ্গা কৰি আগ বাঢ়িছে! সেই অনুক্ৰমে ৰণুৱা হাতী-ঘোঁৰা আদিও উত্তেজিত হৈ পক্ষাপক্ষভাৱে যুঁজিব লাগিছে। আৰোহীৰ ইচ্ছা বুজি লাচতে আগুৱাই পাকতে ঘূৰি হাতী-ঘোঁৰা আদিয়ে কেন আপোন মনেৰেহে যুঁজিছে। ৰণোমত্ত হাতীৰ

গাজনি, ঘোঁৰাৰ চিলনি, ৰথৰ ঘৰ্ঘৰণি, ধনু-শৰৰ চোঁ-চোৱনি, তৰোৱালৰ চকচকনি, যাঠী, কালি, বৰছাদিৰ গিৰ্গিৰণি, গদাৰ চন্চননি, পদাতিকৰ গিৰিপনি ইত্যাদিৰ সানমিহলি শবদে অকথনীয় প্ৰলয়ৰ বাৰ্ত্তা দিয়া যেন বোধ হৈছে! ৰণত পৰা বিলাক পৰিছে, মৰা মৰিছে, কত আধামৰা আধাজীয়া হৈ গড়াগড়ি গৈছে, তাতৈ কাৰো ভ্ৰুক্ষেপ নাই; কোনো বিমুখ হোৱা নাই, কোনেও পিঠি দেখুৱা নাই; মাথোন ৰণতে মতি, ৰণতে গতি, ৰণতে ধাউতি! এই কেইদিনৰ ভিতৰতে কিমান যে ৰণুৱা পৰিল, তাৰ লেখ নাই" (১)। কিন্তু, পাচলৈ পাণ্ডৱবাহিনী নিতে নিস্তেজ হৈ পৰিবলৈ ধৰিলে, নিতে পাণ্ডৱ ৰণবল ক্ষীণাই যাবলৈ ধৰিলে, পাণ্ডৱ পক্ষ নিতে হতাশ হবলৈ ধৰিলে। নিতৌ নিৰ্দ্ধাৰিত সময়ৰপৰা ৰণ লাগে, নিতৌ সন্ধ্যাপৰত পাণ্ডৱ পক্ষ জুকলা হৈ শিবিৰলৈ ওলটে! শেহান্তৰত দেখা গল যে, এইদৰে ক্ষয় হব লাগিলে ভীষ্মদেৱৰ সেনাপতিত্ব অন্ত পৰাৰ আগেয়েই পাণ্ডৱ ৰণবল অন্ত পৰিবগৈ। গতি-গোত্ৰ দেখি পাণ্ডৱ-শিবিৰ ক্ৰমাৎ জঁয় পৰি আহিল, আৰু আনহাতে কৌৰৱ শিবিৰ উলাহত উদ্দীপ্ত হৈ উঠিল। এই কথাই পাণ্ডৱ পক্ষৰ নেতাবৰ্গক চিন্তাকুল কৰিলে, যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰৰ চিন্তাত মুৰ দোঁ খালে। এনে সময়াত, এনে আসন্ন বিপদত, পাণ্ডৱবান্ধৱ বুদ্ধিস্বৰ্গনাৰায়ণ ৰণপণ্ডিত শ্ৰীকৃষ্ণদেৱে সেই চিন্তালোচনাৰ ভাৰ স্বয়ং মুৰ পাতি ললে। তেওঁৰ চিন্তাই ততালিকে চুকি পালে যে, এই মহাৰণত পাণ্ডৱ পতনোন্মুখ হোৱাৰ আচল কাৰণ অৰ্জ্জুন। অৰ্জ্জুনে পিতামহ ভীষ্মদেৱৰ প্ৰতি মমতাত (২) তেওঁৰে সৈতে মৃদু যুদ্ধ কৰা হেতুকেই তেওঁৰ তেজ ক্ৰমাৎ বাঢ়ি গৈছে, আৰু তেওঁ আদৰ্শ

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৪৬ অধ্যা।
(২) মহাভাৰত ভীষ্মপৰ্ব্ব, ৫৯ অধ্যা।

কৰ্ত্তব্যপৰায়ণ পুৰুষ হেতুকে সামৰিক শত্ৰু পাণ্ডৱপক্ষক ধ্বংস কৰিবলৈ পূৰ্ণবল প্ৰয়োগ কৰিছে। এই ভাবি, পৰমানন্দ বাসুদেৱে আনন্দমনেৰে নিৰানন্দ যুধিষ্ঠিৰক সাক্ষাৎ কৰি, হাঁহি হাঁহি এইবুলি আশ্বাস দিবলৈ ধৰিলে, "হে অগ্ৰজপ্ৰতিম পাণ্ডৱশ্ৰেষ্ঠ! আপুনি হতাশ হোৱাৰ কোনো কাৰণ নাই; আজ্ঞা কৰোক মই ভীষ্মদেৱক কাইলৈকে বধ কৰোঁ। কিন্তু, এই কাৰ্য্য অৰ্জ্জুনৰ দ্বাৰায়ো সাধিত হব পাৰে গতিকেহে মই যুদ্ধ নকৰোঁ বোলা প্ৰতিজ্ঞা পাৰ্য্যমানে পালন কৰি আছোঁ। আপোনাৰ আজ্ঞা হলে, অৱশ্যে মোৰ প্ৰতিজ্ঞা ভঙ্গ হোৱাত দোষ নঘটিব পাৰে।"

অনুজপ্ৰতিম শ্ৰীকৃষ্ণদেৱৰ এনে সাদৰী কথাত মোহিত হৈ, কৃষ্ণপ্ৰাণ ধৰ্ম্ম-যুধিষ্ঠিৰে গদগদভাৱে এইবুলি সমিধান দিলে, "নালাগে তোমাৰ প্ৰতিজ্ঞা ভঙ্গ হব। মই সিমান স্বাৰ্থপৰ নহওঁ। মই পৰাস্ত হওঁ, মই সবংশে ধ্বংস হওঁ, তাত মোৰ সিমান বেজাৰ নাই; কিন্তু মোৰ হস্তে তোমাৰ প্ৰতিজ্ঞা ভঙ্গ হবলৈ নিদিওঁ।"

সেই সন্ধ্যা সিমানতে। পিচদিনা ভীষ্মদেৱৰ সেনাপতিত্বৰ নৱম দিন আহিল। এই দিন এটা মহাসমস্যাৰ দিন। সেই নৱমী দিনা ভীষ্মদেৱ বিজয়ী হৈ শিবিৰলৈ উলটিব লাগিলে, পিচদিনা—দশমী দিনা—ভীষ্ম সেনাপতিত্বৰ শেহদিনা—আৰু পাণ্ডৱ পক্ষ তিষ্ঠিবৰ সম্ভাৱনা নাই। গতিকে, সেইদিনা ভীষ্মাৰ্জ্জুনৰ ৰণ লগাই দি, ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ ৰণকাৰ্য্যৰ গতিগোত্ৰ লক্ষ্য কৰিবলৈ ধৰিলে। অৰ্জ্জুনে অতি কাতৰভাৱে অনিচ্ছাৰে সৈতে মৃদুযুদ্ধ কৰে; সেই ছেগতে ভীষ্মদেৱে অসংখ্য পাণ্ডৱসেনা নিপাত কৰে।

এনেতে, ভীষ্মৰ বলত বলিয়ান কৌৰৱ সৈন্যই কেইওফালৰপৰা বেৰি ধৰি কৃষ্ণ সমন্বিতে অৰ্জ্জুনৰ ৰথ গৰাহ মাৰি ধৰিলেগৈ। এনে আসন্ন সময়ত, শ্ৰীকৃষ্ণৰ সেনাপতি মহাৰথ সাত্যকিয়ে বিষম বিক্ৰমেৰে

পথ উলিয়াই গৈ সসৈন্যে কেশৱৰ কাষ চাপিলেগৈ। সাত্যকিয়ে কৃষ্ণাৰ্জ্জুনৰ উদ্ধাৰৰ অৰ্থে উত্ৰাৱল হৈ অহা দেখি, কংসচানুৰমৰ্দ্দন মধুনিসূদন মহাবাহু শ্ৰীকৃষ্ণই হাঁহি মাৰি সাত্যকিক এইবুলি সম্বোধন কৰিলে,—"হে শিনিবংশতিলক মহাৰথ! আমাৰ সাহায্যাৰ্থে এই সময়ত তুমি অহাৰ প্ৰয়োজন নাছিল। পাণ্ডৱপক্ষীয় সৈন্য-সামন্ত যি পলাইছে, পলাবলৈ দিয়াঁ; আৰু যি আছে, যায় যদি সিবিলাককো যাবলৈ দিয়াঁ। মই এতিয়াই অকলেই ভীষ্মক বধ কৰি দ্ৰোণকো সসৈন্যে নিপাত কৰোঁ চোৱাঁ।"

এইবুলি, মূৰ্ত্তিমান ভগৱান শ্ৰীকৃষ্ণই ততালিকে ৰুদ্ৰৰূপ ধাৰণ কৰি আৰু ৰণোল্লাহত উলাহিত হৈ, ৰথৰ ঘোঁৰাৰ বাঘজৰী দলিয়াই পেলাই, জাঁপমাৰি ৰথৰপৰা নামি, ৰথৰ চকৰি এটা বুটলি লৈ চক্ৰৱত (১) ঘুৰাই ঘুৰাই ভীষ্মক আক্ৰমণ কৰিবলৈ উৰাৰত হৈ ধাবিত হল। শ্ৰীকৃষ্ণৰ সেই আগন্তুক আক্ৰমণলৈ লক্ষ্য কৰি, কৃষ্ণভক্ত ভীষ্মদেৱে পৰম আহ্লাদেৰে এইবুলি তেওঁক আহ্বান কৰিবলৈ ধৰিলে,—"হে দেৱেশ! হে জগন্নিবাস! আহাঁ, আহাঁ, হে শাৰ্ঙ্গগদাপাণি! তোমাক নমস্কাৰ কৰোঁ। হে লোকনাথ! হে ভূতশৰণ্য! এই যুদ্ধত মোক অনতিপলমে এই ৰথতে নিপাত কৰি উদ্ধাৰ কৰাঁহি (২)। কিন্তু

---

(১) শ্ৰীকৃষ্ণৰ অন্যতম ৰণাস্ত্ৰ আছিল চক্ৰ। ৰথৰ চকৰি ঘুৰাই ভীষ্মদেৱ প্ৰমুখ্যে যুদ্ধাৰ্থীসকলক বাসুদেৱে তাৰ নিদৰ্শন দেখুৱালে।

(২) এহেহি দেৱেশ জগন্নিবাস
নমোঽস্তু তে শাৰ্ঙ্গগদাপাণে।
প্ৰসহ্যমাং পাতয়ে লোকনাথ
ৰথোত্তমাং ভূতশৰেণ্য সংখ্যে।"

—মহাভাৰত, ভীষ্মপৰ্ব্ব, ৫৯ অধ্যা।

ইয়াৰপৰাই বুজা যায়, মহামতি ভীষ্মদেৱৰ কৃষ্ণভক্তি কিমান গভীৰ আছিল; আৰু তেওঁ শ্ৰীকৃষ্ণত ঈশ্বৰত্ব আৰোপ কৰাৰ ই এটা বিশিষ্ট প্ৰমাণ।

প্ৰভো। তুমি যুদ্ধ নকৰোঁ বুলি প্ৰতিজ্ঞা (১) কৰোঁতে মযো প্ৰতিজ্ঞা কৰিছিলোঁ, তোমাক এদিন যুদ্ধাস্ত্ৰ ধৰাই হে এৰিম বুলি। ধন্য মই, মোৰ সেই প্ৰতিজ্ঞা আজি ৰক্ষা পৰিল; আৰু ধন্য তোমাৰ ভকতবৎসলতা, তুমি আত্মপ্ৰতিজ্ঞা ভঙ্গ কৰিও ভকতৰ প্ৰতিজ্ঞা ৰক্ষা হেতু ইমান কৃপা কৰিলা।"

ভগৱান শ্ৰীকৃষ্ণৰ মূৰ্ত্তি দেখি অৰ্জ্জুনৰ চুৰ্ত্তি হেৰাল। ৰথীৰ বৰ্ত্তমানে সাৰথিয়ে যুদ্ধ দিয়ে এতিয়া! বিশেষ, শিষ্যৰ শিথিলতাত গুৰুৰ প্ৰতিজ্ঞা ভঙ্গ হয়! এই দুটা ভাবে অৰ্জ্জুনক টাল মাৰি ধৰিলে। তেওঁ উপায়ন্তৰ হৈ উন্মাদৰ দৰে ৰথৰপৰা জঁপিয়াই নামি, শ্ৰীকৃষ্ণৰ পিচে পিচে লৰি গৈ, তেওঁক কঁকালত গৰামাৰি ধৰি ৰখাবলৈ চেষ্টা কৰিলেগৈ। কিন্তু, উত্ৰাৱল কৃষ্ণবীৰক অৰ্জ্জুন হেন মহাবাহুৱে পূৰ্ণবলেৰে ধৰিও ৰখাব নোৱাৰিলে; প্ৰমত্ত সিংহই বান্ধৰ খুঁটা উভালি উৰাই লৈ যোৱাদি যদুবীৰে পাণ্ডৱবীৰক ওফৰাই লৈ দহ কদমমান আগবাঢ়ি গৈছে, এনেতে পাৰ্থ বীৰে, নিৰুপায় হৈ, অগত্যা আগচি ধৰি পাণ্ডৱ-বান্ধৱ বাসুদেৱৰ দুটি পাৱৰ মাজত মূৰ গুজি ৰখা দি, এই বুলি স্তুতি কৰিবলৈ ধৰিলে,—"হে কেশৱ! কৃপা কৰি ক্ৰোধ সংবৰণ কৰাঁ। তুমি পাণ্ডৱৰ বল, তুমি পাণ্ডৱৰ গতি, তুমি পাণ্ডৱৰ আশ্ৰয়! হে প্ৰভো! মোৰ অপৰাধ ক্ষমা কৰাঁ। হে অন্তৰ্য্যামী পৰমাত্মা! তোমাৰ অবিদিত কি আছে! মই পিতামহ ভীষ্মৰ প্ৰতি মৃদু যুদ্ধ কৰাটো সঁচা। কিন্তু, তোমাৰ চৰণ চুই মই প্ৰতিশ্ৰুত হৈছোঁ, মোৰ প্ৰাণপ্ৰতিম পুত্ৰগণৰ আৰু

(১) ইয়াৰ আগেয়ে "শ্ৰীকৃষ্ণ" মধ্যলীলাখণ্ডত কোৱা গৈছে যে, আজিৰ এই কুৰুক্ষেত্ৰ মহাৰণলৈ বাসুদেৱক বৰণ কৰিবলৈ যাওঁতে, অৰ্জ্জুন আৰু দুৰ্য্যোধনৰ আগত যদুসিংহ শ্ৰীকৃষ্ণই যুদ্ধ নকৰোঁ বুলি এইদৰে প্ৰতিজ্ঞা কৰিছিল,— "অযুধ্যমানঃ সংগ্ৰামে ন্যস্তশস্ত্ৰোহহং মেকতঃ।"

প্ৰাণাধিক অগ্ৰজ আৰু অনুজগণৰ শপত খাই অঙ্গীকাৰ কৰিছোঁ, মই আৰু ভীষ্মদেৱৰ মমতাত কাতৰ নহওঁ; ইয়াৰ পাচত মই প্ৰাণটাঁকি যুঁজি ভীষ্ম আৰু দ্ৰোণক বধ কৰি কৌৰৱৰ ৰণবল সমূলি নাশ কৰিম। এতেকে, হে কৃষ্ণ! ইমানতে কৃপা কৰাঁ।" (১)

অৰ্জ্জুনৰ স্তুতিতকৈও প্ৰতিশ্ৰুতিত অধিক তুষ্ট হৈ, শ্ৰীকৃষ্ণদেৱে উলটি আকৌ ৰথত চৰিলেহি। অৰ্জ্জুনেও ৰথত চৰি নিজৰ আসনত বহি পুনঃ ৰণলৈ সষ্টম হৈ মহাধনু গাণ্ডীবত টঙ্কাৰ দিলেহি। শ্ৰীকৃষ্ণই তেওঁৰ জগত-উদ্দীপক 'পাঞ্চজন্য' শঙ্খ কেইওমুখে বজাবলৈ ধৰিলে। হতাশৰ খুন্দাত ঠৰ হোৱা পাণ্ডৱবাহিনী পুনঃ ঠন্ ধৰি উঠিল,—গোটেই পাণ্ডৱ শিবিৰত সঞ্জীৱনী শক্তি পুনৰপি সঞ্চাৰিত হল; তাৰ লগে লগে আচম্বিতে পাণ্ডৱ পক্ষক উদ্দীপ্ত হোৱা দেখি কৌৰৱ পক্ষ আচৰিত হৈ আকৌ জঁয় পৰিল। গছে পাত সলোৱাৰ দৰে ৰণে বৰণ সলালে, নতুন পাত-চোতেৰে জপ্‌জপীয়া জীৱন্ত গছৰ নিচিনা হৈ পাণ্ডৱবাহিনী পুনৰপি টনকিয়াল হৈ উঠিল; অৰ্জ্জুন আকৌ অৰ্জ্জুন হল। দশমী দিনা অৰ্জ্জুনে দয়া-মমতা, মায়া-মোহ সকলো পৰিত্যাগ কৰি পূৰ্ণবলেৰে ভীষ্মদেৱৰে সৈতে প্ৰাণপণে ৰণ কৰিবলৈ ধৰিলে। কৌৰৱ আৰু পাণ্ডৱৰ এই সৰ্ব্বশ্ৰেষ্ঠ অজেয় বীৰ দুজনৰ তুমুল সংগ্ৰামে মেদিনী কঁপাবলৈ ধৰিলে, আকাশৰপৰা বৰষুণ পৰাদি দুইৰো ওপৰত দুইৰে বাণবৃষ্টি বৰষিবলৈ ধৰিলে, অসংখ্যাত সেনা-সেনাপতি ৰণত পৰিবলৈ ধৰিলে; হয়-হস্তী, আহিলা-পাতি আদি ক্ষয়ৰ সীমা-সংখ্যা নোহোৱাত পৰিল, ৰণোন্মত্ত ৰণুৱাৰ মাজত আকৌ কাকো কেৱেঁ চিনিব নোৱাৰা হল, অৰ্জ্জুন আৰু ভীষ্মদেৱ দুয়ো তেজেৰে বাঙ্গলী হল, কোনো অঙ্গৰ কোনো অংশত দু-আঙুল ফাঁক নথকাকৈ ভীষ্মদেৱ শৰবিদ্ধ হল। এই অনুক্ৰমে বিবিধ

(১) মহাভাৰত, ভীষ্মপৰ্ব্ব, ৫০ আধ্যা।

কৌশলেৰে ৰণ চলিব লাগিছে, অদ্ভুত সাৰথি শ্ৰীকৃষ্ণই বিচক্ষণীয়া কৌশলেৰে ৰথ চলাই অৰ্জ্জুনক পাকেপতি আসন্ন শঙ্কটৰপৰা সৰুৱাব লাগিছে, আৰু পাকেপতি বিপক্ষ ৰথীক ঠেকত পেলাই দি সাংঘাতিক আঘাত দিয়াব লাগিছে। এনেতে, দুৰ্জ্জয় গিৰি উভলি পৰাৰ দৰে, বিৰাট পুৰুষ দুৰ্জ্জয় বীৰ ভীষ্মদেৱ ৰথৰপৰা উফৰি ৰণভূমিত চিট্‌খাই পৰিলগৈ; ভূমিত পৰিল, কিন্তু প্ৰকৃতপক্ষে তেওঁৰ শৰীৰে ভূমি স্পৰ্শ কৰিবলৈ নাপালে, অসংখ্যাত শৰবিদ্ধ শৰীৰ আলাসতে শৰশয্যাত (১) শায়িত হৈ ৰল! ভীষ্ম-পতনত শত্ৰু-মিত্ৰ, সপক্ষ-বিপক্ষ, সকলোৰে মাজত সমভাৱে হাহাকাৰ লাগি উঠিল; দুৰ্য্যোধন আৰু কৃপাচাৰ্য্যই বিলাপত গছৰ পাত লৰাবলৈ ধৰিলে, কৌৰৱ-পাণ্ডৱ উভয় শিবিৰ শোকত জঁয় পৰিল (২)। বয়সত সবাতকৈ বৃদ্ধ, সবাৰো পিতামহ সমতুল্য;

---

(১) এয়ে "ভীষ্মৰ শৰশয্যাৰ" মূল তথ্য।

(২) কোনোৱে ভীষ্মৰ পতন বা শৰশয্যা এইদৰেও বৰ্ণায় :—

যেনে, ভীষ্মদেৱৰ ৰণবীৰ্য্যৰ প্ৰভাৱত যেতিয়া পাণ্ডৱ পতনোন্মুখী হল, তেতিয়া উপায়ান্তৰ হৈ যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰে পাণ্ডৱ শিবিৰত যথা যুগুতি কৰি, অমৰ অজেয় ভীষ্মদেৱৰ মৰণৰ উপায় ভীষ্মদেৱক সুধিবলৈ যথাবিধি কৌৰৱ শিবিৰত প্ৰৱেশ কৰিলেগৈ। উদাৰচেতা মহামতি ভীষ্মদেৱে অকাতৰে আৰু অকপট চিত্তেৰে নিজ মৰণোপায় নিজে এই বুলি কৈ দিলে, "হে পাণ্ডুনন্দন! সচাঁকৈয়ে মোক নৰধিলে পাণ্ডৱৰ নিস্তাৰ নাই। মোৰ স্ব-হাতে পালিত নাতি পঞ্চপাণ্ডৱ মোৰ হাতত বিনষ্ট হোৱাতকৈ সিবিলাকৰ হাতত মোৰ পতন হোৱাটো অধিক বাঞ্ছনীয়। এতেকে, মোৰ বধৰ উপায় কওঁ শুনা :—মই তিৰোতালৈ চাই ৰণ নকৰোঁ; মই অজ্ঞ্যন্ত লোকক নবধোঁ; মই অমঙ্গলীয়া মানুহৰ আগত শৰ যোজনা নকৰোঁ। পাণ্ডৱ পক্ষত তেনেকুৱা লোক বৰ্ত্তমান আছে,—তেওঁ দ্ৰুপদনন্দন শিখণ্ডী। শিখণ্ডী জন্মত, তিৰোতা, পালনত পুৰুষ। এতিয়া তেওঁক নপুংসক বোলা যায়। গতিকে, তেওঁ মোৰ চকুত অতি অমঙ্গলীয়া। শিখণ্ডীক দেখিলে মই ৰণত নিবৃত্ত হওঁ। এতেকে

জ্ঞানত সবাতকৈ গভীৰ, সবাৰো জ্ঞানদাতা; বুদ্ধিত সবাতকৈ তীক্ষ্ণ, সবাৰকে সৎ বুদ্ধি দিওঁতা; অভিজ্ঞতাত সবাতকৈ বিজ্ঞ সবাৰে পিতৃপুৰুষৰ বুৰঞ্জী কওঁতা; ৰাজনীতি, সমাজনীতি, ধৰ্ম্মনীতিত অগাঢ় পণ্ডিত; সৰ্ব্বশাস্ত্ৰ বিশাৰদ; মহাধাৰ্ম্মিক। সেই হেন মহামতি ভীষ্মদেৱৰ পতনত অটল ভগৱান শ্ৰীকৃষ্ণও টলিবলৈ ধৰিলে;—তেওঁ অতি ব্যথিত হৃদয়েৰে কাতৰ কণ্ঠেৰে এইবুলি খেদ কৰিছিল,—"হাঁয়, পৃথিবীৰ জ্ঞান পৃথিবীৰ গৰ্ত্তত লয় হয় আজি!"

সদৌশেহত, শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসৰি, যুধিষ্ঠিৰ প্ৰমুখ্যে পাণ্ডৱ পক্ষীয় জ্ঞানপিপাসুসকলে মৃত্যুমুখী ভীষ্মদেৱৰ মুখে নানাবিষয়িনী নীতি উপদেশ (১) গ্ৰহণ কৰি কৃতাৰ্থ লাভ কৰিলেগৈ। এই দৰেই শ্ৰোতাবৰ্গক বিবিধ জ্ঞানগৰ্ভ উপদেশ দি থাকোতেই দিনচাৰেকৰ মূৰত সূৰ্য্যৰ উত্তৰায়ণ স্থিতিত (২) আত্মজ্ঞান-জ্যোতি সংবৰণ কৰি, পুণ্যাত্মা ভীষ্মদেৱে ইচ্ছামৃত্যুৰ আলিঙ্গনত চিৰশান্তি লাভ কৰিলে। (৩)

---

কাইলৈৰ ৰণত অৰ্জ্জুনৰ ৰথত শিখণ্ডীকো একাৰেদি সহৰাই ললেই মোৰ আৰু অস্ত্ৰ ধৰা নহব। সেই হেগতে অৰ্জ্জুনে মোক অসংখ্য শৰবিদ্ধ কৰি শৰশয্যাত শয়ন কৰাব। সেয়ে মোৰ পতন।" পিচদিনা—দশমীৰ দিনা—ৰণত ঠিক সেয়ে হল। পিচে, ই কল্পিত নে প্ৰকৃত, পাঠকে নিজৰ বুদ্ধি-বিবেচনাই তাৰ বিচাৰ লবলৈ আমি সেই বিষয় সেই ভাগেই এৰিলোঁ।

(১) ভীষ্মদেৱ সৰ্ব্বশাস্ত্ৰ বিশাৰদ; তথাপি নীতিশাস্ত্ৰত তেওঁৰ ব্যুৎপত্তি বিশেষ। তেওঁ নীতিৰ সেকালত ৰৰূপ আছিল।

(২) ভীষ্মদেৱৰ পতনৰ দিনা সূৰ্য্যৰ স্থিতি দক্ষিণায়নত আছিল; গতিকে অসীম মনোবলেৰে তেওঁ উত্তৰায়ণ স্থিতিলৈ কেইদিনমান অপেক্ষা কৰি জনুজ্ঞাস ধৰাকৈ আছিল। সেই কাৰণতে ভীষ্মদেৱৰ মহাপ্ৰয়াণক ইচ্ছামৃত্যু বোলা হয়।

(৩) মহাভাৰত, শান্তিপৰ্ব্ব।

# ৩২। আখ্যা।

## অভিমন্যু বধ।

ভীষ্মদেৱৰ পতনত কৌৰৱ পক্ষ নিস্তেজ হৈ পৰিল; দুৰ্য্যোধন হতাশৰ খুন্দাত জঁয় পৰিল। তথাপি, উপায়ন্তৰ হৈ কৌৰৱ শিবিৰত সামৰিক সমিতিৰ (১) বিশেষ বৈঠক তেওঁ আহ্বান কৰিলে। সেই বৈঠকতে মহাবীৰ কৰ্ণৰ প্ৰস্তাৱ আৰু সৰ্ব্বসন্মতিক্ৰমে কৌৰৱ, পাণ্ডৱ আৰু প্ৰায় সদৌ ৰাজন্যবৰ্গৰ প্ৰখ্যাত অস্ত্ৰগুৰু পূজনীয় দ্ৰোণাচাৰ্য্যক ভীষ্মদেৱৰ ঠাইত কৌৰৱপক্ষীয় মাই সেনাপতিৰ বাবত বৰণ কৰা হল। আৰ্য্যাৱৰ্ত্তৰ নানা ঠাইৰপৰা আহি কুৰুক্ষেত্ৰ-মহাৰণত প্ৰবৃত্ত হোৱা কৌৰৱ-পাণ্ডৱ উভয় পক্ষৰে ধনুৰ্দ্ধৰ বীৰ সকলোৰে অস্ত্ৰশিক্ষক-গুৰুদেৱ দ্ৰোণাচাৰ্য্যই প্ৰধান নেতৃত্বৰ ভাৰ গ্ৰহণ কৰাত কৌৰৱ পক্ষ আকৌ ঠন্ ধৰি উঠিল।

পিচদিনা, কুৰুক্ষেত্ৰ-মহাৰণৰ একাদশীত, যুদ্ধ আকৌ আৰম্ভ হল। পাণ্ডৱ পক্ষ আকৌ সেই একে কাৰণতে বিমৰ্ষৰ ঘাটি ভুকলা হৈ শিবিৰলৈ উলটিব লগীয়া হল। তাৰ পিচদিনা পাণ্ডৱ পক্ষ অত্যোধিক উৎসাহিত হৈ পৰিল, আৰু কৌৰৱ পক্ষ ক্ৰমাৎ উল্লসিত হৈ উঠিল।

---

(১) আসন্ন আপদৰপৰা মুক্তিৰ যুক্তি কৰাৰ উদ্দেশ্যে ৰণশিবিৰত সামৰিক আলোচনা সভাৰ বৈঠকৰ ৰীতি পুৰাকালৰেপৰা চলি আছিল।

কাৰণ, পিতামহ ভীষ্মদেৱৰ লগত অৰ্জ্জুনে মৃদুযুদ্ধ কৰাৰপৰা যি ফল ধৰিছিল, অস্ত্ৰশিক্ষক-গুৰু দ্ৰোণাচাৰ্য্যৰ লগতো অৰ্জ্জুনে সেই মৃদুযুদ্ধ কৰা হেতুকে আকৌ সেই ফলেই ফলিয়াবলৈ ধৰিলে। ভীষ্মদেৱৰ নেতৃত্বত পাণ্ডৱপক্ষৰ পৰাজয়ৰ লক্ষণ যি ৰূপে দেখা গৈছিল, দ্ৰোণাচাৰ্য্যৰ নেতৃত্বত ততোধিক দেখা গল। কাৰণ, শিক্ষাগুৰু দ্ৰোণাচাৰ্য্যৰ প্ৰতি তীক্ষ্ণ অস্ত্ৰ নিক্ষেপ কৰিবলৈ অতি প্ৰিয়শিষ্য (১) অৰ্জ্জুনৰ কোনোমতেই সত নাযায়! গতিকে, সাৰথি শ্ৰীকৃষ্ণ আকৌ চিন্তান্বিত হল।

একেসময়তে পাণ্ডৱৰ ওপৰত হেঁচাৰ উপৰি হেঁচা! সিফালে দ্ৰোণাচাৰ্য্যৰ বিক্ৰম সহিব নোৱাৰি পাণ্ডৱ পক্ষ ত্ৰাহি-ত্ৰাহি; ইফালে আন এজন মহাপৰাক্ৰমী বীৰ, কামৰূপৰ অধিপতি ভগদত্তৰ (২) বিক্ৰমৰ আগত কোনো এজন বীৰেই ঠাৰৱিব নোৱাৰাত পৰিল, মাথোন অৰ্জ্জুনে ছেগ বুজি তেওঁৰ গৰাহৰপৰা পাণ্ডৱপক্ষীয় যোদ্ধাসকলক ৰক্ষা কৰি আছিল। শেহাস্তত, অৰ্জ্জুনে সেই ছেগ ধৰিবলৈ আজৰি নোপোৱা হলত, ভগদত্তৰ গৰাহৰপৰা ৰক্ষা পোৱাটোৱেই পাণ্ডৱসকলৰ পক্ষে অসম্ভৱ হৈ পৰিল। গতিকে, এই সমস্যাতো ৰণপণ্ডিত মহাবাহু শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰ-মহাৰণত অস্ত্ৰধাৰণ

(১) অস্ত্ৰ-শিক্ষাগুৰু দ্ৰোণাচাৰ্য্যৰ শিষ্যসকলৰ ভিতৰত অৰ্জ্জুন সবাতকৈ অধিক প্ৰিয়শিষ্য আছিল। সেই কাৰণেই তেওঁ অৰ্জ্জুনক কেইবাটিও বিচক্ষণীয়া শৰসন্ধানৰ আৰু ৰণ-ৰচনাৰ প্ৰণালী আনতকৈ বঢ়াই শিক্ষা দিছিল; যেনে,—গুৰুসংকাৰ আৰু গুৰুমাননী প্ৰদৰ্শক শৰযোজনা, চক্ৰব্যূহ ৰণ-ৰচনা ইত্যাদি। এই বিশেষ শিক্ষালাভৰ বলতে অৰ্জ্জুন বিশেষ বীৰ্য্যবান ধনুৰ্দ্ধৰ স্বৰূপে প্ৰখ্যাত হৈছিল।

(২) ভগদত্ত নৰকাসুৰৰ ৰবপুত্ৰ; কামৰূপৰ অধিপতি। তেওঁ কুৰুক্ষেত্ৰ-মহাৰণত এক অক্ষৌহিণী কামৰূপী সেনাৰে সৈতে কৌৰৱ পক্ষক সহায় কৰিছিলগৈ। এই কথা ইতঃপূৰ্ব্বতে “শ্ৰীকৃষ্ণৰ” মধ্যলীলা খণ্ডত উন্নুকিবা হৈছে।

নকৰাকৈ ৰণজয়ী হৈ পাণ্ডৱপক্ষক ৰক্ষা কৰিবলৈ চিন্তালোচনা কৰিব লগাত পৰে। (১)

এনেতে, দ্ৰোণৰ প্ৰতিজ্ঞা চৌপাশে ৰাষ্ট্ৰ হৈ পৰিল যে, পিচদিনা তেওঁ পাণ্ডৱৰাজ যুধিষ্ঠিৰক নিশ্চয় বন্দী কৰি কৌৰৱৰাজ দুৰ্য্যোধনৰ হাতত গতাই দিবগৈ। এই ৰাষ্ট্ৰসংবাদত পাণ্ডৱ শিবিৰত আতঙ্ক উপস্থিত হল। কিন্তু, পাণ্ডৱ আৰু কৌৰৱ শিবিৰত সকলোৰে দৃঢ় বিশ্বাস যে, অৰ্জ্জুনৰ বৰ্ত্তমানে দ্ৰোণাচাৰ্য্যৰ সেই সংকল্প কাৰ্য্যত পৰিণত হোৱা সম্ভৱপৰ নহয়। সেই কাৰণে, কৌৰৱ শিবিৰত আকৌ সামৰিক সমিতিৰ বৈঠক হল। তাত বৃদ্ধ ব্ৰাহ্মণ ৰণপণ্ডিত দ্ৰোণাচাৰ্য্যৰ পৰামৰ্শ মতে এই স্থিৰ হল যে, সেই দিনা অৰ্জ্জুনক আঁতৰাই ৰাখিবৰ অৰ্থে, সিফালে সংসপ্তক সেনাই (২) তেওঁক ৰণলৈ আহ্বান কৰক। অৰ্জ্জুন

---

(১) অৰ্জ্জুনক জিনিব পাৰিলেই ভগদত্তই কুৰুক্ষেত্ৰ-মহাৰণত বিজয়ী নাম-গৌৰৱ লাভ কৰিব পাৰে; সেই কাৰণে তেওঁ বোলে বিষ্ণুভক্ত অৰ্জ্জুনৰ প্ৰতি বৈষ্ণৱ বাণ নিক্ষেপ কৰিবলৈ ধৰিলে। বৈষ্ণৱ বাণ কৰ্ত্তন কৰা অৰ্জ্জুনৰ ধৰ্ম্মবিৰোধী কৰ্ম্ম; গতিকে, ভগবান শ্ৰীকৃষ্ণই অৰ্জ্জুনক ঢাকি ধৰি, স্বয়ং সেই বাণ বুকু পাতি গ্ৰহণ কৰিছিল। কৃষ্ণবক্ষত মিলিত হৈ সেই বৈষ্ণৱ বাণ বৈজয়ন্তী মালাৰূপে প্ৰলম্বিত হৈছিল। কোৱা বাহুল্য মাথোন যে, ইও এটা কেৱল মহাভাৰত প্ৰক্ষিপ্ত ব্যাপাৰ।

(২) এই সংসপ্তক সেনা "নাৰায়ণী সেনা" নামেও অভিহিত। ইয়াৰ সৃষ্টিকৰ্ত্তা স্বয়ং শ্ৰীকৃষ্ণ। বৃন্দাবনত এই গোপসেনাদল নন্দনন্দন ব্ৰজেশ্বৰ বাসুদেৱ শ্ৰীকৃষ্ণই গঠন কৰাৰ বিষয়ে "শ্ৰীকৃষ্ণ"ৰ আদ্যলীলা খণ্ডত বহলাই বৰ্ণোৱা হৈছে। আৰু, শ্ৰীকৃষ্ণক কুৰুক্ষেত্ৰ-ৰণলৈ বৰণ কৰিবলৈ যাওঁতে, এই নাৰায়ণী সেনাদল দুৰ্য্যোধনক দান কৰি, শ্ৰীকৃষ্ণই নিজে অকলে অৰ্জ্জুনৰ পক্ষ অৱলম্বন কৰি, কৌৰৱ আৰু পাণ্ডৱ উভয়কে সমানে সন্তুষ্ট কৰাৰ বিষয়েও "শ্ৰীকৃষ্ণ"ৰ মধ্যলীলা খণ্ডত বহল বিবৃতি দিয়া গৈছে।

আঁতৰিলেই তেওঁৰ সাৰথি পাণ্ডৱ-বুদ্ধি শ্ৰীকৃষ্ণ আঁতৰ হব। সেই হেগতে দ্ৰোণাচাৰ্য্যই এক অদ্ভূত ব্যূহ ৰচনা কৰি পাণ্ডৱৰাজ যুধিষ্ঠিৰক ৰণলৈ আহ্বান কৰিব। অৰ্জ্জুনত বাজে দ্ৰোণাচাৰ্য্যৰ ব্যূহ-ভেদ কৰোঁতা আৰু কেওঁ নাই। গতিকে, ধৰ্ম্মপ্ৰাণ যুধিষ্ঠিৰ অযাচিতে শৰণাপন্ন হব। পিচদিনা ঠিক তাকে কৰা হল। সংসপ্তক সেনাৰ আহ্বান পালন কৰিবলৈ (১) বাধ্য হৈ, কৃষ্ণাৰ্জ্জুন আঁতৰি গৈ সেই নাৰায়ণী সেনাৰ লগত ৰণত প্ৰবৃত্ত হলগৈ। ইফালে দ্ৰোণাচাৰ্য্যৰ আহ্বান পাই যুধিষ্ঠিৰ বিবুদ্ধি হল; কিয়নো অৰ্জ্জুনত বাজে দ্ৰোণাচাৰ্য্যৰ ব্যূহ ভেদ কৰা শিক্ষা আনৰ নাই। গতিকে, পাণ্ডৱ শিবিৰত হাহাকাৰ লাগি উঠিল; ভীম, নকুল, সহদেৱ, সাত্যকি প্ৰমুখ্যে সকলোটি যুধিষ্ঠিৰক আগত লৈ সামৰিক সমিতিৰ বৈঠকত বহিল। এনেতে, ষোল বছৰীয়া পাণ্ডৱকুলতিলক কৈশোৰ কেশৰী সুভদ্ৰানন্দন অভিমন্যুই দ্ৰোণাচাৰ্য্যৰ সেই অভেদ্য ব্যূহ ভেদ কৰিবলৈ পৰম উলাহেৰে আগ বাঢ়িলে। অদ্ভূত বীৰ অভিমন্যুৰ অসম সাহসিকতাত সদস্যসকল উৎসাহিত নহৈ আচৰিত হে হল। সিবিলাকে বিস্ময় মানি প্ৰশ্ন কৰিলে যে, অৰ্জ্জুনৰ অবিহনে অৰ্জ্জুনতনয়লৈ ব্যূহ যুদ্ধ কেনেকৈ সম্ভৱপৰ হব পাৰে? তদুত্তৰত কৃষ্ণ-ভাগিন অভিমানী অভিমন্যুই নিৰ্ভয়ভাৱে নিবেদিলে যে, তেওঁ ব্যূহভেদ কৰিবলৈ পিতৃৰপৰা শিক্ষা পোৱা আছে (২); কিন্তু

---

(১) পুৰাকালৰ ৰণনীতি অনুসৰি ক্ষত্ৰিয় বীৰ মাত্ৰেই ভতালিকে ৰণ আহ্বান গ্ৰহণ কৰিবলৈ বাধ্য।

(২) সিচেই শিশুকালৰেপৰা অভিমন্যুক পিতাক অৰ্জ্জুন আৰু মোমায়েক শ্ৰীকৃষ্ণই বিশেষ যত্নেৰে ৰণকৌশলাদিৰ শিক্ষা দিছিল। সেই হেতুকে অভিমন্যুৱে ব্যূহপ্ৰৱেশৰ শিক্ষা লাভ কৰে; কিন্তু ব্যূহ-বহিৰ্গত প্ৰণালীৰ শিক্ষা তেতিয়াকৈলকে

ব্যূহবহিৰ্গত প্ৰণালীৰ শিক্ষা নৌ পায় এথোন। অভিমন্যুৰ এই সমিচাৰে পাণ্ডৱ শিবিৰত কাৰো মনত সন্তোষ লগাব নোৱাৰিলে; কাৰণ ৰণত পৰাজয় হোৱাতকৈও অভিমন্যু হেন শিশুসিংহক হেৰুৱাবলৈ কাৰো সত নাযায়!—ব্যূহবহিৰ্গত প্ৰণালী শিক্ষাৰ অভাৱত উদ্ধৰাতনয়ৰ পতন নিশ্চয়। অভিমন্যুৰ ব্যূহপ্ৰৱেশত যুধিষ্ঠিৰ একোপধ্যে মান্তি নহয়। কিন্তু নহলেও আন উপায় নাই। সদৌশেহত এয়ে সিদ্ধান্ত হলগৈ যে, ভীম, ধৃষ্টদ্যুম্ন আৰু সাত্যকিয়ে সসৈন্যে অভিমন্যুৰ অনুগামী হৈ ব্যূহ প্ৰৱেশ কৰি, অৰ্জ্জুন উলটি পায়হিমানে শত্ৰুপক্ষক ৰণত প্ৰবৃত্ত ৰাখিব।

পাণ্ডৱ সামৰিক সমিতিৰ সিদ্ধান্ত অনুযায়ী অদ্ভুত বীৰ শিশুসিংহ অভিমন্যুই যথাবিধি কৌৰৱ ব্যূহ আক্ৰমণ কৰিলেগৈ। উভয় পক্ষৰ মাজত তুমুল সংগ্ৰাম লাগি উঠিল; ভালেখিনি পৰ ব্যাপি ৰণ লাগিবলৈ ধৰিলে। এনেখন তয়াময়া ৰণ আগে-পিচে কেতিয়াও লগা নাই। শেহান্তত এজন-এজনকৈ যাই যাই কৌৰৱ যোদ্ধা অভিমন্যুৰ হাতত বিষমকৈ ঘাটি বাট এৰি দিবলৈ বাধ্য হল; উত্তেজিত আৰু উলাহিত অভিমন্যুই হেলাৰঙ্গে অভেদ্য ব্যূহ ভেদ কৰি ভিতৰ সোমালে। সিদ্ধান্তৰ নিদ্ধাৰণ অনুসৰি ভীমসেন প্ৰমুখ্যে পাণ্ডৱ যোদ্ধাগণ অভিমন্যুৰ পিচে-পিচে আগুৱাবলৈ ধৰিছিল; কিন্তু কৌৰৱপক্ষীয় বীৰ সিন্ধুদেশৰ অধিপতি জয়দ্ৰথে ব্যূহচক্ৰৰ ঠেকত পেলাই আগচি ধৰাত, পাণ্ডৱৰ সেই সাহায্য-বল আদবাটতে ঠমকুথাই বৈ অকামিলা হৈ পৰিল; আৰু পাচত দ্ৰোণা-

---

পোৱা নাছিল। সেই আপাহতে, মাতৃগৰ্ভত অভিমন্যুই পিতৃমুখে ব্যূহভেদৰ কৌশলৰ বিষয়ে শুনিছিল, কিন্তু শুনি শুনি বহিৰ্গত প্ৰণালীৰ কথা নৌ শুনোতেই মাতৃ সুভদ্ৰাৰ টোপনি অহাত সেই শেহৰ খোৱা গৰ্ভস্থ কোঁৱৰে শুনিবলৈ নাপালে বুলি মহাভাৰতৰ প্ৰক্ষিপ্তকাৰৰ দ্বাৰাই কল্পিত হৈছে।

চাৰ্য্যক খেদা খাই উলটিব লগাত পৰিল। অভিমন্যু একেবাৰে অকলশৰীয়া হল ; তেওঁ নিজ বল-বুদ্ধিৰে ব্যূহৰচনাৰ ব্যৱস্থা বুজি তাক সম্পূৰ্ণে ভেদ কৰি, তাৰ কেন্দ্ৰস্থলত অকলশৰীয়া হৈ থিত্ ললেগৈ। সেই নিৰ্গমৰহিত শত্ৰুকেন্দ্ৰৰ মধ্যত অকলশৰীয়াকৈ পাই শিশু পাণ্ডৱ-কেশৰীক হাজাৰ-বিজাৰ বিচক্ষণীয়া ৰণুৱাই বিষম আক্ৰোশেৰে বেৰি ধৰিলে। কৌৰৱৰ বছা বছা সুনিপুণ যোদ্ধাই এজন-এজনকৈ যুঁজি আটাইবিলাকে হাৰ মানিলে ; সেই অজেয় পাণ্ডৱ বীৰ শিশুৰ প্ৰচণ্ড প্ৰতাপত ব্যূহকেন্দ্ৰত খলকনি লাগি উঠিল, অসংখ্যাত সেনা ৰণত পৰিবলৈ ধৰিলে। অভিমন্যুই ব্যূহবহিৰ্গমনৰ বিধি নাজানে ; গতিকে তেওঁ মনতে এই স্থিৰ কৰিলে যে, তেওঁৰ পিতৃ অৰ্জ্জুনে নাৰায়ণী সেনাৰ লগত যুদ্ধ সমাপন কৰি আহি তেওঁক উদ্ধাৰ নকৰেহিমানে তেওঁ শত্ৰুপক্ষক আত্মবিক্ৰমেৰেই ব্যতিব্যস্ত কৰি ৰাখিব, আৰু যথা সময়ত সেই উদ্ধাৰক আহি নাপালেহি তেওঁ ৰণ কৰিয়েই তনু ত্যাগ কৰিব। সেই সংকল্পেৰেই অভিমন্যুই প্ৰাণটাকি যুঁজিবলৈ ধৰিলে ; শত্ৰুপক্ষ অস্থিৰ হৈ পৰিল। সদৌশেহত দেখা গল যে, সেই দিনৰ আবেলিৰ আগেয়েই অদ্ভূত বীৰ অভিমন্যুৰ পতন নহলে, কৌৰৱৰ আৰু ৰক্ষা নাই। এক শিশুসিংহৰ প্ৰভাৱতে ইমান, তেওঁৰ পিতৃসিংহ ( অৰ্জ্জুন ) আহি পালে সেই দিনাই কৌৰৱৰ পৰাজয় নিশ্চয় হৈ যাব। গতিকে, কৌৰৱ সামৰিক সমিতিৰ আসন্ন বৈঠক আহ্বান কৰা হল। তাত দ্ৰোণ, কৰ্ণ, কৃপাচাৰ্য্য, দুৰ্য্যোধন, দুঃশাসন, শকুনি, অশ্বত্থমা এইসকলে বিস্তৰ আলোচনা কৰি এই সিদ্ধান্ত দিলে যে, উপস্থিত আসন্ন সমস্যাত ন্যায়-অন্যায়, ধৰ্ম্ম-অধৰ্ম্ম, পাপ-পুণ্য, খ্যাতি-অখ্যাতিৰ ভুৰি বঠাৰে খাউনি নোপোৱা হৈছে ; গতিকে যেনে-তেনে প্ৰকাৰে এই অদ্ভুত শিশুক বধিবই লাগিব। সেই উদ্দেশ্যেই দ্ৰোণ, কৰ্ণ প্ৰমুখ্যে

সপ্তৰথীয়ে মিলি একেলগে একেবাহে আক্রমণ কৰি অকলশৰীয়া শিশু ৰথীক বধিব লাগে (১)। সেই মতেই কার্য্য কৰা হল। দ্রোণ, কর্ণ, কৃপাচার্য্য, দুর্য্যোধন, দুঃশাসন, জয়দ্রথ আৰু অশ্বত্থমা এই সপ্তৰথীয়ে বেৰি ধৰি একে সময়তে একেবাৰে একেবাহে সুতীক্ষ্ণ তীৰ নিক্ষেপ কৰি, অতি আপচু অন্যায় যুদ্ধেৰে (২) অদ্বিতীয় অদ্ভুত বীৰ ষোল বছৰীয়া অভিমন্যু কোৱঁৰক বধ কৰি, নিৰুপমা সুন্দৰী চৈধ্য বছৰীয়া সগর্ভা উত্তৰা হেন বীৰপত্নীক বিধবা কৰিলে! সুভদ্রা হেন মাতৃহিয়া উদং কৰিলে! অর্জ্জুন হেন পিতৃৰ চকুমণি কাঢ়ি পেলালে! কৃষ্ণ হেন মাতুলৰ আলিঙ্গন শূন্য কৰিলে! পাণ্ডৱ শিবিৰত হাহাকাৰ লাগি উঠিল। কোমলপ্রাণ ধর্ম্মৰাজ যুধিষ্ঠিৰ শোকত অধৈর্য্য হৈ পৰিল।—তেওঁৰ অনুতাপ বিশেষ; কাৰণ দ্রোণাচার্য্যৰ প্রতিজ্ঞা (৩) মতে তেওঁক বন্দী কৰি নিয়াৰপৰা ৰক্ষা কৰিবলৈ বুলি হে প্রাণপ্রতিম অভিমন্যুই আত্মবলি দান দিলেগৈ।

---

(১) লিখিবলৈকে লেখনী নচলে! ব্যাসদেৱে এনে অকথনীয় বুৰঞ্জী-তথ্য লিপিবদ্ধ কৰিবলৈকে লাজ পাইছিল। এইখিনিতে ভীষ্মদেৱৰ ন্যায়পৰায়নতা আৰু দ্রোণাচার্য্যৰ নেতৃত্বৰ নৈতিক বিজনি অযাচিতে আহি পৰে।

(২) যুদ্ধ আৰম্ভণৰ আগতে উভয় পক্ষৰ সম্মতিক্রমে যি হেতুবন্ধন গৃহীত হৈছিল, এই অভিমন্যু-বধ যুদ্ধত তাক চূর্ণীকৃত কৰি বতাহত উৰাই দিয়া হল! এতেকে, ইয়াতপৰ কৌৰৱ কলঙ্ক আৰু কি হব পাৰে?

(৩) দ্রোণাচার্য্যৰ প্রতিজ্ঞা নৰজিলগৈ। ভীষ্ম প্রতিজ্ঞাৰ বিজনিত দ্রোণাচার্য্যৰ এই অন্তঃসাৰশূন্য প্রতিজ্ঞাই তেওঁতকৈ এওঁক বহু তলৰ থাপলৈ নমাইছে।

# ৩৩। অধ্যায়।

## জয়দ্ৰথ বধ।

ইফালে নাৰায়ণী সেনাৰ লগত অৰ্জ্জুনৰ তয়াময়া ৰণ চলিছে। ই বাস্তৱতে এখন অসাধাৰণ ৰণ। এনে ৰণ কুৰুক্ষেত্ৰ-মহাৰণৰ অন্তৰ্গত সদৌ ৰণৰ মাজত বিৰল। এই ৰণত এপক্ষত কৃষ্ণ-সাৰথিৰে সৈতে অৰ্জ্জুন অকলে; অপৰ পক্ষত নাৰায়ণী সেনাৰ অন্তৰ্ভুত হাজাৰ-বিজাৰ গোপ-সেনা; যি গোপসেনা প্ৰত্যেকেই কৃষ্ণসম বলৱন্ত (১)। এই গোপ-সেনাদল শ্ৰীকৃষ্ণৰ অন্তৰতম বন্ধু, আপদৰ মিত্ৰ আৰু কৃষ্ণসৃষ্ট (২) সৈনিক বল। গোপ-সেনাৰ প্ৰত্যেকৰ মানত তেওঁৰ বাল্যবন্ধু অমায়িক শ্ৰীকৃষ্ণ "কানাই" প্ৰাণাধিক প্ৰিয়তম স্বজন, আৰু সেই আপাহতে অৰ্জ্জুনৰ একান্ত গুণগ্ৰাহী। এনে প্ৰণয়ৰ সম্বন্ধ বৈ-বৈ থাকোতেও নিকৰুণ কৰ্ত্তব্যৰ শাসনত বাধ্য হৈ, ইপক্ষে সিপক্ষৰ আৰু সিপক্ষে ইপক্ষৰ নাশহেতু প্ৰাণপণে যুঁজিছে। অজেয় নাৰায়ণী সেনাৰ সুতীক্ষ্ণ বাণত অৰ্জ্জুনৰ সৰ্ব্বশৰীৰ জৰ্জ্জৰিত; আন কি, পৰমাৰাধ্য ইষ্টগুৰুদেৱ

(১) নাৰায়ণী সেনাৰ প্ৰত্যেকেই যে স্বয়ং কৃষ্ণসম বীৰ্য্যবান, সেই কথা কুৰুক্ষেত্ৰ-ৰণলৈ নিমন্ত্ৰণ গ্ৰহণ কৰাৰ সময়ত অৰ্জ্জুন আৰু দুৰ্য্যোধনৰ আগত শ্ৰীকৃষ্ণই স্বীকাৰ কৰাৰ বিষয়ে ইতঃপূৰ্ব্বতে মধ্যলীলা খণ্ডত কোৱা গৈছে।

(২) শ্ৰীকৃষ্ণই, গোকুল, ব্ৰজ আৰু বৃন্দাবনত বিহাৰ কৰা কালত ব্ৰজবাসীৰ বাহুবলীয়া গোপসেনাৰে সৈতে সংগঠক বা নাৰায়ণী সেনা গঠন কৰাৰ বিষয়ে আদ্যলীলা খণ্ডত বহলাই বিবৃতি দিয়া গৈছে।

স্বয়ং শ্ৰীকৃষ্ণয়ো তাৰপৰা অব্যাহতি পোৱা নাই! অপৰ পক্ষৰপৰা দুৰ্জ্জয় ধনঞ্জয়েও শত্ৰুদলনত একেবিও ত্ৰুটী কৰা নাই; তেওঁ গাণ্ডীৱত বছা বছা কালান্তক শৰ যোজনা কৰি, একে একে শৰতে অনেকানেক শত্ৰুক ঢলিয়াই পেলাইছে। এই ৰণ অতি ভয়াবহ; বাস্তৱতে অতি হৃদয়বিদাৰক; আৰু দৃশ্য অতিশয় নিকৰুণ। এনে ৰণত সাৰথি হৈ ভগৱান শ্ৰীকৃষ্ণই কৰিছে কি?—কৰ্ত্তব্যৰপৰা চুলি পৰিমাণো নিপিছলি অকাতৰে, বৰঞ্চ বিশেষ কৌশল আৰু দক্ষতাৰে সৈতে ৰথী অৰ্জ্জুনক তেওঁৰ শত্ৰু নিপাতলৈ চল লগাই দিছে। এই ৰণত আদিৰপৰা অন্তলৈকে গোপাল গোবিন্দ গোপীনাথ শ্ৰীকৃষ্ণ স্থিৰ, ধীৰ, অচল, অটল, প্ৰশান্ত আৰু উদাসীন! এই ৰণ সমস্ত দিনব্যাপী হৈছিল। সদৌশেহত, আবেলি বেলিকা নাৰায়ণী সেনাক সমূলঞ্চে নিপাত কৰি অৰ্জ্জুনে জয়লাভ কৰিলে।

ইয়াৰ পাচত, কৃষ্ণাৰ্জ্জুন পাণ্ডৱ শিবিৰৰ মুখে উলটিল। উদ্দেশ্য দ্ৰোণাচাৰ্য্যৰ প্ৰতিজ্ঞা ভঙ্গ কৰি পাণ্ডৱৰাজ যুধিষ্ঠিৰক ৰক্ষা কৰা। কিন্তু, পৰিতাপৰ বিষয় যে, সিবিলাক সন্ধিয়াপৰত আহি পোৱাৰ আগতে ইফালে সেই দিনাৰ ৰণৰ সামৰণী পৰিল। পাণ্ডৱ শিবিৰ জঁয় পৰা দেখি আৰু কৌৰৱ শিবিৰত আনন্দৰ জয়ধ্বনি শুনিয়েই অৰ্জ্জুনৰ বুকুত বিষম বিপদৰ আশঙ্কা বাজিবলৈ ধৰিলে। তেওঁ মনে মনে তেওঁৰ সৰৱজান সদৃশ, গুৰু-বান্ধৱ সাৰথি শ্ৰীকৃষ্ণক উদ্বিগ্নভাৱে সোধে, পাণ্ডৱৰ সন্তৰণৰ আপদৰ কথা;—কৃষ্ণ কিন্তু নিৰুত্তৰ। অৱশেষত শিবিৰত প্ৰৱেশ কৰি যি সম্বাদ পালেহি, সি কৃষ্ণাৰ্জ্জুনৰ ওপৰত বজ্ৰপাত সদৃশ পৰিল। অৰ্জ্জুন শোকত অধীৰ হৈ পৰিল। তেওঁ অত্যন্ত বিহ্বল হৈ "হা অভিমন্যু" বুলি ঢলি ঢলি পৰিবলৈ ধৰিলে। কৃষ্ণ কিন্তু স্থিৰ, ধীৰ, গম্ভীৰ, শান্ত আৰু প্ৰসন্ন। যোগেশ্বৰ শ্ৰীকৃষ্ণ স্বয়ং শোক-মোহৰ

অতীত। তেওঁ প্ৰিয় শিষ্য-সখি যোগিবৰ পাৰ্থ বীৰক বিস্তৰ বুজাবলৈ ধৰিলে;—বুজনি আন বিশেষ একো নহয়,—গীতা বুজনিত তেওঁ যি বিশ্বৰূপ দেখুৱাইছিল, তাৰে সাৰাংশ মাথোন। বুজনি শুনি মহাসংযমী অৰ্জ্জুনে অনতিপলমে ধৈৰ্য্য ধৰিলে; কিন্তু বীৰ তেজেৰে উদ্দীপ্ত হৈ এই বুলি তেওঁ ভীষণ প্ৰতিজ্ঞা কৰি উঠিলে, "কাইলৈ বেলি মাৰ নৌ যাওঁতেই মই জয়দ্ৰথক মাৰ নিয়াম; নাইবা জলন্ত অগ্নিত এই তনু ত্যাগ কৰিম।"

অৰ্জ্জুনৰ ভীষণ ভীষ্মপ্ৰতিজ্ঞাই পাণ্ডৱ শিবিৰ থলক লগাই তুলিলে। সদৌ পাণ্ডৱবাহিনী প্ৰতিশোধজনিত ৰণমদত উন্মত্ত হৈ সিংহ গৰ্জ্জনেৰে গৰ্জ্জি উঠিল। সন্তপ্ত পাণ্ডৱক আচম্বিতে উদ্দীপ্ত হোৱা শুনি কৌৰৱ শিবিৰত পুনৰপি আতঙ্ক উপস্থিত হল; সামৰিক সমিতিয়ে তাৰ সম্ভেদ সংগ্ৰহৰ অৰ্থে ততালিকে চোৰাংচোৱা নিয়োগ কৰিলে। কৃষ্ণ কিন্তু গহীন আৰু গম্ভীৰ;—তেওঁ অধিকতৰ চিন্তাযুত। কাৰণ, শ্ৰীকৃষ্ণৰ মনত এটা নতুন সমস্যাই খেলাবলৈ ধৰিলে। এক মনেৰে তেওঁ চিন্তি চাইছে যে, এদিনীয়া নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত জয়দ্ৰথক বধ কৰা অৰ্জ্জুনৰ পক্ষে সহজ ব্যাপাৰ নহব; আন মনেৰে চাইছে,—প্ৰতিজ্ঞা ৰক্ষা নপৰিলে অৰ্জ্জুনৰ প্ৰাণ ৰক্ষা নপৰে। সমস্যাৰ একুলত জয়দ্ৰথ বধ, ইকুলত অৰ্জ্জুনৰ তনু বিসৰ্জ্জন। দুয়োটা অসাধাৰণ ব্যাপাৰ! উপস্থিত প্ৰয়োজনত জয়দ্ৰথৰ প্ৰাণ ৰক্ষা কৰিবলৈ কৌৰৱ-পক্ষে প্ৰাণপণে যত্ন কৰিব যে তাত সংশয় নাই; কিয়নো সেয়ে হলেই ইফালে পাণ্ডৱপক্ষৰ মূলশক্তি সমূলঞে বিনষ্ট হব, আৰু সিফালতে কুৰুক্ষেত্ৰ-মহাৰণবো অন্ত পৰিব। ইত্যাদি চিন্তা কৰি, দ্বাৰকেশ্বৰে নিজ সাৰথি দাৰুকক মতাই আনি এই আদেশ শুনাই থলে, "শুনা দাৰুক! কাইলৈ ৰণক্ষেত্ৰত কৌৰৱ ব্যূহৰ মুখত মোৰ ৰথ সাজু ৰাখিবা নি, যাতে মোৰ পাঞ্চজন্য শঙ্খৰ শব্দ শুনা মাত্ৰে তুমি শাৰ্ঙ্গ সহ

ৰথ নি মোক যোগাৰগৈ পাৰাঁ। কিয়নো, কাৰ্য্যৰ গতিক যেনেহে দেখিছোঁ, অৰ্জ্জুনৰ প্ৰাণ ৰক্ষাৰ্থে জয়দ্ৰথ বধ উদ্দেশ্যে মই অস্ত্ৰ ধৰিবগৈ লাগিব নে কি কব নোৱাৰিছোঁ এথোন। ধৰ্ম্মৰাজ্য স্থাপনৰ অৰ্থে প্ৰয়োজন হলে, মই বাধ্য হৈ এই কাৰ্য্য কৰিবই লাগিব"। (১)

পিচদিনা পুৱাৰপৰা "জয়দ্ৰথ-বধ" ভীষণ ৰণ আৰম্ভ হল। কৌৰৱ পক্ষে অৰ্জ্জুনৰ প্ৰতিজ্ঞা ব্যৰ্থ কৰি তেওঁৰ বধৰ সহজ উপায় চিন্তি জয়দ্ৰথৰ প্ৰাণ ৰক্ষাৰ্থে বিপুল আৰু বিশেষ আয়োজন কৰিলে। কৌৰৱ সেনাপতি দ্ৰোণাচাৰ্য্যই নতুন বিধানেৰে আকৌ নতুনকৈ এখন অভেদ্য ব্যূহ ৰচনা কৰি তাৰ নিচেই কেন্দ্ৰস্থলত জয়দ্ৰথৰ সুৰক্ষণৰ ব্যৱস্থা কৰিলে। দ্ৰোণ, কৰ্ণ, কৃপা প্ৰভৃতি কৌৰৱৰ থাই থাই যোদ্ধাসকলে জয়দ্ৰথক আগুৰি ধৰি কেন্দ্ৰস্থলত আত্মৰক্ষাৰ্থে সাজু হৈ ৰল, আৰু ব্যূহমুখৰপৰা প্ৰতিপাকতে বাছকবনীয়া যোদ্ধা ৰথীয়া দি পাৰ্থ্যমানে অৰ্জ্জুনৰ ব্যূহপ্ৰৱেশ নিষিদ্ধ কৰাৰ দিহা লগোৱা হল। আয়োজন আৰু দিহাকৰণ চাই, বাস্তৱতে অৰ্জ্জুন বা আন মানৱ ক্ষমতাৰ পক্ষে জয়দ্ৰথ-বধ সাধ্যাতীত যেন বিবেচিত হল। এই ব্যৱস্থাৰ বিৰুদ্ধে এই ভীষণ ৰণ

(১) শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰ-মহাৰণত অস্ত্ৰ নধৰিবলৈ অৰ্জ্জুন আৰু দুৰ্য্যোধনৰ আগত প্ৰতিশ্ৰুত হোৱা সকলোৱে জানে। গতিকে, তেওঁৰ এই সঙ্কল্পৰ সঙ্কেদ পাই কোনোৱে তেওঁক প্ৰতিজ্ঞাভঙ্গৰ দোষাৰোপ কৰিব পাৰে। কিন্তু, দকৈ গমি চালে বুজা যাব যে, সেইবাবে শ্ৰীকৃষ্ণত দোষাৰোপ কৰিবলৈ যুক্তি নাই। কিয়নো, তেওঁৰ এই সঙ্কল্পিত ৰণ কুৰুক্ষেত্ৰ-ৰণ নহয়; ই অৰ্জ্জুনৰ পণ ৰাখি তেওঁৰ প্ৰাণ ৰক্ষা কৰা স্বকীয়া উদ্দেশ্যৰ স্বকীয়া ৰণ।—এই ৰণৰ লক্ষ্য হৈছে অৰ্জ্জুনৰ প্ৰাণ ৰক্ষা; কুৰুক্ষেত্ৰ-ৰণৰ লক্ষ্য হৈছে পাণ্ডৱৰ ৰাজ্য উদ্ধাৰ। সি যি হওক, সুখৰ বিষয়, শ্ৰীকৃষ্ণই নিজে অস্ত্ৰ ধৰিব লগীয়া নোহোৱাকৈ যে স্বকীয়া শক্তিৰেই "জয়দ্ৰথ বধ" পণ ৰক্ষা কৰাত অৰ্জ্জুন সিদ্ধহস্ত হল।

চলিবলৈ ধৰিলে। পুত্ৰাৱপৰা বেলি মাৰ যোৱাৰ অলপ আগলৈকে অকণো বিৰতি নোহোৱাকৈ অৰ্জ্জুনে প্ৰাণপণে ৰণ কৰিলে। সেয়েহে, সাধাৰণ মানৱৰ অসাধ্য কাৰ্য্য শ্ৰীকৃষ্ণ হেন অসাধাৰণ সাৰথিৰ কৌশলৰ গুণত মহাৰথ অৰ্জ্জুনে মুখামুখি সমৰত, কৌৰৱ পক্ষীয় বিচক্ষণীয়া বীৰ যোদ্ধা সকলোটিকে পৰাস্ত কৰি, নিজৰ পথ নিজে মুক্ত আৰু সুগম কৰি লৈ, অতি হেঁপাহেৰে পুত্ৰবৈৰী জয়দ্ৰথৰ শিৰ (১) সুতীক্ষ্ণ অস্ত্ৰেৰে বিচ্ছিন্ন কৰি অসাধ্য সাধন কৰিলে। জয়দ্ৰথ-বধৰ লগে লগেই দুৰ্য্যোধনৰ আশা-ভৰসা সকলো ক্ৰমাৎ মাৰ যাবলৈ ধৰিলে।

---

(১) প্ৰক্ষিপ্ত কল্পনাৰ অলৌকিক কাহিনী এটা এই সংসৰ্গত এই দৰে সংযোগ কৰা হৈছে :—জয়দ্ৰথৰ পিতাকে তপস্যাৰ ফলত এনে এটা বৰ লাভ কৰে যে, যি তেওঁৰ পুত্ৰেকৰ শিৰচ্ছেদ কৰি মাটিত পেলাব, তাৰো তত্তালিকে মূৰ ছিগি মাটিত পৰিব। গতিকে, শ্ৰীকৃষ্ণৰ উপদেশ অনুসৰি অৰ্জ্জুনে জয়দ্ৰথৰ বিচ্ছিন্ন শিৰ শৰ-প্ৰচালনেৰে নি ধ্যানমগ্ন জয়দ্ৰথৰ পিতাকৰ কোলাত তুলি দিলেগৈ ; তেওঁ ধ্যানভঙ্গ হৈ আচাৰ খাই উঠোতে জয়দ্ৰথৰ ছিন্নমুণ্ড বাগৰি মাটিত পৰা মাত্ৰকে পিতাকৰো মূৰটো ছিগি পৰি পিতা-পুত্ৰৰ দুয়োৰো মূৰ মাটিত বাগৰিবলৈ ধৰিলে। দৃশ্যটো কল্পিত হলেও, অৱশ্যে পুত্ৰশোকসন্তপ্ত অৰ্জ্জুনৰ পক্ষে শান্তিদায়ক হৈছিল।

# ৩৪। অধ্যায়।

## ঘটোৎকচ্ বধ।

কুৰুক্ষেত্ৰ-ৰণ লাগিবৰেপৰা কুৰু-পাণ্ডৱৰ শিবিৰত আনন্দ-বেজাৰ আৰু হঁহা-কন্দাৰ তোলপাৰ লাগিব লাগিছে; আজি পাণ্ডৱ শিবিৰত আনন্দ আৰু কৌৰৱ শিবিৰত বিষাদ, কাইলৈ কৌৰৱ শিবিৰত আনন্দ পাণ্ডৱ শিবিৰত বিষাদ। দুৰ্জ্জয় বীৰ ভীষ্মদেৱৰ পতনত কৌৰৱ শিবিৰত হতাশৰ হা-হুমুনিয়া উঠিল, পাণ্ডৱ শিবিৰত উৎসাহৰ খলকনি লাগিল; অৰ্জ্জুনতনয় শিশু-সিংহ অভিমন্যুৰ পতনত পাণ্ডৱ শিবিৰ শোকত জঁয় পৰিল, কৌৰৱ শিবিৰ উলাহত উধাও হল। তাৰ পাচত, জয়দ্ৰথ-বধ কাণ্ডই কৌৰৱ শিবিৰত আকৌ নিৰাশৰ হাহাকাৰ লগালে, পাণ্ডৱ শিবিৰত পুনৰপি উলাহৰ জয়ধ্বনি তুলিলে।

এইবাৰ আকৌ পাণ্ডৱৰ পাল পৰিল। এইবাৰ ভীমতনয় হিড়িম্বা-নন্দন ঘটোৎকচ্ ৰণক্ষেত্ৰত অৱতীৰ্ণ। এই হিড়িম্বা আৰু ঘটোৎকচৰ চিনাকি ইতিপূৰ্ব্বতে দি অহা হৈছে (১)। ভীমাকায় ঘটোৎকচ্ এজন

(১) মধ্যলীলাখণ্ডত যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ সংসৰ্গত হিড়িম্বা আৰু ঘটোৎকচৰ বিষয়ে বহলাই কোৱা হৈছে। পূৰণি কামৰূপৰ অন্তৰ্গত হিড়িম্বা নগৰ, এতিয়াৰ অসমৰ ডিমাপুৰ অঞ্চলৰ অধিপতি হিড়িম্বেশ্বৰৰ ভনীয়েক হিড়িম্বা দ্বিতীয় পাণ্ডৱ ভীমসেনৰ ভাৰ্য্যা; পাণ্ডৱৰ বনবাস কালত ভীমসেনে হিড়িম্বাক পত্নী গ্ৰহণ কৰে। তাৰে ফলস্বৰূপ মহাবীৰ ঘটোৎকচ্।

দুৰ্জ্জয় বীৰ। বাহুবলত, গদাযুদ্ধত পিতৃ ভীমসেনসম যোদ্ধা আৰু ধনুশৰেৰে ৰথযুদ্ধত পিতৃব্য অৰ্জ্জুনৰ তুল্য ধনুৰ্দ্ধৰ। পাণ্ডৱ পক্ষত অভিমন্যু আৰু ঘটোৎকচ, দুই মহাশক্তি। দুয়ো ৰণপণ্ডিত, শ্ৰীকৃষ্ণৰ শলাগৰ প্ৰিয়পাত্ৰ। জয়দ্ৰথ পতনৰ হতাশে হেচি ধৰোঁতেই ছেগ বুজি, শ্ৰীকৃষ্ণদেৱৰ সঙ্কেত অনুসৰি, যুদ্ধংদেহি বুলি ঘটোৎকচ ৰণক্ষেত্ৰত অৱতীৰ্ণ হলগৈ। ঘটোৎকচক ৰণক্ষেত্ৰত অৱতীৰ্ণ দেখি, কৌৰৱপক্ষীয় সেনানীৰ হৃৎকম্প হবলৈ ধৰিলে। এই ডেকা-ভীমৰ ঘোৰ আস্ফালন আৰু তৰ্জ্জন-গৰ্জ্জনত কৌৰৱ যোদ্ধাবৰ্গৰ প্ৰাণত আতঙ্ক উপস্থিত হল; দেখিয়েই এভাগ সৈন্যই ভয়তে ভাটি দিলে। এনেতে, দুঃশাসনৰ পুত্ৰ দোষণে ৰথত চৰি ধনুৰ্ব্বাণেৰে ভীমনন্দন ঘটোৎকচক অক্ৰমণ কৰিলেগৈ। ঘটোৎকচে হুঙ্কাৰ ছাৰি খেদি গৈ, গদাৰ কোবত ৰথ ভাঙ্গি চূৰ্ণীকৃত কৰি দোষণক বধ কৰিলে। কৌৰৱ পক্ষত হাহাকাৰ লাগি উঠিল। পুত্ৰবিয়োগত মৰ্ম্মান্তিক হৈ, মৰোঁজীওঁকৈ ৰথত চৰি দুঃশাসন স্বয়ং সংগ্ৰামত উপস্থিত হলগৈ; কিন্তু তেওঁ ঘটোৎকচৰ আগত সৰহপৰ তিষ্ঠিব নোৱাৰি ৰণত পিঠি দেখুৱাবলৈ বাধ্য হল। তাৰ পাচত, ৰবিনন্দন কৰ্ণ বীৰ সুতীক্ষ্ণ ধণু-শৰেৰে সমুখ হলহি। কিন্তু, ভীমনন্দনৰ গদাঘূৰণিত কৰ্ণৰ শৰ ছিটিকি উফৰিবলৈ ধৰিলে; আৰু শেহান্তত ঠাৱৰিব নোৱাৰি কৰ্ণ পলায়ুৰ্দ্ধং হল। কৰ্ণক বিমুখ হোৱা দেখি কৌৰৱ পক্ষ অত্যন্ত ত্ৰস্তমান হৈ পৰিল, আনবিলাক ৰণলৈ আগ নবঢ়া হল। এনেতে, ঘাই সেনাপতি দ্ৰোণাচাৰ্য্যক বিমোৰ হোৱা দেখি, তেওঁৰ বীৰপুত্ৰ অশ্বত্থমাই ধণু-শৰ লৈ ৰণত উপস্থিত হলগৈ। ঘটোৎকচেও গদা থৈ ধণু-শৰ ধাৰণ কৰিলে। উভয়ৰে মাজত ঘোৰতৰ দ্বৈৰথ ৰণ লাগিল। শেহান্তত ঘটোৎকচৰ প্ৰকোপ সহিব নোৱাৰি, অশ্বত্থমায়ো ৰণত পিঠি দেখুৱালে। তাৰ পাচত, কৌৰৱপক্ষক স্তম্ভিত হোৱা দেখি, মহাবলী অলম্বুষ নামেৰে কৌৰৱ পক্ষীয় অসামান্য বীৰ এজনে

উত্রাৱলভাৱে ধাবিত হৈ ঘটোৎকচৰ ওপৰত পৰিলগৈ। দুইৰো মাজত পোনেই ঘোৰতৰ মল্লযুদ্ধ চলিল। তাৰপাচত গদাযুদ্ধ; তাৰপাচত ৰথযুদ্ধ। ঘটোৎকচক জিনিব নোৱাৰি, অনতিপলমে অলম্বুষ পলাই পৰ্ব্বতত উঠিলগৈ, আৰু তাৰপৰা শূন্যে শূন্যে শৰসন্ধান কৰি শত্রুক বিবুদ্ধি কৰিবলৈ ধৰিলে। কিন্তু, ঘটোৎকচ্ সিমানতে হটিবৰ পুৰুষ নহয়; তেওঁ সেই পৰ্ব্বতৰ ওপৰলৈকে খেদি গৈ, তাতে শত্রুক আক্রমণ কৰিলে। অলম্বুষে নিৰুপায় হৈ আকাশীযুদ্ধ (১) আৰম্ভ কৰিলে। সেই পাকতো ঘটোৎকচ্ অপৈণত নহয়; তেৱোঁ সেই আকাশীযুদ্ধত প্রবৃত্ত হৈ বিপক্ষ যোদ্ধাক অস্থিৰ কৰি তুলিলে, আৰু ভৈয়ামত কৌৰৱ সেনানীৰ ওপৰত অস্ত্র-ওফৰণি, শিলাখণ্ডৰ দলি, যাঠী, জোং আদিৰ প্রহাৰে শত্রুপক্ষৰ মাজত হাহাকাৰ লগাবলৈ ধৰিলে। এই ৰণ ঘোৰতৰ ভাৱে বহুপৰ চলাৰ পাচত, সদোশেহত অলম্বুষৰ পতন হল। কৌৰৱৰ শিবিৰত বজ্রপাত আৰু পাণ্ডৱৰ শিবিৰত বিজুলীৰ চমকনি হবলৈ ধৰিলে।

অলম্বুষৰ পতনত অত্যন্ত ব্যথিত আৰু কুপিত হৈ, তেওঁৰ পুত্র অলম্বুষিয়ে হস্তী আৰোহী হৈ বিষম আক্রোশেৰে ঘটোৎকচক আক্রমণ কৰিলেহি। কিন্তু, তেওঁৰ সেই আক্রোশ সৰহপৰ নতিষ্ঠিল; গদাৰ মাৰত ঠাৱৰিব নোৱাৰি আৰোহীসৈতে হাতী পলাই ফাট্ মাৰিলে। তাৰ পাচত, দিব্যৰথত চৰি অলায়ুধ ৰণলৈ আগ বাঢ়িল। পোনতে দুইৰো মাজত ধনুৰ্ব্বাণেৰে ৰণ চলিছিল; তাৰ ফলত অলায়ুধ ৰথৰপৰা

(১) সেয়ে আজিকালিৰ আকাশীজানৰ (এড়োপ্লেন) যুদ্ধ নহয় জানো? পুৰাকালতো যে অদ্ভুত ধাৰণৰ বৈজ্ঞানিক প্রণালীৰে আকাশীৰণৰ প্রচলন আছিল, ই তাৰ বিশিষ্ট প্রমাণ।

বাগৰি মাটিত পৰেহি; তাৰ পাচত, ধনু-শৰৰ সলনি গদাযুদ্ধ চলিবলৈ ধৰিলে। এইবাৰ অলাযুধ ৰণত পৰিল, আৰু ঘটোৎকচৰ জয় নিশ্চয় হল। এনেতে, দুৰ্য্যোধনক অতিকৈ হতাশ হোৱা দেখি, পাণ্ড্য ৰজাই গণ্ডপ্ মাৰি ঘটোৎকচক বধ কৰোঁগৈ বুলি আক্ৰমণ কৰেহি। পিচে, তেওঁৰ গণ্ডপ্ সৰহপৰলৈ নৰজিল; বধ্য ঘটোৎকচে উলটি তেওঁকহে বধ কৰিলে। এইবাৰকে নিবাৰ ভাবি দুৰ্য্যোধন হতাশত বিমোৰ হৈ, ইতিপূৰ্ব্বত হোৱা অভিমন্যুবধৰ অবিধি ৰণৰ পুনৰপি অৱতাৰণা কৰিলে। সেই অনুসৰি, জীবিত কৌৰৱ যোদ্ধা সকলোৱে মিলি একেলগে আৰু একেবাৰে ঘটোৎকচক বেৰি ধৰি আক্ৰমণ কৰিলেগৈ। কিন্তু, অদ্ভুত গদাবীৰ ভীমনন্দনৰ আগত সেই সম্মিলিত যোদ্ধাগণেও বহুপৰ ঠাৱৰিব নোৱাৰি দিহাদিহি পলাই-পত্ৰং দিলে।

এইবাৰ সঁচাকৈয়ে নিবাৰৰ পাল পৰিল। দুৰ্য্যোধনৰ বুদ্ধিৰ আধ্যা পৰিল; মুখৰ মাত হেৰাল, অঙ্গ-প্ৰত্যঙ্গাদি জঠৰ হল। এনে আসন্ন সময়ত, দ্ৰোণনন্দন অশ্বত্থমাই কৰ্ণৰ ওচৰ চাপি প্ৰস্তাব কৰিলেগৈ যে, এই শেষবাৰৰ নিমিত্তে কৰ্ণ ৰণত প্ৰবৃত্ত হৈ, তেওঁৰ সৰ্ব্বশক্তি প্ৰয়োগ কৰি, হিড়িম্বানন্দনক নিধন কৰকগৈ, নহলে আৰু কৌৰৱৰ নিস্তাৰ নাই। তদুত্তৰত কৰ্ণবীৰে বৰ দুখেৰে মনোভাব ব্যক্ত কৰিলে যে, তেওঁৰ হাতত আৰু একেটি মাথোন অমোঘ শৰ-শক্তি বাকী থৈছেগৈ,—সেয়ে হৈছে তেওঁৰ "একাঘ্নী অস্ত্ৰ" (১)। এই অস্ত্ৰবাণ

---

(১) একাঘ্নী বা একেঘাতী অস্ত্ৰৰ আমোঘ শক্তি। এই অস্ত্ৰ যাৰ প্ৰতি প্ৰহাৰ কৰা হয়, তাৰ নিস্কৃতি নাই। কিন্তু, ইয়াক কেৱল একৰ প্ৰতি একেবাৰ মাথোন প্ৰয়োগ কৰা যায়। কথিত প্ৰকিশুত আছে যে, এই একাঘ্নী অস্ত্ৰ কৰ্ণই কবচ দান কৰি ইন্দ্ৰৰপৰা প্ৰতিদানত লাভ কৰিছিল। এই বিষয়ক সুদীৰ্ঘ অদ্ভুত কাহিনীৰ ঠাই ই নহয়। এই সংসৰ্গত শ্ৰীকৃষ্ণৰ সম্বন্ধও বিশেষ একো নাই।

তেওঁ অৰ্জ্জুন-বধৰ অৰ্থে সাঁচি থৈছে। এই অস্ত্ৰবিনে অৰ্জ্জুনৰ মৰণ নাই; আৰু এই অস্ত্ৰৰ অবিহনে অৰ্জ্জুনৰ হাতত তেওঁৰ মৰণ নিশ্চয়। যদিহে, দুৰ্য্যোধন প্ৰমুখ্যে কৌৰৱ পক্ষীয় সকলোৱে একমন হয়, তেন্তে এই একাগ্নী বাণেৰে তেওঁ দুৰ্জ্জয় ভীমতনয় ঘটোৎকচক বধ কৰি কৌৰৱৰ ৰণজয়ৰ আশালৈ পথ মুক্ত ৰাখিবগৈ পাৰে। পিচে, সকলোটি কৌৰৱ যোদ্ধাৰ, বিশেষকৈ দুৰ্য্যোধনৰ সেয়ে মত হোৱাত, মহাবীৰ কৰ্ণই একাগ্নী অস্ত্ৰ প্ৰয়োগেৰে অদ্ভুত বীৰ ঘটোৎকচক বধ কৰিলেগৈ। কৌৰৱ শিবিৰত পুনৰপি সঞ্জীৱনী শক্তিৰ সঞ্চাৰ হল। পাণ্ডৱ শিবিৰত কিন্তু ই দ্বিতীয় দুৰ্ঘটনাৰূপে অনুমিত হল। অভিমন্যু-বধৰ দুৰাৱমুখৰ কাৰণ স্বৰূপ, জয়দ্ৰথ-বধ উদ্দেশে অৰ্জ্জুন যি ভাৱে উত্ৰাৱল হৈ উঠিছিল, ঘটোৎকচবধী কৰ্ণক বধ কৰিবলৈকো ভীমসেন প্ৰজ্জলিত হুতাশনৰ দৰে উদ্বাউল দি জ্বলি উঠিল। তেওঁৰ সঘন হুঙ্কাৰত আকাশ প্ৰতিধ্বনিত হল, তেওঁৰ গৰ্ত্তভেদী গোৰোহনীত মেদিনী কঁপিবলৈ ধৰিলে। বৃকোদৰৰ সেইক্ষণৰ গৰ্জ্জনৰ আগত ওলাই, তেওঁক শান্ত কৰা নিলগতে থাওক, ক্ষান্ত কৰিবলৈকো ওলাওঁতা নোহোৱা হল। মাথোন সমজ্ঞানী, সমদৰ্শী, সকলোৰে ইচ্ছাৰ ওপৰত সমানে স্ব-ইচ্ছাৰ বল প্ৰয়োগ কৰিবৰ ছেগ বুজা, বুদ্ধিস্বৰ্গনাৰায়ণ, বাক্‌সিদ্ধ, ভগৱন্ত শ্ৰীকৃষ্ণই ভীমসেনৰ ৰোষ আৰু আক্ৰোশৰ ওপৰত যোগ্য বুজনি-বচনেৰে শান্তিপানী ঢালিলেগৈ। প্ৰত্যুৎপন্নমতি দৈৱকীনন্দন বাসুদেৱে কুন্তীনন্দন ভীমসেনক এটি মাথোন প্ৰশ্ন কৰিলে, "তেওঁৰ মানত অধিক প্ৰাণাধিকজন কোন ?— অৰ্জ্জুন নে ঘটোৎকচ্ ?" প্ৰশ্ন শুনি, ভীমসেন প্ৰকৃতিস্থ হল। তাৰ পাচত, শ্ৰীকৃষ্ণই এই মৰ্ম্মে বুজনি দিলে যে, ঘটোৎকচ্ বধে কৰ্ণৰ একাগ্নী অস্ত্ৰ ক্ষয় নকৰা হলে, অৰ্জ্জুনবধ নিশ্চয় হৈ আছিল। বুদ্ধিৰ সাগৰ,শান্তিৰ আধাৰ শ্ৰীকৃষ্ণদেৱৰ বুজনিত বজ্ৰহেন উগ্ৰ ভীমসেন বিক্ষুব্ধত শান্ত হৈ পৰিল।

# ৩৫। অধ্যায়।

## দ্রুপদ আৰু ভগদত্তৰ পতন।

নাৰায়নী বা সংসপ্তক সেনাৰে সৈতে ৰণত প্ৰবৃত্ত হৈ কৃষ্ণাৰ্জ্জুন আঁতৰি থকাৰ ছেগতে, ইফালে ঘাই ৰণকেন্দ্ৰত অভিমন্যু-বধ ঘটনাৰে সৈতে লগালগিকৈ ভালেমান দ্বৈৰথ ৰণ লাগে, আৰু দুয়োপক্ষৰে কেইবাজনো প্ৰখ্যাত অসামান্য বীৰ যোদ্ধাৰ পতন হয়। সেই পতনৰ ভিতৰত ঘটোৎকচ্‌ বধৰ বৰ্ণনা ইয়াৰ আগৰ আধ্যাত দিয়া হৈছে; তাৰ উপৰি, পাঞ্চালৰ অধিপতি দ্রুপদ ৰজা আৰু কামৰূপৰ অধীশ্বৰ ভগদত্ত ৰজাৰ পতন উল্লেখ যোগ্য।

সেই ছেগতে, সমানে-সমানে হোৱা দ্বৈৰথ ৰণৰ ভিতৰত এইবোৰ উল্লেখযোগ্য:—যেনে, ভীমসেন আৰু দুৰ্য্যোধনৰ মাজত দোৰ্ষোৰ গদাযুদ্ধ; কৰ্ণ আৰু সাত্যকিৰ মাজত ভয়ানক বাণযুদ্ধ; দ্ৰোণ আৰু ধৃষ্টদ্যুম্নৰ মাজত ধনুৰ্ব্বাণ আৰু বিবিধ অস্ত্ৰযুদ্ধ; সোমদত্ত আৰু বিৰাট, শকুনি আৰু সহদেৱ, নকুল আৰু দুঃশাসন, যুধিষ্ঠিৰ আৰু মদ্ৰৰাজ, শিখণ্ডী আৰু অশ্বত্থমা, কৃপাচাৰ্য্য আৰু জৰাসন্ধতনয়, কৃতবৰ্ম্মা আৰু চেকিতন, কাশীৰাজ আৰু সুমন্ত নৃপতি, পৌৰৱ আৰু শতানীকৰ মাজত বিবিধ অস্ত্ৰযুদ্ধ। এই সমস্তৰ মাজত দ্রুপদ আৰু ভগদত্তৰ মাজত লগা ৰণ আৰু সিবিলাকৰ পতনৰ বিবৃতি অলপ বহলাই কোৱাৰ প্ৰয়োজন; কিয়নো এই দুজন ৰজাৰ লগত কুৰুক্ষেত্ৰ-ৰণ-ৰথৰ চকৰি স্বৰূপ শ্ৰীকৃষ্ণৰ ঘনিষ্ঠ সম্পৰ্ক আছে। পাণ্ডৱপত্নী কৃষ্ণা-

দ্ৰৌপদীৰ সম্পৰ্কত পাঞ্চালপতি দ্ৰুপদ ৰজাৰ লগত, আৰু কামৰূপেশ্বৰ নৰকাসুৰ-বধৰ সংসৰ্গত কামৰূপৰ অধিপতি ভগদত্ত ৰজাৰে সৈতে দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণৰ পুৰণি চিনাকি। বিশেষতঃ, ভগদত্ত বাসুদেৱৰ শ্ৰীকৃষ্ণই পতা ৰজা হে।

দ্ৰুপদ আৰু ভগদত্তৰ মাজত যথাবিধি তুমুল সংগ্ৰাম অস্নামন্নাকৈ চলিবলৈ ধৰিলে। দুয়ো দুইতকৈ চৰা, কেৱেঁ কাকো পেলাব পৰা নাই। এনে সমনীয়া যোদ্ধাদ্বয়ৰ মাজত একেৰাহে বহুপৰ ৰণ চলিছে, কিন্তু কোনো পক্ষ নডৰায়, নপলায় আৰু নপৰেও। সদৌশেহত, বৃদ্ধ দ্ৰুপদৰাজ ভাগৰিলগৈ, ভগদত্তৰ অৰ্দ্ধচন্দ্ৰ বাণাহত হৈ তেওঁ ৰণত পৰিল। পাঞ্চালপতিৰ পতনত পাণ্ডৱ শিবিৰ শোকাকুল হৈ পৰিল। পিতৃপ্ৰতিম শহুৰদেৱতা দ্ৰুপদ ৰজাৰ বিয়োগত ধৰ্ম্মৰাজ যুধিষ্ঠিৰ প্ৰমুখ্যে পঞ্চপাণ্ডৱ, বিশেষকৈ পাণ্ডৱৰ প্ৰধান সেনাপতি ধৃষ্টদ্যুম্ন পিতৃ-বিয়োগত শোক-বিহ্বল হৈ পৰিল।

জয়দ্ৰথ-বধ প্ৰতিজ্ঞা পূৰ্ণ কৰি উঠিয়েই, অৰ্জ্জুনে শহুৰহন্তা ভগদত্তক আক্ৰমণ কৰিলেগৈ। ভগদত্ত কিন্তু সাধাৰণ বীৰ নহয়, তেওঁৰ বল-বীৰ্য্যৰ বিষয়ে স্বয়ং শ্ৰীকৃষ্ণই হে স্বৰূপকৈ জানে। সেই কাৰণে, আৰম্ভণতে বাসুদেৱে অৰ্জ্জুনক বিশেষ সতৰ্কভাৱে সৈতে ৰণ কৰিবলৈ সাৱধান কৰি দিলে। দুয়োপক্ষৰ মাজত বহুপৰ ৰণ হল; কিন্তু কেৱেঁ কাকো পেলাব নোৱাৰে। সদৌশেহত অৰ্জ্জুন অৱশ হৈ পৰিল। সেই ছেগতে ভগদত্তই বৈষ্ণৱ-শৰ নামে (১) বাণ মাৰি অৰ্জ্জুনক বধে-বধে। এনেতে, কৃষ্ণ-ৰণ-বধ-কৌশলৰ কেৱত উলটি অৰ্জ্জুনৰ বাণত ভগদত্তৰ হে পতন হয়।

—:০:—

(১) 'অভিমন্যু বধ' আখ্যাৰ (৩২ আখ্যা) টীকা চোৱা।

# ৬৬। অধ্যায়।

## দ্ৰোণ-বধ।

দ্ৰোণাচাৰ্য্যৰ প্ৰধান সেনাপতিত্বত কুৰু-পাণ্ডৱ মহাৰণৰ পাঁচ দিন পাৰ হৈ গল; ইয়াৰ ভিতৰত কোন্ পক্ষৰ জয়, কোন্ পক্ষৰ পৰাজয় তাৰ একো নিৰ্ণয় কৰিব পৰা নাযায়। দুয়ো পক্ষৰ সমান লাভ, সমান ক্ষতি; কালি এপক্ষৰ এজন প্ৰখ্যাত মহাযোদ্ধাৰ পতন হৈছিল যদি, আজি ইপক্ষৰ এজন সমকক্ষীয় যোদ্ধাৰ পতন হৈছে। এই অনুক্ৰমে পাঁচদিন কুৰুক্ষেত্ৰত কুৰু-পাণ্ডৱৰ মহাৰণ ভীষণভাৱে পাৰ হৈ গৈ, ষষ্ঠ দিনত উপস্থিত। এই দিনেই দ্ৰোণাচাৰ্য্যৰ প্ৰধান দিন।

ভগদত্তৰ পতনত কৌৰৱ শিবিৰ অতিকৈ শোকত সন্তপ্ত আৰু ক্ৰোধত উন্মত্ত হল। পোন্-প্ৰথমে তাৰ চিন্ দুৰ্য্যোধনত লক্ষিত হয়। শোকত সন্তপ্ত আৰু ক্ৰোধত উন্মত্ত হৈ, পৰম মিত্ৰ কামৰূপেশ্বৰ ভগদত্তহন্তাক প্ৰতিশোধ দিয়াৰ উদ্দেশ্যে অশ্বত্থামা নামেৰে মহাহস্তীত আৰোহণ কৰি, গদা-শৰেৰে সুসজ্জিত হৈ, অৰ্জ্জুনক আক্ৰমণ কৰিবলৈ দুৰ্য্যোধন উত্ৰাৱল হৈ আগ বাঢ়িছে, এনেতে আদবাটতে বৃকোদৰে গদা জোকাৰি ভীমসেনে আগছি ধৰিলে। ক্ৰোধান্ধ দুৰ্য্যোধনে হাতীৰ-পৰা নামি, অনতিপলমে ভীমসেনৰে সৈতে ভয়ঙ্কৰ গদাযুদ্ধ পাতিলে। তালেমানপৰ এই দুজন প্ৰখ্যাত গদাবীৰৰ মাজত তুমুল যুদ্ধ চলিছে, কেৱেঁ কাকো জিনিব পৰা নাই। কিন্তু, সদৌশেহত দুৰ্য্যোধন টাৱৰিব

নোৱাৰি প্ৰাণ লৈ পলাবলৈ বাধ্য হল। অশ্বত্থামা হস্তীক তাতে ভীমে গদাৰে কোবাই বধিলে (১)।

দুৰ্য্যোধনে ৰণত পিঠি দিয়া দেখি, ক্ৰোধত অধীৰ দ্ৰোণাচাৰ্য্যই স্বয়ং উৰাৱত হৈ গৈ ভীমসেনক আক্ৰমণ কৰিলে। সেই সময়ত ভীম গদাযোদ্ধা মাথোন; কিন্তু দ্ৰোণাচাৰ্য্যই তেওঁক অতি তীক্ষ্ণ বাণেৰে ক্ষতবিক্ষত কৰিবলৈ ধৰিলে, ভীমে গদা ঘুৰাই পাৰ্য্যমানে সেই বাণ ওফৰাব লাগিছে, কিন্তু দ্ৰোণ-বাণ অন্ত নপৰে! পাচলৈ ভীমসেনে অসহ্য বোধ কৰি, অন্যায় যুদ্ধ কৰাৰ বাবে দ্ৰোণাচাৰ্য্যক অশেষ গৰিহণা দিবলৈ ধৰিলে। নিজে অস্ত্ৰগুৰু হৈ, ছেগ ধৰি অভেদ্য ব্যূহ ৰচনা কৰি, সপ্ত-ৰথীয়ে বেৰি ধৰি, ঘোৰ অন্যায় যুদ্ধ কৰি, ষোল বছৰীয়া শিশুযোদ্ধা অভিমন্যুক বধ কৰা দুৰপনেয় পাপৰ কথা স্মৰণ কৰাই, দ্ৰোণাচাৰ্য্যক ভীমে গদাঘাত সদৃশ্ ককৰ্থনা কৰিলে। ভীমে আৰু কবলৈ ধৰিলে যে, ব্ৰাহ্মণ পণ্ডিতে পাৰ্য্যমানে প্ৰাণী হিংসা নকৰে; কিন্তু দ্ৰোণে স্বাৰ্থ-সিদ্ধিৰ অৰ্থে আৰু পুত্ৰৰ কল্যাণাৰ্থে, অন্যায়-অবিধিকৈ দেবাস্ত্ৰ প্ৰয়োগ কৰি, হাজাৰ-বিজাৰ নৰহত্যা কৰিব লাগিছে; পৰম ধৰ্ম্মাত্মা মহামতি ভীষ্মদেৱৰ আৰ্হিৰে প্ৰতিজ্ঞা প্ৰচাৰ কৰিও, পাণ্ডৱৰাজ যুধিষ্ঠিৰক বন্দী কৰা চেষ্টাত ব্যৰ্থ হৈ, স্বকৃত প্ৰতিজ্ঞা ভঙ্গ কৰিও দ্ৰোণ লজ্জিত হোৱা নাই। ইত্যাদি বিস্তৰ গৰিহণা দি, ভীমে দ্ৰোণ হেন মহাপাপীৰ লগত যুদ্ধ কৰা বিধেয় নহয় বুলি নিৰস্ত্ৰ হবলৈ ধৰিছে (২), এনেতে অৰ্জ্জুনে আহি ভীমৰ

(১) মহাভাৰতৰ দ্ৰোণ-পৰ্ব্বত "অশ্বত্থামা হত ইতি গজঃ" এই বচনমূলক কল্পিত প্ৰক্ষিপ্ত কাহিনীৰ এয়ে আঁতিগুৰি। ইয়াৰ পাচত এই বিষয়ক বহুল টীকা দিয়া হৈছে।

(২) প্ৰক্ষিপ্ত ৰচনাত ভীমৰ এই নিৰস্ত্ৰ অৱস্থাক পলায়ন বুলি বৰ্ণনা কৰা হৈছে। কিন্তু, ভীমৰ পলায়ন, ভীমৰ প্ৰতিজ্ঞাভঙ্গ ইত্যাদি নিচেই অসঙ্গত কথা।

ঠাই লগেহি। দ্ৰোণ আৰু অৰ্জ্জুনৰ মাজত তন্নামন্না ৰণ আৰম্ভ হল। এই দুজন বিচক্ষণীয়া ধনুৰ্দ্ধৰৰ ধনুৰ্ব্বাণৰ কটাকটিত বিজুলী চমকিবলৈ ধৰিলে, দৰ্শকবৃন্দ ত্ৰাহি ত্ৰাহি হল। বহুপৰলৈকে ৰণ চলিব লাগিছে, কিন্তু কোনো পক্ষ পৰাস্ত নহয়। সদৌশেহত, গুৰু-শিষ্যৰ (১) মাজত ক্ৰমে অমানুষিক ৰণ লগাত দৰ্শকবৃন্দে হৰি-হৰি কৰা দেখি, অৰ্জ্জুন আপোন ইচ্ছাৰে ক্ষান্ত হৈ আঁতৰি গুচি গল (২)।

অৰ্জ্জুনে বিৰক্তিৰ ভাৱত উচাৎ মাৰি ৰণলৈ পিঠি দি গুচি যোৱা কাৰ্য্যে দ্ৰোণাচাৰ্য্যৰ অন্তৰত হঠাৎ অনুশোচনা আৰু ধিক্কাৰৰ ভাব উদ্ৰেক্ কৰিলে। তেওঁ চমক্ আৰু ঠমক্ খাই ভালেখিনি পৰলৈকে ঠৰ লাগি বল। তাৰ পাচত, ভীমসেনৰ গৰিহণা আৰু অৰ্জ্জুনৰ অৱজ্ঞা প্ৰদৰ্শনে তেওঁক ইতিপূৰ্ব্বৰ নিন্দনীয় আৰু পাপ কাৰ্য্য এটা-এটাকৈ সোঁৱৰাবলৈ ধৰিলে। তেওঁ ঘাই সেনাপতিৰ বাব গ্ৰহণ কৰাৰপৰা যিখিনি অখ্যাতিৰ কাৰ্য্য সংঘটিত হৈ গৈছে, আৰু হব লাগিছে, তাৰে সৈতে ইতঃপূৰ্ব্বত ভীষ্মদেৱৰ সেনাপতিত্বত সম্পাদিত হোৱা প্ৰশংসনীয় আৰু পুণ্যশীল কাৰ্য্যাৱলী বিজাই চাই, দ্ৰোণে আপোনাকে আপুনি মনে মনে ধিক্কাৰ দিবলৈ ধৰিলে। ভাবি ভাবি সৰ্ব্বজানিক গৰিহণাৰ ভাব তেওঁ ভাবিবলৈ ধৰিলে। গুণী, মানী, পূজ্য, পণ্ডিত, ব্ৰাহ্মণ হৈ দ্ৰোণাচাৰ্য্য তেনেবোৰ পাপ কাৰ্য্যত লিপ্ত হোৱা দেখি সহিব নোৱাৰি, তেওঁৰ সন্মনীয়া ঋষি-মুনি বিশ্বামিত্ৰ, জমদগ্নি, ভৰদ্বাজ, গৌতম, বশিষ্ঠ, অত্ৰি, অঙ্গিৰা, মৰীচি প্ৰভৃতিয়ে তেওঁক সাক্ষাৎ দি, তেওঁক যেন এই বুলি জ্ঞান দান কৰিছেহি, "হে দ্ৰোণ! তুমি অধৰ্ম্ম যুদ্ধ কৰিছা; গতিকে তোমাৰ অন্তিম সময় উপস্থিত হৈছে। তুমি আৰু এনে

(১) দ্ৰোণাচাৰ্য্য অৰ্জ্জুনৰ অস্ত্ৰগুৰু; অৰ্জ্জুন দ্ৰোণাচাৰ্য্যৰ অতি প্ৰিয় শিষ্য।

(২) প্ৰক্ষিপ্তত এই খিনিতে অজেয় অৰ্জ্জুনৰো পলায়ন নিৰ্দ্দেশ কৰিছে

কাৰ্য্যত নিযুক্ত থকা উচিত নহয়। তুমি বেদবেদাঙ্গবেত্তা আৰু সত্য-ধৰ্ম্মপৰায়ণ হৈ, এনেকুৱা পাপকাৰ্য্যত লিপ্ত থকা নিতান্ত অনুচিত। তোমাৰ মৰ্ত্ত্যবাসৰ কাল আজি পূৰ্ণ হৈছে। হে বিপ্ৰ! গমি চোৱা, তুমি অস্ত্ৰগুৰু হৈ অস্ত্ৰত অনভিজ্ঞ হাজাৰ-বিজাৰ লোক ব্ৰহ্মাস্ত্ৰেৰে বধ কৰা কিমান অঘাইত্ পাপ-কাৰ্য্যৰ অনুষ্ঠান কৰিছা! এতেকে, যুদ্ধৰ সাজ-সমল অনতিপলমে পৰিত্যাগ কৰি, আত্মপ্ৰয়াণৰ অৰ্থে সাজু হোৱাঁ (১)।" ইয়াৰ লগৰীয়া হৈ, আৰু অনেক বৈৰাগ্য ভাবে দ্ৰোণাচাৰ্য্যৰ অন্তৰত খেলাবলৈ ধৰিলে। সেই ভাবৰ জালত বিমোৰ হৈ, তেওঁ অস্ত্ৰ-শস্ত্ৰ পেলাই দি ভগৱন্ত বাসুদেৱ শ্ৰীকৃষ্ণক চিন্তিবলৈ ধৰিলে (২)।

---

(১) মহাভাৰত, দ্ৰোণপৰ্ব্ব, দ্ৰোণবধ আধ্যা।

(২) দ্ৰোণাচাৰ্য্য এই ভাবাপন্ন হোৱাৰ কাৰণ কেইবাভাৱেও নিৰ্দ্দেশ কৰা হৈছে; সেই নিৰ্দ্দেশেও মহাভাৰতত ঠাই পাইছে, যদ্যপি সি মূল মহাভাৰতৰ ব্যাসবৰ্ণিত বিষয় বুলি মানিবলৈ যুক্তিয়ে বাট এৰি নিদিয়ে। তাৰ ভিতৰত এই এটাই কিম্বদন্তীত দকৈ শিপাই ঠাই লৈছে:—যেনে, দ্ৰোণাচাৰ্য্যৰ ব্ৰহ্মাস্ত্ৰৰ আগত যেতিয়া কাৰো ৰক্ষা নোহোৱাত পৰিল, আৰু পাণ্ডৱ ৰণবল সমূলঞে নাশ হয়-হয় যেন হল, তেতিয়া শ্ৰীকৃষ্ণৰ বুদ্ধি অনুসৰি প্ৰবঞ্চনাৰে সৈতে দ্ৰোণাচাৰ্য্যক নিৰস্ত্ৰ কৰাৰৰ যুগুতি কৰা হল। সেই উদ্দেশ্যে, ইতিপূৰ্ব্বত ভীমসেনে বধ কৰা অশ্বত্থমা নামেৰে হাতীটোৰ মৰণ-সংবাদ দ্ৰোণাচাৰ্য্যক এনেভাৱে জনোৱা হল যে, তেওঁ সেই অশ্বত্থমা হস্তীক তেওঁৰ পুত্ৰ অশ্বত্থমা বুলি ভাবি শোকত বিমোৰ হল, আৰু অস্ত্ৰ-শস্ত্ৰ পৰিত্যাগ কৰি হতাশৰ খুন্দাত জঠৰ হৈ ৰয়। তৎপূৰ্ব্বতে এই সংবাদৰ যথাৰ্থতা নিশ্চয় কৰাৰ অৰ্থে, ধৰ্ম্ম-যুধিষ্ঠিৰকো সোধা হৈছিল; তেৰোঁ হেনো কপটাচৰণেৰে "অশ্বত্থামা হত ইতিগজঃ" বুলি প্ৰকাৰন্তৰে মিছা সম্বিধান দিলে। কিন্তু, মূল মহাভাৰতত এই বুলিহে আছে,—"অসত্যভয়ে ভয়োদয়ে সক্তো যুধিষ্ঠিৰঃ, অব্যক্তমব্ৰবীৰাক্য হতঃ কুঞ্জৰ ইত্যুত।"—১৯১। পিছে, কথা হৈছে, এনে অন্যায়, অধৰ্ম্ম আৰু নীচ কাৰ্য্যলৈ পৰম পবিত্ৰ শ্ৰীকৃষ্ণ আৰু পৰম ধাৰ্ম্মিক ধৰ্ম্মযুধিষ্ঠিৰৰ প্ৰবৃত্তি হোৱা সম্ভৱ নে? কি

দ্ৰোণাচাৰ্য্যক বধ কৰিবলৈ ধৃষ্টদ্যুম্নৰ পক্ষে ই এটা ভাল চল লাগিছিল, কিন্তু যথাসময়ত তেওঁ সাজু হৈ উঠিব নোৱাৰাত সেই ছেগ হেৰাল। শ্ৰীকৃষ্ণই আৰলৰপৰা দেখা দি, সঙ্কেতেৰে উতঙ্গনি দিয়াত, মহাৰথ দ্ৰোণাচাৰ্য্য ৰণোন্মত্ত হৈ পুনৰপি ৰণত প্ৰবৃত্ত হল।

ইতিমধ্যত যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰে পাণ্ডৱ যোদ্ধাগণক এই বুলি উত্তেজিত কৰি আগুৱাই পঠিয়ালে, "হে বীৰগণ! তোমালোকে পৰম উলাহেৰে শত্ৰু সেনাপতি দ্ৰোণাচাৰ্য্যক আক্ৰমণ কৰিবলৈ আগ বাঢ়া। মহাবীৰ ধৃষ্টদ্যুম্নই আজি দ্ৰোণাচাৰ্য্যক বধ কৰিবলৈ দৃঢ় সংকল্প কৰি ৰণত প্ৰবৃত্ত হৈছে। আজি তেওঁৰ যুদ্ধৰ গতি-গোত্ৰ দেখি ফটফটীয়াকৈ বুজা গৈছে যে, দ্ৰোণাচাৰ্য্যক নিপাত কৰিবলৈ তেওঁ প্ৰাণপণে যুঁজিব। এতেকে, তোমালোকে অতি উলাহেৰে আগ বাঢ়ি গৈ, সকলোৱে মিলি ৰণ কৰিবলৈ ধৰাঁগৈ।" সেই অনুসৰি, পাণ্ডৱ পক্ষীয় যোদ্ধাসকল উৰাৱত হৈ, দ্ৰোণাচাৰ্য্যক লক্ষ্য কৰি, অগ্ৰসৰ হল।

ইফালৰপৰা মহাৰথ দ্ৰোণাচাৰ্য্যয়ো মনে মনে নিজৰ মৰণ আহ্বান কৰি (১) অতি বেগেৰে শত্ৰুক আগ বাঢ়ি গৈ ধৰিবলৈ চোচা ললে।

---

শ্ৰীকৃষ্ণই ইতঃপূৰ্ব্বতে গীতাৰ তৃতীয় আধ্যাত, ২০—২৩ শ্লোকৰ মাজত, এইভাৱে কৈ আহিছে, "ত্ৰিভুবনত মোৰ একো কৰ্ত্তব্য নাই, তথাপি মই কাৰ্য্য কৰোঁ। কিয়নো, মই যদি এই জানত কৰ্ম্মানুষ্ঠান নকৰাকৈ থাকোঁ, কিম্বা কিবা অকৰ্ম্মানুষ্ঠান কৰোঁ, তেন্তে মানুহে সৰ্ব্বোতোভাৱে মোৰ পটন্তৰত ধৰি অকৰ্ম্মা বা কুকৰ্ম্মা হব"। যি ধৰ্ম্মাত্মাৰ এই ধাৰণৰ মতিছিৰ, সেই আত্মতত্ত্বী ব্ৰহ্মদৰ্শী আদৰ্শ পুৰুষৰ পক্ষে উল্লিখিত নীচ কু-পৰামৰ্শ দিয়াটো সম্ভৱপৰ বুলিলো কেনেকৈ পতিয়া যায়? গতিকে, ইয়াক "কাণখোৱা" সাধুকথাৰ মোনাত ভৰাই থোৱাই যুক্ত।

(১) এহাতে ঋষি-মুনিসকলৰ আনোপদেশ আৰু তীমৰ অসহনীয় গৰিহণা, আনহাতে এবাৰ যাইসেনাপতিৰ যাব গ্ৰহণ কৰি ৰণত পৰাঙ্মুখ হোৱাতকৈ দ্ৰোণাচাৰ্য্যই তেওঁৰ পক্ষে মৰণেই শ্ৰেয়ঃ বুলি ভাবিছিল।

গা-খঁহনিত তেওঁৰ অস্ত্ৰ-শস্ত্ৰ সমস্ত জ্বলন্ত জুই-আঙনিৰ দৰেজ্বলিবলৈ ধৰিলে; ৰথৰ ভিতৰত এটা অতি ৰোমাঞ্চক ভীষণ শব্দ উঠিল; তেওঁৰ বাওঁচকু আৰু বাওঁবাহু আচম্বিতে লৰিবলৈ ধৰিলে। তথাপি, তেওঁ প্ৰাণটাঁকি যুঁজিবলৈ নেৰিলে; আৰু তেওঁ ডেৰকুৰি হাজাৰমান শত্ৰুসেনা বধ কৰিলে (১)। মহাযোদ্ধা অস্ত্ৰগুৰু দ্ৰোণাচাৰ্য্যৰ প্ৰচণ্ড তেজ সহিব নোৱাৰি ধৃষ্টদ্যুম্ন অস্থিৰ হৈ পৰিল। এনেতে, ভীমসেনে ধৃষ্টদ্যুম্নক সহায় কৰাৰ উদ্দেশ্যে উত্ৰাৱল হৈ গৈ গদাযুদ্ধ আৰম্ভ কৰিলে; তেওঁ দ্ৰোণাচাৰ্য্যৰ দ্বাৰাই নিক্ষিপ্ত ব্ৰহ্মাস্ত্ৰ পৰ্য্যন্ত গদাঘূৰণিৰে সৈতে ওফৰাই পঠিয়াই, আৰু আগৰ গৰিহণা তীব্ৰভাৱে দোহাৰিবলৈ ধৰিলে। দ্ৰোণাচাৰ্য্যৰ অন্তৰত উমাই উমাই জ্বলি থকা অনুতাপৰ জুই আৰু ভমক্‌কৰে জ্বলি উঠিল; তদুপৰি ভীমসেন আৰু ধৃষ্টদ্যুম্ন হেন দুজন মহাবাহু আৰু মহাৰথৰ লগত যুঁজি যুঁজি দ্ৰোণাচাৰ্য্য নিতান্ত কাতৰ হৈ পৰিল, আৰু তাৰ লগে লগে মৰণ বাঞ্ছাই তেওঁৰ অন্তৰত প্ৰৱল ভাৱে খেলাবলৈ ধৰিলে। তেওঁৰ একান্ত ইচ্ছা যে, অধৰ্ম্ম যুদ্ধ কাৰ্য্যত লিপ্ত থকাতকৈ যেন অনতিপলমে তেওঁৰ মৰণ মিলে। এই বাঞ্ছাৰে সৈতে দ্ৰোণাচাৰ্য্যই ধৃষ্টদ্যুম্নৰ প্ৰতি হৃষ্টচিত্তেৰে নিৰীক্ষণ কৰি লৈ, মনতে ভীমৰ গৰিহণা আৰু ঋষি-মুনিসকলৰ সাধুবাক্য স্মৰণ কৰি, ধৰ্ম্মযুদ্ধত একান্ত মনেৰে প্ৰবৃত্ত হল।

ইয়াৰ পাচৰপৰা দ্ৰোণাচাৰ্য্যই উদাসীনভাৱে যুদ্ধ কৰিবলৈ ধৰিলে। কৰ্ত্তব্যৰ শাসন এৰাব নোৱাৰি তেওঁ তেতিয়ালৈকে অস্ত্ৰ-শস্ত্ৰ পেলাব পৰা নাই সঁচা, কিন্তু শাৰীৰিক আৰু মানসিক অতিশ্ৰমৰ ফলত, তেওঁ ক্ৰমাৎ দুৰ্ব্বল আৰু তেজোহীন হৈ আহিল; তেওঁৰ যুদ্ধ ক্ৰমাৎ মৃদু

(১) মহাভাৰত, দ্ৰোণপৰ্ব্ব, দ্ৰোণবধ আখ্যা।

হৈ পৰিবলৈ ধৰিলে। এইদৰে এই অৱস্থাৰে যুদ্ধ কৰোঁতে কৰোঁতে শেহলৈ তেওঁ নিতান্ত অৱশ হৈ পৰিলগৈ। সদৌশেহত, অন্তিম ক্ষণ গণি চকু মুদি পৰমব্ৰহ্ম শ্ৰীকৃষ্ণদেৱক (১) ধ্যান কৰিবলৈ ধৰিলে। সেই যোগাৱস্থাত ভগৱন্ত-চিন্তাত তন্ময় হৈ থাকোতেই, দ্বিতীয়বাৰৰ ছেগ ধৰি, ধৃষ্টদ্যুম্নই পূৰ্ব্বপ্ৰতিশ্ৰুতি অনুযায়ী (২), নিজৰ ধনুৰ্ব্বাণ এফলীয়াকৈ থৈ, হাতত খোলা তৰোৱাল লৈ, ৰথৰপৰা সবেগে আৰু উদ্বেগেৰে নামি গৈ, যোগস্থিত দ্ৰোণাচাৰ্য্যৰ শিৰচ্ছেদ কৰি, তেওঁক বধ কৰিলে। সেই সংবাদত কৌৰৱ শিবিৰত হাহাকাৰ লাগি উঠিল, দুৰ্য্যোধন হতাশ হৈ পৰিল, আৰু অন্ধৰাজ ধৃতৰাষ্ট্ৰই বিস্তৰ বিলাপ কৰিবলৈ ধৰিলে। পাণ্ডৱ শিবিৰত সেই সংবাদে আনন্দ আৰু বেজাৰ দুইৰো বিকাৰাছন্ন কৰিলে। শত্ৰুপক্ষৰ ঘাই সেনাপতিৰ পতন হিচাপে, পাণ্ডৱ শিবিৰত আনন্দৰ ঢৌ উঠিল; কিন্তু সবাৰৱে ঘাই অস্ত্ৰগুৰু হিচাপে, মহাগুৰুৰ তিৰোভাৱত বিষাদৰ ধল বিয়াপি যাবলৈ ধৰিলে।

কৰ্ত্তব্যৰ শাসনত বাধ্য হৈ, অৰ্জ্জুনে যদিও দ্ৰোণাচাৰ্য্যৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিছিল, তথাপি তেওঁ তেওঁৰ প্ৰতি মাৰাত্মক অস্ত্ৰ প্ৰয়োগ

---

(১) দ্ৰোণাচাৰ্য্যও যে ভীষ্মদেৱৰ দৰেই মহা কৃষ্ণভক্ত আছিল, এয়ে তাৰ বিশিষ্ট প্ৰমাণ।—মহাভাৰত, দ্ৰোণপৰ্ব্ব, ৭ম আধ্যা।

(২) দ্ৰোণাচাৰ্য্য আদিতে পাঞ্চালৰ ৰাজগুৰু আছিল। দ্ৰুপদ ৰজাৰ লগত মনান্তৰ ঘটাত, তেওঁ সেই ৰাজ্য এৰি আহি কুৰুৰাজ্যত স্থিতি কৰিলে। সেই কথাত দ্ৰুপদ ৰজা অত্যন্ত আশঙ্কিত হল; কিয়নো অস্ত্ৰশাস্ত্ৰবিদ্ মহাৰথ দ্ৰোণাচাৰ্য্যই পাঞ্চালৰ চিৰশত্ৰু কুৰুৰ সঙ্গ লোৱা হেতুকে শত্ৰুপক্ষ অত্যন্ত বলৱন্ত হৈ উঠিল, আৰু দ্ৰোণাচাৰ্য্যৰ বলেৰেই বলিয়ান হৈ কুৰুৱে পাঞ্চালৰ অনিষ্ট কৰাৰ আশঙ্কাত দ্ৰুপদ ৰজাই দ্ৰোণবধ যজ্ঞৰ অনুষ্ঠান কৰে। সেই যজ্ঞৰ ফলস্বৰূপ ধৃষ্টদ্যুম্নৰ জন্ম; গতিকে, দ্ৰোণবধ ধৃষ্টদ্যুম্নৰ আজন্ম লক্ষ্য।

কৰা নাছিল ; ভীষ্মদেৱৰ বিৰুদ্ধে অৰ্জ্জুনে যি মৃদুযুদ্ধ কৰিছিল, দ্ৰোণাচাৰ্য্যৰ বিৰুদ্ধেও তেওঁৰ ৰণ তদ্ৰূপ মৃদু হোৱাৰ আভাস ওপৰত দি অহা হৈছে। দুইবো ওচৰত অৰ্জ্জুন মৰমৰ ধকৰা। গতিকে, দ্ৰোণবধ বাৰ্ত্তাই তেওঁক বৰকৈ ব্যথিত কৰিলে। তেওঁৰ মনত বিবিধ বিৰক্তিৰ ভাব খেলাবলৈ ধৰিলে। তাৰ উত্তেজনাত তেওঁ আৰ-তাৰ ওপৰত দোষাৰোপ কৰিবলৈ ধৰিলে। আন কি, তেওঁৰ পূজনীয় অগ্ৰজ ধৰ্ম্ম-যুধিষ্ঠিৰকো তেওঁ কঠুৱা কথা শুনাবলৈ বাকী নাৰাখিলে। যুধিষ্ঠিৰৰ ওপৰত তেওঁৰ আক্ৰোশ এই বাবে যে, দ্ৰোণাচাৰ্য্যক ক্ৰমাৎ অৱশ আৰু উদাসীন হোৱা জানিও, তেওঁ তেওঁৰে সৈতে ঘোৰতৰ ৰণ কৰিবলৈ পাণ্ডৱ পক্ষীয় যোদ্ধাবৰ্গক উদগনি দি পাচিছিল। ভীমসেনৰ প্ৰতিও অৰ্জ্জুন অত্যন্ত বিৰক্ত হৈ উঠিছিল ; কিয়নো, তেওঁৰ ওপৰা-উপৰি ককৰ্থনা হেতুকে দ্ৰোণাচাৰ্য্যই মৰ্ম্মান্তিক অনুতাপত সন্তপ্ত হৈ মৰণ বাঞ্ছা কৰিছিল। আটাইতকৈ ধৃষ্টদ্যুম্নৰ প্ৰতি অৰ্জ্জুনৰ ক্ৰোধ অত্যধিক ; কাৰণ তেওঁ ৰণৰ হেতুবন্ধন ছিঙি (১) তদ্বিপৰীত আচৰণেৰে দ্ৰোণাচাৰ্য্যক অবৈধ ব্যৱস্থাৰে বধ কৰিলে (২)। অৰ্জ্জুনৰ ক্ৰোধ দেখি নিৰ্জ্জু যুধিষ্ঠিৰে নিটাল মাৰিলে (৩)। কিন্তু, ভীমসেন

১। ওপৰত ৰণৰ হেতুবন্ধনত লিপিবদ্ধ কৰা আছে যে, নিৰস্ত্ৰ, ক্লান্ত, অন্তমনস্ক যোদ্ধাক বধ কৰা নাযাব। গতিকে, অস্ত্ৰ-শস্ত্ৰ একলীয়াকৈ থৈ, অত্যন্ত ক্লান্ত অৱস্থাত আত্মগ্লানি আৰু অনুতাপত অৰ্পিত হৈ, ধ্যানমগ্ন আৰু যোগস্থিত হোৱাৰ হেতুত দ্ৰোণাচাৰ্য্যক বধ কৰাটো ধৃষ্টদ্যুম্নৰ পক্ষে নিতান্ত গৰ্হিত কাৰ্য্য হৈছিল।

২। মহাভাৰত দ্ৰোণপৰ্ব্ব, ৮ম আধ্যা।

৩। কোনো-কোনোৰ প্ৰক্ষিপ্তমতে অৰ্জ্জুনে যুধিষ্ঠিৰক কাটিবলৈকে ওলাইছিল। শ্ৰীকৃষ্ণ মাজত সোমোৱা হলে, সিবানতে সকলো পণ্ড হলেহেঁতেন।—মহাভাৰত, দ্ৰোণপৰ্ব্ব, ৮ম আধ্যা।

সহি থকা ভকত নহয়, তেওঁ উলটি অৰ্জ্জুনৰ ওপৰত ক্ৰোধ কৰি গৰ্জ্জি উঠিল। ধৃষ্টদ্যুম্নয়ো অৰ্জ্জুনৰে সৈতে তৰ্ক-যুদ্ধ আৰম্ভ কৰিলে। সেই প্ৰসঙ্গতে যাদৱ বীৰ সাত্যকিয়েও অৰ্জ্জুনৰ ফলীয়া হৈ ধৃষ্টদ্যুম্নক বিস্তৰ নিন্দা কৰিবলৈ ধৰিলে। শেহাস্তত বাক্‌যুদ্ধৰ ঠাইত অস্ত্ৰযুদ্ধ উপস্থিত হোৱাৰ আগন্তুক দেখা গল। এনেতে, আপদৰ বন্ধু শ্ৰীকৃষ্ণদেৱে সেই সমস্যাৰ মাজত ইচ্ছা কৰি সোমালেহি। প্ৰত্যুৎপন্নমতি আদৰ্শ পুৰুষ ভগৱন্ত বাসুদেৱে সঙ্কেতৰ বলেৰে অৰ্জ্জুন আৰু সাত্যকিক ক্ষান্ত ৰাখি, সিপক্ষীয় ভীমসেন আৰু ধৃষ্টদ্যুম্নক চতুৰ্থ পাণ্ডৱ সহদেৱৰ জৰীয়তে বৰাই-বুজাই শান্ত কৰিলে। নাইবা, গৃহকন্দলৰ ফলত সৰ্ব্বনাশ ঘটিবৰ উপক্ৰম হৈছিল। শ্ৰীকৃষ্ণ আকৌ এটা মহা সমস্যাত পৰিল। তেওঁৰ বুজনিৰপৰাই অৰ্জ্জুনে বুজি উঠিল যে, মাননীয় লোকৰ পক্ষে অপমান মৃত্যুতুল্য। অৰ্জ্জুনে মাননীয় অগ্ৰজ যুধিষ্ঠিৰক বিস্তৰ কু-বচনেৰে অপমান কৰিছিল, আৰু তদ্বাৰাই তেওঁ এক মহাপাপ আচৰিছিল; গতিকে সেই পাপ অপনয়নৰ অৰ্থে তেওঁ আত্মবিসৰ্জ্জনলৈ উদ্যত হল। সেই অৰ্থে, অৰ্জ্জুনে খোলা তৰোৱাল নিজৰ বক্ষলৈ লক্ষ্য কৰি হাতত ললে। এনেতে, বুদ্ধিস্বৰ্গনাৰায়ণ ভগৱন্ত শ্ৰীকৃষ্ণদেৱে অৰ্জ্জুনৰ হাতত ধৰি, এইভাৱে আওপকীয়া বুজনি দিলে যে, অনুতাপত অনেক পাপ-তাপ কটাকটি যায়; এতেকে অৰ্জ্জুনৰ পক্ষে সেই পাপ খণ্ডাবলৈ উপায় ওলাই আছে। সেই অনুসৰি, অৰ্জ্জুনে বিস্তৰ অনুতাপ কৰাত, সকলো তাপ খণ্ডন হল; বিষ্ণুস্বৰূপ ভগৱন্ত শ্ৰীকৃষ্ণৰ গূহ্যতম উদ্দেশ্য সিদ্ধিৰ হুৱাৰ জাপ নোযোৱাকৈয়ে ৰল।

# ৩৭। অধ্যায়।

## কৰ্ণ-বধ।

অজেয় যোদ্ধা মহামতি ভীষ্মদেৱৰ পতনৰ লগে-লগেই কৌৰৱ পক্ষ হতাশ হবলৈ ধৰে; তাৰ পাচত, অস্ত্ৰগুৰু মহাৰথ দ্ৰোণাচাৰ্য্যৰ সেনাপতিত্বত সেই পক্ষৰ বিজয়বাসনা পুনৰপি মটমটীয়া হৈ উঠে। বাস্তৱতে, তেওঁৰ সেনাপতিত্বত পাণ্ডৱপক্ষৰ কেইবাজনো বিচক্ষণীয়া বীৰ ৰণত পৰাত, কৌৰৱ পক্ষৰ জয়লাভ একপ্ৰকাৰ ঠাৱৰ হোৱাৰ নিচিনা হৈছিল; পিচে, এনেতে সেই ঘাই সেনাপতি দুৰ্জ্জয় দ্ৰোণাচাৰ্য্যৰ অভাবনীয় পতন হোৱাত, কৌৰৱৰ আশা-ভৰসা সমূলঞে মাৰ যোৱাৰ লক্ষণ দেখা গল।—হতাশৰ খুন্দাত অস্থিৰ হৈ, কৌৰৱ পক্ষীয় যুদ্ধকৰ্ত্তা দুৰ্য্যোধন অত্যন্ত কাতৰ হৈ পৰিল; বৃদ্ধ অন্ধৰাজ ধৃতৰাষ্ট্ৰই বিলাপত সেই হতাশৰ ভাব উগাৰিবলৈ ধৰিলে।

এনেতে, কুটমন্ত্ৰী শকুনি কাষ চাপিলহি। তেওঁ দুৰ্য্যোধন আৰু অন্ধৰাজ দুইকো আওপাকে বুজাই-বৰাই উদগনি দিবলৈ ধৰিলে। তেওঁৰ মতে, তেতিয়ালৈকে কৌৰৱ শক্তি সমূলঞে নাশ নৌ হয় এথোন,—মহাৰথ কৰ্ণবীৰ জীৱত থাকেমানে সেই শক্তি সতেজ থাকিব। ভীষ্মদেৱ আৰু দ্ৰোণাচাৰ্য্য যদিও অজেয় যোদ্ধা আছিল, তথাপি বয়সে শিথিলাকৰ দুৰ্ব্বলা কৰিছিল; কিন্তু কৰ্ণবীৰ এতিয়া ডেকা, উৎসাহী পূৰ্ণ বয়সীয়া, এতিয়াও তেওঁ অকলশৰে ভাৰত জিনিব পৰা হৈ আছে।

ইতিপূৰ্ব্বত, যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ প্ৰাৰম্ভত ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ এই চাৰি পাণ্ডৱে চতুৰ্দ্দিশে দিগ্বিজয় কৰিছিল। কিন্তু দুৰ্য্যোধনৰ প্ৰভুত্ব বিস্তাৰৰ সময়ত প্ৰখ্যাত মহাবীৰ কৰ্ণই অকলেই সেই চতুৰ্দ্দিশত দিগ্বিজয় কৰিছিল ; পাণ্ডৱৰ ধৰণীস্বৰূপ অৰ্জ্জুন দ্ৰোণৰ শিষ্য, কিন্তু কৰ্ণ দ্ৰোণগুৰু পৰশুৰামৰ শিষ্য ; অৰ্জ্জুনৰ দুৰ্জ্জয় ধনু গাণ্ডীৱ, কৰ্ণৰ ততোধিক দুৰ্জ্জয় ধনু বিজয়ধনু ; অৰ্জ্জুনৰ সাৰথি শ্ৰীকৃষ্ণ, কৰ্ণৰ সাৰথিও মহাবল শল্য ; দুয়ো দিব্যাস্ত্ৰবিদ্ বিচক্ষণীয়া যোদ্ধা। বাস্তৱতে, কৰ্ণ হে অৰ্জ্জুনৰ প্ৰকৃত প্ৰতিযোদ্ধা। দুয়ো পৰস্পৰক বধিবলৈ বহুদিনৰপৰা প্ৰতিশ্ৰুত। কুৰুক্ষেত্ৰ-মহাৰণৰ প্ৰাৰম্ভত কৰ্ণৰ জন্মবৃত্তান্ত ব্যক্ত কৰি, তেওঁৰ গৰ্ভধাৰিণী মাতৃ কুন্তীদেৱীয়ে যেতিয়া তেওঁৰ ওচৰত পঞ্চ-পাণ্ডৱৰ প্ৰাণ ভিক্ষা কৰে, অৰ্থাৎ কৰ্ণই কৌৰৱ পক্ষীয় হৈ যুদ্ধ কৰিলেও, পাঁচ পাণ্ডৱৰ এজনকো তেওঁ বধ নকৰিবলৈ কয়, তেতিয়া কৰ্ণই 'অচল-অটল' ভাৱে ইয়াকে হে সমিধান দিলে যে, মাতৃ-অনুৰোধ ৰক্ষাৰ্থে তেওঁ যুধিষ্ঠিৰ, ভীম, নকুল, সহদেৱ এই চাৰি পাণ্ডৱক স্বহাতে বধ নকৰিলেও, অৰ্জ্জুন-বধ সংকল্প তেওঁ কাচিতো পৰিহাৰ কৰিব নোৱাৰে। স্বৰূপত, কৰ্ণই হে অৰ্জ্জুন-বধ সাধিব পাৰিব। অৰ্জ্জুন-পতনৰ লগে-লগেই পাণ্ডৱ পক্ষৰ পতন ; আৰু তাৰ লগে-লগেই কৌৰৱ পক্ষৰ জয়, ই ধ্ৰুৱসত্য কথা। এতেকে, কৌৰৱৰ যুদ্ধকৰ্ত্তাসকলে হতাশ নহৈ মহাবীৰ কৰ্ণক দ্ৰোণাচাৰ্য্যৰ ঠাইত থাই সেনাপতি বৰণ কৰি যুদ্ধ পুনঃ পূৰ্ণবেগেৰে আৰম্ভ কৰাই দিয়ক। শকুনিৰ মতে, 'কৰ্ণসম বীৰ নহব দুপজিব' (১)। দুইবন্ধুৰ এই

(১) "বলি বীৰ, বালি বীৰ, আৰু হনুমান ; নহব দুপজিব কৰ্ণৰ সমান" এই বচন কীৰ্ত্তিৰ পাঁতি-গুৰি ইয়াতে হব পায়।

উদগনিয়ে দুৰ্য্যোধনক পুনঃ উদ্দীপ্ত কৰিলে ; ধুমাওঁ-ধুমাওঁ হোৱা (১) ৰণাগ্নি পুনৰপি জ্বলি উঠিল।

আপদৰ বন্ধু শকুনিৰ যুক্তি আৰু পৰামৰ্শ গ্ৰহণ কৰি, দুৰ্য্যোধনে বিশেষ আয়োজনেৰে বৰ ধুম্‌ধাম্‌কৈ কর্ণ মহাবীৰক কৌৰৱ পক্ষৰ থাই সেনাপতিত্বত বৰণ কৰি, পুনৰপি ৰণ আৰম্ভ কৰিবলৈ আদেশ দিলে। কর্ণই যথা সমাদৰে সেই নেতৃত্বৰ গুৰুতৰ ভাৰ গ্ৰহণ কৰি, পৰম উলাহেৰে ৰণনেতাৰ বাব গ্ৰহণ কৰিলে গৈ ; তেওঁৰ নিজৰ দিহামতে যোদ্ধাবর্গ যথা-যথা স্থানত ৰণৰ অৰ্থে সাজু হলগৈ। তাৰ নিদর্শনস্বৰূপ কৌৰৱ শিৱিৰৰ উলাহ-আনন্দৰ জয়ধ্বনি চৌদিশে ব্যাপ্ত হৈ পৰিল।

মৃয়মান্ কৌৰৱ শিবিৰত আকৌ আচম্বিতে আনন্দৰ জয়ধ্বনি উঠাত পাণ্ডৱ শিৱিৰত আকৌ আতঙ্ক উপস্থিত হল। ৰণকৰ্ত্তা যুধিষ্ঠিৰৰ আজ্ঞামতে, পাণ্ডৱপক্ষও অনতিপলমে ৰণলৈ সাজু হল। আৰু, তেওঁৰ আদেশ অনুসৰি, অৰ্জ্জুনে তেওঁৰ সাৰথি শ্ৰীকৃষ্ণৰে সৈতে পৰ্য্যালোচনা কৰি, অৰ্দ্ধচন্দ্ৰ ব্যূহ ৰচনা কৰিলে ; তাত এই অনুক্ৰমে পাণ্ডৱ যোদ্ধা নিয়োজিত হল :—যেনে, ব্যূহৰ সোঁ-চূড়াত ধৃষ্টদ্যুম্ন, বাওঁ-চূড়াত ভীমসেন, পিঠিভাগত নকুল-সহদেৱৰে সৈতে যুধিষ্ঠিৰ, সমুখৰ মাজভাগত সাৰথি শ্ৰীকৃষ্ণৰে সৈতে মহাৰথ অৰ্জ্জুন স্বয়ং সসৈন্যে সাজু হবগৈ।

দুয়োপক্ষ সমুখাসমুখি হল। দুয়োপক্ষৰপৰা ভীষণ জয়ধ্বনি উঠি আকাশ কম্পমান্ কৰিলে। আচম্বিতে সৰ্ব্বজনীন কৌতূহল উদ্ৰেক্

(১) সঞ্জয় মন্ত্ৰীৰ ভৱিষ্যৎবাণী শুনি শুনি, তেওঁৰ সাংকেতিক মন্ত্ৰণা মতে, কুৰুৰাজ ধৃতৰাষ্ট্ৰৰ মনত পৰাপক্ষত ৰণ পৰিহাৰ কৰাই যুক্ত যেন বোধ হৈছিলহি ; অৱশেষে, অতক্ৰম মন্ত্ৰী শকুনিৰ মন্ত্ৰণাই সেই ভাব তল পেলাই, ৰণ চলোৱা ভাব পুনৰপি ওপৰ কৰিলে।

হল। কৰ্ণ আৰু অৰ্জ্জুনৰ ৰণোল্লাহ দেখি সকলো স্তম্ভিত হল। ইয়াৰ আগেয়ে অৰ্জ্জুনে পিতামহ ভীষ্মদেৱ আৰু অস্ত্ৰগুৰু দ্ৰোণাচাৰ্য্যৰ লগত যি যুদ্ধৰণ কৰিছিল, সেই ৰণৰ আভাস তেওঁত আৰু নাই; এতিয়া তেওঁ প্ৰাণ-লোৱা, নাইবা প্ৰাণ-দিয়া, এই ভয়াবহ জীৱন-মৰণৰ সমস্যাত উপস্থিত। কৰ্ণবধেই কুৰুক্ষেত্ৰ মহাৰণত অৰ্জ্জুনৰ আচল লক্ষ। এতিয়া সেইক্ষণ উপস্থিত হৈছেহি। তদ্ৰূপ, কৰ্ণৰ লক্ষও অৰ্জ্জুনবধ হে; সেই ছেগে এইক্ষণত তেওঁক ধৰা দিছেহি।

যুদ্ধাৰম্ভণৰ ঘোষণাসূচক দুয়োপক্ষীয় ৰণবাদ্য বাজি উঠিল; যথাবিধি দুয়োপক্ষৰ নিৰ্দ্ধাৰিত যোদ্ধা ৰণত লাগি গল। দুয়োপক্ষৰ মাজত এখন অপৰূপ ৰণ লাগি উঠিল। ৰথে-ৰথে, গজে-গজে, পদাতিয়ে-পদাতিয়ে, ধনুৰ্দ্ধাৰী অশ্বাৰোহীয়ে-অশ্বাৰোহীয়ে, গদাধাৰীয়ে-গদাধাৰীয়ে ভীষণ ৰণ কৰিবলৈ ধৰিলে। দুয়োদলৰ আস্ফালনত মেদিনী কঁপিবলৈ ধৰিলে; দুয়োপক্ষৰ অস্ত্ৰসংঘৰ্ষণত উঠা মৃত্যুসংবাদসূচক ধ্বনিয়ে হৃৎকম্প তুলিলে, দুয়োপক্ষৰ আক্ৰোশসূচক গৰ্জ্জনৰ বাৰে আকাশ কম্পমান্ কৰিলে। এনেতে, ৰণমদত উন্মত্ত ভীমসেনে গদা এৰি, শৰ-ধনু হাতত লৈ, একেশাৰে হাতীত চৰি, শত্ৰুপক্ষৰ ওপৰত বাণ বৰ্ষণ কৰিবলৈ ধৰিলে; সাত্যকি, নকুল, ধৃষ্টদ্যুম্ন, চেকিতন আৰু দ্ৰৌপদীৰ পঞ্চপুত্ৰেই সিংহনাদ ছাৰি ভীমসেনৰ সাহায্যত দক্ষভাবে সৈতে তেওঁৰ অনুবৰ্ত্তী হল। শত্ৰুপক্ষৰ এনে বিষম আক্ৰোশ ৰোধ কৰাৰ অৰ্থে, কৌৰৱপক্ষীয় মহাযোদ্ধা মহাবীৰ কুলুদদেশৰ ৰজা ক্ষেমধূৰ্ত্তিয়ে এটা মহাগজত আৰোহণ কৰি বিষম বিক্ৰমেৰে ভীমসেনক আক্ৰমণ কৰিলেগৈ; দুয়ো বীৰৰ মাজত তুমুল ৰণ বহুপৰলৈকে লাগি আছে, এনেতে বিষম বাণৰ প্ৰহাৰত অস্থিৰ হৈ ক্ষেমধূৰ্ত্তিৰ মহাকায় হস্তীয়ে ৰণভঙ্গ দিলে; তেওঁ উপায়ন্তৰ হৈ, সেই হাতীৰপৰা অগত্যা নামি আহি, হাতত যমদণ্ড সদৃশ

গদা লৈ, ভীমসেনক দ্বৈৰথ যুদ্ধলৈ আহ্বান কৰিলেহি। গতিকে, পুনৰপি গদাযুদ্ধ আৰম্ভ হল। বহুপৰ ব্যাপি এই দুজন বিচক্ষণীয়া গদাবীৰৰ মাজত তুমুল যুদ্ধ চলিবলৈ ধৰিলে। সদৌশেহত ভীমসেনৰ হাতত ক্ষেমধূৰ্ত্তিৰ পতন হল। ক্ষেমধূৰ্ত্তিৰ পতনত কৌৰৱ সেনাবৰ্গ হতাশ হোৱা যেন দেখি, ঘাই সেনাপতি কৰ্ণবীৰে স্বয়ং ধনু-শৰ হাতত লৈ, অকাট্য বাণেৰে পাণ্ডৱপক্ষক অস্থিৰ কৰি এচিপ্ পিচুৱাই নি, পুনৰপি কৌৰৱপক্ষক নতুন খোপনি দি, দুয়োপক্ষৰ যোদ্ধাৰ মাজত যোগ্যতা অনুসৰি আৰু নিজ নিজ বাছনি অনুযায়ী দ্বৈৰথ যুদ্ধ আৰম্ভ কৰাই দিলে। সেই অনুসৰি, অশ্বত্থমা আৰু ভীমসেন, শ্ৰুতকৰ্ম্মা আৰু চিত্ৰসেন, বিন্দ-অনুবিন্দ আৰু সাত্যকি, প্ৰতিবিন্ধ্য আৰু চিত্ৰথশোধন, দুৰ্য্যোধন আৰু যুধিষ্ঠিৰ, কৃপাচাৰ্য্য আৰু ধৃষ্টদ্যুম্ন, কৃতবৰ্ম্মা আৰু নকুল, মদ্ৰপতি আৰু শ্ৰুতকীৰ্ত্তি, দুঃশাসন আৰু সহদেৱ, নাৰায়ণী সেনা আৰু অৰ্জ্জুন। দুৰ্যোধন আৰু যুধিষ্ঠিৰৰ মাজত ভয়াময়া ৰণ লাগিবলৈ ধৰিলে। অৰ্জ্জুনৰ সাৰথিস্বৰূপে যদ্যপি অদ্ভুত ধাৰণৰ ৰথচালনা কৰি আৰু বিচক্ষণীয়া ৰণ কৌশলৰে সৈতে দুৰ্জ্জয় নাৰায়ণী সেনাক জয় কৰিবলৈ স্বয়ং শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ ৰণত একান্ত মনোযোগ দিব লগীয়া হৈছিল, তথাপি সমূহ দ্বৈৰথ ৰণৰ পৰিচালনাৰ ওপৰত বাসুদেৱে অসাধাৰণ ভাৱে দৃষ্টি ৰাখিছিল। বাস্তৱতে, অদ্বিতীয় ৰণপণ্ডিত উলাহ-উৎসাহৰ জীৱন্তমূৰ্ত্তি, কংস-চাণূৰমৰ্দ্দন, জৰাসন্ধনিধনকাৰণ, শিশুপালহন্তা, কেশীনিসূদন স্বয়ং শ্ৰীকৃষ্ণ বিদ্যমান থকাত পাণ্ডৱপক্ষৰ পৰাক্ৰম দোপত-দোপে চৰিবলৈ ধৰিলে; ইপক্ষে অনুবিন্দ, চিত্ৰসেন, প্ৰতিবিন্ধ্য প্ৰভৃতি কৌৰৱ যোদ্ধা এজন-এজনকৈ ৰণত পৰিবলৈ ধৰিলে; নাৰায়ণী-সেনাও ক্ৰমাৎ নিস্তেজ হৈ আহিল; কৌৰৱ দল ৰণত পিঠি দিওঁ-দিওঁ হল। এনেতে, কৌৰৱদল সমূলকৈ পৰাভূত হওঁ-হওঁ

হওঁতে বিচক্ষণীয়া যোদ্ধা ঘাই সেনাপতি কৰ্ণবীৰে কৌৰৱ সেনাৰ দুৰ্জ্জয় সাহায্য সংগ্ৰহ কৰি লৈ বিষম বিক্ৰমেৰে ৰণৰ মাজত সোমালেহি। ঠিক সেইক্ষণতে সিফালৰপৰা চতুৰ্থ পাণ্ডৱ নকুলে দুঃশাসনক ৰণত পৰাভূত কৰি, মহোল্লাহেৰে ৰণকেন্দ্ৰৰ মুখে ঘূৰোঁতে, মাজবাটতে কৰ্ণৰে সৈতে তেওঁৰ ভেটাভেটি হল। সোধপোছ্ নাই, দুইৰো মাজত ঘোৰতৰ ৰণ লাগিল। ভালেমান পৰলৈকে দুইকো দুয়ো বিষম বিক্ৰমেৰে অস্থিৰ কৰিবলৈ ধৰিলে। কিন্তু, কৰ্ণহেন বীৰৰ আগত নকুল বীৰ কিমান পৰলৈ ঠাৰৱিব!—তেওঁ অগত্যা পৰাভূত হৈ পিঠি দেখুৱাবলৈ বাধ্য হল। কৌৰৱ দল পুনৰপি উলাহত উধাও হৈ উঠিল। এনে সমস্যাত, পাণ্ডৱ দলৰ মূলশক্তি ৰণপণ্ডিত শ্ৰীকৃষ্ণৰ বিজুলী দৃষ্টি পৰিল; তেওঁ ততালিকে পৰাভূত হওঁ-হওঁ হোৱা নাৰায়ণী সেনাক সিমানতে এৰি, চকুৰ পচাৰতে অৰ্জ্জুনৰ ৰথ ঘূৰাই কৰ্ণমুখীয়া কৰি দি, এনে কৌশলেৰে অৰ্জ্জুনৰ দ্বাৰাই কৌৰৱ দলক আচম্বিতে আক্ৰমণ কৰালেগৈ যে, কৌৰৱ যোদ্ধা ঠাৰৱিব নোৱাৰি এজন-এজনকৈ ৰণত বিমুখ হবলৈ ধৰিলে; গতিকে কৌৰৱপক্ষ পুনঃ জঁয় পৰি আহিল। এনেতে, দিন অৱসান হৈ অহাত, নিৰূপিত সময় অনুসৰি, সিমানতে সেইদিনৰ ৰণৰ সামৰণি পৰিল। দুয়োদলে যথাৰীতি নিজ নিজ শিৱিৰলৈ প্ৰত্যাগমন কৰিলে। সেই দিনৰ ৰণ এখন ভয়ঙ্কৰ মহাৰণ। এনেখন ৰণত শ্ৰীকৃষ্ণৰ কৌশলৰ ফলস্বৰূপ জয়লাভ হোৱাত, পাণ্ডৱ শিৱিৰত মুহূৰ্মুহু জয়ধ্বনি উঠিবলৈ ধৰিলে।

অৰ্জ্জুনৰ আগত কৰ্ণৰ দুৰ্জ্জয় সেনাদল তিষ্টিব নোৱাৰি পৰাভূত হৈ শিৱিৰলৈ প্ৰত্যাগত হোৱাত, দুৰ্য্যোধন হতাশৰ খুন্দাত বহি পৰিল। তেওঁ কৰ্ণৰ অসাৰ গণ্ডপালৈ লক্ষ কৰি আক্ষেপ কৰিবলৈ ধৰিলে; কৰ্ণৰ প্ৰতি তেওঁ মুখে-মুখে অৱজ্ঞাসূচক বাক্য প্ৰয়োগ কৰিবলৈকো

বাকী নাৰাখিলে। দুৰ্য্যোধনৰ অযথা দোষাৰোপ আৰু কৰ্কথনা শুনি শুনি অসহ্য হৈ উঠাত, মহা অভিমানী দুৰ্জ্জয় বীৰ কৰ্ণ খঙত জ্বলি উঠিল। তেওঁ সবেগে দুৰ্য্যোধনৰ কাষলৈ চাপি আহি, এই বুলি তেওঁৰ ভ্ৰান্তি গুচাবলৈ প্ৰয়াস পালে:—অৰ্জ্জুন কাৰ বলত সিমান বলৱন্ত হৈছে, দুৰ্য্যোধনে মনি চোৱা নাই। স্বয়ং অৱতাৰী নাৰায়ণ শ্ৰীকৃষ্ণ যাৰ সাৰথি, সেই পাৰ্থবীৰে কোনো কোনো ফেৰত জয়লাভ কৰাটো একো আচৰিত নহয়; সেইদিনাৰ যুদ্ধত বাসুদেৱ শ্ৰীকৃষ্ণই উপস্থিতবুদ্ধি নখটোৱা হলে, অৰ্জ্জুনৰ কি সাধ্য কৰ্ণৰ দুৰ্জ্জয় সেনাদলক পৰাভূত কৰে। শ্ৰীকৃষ্ণসম বীৰ্য্যবান সাৰথিৰ বল পালে, তেওঁ পৃথিবী জয় কৰিব পাৰে। উপস্থিত মহাৰণত প্ৰবৃত্ত হোৱা সমবেত বীৰ যোদ্ধাৰ মাজত অৱশ্যে যাদৱ কেশৰী কেশৱৰ সমান বীৰ্য্যৱন্ত লোক নাই; তথাপি মদ্ৰৰাজ শল্যবীৰ একোবলৈ শ্ৰীকৃষ্ণৰ সমকক্ষ হলে হব পাৰে। এতেকে, শল্যই যদি কৰ্ণৰ সাৰথিৰ ৰাব গ্ৰহণ কৰে, তেন্তে তেওঁ অনতিপলমে অৰ্জ্জুনক বধ কৰি কৌৰৱৰ জয়লাভ নিশ্চয় কৰি দিব পাৰে। কৰ্ণৰ মুখে এই কথা শুনি, দুৰ্য্যোধনে আতুৰভাৱে মদ্ৰপতি শল্যক কৰ্ণৰ সাৰথি হবলৈ অনুৰোধ কৰিলেগৈ। মহাবীৰ্য্যৱন্ত অভিমানী বীৰ মদ্ৰৰাজে পোনেই সেই অযথা প্ৰস্তাৱ সদৰ্পে দলিয়াই পেলালে; কিন্তু দুৰ্য্যোধনৰ কাকুতি-অনুৰোধ এৰাব নোৱাৰি, শল্যৰাজ অগত্যা কৰ্ণৰ সাৰথি হবলৈ মান্তি হল।

পিচদিনা কৰ্ণবীৰ মহোল্লাহেৰে আৰু বিপুল আয়োজনেৰে ৰণলৈ সাজু হল। তেওঁ নতুন ধাৰণেৰে এখন বিচিত্ৰ ব্যূহ ৰচনা কৰি দুৰ্য্যোধন, শকুনি, কৃপাচাৰ্য্য, অশ্বত্থমা, দুঃশাসন, কৃতবৰ্ম্মা প্ৰভৃতি সেনাপতি সকলক ভাগে ভাগে ৰণত নিয়োজিত কৰিলে। কৰ্ণৰ উলাহত উলাহিত হৈ, কৌৰৱদল ৰণত লাগোঁ-লাগোঁ হল। বিপক্ষতো তদ্ৰূপ কৃষ্ণাৰ্জ্জুনৰ

দিহামতে ধৃষ্টদ্যুম্ন, ভীম, নকুল, সহদেৱ, সাত্যকি প্ৰভৃতি বিচক্ষণীয়া সেনাপতিসকল সসৈন্যে শত্ৰুপক্ষৰ ওপৰত পৰোঁ-পৰোঁ হৈ আগ বাঢ়িল। এই যাত্ৰাত স্বয়ং যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰেও শৰ-ধনু ধৰি ৰণত প্ৰৱেশ কৰিলে। দুয়োদলৰ মাজত ঘোৰতৰ ৰণ আৰম্ভ হল। আৰম্ভণত ভীমসেনৰ হাতত ভালেমানে কৌৰৱ পক্ষীয় বছা বছা বীৰ ৰণত পৰিল; তাৰ মাজত সেনাপতি কৰ্ণকুমাৰো এজন। পুত্ৰৰ পতন দেখি, কৰ্ণবীৰে বিষম আক্ৰোশেৰে পাণ্ডৱৰ মূলকে নাশ কৰিবৰ উদ্দেশে যুধিষ্ঠিৰক আক্ৰমণ কৰিলেগৈ। দুইৰো মাজত তয়াময়া ৰণ লাগিল। পোনতে কৰ্ণৰ আক্ৰমণে স্থিৰযোদ্ধা যুধিষ্ঠিৰক টলাব নোৱাৰি নিজে উফৰি উভতি পৰিছিল; কিন্তু মহাবীৰ কৰ্ণৰ আগত সৰহপৰলৈ আত্মচম্ভালন কৰাটো মৃদুযোদ্ধা যুধিষ্ঠিৰৰ পক্ষে সম্ভৱপৰ নহল, তেওঁ কৰ্ণৰ হাতত সম্পূৰ্ণে পৰাভৱ মানিলে; কৰ্ণই তেওঁৰ গৰ্ভধাৰিণী মাতৃ কুন্তীদেৱীৰ ওচৰত ইতঃপূৰ্ব্বে প্ৰতিশ্ৰুত হোৱাৰ স্মৰণ কৰি তেওঁক প্ৰাণে মাথোন এৰি দিয়াত, যুধিষ্ঠিৰ লজ্জিত, অপমানিত আৰু মৰ্ম্মান্তিক হৈ শিৱিৰলৈ উলটিল। এই দৃশ্য সৰ্ব্বদৰ্শী শ্ৰীকৃষ্ণৰ দৃষ্টিত পৰা মাত্ৰকে তেওঁ ততালিকে অৰ্জ্জুনৰ ৰথ আনি কৰ্ণমুখীয়া কৰি দিলে, আৰু যুধিষ্ঠিৰৰ সংবাদ আনিবলৈ ভীমসেনক পাচিলে। ৰণোন্মত্ত ভীমসেন ৰণ এৰি যাবলৈ অমান্তি হল; গতিকে অনতিপলমে কৃষ্ণাৰ্জ্জুন স্বয়ং যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰৰ সমীপত উপস্থিত হলগৈ। শ্ৰীকৃষ্ণই যি আশঙ্কাত ততালিকে ৰণ এৰি শিৱিৰ প্ৰৱেশ কৰিছিলগৈ, ঠিক সেই আশঙ্কা কাৰ্য্যত ফলিয়াবলৈ ধৰা দেখিলেগৈ; ধৰ্ম্ম-যুধিষ্ঠিৰে লাজ, অপমান আৰু ধিক্কাৰ ঢাকিবৰ উদ্দেশ্যে সিমানতে কুৰুক্ষেত্ৰ-মহাৰণৰ সামৰণি মাৰি, প্ৰকাশ্যে পৰাভৱ স্বীকাৰ কৰিবলৈ আগ বাঢ়িলে। পাছিকে, নতুনকৈ এটা মহা সমস্যা উপস্থিত হল। এই সমস্যাৰ

পাৰ শ্ৰীকৃষ্ণ বিনে আনে দেখা নোপোৱাত পৰিল। প্ৰত্যুৎপন্নমতি শ্ৰীকৃষ্ণদেৱে বাহুল্য বুজনিৰে সৈতে আসন্ন ক্ষণত সময় নষ্ট কৰা অনুচিত বিবেচনা কৰি, মাথোন অৰ্জ্জুনৰ দ্বাৰাই কৰ্ণবধ প্ৰতিজ্ঞা কৰাই যুধিষ্ঠিৰক শান্ত কৰি, পুনৰপি তেওঁৰ আজ্ঞা লৈ, অনতিপলমে অৰ্জ্জুনক ৰণত প্ৰৱেশ কৰাবলৈ উপায় চিন্তা কৰিলে। ইতিমধ্যত, কৰ্ণক বধ নকৰাকৈ শিবিৰলৈ উলটি অহা বাবে যুধিষ্ঠিৰে অৰ্জ্জুনক বিস্তৰ কৰ্কথনা কৰিবলৈ ধৰিলে; তেওঁ নিৰাশ হৈ, এনে অসহনী কথা কবলৈকো বাকী নাৰাখিলে যে, কৰ্ণলৈ যদি অৰ্জ্জুনৰ ইমানেই ভয়, তেন্তে মহাধনু গাণ্ডীৱৰ অপযশ আনিলে কিয়?—তেওঁ গাণ্ডীৱ ধৰিবলৈ অযোগ্য হৈছিল যেতিয়া, সেই দুৰ্জ্জয় ধনু শ্ৰীকৃষ্ণৰ হাতলৈ পাৰ কৰি, তেওঁ উলটি শ্ৰীকৃষ্ণৰ সাৰথি হোৱা উচিত আছিল। যুধিষ্ঠিৰৰ প্ৰলাপতুল্য এনেকুৱা অযথা কৰ্কথনা অৰ্জ্জুনে ধৈৰ্য্য ধৰি বিস্তৰ সহিলে; কিন্তু শেহৰ কু-বাক্য কেইফাঁকি তেওঁলৈ নিতান্ত অসহনীয় হল,—অৰ্জ্জুনে অদম্য ক্ৰোধত অধীৰ হৈ ফাঁকৰপৰা তৰোৱাল উলিয়াই লৈ, যুধিষ্ঠিৰৰ শিৰচ্ছেদ কৰিবলৈ উদ্যত হল (১)। এনেতে, শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ হাতত ঠাপ্ মাৰি ধৰি, সেই অপঘাত ব্যৰ্থ কৰি, উপস্থিত আপদৰপৰা পাণ্ডৱক ৰক্ষা কৰি, অৰ্জ্জুনক সময়োপযোগী বুজনি দিবলৈ ধৰিলে। শ্ৰীকৃষ্ণৰ বুজনিত অৰ্জ্জুন ক্ষান্ত আৰু শান্ত হল। কিয়নো, গুৰুজনক অপমানসূচক বাক্য প্ৰয়োগ কৰাতেই তেওঁক বধ কৰাৰ তুল্য হল, আৰু তদ্দ্বাৰাই অৰ্জ্জুনৰ গাণ্ডীৱ নিন্দাবাদ শ্ৰৱণজনিত

(১) অৰ্জ্জুনক গাণ্ডীৱ পৰিহাৰ কৰিবলৈ যেয়ে কয়, তেওঁ তত্ক্ষণিকে তাৰ শিৰচ্ছেদ কৰাটো অৰ্জ্জুনৰ ভীষ্ম-প্ৰতিজ্ঞা আছিল। গতিকে, যুধিষ্ঠিৰে কৰ্কথনাৰ ভিতৰত সেই কথা প্ৰয়োগ কৰাৰ হেতুকে, অৰ্জ্জুনে তেওঁৰ শিৰচ্ছেদ কৰিবলৈ ধৰিছিল।

হোৱা পাপ খণ্ডি গল। কিন্তু অগ্ৰজ গুৰুজনক অপমান কৰা পাপৰপৰা মুক্তিলাভৰ অৰ্থে অৰ্জ্জুন আত্মহত্যাৰ নিমিত্তে প্ৰস্তুত হল। শ্ৰীকৃষ্ণ আকৌ এটা সমস্যা ভঞ্জনৰ জঞ্জালত পৰিল! তেওঁ তত্তালিকে অৰ্জ্জুনক এই বুজনি দিলে যে, আত্মশ্লাঘা কৰিলে তেনে পাপ খণ্ডন হোৱাৰ বিধি আছে। সেই অনুসৰি, অৰ্জ্জুনে নিজে আত্মবল-গৌৰৱ বখানি সেই পাপ মোচন কৰিলে (১)

ইফালে পাণ্ডৱ শিবিৰত কৃষ্ণাৰ্জ্জুনে ওপৰা-উপৰিকৈ সমস্যা ভঞ্জন কৰি থাকোতেই, সিফালে ৰণকেন্দ্ৰত অদ্ভুত বীৰ ভীমসেনে কৌৰৱ পক্ষীয় কেইবাজনো ঘাই ঘাই যোদ্ধা ৰণত পেলাই উৎপাত লগাবলৈ ধৰিলে। কৃষ্ণাৰ্জ্জুনৰ অনুপস্থিতিত ছেগ ধৰি, কৰ্ণৰ অন্যতম পুত্ৰ বৃষসেনে দুঃশাসনৰ সহায়েৰে আক্ৰমণ কৰি, ভীমসেনক বিচেষ্টা কৰি পেলাইছিল, কিন্তু তেওঁৰ দুৰ্জ্জয় নামৰ ব্যতিক্ৰম নঘটিছিল; তেওঁ চতুৰ্গুণ উৎসাহেৰে যুদ্ধ কৰি অকলশৰে কৌৰৱ দলক অস্থিৰ কৰি পেলালে। এনেতে, এটা ছেগত ভীমসেনে ধনু-শৰ এফলীয়াকৈ থৈ, গদা হাতত লৈ, দুঃশাসনক দ্বৈৰথ যুঁজলৈ আহ্বান কৰিলে। প্ৰচলিত ৰণনীতি অনুসৰি, দুঃশাসনেও বাধ্য হৈ গদা ধৰি ভীমসেনৰে সৈতে যুদ্ধত প্ৰবৃত্ত হল। দুয়ো বীৰৰ মাজত ভালেমান পৰলৈকে ঘোৰতৰ গদাযুদ্ধ চলিবলৈ ধৰিলে। সদৌশেষত, ভীমৰ গদাঘাতত দুঃশাসন ৰণত পৰিল; সেই ছেগতে ভীমসেনে পূৰ্ব্বৰ প্ৰতিজ্ঞা স্মৰণ কৰি তত্তালিকে তৰোৱালেৰে পতিত বীৰ দুঃশাসনৰ বুকু ছিৰি ৰক্তপান কৰিলে (২)।

---

(১) কৃষ্ণভক্ত অৰ্জ্জুন সততে কৃষ্ণ-বুদ্ধিৰ দ্বাৰাই পৰিচালিত। সেই গুণৰ বাবে হে সেই সাংঘাতিক সমস্যা চকু-পচাৰণিতে শ্ৰীকৃষ্ণই ভঞ্জন কৰিব পাৰিছিল।

(২) দ্ৰৌপদীৰ বস্ত্ৰহৰণ আপাহত ভীমসেনে এই প্ৰতিজ্ঞা কৰিছিল।

এনেতে, উভয় প্ৰান্তৰপৰা উৎসাহৰ জয়ধ্বনি আৰু হতাশৰ হাহাকাৰ উঠিল,—সেইফালেই শক্ৰবিনাশ কৰি বাট উলিয়াই লৈ, কৃষ্ণাৰ্জ্জুনে পুনৰপি ৰণক্ষেত্ৰত প্ৰৱেশ কৰিলেহি। শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসৰি, অৰ্জ্জুনে পোনেই কৰ্ণ সেনাপতিৰ অন্যতম পুত্ৰ বৃষসেনক আক্ৰমণ কৰি ৰণত পেলালে। পুত্ৰক ৰণত পৰিবৰ দেখি, কৰ্ণ বীৰ ক্ৰোধান্ধ হৈ অৰ্জ্জুনৰ সমুখীন হলগৈ। দুই মহাৰথীৰ মাজত তন্ময়াকৈ ভয়ঙ্কৰ ৰণ লাগি উঠিল। এনে ভয়ঙ্কৰ ৰণ কুৰুক্ষেত্ৰ মহাৰণৰ সংস্ৰৱত আগেয়ে কেতিয়াও হোৱা নাছিল। দুইলৈকে দুয়ো চৰা। কেৱে কাকো হটাব পৰা নাই। দুয়ো অজস্ৰ বাণ বৰ্ষণেৰে আকাশ ছাতি পেলাইছে; দুয়ো দলৰ অসংখ্যাত সেনা ৰণত পৰিব লাগিছে, কিন্তু কৰ্ণাৰ্জ্জুনৰ ভিতৰত কেৱে কাৰো প্ৰাণ লবলৈ সমৰ্থ হোৱা নাই। এনেতে, কৰ্ণৰ ৰথৰ চকৰি এটা তেজৰ বোকাত সোমাই লাগি ধৰিল; তেওঁ অচল হৈ পৰিল। গতিকে, কৰ্ণই ৰথৰপৰা জাঁপ মাৰি নামি সেই চকৰি উভালি উলিয়াবলৈ প্ৰাণকাতৰে যত্ন কৰিবলৈ ধৰি, অৰ্জ্জুনক ক্ষন্তেক ক্ষান্ত হবলৈ এই বুলি অনুৰোধ কৰিলে, "হে অৰ্জ্জুন! মই হঠাৎ বিপন্ন! মই এই ৰথ-চকৰি বোকাৰপৰা উলিয়াই লওঁমানে ক্ষন্তেক ক্ষান্ত হোৱাঁ, মোৰ প্ৰতি বাণ প্ৰহাৰ নকৰিবাঁ। কিয়নো, বিপন্ন আৰু নিৰস্ত্ৰ যোদ্ধাৰে সৈতে যুদ্ধ কৰাটো ৰণ-নীতিৰ বহিৰ্ভূত কাৰ্য্য। তুমি বীৰৰ সন্তান, আৰু তুমি নিজেও এজন প্ৰখ্যাত বীৰ; এতেকে ক্ষত্ৰিয় ধৰ্ম্ম-মতে নিষিদ্ধ যুদ্ধ নকৰি, ন্যায্য আৰু ধৰ্ম্মযুদ্ধলৈ ক্ষন্তেক অপেক্ষা কৰাঁ। মোক এই নিৰস্ত্ৰ আৰু বিপন্ন অৱস্থাত বাণাঘাত বা অস্ত্ৰাঘাতেৰে বধ কৰিলে তোমাক মহাপাপে চুব। এতেকে, ক্ষন্তেক ক্ষান্ত হোৱাঁ।"

ক্ষন্তেক ক্ষান্ত হবলৈ অৰ্জ্জুনক ওপৰাউপৰিকৈ অনুৰোধ কৰি

লৈ, কৰ্ণবীৰে বোকাত পোত্ যোৱা ৰথ-চকৰি টানি উলিয়াবলৈ ধৰিলে। সেইক্ষণতে, ছেগ বুজি, ধৰ্ম্মাত্মা শ্ৰীকৃষ্ণই অৰ্জ্জুনক ক্ষান্ত হবলৈ সঙ্কেত দি লৈ, কৰ্ণৰ প্ৰতি এই বুলি বিগত আৰু বৰ্ত্তমান কাৰ্য্যক্ষেত্ৰত ধৰ্ম্মাধৰ্ম্ম আৰু কৰ্ত্তব্যাকৰ্ত্তব্যৰ এটি বিজণি বিশদকৈ আঁকি দেখুৱাই অন্তিম কালৰ জ্ঞানদান দিলে; "হে সূতনন্দন! তোমাৰ এতিয়া ধৰ্ম্মলৈ মনত পৰিছে, সি অতি সৰু কথা। কিন্তু ইয়াকো মনত পেলাই চোৱাঁচোন, যেতিয়া শকুনিৰ মন্ত্ৰণামতে, তোমাৰ মতামত লৈ, দুৰ্য্যোধন আৰু দুঃশাসন বাঘে ৰজস্বলা একবস্ত্ৰা দ্ৰৌপদীক চুলিত ধৰি চোঁচোৰাই নি ৰাজসভাত বিৱস্ত্ৰা কৰিবলৈ প্ৰয়াস পাইছিল, তেতিয়া তোমাৰ ধৰ্ম্ম ক'ত বৈছিল? যেতিয়া বাৰণাৱতত লা-ঘৰৰ তলত শুই থকা পথিক পঞ্চপাণ্ডৱক মাতৃসহ দাহ কৰাৰ উদ্দেশ্যে তুমি সেই ঘৰত জুই দিয়াইছিলাঁ, তেতিয়া তোমাৰ এই ধৰ্ম্ম ক'ত আছিল? যেতিয়া দুৰাত্মা শকুনিৰ কুমন্ত্ৰণাত তোমাৰ অনুমোদনেৰে নিতান্ত অনভিজ্ঞ যুধিষ্ঠিৰক পাশা খেলত হৰুৱাই পাণ্ডৱৰ সৰ্ব্বস্ব জিনি লোৱা হৈছিল, তেতিয়া তোমাৰ ধৰ্ম্ম ক'ত বৈছিল? যেতিয়া তোমাৰ মতামত লৈ, দুৰ্য্যোধনে গুপুতে বিহপান কৰাই ভীমসেনক বধিবৰ যুগুতি কৰিছিল, তেতিয়া তোমাৰ ধৰ্ম্ম ক'ত বৈছিল? যেতিয়া তুমি সপ্তৰথীৰ এক ৰথী হৈ, দ্ৰোণ-ৰচিত অভেদ্য ব্যূহৰ মাজত অললশৰীয়া শিশুযোদ্ধা অভিমন্যুক সাতোজনে বেৰি ধৰি সমশৰ প্ৰহাৰেৰে অন্যায়ত, পাপযুদ্ধত বধ কৰিছিলাহঁক, তেতিয়া তোমাৰ ধৰ্ম্ম ক'ত আছিল? ইয়াকো স্মৰণ কৰিবাচোন, এই মহাৰণৰ আৰম্ভণৰপৰা বৰ্ত্তমানলৈকে তোমাৰ পক্ষীয়া যোদ্ধাবৰ্গে ৰণৰ সেই হেতুবন্ধন (১) কিমানলৈকে ভঙ্গ কৰি আছিছে?

---

(১) ৰণৰ হেতুবন্ধনৰ বিষয়ে ইতঃপূৰ্ব্বতে ৩০শ, অধ্যায়ত বিশদকৈ ব্যাখ্যা কৰা হৈছে।

হে কৰ্ণ! বিগত কালত যি অধৰ্ম্ম আচৰণ কৰি আহিছা, তাক নপথলাকৈ তুমি এতিয়া কোন্ সত্তে ধৰ্ম্মৰ দোহাই দিয়া? (১) তথাপি, অধৰ্ম্মাচৰণ কৰিবলৈ মই পাণ্ডৱক নকওঁ, অন্তিমলৈকে ধৰ্ম্মেৰে অধৰ্ম্মক কটাকটি কৰিবলৈ হে উপদেশ দিওঁ। চোৱা, এতিয়াও তোমাৰ অনুৰোধ ৰক্ষা কৰি, ৰণৰ হেতুবন্ধনলৈ চুমৰি চাই, অৰ্জ্জুন ক্ষান্ত হৈ ৰৈছে; তোমাৰ ৰথ-চকৰি উদ্ধাৰি লৈ, পূৰ্ব্বৰত ৰথত চৰি, তুমি পুনৰপি ৰণত প্ৰবৃত্ত হোৱা। কিন্তু মনত ৰাখিবা, 'যতোধৰ্ম্মস্ততোজয়ঃ', ইয়াৰ অন্যথা হব নোৱাৰে। পূৰ্ব্বকালত যিৰূপে নিষধ দেশৰ অধিপতি ধৰ্ম্মাত্মা নল ৰজাই ভায়েক পুষ্কৰৰ লগত পাপ-পাশা খেলত সৰ্ব্বস্ব হেৰুৱাই, পৰিশেষত পুনৰপি সমুদায় লাভ কৰিছিল, সেইৰূপে পাণ্ডৱবৰ্গেও ধৰ্ম্মানুষ্ঠানৰ ফলত নিজ ৰাজ্য-ধন সমুদায় পুনৰ্লাভ কৰিবগৈ, আৰু অধৰ্ম্মানুষ্ঠানৰ প্ৰায়শ্চিত্তস্বৰূপ কৌৰৱপক্ষ সমূলঞ্চে নাশ হবগৈ, ইয়াত লেশমানো সন্দেহ নাই।" (২)

শ্ৰীকৃষ্ণৰ জ্ঞানগৰ্ভ সত্যকথন অন্ত পৰিল। কৰ্ণ লাজত অৱনত হল। তাৰ পাচত, কৰ্ণই মৰ-বল দি, ৰথ-চকৰি উদ্ধাৰি লৈ, পুনৰপি ৰথত চৰি ৰণ আৰম্ভ কৰিলে। আকৌ তয়াময়া ৰণত আকাশ-পৃথিৱীত তোলপাৰ লাগিল। সদৌশেহত, অৰ্জ্জুনৰ শৰবিদ্ধ হৈ মহাবীৰ কৰ্ণ ৰথৰপৰা বাগৰি পৰিল!

---

(১) মহাভাৰত, কৰ্ণপৰ্ব্ব, ৯১ অধ্যা।

(২) ধৰ্ম্মাধৰ্ম্ম আৰু কৰ্ত্তব্যাকৰ্ত্তব্যৰ পুনৰাবৃত্তিৰে সৈতে বুদ্ধিবৰ্গনাৰায়ণ শ্ৰীকৃষ্ণই এহাতে যেনেকৈ উগ্ৰতেজী কৰ্ণবীৰক নিস্তেজ কৰিছিল, আনহাতে তেনেকৈয়ে অগ্ৰজৰ কদৰ্থনাত নিস্তেজ হৈ থকা অৰ্জ্জুনক উত্তেজিত কৰিবলৈ প্ৰয়াস পাইছিল।

# ৩৮। অধ্যায়।

## শল্য, শাল্ব, শকুনি, চিত্রসেন আদিৰ পতন।

ঘাই সেনাপতি মহাবীৰ কৰ্ণৰ পতনৰ লগতে দুৰ্য্যোধনৰ আশা-ভৰসা সকলোৰে পতন ঘটিল। তেওঁ জয়লাভৰ আশাত জলাঞ্জলি দি নিৰাশ হৈ ৰহিল। সেই ছেগতে, ভবিষ্যত মঙ্গল গণি তেওঁৰ অস্ত্ৰগুৰু কৃপাচাৰ্য্যই সন্ধি স্থাপনৰ অৰ্থে দুৰ্য্যোধনক উপদেশ দি চাইছিল (১); কিন্তু মহা অভিমানী কৌৰৱৰাজ দুৰ্য্যোধনে সেই সদুপদেশ সদৰ্পে দলিয়াই পেলালে। তেওঁ দাম্ভিক চিত্তেৰে এই বুলি কৈ উঠিল, "হয় ৰণত জয়লাভ, নহয় ৰণত পতন; ইয়াত বাজে মোৰ অন্য পণ হব নোৱাৰে"। এইবুলি, একেচাৱে উঠি গৈ, দুৰ্য্যোধনে মদ্ৰৰাজ শল্যবীৰৰ কাষ চাপি তেওঁক ঘাই সেনাপতিৰ বাব যাচিলেগৈ। কৰ্ণ ৰথীৰ সাৰথি হৈ শল্যবীৰৰ যি অভিমান খৰ্ব্ব হৈছিল, সি পুনৰুদ্দীপ্ত হৈ উঠিল; তেওঁ তত্তালিকে দুৰ্য্যোধনে যাজ্ঞা কৰা সেনাপতিৰ বাব গ্ৰহণ কৰি মহাদৰ্পে এই বুলি আফালি উঠিল, "শল্য জীৱিত আছেমানে দুৰ্য্যোধন সমুলি হাতছিগা হোৱা নাই"। ইয়াকে কৈ, তেওঁ অনতিপলমে ৰণলৈ সাজু হল।

ইফালে পাণ্ডৱ শিৱিৰতো পিচদিনাৰ ৰণত কোনে কি নেতৃত্ব গ্ৰহণ কৰিব তাৰ আলোচনা চলিছে। আগদিনা কৰ্ণৰ হাতত বিষমকৈ ঘাটি ৰণত পিঠি দেখুৱাৰ বাবে যুদ্ধকৰ্ত্তা যুধিষ্ঠিৰৰ গাত

(১) মহাভাৰত, শল্যপৰ্ব্ব, ৪ৰ্থ অধ্যা।

যি দোষৰ চেকা লাগিছিল, তাৰ অপনয়নৰ অৰ্থে চিন্তামণি শ্ৰীকৃষ্ণই চিন্তিব লাগিছে। এনেতে, শল্যৰ সেনাপতিত্ব গ্ৰহণৰ সংবাদ আহিল। বাসুদেৱে চিন্তি পালে যে, এই ছেগেই ছেগ, এই ছেগত যুধিষ্ঠিৰত ৰণৰ নেতৃত্ব আৰোপ কৰি তেওঁৰ নামে শল্যবধৰ কীৰ্ত্তি ৰাখি পাণ্ডৱপতিৰ অপযশ খণ্ডোৱা বাঞ্ছনীয়। এই ভাবি, শ্ৰীকৃষ্ণই পিচদিনাৰ ৰণত নেতৃত্বৰ ৰাব গ্ৰহণ কৰিবলৈ যুধিষ্ঠিৰক পৰামৰ্শ দিলে। সেই পৰামৰ্শ পাণ্ডৱ শিৱিৰত সাদৰে গৃহীত হল।

পিচদিনা পুৱাতে শল্য সেনাপতিয়ে বিশেষ আড়ম্বৰেৰে তেওঁৰ মনোমত ৰণব্যূহ ৰচনা কৰি কৌৰৱ যোদ্ধাসকলক যথা যথা স্থানত নিয়োগ কৰিলেগৈ। সিফালে পাণ্ডৱৰ পক্ষেও যুধিষ্ঠিৰৰ অনুজ্ঞা অনুসৰি, অৰ্জ্জুনে বিচিত্ৰ ব্যূহ ৰচনা কৰিলে। যথাসময়ত দুয়োদল মুখামুখি হলহি, আৰু অনতিপলমে যুদ্ধ আৰম্ভ কৰা হল। শল্যৰ সাহায্যত কৃতবৰ্ম্মা, অশ্বত্থমা, শাল্ব, শকুনি, চিত্ৰসেন, সত্যসেন, সুষেণ এই কেইজন কৌৰৱ সেনাপতি নিৰূপিত ঠাইত সাজু হলহি; অৰ্জ্জুনৰ লক্ষত কৃপাচাৰ্য্য থাকিল; যুধিষ্ঠিৰৰ সাহায্যত ভীমসেন, ধৃষ্টদ্যুম্ন, নকুল, সহদেৱ, সাত্যকি এইসকল পাণ্ডৱ যোদ্ধা সাজু হৈ আগ বাঢ়িল; ৰথী অৰ্জ্জুনক লৈ সাৰথি শ্ৰীকৃষ্ণই, সঙ্কটৰ সহায় স্বৰূপ ৰণ তত্বাৱধাৰকৰ ৰাব লৈ, সতৰ্কভাৱে দৈতে দুয়োপক্ষৰ কাৰ্য্য আৰু গতি-গোত্ৰ লক্ষ কৰিবলৈ ধৰিলে। যথাবিধি ৰণ লাগি উঠিল। শল্যৰে সৈতে যুধিষ্ঠিৰে, অশ্বত্থমাৰে সৈতে ভীমসেনে, কৃতবৰ্ম্মাৰে সৈতে সাত্যকিয়ে, চিত্ৰসেনৰে সৈতে নকুলে, শকুনিৰে সৈতে সহদেৱে, দুৰ্য্যোধনৰে সৈতে ধৃষ্টদ্যুম্নে প্ৰতিযোগিতা পাতি দুয়ো দলে তুমুল সংগ্ৰাম পাতিলে। বহুপৰলৈকে ৰণ লাগিবই লাগিছে, উভয়পক্ষৰ অসংখ্যাত সেনা ৰণত পৰিব লাগিছে; দুয়োদলে মৰসাহ, মৰবল,

মৰ-উৎসাহত মৰোঁ-জীওঁকৈ লাগিছে, কিন্তু কোন্ হাৰে কোন্ জিকে তাৰ একো চিন্ পোৱা নাই। পিচে, এজন-এজনকৈ কৌৰৱ সেনাপতি ৰণত পৰিবলৈ ধৰিলে। পোনেই চিত্ৰসেন পৰিল, তেওঁৰ লগতে সত্যসেন আৰু সুষেণ পৰিল; তাৰ পাচত শাল্ব, তাৰপাচত শকুনি এই অনুক্ৰমে পতন হৈ আধ্যা পৰি আছিল। বাকী ৰলগৈ মাথোন কৃপাচাৰ্য্য, কৃতবৰ্ম্মা, অশ্বত্থমা আৰু দুৰ্য্যোধন;—সেনা ৰলগৈ এঘাৰ অক্ষৌহিনীৰ অৱশিষ্ট এঘাৰ হাজাৰ! সেই অৱশিষ্ট ভাগে অৱস্থা বুজি ব্যস্তাৰত ধৰি, ৰণলৈ পিঠি দি, উধাতু খাই হস্তিনাপুৰৰ মুখে উফৰি, পলাই-পত্ৰং দিলে, পিচে পিচে জিকাৰু পাঞ্চাল সেনাই খেদিবলৈ ধৰিলে। ইমানতে, দিনৰ অৱসানত, ৰণৰ হেতুবন্ধন অনুসৰি, সেই দিনৰ ৰণৰ সামৰণি পৰিল; সেই দিনা কুৰুক্ষেত্ৰ মহাৰণৰ সপ্তদশ দিন। পাণ্ডৱ পক্ষে মহা উলাহেৰে শিৱিৰলৈ উলটি গৈ গগণভেদী জয়ধ্বনি তুলিলেগৈ; কৌৰৱা শিৱিৰ মৰামুৱা হৈ জঁয় পৰিল। (১)

---

(১) মহাভাৰত, শল্যপৰ্ব্ব, ৩য় আধ্যা।

# ৩৯। আখ্যা।

## দুৰ্য্যোধন-বধ।

স্বৰূপত, কৰ্ণৰ পতনৰ লগতে দুৰ্য্যোধনৰ শেহ ভাৰসাৰো পতন হল ; কুৰুক্ষেত্ৰ-মহাৰণত জয়লাভ কৰি কুৰুৰাজ্যত একাধিপত্য স্থাপন কৰা তেওঁৰ মনৰ কামনা মনতে মাৰ গল। তথাপি, তেওঁৰ অস্ত্ৰগুৰু কৃপাচাৰ্য্যৰ উদগনি আৰু উপদেশ অনুসৰি, মদ্ৰৰাজ শল্যক থাই সেনাপতি পাতি, বাকী থকা যোদ্ধাবৰ্গক আৰু এদিন ৰণত লগাই তেওঁ মন পতিয়াই চাইছিল। পিচে, এতিয়া তেওঁৰ এই শেহবলবো অস্ত পৰিল ; মাথোন কৃপাচাৰ্য্য আৰু অশ্বথমা এই দুজন ব্ৰাহ্মণ সেনানায়ক আৰু কৌৰৱ পক্ষীয় যাদৱ নেতা কৃতবৰ্ম্মা আদিকা বলগৈ। সিবিলাকো এতিয়া পাখিহীন পখীৰ নিচিনা—সেনাপতি-সেনানায়ক। সদৌশেহত সিবিলাক তিনিজনো ছত্ৰভঙ্গ হোৱাদি হৈ, দিহাদিহি কোনোবা-কেনিবাদি আঁতৰ হল। ৰণক্ষেত্ৰত কৌৰৱ সেনা সমূলঞ্চে নাথাকিল,—থাকিল মাথোন অকলশৰে দুৰ্য্যোধন! তেওঁৰ মূৰত আকাশ ভাগি পৰাৰ নিচিনা হল। তেওঁ এবাৰ ৰঙা পৰে, এবাৰ শেতা পৰে, এইদৰে ঘনাই বৰণ সলাই বিবৰ্ণ পৰি আছিল ; শেহান্তত সমূলি বিমোৰ হৈ, লাকমাৰি এটা ঘোঁৰাত চৰি, কানত এহাতে নিজৰ দেহাৰথীয়া গদা, আৰু আনহাতে ঘোঁৰাৰ লেকাম ধৰি অটব্য অৰণ্যৰ মুখে ঘোঁৰা-চুটি মেলাই নিমিষতে নেদেখা হল। গৈ গৈ তেওঁ

এখন অটব্য অৰণ্যৰ মাজত এটা হ্ৰদ (১) দেখা পালে। তাতে তেওঁ ঘোঁৰাৰপৰা নামি, কানত গদা লৈ, হ্ৰদত জাঁপ দিলে। তাৰ পাচত, সেই হ্ৰদৰ-গৰ্ভস্থিত এটা দলপানি ঢিপৰ ওপৰত আসন পাতি বহি দুৰ্য্যোধন ধ্যানমগ্ন হল (২)।

পাণ্ডৱৰ যুদ্ধত জয়লাভ হল; কিন্তু পৰাজয় স্বীকাৰ কৰিবলৈ কেওঁ নৰল! আন নহওক, কিন্তু বিপক্ষীয় যুদ্ধকৰ্ত্তা দুৰ্য্যোধন ৰণত নপৰাকৈ, বা জীৱিত অৱস্থাত থাকি, পৰাজয় স্বীকাৰ নকৰাকৈ জয়লাভ থাতাং হব নোৱাৰে। গতিকে, শ্ৰীকৃষ্ণৰ পৰামৰ্শ অনুসৰি, পাণ্ডৱসকলে দুৰ্য্যোধনক বিচাৰি খলক লগালে, কিন্তু ক'তো তেওঁৰ সন্ধান নাপালে। সদৌশেহত, এজন চিকাৰীৰ মুখে সম্ভেদ পোৱা গল যে, কৌৰৱৰাজ পুবমুখে ঘোঁৰাচুটি মেলি এখন অটব্য অৰণ্যত প্ৰৱেশ কৰিছেগৈ। পাণ্ডৱ ৰণুৱাসকলে সদলে সেই মুখেই উভ্ৰাৱল হৈ খেদি গৈ, সেই হ্ৰদৰ পাৰত উপস্থিত হৈ, দুৰ্য্যোধনে এৰি যোৱা চেৱাৰী ঘোঁৰাটো পালেগৈ; কিন্তু পলৰীয়া ৰজাৰ আন চিন্-মোকাম একো নাপাই আকৌ হতাশ হল। এনেতে, আকৌ কৃষ্ণ-বুদ্ধিৰ উপকাৰ পোৱা গল; দুৰ্য্যোধনৰ উদ্দেশে নিজানে নিজানে পাণ্ডৱৰাজ যুধিষ্ঠিৰে গৰিহণাসূচক বাক্যেৰে চিয়ঁৰি চিয়ঁৰি এইবুলি দ্বৈৰথ যুঁজলৈ দুৰ্য্যোধনক আহ্বান কৰিলে, "হেৰা দুৰ্য্যোধন! তুমি কুৰুকুলৰ কুলাঙ্গাৰ হৈ আমাৰ অখ্যাতি আনিলা, যোদ্ধা হৈ যুঁজলৈ ভয় কৰাৰ সমান অধৰ্ম্ম-অখ্যাতি আৰু আন একো হব নোৱাৰে। ই কদাপি ক্ষত্ৰিয়োচিত কাৰ্য্য হব নোৱাৰে। যদি তুমি নিৰ্ভীক ক্ষত্ৰিয় হোৱা, তেন্তে ক'ত আছা, ওলাই আহাঁ। আহি, আমি পাঁচ-পাণ্ডৱৰ ভিতৰৰ যাকে

(১) এই হ্ৰদৰ নাম দ্বৈপায়ন হ্ৰদ।

(২) প্ৰসিদ্ধ কথামতে দুৰ্য্যোধনে হ্ৰদত দুব দি তাৰ তলিত থিত্ হৈছিল।

তোমাৰ মনে ধৰে তাৰে সৈতে দ্বৈৰথ ৰণ দিয়াঁহি। মই প্ৰতিশ্ৰুত হৈছোঁ, পঞ্চপাণ্ডৱৰ ভিতৰৰ যেই-সেই এজনক তুমি বধ কৰিব পাৰিলেই কুৰুক্ষেত্ৰ-ৰণৰ জয়লাভ তোমাৰ হব, আৰু সেই অনুসাৰে তোমাৰ ৰাজ্য তোমাৰেই হব; আমি পুনৰপি বনবাস খাটিমগৈ (১)। এতেকে আহাঁ, ক'ত আছাঁ ওলাই আহাঁ, ধৰ্ম্মযুদ্ধত লাগি যোৱাঁহি। নাইবা, তুমি অক্ষত্ৰিয়, কাপুৰুষ!"

যুধিষ্ঠিৰৰ মুখৰ গ্লানিয়ে মহা অভিমানী কৌৰৱৰাজ দুৰ্য্যোধনৰ ধ্যানভঙ্গ কৰিলে; তেওঁ হ্ৰদৰ বুকুৰপৰা গম্ভীৰ গৰ্জ্জনেৰে এইবুলি সমিধান দিলে, "বাৰু, ৰবাঁ, গৈছোঁ; মই এজন-এজনকৈ তোমালোকৰ আটাইকেইওজনকে যমৰ আলহী কৰি, তোমালোকৰ তেজেৰে ভীষ্ম, দ্ৰোণ, কৰ্ণ আৰু মোৰ ভ্ৰাতৃবৰ্গৰ তৰ্পণ কৰিমগৈ। কিন্তু, যুধিষ্ঠিৰ! মই ৰাজ্যৰ পণত আৰু ৰণ নকৰোঁ; মই ৰাজ্য তোমাক দান কৰিছোঁ। যোৱাঁ, সেই মৰিশালি-ৰাজ্যত তুমিয়েই সুখেৰে ৰাজপাট খোৱাঁগৈ। তেনে ৰাজ্যৰ অধিপতি হবলৈ দুৰ্য্যোধনে কামনা নকৰে"। যুধিষ্ঠিৰে সগৰ্ব্বে এই বুলি উত্তৰ কাটিলে, "জানাঁ, দুৰ্য্যোধন! মই তোমাৰপৰা ৰাজ্য-দান নিবিচাৰোঁ। মই বুকু ডাঠি পুনৰপি কওঁ আহাঁ, যুদ্ধ দিয়াঁহি; তুমি আমাৰ ভিতৰৰ এজনক বধ কৰিব পাৰিলেই তোমাৰ ৰাজ্য তোমাৰ হব, আমি আকৌ বনবাস খাটিমগৈ।"

দুৰ্য্যোধনে লফিয়াই জঁপিয়াই উভ্ৰাৱল হৈ আহি পাণ্ডৱদলৰ সমুখত অকলশৰীয়াকৈ থিয় দি, ৰাঘৰ দৰে গুঁজৰি এই বুলি যুদ্ধ বিচাৰিলেহি, "মোৰ লগত মোৰ দেহা লগৰীয়া গদা মাথোন বৰ্ত্তমান, এতেকে মই গদা-যুদ্ধহে দিম। তোমালোকৰ ভিতৰত কোনজনে

(১) মহাভাৰত, শল্যপৰ্ব্ব, ৫৭ অধ্যা।

মোৰ লগত গদাযুদ্ধ দিবলৈ সাহ কৰিবা, আহাঁ। কিন্তু নকুল-সহদেৱৰ তো নগণ্যই, মই যুধিষ্ঠিৰ-অৰ্জ্জুনকো তুচ্ছ জ্ঞান কৰোঁ। লাগিলে, একোবলৈ ভীমেই লাগিব পাৰে; এতেকে ভীমেই আগ বাঢ়ক, তেওঁকে আগধৰি আজি যমৰ ঘৰ দেখুৱাওঁ।" (১)

সেই অনুসৰি, ভীমসেন আৰু দুৰ্য্যোধনৰ মাজত তুমুল গদাযুদ্ধ আৰম্ভ হল। দুই মত্ত-মাতঙ্গ হেন মহাবীৰৰ যুদ্ধৰ আস্ফালনত মেদিনী কম্পমান হল। বলত ইজন সিজনতকৈ চৰা নহয়, ফেৰত সিজন ইজনতকৈ পৰা নহয়, যুদ্ধ-কৌশলত দুইকো দুয়ে চৰে। কোন্ হাৰে কোন্ জিকে ঠিক নাই। ভয়ানক গদাযুদ্ধ চলিব লাগিছে। দেখি দেখি দৰ্শকে উশাহ সলাবলৈ সকাহ পোৱা নাই। এই ভাৱে তালেমানপৰ ভীষণ যুদ্ধ চলি থাকোতে অকস্মাৎ ভীমসেনৰ পূৰ্ব্ব-প্ৰতিশ্ৰুতিলৈ (২) মনত পৰিল; তেওঁ ছেগ চাই এপাকত দুৰ্য্যোধনৰ উৰুত গদাঘাত কৰাত, তেওঁ কৰ্ফাল খাই পৰি মূৰ্চ্ছা গল।

---

(১) মহাভাৰত, শল্যপৰ্ব্ব, ৩১ আধ্যা।" ভাগ্যে দুৰ্য্যোধনে যুঁজলৈ ভীমক বাছি ললে, নাইবা সেই বাছনি আন এজন পাণ্ডৱৰ ওপৰত পৰা হলে আধ্যা! যুধিষ্ঠিৰৰ অতি সাধুতা আৰু দূৰদৃষ্টিহীনতাৰ দোষত পাণ্ডৱৰ পুনঃ বনবাস ঘটিলহেঁতেন।

(২) ইতিপূৰ্ব্বতে উল্লেখ কৰা হৈছে যে, শকুনিৰ লগত পাশা খেলত যুধিষ্ঠিৰে সৰ্ব্বস্ব হেৰুৱাৰ ফলত, একবস্ত্ৰা দ্ৰৌপদীক সভাস্থলত থিয় কৰাই বিবস্ত্ৰা কৰিবলৈ ধৰোঁতে, যেতিয়া দুৰ্য্যোধনে নিজৰ উৰু পাতি তাত বহুৱাবলৈ মাতি সতী দ্ৰৌপদীক লাঞ্ছিত কৰিছিল, তেতিয়া ক্ৰোধান্ধ ভীমসেনে এই বুলি ভীষপ্ৰতিজ্ঞা কৰিছিল যে, সমৰত যদি তেওঁ নিজৰ গদাৰ কোবত দুৰাচাৰ দুৰ্য্যোধনৰ সেই উৰু ভঙ্গ কৰিব নোৱাৰে, তেন্তে তেওঁৰ বৌ-বো নৰকত বাস হব। গতিকে, এই ছেগতে সেই

দুৰ্য্যোধনৰ পতনত উপস্থিত পাণ্ডৱপক্ষীয় অপৰাপৰ যোদ্ধাবৰ্গে গগণভেদী জয়ধ্বনি উচ্চাৰণ কৰি ভীমসেনক অশেষ ধন্যবাদ, আৰু একেস্বৰতে মৰামুছা দুৰ্য্যোধনক বিস্তৰ গৰিহণা দিবলৈ ধৰিলে। পিচে, সেই অন্যায় গ্লানি শ্ৰীকৃষ্ণদেৱে সহিব নোৱাৰি বিৰক্তিৰ ভাবত এইবুলি ধৰ্ম্ম-বুজনি দিলে, "মৰামুছা শত্ৰুৰ প্ৰতি অবাচ্য বাক্য বোলা বিধেয় নহয়।" তাৰ পাচত, দুঃশাসনৰ ৰক্তপান কৰোঁতা ভীমসেনে ৰাক্ষসৰ দৰে হুঙ্কাৰ ছাৰি পতিত বীৰ দুৰ্য্যোধনৰ শিৰত ঘনে ঘনে পদাঘাত কৰিবলৈ ধৰিলে। সেই কাৰ্য্যত অত্যন্ত ব্যথিত হৈ ধৰ্ম্ম-যুধিষ্ঠিৰে অতিশয় ক্ষুব্ধ চিত্তেৰে এই বুলি ভীমক সেই অকাৰ্য্যৰপৰা ক্ষান্ত কৰিলে, "হেৰা ভীম! তুমি এইটো গৰ্হিত কাম কৰিছা। হাজাৰো হওক, দুৰ্য্যোধন এজন ৰজা; আৰু তেওঁ আমাৰ বংশধৰ। বিশেষতঃ, ৰণত পতিত অৱস্থাত তেওঁৰ প্ৰতি তুমি এনে আচৰণ কৰা উচিত নহয়।" অগ্ৰজৰ উপদেশ শিৰোধাৰ্য্য কৰি ভীমসেন ক্ষান্ত আৰু

---

প্ৰতিজ্ঞালৈ স্মৰণ কৰি ভীমসেনে গদাৰ কোবত দুৰ্য্যোধনৰ উৰু ভঙ্গ কৰিলে। যুদ্ধৰ নীতি অনুসৰি কিন্তু গদাযুদ্ধত কদাপি বিপক্ষ যোদ্ধাৰ নাভীৰপৰা তলৰ ফালত গদাঘাত কৰিব নাপায়। সেই কাৰণে, ভীমক এই নীতিভঙ্গৰ দোষে চুইছিল; কিন্তু এই দোষ চপাই নোলোৱা হলে তেওঁৰ প্ৰতিজ্ঞা পূৰ্ণ নকৰা দোষ হৈ পৰিলহেঁতেন। প্ৰক্ষিপ্ত কল্পনাই আকৌ ভীমৰ এই প্ৰত্যবায় নি কৃষ্ণাৰ্জ্জুনৰ গাত সানিছেহি। সেইমতে, শ্ৰীকৃষ্ণৰ সঙ্কেত অনুসাৰে হেনো অৰ্জ্জুনে নিজৰ উৰুত চপৰিয়াই দেখুৱাই দুৰ্য্যোধনৰ উৰুভঙ্গ কৰিবলৈ ভীমসেনৰ মনত পেলাই দিছিল। এই অসাৰ কল্পনা সমূলি অস্বাভাৱিক। যি অৰ্জ্জুনে জ্ঞাতিবধ পাপৰ ভয়ত যুদ্ধৰপৰা নিবৃত্ত হবলৈ ধৰাত, ধৰ্ম্মাত্মা শ্ৰীকৃষ্ণৰ মুখে গীতা হেন অনুপম শাস্ত্ৰৰ সৃষ্টি হয়, সেই ভগৱান বাসুদেৱৰ সঙ্কেতত সেই অৰ্জ্জুনে ভীমকৃত এই দোষ গা পাতি লোৱাটো অপ্ৰকৃত নে অতিপ্ৰকৃত গমি চাবলগীয়া।

শান্ত হল। কিন্তু, পাঞ্চাল কোৱঁৰ কেইজনৰ আকৌ গা উঠিল; সিহঁতাকেও সেই ছেগতে দুৰ্য্যোধনক গৰিহণা দি মনৰ আক্ৰোশ মিটাবলৈ ধৰিলে। এনেতে, শ্ৰীকৃষ্ণদেৱে বৰ বিৰক্তিভাৱে আগবাঢ়ি আহি সিবিলাকৰ সমুখত থিয় দি এইবুলি বুজনি দিলে, "মই ইয়াৰ আগেয়ে ভীমসেনক কোৱা কথাৰে আপোনাসকলক স্মৰণ কৰাই দিছোঁ; আপোনাসকলে অযথা চৰ্চ্চা কৰি, আৰ্জ্জিত গৌৰৱত কলঙ্কৰ চেকা নেপেলাব। ব'লক, আমি এতিয়া আমাৰ শিবিৰলৈ সদৌৱে ওলটোহঁক। (১)

শ্ৰীকৃষ্ণৰ সঙ্কেত পাই অৰ্জ্জুন ৰথী ৰথত চৰিলত, অনতিপলমে কৃষ্ণ-সাৰথীয়ে তেওঁৰ ৰথ ৰণক্ষেত্ৰৰ মুখে চলাই দিলে। গতিকে, বাকীসকলেও তৰ্কবাদ আৰু গঞ্জনাদি পৰিহৰি অৰ্জ্জুনৰ ৰথৰ পিচ ধৰিলে; যথাসময়ত উলটি আহি পাণ্ডৱ দল পুনৰপি ৰণস্থলত সমবেত হলহি। তাৰ পাচত, ৰণ-ৰীতি অনুসাৰে, সিবিলাকে ৰণজয় ঘোষণা কৰি দি পাণ্ডৱ শিবিৰত বিজয় পতাকা উৰুৱালে। যুদ্ধৰ প্ৰচলিত নিয়মমতে বিজয়ীদলে, ৰণ সমাপ্তিৰ পিচদিনাৰ ৰাতিটো শিবিৰতে বঞ্চিব লগীয়া হয়; কিন্তু শ্ৰীকৃষ্ণৰ উপদেশ অনুসৰি পঞ্চ-পাণ্ডৱে তাৰপৰা অলপ নিলগত দৰ্শক-শিবিৰত শয়ন কৰিলেগৈ। ইমানতে ১৮ ওঠৰদিনীয়া কুৰুক্ষেত্ৰ-মহাৰণৰ সামৰণি পৰিল।

---

(১) মহাভাৰত, শল্যপৰ্ব্ব, ৫ম আধ্যা।—যি শ্ৰীকৃষ্ণই পতিত বীৰ দুৰ্য্যোধনক নিন্দা কৰা আৰু গৰিহণা দিয়া সহিব নোৱাৰি বিৰক্তিভাৱে পাঞ্চাল কোৱঁৰসকলক সাধু আৰু কটু উক্তিৰে বুজনি দি ক্ষান্ত কৰিছিল, সেই কৃষ্ণই অন্যায়-অবিধিকৈ সেই দুৰ্য্যোধনৰ উৰু ভাঙিবলৈ ভীমসেনক অতি প্ৰিয় সখি আৰু ভক্ত শিষ্য অৰ্জ্জুনৰ জৰীয়তে সঙ্কেত দিওৱাটো যে অযুক্তিকৰ আৰু অসংলগ্ন আখ্যা তাত আৰু অকণো সন্দেহ নাই।———'দুৰ্য্যোধনৰ কৃষ্ণনিন্দা'।

ৰণৰ অন্ত পৰিল, কিন্তু নৰহত্যাৰ অন্ত নপৰিল। সেই দুৰ্যোৰ ৰাতি, কুলনাৰীগণে হাতত আৰিয়া লৈ ৰণক্ষেত্ৰত প্ৰিয়জনৰ মৃতদেহা শেহবাৰ দৰ্শন কৰি কিনিনিত প্ৰকৃতিকো কন্দুৱাই যোৱাৰ পাচত, সকলোটি দুখ-ভাগৰ বেজাৰ-অসন্তোষত অভিভূত হৈ শেহ ৰাতি টোপনিত লালকাল দি পৰিল। সেই ছেগতে সন্তপ্ত অশ্বত্থমাই মৰসাহ দি, গুপ্তভাৱে পাণ্ডৱ শিবিৰত প্ৰৱেশ কৰি, টোপনিত অচেতন হৈ পৰি থকা দ্ৰৌপদীৰ পাঁচ পুত্ৰ (১) আৰু পাঞ্চাল কোৱঁৰ ধৃষ্টদ্যুম্ন আৰু শিখণ্ডীৰ মূৰ কাটি আনি মৃত্যুমুখী দুৰ্য্যোধনৰ আগত দিলেগৈ। পিচদিনা পুৱা উঠি সকলোৱেই পাণ্ডৱ শিবিৰত হাহাকাৰ লগালে, চৌপাশে বিলাপৰ কোঢ়াল উঠিল, বিজয়-পতাকাৰ আনন্দ হেন্দোলনিৰ তলত পৰাজয়ৰ বিষাদ কালিমা বিস্তাৰ হল।

শ্ৰীকৃষ্ণই ইমানতে ৰণক্ষেত্ৰৰপৰাই স্বৰাজ্য দ্বাৰকালৈ বিদায় লবলৈ বুলি যুধিষ্ঠিৰৰ কাষ চাপেগৈ; কিন্তু কৃষ্ণবিনে এৰাবাৰী যেন হস্তিনাপুৰত গৈ প্ৰৱেশ কৰাটো পাণ্ডৱৰ পক্ষে অসম্ভৱ যেন বোধ হল। গতিকে, অগ্ৰজপ্ৰতিম পাণ্ডৱৰাজৰ বাঞ্ছামতে বাসুদেৱে পুনৰপি হস্তিনাপুৰলৈকে উলটি গৈ, তাৰপৰা একেবাৰে শেষ-বিদায় লোৱাটোকে স্থিৰ কৰিলে।

(১) কথিত আছে, দুৰ্য্যোধনে, উৰুভঙ্গৰ পাচত, অশ্বত্থমাক আদিকা থকা কৌৰৱ সেনাদলৰ যাই সেনাপতি পাতি এই আদেশ কৰিছিল যে, তেওঁৰ মৃত্যুৰ পূৰ্ব্বেই পঞ্চপাণ্ডৱ আৰু পাঞ্চাল কোৱঁৰ দুয়ৰ মূৰ কাটি আনি তেওঁৰ আগত দেখুৱা-বহি লাগিব। সেই অনুসৰি অশ্বত্থমাই চোৰ আক্ৰমণত পাঁচপাণ্ডৱ বুলি ভাবি দ্ৰৌপদীৰ পাঁচ পুত্ৰৰ মূৰ কাটি নি দুৰ্য্যোধনক দেখুৱায়গৈ; আৰু ধৃষ্টদ্যুম্ন আৰু শিখণ্ডীৰ মূৰৰ লগতে সেই পঞ্চমুণ্ড গণনা কৰি দুৰ্য্যোধনে অন্তিমত ভ্ৰান্তিসুখ অনুভৱ কৰিছিল।———মহাভাৰত, সৌপ্তিক পৰ্ব্ব।

এইখিনিত তেওঁৰ মনত আৰু এটা সু-চিন্তাই খেলালে যে, যি হৈছে ভালেই হৈছে ;—কৈ আকৌ যুদ্ধি অহাতকৈ একেবাৰে তেওঁৰ ধৰ্ম্মৰাজ্য স্থাপনৰ উদ্দেশ্যবো সামৰণি মাৰি যোৱাই শ্ৰেয়ঃ। সেই ভাবি, শ্ৰীকৃষ্ণই যুধিষ্ঠিৰৰ অনুৰোধ বিনাওজৰে ৰক্ষা কৰিবলৈ মান্তি হল *। ইয়াৰ লগতে আৰু এটা মৰ্ম্মস্পৰ্শী অনুৰোধ কোমলপ্ৰাণ যুধিষ্ঠিৰে অতি কাতৰভাৱে এইবুলি আগবঢ়ালে, "হে কৃষ্ণ! তোমাৰ বিহনে আজি হস্তিনাপুৰৰ কুলনাৰীসকলক সান্ত্বনা দিওঁতা আন আৰু কোন্ আছে? তুমি নুবুজালে আজি পুত্ৰশোকত জৰ্জ্জৰিত বৃদ্ধ অন্ধৰাজক বুজাব কোনে? তোমাত বাজে পুত্ৰশোকত বিহ্বলা বৃদ্ধা গান্ধাৰীদেবীক বুজাবলৈ আজি কাৰ সাহ আছে? তুমি নুবুজালে পঞ্চপুত্ৰৰ বিয়োগত অধীৰা দ্ৰৌপদীক আজি বুজাবলৈ সাধ্য আছে কাৰ? তোমাৰ অমৃতময় বুজনিত বাজে আজি পাঞ্চাল ৰাজবোৱাৰীসকললৈ আন কি বুজনি আছে? এই সবাবো উপৰি, তোমাৰ অনুপস্থিতিত এবাৰাৰী যেন হস্তিনাপুৰত পুনঃ

---

* ইয়ানতে "কুৰুক্ষেত্ৰ-যুদ্ধ" বা "কুৰু-পাণ্ডৱ-ৰণ" কিম্বা "কুৰু-পাঞ্চাল-বিগ্ৰহ" অন্ত পৰে। কিন্তু, ইয়াৰ পাচতো, সৌপ্তিক পৰ্ব্বৰ অন্তৰ্গত ঐষীক পৰ্ব্বাধ্যায়ত এই ৰণ সংক্ৰান্ত কিছুমান কথা আছে, যাক উপৰভি বুলি অনায়াসে সাব্যস্ত কৰা যায়। তাত শ্ৰীকৃষ্ণ-সংসৰ্গৰ কথা ইমানেই আছে যে, দ্ৰৌপদীৰ পাঁচপুত্ৰ বধৰ প্ৰতিশোধ দিবলৈ যেতিয়া পাণ্ডৱসকলে লুকাই থকা অশ্বত্থামাক ধৰা পেলায়হি, তেতিয়া তেওঁ অন্যোপায় হৈ ব্ৰহ্মশিৰ অস্ত্ৰ নিক্ষেপ কৰে ; সেই অব্যৰ্থ অস্ত্ৰ পঞ্চপাণ্ডৱৰ প্ৰতি লক্ষ্যভ্ৰষ্ট হৈ, উত্তৰাৰ গৰ্ভস্থিত অভিমন্যুৰ পুত্ৰ-সন্তান নষ্ট কৰে। পিচে, দ্ৰৌপদী, সুভদ্ৰা আৰু উত্তৰাৰ কাকুতিত অদ্ভুত বেজজনা শ্ৰীকৃষ্ণৰ চিকিৎসাত সেই মৃত সন্তান পুনৰ্জ্জীবিত হয়। সেই সন্তানেই পৰীক্ষিত,—পাণ্ডৱৰ একমাত্ৰো বংশধৰ বংশৰ।

ৰাজ্য প্ৰতিষ্ঠা হব কেনেকৈ ? তোমাৰ সুনিপুণ ৰাজনৈতিক ব্যৱস্থা নহলে সন্তপ্ত কৌৰৱ পৰিয়ালবৰ্গক যথাবিধিকৈ স্থাপিব পৰা হব কেনেকৈ ? এতেকে, হে কৃষ্ণ ! এই আগন্তুক সমস্যাত তুমি মোক লগ-এৰা নিদিবা।" শুনি শুনি মৰ্ম্মাহত হৈ শ্ৰীকৃষ্ণদেৱে তথাস্তু বুলিলে।*

---

* ইয়াৰ পাচত, স্ত্ৰী-পৰ্ব্বত শ্ৰীকৃষ্ণৰ প্ৰতি গান্ধাৰী দেৱীৰ অভিশাপ। শ্ৰীকৃষ্ণ পাণ্ডৱৰ পক্ষীয় হোৱাৰ হেতুকেই যে কৌৰৱ পক্ষীয় ধ্বংস হল, সেই ধাৰণাত দুৰ্য্যোধনাদিৰ মাতৃ গান্ধাৰী দেৱীয়ে এই বুলি শাপ দিলে যে, কৃষ্ণৰ যাবায়ে কৃষ্ণবংশ বা যদুকুল ধ্বংস হব। সেই দিন ধৰি ৩৬ বছৰৰ পাচত যদুবংশ ধ্বংস হয়।

স্ত্ৰী-পৰ্ব্বত আৰু এটা "কাণ-খোৱা' গল্পৰ শ্ৰেণীৰ ঐতিহাসিক বিৱৰণ বিবৃত হৈছে ; অন্ধৰাজ ধৃতৰাষ্ট্ৰই হেনো দুৰ্য্যোধনহন্তা ভীমক আলিঙ্গনৰ ছলেৰে চেপি চূৰ্ণাকৃত কৰিবলৈ পাৰিছিল ; অন্তৰ্যামী ভগবান শ্ৰীকৃষ্ণই কৌশলক্ৰমে আচল ভীমৰ সলনি এটা লোৰ ভীম ধৃতৰাষ্ট্ৰৰ কোলাত তুলি দিয়াত তাক ভাঙি চূৰ্ণাকৃত কৰি ভীমবধৰ আত্মিসুখ ভেও উপভোগ কৰিছিল।

# ৪০। অধ্যায়।

## শ্ৰীকৃষ্ণৰ ধৰ্ম্মৰাজ্য স্থাপন।

ৰণ-সামৰণৰ পাচত, তৃতীয় দিনা যথাৰীতি বিজয়পতাকা উৰাই মহা আড়ম্বৰেৰে সকৃষ্ণ পাণ্ডৱপক্ষ কুৰুজঙ্গ বা ইন্দ্ৰপ্ৰস্থলৈ উলটিল। বাহ্যিক আড়ম্বৰত মাথোন ৰণজয়ৰ আনন্দ-উৎসৱ, কিন্তু আভ্যন্তৰিক গোটেই ৰাজ্যজুৰি পৰাজয়তকৈও মহাপৰাজয়ৰ বিষাদ-কালিমা বিয়াপি পৰিছে। গোটেই কুৰু-ৰাজ্য,—ইন্দ্ৰপ্ৰস্থৰপৰা হস্তিনাপুৰলৈকে,—এখন বিস্তৃত এৰাবাৰীৰ দৰে বিচ্ছেদ-বিষাদৰ অন্তৰ্নিহিত ভাৱত ম্লান পৰিছে। গোটেই ৰাজ্য বিধৱাৰ বিলাপ, মাউৰা লৰা-ছোৱালীৰ কান্দন, সন্তপ্ত পৰিয়ালৰ খেদ ইত্যাদিয়ে গিলি ধৰিছে। কাৰো মনত স্ফুৰ্ত্তি নাই, কাৰো মুখত হাঁহি নাই, সকলো নিস্তেজ, ম্লান আৰু নিৰানন্দ। শ্মশানৰপৰা ঘূৰি ঘৰ সোমালেহি যেনে বোধ হয়, ৰণৰপৰা ঘূৰি আহি নগৰ সোমোৱা ৰণজয়ী পাণ্ডৱপক্ষৰ তেনে বোধ হল। বিশেষকৈ, কোমলপ্ৰাণ অতি সাধু ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ অন্তৰত সেই বোধ সাংঘাতিক ৰূপে লাগিল; তেওঁ সহিব নোৱাৰি, ৰাজ্যৰপৰা আঁতৰি গৈ নিজানত বনবাস খাটিবলৈ মনস্থ কৰিলে। সেই উদ্দেশ্যে তেওঁ পোনেই অৰ্জ্জুনক মতাই আনি তেওঁৰ আগত নিজৰ মনোভাব ব্যক্ত কৰিলে। অৰ্জ্জুনে বিবিধ প্ৰকাৰে বিস্তৰ বুজালে, কিন্তু অগ্ৰজৰ মনৰ গতি লৰাব নোৱাৰিলে। তাৰ পাচত, ভীম, নকুল আৰু সহদেৱৰ লগতো

সেই বিষয়ক কথা হল, কিন্তু অগ্ৰজৰ সংকল্প নললিল। তাৰ পাচত, দ্ৰৌপদীয়ে বিস্তৰ কাকুতি কৰি বুজনি দিলেহি, কিন্তু পাণ্ডৱৰাজৰ কোমল মন কোমলাব নোৱাৰিলে। যুধিষ্ঠিৰ বনলৈ যোৱাটোৱেই সম্প্ৰতিকলৈ স্থিৰ হল।

সদৌশেহত, স্বয়ং শ্ৰীকৃষ্ণ ওচৰ চাপিলগৈ। বাসুদেৱে যুধিষ্ঠিৰৰ ধাতু ভালকৈ বুজে; আৰু সেইমতে নাড়ীজ্ঞান কৰি, তেওঁক বিবিধ বুজনি দিয়াত, তেওঁৰ বিষাদৰ বিকাৰ ক্ৰমাৎ শাম কাটি আহিল। শেহান্তত শ্ৰীকৃষ্ণই এই যুক্তি প্ৰয়োগ কৰিলে যে, যুধিষ্ঠিৰে যদি এতিয়া যথাবিধি হস্তিনাপুৰত ৰাজ্যাভিষিক্ত নহয়গৈ, তেন্তে কুৰুকুলৰ মহাৰণৰ উদ্দেশ্যই ভ্ৰষ্ট হব; আৰু তেওঁ যি কুৰুকুল আৰু অসংখ্যাত সেনানীৰ পতন হেতুকে বিষাদিত হৈছে, ৰণৰ উদ্দেশ্য ৰক্ষিত নহলে সেই বিষাদো ঠেকহীন হব, আৰু সেইবাবে তেওঁ অবাবত নৰহত্যা পাপৰ পাপী হব। শ্ৰীকৃষ্ণৰ কথাত যুধিষ্ঠিৰে পুনঃ চেতনা পালে। যথাসময়ত মহাসমাৰোহেৰে যাত্ৰা কৰি, অনতিপলমে হস্তিনাপুৰত কুৰুৰাজ-সিংহাসনত যথাবিধি যুধিষ্ঠিৰ ৰাজ্যাভিষিক্ত হলহি; লগে লগে শ্ৰীকৃষ্ণৰ ধৰ্ম্মৰাজ্য স্থাপনৰ মহৎ উদ্দেশ্য সাধিত হল।—"যতে কৃষ্ণ ততে ধৰ্ম্ম, যতে ধৰ্ম্ম ততে জয়:" এই ভীষ্ম-দ্ৰোণ-ব্যাস-বাণী সপ্ৰমাণিত হল।

আনহাতে, তেতিয়ালৈকে মহামতি পিতামহ ভীষ্মদেৱে শৰশয্যাত পৰি মৃত্যুক্ষণলৈ অপেক্ষা কৰিব লাগিছে, কাৰণ তেতিয়ালৈকে তেওঁৰ বাঞ্ছিত উত্তৰায়ণ ক্ষণ নৌ চাপেহি। ইতি-অৱসৰতে তেওঁৰ-পৰা তেওঁৰ সুগভীৰ হৃদগৰ্ভত গচ্ছিত থকা জ্ঞানোপদেশ লাভ কৰিবলৈ শ্ৰীকৃষ্ণই যুধিষ্ঠিৰাদি পাণ্ডৱ বৰ্গক পৰামৰ্শ দিলে। সেই অনুসৰি, জ্ঞাতি-ভাই আৰু পাত্ৰ-মন্ত্ৰী সকলোৰে বেষ্টিত হৈ, পঞ্চপাণ্ডৱে

ভীষ্মদেৱক শৰশয্যাত আগুৰি ধৰিলেগৈ। সিবিলাকে এজন-এজনকৈ মৃত্যুমুখী পিতামহৰ চৰণ চুই সভক্তি সেৱা জনালে, আৰু ভীষ্মদেৱেও ধীৰে ধীৰে সিবিলাকৰ শিৰস্পৰ্শ কৰি আশীৰ্ব্বাদ দিলে। তাৰ পাচত, শ্ৰীকৃষ্ণই পাণ্ডৱৰ হৈ ভীষ্মদেৱৰ ওচৰত ধৰ্ম্মোপদেশ দান ভিক্ষা কৰিলে। তদুত্তৰত তীব্ৰ শৰবিদ্ধ শৰশয্যাগত অদ্ভুত মনোবল-সম্পন্ন বিষ-যন্ত্ৰনাত জৰ্জ্জৰিত মহাবীৰ ভীষ্মদেৱে অসীম সহিষ্ণুতাৰে সৈতে শ্ৰীকৃষ্ণক এই সমিধান দিলে, "হে নৰহৰি! হে অন্তৰ্য্যামী ভগৱন্ত! হে জ্ঞানাধাৰ! জ্ঞানাজ্ঞান, ধৰ্ম্মাধৰ্ম্ম, কৰ্ত্তব্যাকৰ্ত্তব্য সকলো দেখোন তোমাতেই; তুমিয়েই সেই সকলো। গতিকে, তুমিয়েই যুধিষ্ঠিৰক কৃপা কৰি জ্ঞান-ধৰ্ম্মোপদেশ যি হয় দিয়াঁ; বিশেষতঃ, সম্প্ৰতি মোৰ অতি কাতৰ অৱস্থা, মোৰ স্মৰণশক্তি ক্ৰমাৎ দুৰ্ব্বল হৈ পৰিছে। এতেকে, প্ৰভো! নিজৰ জ্ঞান নিজেই দান কৰি পাণ্ডৱক চৰিতাৰ্থ কৰাঁ।" এই বুলি ভীষ্মদেৱে সৰ্ব্বময় সৰ্ব্বজ্ঞানী পৰমপুৰুষ শ্ৰীকৃষ্ণক ধ্যান কৰিবলৈ ধৰিলে।

ভীষ্মভক্তিত পৰিতুষ্ট হৈ, ভগৱন্ত শ্ৰীকৃষ্ণদেৱে তেওঁত এই বুলি মনোভাৱ ব্যক্ত কৰিলে, "হে নৰশ্ৰেষ্ঠ! আপুনি সবাতোকৈ বয়োবৃদ্ধ; আপুনি শাস্ত্ৰজ্ঞানত সবাতোকৈ জ্ঞানী; আপুনি শুদ্ধাচাৰসম্পন্ন। আপোনাৰ অবিদিত একো নাই; আপুনি ৰাজ-ধৰ্ম্ম, সংসাৰ-ধৰ্ম্ম, মোক্ষ-ধৰ্ম্ম আৰু অপৰাপৰ সকলো গূঢ় ধৰ্ম্মজ্ঞানৰ ভঁৰালস্বৰূপ। আপোনাৰ প্ৰতিজ্ঞাৰ তুলনা নাই; আপোনাৰ ব্ৰহ্মচৰ্য্যৰ বিজনি নাই। আপোনাৰ তিনিপুৰুষীয়া সুদীৰ্ঘ জীৱনত কোনো প্ৰকাৰৰ দোষৰ লেশমানো চেকা নাই; আপুনি অতি বিশুদ্ধ, পৰম পবিত্ৰ। ভূপতিসকলেও সৰ্ব্বধৰ্ম্মবেত্তা বুলি আপোনাৰপৰা ধৰ্ম্মজ্ঞান লাভ কৰিবলৈ বাঞ্ছা কৰে। পাণ্ডৱ ভূপতি আৰু ভূপালসকলেও সেই জ্ঞান

লাভ বাঞ্ছা কৰিছে। আপুনি আপোনাৰ প্ৰতিপালিত এই নাতি-কোঁৱৰবৰ্গক ৰাজনীতি-জ্ঞান দান কৰি পৃথিবীৰ উপকাৰাৰ্থে সিহঁতক ৰাজ্য সিদ্ধি কৰোক। আপোনাক কোৱা বাহুল্য মাথোন যে, সৃষ্টি আৰু পালন একে শক্তিৰ ওপৰত নিৰ্ভৰ নকৰে। মোৰ যন্ত্ৰ-কৌশলত ৰণজয়ৰ দ্বাৰাই ধৰ্ম্মৰাজ্য স্থাপিত হল; আপোনাৰ কষ্ট স্বীকাৰত অক্ষয় ধৰ্ম্মজ্ঞানৰ দ্বাৰাই এই ধৰ্ম্মৰাজ্য ৰক্ষিত হওক, আৰু সেই বাবে আপোনাৰ যশস্যা বৈ-বৈ থাওক, এয়ে মোৰ বাঞ্ছা। আৰু, ধাৰ্ম্মিকক ৰজা পাতিলেই ধৰ্ম্মৰাজ্য অক্ষুণ্ণভাৱে চিৰকাল ৰক্ষিত নহয়, কিয়নো তেওঁৰ বংশধৰ হয়তো ধৰ্ম্মজ্ঞানৰ অভাৱত অধৰমী হব পাৰে; এতেকে আপুনি সমস্ত ধৰ্ম্ম ব্যাখ্যা কৰি থাওক।" (১)

ভীষ্মদেৱৰ আৰাধ্য শ্ৰীকৃষ্ণদেৱৰ অমূল্য অনুৰোধ শিৰোধাৰ্য্য। সেই অনুসৰি জ্ঞানৰ ভঁৰালস্বৰূপ মহামতি পিতামহ ভীষ্মদেৱে যুধিষ্ঠিৰাদি শ্ৰোতাবৰ্গৰ প্ৰতি গৃহধৰ্ম্ম, ৰাজধৰ্ম্ম, আসন্নধৰ্ম্ম, মোক্ষধৰ্ম্ম ইত্যাদি বিষয়ক বিশদ জ্ঞান ব্যাখ্যা কৰিবলৈ ধৰিলে। (২) সেই ধৰ্ম্মজ্ঞান ব্যাখ্যা কৰি থাকোঁতে-থাকোঁতেই তেওঁৰ অন্তিমক্ষণ উপস্থিত হল, কওঁতে-কওঁতেই তেওঁৰ কণ্ঠৰোধ হল, নশ্বৰ দেহা নাশ হবলৈ ধৰিল, ভীষ্মদেৱৰ অবিনাশী জীৱাত্মা পৰমাত্মাত লয় হল।

---

(১) মহাভাৰতৰ শান্তিপৰ্ব্ব আৰম্ভণ।

(২) মহাভাৰতৰ শান্তিপৰ্ব্বৰ সৰহভাগ এই ধৰ্ম্ম ব্যাখ্যাৰেই পৰিপূৰ। শান্তিপৰ্ব্ব সামৰণৰ পাচত অনুশাসন পৰ্ব্ব। ইয়াতো ভীষ্মদেৱে যুধিষ্ঠিৰক দিয়া বিবিধ হিতোপদেশ সন্নিবিষ্ট হৈছে। এই সমূহ ধৰ্ম্মজ্ঞানেই ভাৰতত ধৰ্ম্মৰাজ্য বিস্তাৰৰ মূলমন্ত্ৰ। এই ধৰ্ম্মজ্ঞান টুটি অহাৰ লগে-লগেই কলিযুগত ধৰ্ম্মৰাজ্য ক্ৰমাৎ চাপৰাই অহা দেখা যায়।

ভীষ্মপ্ৰয়াণে যুধিষ্ঠিৰৰ প্ৰাণত পুনৰপি বৈৰাগ্যৰ নিজৰা বোৱাবলৈ ধৰিলে। তেওঁ আকৌ বিয়াকুল হৈ বনলৈ যাবলৈ ওলাল। ঋষি-মুনি পণ্ডিত-জ্ঞানী লোকসকলে অশেষ বুজনি দিলে, কিন্তু একোৱেই গুণ দিব নোৱাৰিলে; যুধিষ্ঠিৰ এইবাৰ স্থিৰপ্ৰতিজ্ঞ, ৰাজ্যত্যাগী হবই। আকৌ এটা মহাসমস্যা উপস্থিত। এনে আসন্ন আপদত শ্ৰীকৃষ্ণয়ো বিপন্ন বোধ কৰিলে। শেহান্তত, শ্ৰীকৃষ্ণই বাহ্যিক জ্ঞান-বুজনিৰ যুঁজ এৰি, আপোনাৰ আধ্যাত্মিক ব্যাখ্যা-যুদ্ধত ধৰিলে। যি জ্ঞানতত্ত্ব-অস্ত্ৰেৰে অৰ্জ্জুনৰ বৈৰাগ্য বিনষ্ট কৰি তেওঁক পুনঃ যুদ্ধত প্ৰবৃত্ত কৰোৱা হৈছিল, যুধিষ্ঠিৰৰ প্ৰতিও বাসুদেৱে সেই শৰ-যোজনা কৰিলে; ভগৱান শ্ৰীকৃষ্ণই কামগীতাৰ ব্যাখ্যা আৰম্ভ কৰিলে। এই গীতাব্যাখ্যাত কাম-ধৰ্ম্মৰ আৰু নিষ্কাম-ধৰ্ম্মৰ বহুল ব্যাখ্যা দি যুধিষ্ঠিৰক পৰাজিত কৰিবলৈ এক অজয় শত্ৰুক সন্মুখীন কৰা গল,—তেওঁৰ নাম অহঙ্কাৰ। বুদ্ধিস্বৰ্গনাৰায়ণ শ্ৰীকৃষ্ণদেৱে গহীন-গম্ভীৰ ভাৱে যুধিষ্ঠিৰক এই বুলি সম্বোধন কৰিলে, "হে ধৰ্ম্মৰাজ! আপুনি কলৈ পলাব খুজিছে? আপোনাৰ যে এতিয়াও শত্ৰুৰ অন্ত পৰা নাই, এতিয়াও আপোনাৰ মহাশত্ৰু বৰ্ত্তমান। আপুনি ইমানলৈকে বাহিৰৰ শত্ৰুক জিনিলে, কিন্তু ভিতৰৰ শত্ৰু এতিয়াও অজেয় হৈ ৰৈছে। সেই শত্ৰুৰ পতন নহলে আপোনাৰ নিস্তাৰ নাই;—আপুনি ৰাজ্যতে থাওক বা বনলৈকে যাওক, সেই মহাশত্ৰুৰ পীড়ণৰপৰা আপোনাৰ অব্যাহতি নাই। সেই শত্ৰু হৈছে অহঙ্কাৰ। সি আপোনাৰ দেহাৰ ভিতৰত দুৰ্জ্জয় শত্ৰুৰূপে একাধিপত্য কৰি আছে, আপুনি বাহ্যিক দৃষ্টিৰে সেই মহা অনৰ্থৰ মূলস্বৰূপ শত্ৰুক দেখা পোৱা নাই। মই তাৰ তত্ত্ব ব্যাখ্যা কৰোঁ, আপুনি স্থিৰ-চিত্তেৰে শুনি গৈ থাকিব; শুনোতে শুনোতে আপোনাৰ দিব্যদৃষ্টি লাভ হব, আৰু আপুনি সেই মহাশত্ৰুক দেখা পাব"। এই বুলি, শ্ৰীকৃষ্ণই

বিশদকৈ কামগীতা ব্যাখ্যা কৰিবলৈ ধৰিলে। এই গীতা-কথনে ইতিপূৰ্ব্বতে ঘাই গীতাৰ গৰ্ভত ঠাই পাইছে; এই প্ৰসঙ্গত তাৰ লাগতিয়াল ভাগৰ সাৰাংশ মাথোন সৰ্ব্বশাস্ত্ৰবিশাৰদ অদ্বিতীয় অগাধ পণ্ডিত শ্ৰীকৃষ্ণই এই দৰে ব্যাখ্যা কৰিবলৈ ধৰিলে,—“হে ধৰ্ম্মৰাজ! মই আপোনাক কামগীতাৰ সাৰমৰ্ম্মৰ বিষয়ে চমুকৈ কওঁ, আপুনি মনপাৰি শুনিব। আশা কৰোঁ, এই গীতাতত্ত্ব উপলব্ধি কৰাৰ পাচত আৰু আপোনাৰ মনত বৈৰাগ্য ভাব নাথাকে। যি ব্যাধিৰ বিকাৰত আপোনাৰ মনত এই বৈৰাগ্য ভাব প্ৰবল হৈ উঠিছে, তাৰো তত্ত্ব কওঁ শুনক। হে মহাৰাজ! সাধাৰণতে ব্যাধি দুবিধ,—শাৰীৰিক আৰু মানসিক। যি ব্যাধিয়ে শৰীৰত বিকাৰ জন্মায় সি শাৰীৰিক আৰু যি মনত বিকাৰ জন্মায় সি মানসিক ব্যাধি। এই ব্যাধিৰ বিকাৰ মানুহে নিজত নিজে অহঙ্কাৰৰূপ শত্ৰুক পোহ-পাল দি বঢ়াই লয়। অহঙ্কাৰ নহলে, আত্মাভিমান শূন্য হলে, নাইবা অহংভাব ৰহিত হলে, কোনোবিধ ব্যাধিৰেই অনুভৱৰ ভয় নাথাকে। তাৰ অন্যথাত, আপুনি যতে থাওক,—ৰাজ্যভোগীয়েই হওক বা বনচাৰীয়েই হওক,—আপোনাক আক্ষেপ-অনুতাপ, শোক-সন্তাপ, দুখ-কষ্ট আদিয়ে লগ নেৰে; ফলত আপোনাৰ দুখতেই দিন যাব। কাৰণ, যি বংশ-কুটুম্ব, বন্ধু-বান্ধৱ আদিৰ বিয়োগত আপুনি আজি আন্তৰিক তাপিত হৈ বনলৈ যাবলৈ ওলাইছে, সেই বিয়োগৰ সোঁৱৰণীয়ে আপোনাক বনতো লগ নেৰে; তাত বৰঞ্চ ৰাজ্যচিন্তাশূন্য পাই আপোনাৰ অন্তৰত তাৰ দখল বহুল হে হব। এতেকে, হে ধৰ্ম্মৰাজ! আপুনি এতিয়া মাথোন পৰব্ৰহ্মক স্মৰণ কৰি সেই দ্বিবিধ ব্যাধিৰপৰা মুক্ত থাকিবলৈ পৰিবদ্ধ হওক। সেই অৰ্থে আপুনি ভীষ্ম, দ্ৰোণ, কৰ্ণ হেন বীৰতকৈও বলৱন্ত বীৰৰে সৈতে যুদ্ধ কৰিব লগীয়া হৈছে,—সেই বলৱন্ত বীৰ শত্ৰু হৈছে

আপোনাৰ অন্তৰস্থিত অহঙ্কাৰ। এই অহঙ্কাৰক পৰাভূত কৰিব নোৱাৰিলে ইহ-পৰকালত আপোনাৰ উদ্ধাৰ নাই; কদাপি আপোনাৰ পৰব্ৰহ্ম লাভ নহব। এতেকে, সেই উদ্দেশ্যে আপুনি যোগাভ্যাস আৰু তাৰ আনুসঙ্গিক লাগতিয়াল কাৰ্য্যানুষ্ঠান আৰম্ভ কৰোক। কেৱল ৰাজত্যাগী হলেই সিদ্ধিলাভ নহয়; যজ্ঞানুষ্ঠানত প্ৰবৃত্ত হোৱাৰ প্ৰয়োজন। হে মহাৰাজ! সকাম আৰু নিষ্কাম ধৰ্ম্মৰ তত্ত্ব উপলব্ধি নহলে, মোৰ এই উপদেশ পালন কৰিবলৈ উজু নহব; গতিকে, এই দুই ধৰ্ম্ম-তত্ত্ববিষয়ক কামগীতা ব্যাখ্যা কৰোঁ, শুনক।" এই বুলি ভগৱন্ত শ্ৰীকৃষ্ণই ইতিপূৰ্ব্বে অৰ্জ্জুনৰ আগত গীতা-কথনত সকাম আৰু নিষ্কাম ধৰ্ম্মৰ যি ব্যাখ্যা দিছিল, তাৰ সাৰাংশ যুধিষ্ঠিৰকো শুনালে। মায়া-মমতাই জীৱাত্মাক কেনেকৈ সংসাৰত অভিভূত কৰি ৰাখে, আৰু অমমা আৰু নিৰ্ম্মমতাই কেনেকৈ পৰব্ৰহ্ম লাভলৈ বাট চমু কৰে, তাক ধৰ্ম্মাত্মা শ্ৰীকৃষ্ণদেৱে চমুকৈ ব্যাখ্যা কৰি, ধৰ্ম্মৰাজ যুধিষ্ঠিৰক এই বুলি সিদ্ধান্ত পৰামৰ্শ দিলে, "ধৰ্ম্মৰাজ! আপুনি সেই দুৰ্দম কামনাজনিত মায়া-মমতাস্বৰূপ জাল কাটি ওলাবৰ অৰ্থে যথাবিধি অশ্বমেধ-যজ্ঞ আৰু তাৰ পৰবৰ্ত্তী সুসমৃদ্ধ যজ্ঞ-কৰ্ম্মানুষ্ঠানাদিত প্ৰবৃত্ত হওক।" (১)

ধৰ্ম্মাৱতাৰ ভগৱন্ত শ্ৰীকৃষ্ণৰ ধৰ্ম্মতত্ত্ব ব্যাখ্যাই ধৰ্ম্মপ্ৰাণ যুধিষ্ঠিৰক প্ৰকৃতিস্থ কৰিলে। তেওঁ তেতিয়াতে শ্ৰীকৃষ্ণ সমক্ষত প্ৰতিশ্ৰুত হল যে, তেওঁ অনতিপলমে মহাসমাৰোহেৰে অশ্বমেধ যজ্ঞানুষ্ঠানৰ অৰ্থে যত্নপৰ হব। তদ্ৰূপ তেওঁ কাৰ্য্যতো তৎপৰ হল। (২) ধৰ্ম্মাৱতাৰ শ্ৰীকৃষ্ণৰ ধৰ্ম্মৰাজ্য স্থাপনৰ উদ্দেশ্য সিদ্ধি হল; তেওঁ নিজ ৰাজ্যৰ পৰা

(১) "অনুগীতা" আৰু "ব্ৰহ্মগীতা"।

(২) কৃষ্ণাৰ্জ্জুন,—বভ্ৰুবাহন সংবাদ।

অশ্বমেধ যজ্ঞলৈ লোকদৰ্শকৰূপে নিমন্ত্ৰিত হৈ অহাৰ উদ্দেশ্যে, যুদ্ধকৰ্ত্তা শ্ৰেষ্ঠপাণ্ডৱ যুধিষ্ঠিৰৰ ওচৰত বিদায় লৈ, পাকতে দ্বাৰকাৰপৰা দ্বাৰকেশ্বৰ ঘূৰি আহিলগৈ। তাৰ পাচত, তৃতীয়বাৰ (১) অশ্বমেধ যজ্ঞ সুসম্পন্ন কৰাই, ধৰ্ম্মৰাজ্যৰ ৰাজপাটত ধৰ্ম্মৰাজ যুধিষ্ঠিৰক স্থিৰভাৱে থিতাপি কৰি, অসাধাৰণ ৰাজনৈতিক মহামানৱ ভগৱান শ্ৰীকৃষ্ণদেৱে পাণ্ডৱ পৰিয়ালৰ ওচৰত শেষ-বিদায় লৈ, দ্বাৰকালৈ প্ৰত্যাগমন কৰিলে।

ইতিক্ৰমে, মানৱ জীৱনৰ আদ্য, মধ্য আৰু অন্ত্য লীলাৰ সামৰণত, অধৰ্ম্মাচৰণ পাপৰপৰা ভাৰতক পুনৰুদ্ধাৰ কৰি, সদৌশেহত আচুতীয়াকৈ স্বৰাজ্য দ্বাৰকাৰ ৰাজকাৰ্য্য পৰ্য্যালোচনাৰ্থে মুকুটত্যাগী ৰাজৰাজেশ্বৰ দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণ নিজৰ ৰাজধানী দ্বাৰাৱতীত এদনীয়াকৈ ৰহিল। ইত্যৱসৰত ধৰ্ম্মাৱতাৰ ৰাম-কৃষ্ণ বাসুদেৱদ্বয়ে দ্বাৰকাৰ চউপাশে পৰ্য্যটন কৰি, স্বৰাজ্যৰ অন্তৰ্নিহিত ধৰ্ম্মাধৰ্ম্ম বিষয়ক কাৰ্য্য পৰ্য্যাবেক্ষণ কৰিবলৈ ধৰিলে।

---

(১) "অথাজয়দ্ধৰ্ম সুতমশ্বমেধৈস্ত্ৰিভিৰ্বিভুঃ।
সোহপিক্ষমামনুজৈ ৰক্ষন্ৰেমে কৃষ্ণমনুব্ৰতঃ॥"
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ১৮ শ্লোক।

# ৪১। আখ্যা।

## যদুবংশ ধ্বংস।

ইচ্ছাময় ভগৱান শ্ৰীকৃষ্ণৰ পবিত্ৰ ইচ্ছা কাৰ্য্যত ফলিয়ালে ; ধৰ্ম্মৰ জয় আৰু অধৰ্ম্মৰ পৰাজয় তেওঁ স্ব-ইচ্ছাৰে সাধন কৰি জগতক দেখুৱালে। সেইকালত যিবিলাক অধৰমী আৰু স্বেচ্ছাচাৰী ভূপতিয়ে অধৰ্ম্মাচৰণ আৰু প্ৰজাপীড়নেৰে ভাৰতক প্ৰপীড়িত কৰিছিল, সেইবিলাকৰ কিছুমানক শ্ৰীকৃষ্ণদেৱে এজন-এজনকৈ নিজে নিধন কৰি, বাকীবিলাকক সমূহবলৰ দ্বাৰাই নিধন কৰাই, পাপৰ ভাৰ লঘু কৰাত, ভাৰত যেন আকৌ এদোপ ওপৰলৈ উঠিল। শ্ৰীকৃষ্ণই বাল্যকালত কালিয় প্ৰমুখ্যে ভালেমান লোকহন্তাক নাশ কৰে ; যৌৱন কালত কংস, জৰাসন্ধ, কালযৱন, শাল্ব, নৰকাসুৰ, শম্বৰ, শিশুপাল, দন্তবক্ৰ প্ৰভৃতিক স্বয়ং নিপাত কৰে (১) ; প্ৰৌঢ় কালত হৰি-হৰ ৰণ, কুৰুক্ষেত্ৰ-যুদ্ধ ইত্যাদিত অধৰ্ম্মাচাৰী সমূহক ধৰ্ম্মানুবৰ্ত্তী সমূহবল সংযোগেৰে নিধন কৰে। তদুপৰি, তাৰ লগে লগে, ছেগ বুজি, ন্যায়-ধৰ্ম্ম, নীতি-শিক্ষা আদি বিস্তাৰ কৰিবলৈকো ধৰ্ম্মাত্মা বাসুদেৱে ত্ৰুটী কৰা নাই ; ছেগ পালেই ভগৱান শ্ৰীকৃষ্ণই আধ্যাত্মিক জ্ঞান দান দিবলৈকো বাকী এৰা নাই ;—তাৰ জ্বলন্ত পটন্তৰ পৃথিৱীৰ কৰ্ম্মক্ষেত্ৰত নিষ্কাম ধৰ্ম্মশাস্ত্ৰ গীতা-সৃষ্টি। গৃহস্থালী, সামাজিক, আধ্যাত্মিক, ৰাজনীতিক সকলো বিষয়তে সমজ্ঞানী

---

(১) শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৩য় আখ্যা, ১০ম আৰু ১১শ শ্লোক।

সৰ্ব্বশাস্ত্ৰবিশাৰদ সম্পূৰ্ণ আদৰ্শ মানৱ শ্ৰীকৃষ্ণই সমভাৱে শিক্ষা, জ্ঞান আৰু দীক্ষা দানেৰে পতিত ভাৰতক উদ্ধাৰ কৰে। ইত্যাদি অসাধাৰণ কাৰ্য্যৰ বাবেই তেওঁ মহামতি ভীষ্মদেৱৰ মুখে এইবুলি পূজিত হয়, "যতে কৃষ্ণ ততে ধৰ্ম্ম; যতে ধৰ্ম্ম ততে জয়ঃ" (১)। শ্ৰীকৃষ্ণৰ নিষ্কাম কামনা সিদ্ধি হল;—ধৰ্ম্মপক্ষীয় পাণ্ডৱৰ উদ্ধাৰ হল, অধৰ্ম্মপক্ষীয় কৌৰৱৰ পতন হল, ভাৰতত পুনৰপি ধৰ্ম্মৰাজ্য সংস্থাপিত হল, পৃথিবীৰ অধৰ্ম্ম-ভাৰ অপনোদিত হল (২)। ভগৱন্ত শ্ৰীকৃষ্ণই পৃথিবীৰ মানৱ, স্বৰ্গৰ দেৱতা, নিজৰ আশ্ৰিত যাদৱবৰ্গক আনন্দিত কৰি বিহাৰ কৰিছিল; ব্ৰজৰ গোপিনীবৰ্গে জোনাক ৰাতি শ্ৰীকৃষ্ণৰ লগত বিহাৰ কৰি অতৃপ্ত তৃপ্তি লাভ কৰিছিল; কিন্তু লীলাময় শ্ৰীকৃষ্ণই গোপিনীৰ প্ৰেমত বশীভূত নহৈ, ক্ষন্তেকলৈ মাথোন সৌহাৰ্দ্দ বিকাশ কৰিছিল (৩)।

ধৰ্ম্মৰাজ্য সংস্থাপিত কৰি, হস্তিনাপুৰত সমগ্ৰ ভাৰতৰ ৰাজধানী পাতি, ধৰ্ম্ম-যুধিষ্ঠিৰক ভাৰতৰ একছত্ৰী সাৰ্ব্বভৌম ভূপতিৰ সিংহাসনত থিতাপি কৰি আহি, আদৰ্শ মহামানৱ ভগৱান শ্ৰীকৃষ্ণই ভাৰতৰ পছিম প্ৰান্ত দ্বাৰকাত একাষৰীয়া হৈ, আত্মকৃত কাৰ্য্যৰ স্মৃতি-সমালোচনামূলক মহাযোগত (৪) মগ্ন হল। সেই যোগত, সেই কৰ্ম্মত কেশৱৰ অপাৰ আনন্দ। সেই আনন্দ উপভোগ কৰি, মাধৱ শ্ৰীকৃষ্ণ পৰমানন্দ। সেইৰূপে পৰমানন্দ হৈ কৃষ্ণ-গোবিন্দই বহুদিন কটালে। সেই স্মৃতিত পুলকিত

---

(১) এই সিদ্ধান্ত মন্তব্যৰ বিষয়ে ওপৰত কেইবাটাও প্ৰসঙ্গত উল্লিখিয়াই অহা হৈছে।

(২) শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ১২শ শ্লোক।

(৩) শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয়আধ্যা, ২১ শ্লোক।

(৪) ই সন্ন্যাসীৰ তপস্যা যোগ নহয়, সাংসাৰিক কৰ্ম্মযোগহে। নিষ্কাম কৰ্ম্মযোগেই শ্ৰীকৃষ্ণৰ আদৰ্শ যোগ।

হৈ, দৈৱকীৰ অষ্টম গৰ্ভজাত বাসুদেৱে ভালেমান দিন নিয়ালে। বাল্য সুমৰণত নন্দনন্দন গোপাল কৃষ্ণই যশোদা 'আই'ৰ অঙ্ক শোভা কৰে; যৌৱন সুমৰণত কংস-চানুৰমৰ্দ্দন মধুসূদন জনাৰ্দ্দন বীৰমদত উদ্দীপ্ত হয়; প্ৰৌঢ় সুমৰণত হৰি-হৰ ৰণজয়ী কুৰুক্ষেত্ৰ-ধৰ্ম্মযুদ্ধৰ নেতা অসাধাৰণ ৰণপণ্ডিত অদ্বিতীয় ৰাজনৈতিক মহাপুৰুষ সৰ্ব্বশাস্ত্ৰবিশাৰদ আদৰ্শ ধৰ্ম্মগুৰু গীতাস্ৰষ্টা ভগৱন্ত শ্ৰীকৃষ্ণই স্বৰ্গমৰ্ত্যক একাকাৰ কৰে। এইদৰে সুখ-সোৱঁৰণীৰ দুৰ্ব্বীণেৰে, সুপ্ৰতিষ্ঠিত সাগৰৰক্ষিত দ্বাৰকা নগৰীৰপৰা একান্তচিতেৰে, স্বসংস্থাপিত সমগ্ৰ ভাৰতৰ ধৰ্ম্মৰাজ্যলৈ চাই চাই অপাৰ আনন্দত ওপঙি আপোন-পাহৰা হৈ, মুকুট-নিপিন্ধা ৰজা দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণই বহুকাল কটালে।

সৰুৰেপৰা ৰাম আৰু কৃষ্ণ ছাঁ আৰু গা যেন। এজনৰ মতি-গতি আনজনত অতৰ্কিতভাৱে বিকসিত হয়। কৃষ্ণৰ ভাবত ৰাম সততে তন্ময়। গতিকে, কৃষ্ণ সমাধিস্থ হোৱাত, ৰাম স্বভাৱতে যোগাৰূঢ় হল। দুইবো মনত একেটা ভাব সমভাৱে উদ্দীপ্ত হৈ উঠিল; দুয়ো ধৰ্ম্মৰাজ্য সংস্থাপন সংপূৰণ কৰিবৰ অৰ্থে চিন্তালোচনাত ধৰিলে। ভীষ্ম-দ্ৰোণ আৰু ভীম-অৰ্জ্জুনৰ সংঘৰ্ষণত অষ্টাদশ অক্ষৌহিণী সেনা ধ্বংস হোৱাত, দুয়ো একমত হৈ দেখিলে যে, বাহ্যিক দৃষ্টিত ধৰ্ম্মৰাজ্য নিয়াৰিকৈ সংস্থাপিত হৈছে হয়, কিন্তু সিবিলাকৰ নিজৰ ভিতৰতে অধৰ্ম্মৰ প্ৰাদুৰ্ভাৱ ক্ৰমাৎ চৰিবলৈ হে ধৰিছে (১)। গতিকে, ইয়াৰ কি প্ৰতিকাৰ কৰা উচিত, সেইবিষয়ে সিবিলাক দুয়ো নিৰলে গুণিবলৈ ধৰিলে; মাজে মাজে সেই উদ্দেশ্যে দুয়ো উদাৰ আৰু উদাস ভাৱে

(১) "কিয়ান্ ভুবোঽয়ং ক্ষপিতোৰুভাৰো যদ্দ্ৰোণ-ভীষ্মাৰ্জ্জুন-ভীমমূলৈঃ।
অষ্টাদশাক্ষৌহিণিকো মদংশৈৰাস্তে বলং দুৰ্ব্বিষহং যদূনাং॥"
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, তৃতীয় অধ্যা, ১৪ শ্লোক।

আত্মীয়-কুটুম্বাদিৰ বিনাশন কামনা কৰা হল (১)। তাৰ পাচত, মানৱ-লীলানুকাৰী বাসুদেৱদ্বয়ৰ অন্তৰত গাৰ্হস্থ্য বিষয়-সম্ভোগত বৈৰাগ্য উদয় হল। (২)

আনহাতে, যদুবংশৰ ভিন্ ভিন্ ফৈদৰ মাজত পৰস্পৰৰ প্ৰতি বিদ্বেষভাব ক্ৰমাৎ প্ৰৱল হৈ উঠিল। সিবিলাকৰ মাজত সততে আত্ম-কন্দল নগুচা হল। ইজনৰ প্ৰতিপত্তিলৈ সিজনে ঈৰ্ষাভাৱে চাবলৈ ধৰিলে। ইখেলে সিখেলক তল পেলাই উধাবলৈ ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে। প্ৰত্যেক খেলেই মইমতীয়া ভাবত উধাও হৈ কাকো-কোনেও গণিতা নকৰা হল। ৰাম আৰু কৃষ্ণত বাজে সেই দুৰ্দ্দম খেলবিলাকক দমাওঁতা নোহোৱা হল। তদুপৰি, যাদৱ কোৱঁৰবিলাক দোৰ্ঘোৰ মদপী হৈ উঠিল; সিবিলাকে অপৰিমিতকৈ ফটিকা পান কৰি প্ৰজাবৰ্গক অত্যাচাৰ কৰিবলৈ ধৰিলে। আন কি, সেই অনাচাৰিতা ইমান অতিপাত আৰু অসহনীয় হৈ উঠিল যে, শেহাস্তত ফটিকা স্পৰ্শ কৰোঁতাৰ প্ৰাণদণ্ড হোৱা বিধানেৰে কঠিন আইন জাৰি কৰিব লগীয়া হয় (৩)।

আচল উদ্দেশ্য কি, কেৰে কব নোৱাৰে, কিন্তু যাদৱশ্ৰেষ্ঠ শ্ৰীকৃষ্ণ-

---

(১) "মিথো যদৈষাং ভবিতা বিবাদো মধ্বা মদা তাম্ৰবিলোচনানাং।
নৈষাং বধোপায় ইয়ানতোঽন্যো ময্যুদ্যতেঽন্তৰ্দ্দধতে স্বয়ং স্ম॥"
—শ্ৰীমদ্ভাগবত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ১৫ শ্লোক।

(২) "ভৈস্তৈৰং ৰমমাণস্য সম্বৎসৰগণান্ বহুন্।
গৃহমেধেষু যোগেষু বিৰাগঃ সমজায়ত॥"
—শ্ৰীমদ্ভাগবত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ২২ শ্লোক।

(৩) মহাভাৰত, মুষলপৰ্ব্ব, ১ম আধ্যা।

দেৱে প্ৰস্তাৱ কৰিলে যে, ব্ৰহ্মশাপ মোচনাৰ্থে (১) যাদৱবৰ্গে কেদিনমান প্ৰভাস-তীৰ্থত এটা জাতীয় যজ্ঞানুষ্ঠান উপলক্ষে স্নান-ভোজন আদিৰে সৈতে আনন্দ-উৎসৱ কৰিবগৈ লাগে আৰু সেই যাত্ৰাত মাথোন চেমনীয়া, ডেকা আৰু আদহীয়া পুৰুষ হে যাব লাগে; লৰা, তিৰোতা আৰু বুঢ়াসকল যোৱাৰ প্ৰয়োজন নাই। প্ৰস্তাৱ সাদৰে গৃহীত হল। বিশেষকৈ, ডেকা আৰু আদহীয়া দল উৰুলীকৃত হৈ ওলাল। সিবিলাকে প্ৰস্তাৱিত আনন্দ-ভোজৰ অনুপানাৰ্থে শ-শ কলহ ফটিকা মহোল্লাহেৰে মানুহতকৈ আগধৰি পঠিয়াই যথাস্থানত যুগুত কৰালে। তাৰ পাচত, শ্ৰীকৃষ্ণদেৱৰ অনুগামী হৈ বৃষ্ণি, ভোজ প্ৰমুখ্যে সদৌ যাদৱ কৈদৰ উধত স্বভাৱৰ কোৱঁৰবিলাকে প্ৰভাস-তীৰ্থলৈ মহা আড়ম্বৰেৰে যাত্ৰা

---

(১) "পুৰ্য্যাং কদাচিৎ ক্ৰীড়ভ্দিৰ্যদুভোজ কুমাৰকৈঃ।
কোপিতা মুনয়ঃ শেপুৰ্ভগবন্মতকোবিদাঃ॥
ততঃ কতিপয়ৈৰ্মাসৈৰ্বৃষ্ণিভোজান্ধকাদয়ঃ।
যযুঃপ্ৰভাসং সংহৃষ্টাৰথৈদেৰবিমোহিতাঃ॥"

—শ্ৰীমদ্ভাগৱত তৃতীয় স্কন্ধ, ৩য় আধ্যা, ২৪ শ্লোক।

—অৰ্থাৎ, ভগবান ৰাম-কৃষ্ণৰ অন্তৰত যি ক্ষণত বৈৰাগ্যভাৱ উদয় হোৱাত যদুকুল সংহৰণৰ ইচ্ছা প্ৰবল হৈ উঠে, সেইক্ষণত যদুবংশীয় বৃষ্ণি আৰু ভোজ কৈদীয়া কুমাৰগণে লাঞ্ছনা, প্ৰবঞ্চনা, ইত্তিকিং আদি কৰি ব্ৰাহ্মণ ঋষিসকলৰ কোপানল প্ৰজ্বলিত কৰে; সেই আপাহতে ঋষিসকলে ভগৱানৰ অভিপ্ৰায় উপলব্ধি কৰি 'যদুবংশ ধ্বংস হওক' বুলি অভিশাপ প্ৰদান কৰে। তাৰ পাচত, অনতিপলমে ব্ৰহ্মশাপ ফলিওৱাৰ নিদৰ্শন স্বৰূপ দ্বাৰকাপুৰীত বিবিধ অৰিষ্ট দৰ্শন হবলৈ ধৰিলে। ইত্তিছেগতে, শ্ৰীকৃষ্ণৰ প্ৰস্তাৱত মোহিত বৃষ্ণি, ভোজ, অন্ধক কৈদ প্ৰমুখ্যে যদুবংশৰ ডেকা আৰু আদহীয়া কুমাৰগণে অৰিষ্টৰ শান্তি কামনা উপলক্ষে উৰুলীকৃত হৈ প্ৰভাস-তীৰ্থলৈ যাত্ৰা কৰিলে।

কৰিলে। সেই যাত্ৰাত যাদৱনেতা শ্ৰীকৃষ্ণৰ পুত্ৰ (১), নাতি আৰু পৰিনাতি প্ৰমুখ্যে বৃষ্ণিফৈদৰ কোঁৱৰৰ সংখ্যা আঠাইতকৈ অধিক গৈছিল।

প্ৰভাস-তীৰ্থত যাদৱবৰ্গৰ এখন মহামেলা আৰম্ভ হল। চেমনীয়া

---

(১) শ্ৰীকৃষ্ণৰ ৮ আঠগৰাকী ভাৰ্য্যাৰ প্ৰত্যেকৰপৰা ১০ দহজনকৈ ৮০ চাৰিকুৰি পুত্ৰ লাভ হৈছিল ; যেনে :—

"তাস্বপত্যান্যজনয়দাত্মতুল্যানি সৰ্ব্বতঃ।
একৈকস্যাং দশ দশ প্ৰকৃতেৰ্বিবুভূষয়া॥

—শ্ৰীমদ্ভাগবত, তৃতীয় স্কন্ধ, তৃতীয় আধ্যা, ৯ম শ্লোক।

(ক) ৰুক্মিণীৰ গৰ্ভজাত পুত্ৰ :—কামদেৱ ( প্ৰদ্যুম্ন ), চাৰুদেষ্ণ, ভদ্ৰচাৰু, চাৰু, চাৰুচন্দ্ৰ, সুদেষ্ণ, সুচাৰু, চাৰুদেহ, চাৰুগুপ্ত, আৰু বিচাৰু।

(খ) সত্যভামাৰ গৰ্ভজাত পুত্ৰ :—সুভানু, স্বৰ্ভানু, ভানু, চন্দ্ৰভানু, প্ৰভানু, বিভানু, বৃহদ্ভানু, প্ৰতিভানু, অবিভানু, আৰু ভানুমান।

(গ) জাম্বৱতীৰ গৰ্ভজাত পুত্ৰঃ—শ্ৰীশাম্ব, সুমিত্ৰ, সত্ৰাজিত, চিত্ৰকেতু, বিজয়, পুৰজিত, ক্ৰতু, সহস্ৰজিত, বসুমান আৰু দ্ৰবিণ।

(ঘ) নগ্নজিতাৰ গৰ্ভজাত পুত্ৰ :—বীৰচন্দ্ৰ, অশ্বসেন, বৃষ, বেগৱান, আম, শঙ্কু, বসু, কুন্তি, চিত্ৰগু, আৰু আখ্যান।

(ঙ) কালিন্দীৰ গৰ্ভজাত পুত্ৰ :—শুক, কবি, বৃষ, বীৰ, সুবাহু, ভদ্ৰ, শান্তি, দৰ্শ, পূৰ্ণমনা আৰু শ্ৰীসোমক।

(চ) মাদ্ৰীৰ গৰ্ভজাত পুত্ৰ :—প্ৰঘোষ, ওজস, সিংহ, উৰ্দ্ধগ, প্ৰবল, গাত্ৰবান, মহাশক্তি, সহ, অপৰাজিত আৰু বল।

(ছ) মিত্ৰবিন্দাৰ গৰ্ভজাত পুত্ৰ :—বৃষ, হৰ্ষ, গৃধ্ৰ, বহ্নি, অনিল, পক্ষ, বৰ্দ্ধন, অন্নাদ, ক্ষুধি আৰু মহাংশ।

(জ) ভদ্ৰাৰ গৰ্ভজাত পুত্ৰ :—বৃহৎসেন, প্ৰহৰণ, শূৰ, অৰিজিত, সুভদ্ৰ, সত্যক, বাম, শ্ৰীসংগ্ৰামজিৎ, আয়ু আৰু জয়।

আৰু ডেকাসকলে প্ৰভাস-সলিলত সাঁতুৰি-নাদুৰি বিবিধ জলক্ৰীড়া কৰিবলৈ ধৰিলে! প্ৰৌঢ়বৰ্গ বিবিধ বিধানৰ বীৰোচিত ৰং-ধেমালি, আমোদ-প্ৰমোদত মগ্ন হল। আনন্দভোজৰ আয়োজন কৰোঁতাসকল পৰম উলাহেৰে লাগতিয়াল দিহাকৰণত প্ৰবৃত্ত হল। সমবেত যাদৱমণ্ডলীৰ উলাহ-আনন্দৰ পাৰ নোহোৱা হল। প্ৰভাসযাত্ৰী সকলোৱেই আপোন-পাহৰা হৈ আনন্দত উৰুলীকৃত; মাথোন ৰাম-কৃষ্ণ সেই আনন্দ-উৎসৱত নিৰ্লিপ্তভাৱে স্থিৰ, ধীৰ, চিন্তাযুত; দুয়ো একাষৰীয়াকৈ লগ লাগি নিবলে কি গুণিছে, কি পাতিছে, কি কোৱা-মেলা কৰিছে, আনে তাৰ সম্ভেদ পোৱা নাই;—স্বৰূপত, সিবিলাক দুজনলৈ মন কৰিবলৈ, সিবিলাকৰ মতি-গতিৰ প্ৰতি লক্ষ কৰিবলৈ আনন্দবিহ্বল আনবিলাক যাদৱবৃন্দৰ অৱকাশ নাই।

তাৰ পাচত, মহানন্দৰ ঢৌ কন্তেকলৈ মাৰ নিয়াই প্ৰভাসৰ পুণ্য সলিলত যথাবিধি স্নান-আহ্নিক আৰু নিত্যনৈমিত্তিক ক্ৰিয়া সমাপন কৰি উঠি, সুপ্ৰশস্ত প্ৰভাসতীৰত মণ্ডলাকাৰ হৈ সমবেত যাদৱবৃন্দ আনন্দভোজত বহিল। বিবিধ ৰুচিৰ বিবিধ আহাৰাদি পৰম তৃপ্তিৰে ভোজন কৰা হল! তাৰ পাচত, বাৰুণী ফটিকা কলহে-কলহে বাকি তিতালাওৰ শুকান কোৰোকাৰে সৈতে সবাৱে আগে আগে ফটিকাপাত্ৰত দিয়া হল। কোনো কোনো হুতাহীয়ে, সৰু পাত্ৰত পি তৃপ্তি নাপাই, লাওৱে-লাওৱে হাতে-হাতে একোলাও লাওপানী (১) লৈ হেঁপাহ

(১) "লাওপানী" আধুনিক অসমৰ অসভ্য অনাৰ্য্য জাতিৰ সৃষ্ট পদাৰ্থ নহয়; ই পৌৰাণিক যুগৰো পূৰ্ব্বৰ সুসভ্য আৰ্য্য জাতিৰ সৃষ্ট পদাৰ্থ হে:—

"অথ তে তদনুজ্ঞাতা ভুক্ত্বা পীত্বাচ বাৰুণীং।

তয়াবিভ্ৰংশিতজ্ঞানা দুৰুক্তৈৰ্ম্মৰ্ম্মপস্পৃশঃ।"

—শ্ৰীমদ্ভাগৱত, তৃতীয়স্কন্ধ, চতুৰ্থ অধ্যা, ১ম শ্লোক।

পলুৱাই পিবলৈ ধৰিলে। সেই দৰে বিস্তৰ ভোজন আৰু অপৰিমিত পানৰ অন্তত আটাইবিলাক ক্ৰমাৎ ফটিকাৰ ৰাগীত টলিবলৈ ধৰিলে; মাথোন ৰাম-কৃষ্ণ অটল অচল ধীৰ স্থিৰ আৰু চিন্তাযুত হৈ একা-ষৰীয়াকৈ বল। তাৰ পাচত, বাৰুণী ফটিকা পানৰ অপৰিহাৰ্য্য ফল ফলিয়াবলৈ ধৰিলে। ৰাগীৰ জালত জ্ঞান-বুদ্ধি-চেতনা হেকৰাই মতলীয়া যাদৱগণে পৰস্পৰ বিবাদ বাদ্ধি লৈ মৰামৰি-কটাকটি কৰিবলৈ ধৰিলে (১)। সাত্যকি, প্ৰদ্যুম্ন, কৃতবৰ্ম্মা, অনিৰুদ্ধ প্ৰমুখ্যে অন্যান্য বিবিধ কৈদৰ যাদৱবৃন্দৰ মাজত তুমুল সংগ্ৰাম লাগি উঠিল;— সদৌশেহত ৰাম, কৃষ্ণ, দাৰুক আৰু বজ্ৰ (২) এই চাৰিত বাজে সমবেত

(১) পোন্‌প্ৰথমেই শ্ৰীকৃষ্ণৰ অগ্ৰগণ্য প্ৰিয়শিষ্য মহাজ্ঞানী মহাৰথ সাত্যকিয়ে কন্দল পাতি লয়। তেওঁ পোনেই কৃতবৰ্ম্মাক মৌখিক আক্ৰমণ কৰে। কুৰুক্ষেত্ৰ-ৰণ সামৰণৰ পিচ-ৰাতি তেওঁ অশ্বত্থমা আৰু কৃপাচাৰ্য্যৰে সৈতে লগ লাগি চোৰ-বৃত্তিৰে পাণ্ডৱ শিবিৰত প্ৰবেশ কৰি দ্ৰৌপদীৰ পাঁচ পুত্ৰ আৰু পাঞ্চাল কোৱঁৰ ধৃষ্টদ্যুম্নক নীচভাৱে বধ কৰাৰ বাবে তেওঁক সাত্যকিয়ে ককৰ্থনা কৰিবলৈ ধৰে। সেই কন্দলত প্ৰদ্যুম্ন কোৱঁৰ সাত্যকিৰ ফলীয়া হয়। শেহান্তত, কন্দল পকি উঠিলত, যেতিয়া সাত্যকিয়ে কৃতবৰ্ম্মাক বধ কৰে, তেতিয়া কৃতবৰ্ম্মাৰ ফলীয়া আনবিলাকে লগ লাগি সাত্যকি আৰু প্ৰদ্যুম্নক বধ কৰে। পিতৃ প্ৰদ্যুম্নক বধ কৰা দেখি পুত্ৰ অনিৰুদ্ধ কোৱঁৰে জ্বলন্ত চিতাত জঁাপ দিয়াৰ দৰে, সেই কন্দলৰ মাজত সোমাই পিতৃবৈৰী দলক বিনাশ কৰি আত্মবলি দিলে। তাৰ পাচত, ৰাগীৰ জালত দলাদলি ঘটি বাকীবিলাকৰ মাজতো মৰামৰি হবলৈ ধৰিলে। ইত্যাদিকৈ যাদৱবৰ্গৰ মাজত তুমুল সংগ্ৰাম লাগি গল।

(২) বজ্ৰ কোৱঁৰ শ্ৰীকৃষ্ণৰ পৰিনাতি; তেওঁ প্ৰদ্যুম্ননন্দন অনিৰুদ্ধৰ ঔৰসত শোণিতপুৰৰ (আধুনিক অসমৰ তেজপুৰৰ) জীয়াৰী উষাদেৱীৰ গৰ্ভজাত পুত্ৰ। যদুবংশ ধ্বংসৰ পাচত, বজ্ৰ কোৱঁৰেই শেহতীয়া যদুবংশধৰ বয়গৈ। প্ৰপিতামহী ৰুক্মিণীদেৱীৰ সম্বন্ধসূত্ৰত বজ্ৰ কোৱঁৰৰ জাঁতিগুৰি বিদৰ্ভ নগৰত বা অসমদেশৰ শদিয়াত ওলায়হি।

সমুদায় যাদৱবৃন্দ, বেণুবৃক্ষ (১) পৰস্পৰ সংঘৰ্ষণোত্থিত বহ্নিত ভস্ম হোৱাৰ দৰে, আত্মকন্দলৰ ফলত নিধন হল (২)!—ইচ্ছাময় বাসুদেৱদ্বয়ৰ গুহ্যতম অভিপ্ৰায় অনুসৰি যদুবংশ ধ্বংস হল!

প্ৰভাস-তীৰ্থত যদুবংশৰ অনাচাৰী আৰু অধৰমী ডেকা, চেমনীয়া আৰু আদহীয়া দল হে ধ্বংস হল; দ্বাৰকাত ধৰ্ম্মপ্ৰাণ বৃদ্ধ যাদৱবৰ্গ আৰু শিশু লৰা-ছোৱালী সমন্বিতে সদাচাৰিণী নাৰীগণ নিৰ্ব্বিঘ্নে ৰৈ গল। গতিকে, সিবিলাকক ক'ত কি ব্যৱস্থাৰে নিৰাপদকৈ থিতাপি কৰি থৈ যোৱা হব, সেই বিষয়ে ৰাম-কৃষ্ণ বাসুদেৱদ্বয়ে নিজজনীয়াকৈ চিন্তালোচনা কৰিবলৈ ধৰিলে। ইতি ছেগতে, যদুবংশৰ একেটি মাথোন সুমলীয়া বংশধৰ বজ্ৰ কোঁৱৰক পৃথিবীত আদৰ্শ মানৱকৈ থৈ যোৱাৰ অভিপ্ৰায়ে সৰ্ব্বশাস্ত্ৰবিশাৰদ ধৰ্ম্মাত্মা শ্ৰীকৃষ্ণদেৱে তেওঁক চমুকৈ সাংসাৰিক, সামাজিক, ৰাজনৈতিক আৰু আধ্যাত্মিক বিষয়ক তত্ত্ব-জ্ঞান দান কৰিলে।

---

(১) "ততাথ শুশ্ৰাৱ সুহৃদ্বিনষ্টিং বনংযথা বেণুজবহ্নিসংশ্ৰয়ং।
সংস্পৰ্দ্ধয়া দগ্ধমথানুশোচন্ সৰস্বতীং প্ৰত্যাগিয়ায় তূষ্ণীং"।
—শ্ৰীমদ্ভাগবত, তৃতীয় স্কন্ধ, ১ম আধ্যা, ২০ শ্লোক।

"তেষাংমৈৱেয়দোষেণ বিষমীকৃতচেতসাং।
নিম্লোচতি যথাযাসীদ্বেণুনামিৱ মৰ্দ্দনং।"
—শ্ৰীমদ্ভাগবত, ৩য় স্কন্ধ, ৪ৰ্থ আধ্যা, ২য় শ্লোক।



রাম-কৃষ্ণ।

# ৪২। অধ্যা।

## ৰাম-কৃষ্ণৰ মহাপ্ৰয়াণ।

### শ্ৰীকৃষ্ণ-লীলাৰ সামৰণ।

যদুবংশ ধ্বংসৰ পাচত, ঠেকযুত যদুবংশৰ শেহতীয়া একেটি বংশধৰ উষানন্দন বজ্ৰ কোৱঁৰক নিৰাপদকৈ ৰাখি যাবৰ উদ্দেশ্যে, শ্ৰীকৃষ্ণই তেওঁৰ সাৰথি দাৰুকক এই বুলি অনুজ্ঞা-উপদেশ দিলে, "দাৰুক! অনতিপলমে দ্বাৰকা নগৰী আৰু যদুবংশ সমূলঞ্চে ধ্বংস হব! (১) মোৰ পৰিনাতি বজ্ৰ কোৱঁৰ মাথোন আদিকা বংশধৰ থাকিবগৈ। এওঁৱেই যদুবংশৰ সুমলীয়া বংশধৰ। পৃথিবীত মোৰ বংশ ৰক্ষাৰ হেতুকে এই সদৌ-শেহতীয়া কোৱঁৰক নিৰাপদকৈ আঁতৰাই ৰাখি থোৱাই মোৰ শেষ কৰ্ত্তব্য। মই আজিৰপৰা সপ্ত-অহোৰাত্ৰৰ মধ্যতে ইহলীলা সংবৰণ কৰিম। তুমি ইতিমধ্যত মোৰ ৰথত তুলি, উষানন্দন অনিৰুদ্ধতনয় বজ্ৰ কোৱঁৰক মোৰ পৈতৃক ৰাজ্য মথুৰালৈ নি, মধুপুৰত থিতাপিকৈ থোৱাঁগৈ। তাৰ পাচত, তুমি হস্তিনাপুৰলৈ গৈ, ধৰ্ম্মৰাজ যুধিষ্ঠিৰ প্ৰমুখ্যে মোৰ পৰম বান্ধৱ পাণ্ডৱসকলক যদুবংশধ্বংসৰ বাতৰি দিবাঁ। সেই ছেগতে, মোৰ পৰমভক্ত সুভদ্ৰাপতি প্ৰাণসখি অৰ্জ্জুনক মোৰ এই অনুৰোধ জ্ঞাপন কৰিবাগৈ, তেওঁ যেন আজিৰপৰা সাতদিনৰ মূৰত দ্বাৰকালৈ আগমন কৰি, লৰা-তিৰোতাদি সমন্বিতে বৃদ্ধ যাদৱবৰ্গক অনতিপলমে

---

(১) স্বপ্ৰতিষ্ঠিত "দ্বাৰকা নগৰী" অধৰ্ম্মাচৰণৰূপ পাপৰপৰা উদ্ধাৰিত হৈ, যাতে শ্যমন্তকমণি প্ৰসৱিনী পুণ্যভূমি ঢোবাই যোৱা পঞ্চনদৰ সাগৰসঙ্গমৰ পুণ্য-সলিলত চিৰকালৰ কাৰণে অৱগাহিত হয়, সেইটো তেতিয়াই দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণৰ কল্পিত কামনা আছিল; তাৰে ফলস্বৰূপ, এতিয়া সেই "দ্বাৰকানগৰী" সাগৰৰ গৰ্ভত,—পৃথিবীৰ ওপৰত নাই।

মথুৰালৈ পাৰ কৰি নি, মধুপুৰত বজ্ৰ কোৱঁৰৰ লগত থিতাপিকৈ ৰাখেগৈ। যোৱাঁ, পলম নকৰিবাঁ; মোৰ তনুত্যাগৰ আগতে পোৱাকৈ ঘূৰি আহি তুমি মোক শেষ-দেখা দিবাঁহি"।

যদুবংশধ্বংস দৃশ্য সুমৰি চাই, এটি দীঘল হুমুনিয়া পেলাই, গভীৰ ভাবগ্ৰাহী অগ্ৰজ বলৰামে প্ৰাণপ্ৰতিম অনুজ শ্ৰীকৃষ্ণক গাঢ় আলিঙ্গন দি, তেওঁৰপৰা এই বুলি শেষবিদায় ললে, "হে মোৰ জীৱনলগৰীয়া প্ৰাণাধিক অনুজ কৃষ্ণ! আজি মোক শেষ-বিদায় দিয়াঁ। আজিৰপৰা তোমাৰে-মোৰে মাজত পাৰ্থিৱ বিচ্ছেদ ঘটিব। মই এতিয়া মুক্তি তপস্যাত বহোঁগৈ। আজিৰপৰা তিনি অহোৰাত্ৰৰ ভিতৰত এই পুণ্যভূমি প্ৰভাস তীৰ্থত মই তনুত্যাগ কৰিম।" এই বুলি দিব্য হাঁহি মাৰি বিদায় লৈ মহাতনু বলৰাম যোগাসনত বহিলগৈ। অগ্ৰজলৈ চাই, "ভাল, ময়ো আহোঁগৈ" এই বুলি শ্ৰীকৃষ্ণদেৱে দ্বাৰাৱতীমুখে চিন্তাযুত হৈ গতি কৰিলে।

দ্বাৰকাৰ সিংহদ্বাৰ দ্বাৰকেশ্বৰ প্ৰৱেশৰ অৰ্থে শেষবাৰৰ নিমিত্তে উন্মুক্ত হল; ভাবভাৰী শ্ৰীকৃষ্ণ গহীন গতিৰে দ্বাৰাৱতীৰ ভিতৰ সোমাল। তেওঁ পোনেই এবাৰ চৌপাশে প্ৰদক্ষিণ কৰি লৈ, ধীৰে ধীৰে ধীৰে অন্তঃপুৰত প্ৰৱেশ কৰিলেগৈ। তাৰ পাচত, বৃদ্ধা, যুৱতী আৰু কুমাৰী যাদৱীসকলক সমবেত কৰি লৈ, যদুনাথ শ্ৰীকৃষ্ণই দিব্য বুজনিৰে সৈতে সিবিলাকৰপৰা ইহ-জীৱনৰ শেষ-বিদায় ললে।

অন্তঃপুৰৰপৰা বিদায় লৈ ওলাই, শ্ৰীকৃষ্ণ দ্বাৰকেশ্বৰ দ্বাৰকাৰ ৰাজচৰাত উপস্থিত হলহি। চৰাত সন্তপ্ত চিত্তেৰে অপেক্ষা কৰি সমবেত হোৱা বৃদ্ধ যাদৱ মণ্ডলীৰ ওচৰত দিব্য সমালোচনাৰে সৈতে আত্ম-জীৱনলীলাৰ আৰম্ভণ, প্ৰসাৰণ আৰু সামৰণ বিষয়ক ঐহিক আৰু পাৰত্ৰিক তত্ত্ব ব্যাখ্যা কৰি, যদুমণি শ্ৰীকৃষ্ণই প্ৰফুল্ল অন্তৰেৰে

ইহকালৰ শেষ-বিদায় গ্ৰহণ কৰিলে। দ্বাৰকেশ্বৰ ভগৱন্ত শ্ৰীকৃষ্ণক বিদায় দি, মৰ্ত্যৰ অমৰাৱতী দ্বাৰাৱতী বিষাদত অৱনতী হল!

তিনি-অহোৰাত্ৰৰ অন্তকালত, শ্ৰীকৃষ্ণ উলটি প্ৰভাস-তীৰ্থত উপনীত হলহি। অনুজ শ্ৰীকৃষ্ণ আহি পাওঁতেই অগ্ৰজ ৰামৰ মুক্তিযোগ সমাপন হোৱাত, সেইক্ষণতে তেওঁ ইচ্ছাপ্ৰয়াণ কৰিলে। তাৰ পাচত, সৰস্বতী নৈৰ পাৰত (১), এজুপি কোমল কুঁহিপতীয়া আহঁত গছৰ গাত আউজি, পদ্মাসন পাতি, শ্ৰীকৃষ্ণ স্বয়ং মুক্তি-যোগাসনত বহিল। ভগৱন্ত শ্ৰীকৃষ্ণৰ বিশুদ্ধ সত্বস্বৰূপ শ্যাম কলেৱৰ আৰু নিমিলিত আয়ত্তলোচনে জগত উদ্ভাসিত কৰিলে (২)। ইতিক্ষণতে সাৰথি দাৰুকে, উলটি আহি,

---

(১) অদ্ৰাক্ষমেকমাসীনং বিচিম্বন দয়িতং পতিং।
শ্ৰীনিকেতং সৰস্বত্যাং কৃতকেতমকেতনং ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা, ৬ষ্ঠ শ্লোক।

(২) শ্যামাবদাতং বিৰজং প্ৰশান্তাৰুণলোচনং।
দোৰ্ভিশ্চতুৰ্ভিৰ্ব্বিদিতং পীতকৌশাম্বৰেণ চ ॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা, ৭ম শ্লোক।

(২ক) এয়ে ইচ্ছাকৃত মহাপ্ৰয়াণৰ আদৰ্শ।

(২খ) কোনো-কোনোৰ কল্পনামতে, যদুবংশধ্বংসৰ পাচত, বৈৰাগ্য উপস্থিত হোৱাত, শ্ৰীকৃষ্ণই হাবিয়ে-বননিয়ে উদাস ভাবত বিহাৰ কৰি ফুৰি এখন বৰ-হাবিৰ মাজত বিভোল হৈ বহি থাকোঁতে, জৰা নামৰ এটা ব্যাধে তাতে তেওঁক মৃগ বুলি ভাবি শৰবিদ্ধ কৰি বধ কৰে।

(২গ) কোনো-কোনো টীকাকাৰৰ মতে, জৰা ব্যাধ নহয়, জৰা ব্যাধি হে। শতাধিক বছৰ দীৰ্ঘায়ু ভোগ কৰি, আথৰ-আলৰ বুঢ়াকালত জৰাগ্ৰস্ত হৈ শ্ৰীকৃষ্ণ পঞ্চত্বপ্ৰাপ্ত হয়।

(২ঘ) কিন্তু, আমাৰ মত শ্ৰীমদ্ভাগৱতৰ তৃতীয় স্কন্ধৰ ৪ৰ্থ আধ্যাৰ ৬ষ্ঠ শ্লোকৰ লগত হে মিলে। ভগৱন্ত শ্ৰীকৃষ্ণক জৰা ব্যাধেও বিন্ধিব পৰা নাই, জৰা

মথুৰা আৰু হস্তিণাপুৰৰ শুভবাতৰি শুনালেহি। শুনি শুনি ভগৱন্ত শ্ৰীকৃষ্ণই অতৃপ্ত সুখ অনুভৱ কৰি, বিশুদ্ধ সত্বস্বৰূপ অনিন্দিত শ্যাম কলেৱৰৰ (১) সুঠাম বাম উৰুৰ ওপৰত সুকোমল দক্ষিণ চৰণ-কমল বিন্যস্ত কৰি, পাৰ্থিব জীৱন-লীলা সামৰণৰ সমাধি আৰম্ভ কৰিলে। ইতিছেগতে মহৰ্ষি বেদব্যাসৰ সুহৃদ আৰু সখি পৰাশৰ মুনিৰ শিষ্য যোগসিদ্ধ মৈত্ৰেয় মুনিৰে সৈতে বাসুদেৱৰ বান্ধৱ উদ্ধৱে শ্ৰীকৃষ্ণচৰণান্বেষণ কৰি ফুৰি ফুৰি, সেই সমাধিস্থ অৱস্থাতে ভগৱন্ত শ্ৰীকৃষ্ণৰ চৰণ দৰ্শন লাভ কৰি চৰিতাৰ্থ জ্ঞান কৰিলে (২)। মৈত্ৰেয় মুনি ভগৱান বাসুদেৱ শ্ৰীকৃষ্ণৰ এজন একান্ত অনুৰক্ত ভক্ত পুৰুষ, গতিকে তেওঁ সমাধিস্থ শ্ৰীকৃষ্ণদেৱৰ চৰণ দৰ্শন কৰা মাত্ৰকে

---

ব্যাধিয়েও প্ৰকৃতে পাব পৰা নাই ;—"কৃষ্ণস্তু স্বয়ং ভগৱান" ; মানৱ ব্যাধৰ শৰ-সন্ধানৰ অতীত, আৰু স্বাস্থ্যৰ মূৰ্ত্তিমান্ আদৰ্শ পুৰুষ বাসুদেৱ দ্বাপৰ যুগৰ ১২৬ বছৰীয়া বয়সত (যেতিয়া তেওঁৰ পিতৃ বাসুদেৱে ১৬৬ আৰু ভীষ্মদেৱে ১৫৭ বছৰীয়া মানৱ জীৱন ধাৰণ কৰিছিল) জৰাৰোগগ্ৰস্ত হোৱাটো পতিয়াবলৈ টান।

(২৬) ভগৱন্ত শ্ৰীকৃষ্ণৰ ইচ্ছাকৃত তনুত্যাগ অমানুষিক ব্যাপাৰ। ইচ্ছাপূৰ্ব্বক উশাহ-নিশাহ বন্ধ কৰি আত্মাতত্বজ্ঞানত তন্ময় হৈ সজ্ঞানে আৰু সুস্থচিত্তে দৈৱকীনন্দন বাসুদেৱে পাৰ্থিৱ তনু ত্যাগ কৰি বৈকুণ্ঠ প্ৰয়াণ কৰে। বিষয়াবিষ্টচিত্ত জনগণৰ পক্ষে শ্ৰীকৃষ্ণৰ তনুত্যাগ ধাৰণাতীত ; সমাধিস্থ আত্মতত্বজ্ঞ লোকৰ পক্ষে হে সেইভাব অনুভৱ সম্ভৱপৰ।

(১) "শ্যামাবদাতং বিৰজং প্ৰশান্তাৰুণলোচনং।
দোৰ্ভিশ্চতুৰ্ভিৰ্ব্বিদিতং পীতকৌশাম্বৰেণ চ॥"
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা, ৭ম শ্লোক।

(২) 'অস্মিন মহাভাগৱতো দ্বৈপায়নসুহৃৎসখা।
লোকাননুচৰন্ সিদ্ধ আসসাদ যদৃচ্ছয়া॥"
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, চতুৰ্থ আধ্যা, ৯ম শ্লোক।

ভক্তি-প্ৰেমত গদ্‌গদ্ হৈ অতি বিনীতভাৱে কাষতে উপবেশন কৰিলে (১)। এই ভক্ত-বান্ধৱদ্বয়ক সেই অৱসৰতে ভগৱন্ত শ্ৰীকৃষ্ণই মোক্ষপ্ৰাপ্তি বিষয়ক ভালেমান তত্ত্বজ্ঞান দান কৰিলে।

যদুবংশধ্বংসৰপৰা সপ্ত-অহোৰাত্ৰৰ অন্তত, পৃথিবীত ধৰ্ম্মৰাজ্য সংস্থাপনৰ বিমল সুখ অনুভৱ কৰি, আত্মতত্ত্বজ্ঞানৰ পুনৰাবৃত্তিত ধৰি থাকোতেই, সেই সমাধিস্থ অৱস্থাতে নিস্পৃহ, বিষয়-সুখত উদাসীন আৰু পৰমানন্দস্বৰূপ (২) ভগৱন্ত শ্ৰীকৃষ্ণই আত্ম-ইচ্ছা প্ৰয়োগেৰে অলৌকিক ভাৱে নৰতনু আৰু নৰবিগ্ৰহ বিসৰ্জ্জন দি, ঐশ্বৰিক জ্যোতিৰে জ্যোতিষ্মান্ হৈ, বৈকুণ্ঠলৈ মহাপ্ৰয়াণ কৰি, পুনৰপি পৰমাত্মাত বিলীন হলগৈ। (৩)

## অন্ত্যলীলা অন্ত।

---

(১) তস্যানুৰক্তস্য মুনের্মুকুন্দঃ প্ৰমোদভাবানতকন্ধৰস্য।
আশৃণ্বতো মামনুৰাগহাসসমীক্ষয়া বিশ্ৰময়ন্নুবাচ॥"
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা, ১০ম শ্লোক

(২) "কৰ্ম্মাণ্যনীহস্য ভৱোহভৱস্য তে দুৰ্গাশ্ৰয়োহথাৰিভয়াৎ পলায়নং
কালাত্মনো যৎপ্ৰমদাযুতাশ্ৰমঃ স্বাত্মন্ৰতেঃ খিদ্যতি ধীৰ্বিদামিহ॥"
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা, ১৬শ শ্লোক।

(৩) "বিদুৰোহপ্যুদ্ধৱাৎ শ্ৰুত্বা কৃষ্ণস্য পৰমাত্মনঃ।
ক্ৰীড়য়োপাত্তদেহস্য কৰ্ম্মাণি শ্লাঘিতানিচ॥
দেহন্যাসঞ্চ তস্যৈবং ধীৰাণাং ধৈৰ্য্যবৰ্দ্ধনং।
অন্যেষাং দুষ্কৰতৰং পশূনাং বিক্লবাত্মনাং॥
—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ আধ্যা, ৩৩ শ্লোক।